UG ED S6- 03 (DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

ষষ্ঠ ষান্মাসিক

নির্দেশনা আৰু পৰামর্শদান

শিক্ষা



ইন্দিৰা মিৰি শিক্ষা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দুলুমনি গোস্বামী, শিক্ষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নীল ৰতন ৰায়, শিক্ষা বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়
ড° মৰমী গোস্বামী, শিক্ষা বিভাগ, প্রাক্তন সহযোগী অধ্যাপক, গুৱাহাটী মহাবিদ্যালয়

সমন্বয়ৰক্ষী

ড° ইন্দ্রানী কলিতা আৰু ড° প্রণৱ শইকীয়া, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়-	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ২, ৪	**ড° অৰুণিমা বৰা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**ড° প্রণৱ শইকীয়া,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
	ড° ইন্দ্রানী কলিতা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**ড° উৎপল কলিতা,** আৰ জি বৰুৱা
৫, ৬	**ড° অর্চনা অধিকাৰী** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**ড° অৰুণিমা বৰা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৭, ৮	**ড° প্রণৱ শইকীয়া** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**ড° ইন্দ্রানী কলিতা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৯	**ড° ইন্দ্রানী কলিতা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**ড° অৰুণিমা বৰা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১০	**ড° ইন্দ্রানী কলিতা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**ড° ইন্দ্রানী কলিতা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১১	**ড° ইন্দ্রানী কলিতা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**ড° মৰমী গোস্বামী,** প্রাক্তন সহযোগী অধ্যাপক, গুৱাহাটী মহাবিদ্যালয়
১২	**ড° ইন্দ্রানী কলিতা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**ড° নীলিমা ডেকা,** এল. চি. বি. মহাবিদ্যালয়
১৩	**ড° ইন্দ্রানী কলিতা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**ড° ইন্দ্রানী কলিতা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১৪	**ড° ইন্দ্রানী কলিতা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**ড° অৰুণিমা বৰা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনা :
বিষয়বস্তু সম্পাদনা : **অধ্যাপক দুলুমনি গোস্বামী,** শিক্ষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° প্রণৱ শইকীয়া, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ভাষা সম্পাদনা : **ড° নীভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা : **ড° ইন্দ্রানী কলিতা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ মে'-২০২৬

This Self-learning material (SLM) of Krishna Kanta Handiqui State Open University is made available under Creative Commons Attibution-Non-commercial-shareAlike4.0 License (International): http//creativecommons.org/license/by-nc-sa/4.0

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।
মূখ্য কার্যালয় : পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১ ০১৭
নগৰ কার্যালয় : ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১ ০২২
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয়

ষষ্ঠ ষান্মাসিকত মূল পাঠ্যক্রম বাছনি কৰা শিক্ষার্থীসকলে চাৰিটা মূল পাঠ্যক্রম অধ্যয়ন কৰিব লাগিব, সেয়া হৈছে- ভাৰতত স্বাধীনোত্তৰ কালত শিক্ষাৰ ইতিহাস, জনসংখ্যা শিক্ষা, শিক্ষা, সম্প্রদায় উন্নয়নৰ বাবে শিক্ষা আৰু নির্দেশনা আৰু পৰামর্শদান।

এই ষান্মাসিকত চতুর্থ পাঠ্যক্রম "নির্দেশনা আৰু পৰামর্শদান"ত ১৪ টা অধ্যায় অন্তর্ভুক্ত আছে। প্রথম অধ্যায়ত নির্দেশনাৰ ধাৰণা আৰু প্রকৃতি, নির্দেশনাৰ উদ্দেশ্য, নীতি, প্রকাৰ আৰু বিদ্যালয়ত নির্দেশনাৰ গুৰুত্ব আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত বিদ্যালয়ত নির্দেশনাৰ গুৰুত্ব, বিদ্যালয়ত নির্দেশনা সেৱা আৰু গোট নির্দেশনা আলোচনা কৰা হৈছে। তৃতীয় অধ্যায়ত মানৱ বিকাশ আৰু সমাযোজন, বিকাশ আৰু সমাযোজনত সহায়ক অনুকূল আৰু প্রতিকূল আচৰণৰ ধাৰা আলোচনা কৰা হৈছে। চতুর্থ অধ্যায়ত পৰামর্শদানৰ অর্থ, সংজ্ঞা আৰু প্রকৃতি, উদ্দেশ্য, গুৰুত্ব আৰু নীতি আৰু বিভিন্ন পদ্ধতি আলোচনা কৰা হৈছে। পঞ্চম আৰু ষষ্ঠ অধ্যায়ত বিদ্যালয়ত পৰামর্শদানৰ গুৰুত্ব, পৰামর্শদানত শিক্ষকসকলৰ ভূমিকা আৰু শিক্ষকসকলৰ বাবে মৌলিক পৰামর্শদক্ষতা আলোচনা কৰা হৈছে। সপ্তম আৰু অষ্টম অধ্যায়ত কেৰিয়াৰ বিকাশ আৰু ইয়াৰ কৌশলসমূহ ব্যাখ্যা কৰা হৈছে। নবম অধ্যায়ত শাৰীৰিক অক্ষমতা, বৌদ্ধিক অক্ষমতা আৰু শিক্ষণ অক্ষমতা থকা শিশুসকলৰ বাবে নির্দেশনা আৰু পৰামর্শদান আলোচনা কৰা হৈছে। দশম অধ্যায়ত নির্দেশনা কার্যসূচী পৰিকল্পনা আৰু সংগঠনৰ বিষয়ে, বিশেষকৈ SEDG শিক্ষার্থীৰ বাবে নির্দেশনা কার্যসূচী পৰিকল্পনা আৰু সংগঠনৰ বিষয়ে ব্যাখ্যা কৰা হৈছে। একাদশ আৰু দ্বাদশ অধ্যায়ত নির্দেশনা আৰু পৰামর্শদানত মানসিক পৰীক্ষাৰ ব্যৱহাৰ, বুদ্ধিমত্তা মূল্যায়ন বুজা, আগ্রহ, যোগ্যতা আৰু সাফল্য মূল্যায়ন, পৰামর্শৰ বাবে ব্যক্তিত্ব মূল্যায়ন, সৃষ্টিশীলতা আৰু ইয়াৰ মূল্যায়নৰ বিষয়ে বিস্তৃত আলোচনা কৰা হৈছে। ত্রয়োদশ অধ্যায়ত বিভিন্ন ধৰণৰ পৰামর্শদানত মুখ্য চিন্তাবোৰ, বিশেষকৈ সংকটকালীন পৰামর্শদানত মুখ্য চিন্তাবোৰ আলোচনা কৰা হৈছে। চতুর্দশ আৰু অন্তিম অধ্যায়ত মানসিক স্বাস্থ্যৰ ধাৰণা, পৰিসৰ, মানসিকভাৱে সুস্থ ব্যক্তিৰ বৈশিষ্ট্য আৰু মানসিক স্বাস্থ্য ৰক্ষণাবেক্ষণত বিদ্যালয়ৰ ভূমিকা আলোচনা কৰা হৈছে।

এই পাঠ্যভাগটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে । প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আহিঁ প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আহিঁও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **নির্দেশনাৰ এক পৰিচয়** ৭-১৭
নির্দেশনাৰ ধাৰণা আৰু প্ৰকৃতি, উদ্দেশ্য, নীতি, প্ৰকাৰ, বিদ্যালয়ত নির্দেশনাৰ গুৰুত্ব।

অধ্যায় ২ ঃ **বিকাশ আৰু সমাযোজনৰ বাবে নির্দেশনা** ১৮-৩৩
মানৱ বিকাশ আৰু সমাযোজন, বিকাশ আৰু সমাযোজনত সহায়ক অনুকূল আৰু প্ৰতিকূল আচৰণৰ ধাৰা।

অধ্যায় ৩ ঃ **বিকাশ আৰু সমাযোজনৰ বাবে নির্দেশনা** ৩৪-৫৬
মানৱ বিকাশ আৰু সমাযোজন, বিকাশ আৰু সমাযোজনত সহায়ক অনুকূল আৰু প্ৰতিকূল আচৰণৰ ধাৰা।

অধ্যায় ৪ ঃ পৰামর্শদানৰ পৰিচয় ৫৭-৬৭
পৰামর্শদানৰ অর্থ, সংজ্ঞা আৰু প্ৰকৃতি, উদ্দেশ্য, গুৰুত্ব, নীতি আৰু বিভিন্ন পদ্ধতি।

অধ্যায় ৫ ঃ **বিদ্যালয়ত পৰামর্শদাতা হিচাপে শিক্ষকৰ ভূমিকা** ৬৮-৭৩
শিক্ষকৰ বাবে মৌলিক পৰামর্শদান দক্ষতা- যোগাযোগ দক্ষতা, সহানুভূতি, আন্তৰিকতা, ইতিবাচক মান্যতা।

অধ্যায় ৬ ঃ **শিক্ষকৰ বাবে পৰামর্শদান দক্ষতা** ৭৪-৮১
আন্তর্জাতিক বুজাপৰাৰ অর্থ, ইয়াৰ প্ৰয়োজনীয়তা, ইয়াৰ মূল নীতিসমূহ আন্তর্জাতিক বুজাপৰাৰ উপায় হিচপে শিক্ষা।

অধ্যায় ৭ ঃ **কেৰিয়াৰ বিকাশ** ৮২-৯৮
কেৰিয়াৰ বিকাশ বুজা, শিক্ষার্থীৰ বাবে কেৰিয়াৰ নির্দেশনা, মহিলাৰ কেৰিয়াৰ বিকাশৰ সমস্যা, মহিলাৰ কেৰিয়াৰ বিকাশৰ কাৰক আৰু প্ৰক্ৰিয়া।

অধ্যায় ৮ ঃ **কেৰিয়াৰ বিকাশৰ কৌশল** ৯৯-১১৮
কেৰিয়াৰ তথ্য আৰু নির্দেশনা আৰু পৰামর্শদান, কেৰিয়াৰ তথ্যৰ উৎস আৰু সংগ্রহ, নতুন যুগত কেৰিয়াৰ সুযোগ অনুসন্ধান।

অধ্যায় ৯ ঃ বিশেষভাৱে সক্ষম শিশুৰ বাবে নির্দেশনা আৰু পৰামর্শদান ১১৯-১৪২
শাৰীৰিক অক্ষমতা থকা শিশুৰ বাবে, বৌদ্ধিক অক্ষমতা থকা শিশুৰ বাবে, শিক্ষণ অক্ষমতা থকা শিশুৰ বাবে নির্দেশনা আৰু পৰামর্শদান।

অধ্যায় ১০ ঃ নির্দেশনামূলক কার্যসূচীৰ পৰিকল্পনা আৰু আয়োজন ১৪৩-১৫৬
নির্দেশনা কার্যসূচী পৰিকল্পনা আৰু সংগঠন, SEDG শিক্ষার্থীৰ বাবে নির্দেশনা কার্যসূচী পৰিকল্পনা আৰু সংগঠন।

অধ্যায় ১১ ঃ নির্দেশনা আৰু পৰামর্শদানত মনোবৈজ্ঞানিক অভীক্ষাৰ প্রয়োগ ১৫৭-১৮০
নির্দেশনা আৰু পৰামর্শদানত মনোবৈজ্ঞানিক অভীক্ষাৰ প্রয়োগ, বুদ্ধিমত্তা আৰু ইয়াৰ মূল্যায়ন ।

অধ্যায় ১২ ঃ আগ্রহ, অভিক্ষমতা, কৃতিত্বৰ ব্যক্তিত্ব আৰু সৃষ্টিশীলতা মূল্যায়ন ১৮১-২০৫
আগ্রহ, অভিক্ষমতা, কৃতিত্বৰ মূল্যায়ন, পৰামর্শদান বাবে বুদ্ধিমত্তা আৰু ব্যক্তিত্ব মূল্যায়ন, সৃষ্টিশীলতা আৰু ইয়াৰ মূল্যায়ন।

অধ্যায় ১৩ ঃ বিভিন্ন প্রকাৰৰ পৰামর্শদানত প্রধান চিন্তনীয় বিষয়সমূহ ২০৬-২৩০
বিভিন্ন ধৰণৰ পৰামর্শদানত মুখ্য চিন্তা, সংকটকালীন পৰামর্শদানত মুখ্য চিন্তা।

অধ্যায় ১৪ ঃ মানসিক স্বাস্থ্য আৰু সুস্থতাৰ বিকাশ ২৩১-২৪০
মানসিক স্বাস্থ্যৰ ধাৰণা, পৰিসৰ, মানসিকভাৱে সুস্থ ব্যক্তিৰ বৈশিষ্ট্য, মানসিক স্বাস্থ্য ৰক্ষণাবেক্ষণত বিদ্যালয়ৰ ভূমিকা।

অধ্যায় ১ ঃ নির্দেশনাৰ এক পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ নির্দেশনাৰ অর্থ আৰু প্রকৃতি
১.৩.১ নির্দেশনাৰ উদ্দেশ্য
১.৩.২ নির্দেশনাৰ নীতিসমূহ
১.৪ নির্দেশনাৰ প্রকাৰ
১.৫ বিদ্যালয় পর্যায়ত নির্দেশনাৰ গুৰুত্ব
১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৭ অধিক জানিবলৈ
১.৮ অগ্রগতিৰ খতিয়ান
১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নির্দেশনাৰ অর্থ বর্ণনা কৰিব পাৰিব
- নির্দেশনাৰ প্রকৃতি সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- নির্দেশনাৰ উদ্দেশ্য আৰু নীতিসমূহ ব্যাখ্যা কৰিব পাৰিব
- নির্দেশনাৰ প্রকাৰসমূহ চিনাক্ত কৰিব পাৰিব।

১.২ পৰিচয়

শিক্ষক হিচাবে আপুনি শিক্ষার্থীয়ে সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহৰ বিষয়ে নিশ্চয় জ্ঞাত। এই সমস্যাসমূহ শ্রেণীকোঠাৰ ভিতৰত অথবা শ্রেণীকোঠাৰ বাহিৰত শিক্ষার্থীয়ে প্রদর্শন কৰে। আপুনি নিশ্চয় লক্ষ্য কৰিছে যে কিছুমান শিক্ষার্থীয়ে শ্রেণীকোঠাৰ পাঠদানৰ প্রতি মনোযোগী নহয়, কিছুমান শিক্ষার্থীয়ে শ্রেণীকোঠাত দেখুৱাব লগীয়া প্রতিক্রিয়া প্রকাশ নকৰে। কিছুমান শিক্ষার্থীৰ শ্রেণীকোঠাৰ ভিতৰত কৰা আচাৰ-আচৰণ বাঞ্ছিত ধৰণৰ নহয়; কিছুমান শিক্ষার্থীৰ বিদ্যায়তনিক দিশৰ অগ্রগতি অতি মন্থৰ আৰু অন্য কিছুমান শিক্ষার্থীৰ অধ্যয়নৰ ক্ষেত্রত

থাকিব লগা একাগ্রতা আৰু অভিৰোচনৰ অভাৱ দেখা যায়। অন্যহাতে, বহু শিক্ষার্থীয়ে নিজৰ শক্তি-সামর্থ আৰু প্রৱণতা অনুসৰি ভৱিষ্যৎ- সঠিক পাঠ্যক্রম নির্বাচন, কেৰিয়াৰ নির্বাচন আদিৰ ক্ষেত্রত অসুবিধাৰ সন্মুখীন হয়। কিছুমান শিক্ষার্থীয়ে শ্রেণীকোঠাৰ ভিতৰে-বাহিৰে সমাযোজনৰ ক্ষেত্রত অসুবিধাৰ সন্মুখীন হয়। কেতিয়াবা আকৌ কোনো কোনো শিক্ষার্থীয়ে উগ্র আচৰণো প্রদর্শন কৰে।

ওপৰত উল্লেখ কৰা সমস্যাবোৰৰ মূলতে হ'ল শিক্ষার্থীয়ে তেওঁলোকৰ শাৰীৰিক, আবেগিক, সামাজিক, নৈতিক আৰু আধ্যাত্মিক আদি দিশত হোৱা সমাযোজনৰ ক্ষেত্রত পোৱা সমস্যা আৰু অসুবিধা। এই ক্ষেত্রত শিক্ষকৰ দায়িত্ব হ'ল শিক্ষার্থীয়ে সন্মুখীন হোৱা এই সমস্যাসমূহক বুজিবলৈ চেষ্টা কৰা আৰু প্রতিজন শিক্ষার্থীয়ে সন্মুখীন হোৱা সমস্যাৰ গভীৰতাক বুজি তেওঁলোকক যথাযথ নির্দেশনা দান কৰা। প্রতিজন শিক্ষার্থীয়ে সন্মুখীন হোৱা সমস্যাসমূহক সঠিক নির্দেশনা প্রদানৰ মাধ্যমেৰে শিক্ষার্থীক ইয়াৰ সমাধানৰ ক্ষেত্রত সহায় কৰি তেওঁলোকৰ পূর্ণাংগ বিকাশ সাধন নিশ্চিত কৰাটো শিক্ষা প্রক্রিয়াৰ এক গুৰুত্বপূর্ণ কার্য।

এই অধ্যায়টিত আমি নির্দেশনাৰ ধাৰণা আৰু প্রকৃতিৰ বিষয়ে আলোচনা কৰিম। ইয়াৰ লগতে নির্দেশনাৰ নীতিসমূহ আৰু প্রকাৰৰ বিষয়েও চমুকৈ উল্লেখ কৰিম যাতে আপোনালোকে নির্দেশনা সম্পর্কে এটি ধাৰণা গঢ়ি ইয়াৰ প্রকৃতিক স্পষ্টকৈ বুজিব পাৰে।

১.৩ নির্দেশনাৰ অর্থ আৰু প্রকৃতি

সাধাৰণ অর্থত নির্দেশনাৰ অর্থ হ'ল ব্যক্তিক সঠিক সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত কৰা সহায় যাৰ জৰিয়তে ব্যক্তিয়ে জীৱনৰ বিভিন্ন দিশত সন্মুখীন হোৱা সমস্যাৰ সমাধান কৰিব পাৰে। নির্দেশনা হ'ল এক প্রক্রিয়া যাৰ দ্বাৰা এজন ব্যক্তিক জীৱনৰ বিভিন্ন পৰিস্থিতিত সঠিকভাৱে সমযোজনত সহায় কৰে। নির্দেশনা এক সংগঠিত সেৱা যাৰ লক্ষ্যই হ'ল এজন ব্যক্তিক নিজকে বুজি পোৱাত সহায় কৰা। অর্থাৎ এই সেৱাৰ দ্বাৰা এজন ব্যক্তিক তেওঁৰ অন্তর্নিহিত দক্ষতা, প্রৱণতা, আগ্রহ, ধাৰণা, প্রয়োজন, উদ্দেশ্য আৰু ব্যক্তিজনৰ সীমাবদ্ধতাসমূহ বুজি পোৱাত সহায় কৰা। নির্দেশনাৰ দ্বাৰা ব্যক্তিক তেওঁৰ নিজৰ সম্পর্কীয় প্রাসংগিক আৰু প্রয়োজনীয় তথ্য প্রদানৰ লগতে তেওঁৰ চৌপাশৰ পৃথিৱীখনৰ বিষয়েও অভাস দিয়া হয়। এইদৰে ব্যক্তিক নিজৰ লগতে তেওঁৰ চৌপাশৰ পৃথিৱীখনৰ বিষয়ে সঠিক তথ্য প্রদান কৰি ব্যক্তিজনৰ অন্তর্জগত আৰু বহির্জগতৰ মাজত এক সু-সমন্বয় গঢ়ি তেওঁৰ মাজত পৰিপক্কতা আৰু বাঞ্ছিত পর্যায়ৰ কল্পনাশক্তিক বিকশিত কৰা হয়। এনেদৰেই নির্দেশনা প্রক্রিয়াৰ জৰিয়তে ব্যক্তিক জীৱনৰ বিভিন্ন পৰিস্থিতিত সার্থক সমাযোজন কৰাত সহায় কৰা হয়। Ruth Strang [1966] য়ে নির্দেশনাৰ এক পূর্ণাংগ সংজ্ঞা দিছিল তলত উল্লেখ কৰা ধৰণে ঃ

'নির্দেশনা হ'ল এনে এক প্রক্রিয়া যাৰ দ্বাৰা প্রতিজন ব্যক্তিক স্ব-প্রচেষ্টাৰে নিজৰ সম্ভাৱনীয়তাক আৱিষ্কাৰ কৰা আৰু সেইসমূহৰ বিকাশ হোৱাত সহায় কৰা।'

ওপৰৰ নির্দেশনাৰ সংজ্ঞাটোৰ পৰা চাৰিটা গুৰুত্বপূর্ণ বৈশিষ্ট্য নির্দেশনা প্রক্রিয়াত প্রত্যক্ষ কৰা যায়।

1। এই প্রক্রিয়াৰ জৰিয়তে এজন ব্যক্তিক নিজৰ বিষয়ে বুজাত সহায় কৰে।

2। এই প্রক্রিয়াৰ জৰিয়তে এজন ব্যক্তিক নিজৰ লগত অন্য ব্যক্তিৰ সম্পর্কৰ বিষয়ে বুজাত সহায় কৰে।

3। এই প্রক্রিয়াৰে ব্যক্তিয়ে ব্যক্তিগত সমস্যাৰ সমাধানৰ ক্ষেত্রত বোধগম্যতা অর্জন কৰাত সহায় কৰে।

4। এই প্রক্রিয়াৰে ব্যক্তিয়ে সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত থাকিব লগা বোধগম্যতা অর্জনত সহায় কৰে।

Jones-য়ে নির্দেশনাৰ সংজ্ঞা তলত দিয়া ধৰণে আগবঢ়াইছে।

'নির্দেশনা হ'ল এজন ব্যক্তিয়ে অন্য এজন ব্যক্তিক কৰা ব্যক্তিগত সহায়। এই প্রক্রিয়াৰ দ্বাৰা সহায়ৰ প্রয়োজন হোৱা ব্যক্তিজনে নিজৰ জীৱনৰ লক্ষ্য গঢ় দিয়াত, সমাযোজন কৰাত, সমস্যা সমাধান কৰাত সফল হয় আৰু তেওঁৰ লক্ষ্যপ্রাপ্তি সূচল হয়।'

এই সংজ্ঞাৰ দ্বাৰা এইটো স্পষ্ট হয় যে নির্দেশনা হ'ল এক ব্যক্তিগত সহায়। অৱশ্যে নির্দেশনা কেতিয়াবা দলগতভাৱেও দিয়া হয় যদিও এই ক্ষেত্রতো দলৰ প্রতিজন সদস্যক ব্যক্তিগতভাৱে নির্দেশনা প্রদান কৰা হয়। এই ক্ষেত্রত Good-য়ে সঠিকভাৱেই কৈছে যে নির্দেশনা হ'ল এক গতিশীল আন্তঃব্যক্তিগত সম্পর্ক যাৰ দ্বাৰা ব্যক্তিৰ মনোবৃত্তিক প্রভাৱান্বিত কৰে আৰু পৰৱর্তী আচৰণসমূহৰ প্রদর্শনত পৰিৱর্তন অনা।

ৰাষ্ট্রীয় বৃত্তিমূলক নির্দেশনা সংস্থাৰ মতে নির্দেশনা হ'ল এজন ব্যক্তিক নিজৰ সম্পর্কে এক সুসংহত আৰু যথার্থ ছবি বিকশিত কৰাত সহায় কৰাৰ এক প্রক্রিয়া। এই প্রক্রিয়াৰ জৰিয়তে ব্যক্তিজনৰ কর্মৰ জগতত তেওঁৰ ভূমিকা, এই ক্ষেত্রত বাস্তৱতাৰ লগত ব্যক্তিজনৰ পৰিস্থিতি আৰু তেওঁৰ লক্ষ্যক সন্তোষজনকভাৱে বাস্তৱায়িত কৰাৰ ক্ষেত্রত সহায় কৰা।

নির্দেশনা সম্পর্কীয় বহু সংজ্ঞা বহু ব্যক্তিয়ে আগবঢ়াইছে। এই সংজ্ঞাসমূহৰ বিশ্লেষণ কৰিলে তলত উল্লেখ কৰা দিশসমূহ নির্দেশনাৰ ক্ষেত্রত বুজিব পাৰি ঃ

1। বহু বিকল্পৰ মাজৰ পৰা নিজৰ বাবে এজন ব্যক্তিয়ে আটাইতকৈ উপযোগী বিকল্পটো নির্বাচন কৰাত নির্দেশনাই সহায় কৰে।

2। এজন ব্যক্তিয়ে তেওঁৰ জীৱনৰ বিভিন্ন ক্ষেত্রত সন্মুখীন হোৱা সমস্যাবোৰৰ (যেনে— শৈক্ষিক, বৃত্তিগত, ব্যক্তিগত ইত্যাদি) সমাধান কৰাত নির্দেশনাই সহায় কৰে।

3। এজন ব্যক্তিক জীৱনৰ যিকোনো পৰিস্থিতিত সঠিকভাৱে সমাযোজন কৰিবলৈ সহায় কৰা।

4। এজন ব্যক্তিক নির্দেশনাৰ দ্বাৰা নিজকে আৰু তেওঁৰ চৌপাশৰ পৰিৱেশক বুজাত সহায় কৰা।

5। এজন ব্যক্তিক তেওঁৰ সুপ্ত সম্ভাৱনীয়তাক বুজাত সহায় কৰাৰ লগতে ব্যক্তিজনৰ নিজৰ বুদ্ধিৰ স্তৰ, আগ্রহ আৰু প্রৱণতাক বুজা, ব্যক্তিজনৰ আত্ম-ধাৰণা, মূল্যবোধ আৰু পৰিপক্কতাৰ পর্যায়ক বুজাতো নির্দেশনাই সহায় কৰে।

6। এজন ব্যক্তিক নিজৰ অন্তর্নিহিত সম্ভাৱনীয়তাক নির্দেশনাৰ সহায়ত সর্বোচ্চ পর্যায়লৈ বিকশিত কৰা।

7। এজন ব্যক্তিক নির্দেশনাৰ দ্বাৰা কর্মৰ জগতখনৰ বিষয়ে প্রয়োজনীয় তথা নির্ভৰযোগ্য তথ্য অর্জনত সহায় কৰা।

8। সমাজৰ বিকাশ আৰু কল্যাণলৈ এজন বক্তিয়ে সর্বোচ্চ উজাৰি দিবলৈ নির্দেশনাই সহায় কৰে।

9। এজন ব্যক্তিক জীৱনৰ যিকোনো পৰিস্থিতিত সম্পূর্ণ সন্তোষেৰে এক ভাৰসাম্য আৰু চিন্তামুক্ত জীৱন যাপনত সহায় কৰা।

10। এজন ব্যক্তিক তেওঁৰ জীৱনৰ প্ৰয়োজনসমূহ আটাইতকৈ কাৰ্যকৰীভাৱে আৰু সুদক্ষভাৱে পূৰণ কৰাত নির্দেশনাই সহায় কৰে।

11। এজন ব্যক্তিক নিজৰ দক্ষতা আৰু সম্ভাৱনীয়তা অনুসৰি জীৱনলৈ উৎকৃষ্টতা অনাত নির্দেশনাই সহায় কৰে।

ওপৰৰ উল্লেখ কৰা নির্দেশনাৰ ধাৰণা সম্পৰ্কীয় বিভিন্ন দিশসমূহৰ আলোচনাৰ অন্তত, নির্দেশনাৰ বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণে চিহ্নিত কৰিব পাৰি ঃ

1। ব্যক্তিৰ বিকাশ স্ব-পৰিচালিত দিশত গতি প্ৰদান কৰাৰ প্ৰক্ৰিয়াই হ'ল নির্দেশনা।

2। নির্দেশনা হ'ল ব্যক্তিৰ ভিতৰত পৰিৱৰ্তন সূচনা কৰা এক প্ৰক্ৰিয়া।

3। নির্দেশনাই ব্যক্তিক নিজ প্ৰচেষ্টাৰে আগুৱাই যোৱাত সহায় কৰে।

4। নির্দেশনাই এজন ব্যক্তিক সমাজত নিজকে প্ৰতিষ্ঠা কৰাত সহায় কৰে।

5। নির্দেশনাই এজন ব্যক্তিক নিজৰ চৌপাশৰ পৰিৱেশৰ লগত সমন্বয়পূৰ্ণ সম্পৰ্ক গঢ়াত সহায় কৰে।

6। নির্দেশনাই এজন ব্যক্তিক শৈক্ষিক, বৃত্তিগত আৰু ব্যক্তিগত জীৱনত সঠিক পছন্দ বা বাছনি কৰাত সহায় কৰে।

7। নির্দেশনাই ব্যক্তিৰ ব্যক্তিত্বৰ সংগঠনৰ ক্ষেত্ৰত সহায় কৰে।

8। নির্দেশনা কাৰ্যসূচীৰ এক নির্দেষ্ট সংৰচনা, পদ্ধতি আৰু ব্যক্তি (বিশেষজ্ঞ) জড়িত থাকে।

9। নির্দেশনা কাৰ্যসূচীত বিশেষজ্ঞ সেৱাসমূহ অন্তৰ্ভুক্ত। যেনে— পৰীক্ষণ পৰামৰ্শদান, শৈক্ষিক আৰু বৃত্তিমূলক কৰ্ম-সংস্থাপনৰ তথ্য আৰু অনুসৰণ সেৱা।

10। বিদ্যালয় ব্যৱস্থাত নির্দেশনা এক অপৰিহাৰ্য কাৰ্যসূচী।

11। নির্দেশনাৰ দ্বাৰা এজন ব্যক্তিক নিজৰ সম্ভাৱনীয়তা আৰু প্ৰতিভা চিনাক্তকৰণ আৰু বিকশিত কৰাত সহায়ক হয়।

12। নির্দেশনাই শিশুসকলৰ প্ৰতি এক যোগাত্মক মনোবৃত্তি গঢ়ি তোলে।

13। নির্দেশনাৰ দ্বাৰা ব্যক্তিৰ মাজত উৎকৃষ্টতম বিকাশ অৰ্জনত সহায় কৰে।

14। ব্যক্তিৰ দক্ষতা আৰু সম্ভাৱনীয়তাসমূহৰ বিকাশত নির্দেশনাই সহায় কৰে।

✍ অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ নির্দেশনা বুলিলে কি বুজে ?

প্ৰশ্ন নং ২ ঃ নির্দেশনাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

১.৩.১ নির্দেশনাৰ উদ্দেশ্য

ওপৰৰ আলোচনাত নির্দেশনা যে ব্যক্তি নিজৰ দক্ষতা, আগ্রহ আৰু সমাজৰ প্রয়োজনসমূহৰ লগত সমাযোজন কৰাৰ ক্ষেত্রত কৰা সহায় সেয়া স্পষ্ট হৈ পৰিছে। নির্দেশনাই এজন ব্যক্তিক বাঞ্ছিত দিশত বিকশিত হোৱাত সহায় কৰে। নির্দেশনাই সমাজৰ পৰিৱর্তিত সময়ৰ প্রয়োজন আৰু দাবীসমূহৰ লগত ব্যক্তিক পৰিচয় কৰাই ব্যক্তিজনৰ সমাজৰ লগত সমাযোজন আৰু বিকাশ সুনিশ্চিত কৰে।

প্রাথমিক বিদ্যালয় পর্যায়ত নির্দেশনাৰ উদ্দেশ্য হ'ল ছাত্র-ছাত্রীসকলক সমাজৰ বিভিন্ন প্রাথমিক গোটসমূহৰ লগত বিশেষকৈ ঘৰ, বিদ্যালয়, ধর্ম আৰু সমনীয়া দলৰ লগত সু-সমন্বয় গঢ়ি তোলাত সহায় কৰা। এই প্রাথমিক শক্তিসমূহেই শিক্ষার্থীৰ কৈশোৰৰ আধাৰ গঢ় দি তোলে।

মাধ্যমিক বিদ্যালয় পর্যায়ত নির্দেশনাৰ মূল উদ্দেশ্য হ'ল শিক্ষার্থীসকলৰ নিজা সম্ভাৱনীয়তা আৰু সুযোগ-সুবিধা অনুসৰি শৈক্ষিক পৰিকল্পনা, কেৰিয়াৰ বাছনি, পাৰস্পৰিক সম্পর্ক আৰু পাৰস্পৰিক গ্রহণযোগ্যতা আদি ক্ষেত্রবোৰত সফলভাৱে নিজকে বিকশিত কৰাত সহায় কৰা।

গতিকে নির্দেশনাৰ মূল উদ্দেশ্য হ'ল এজন ব্যক্তিক স্ব-পৰিস্থিতিগত সম্পর্কবোৰ বুজাত আৰু মোকাবিলা কৰিবলৈ দক্ষতা বৃদ্ধি কৰা। এই স্ব-পৰিস্থিতিগত সম্পর্কৰ লগত জড়িত শিক্ষক, শিক্ষার্থী, পিতৃ-মাতৃ আদিৰ মাজত অধিক ব্যক্তিগত সন্তোষ আৰু সামাজিক উপযোগিতাৰে সম্পর্ক স্থাপনত নির্দেশনাই তলত দিয়া ধৰণে সহায় কৰে ঃ

(ক) শিক্ষার্থীৰ প্রতি নির্দেশনাৰ অৱদান ঃ

(1) শিক্ষার্থীক নিজৰ দক্ষতা, প্রৱণতা, আগ্রহ আৰু সীমাবদ্ধতা বুজি পোৱাত সহায় কৰা।

(2) নিজৰ চৌপাশৰ মানুহৰ সৈতে সুন্দৰ সহাৱস্থান কৰা আৰু চৌপাশৰ পৃথিৱীখনক বুজাত সহায় কৰা।

(3) শিক্ষার্থীক বিভিন্ন কেৰিয়াৰ বিকল্প সম্পর্কে আৰু বিষয়বস্তু সম্পর্কীয় কথাবোৰৰ সম্পর্কত প্রয়োজনীয় তথ্য লাভ কৰাত সহায় কৰা।

(4) শিক্ষার্থীয়ে নিজৰ আগ্রহ আৰু দক্ষতাক আৱিষ্কাৰ কৰা, কর্মৰ পৃথিৱীখনৰ বিভিন্ন দিশসমূহৰ বিষয়ে শিকা আৰু শিক্ষার্থীয়ে নিজৰ দক্ষতাসমূহক সর্বাধিক ব্যৱহাৰ কৰিবলৈ শিকা।

(5) প্রতিভাধৰ আৰু লেহেমীয়া শিকাৰুসকল আৰু বিশেষ প্রয়োজন থকা শিক্ষার্থীসকলক চিনাক্ত কৰি তেওঁলোকৰ সম্ভাৱনীয় দক্ষতাৰ সর্বাধিক ব্যৱহাৰ কৰাত সহায় কৰে।

(খ) নির্দেশনা শিক্ষকৰ বাবে তলত দিয়া ধৰণে সহায়ক হয় ঃ

(1) নির্দেশনাই শিক্ষকক নিজৰ শিক্ষার্থীৰ বিষয়ে জ্ঞান লাভ কৰাত সহায় কৰে। এজন শিক্ষার্থীৰ সবলতা, দুর্বলতাক ভালদৰে জানিলে শিক্ষকে শিক্ষার্থীজনৰ শ্রেণীকোঠাৰ ব্যৱহাৰ আৰু পাৰদর্শিতা সম্পর্কে সঠিক ধাৰণা কৰিবলৈ সক্ষম হ'ব।

(2) এজন শিক্ষার্থীৰ আগ্রহ, দক্ষতা আৰু অতীত অভিজ্ঞতা সম্পর্কীয় তথ্যপাতি এজন শিক্ষার্থীৰ

অগ্রগতিৰ খতিয়ান বহীত উপলব্ধ থাকে। এজন শিক্ষকে এজন শিক্ষার্থীৰ লগত জড়িত তথ্যসমূহ যেনে তেওঁৰ শাৰীৰিক অৱস্থা, পৰিয়ালৰ পটভূমি, বিদ্যায়তনিক তথ্য, ব্যক্তিগত বৈশিষ্ট্যসমূহৰ আদি বিষয়ে জানিলে শিক্ষার্থীজনক অধিক ফলপ্রসূ ৰূপত শিক্ষাদান কৰিব পাৰে।

(গ) পিতৃ-মাতৃৰ বাবে নির্দেশনাৰ উপকাৰিতা ঃ

(1) পিতৃ-মাতৃৰ নিজৰ সন্তানৰ বুদ্ধি, দক্ষতা, আগ্রহ আৰু সম্ভাৱনীয়তাসমূহৰ সম্পর্কে সঠিক ধাৰণা থাকিলে তেওঁলোকৰ নিজ নিজ সন্তানক বুজি পোৱা আৰু স্বাভাৰিকভাৱে গ্রহণ কৰাত সহজ হয়। নির্দেশনাই এই দিশত যথেষ্ট সহায় কৰে।

(2) নির্দেশনাই সমাজৰ ব্যক্তিসকলৰ মাজত অধিক সুস্থ মানসিক স্বাস্থ্য গঢ়াত সহায় কৰে।

(3) নির্দেশনাই বিদ্যালয়ক বহু প্রকাৰে সহায় কৰে। শিক্ষার্থীক নিজৰ আগ্রহ আৰু প্রৱণতা অনুসৰি পাঠ্যক্রম নির্বাচনত নির্দেশনাই সহায় কৰে। নির্দেশনাই বিদ্যালয়ৰ সেইবোৰ কার্যসূচীৰ তথ্য শিক্ষার্থীক দিয়ে যিবোৰ শিক্ষার্থীৰ শৈক্ষিক কেৰিয়াৰ আৰু ব্যক্তিত্ব বিকাশত সহায়ক হয়।

১.৩.২ নির্দেশনাৰ নীতিসমূহ

নির্দেশনা কার্য কিছুমান বিশেষ নীতিৰ ওপৰত আধাৰিত। এই নীতিসমূহ তলত উল্লেখ কৰা হ'ল ঃ

(1) নির্দেশনা এক জীৱনজোৰা প্রক্রিয়া। এই প্রক্রিয়া শিশুকালৰ পৰা মৃত্যু পর্যন্ত অবিৰত ৰূপত চলি থাকে। নির্দেশনা সেৱা কেৱল এক সুনির্দিষ্ট সময় আৰু ঠাইত প্রদান কৰা নহয়।

(2) নির্দেশনাই ব্যক্তিকৰণৰ ওপৰত গুৰুত্ব দিয়ে। অর্থাৎ নির্দেশনাই প্রতিজন ব্যক্তিৰ স্বতন্ত্রভাৱে নিজৰ ব্যক্তিত্বৰ বিকাশ হোৱাত গুৰুত্ব প্রদান কৰি ব্যক্তিজনৰ প্রয়োজন অনুসৰি সঠিক দিশ নির্দেশনা দিয়াৰ পোষকতা কৰে। প্রতিজন ব্যক্তিয়েই নিজ নিজ দক্ষতা, আগ্রহ আৰু প্রৱণতাক অভিনৱ উপায়েৰে বিকাশ কৰাৰ ক্ষেত্রত প্রদান কৰিব লগা নির্দেশনা সেৱা শিক্ষাৰ বিভিন্ন স্তৰত থকা উচিত।

(3) নির্দেশনাই ব্যক্তিৰ বিকাশ প্রক্রিয়া স্ব-পৰিচালিত হোৱাটোত গুৰুত্ব দিয়ে। নির্দেশনাই ব্যক্তিক নিজ পৰিৱেশত সু-সমাযোজিত হোৱাত সহায় কৰে আৰু ব্যক্তিক আত্ম-পৰিচালিত আৰু আত্ম-নির্ভৰ কৰি তোলে। নির্দেশনাৰ দ্বাৰা এজন ব্যক্তিয়ে সন্মুখীন হোৱা সমস্যাৰ সমাধানৰ বিভিন্ন বিকল্প পথবোৰক উন্মোচন কৰি দিয়া হয় আৰু ব্যক্তিজনে এই বিকল্পসমূহৰ পৰা সঠিক বিকল্প বাচি লৈ সমস্যাটোৰ সমাধান কৰিব।

(4) নির্দেশনা সদায় ব্যক্তিৰ পাৰস্পৰিক সহযোগিতাৰ মাধ্যমেদিহে হয়। জোৰ কৰি কাকো নির্দেশনা দিয়া নাযায়।

(5) নির্দেশনাই প্রতিজন ব্যক্তিৰ সম্ভাৱনীয়তাসমূহৰ বিকাশত গুৰুত্ব দিয়ে। সেয়ে নির্দেশনা সেৱা প্রতিজন ব্যক্তিৰ বাবে হোৱা উচিত। অৱশ্যে সমাযোজনত অসুবিধা থকা শিক্ষার্থীজনক নির্দেশনা প্রদানত অধিক সময় দিব লগা হ'ব পাৰে। কিন্তু একে সময়তে স্বাভাৰিক শিশু আৰু বৌদ্ধিকভাৱে উচ্চ পর্যায়ৰ শিশুসকলকো তেওঁলোকৰ বৌদ্ধিক বিকাশৰ বাবে নির্দেশনা প্রদান কৰা প্রয়োজন।

(6) নির্দেশনা এক সুসংগঠিত কার্য, ই আকস্মিকভাৱে কৰা কার্য নহয়। নির্দেশনা কার্যৰ সুনির্দিষ্ট লক্ষ্য অর্জনৰ

উদ্দেশ্য থাকে। সেয়ে, নির্দেশনা কার্য এক পদ্ধতিগত আৰু সুসংবদ্ধ কার্যসূচী।

(7) যিহেতুকে নির্দেশনা এক পদ্ধতিগত আৰু সু-সংবদ্ধ কার্যসূচী, সেয়ে নির্দেশনা কর্মীসকলৰ নির্দেশনা সেৱা প্রদান কৰিবলৈ বিশেষ প্রস্তুতিৰ প্রয়োজন। নির্দেশনা কর্মীসকলে শিশুৰ মনোবিজ্ঞান, কৈশোৰ মনোবিজ্ঞান, মানসিক স্বাস্থ্য বিজ্ঞান আৰু ব্যৱহাৰিক অভিজ্ঞতাৰ ভিত্তিত প্রস্তুতি চলোৱা প্রয়োজন। নির্দেশনা কর্মীজনে স্থানীয়ভাৱে উপলব্ধ সংস্থা আৰু সমলৰ বিষয়ে পূর্বজ্ঞান থকা উচিত যাতে নির্দেশনা কার্যত এইসমূহৰ সঠিক ব্যৱহাৰ কৰিব পৰা হয়।

(8) নির্দেশনাত ব্যক্তি-পার্থক্যক সদায় সন্মান কৰা হয়। যিহেতু প্রতিজন ব্যক্তিয়েই অভিনৱ সেয়ে ব্যক্তি পার্থক্য থকাটো এক স্বাভাৱিক কথা। সেয়ে নির্দেশনা সেৱাত এজন ব্যক্তিৰ অভিনৱ প্রয়োজন, সমস্যা আৰু বিকাশমূলক বৈশিষ্ট্যসমূহক নির্দেশনা কার্যত গুৰুত্বপূর্ণ বুলি বিবেচনা কৰা হয়।

(9) সঠিক আৰু পর্যাপ্ত তথ্য অবিহনে নির্দেশনা প্রদান কৰাটো বৰ বিপদজনক। সেয়ে, নির্দেশনা প্রদান কৰাৰ আগতে নির্দেশনা প্রদান কৰিবলগা শিক্ষার্থী সম্পর্কীয় বিস্তৃত জ্ঞান, তেওঁলোকৰ অগ্রগতিৰ খতিয়ান আৰু কৃতিত্বৰ সৱিস্তাৰ তথ্য নির্দেশনা কর্মীজনে জনা উচিত।

(10) নির্দেশনা সেৱা সদায় নমনীয় হোৱা উচিত। ব্যক্তি আৰু সমাজৰ প্রয়োজন অনুসৰি এই সেৱা আগবঢ়োৱা আৱশ্যক।

(11) নির্দেশনা কার্যসূচী এক আন্তঃসম্পর্কিত কার্যসূচী। এক কার্যকৰী নির্দেশনা প্রদান কৰিবলৈ এজন ব্যক্তিৰ সম্পর্কিত সকলো তথ্যৰ প্রয়োজন। কাৰণ ব্যক্তিৰ কোনো সমস্যাই অকলশৰীয়াকৈ চাব নোৱাৰি। উদাহৰণস্বৰূপে, শৈক্ষিক, বৃত্তিগত আৰু ব্যক্তিগত সামাজিক নির্দেশনা হ'ল আন্তঃসম্পর্কিত। কিন্তু সামগ্রিক নির্দেশনা কার্যসূচীৰ বিভিন্ন দিশ অনুসৰি এইবোৰক ভাগ কৰিব পাৰি।

(12) নির্দেশনা কার্যসূচীত নীতিগত দিশটো হ'ল নির্দেশনা গ্রহণ কৰা ব্যক্তিজনৰ ব্যক্তিত্বৰ প্রতি প্রদর্শন কৰা যথোচিত সন্মান।

১.৪ নির্দেশনাৰ প্রকাৰ

নির্দেশনা এক অবিৰত প্রক্রিয়া যাৰ দ্বাৰা জীৱনৰ সকলো দিশ সামৰি লোৱা হয়। এই সকলো দিশ সামৰি নির্দেশনাৰ তিনিটা প্রধান প্রকাৰত ভাগ কৰিব পাৰি ঃ

(১) **শৈক্ষিক নির্দেশনা ঃ** শৈক্ষিক নির্দেশনা হ'ল এজন ব্যক্তিক তেওঁৰ শৈক্ষিক জীৱনৰ ক্ষেত্রত কৰা সহায়। ইয়াৰ সহায়ত ব্যক্তি এজনে শিক্ষা লাভ বা গ্রহণৰ ক্ষেত্রত অবিৰত ৰূপত এক সূচল পৰিৱেশ বা ব্যৱস্থাৰ মাজত নিজকে বর্তাই ৰাখিব পাৰে। শৈক্ষিক নির্দেশনাৰ মাধ্যমেদি ব্যক্তি এজনে নিজৰ শৈক্ষিক কার্যসূচীক পৰিপক্কতাৰে সজাব পাৰে বা পৰিকল্পনা কৰিব পাৰে আৰু সেই অনুসৰি নিজকে আগু�ৱাই শিক্ষাক্ষেত্রত আগবাঢ়িব পাৰে। এই নির্দেশনাত মূলত শিক্ষণীয় বিষয়বস্তু, পাঠ্যক্রম আৰু অধ্যয়নৰ লগত জড়িত সমস্যাসমূহৰ ওপৰত মনোনিৱেশ কৰে।

(২) **বৃত্তিমূলক নির্দেশনা ঃ** বৃত্তিমূলক নির্দেশনা হ'ল এজন ব্যক্তিক নিজৰ বাবে সঠিক বৃত্তিৰ বাচনি কৰা, তাৰ

বাবে নিজকে প্ৰস্তুত কৰা, সেই বৃত্তিত প্ৰৱেশ কৰা আৰু নিৰ্বাচিত বৃত্তিত অগ্ৰগতি লাভ কৰা। বৃত্তিগত নির্দেশনাত বিদ্যালয়ৰ শৈক্ষিক বিষয়সমূহৰ লগত বৃত্তিগত দিশবোৰ বুজাত শিক্ষার্থীক সহায় কৰে। এই নির্দেশনাই এজন শিক্ষার্থীক নিজৰ দক্ষতা, আগ্ৰহ আৰু সক্ষমতাৰ ভিত্তিত নিজৰ ভৱিষ্যৎ জীৱনৰ বাবে বৃত্তি নির্বাচনত সহায় কৰে।

(৩) **ব্যক্তিগত সামাজিক নির্দেশনা ঃ** এই প্ৰকাৰৰ নির্দেশনাত ব্যক্তিৰ সামাজিক, আবেগিক আৰু অৱসৰ সময়ৰ দিশসমূহৰ ক্ষেত্ৰত নির্দেশনা প্ৰদান কৰে। এই নির্দেশনাই ব্যক্তিৰ স্বাস্থ্যগত সমস্যা, আবেগিক সমাযোজন, সামাজিক সমাযোজন ইত্যাদিবোৰ সামৰি লয়। ব্যক্তিগত নির্দেশনাৰ মূল উদ্দেশ্যই হ'ল এজন ব্যক্তিক তেওঁৰ শাৰীৰিক, আবেগিক, সামাজিক, নৈতিক আৰু আধ্যাত্মিক বিকাশৰ ক্ষেত্ৰত সহায় কৰা যাতে ব্যক্তিজনে স্ব-পৰিচালিত ৰূপত এই দিশসমূহত নিজৰ বিকাশ সুনিশ্চিত কৰিব পাৰে।

ওপৰত উল্লেখ কৰা নির্দেশনাৰ তিনিটা মুখ্য প্ৰকাৰৰ উপৰিও কিছুমান অন্য প্ৰকাৰৰ নির্দেশনাও আছে। বিনোদন সম্পৰ্কীয় নির্দেশনাৰ জৰিয়তে এজন ব্যক্তিক তেওঁৰ ব্যক্তিত্বৰ বৈশিষ্ট্যৰ লগত খাপ খোৱা ধৰণৰ বিনোদনৰ মাধ্যম বাচনি কৰাত সহায় কৰা। সামুহিক (Community) নির্দেশনা হ'ল এজন ব্যক্তিক তেওঁৰ ব্যক্তিত্বৰ সংলক্ষণৰ লগত ভাৰসাম্য ৰাখিব পৰা এক কর্মসূচী প্ৰস্তুত কৰাত সহায় কৰা যাৰ দ্বাৰা তেওঁৰ অনান্য কর্মসূচী বা কার্যসমূহৰ লগত এক সমন্বয় সাধন হয়।

t চিন্তা চর্চা কৰক ১.১

1/4 নির্দেশনাৰ নীতিসমূহ আপোনাৰ বিদ্যালয়ত কিদৰে প্ৰয়োগ কৰিব পাৰি?

2/4 নির্দেশনাৰ কোনটো প্ৰকাৰ আপোনাৰ শিক্ষার্থীৰ বাবে অতীৱ প্ৰয়োজন?

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ কিয় নির্দেশনা এক পদ্ধতিগত আৰু সংহত সেৱা?

প্ৰশ্ন নং ৪ ঃ বৃত্তিমূলক নির্দেশনাৰ প্ৰয়োজনীয়তাক দাঙি ধৰক।

১.৫ বিদ্যালয় পর্যায়ত নির্দেশনাৰ গুৰুত্ব

মানুহৰ জীৱন বিভিন্ন সমস্যাৰ দ্বাৰা ভাৰাক্ৰান্ত। সমস্যাবিহীন জীৱন কল্পনাতীত। সময়ৰ লগে লগে মাথোঁ সমস্যাৰ স্বৰূপ বা প্ৰকৃতিৰহে পৰিৱর্তন হয়। কিন্তু সমস্যাবোৰ নিঃশেষ হৈ নাযায়। এনে এক পটভূমিত আমাৰ মাজত সততে অৱতাৰণা হোৱা প্ৰশ্নটো হ'ল ইয়াৰ বিকল্প সম্ভৱনে? উত্তৰটো হ'ল — হয় এয়া সম্ভৱ। ইয়াৰ বাবে লাগিব সমস্যাৰ সৈতে মোকাবিলা কৰাৰ দক্ষতা আৰু সমস্যাক জীৱনৰ অংশ হিচাপে গ্ৰহণ কৰাৰ ইতিবাচক

মনোভাব। আমাৰ ব্যক্তিত্বত যেতিয়াই আমি আত্মপ্রত্যয়ৰে সমস্যাবোৰ আঁকোৱালি লোৱাৰ লগতে সাহসেৰে মোকাবিলা কৰাৰ দক্ষতা সমাহিত কৰিবলৈ সক্ষম হম; তেতিয়াই হয়তো আমি সুস্থ জীৱনৰ বাবে উচিত বিকল্প বিচাৰি পাম। এনেধৰণৰ দক্ষতা আৰু সাহস বিকাশৰ বাবে কিন্তু সঠিক নির্দেশনা অতি প্রয়োজন। জীৱনৰ বিভিন্ন ক্ষেত্রত পাৰদর্শিতা আৰু নিপুণতাৰে অগ্রসৰ হ'বলৈ হ'লে বিদ্যালয় পর্যায়ত ছাত্র-ছাত্রীসকলক নির্দেশনা প্রদানৰ যথোচিত ব্যৱস্থা কৰাৰ প্রয়োজনীয়তা আছে। কাৰণ বিদ্যালয়ৰ নির্দেশনাই শিক্ষার্থীসকলৰ বিদ্যায়তনিক কৃতিত্বক উন্নত কৰাত বিশেষভাৰে সহায় কৰিব পাৰে। তদুপৰি, বিদ্যালয় পর্যায়ত নির্দেশনাই ছাত্র-ছাত্রীসকলৰ শৈক্ষিক, বৃত্তিমূলক আৰু মানসিক দক্ষতা বিকাশত সহায় কৰে। আটাইতকৈ উল্লেখযোগ্য কথাটো হ'ল নির্দেশনাই এজন শিক্ষার্থীক জীৱনত সুখ আৰু শান্তিৰ এক অনুকূল স্তৰ লাভ কৰাত সহায় কৰিব পাৰে।

প্রংসগক্রমে উল্লেখ কৰা উচিত হ'ব যে, বিদ্যালয় হৈছে ল'ৰা-ছোৱালীৰ ভৱিষ্যত নিৰাপদ আৰু ধুনীয়া কৰি তোলাৰ এক গুৰুত্বপূর্ণ অনুষ্ঠান। পৰিয়ালে যিদৰে বংশ ৰক্ষাৰ বাবে জৈৱিক বংশানুক্রমিকভাৱে সহজাত সংলক্ষণবোৰ প্রেৰণ কৰে, ঠিক একেদৰে বিদ্যালয়সমূহেও সামাজিক বংশানুক্রমিকতাৰ মাজেৰে এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ সমাজৰ পৰিৱর্তনকামী সংলক্ষণ আৰু দক্ষতাবোৰৰ সঞ্চাৰ কৰে। সেয়েহে এক বিস্তৃত দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে বিদ্যালয়ৰ সাম্ভাব্যপূর্ণ সকলোবোৰ দিশ অনুভৱ কৰিব পাৰি। বিদ্যালয়ৰ মাজত নিহিত হৈ থকা এনে সকলোবোৰ দিশক মূর্ত ৰূপত বুজি উঠাৰ বাবে নির্দেশনা কার্যসূচীৰ গুৰুত্ব যথেষ্ট পৰিমাণে বিবেচনাযোগ্য। বিদ্যালয় পর্যায়ত নির্দেশনাৰ গুৰুত্বক তলত দিয়া ধৰণে সংকলিত কৰিব পাৰি—

- ছাত্র-ছাত্রীসকলৰ মাজত বিদ্যায়তনিক কৃতিত্ব উন্নত কৰাত পথ প্রদর্শন কৰে।
- অধ্যয়নৰ সুস্থ অভ্যাস গঢ়ি তোলা কার্যক উৎসাহিত কৰিব পাৰে।
- সফলতা আৰু বিফলতাক স্বভাৱিক পৰিণতি হিচাপে গ্রহণ কৰাৰ মানসিকতা গঢ় লৈ উঠাত সহায় কৰে।
- বিদ্যালয় পর্যায়ত প্রবল ৰূপত গা কৰি উঠা অনুশানহীনতাৰ সমস্যা দূৰ কৰাত সহায় হ'ব।
- সহযোগিতা আৰু প্রতিযোগিতাৰ এক সুস্থ পৰিৱেশ ৰচনাত সহায় কৰিব পাৰে।
- পাঠ্যক্রমভিত্তিক কার্যসূচীৰ লগতে সহঃপাঠ্যক্রমভিত্তিক কার্যসূচীতো সক্রিয়ভাৱে অংশগ্রহণ কৰাৰ বাবে বিদ্যালয়ত নির্দেশনা গুৰুত্বপূর্ণ।
- শিক্ষক, শিক্ষার্থী আৰু অনা-শিক্ষক কর্মচাৰী সকলোৰে মাজত সহযোগিতামূলক প্রচেষ্টা আৰু অনুষ্ঠান ব্যাপি চিন্তনৰ বাবেও বিদ্যালয়ত নির্দেশনাৰ গুৰুত্ব উপলব্ধি কৰিব পাৰি।
- অৱসৰ সময়ক সৃষ্টিশীল কামৰ মাজেৰে অতিবাহিত কৰি, সময়ৰ যথোচিত ব্যৱহাৰ কৰিবলৈ শিকাৰ বাবেও নির্দেশনা গুৰুত্বপূর্ণ।
- বিদ্যালয়ত নির্দেশনাৰ আঁৰৰ প্রাথমিক উদ্দেশ্য হৈছে ছাত্র-ছাত্রীৰ আৱেগিক, সামাজিক আৰু আচৰণগত প্রয়োজনীয়তাসমূহ পূৰণ কৰা।
- ছাত্র-ছাত্রীসকলক জীৱিকাৰ ভিন্নমুখী ক্ষেত্রসমূহৰ সৈতে পৰিচিত কৰোৱা।
- ছাত্র-ছাত্রীসকলৰ পৰিয়ালকেন্দ্রীক সমস্যাবোৰে যাতে অধ্যয়ন কার্যত প্রতিবন্ধকতাৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে বিদ্যালয়ত নির্দেশনা কার্যসূচী গুৰুত্ব আছে।

- ভয়, মানসিক পীড়া, আত্মবিশ্বাসৰ অভাৱ, নৈৰাশ্য, নিসংগতা, সমনীয়া আৰু বিদ্যালয় পৰিৱেশত অপসমাযোজন, দুৰ্বল শৰীৰ, অসুস্থ যৌন আসক্তি, ৰাগিয়াল দ্ৰব্যৰ প্ৰতি আসক্তি ইত্যাদি সমস্যাসমূহৰ উপযুক্ত সমাধান সূত্ৰ আৱিষ্কাৰ কৰাৰ বাবেও বিদ্যালয় পৰ্যায়ত নিৰ্দেশনা প্ৰদানৰ গুৰুত্ব মনকৰিবলগীয়া।

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নিৰ্দেশনাই ব্যক্তিক সৰ্বশ্ৰেষ্ঠ পছন্দ আৰু সমাযোজনত সহায় কৰে।
- নিৰ্দেশনা এক জীৱনজোৰা প্ৰক্ৰিয়া আৰু নিৰ্দেশনা সকলোকে প্ৰয়োজন হয়।
- নিৰ্দেশনাই ব্যক্তিক স্ব-সিদ্ধান্ত লোৱাত সহায় কৰে।
- নিৰ্দেশনাৰ উদ্দেশ্য হ'ল এজন ব্যক্তিৰ প্ৰয়োজন আৰু দক্ষতাৰ প্ৰতি লক্ষ্য ৰাখি ব্যক্তিক কাৰ্যকৰীভাৱে সমাজত সমাযোজন কৰাত সহায় কৰা।
- নিৰ্দেশনাই ব্যক্তিক এক সঠিক দিশত আগুৱাই যোৱাত সহায় কৰে।
- নিৰ্দেশনা সেৱা প্ৰদান কৰিবলৈ নিৰ্দেশনা কৰ্মীক এক বিশেষ প্ৰস্তুতিৰ প্ৰয়োজন।
- নিৰ্দেশনাই ব্যক্তি-পাৰ্থক্যক সদায় সন্মান কৰে।
- নিৰ্দেশনা এক আন্তঃসম্পৰ্কিত কাৰ্যসূচী। অকলশৰীয়াকৈ এজন ব্যক্তিৰ এটা সমস্যাক চাব নোৱাৰি। এটা সমস্যাৰ বহু দিশ থাকে।
- নিৰ্দেশনাক মূলত তিনি প্ৰকাৰে ভাগ কৰিব পাৰি— শৈক্ষিক, বৃত্তিমূলক আৰু ব্যক্তিগত-সামাজিক নিৰ্দেশনা।
- নিৰ্দেশনাই ব্যক্তিৰ বিনোদন সম্পৰ্কীয় আৰু সামুহিক নিৰ্দেশনা ক্ষেত্ৰখনো সামৰি লয়।

১.৭ অধিক জানিবলৈ

1] Sharma, R. A. (–). Fundamentals of Guidance and Counselling. Meerut : R. Lal Book Depot.

2] ডেকা, বীৰেন্দ্ৰ (২০১২), সমগ্ৰ শিক্ষা, গুৱাহাটী ঃ অশোক বুক ষ্টল।

3] গোস্বামী, মৰমী (২০১৫), নতুন শিক্ষাতত্ত্ব, গুৱাহাটী ঃ অশোক বুক ষ্টল।

১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সাধাৰণ অৰ্থত নিৰ্দেশনা বুলিলে ব্যক্তিক সঠিক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত কৰা সহায়, যাৰ জৰিয়তে ব্যক্তিয়ে জীৱনৰ বিভিন্ন দিশত সন্মুখীন হোৱা সমস্যাৰ সমাধান কৰিব পাৰে। নিৰ্দেশনা হ'ল এক প্ৰক্ৰিয়া যাৰ দ্বাৰা এজন ব্যক্তিক জীৱনৰ বিভিন্ন পৰিস্থিতিত সঠিকভাৱে

সমযোজনত সহায় কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ 1] নির্দেশনা হ'ল ব্যক্তিৰ ভিতৰত পৰিৱর্তন সূচনা কৰা এক প্রক্রিয়া।

২) নির্দেশনাই ব্যক্তিক নিজ প্রচেষ্টাৰে আগুৱাই যোৱাত সহায় কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নির্দেশনা আকস্মিকভাৱে প্রদান কৰা সেৱা নহয়। নির্দেশনাৰ সু-নির্দিষ্ট লক্ষ্য থাকে, পূর্ব-পৰিকল্পনা থাকে আৰু এক নির্দিষ্ট পদ্ধতি অৱলম্বন কৰিব লাগে। সেয়ে, নির্দেশনা সদায় এক নির্দিষ্ট পদ্ধতিগত আৰু সুসংহত ৰূপতহে প্রদান কৰা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বৃত্তিমূলক নির্দেশনা শিক্ষার্থীৰ বাবে অত্যন্ত গুৰুত্বপূর্ণ। বৃত্তিমূলক নির্দেশনাৰ বাবে বিষয় বা পাঠ্যক্রম নির্বাচন, পূর্ব প্রস্তুতিৰ আৱশ্যকতা আৰু নিজৰ আগ্রহ, প্রৱণতা আৰু দক্ষতাৰ লগত খজিতা খুৱাই বৃত্তি নির্বাচন কৰাটো অতীৱ প্রয়োজন। বৃত্তিমূলক নির্দেশনাৰ লগত শিক্ষার্থীৰ ভৱিষ্যত অর্থনৈতিক জীৱন জড়িত থাকে। সেয়ে, বৃত্তিমূলক নির্দেশনী শিক্ষার্থীৰ বাবে অতি আৱশ্যকীয় আৰু প্রয়োজনীয়।

M ১.৯ আৰ্হিপ্রশ্ন

ক) **চমু প্রশ্ন** (১০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ নির্দেশনা বুলিলে কি বুজে।

প্রশ্ন ২ ঃ 'নির্দেশনা এক জীৱনজোৰা এক প্রক্রিয়া'। কিয়?

প্রশ্ন ৩ ঃ শৈক্ষিক নির্দেশনাৰ মূল উদ্দেশ্য কি?

খ) **ৰচনাধর্মী প্রশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ নির্দেশনাৰ নীতিসমূহৰ ব্যৱহাৰিক দিশসমূহ আপোনাৰ বিদ্যালয়ৰ প্রেক্ষাপটত আলোচনা কৰক।

প্রশ্ন ২ ঃ নির্দেশনাৰ বৈশিষ্ট্যসমূহৰ পৰা শিক্ষণীয় দিশসমূহ কি কি?

প্রশ্ন ৩ ঃ নির্দেশনাৰ প্রকাৰসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ বিদ্যালয়সমূহত নির্দেশনা সেৱা (Guidance Services in Schools)

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ বিভিন্ন নির্দেশনাৰ সেৱাসমূহ
২.৩.১ অভিযোজন সেৱা
২.৩.২ শিক্ষার্থী সম্ভেদকাৰী সেৱা
২.৩.৩ বৃত্তিগত তথ্যৰ সেৱা
২.৩.৪ সংস্থাপিত সেৱা
২.৩.৫ অনুগমন সেৱা
২.৩.৬ পৰামর্শদান সেৱা
২.৪ দলীয় নির্দেশনাৰ ধাৰণা
২.৫ দলীয় নির্দেশনাৰ গুৰুত্ব
২.৬ দলীয় নির্দেশনাৰ কার্যসূচীসমূহ
২.৭ দলীয় নির্দেশনাৰ সুবিধা আৰু অসুবিধাসমূহ
২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২. ৯ অধিক জানিবলৈ
২.১০ অগ্রগতিৰ খতিয়ান
২.১১ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য (Learning Objectives)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বিদ্যালয় নির্দেশনা সেৱা সম্পর্কে বর্ণনা কৰিবলৈ সক্ষম হ'ব
- বিদ্যালয়ত নির্দেশনা সেৱাৰ আয়োজনৰ বাবে পৰিকল্পনা কৰিব পাৰিব
- ছাত্র-ছাত্রীৰ প্রয়োজন অনুসৰি ভাগে ভাগে বিভিন্ন নির্দেশনা সেৱাৰ ব্যৱস্থা কৰিবলৈ সক্ষম হ'ব।
- দলীয় নির্দেশনাৰ সংজ্ঞা প্রদান কৰিব পাৰিব
- দলীয় নির্দেশনাৰ গুৰুত্ব সম্পর্কে সজাগ হ'ব

২.২ পৰিচয় (Introduction)


বৰ্তমান যুগত দেখা যায় যে বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ পৰিৱেশত বিভিন্ন সমস্যাৰ সন্মুখীন হয়। সমস্যাসমূহ হয়তো ব্যক্তিগত, আচৰণজনিত, শিক্ষা ক্ষেত্ৰৰ অথবা বৃত্তিগত সম্পৰ্কীয় হ'ব পাৰে। এই ক্ষেত্ৰত নির্দেশনাৰ এক বিশেষ ভূমিকা দেখা যায়, কিয়নো উল্লেখ কৰি অহা সমস্যাসমূহৰ লগত মোকাবিলা কৰা আৰু লগতে সমস্যা সমাধান কৰি কিদৰে ছাত্ৰ-ছাত্ৰীসকল ভৱিষ্যতে আত্মনির্ভৰ হৈ আগুৱাই যাব পাৰে, সেয়ে হৈছে নির্দেশনাৰ এক গুৰুত্বপূৰ্ণ তথা প্ৰধান লক্ষ্য।

সাধাৰণতে দেখা যায় যে, শিক্ষাৰ মাধ্যমিক স্তৰত নির্দেশনা তথা পৰামৰ্শদান প্ৰক্ৰিয়াৰ সুস্থিৰ প্ৰয়োগ অতিকৈ বাঞ্ছনীয় হৈ পৰিছে। কিয়নো শিক্ষাৰ মাধ্যমিক স্তৰত ছাত্ৰ বা ছাত্ৰী এগৰাকীয়ে কৈশোৰ কালত ভৰি দিয়ে আৰু এই সময়ছোৱা পিতৃ-মাতৃ অথবা বিদ্যালয়ৰ শিক্ষকসকল সজাগ হোৱাতো অতিকৈ প্ৰয়োজনীয় কাৰণ দৈহিক, মানসিক, শাৰীৰিক, আবেগিক, সামাজিক দিশসমূহৰ পৰিৱৰ্তনে ল'ৰা-ছোৱালীক এই সময়ত কেতবোৰ অস্থিৰতাৰ সন্মুখীন কৰায়। তেওঁলোকৰ প্ৰয়োজনসমূহে বৰকৈ আমনি দিয়ে আৰু হয়তো এই দৈহিক, মানসিক, আবেগিক অথবা সামাজিক প্ৰয়োজনসমূহ সময় মতে আৰু সঠিকভাৱে পূৰণ কৰিব নোৱাৰিলে ছাত্ৰ-ছাত্ৰীসকল বিপথে যোৱাৰ সম্ভাৱনা প্ৰকট হৈ উঠে। অসমৰ প্ৰেক্ষাপটত দেখা পোৱা যায় যে পেচাদাৰীভাৱে নির্দেশনা আৰু পৰামৰ্শদান দিব পৰা পেচাদাৰী লোকৰ নিযুক্তি ব্যৱস্থা চৰকাৰী বা বেচৰকাৰী খণ্ডৰ বিদ্যালয়ত সম্পূৰ্ণ হৈ উঠা নাই। সেই পৰিস্থিতিত শিক্ষকসকল প্ৰত্যেকে নিজে নিজে দায়িত্ব গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীক সুপৰামৰ্শ দি ভৱিষ্যতৰ পথত সুস্থিৰভাৱে আগবঢ়াই লৈ যোৱা উচিত।

এই অধ্যায়টোৰ জৰিয়তে বিদ্যালয়ত গ্ৰহণ কৰিব পৰা বিভিন্ন পৰামৰ্শদান সেৱাসমূহ উল্লেখ কৰা হৈছে। লগতে এই উল্লিখিত পৰামৰ্শদান সেৱাসমূহৰ কাৰ্যাৱলী আলোচনা কৰা হ'ব। ইয়াৰ উপৰিও পৰামৰ্শদান প্ৰক্ৰিয়াত শিক্ষকৰ ভূমিকা সম্পৰ্কে এই অধ্যায়ত উল্লেখ কৰা হ'ব। ইয়াৰ উপৰিও নির্দেশনাৰ এক অতি গুৰুত্বপূৰ্ণ অংশ হ'ল— দলীয় নির্দেশনা। সেয়ে এই অধ্যায়ত আমি দলীয় নির্দেশনাৰ ধাৰণাৰ লগতে ইয়াৰ লগত জড়িত গুৰুত্বপূৰ্ণ দিশসমূহ আলোচনা কৰিম।

২.৩ বিভিন্ন নির্দেশনাৰ সেৱাসমূহ (Different guidence services)

এখন বিদ্যালয়ত সাধাৰণতে ছয় প্ৰকাৰৰ নির্দেশনা কাৰ্যক্ৰম কৰিব পৰা যায়। সেইসমূহৰ বিষয়ে তলত এক চমু আলোচনা দাঙি ধৰা হৈছে। এইখিনিতে উল্লেখ কৰিব পৰা যায় যে, নির্দেশনা কাৰ্যসূচীৰ প্ৰধান লক্ষ্য হ'ল উপযুক্ত ব্যক্তিক উপযুক্ত সময়ত সঠিক দিশ নির্দেশনা প্ৰদান কৰা। বিদ্যালয়ত নির্দেশনা কাৰ্যসূচীবোৰে বিদ্যালয় বা শিক্ষানুষ্ঠানখনৰ উদ্দেশ্যসমূহ উপলব্ধি কৰাত সহায় কৰে। সেয়ে বৰ্তমান সময়ত নির্দেশনাৰ সেৱাসমূহ প্ৰত্যেকখন বিদ্যালয়ৰ কাৰণে অপৰিহাৰ্য হৈ পৰিছে।



২.৩.১ অভিযোজন সেৱা (Orientation Service)

এখন বিদ্যালয়ত ছাত্র-ছাত্রীসমূহ বেলেগ বেলেগ পৰিৱেশৰ পৰা অহা দেখা যায়। এই বেলেগ বেলেগ পৰিৱেশৰ পৰা অহাৰ ফলস্বৰূপে ছাত্র-ছাত্রীসকল প্ৰৱেশৰ আচৰণত (entry behaviour) বিভিন্নতা দেখা পোৱা যায়। ছাত্র-ছাত্রীসকলক ভৱিষ্যৎ স্তৰৰ শিক্ষাৰ কাৰণে প্ৰস্তুত কৰা, সামাজিকভাৱে কৌশলী হোৱাত সহায় কৰা, আৱেগিক সুস্থিৰতা অনা, মূল্যবোধৰ শিক্ষা প্ৰদান কৰা, দায়িত্ববোধৰ জ্ঞান প্ৰদান কৰাৰ উদ্দেশ্যে বিদ্যালয়সমূহত উপযুক্ত ব্যৱস্থা কৰিব লাগে। ভৱিষ্যতে মহাবিদ্যালয় অথবা অন্যান্য নতুন শিক্ষানুষ্ঠানৰ নতুন পৰিৱেশত যাতে ছাত্র-ছাত্রীসকল সুচাৰুৰূপে সমাযোজিত হ'ব পাৰে তাৰ কাৰণে অভিযোজন সেৱা অত্যাৱশ্যকীয়। অভিযোজন সেৱাৰ জৰিয়তে ছাত্র-ছাত্রীসকলক পঢ়ি থকা বিদ্যালয়খনৰ পৰিৱেশৰ লগত খাপ খোৱাৰ ক্ষেত্রতো সহায় কৰিব পৰা যায়। এই সেৱাৰ কেতবোৰ উদ্দেশ্য হৈছে—

(১) বিদ্যালয়ৰ নির্ধাৰিত নিয়ম নীতিসমূহৰ প্ৰতি ছাত্র-ছাত্রীসকলৰ মনত সচেতনতা অনা।

(২) এটা পর্যায়ৰ পৰা আনটো পর্যায়লৈ নিজক আগুৱাই নিয়াত সহায় কৰা।

(৩) নতুনকৈ অহা ছাত্র-ছাত্রীসকলৰ লগত শিক্ষক তথা পুৰণি ছাত্র-ছাত্রীসকলক মত-বিনিময়ৰ সুবিধা প্ৰদান কৰা।

(৪) বিদ্যালয় আৰু শিক্ষকৰ প্ৰতি ছাত্র-ছাত্রীসকলৰ মাজত অনুকূল আচৰণ বিকাশৰ চেষ্টা কৰা।

(৫) ছাত্র-ছাত্রীসকলৰ মাজত তথ্য প্ৰদানৰ লগতে শৈক্ষিক কৃতিত্ব লাভ। ব্যক্তিত্বৰ বিকাশ সাধন আৰু উন্নত ধৰণে নৈতিক মূল্যবোধৰ বিকাশ সাধনত সহায় কৰা। বিদ্যালয়ৰ নির্ধাৰিত নিয়ম নীতিসমূহৰ প্ৰতি ছাত্র-ছাত্রীসকলৰ মনত সচেতনতা অনা।

অভিযোজন সেৱাৰ প্ৰকাৰ (Types of Orientation Service)

বহল দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে অভিযোজন সেৱাক দুই ভাগত বিভক্ত কৰিব পৰা যায়— ১) নামভর্তিৰ পূর্বৰ অভিযোজন আৰু ২) নামভর্তিৰ পিছৰ অভিযোজন সেৱা।

১) **নামভর্তিৰ পূর্বৰ অভিযোজন সেৱা (Pre-Admission Orientation)** ঃ এই সেৱাৰ ব্যৱস্থা আমাৰ

বিদ্যালয়সমূহত অনিবার্য। এই সেৱাৰ যোগেদি ছাত্র-ছাত্রীসকলে বিদ্যালয়ৰ লগত পৰিচয় হোৱাৰ সুযোগ লাভ কৰে। ইয়াৰ উপৰিও সেই বিশেষ বিদ্যালয় বা শিক্ষানুষ্ঠানখনৰ পৰম্পৰা, লক্ষ্য, নীতি-নিয়ম, পাঠ্যক্রম, সহ পাঠ্যক্রম কার্যাৱলী, কর্মচাৰী ইত্যাদি সমূহৰ বিষয়ে অভিযোজন সেৱাই চিনাকি কৰাই দিয়ে।

২) নামভর্তিৰ পাছৰ অভিযোজন সেৱা (Post-Admission Orientation) ঃ এই ধৰণৰ অভিযোজন সেৱা গোটেই বছৰ, যিকোনো সময়তে ছাত্র-ছাত্রীসকলক দিয়া হয়। এই সেৱাৰ যোগেদি শিক্ষকসকলে প্রত্যেক ছাত্র-ছাত্রীৰ প্রতিভা আৰু লগতে তেওঁলোকৰ প্রয়োজনসমূহ চিনাক্ত কৰিবলৈ সক্ষম হয়। ফলস্বৰূপে শিক্ষকসকলে শিক্ষণ শৈলীসমূহ কিদৰে ছাত্র-ছাত্রীৰ প্রয়োজনৰ লগত সম্পর্ক ৰাখি ব্যৱহাৰ কৰিব, সেই সম্পর্কে সচেতন হৈ পৰে।

অভিযোজন সেৱাৰ কার্যসূচী (Activities of Orientation Service)

শিক্ষকসকলে অভিযোজন সেৱা ছাত্র-ছাত্রীসকলৰ কাৰণে উপলব্ধ কৰিবৰ বাবে বিভিন্ন কার্যসূচী হাতত ল'ব পাৰে। সেই কার্যসূচীসমূহ তলত উল্লেখ কৰা ধৰণৰ হ'ব পাৰে।

১) ছপা সামগ্রী (Printed Materials) ঃ অভিযোজন সেৱাৰ লগত জড়িত ছপা সামগ্রীবোৰ হ'ল— শিক্ষানুষ্ঠানত প্রৱেশৰ প্রচাৰ পত্রিকা, বার্ষিক শৈক্ষিকপঞ্জী, ছাত্র-ছাত্রীৰ হাতপুথি ইত্যাদি। এই ক্ষেত্রত শিক্ষকসকলে মন কৰা উচিত যাতে ওপৰত উল্লিখিত সামগ্রীবোৰত শিক্ষানুষ্ঠানখনৰ প্রতিটো দিশৰ তথ্য সন্নিৱিষ্ট হৈ থকাতো অতি প্রয়োজন। এইসমূহৰ জৰিয়তে নৱাগতা ছাত্র-ছাত্রীয়ে নতুন শিক্ষানুষ্ঠান সম্পর্কে ধাৰণা কৰিব পাৰে।

২) অভিযোজন দিৱস (Orientation Day) ঃ শিক্ষকসকলৰ আন এক দায়িত্ব হ'ল যে তেওঁলোকে অভিযোজন দিৱস উদ্যাপনৰ বাবে আগভাগ লোৱা উচিত। অর্থাৎ ছাত্র-ছাত্রীসকলক শিক্ষানুষ্ঠানৰ সাংস্কৃতিক কার্যসূচী, স্বাস্থ্যসেৱা, বিনোদনমূলক সুবিধা, নীতি-নিয়ম, পুথিভঁৰালৰ সুবিধা, জলপানিৰ সুবিধা আদিৰ বিষয়ে জনোৱাৰ এটা দিন বছৰত এবাৰ নির্ধাৰণ কৰিব লাগে। সেই দিনটোৱেই হ'ল অভিযোজন দিৱস।

৩) সামাজিক সন্ধিয়া (Social Evening) ঃ এই কার্যসূচীৰ অর্থ হ'ল খেলা-ধূলা, প্রদর্শনী, চিনেমা প্রদর্শন বা নিমন্ত্রিত অতিথিৰ দ্বাৰা বক্তৃতা আদি প্রদানৰ ব্যৱস্থা কৰা।

৪) ভ্রমণ আৰু খেলা-ধূলা (Excursion, Games) ঃ কিছু সংখ্যক ছাত্র-ছাত্রীৰ ভয় আৰু সংশয় আঁতৰ কৰাৰ কাৰণে অনানুষ্ঠানিকভাৱে ভ্রমণ আৰু খেলা-ধূলাৰ ব্যৱস্থা সংযোজনৰ যোগেদি বিদ্যালয়ত সমাযোজিত হোৱাত সহায় কৰিব পৰা যায়।

২.৩.২ শিক্ষার্থী সম্ভেদকাৰী সেৱা (Pupil Inventory service)

শিক্ষার্থী সম্ভেদকাৰীক (Pupil Inventory) ব্যক্তি অথবা আত্ম সম্ভেদকাৰী (Individual or Self Inventory) সেৱা হিচাপেও জনা যায়। শিক্ষার্থীসকলৰ বিভিন্ন সংবাদ সংগ্রহ, সংৰক্ষণ তথা প্রয়োগ কৰা কার্য শিক্ষার্থী সম্ভেদকাৰীয়ে সম্পাদন কৰে।

এজন শিক্ষকে ছাত্র-ছাত্রীসকলক সহযোগিতাৰে আগবঢ়াই নিবলৈ হ'লে তেওঁলোকৰ বিষয়ে সাধাৰণ

তথ্যখিনি জনাৰ লগতে ছাত্র-ছাত্রীসকলৰ মাজত নিহিত হৈ থকা নির্দিষ্ট ক্ষমতাসমূহৰ বিষয়ে জনাতো অতি প্রয়োজন। ছাত্র-ছাত্রীৰ আগ্রহ আৰু কুশলতা সম্পর্কে নজনাকৈ, তেওঁলোকৰ পৰা আমি কিমানখিনি আশা কৰিব পাৰো, সেই ক্ষেত্রত এক প্রশ্নবোধক চিনৰ উদয় হ'ব পাৰো। মনোবিজ্ঞানে প্রমাণ কৰি দেখুৱাই দিছে যে প্রত্যেক ব্যক্তিয়েই আগ্রহ, কুশলতা, দক্ষতা, প্রৱণতা আৰু প্রতিভাৰ ক্ষেত্রত ভিন্ন। সেয়ে এজন দায়িত্বশীল শিক্ষক হিচাপে তেওঁলোকক সঠিক পথৰ নির্দেশনা দিবলৈ যোৱাৰ আগতে ওপৰত উল্লেখ কৰি অহা দিশসমূহৰ মূল্যায়ন কৰা উচিত। লগতে আন এক গুৰুত্বপূর্ণ দিশ যেনে— ছাত্র বা ছাত্রী এগৰাকীৰ আর্থ-সামাজিক দিশ অথবা পৰিয়ালৰ পৃষ্ঠভূমি সম্পর্কেও শিক্ষকে তথ্য গোটাই লোৱাটো আন এক প্রয়োজনীয় দিশ। গতিকে উল্লেখ কৰিব পৰা যায় যে, শিক্ষার্থী সম্ভেদকাৰী সেৱাই এনেধৰণৰ তথ্য আহৰণ ক্ষেত্রত অৰিহণা যোগায়। অন্যথা ছাত্র-ছাত্রীৰ মানসিক সংলক্ষণবোৰ সাধাৰণভাৱে জনাটো সম্ভৱপৰ নহয়। তদুপৰি শিক্ষার্থী সম্ভেদকাৰী সেৱা অবিহনে নির্দেশনা প্রক্রিয়াৰ কার্য ফলপ্রসূভাৱে সম্পাদন কৰিব পৰা নাযায়। এক কথাত এই সেৱাক এক জীৱন ব্যাপি সেৱা স্বৰূপে বর্ণনা কৰা হয়।

এই প্রকাৰৰ নির্দেশনা সেৱাত সমস্যাৰ বিপৰীতে ছাত্র-ছাত্রীসকলৰ ওপৰত আৰু লগতে উদয় হোৱা বিভিন্ন সমস্যাৰ কাৰকসমূহৰ ওপৰত সর্বাধিক গুৰুত্ব আৰোপ কৰা হয়। সেইবাবে নির্দেশনা কর্মী আৰু শিক্ষকসকলে ছাত্র-ছাত্রীৰ লগত জঞ্জতি সকলো ধৰণৰ সংবাদ সংৰক্ষণ কৰি ৰাখিব লাগে। ছাত্র-ছাত্রীৰ দৈহিক, মানসিক, ব্যক্তিগত সামর্থ সম্পর্কে এক বাস্তৱ ছবি দাঙি ধৰাই এই সেৱাৰ মূল উদ্দেশ্য।

শিক্ষার্থী সম্ভেদকাৰী সেৱাৰ উদ্দেশ্য (Aims of Pupil Inventory Service)

ইতিমধ্যে কৰি অহা আলোচনাৰ পৰা আমি সকলোৱে বুজিব পাৰিছো যে শৈক্ষিক তথা বৃত্তিমূলক নির্দেশনাৰ কাৰণে শিক্ষার্থী সম্ভেদকাৰী সেৱাৰ গুৰুত্ব এখন বিদ্যালয়ে নুই কৰিব নোৱাৰে। মাধ্যমিক স্তৰত ইয়াৰ গুৰুত্ব আৰু অধিক বুলি বিবেচনা কৰা যায়। কাৰণ কৈশোৰ স্তৰত দেখা দিয়া বেলেগ বেলেগ সমস্যাসমূহ দূৰ কৰি ছাত্র-ছাত্রীক সঠিক পথ দেখুৱাই লৈ যোৱাত শিক্ষকসকলে এনেধৰণৰ সেৱাৰ সহায় ল'ব পাৰে। এইখিনিতে এই সেৱাৰ কেতবোৰ উদ্দেশ্য উল্লেখ কৰিব পৰা যায়।

১) **আত্ম মূল্যায়নৰ বিকাশ সাধন** ঃ ইতিমধ্যে আমি সকলোৱে বুজি উঠিছো যে, প্রত্যেক ব্যক্তিয়ে বিশেষ কিছুমান জন্মগত প্রতিভা বা গুণৰ অধিকাৰী। কোনো এক বিষয় বাছনি বা ভৱিষ্যত জীৱনৰ বৃত্তিৰ বাছনিৰ ক্ষেত্রত তেতিয়াহে উপযুক্ত বুলিব পাৰি যেতিয়া ছাত্র এজনে সেই বিষয়ে অধ্যয়ন কৰিবলৈ বা সেই বৃত্তিত নিজকে উপযুক্ত কৰি গঢ়ি তুলি গ্রহণ কৰিবলৈ সক্ষম হয়। এনে ক্ষমতা বিকাশৰ কাৰণে প্রয়োজন হয় আত্মমূল্যায়নৰ। শিক্ষার্থী সম্ভেদকাৰী সেৱাৰ জৰিয়তে ছাত্র-ছাত্রীসকলে নিজৰ দক্ষতা আৰু সামর্থৰ মূল্যায়ন কৰিব পাৰে।

২) **আত্ম সংবেদনশীলতা বৃদ্ধি** ঃ এই সেৱাৰ যোগেদি ছাত্র বা ছাত্রী এগৰাকীয়ে নিজৰ সম্ভানীয়তা আৰু ক্ষমতা সম্পর্কে সংবেদনশীল হ'ব পাৰে। লগতে এনে ক্ষেত্রত শিক্ষকসকলেও আত্মধাৰণাৰ বিকাশ সাধন কৰাত ছাত্র-ছাত্রীসকলক সজাগ কৰি তুলিব পাৰে। ফলত প্রত্যেকজন ছাত্র-ছাত্রীৰ কাৰণে প্রায়োগিক পৰিকল্পনাৰে নিজৰ নিজৰ লক্ষ্যৰ দিশে আগবাঢ়ি যোৱাটো সহজ হয়।

৩) **উদ্দেশ্য অনুযায়ী সহায় কৰা** ঃ এই সেৱাৰ যোগেদি নিজৰ বিষয়ে বুদ্ধি আৰু উদ্দেশ্য অনুযায়ী সিদ্ধান্ত গ্ৰহণ কৰিলে ছাত্ৰ-ছাত্ৰীসকলে সফলতাৰে নিজৰ লক্ষ্যত উপনীত হোৱাৰ সুযোগ এশ শতাংশই ল'ব পাৰিব।

২.৩.৩ বৃত্তিমূলক তথ্যৰ সেৱা (Occupational information service)

শিক্ষাৰ মাধ্যমিক স্তৰত দেখা যায় যে, কিশোৰ কিশোৰীসকল আত্মনিৰ্ভৰশীল হ'ব বিচাৰে। তেওঁলোক সেই সময়ত নিজৰ নিজৰ সমস্যা সম্পৰ্কে সচেতন হয়। ল'ৰাই সাধাৰণতে আকৰ্ষণীয় আৰু ৰোমাঞ্চকৰ চাকৰি কৰিব বিচাৰে, যদিওবা যোগ্যতা নাথাকে বা তেনে ধৰণৰ চাকৰিৰ সুবিধা যথেষ্ট পৰিমাণে নাথাকে। তেওঁলোকে উচ্চ স্থানৰ চাকৰি আৰু উচ্চ সামাজিক স্থিতি সম্পৰ্কে যথেষ্ট সজাগ হয়। অন্যহাতে, ছোৱালীয়েও তেওঁলোকৰ নিৰাপত্তা সম্পৰ্কে ভাবিবলৈ ধৰে। এনে অৱস্থাত শিক্ষক, পৰামৰ্শদাতা আৰু লগতে কেৰিয়াৰ সম্পৰ্কে পৰামৰ্শ দানতে নিয়োজিত বিশেষ শিক্ষকসকলে সংহত প্ৰচেষ্টাৰে বৃত্তিমূলক তথ্যৰ সেৱা আগবঢ়াব পাৰে। এই সেৱাৰ মূল উদ্দেশ্য হৈছে শিক্ষাৰ বিভিন্ন স্তৰৰ সুযোগসমূহ, প্ৰশিক্ষণ কাৰ্যসূচী আৰু উপলব্ধ বৃত্তি সম্পৰ্কে তথ্য যুগুত কৰা। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকে ভৱিষ্যতে গ্ৰহণ কৰিব পৰা বিশেষ পাঠ্যক্ৰম আৰু তেওঁলোকৰ কাৰণে থকা বিভিন্ন চাকৰিৰ বিকল্পসমূহৰ বিষয়ে সজাগ হৈ পৰে। আগলৈ ছাত্ৰ-ছাত্ৰীসকলে কৰ্মৰ পৃথিৱীখনৰ বিষয়ে, তাৰ বৈশিষ্ট্য, কাৰ্যৰ নমুনা আৰু প্ৰয়োজনীয় দক্ষতা সম্পৰ্কে অভিজ্ঞ হৈ উঠে।

বৃত্তিমূলক তথ্যৰ সেৱাৰ উদ্দেশ্যসমূহ হ'ল—

১) প্ৰয়োজনীয় বৃত্তিমূলক আৰু শৈক্ষিক তথ্য সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক সজাগ কৰি তোলা।

২) ছাত্ৰ-ছাত্ৰীসকলৰ মনত বহল আৰু বাস্তৱ মতামত যাতে বিভিন্ন শিক্ষামূলক তথ্য প্ৰশিক্ষণ আৰু বৃত্তিমূলক সুযোগ সম্পৰ্কে গঢ়ি উঠে, তাৰ প্ৰতি বৃত্তিমূলক তথ্য সেৱাই গুৰুত্ব প্ৰদান কৰে।

৩) বিভিন্ন তথ্য আহৰণ কৰা আৰু লগতে আহৰণ কৰা তথ্যসমূহ বুজি উঠাত ছাত্ৰ-ছাত্ৰীসকলক বৃত্তিমূলক তথ্যৰ সেৱাই সহায় কৰে যাতে, তেওঁলোকে ভৱিষ্যৎ জীৱনৰ বৃত্তি বাছনি কৰাত সহায় হয়।

লগতে এই প্ৰসংগত এটি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰা উচিত যে, বৃত্তিমূলক তথ্যৰ সেৱা সাধাৰণতে শিক্ষাৰ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰত বাধ্যতামূলক। এই সেৱাৰ যোগেদি প্ৰদান কৰা তথ্যসমূহ হৈছে— বৃত্তি আৰু বৃত্তিগত পদবী, কোনো বিশেষ বৃত্তিত সম্পন্ন কৰিব লগা কৰ্তব্যসমূহ, শৈক্ষিক আৰু বৃত্তিগত কৰ্তব্যসমূহ, কৰ্মৰ পৰিস্থিতি, পুৰস্কাৰৰ প্ৰস্তাৱ, প্ৰচাৰৰ পথ ইত্যাদি। এই তথ্যসমূহ পৰামৰ্শদান সেৱাৰ লগত জড়িত ব্যক্তিসকলে কেৰিয়াৰ সভা, সন্মিলন আদি যোগেদি সংগ্ৰহ কৰিবলৈ চেষ্টা কৰে।

২.৩.৪ সংস্থাপিত সেৱা (Placement Services)

সংস্থাপিত সেৱাৰ এক সুকীয়া গুৰুত্ব দেখা পোৱা যায়। নিৰ্দেশনা সেৱা কাৰ্যক সংস্থাপিত সেৱা বুলি ক'লে ব্যক্তিয়ে পৰৱৰ্তী স্তৰ, ভৱিষ্যতৰ প্ৰশিক্ষণ, বৃত্তিত নিয়োগ বা নতুন অধ্যয়নৰ বিষয়ত শিক্ষা লাভ আদি আগবঢ়োৱা সহায়ৰ বিষয়ে বুজা যায়। সংস্থাপিত সেৱা হৈছে এনে এক প্ৰচেষ্টা, যিয়ে ছাত্ৰ-ছাত্ৰীসকলক সুৰক্ষিত

নিয়োগ প্রদানত সহায় কৰে। সেয়ে মাধ্যমিক স্তৰৰ বিদ্যালয়সমূহত কেতবোৰ এনে ব্যৱস্থা থকা উচিত যিয়ে ছাত্র-ছাত্রীৰ ভৱিষ্যতৰ নিয়োগৰ প্রয়োজনীয়তা পূ�ৰণত সহায় কৰাত সফল হয়। আন এক কথাত ক'বলৈ গ'লে সংস্থাপিত সেৱা হৈছে এনে এক প্রক্রিয়া, য'ত প্রয়োজন হয় শিক্ষক, শিক্ষয়িত্রী, প্রধান শিক্ষক আৰু পৰামর্শদান কৰা কর্মীসকলৰ মাজৰ পৰস্পৰ সহযোগিতা। সংস্থাপিত সেৱা উল্লেখযোগ্যভাৱে মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষাৰ স্তৰত অতিকৈ দৰকাৰী। অতি সাধাৰণভাৱে ক'বলৈ গ'লে সংস্থাপিত সেৱাৰ প্রধান আৰু প্রথম লক্ষ্য হৈছে নিয়োগকর্তা আৰু সম্ভাব্য কর্মচাৰী উভয়ৰে প্রয়োজন পূৰণ কৰা। নিয়োগৰ উপৰিও এই সেৱাই বিভিন্ন চাকৰিৰ বাবে আবেদনৰ কৌশলৰ প্রতিও উৎসাহী কৰি তোলে। এই ক্ষেত্রত বিদ্যালয়ত নির্দেশনা প্রদান কৰা ব্যক্তিক নিযুক্তি দিয়া উচিত আৰু সেই বিশেষ ব্যক্তিসকলে ছাত্র-ছাত্রীসকলক বিভিন্ন নিয়োগৰ ক্ষেত্রৰ লগত পৰিচয় কৰাই দিয়াৰ লগতে কিদৰে আবেদন কৰিব, আবেদনৰ নির্দেশনা, এই ক্ষেত্রত তথ্যৰ উৎসসমূহ আৰু লগতে ভৱিষ্যতে সন্মুখীন হ'ব লগীয়া চাকৰিৰ সাক্ষাৎকাৰ সমূহৰ কাৰণে নিজক কিদৰে উপযুক্ত কৰি তুলিব সেই বিষয়ে প্রয়োজনীয় তথ্য প্রদান কৰে।

ক্লেফোর্ড পি, ফ্রহলিচ (Clafford P. Froalich) ৰ মতে, 'সংস্থাপিত সেৱাই ছাত্র-ছাত্রীক পৰৱর্তী স্তৰত যিকোনো কার্যতে সহায় কৰে, স্বৰ্দ্ধপার্থত ক'বলৈ গ'লে সংস্থাপিত সেৱা হৈছে সমগ্র পৰামর্শদান সেৱাৰ বাবে এক অগ্নিপৰীক্ষা।' (Placement is helping pupils to take the next step, whatever it may be, as a matter of fact, placement is the acid test of all counselling services.) আনহাতে আকৌ এইচ, কি ইংলিচ আৰু এ চি ইংলিচৰ মতে, 'সংস্থাপনে কর্মীসকলক নিজৰ উপযুক্ততা অনুসৰি বৃত্তিত নিয়োজিত কৰায়। ইয়াত উপযুক্ততাই ব্যক্তিৰ সন্তুষ্টি আৰু বৃত্তিৰ লগত সম্বন্ধিত যোগ্যতাক অন্তর্ভুক্ত কৰে।' (The term placement refers to the assigning of a worker to the job for which he is judged best fitted. Fitness includes the individuals satisfaction as well as his abilities in relation to the job.)

সংস্থাপিত সেৱাৰ গুৰুত্ব (Significance of Placement Service)

সাধাৰণতে সংস্থাপিত সেৱাৰ গুৰুত্ব কোনেও নুই কৰিব নোৱাৰে। বিশেষকৈ মাধ্যমিক স্তৰৰ কিশোৰ-কিশোৰীসকলক ভৱিষ্যতে সঠিক দিশত আগুৱাই লৈ যোৱাত আৰু তেওঁলোকৰ যোগ্যতা উপলব্ধি কৰাই, যোগ্যতা অনুসৰি শাৰীৰিক আৰু মানসিকভাৱে প্রস্তুত কৰি তোলাত সংস্থাপিত সেৱাৰ গুৰুত্ব আৰু অধিক হৈ উঠে। তলত এই বিষয়ে সংক্ষেপে বর্ণনা কৰা হ'ল।

১) **সংস্থাপনৰ বাবে সহায়ক (Helpful in Placement)** ঃ কোনো কোনো পৰিস্থিতিত দেখা পোৱা যায় যে ছাত্র-ছাত্রীসকলে পঢ়া-শুনাৰ লগতে অংশকালীন কেতবোৰ কামো কৰিব বিচাৰে। এনে অংশকালীন কাম বিচাৰোতে তেওঁলোকৰ সহায়ৰ প্রয়োজন হয়, কিয়নো, ছাত্র-ছাত্রীসকলৰ বয়স আৰু সময় অনুযায়ী কেনেধৰণৰ কাম যথাযথ হ'ব, সেই ক্ষেত্রত হয়তো কোনো সময়ত বিভ্রান্ত হ'ব পাৰে। সংস্থাপিত সেৱাৰ যোগেদি ছাত্র-ছাত্রীসকলক এই ক্ষেত্রত সহায় কৰিব পৰা যায়।

২) **সম্পূর্ণকালীন বৃত্তি প্রদান (To Provide Full Time Scholarship)** ঃ বিদ্যালয় শিক্ষা শেষ হোৱাৰ পাছত ছাত্র-ছাত্রীসকলক বৃত্তিৰ প্রয়োজন। উচ্চতৰ মাধ্যমিক স্তৰৰ শেষৰ পৰা সংস্থাপিত সেৱাৰ যোগেদি ছাত্র-ছাত্রীৰ এই প্রয়োজন পূৰণ কৰিব পাৰি। সেয়ে এই সেৱাৰ এক গুৰুত্বপূর্ণ বিষয় হ'ল যে, ছাত্র-ছাত্রীক সম্পূর্ণকালীন বৃত্তিৰ সুবিধা কৰা।

৩) **পাঠ্যপুথিৰ উপযুক্ত বাছনি (Proper Selection of Curriculum)** ঃ সংস্থাপিত সেৱাৰ আন এক গুৰুত্বপূর্ণ কার্য হৈছে ছাত্র-ছাত্রীসকলক উপযুক্ত পাঠ্যক্রম আৰু অধ্যয়ন বিষয় বাছনি কৰাত সহায় আগবঢ়োৱা। প্রত্যেকগৰাকী ছাত্র-ছাত্রীৰ আগ্রহ, অভীৰুচি, সক্ষমতা বেলেগ ধৰণৰ হয়। সেয়ে শিক্ষাৰ মাধ্যমিক স্তৰতো হৈছে উপযুক্ত সময়, য'ত সংস্থাপিত সেৱাৰ যোগেদি ছাত্র-ছাত্রীসকলক ভৱিষ্যতে ল'ব পৰা উপযুক্ত পাঠ্যক্রম, অধ্যয়ন বিষয় বাছনি কৰাত সহায় আগবঢ়াব পাৰি।

২.৩.৫ অনুগমন সেৱা (Follow up Service)

নির্দেশনা কার্যৰ ফলপ্রসূতা মূল্যায়ন কৰাতো অতি জটিল। এই জটিল কার্য সমাপন কৰাৰ দায়িত্ব অনুগমন সেৱাৰ। নির্দেশনা প্রক্রিয়া সমাপনৰ অন্তত নির্দেশনা কর্মী আৰু শিক্ষকৰ দায়িত্ব হ'ল যে ছাত্র-ছাত্রীৰ অগ্রগতিৰ প্রকৃতি আৰু পৰিসৰৰ বুজ লোৱা। এই সেৱা কেৱল পঢ়া-শুনাৰ ক্ষেত্রখনতেই নহয়, ছাত্র-ছাত্রীৰ আৱেগিক আৰু সামাজিক সমাযোজনৰ ক্ষেত্রতো ই জড়িত। উদাহৰণস্বৰূপে, যদি কোনো ছাত্র বা ছাত্রীক তেওঁৰ সামাজিক আৰু আৱেগিক সমস্যাৰ সমাধানৰ কাৰণে বিদ্যালয়ত পৰামর্শদানৰ ব্যৱস্থা কৰা হয়, সেই ক্ষেত্রত সেই বিশেষ ছাত্র বা ছাত্রীগৰাকীয়ে বিদ্যালয় এৰি যোৱাৰ পাছতো শিক্ষক অথবা পৰামর্শদানকাৰী কর্মীৰ দায়িত্ব হ'ল যে, অনুগমন সেৱাৰ যোগেদি তেওঁ পৰিৱেশৰ লগত খাপ খাই চলাত সক্ষম হৈছে নে নাই অথবা তেওঁ বর্তমানেও কোনো সমস্যাৰ সন্মুখীন হৈয়ে আছে নেকি, এই কথাৰ বুজ লোৱা বা অধ্যয়ন কৰা।

অর্থাৎ নির্দেশনা লাভ কৰাৰ পাছত শৈক্ষিক ক্ষেত্রত বা বৃত্তিগত ক্ষেত্রত ব্যক্তি এজনে নিজক কেনেদৰে আগুৱাই নিব পাৰিছে আৰু নির্দিষ্ট ক্ষেত্রবোৰত কেনেকৈ সমাজখনৰ সেৱা কৰিবলৈ সক্ষম হৈছে সেই বিষয়ে অনুগমন সেৱাই অধ্যয়ন কৰে। এই সেৱাৰ যোগেদি পাঠ্যক্রমৰ বিকাশ সাধন, শিক্ষণ-শিকন পদ্ধতিৰ উন্নীতকৰণ, পাঠ্যক্রমত ন ন বিষয়ৰ অন্তর্ভুক্তি, কর্মক্ষেত্রৰ সমস্যা সমাধান আৰু বিদ্যালয় আৰু সমাজৰ সম্পর্ক শক্তিশালী কৰি তুলিব পৰা যায়।

শিক্ষাবিদ ডোনিং (Downing) ৰ মতে, 'যুৱক-যুৱতীসকলক বিদ্যালয়ত, বৃত্তিমূলক প্রশিক্ষণ কার্যসূচীত বা বৃত্তিত উপযুক্ত সমাযোজনৰ কাৰণে প্রয়োজন হোৱা তথ্য প্রদানৰ বাবে গঠিত নির্দেশনা কার্যসূচীৰ এক মৌলিক উপাদান হ'ল অনুগমন সেৱা।' (The follow up service is a basic element of the guidance programme designed to provide information needed to assist youngsters in making a better adjustment to school, to a vocational training programme or a job.) এক কথাত ক'বলৈ গ'লে, অনুকৰণ সেৱাই ছাত্র-ছাত্রীৰ কৃতিত্ব, সহযোগিতাৰ অনুভৱ, সমন্বয়, সমাযোজন আৰু সন্তুষ্টিৰ বাবে তথ্য আহৰণ আৰু মূল্যায়ন কৰে।

অনুগমন সেৱাৰ গুৰুত্ব (Importance of Follow up Service)

নির্দেশনাৰ দৃষ্টিকোণৰ পৰা অনুগমন সেৱাৰ গুৰুত্ব তলত দিয়া ধৰণে চমুকৈ উল্লেখ কৰিব পৰা যায়।

১) **সমাযোজনৰ জ্ঞান (Knowledge about adjustment)** ঃ অনুগমন সেৱাই এজন ব্যক্তি এজন ছাত্রই কিদৰে শৈক্ষিক, বিত্তিগত বা ব্যক্তিগত ক্ষেত্রত সমাযোজন কৰিব সেই বিষয়ে অৱগত কৰোৱাত সহায় কৰে।

২) **সুযোগৰ জ্ঞান (Knowledge about ohportunities)** ঃ অনুগমন সেৱাৰ এক গুৰুত্বপূর্ণ উদ্দেশ্য হ'ল ছাত্র-ছাত্রীৰ ভৱিষ্যত সম্ভাৱনীয়তা জানিবৰ বাবে অধ্যয়ন কৰা। এই সেৱাৰ যোগেদি বিভিন্ন সুযোগৰ বিষয়ে অধ্যয়ন কৰি বিদ্যালয়ৰ শৈক্ষিক কার্যসূচী বা অধ্যয়নৰ বিষয়সূচীৰ সংশোধন কৰাত শিক্ষকসকলৰ সহায়ক হয়।

৩) **অপচয়ৰ কাৰণসমূহ জনা (To know the causes of wastage)** ঃ যদি কোনো শিক্ষার্থীয়ে বিদ্যালয় আধাতে এৰি দিয়ে বা শিক্ষা সম্পূর্ণ নকৰে তেন্তে অনুগমন সেৱাই সেই ছাত্র-ছাত্রীসকলক চিনাক্ত কৰে আৰু বিদ্যালয় এৰা বা অপচয়ৰ কাৰণবোৰ জানিবলৈ সক্ষম হয়।

৪) **পৰিকল্পনা সেৱাৰ মূল্যায়ন (To evaluate planning service)** ঃ অনুগমন সেৱাৰ যোগেদি নির্দেশনাৰ পৰিকল্পনা সেৱাৰ মূল্যায়ন আৰু সংশোধনৰ কাৰণে উপায় উলিওৱা সহজ হৈ পৰে।

৫) **ছাত্র-ছাত্রীক উৎসাহ প্রদান কৰা (To encourage students)** ঃ নিজ কৃতিত্বৰ বাবে ছাত্র-ছাত্রীক উৎসাহিত কৰা। সমাযোজনৰ বাবে সহায় আগবঢ়োৱাই হ'ল অনুগমন সেৱাৰ মূল কাম।

৬) **অপসমাযোজনৰ বিষয়ে জনা (To know about mal adjustment)** ঃ কোনো অধ্যয়নৰ বিষয়ত বা বৃত্তিত যদি ছাত্র-ছাত্রীসকল অপসমাযোজিত হৈছে, তেন্তে সেই বিষয়ে জনা আৰু উপযুক্ত সময়ত এই সমস্যা সমাধানৰ বাবে পৰামর্শ প্রদান কৰাটো অনুগমন সেৱাই গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

২.৩.৬ পৰামর্শদান সেৱা (Counseling Service)

পৰামর্শদান সেৱা নির্দেশনা প্রক্রিয়াৰ এক মৌলিক অংশ হিচাপে পৰিগণিত হৈ আহিছে আৰু এই সেৱাৰ মুখ্য উদ্দেশ্য হৈছে ছাত্র-ছাত্রীসকলৰ সর্বতো দিশৰ বিকাশৰ কাৰণে সহায় আগবঢ়োৱা। এই সেৱাৰ জৰিয়তে ছাত্র-ছাত্রীসকলে নিজৰ বিভিন্ন সমস্যাসমূহ পেচাদাৰী পৰার্শদাতাৰ লগত এক অনুকূল পৰিৱেশত আলোচনা কৰিবলৈ সক্ষম হয়।

পৰামর্শদান কার্য এগৰাকী ছাত্র বা ছাত্রীৰ বিভিন্ন ক্ষেত্রত প্রদান কৰিব পাৰি। উদাহৰণস্বৰূপে ক'ব পাৰি যে মনোবৈজ্ঞানিক সমস্যা সমাধানৰ ক্ষেত্রত, বৃত্তিমূলক সমস্যা আৰু শৈক্ষিক সমস্যা সমাধানৰ ক্ষেত্রত, ব্যক্তিগত জীৱনৰ হতশা আৰু সমস্যা আঁতৰ কৰা ক্ষেত্রত এই সেৱাৰ অৱদান অধিক।

পৰামর্শদান হৈছে এক ব্যক্তিকেন্দ্রিক প্রক্রিয়া। ইয়াৰ জৰিয়তে এজন ব্যক্তিৰ সম্ভাৱনীয়তা, কৌশল, শক্তি আদিৰ বিকাশ সাধন সম্ভৱ হৈ উঠে। লগতে আত্মাৰ বিকাশ, আত্মনির্ভৰযোগ্যতা বৃদ্ধিতো পৰামর্শদান কার্যই সহায় কৰে। বিদ্যালয়ৰ ক্ষেত্রত ক'ব পৰা যায় যে, ছাত্র-ছাত্রীৰ মনোভাৱ আৰু আচৰণৰ পৰিৱর্তন সাধন কৰিবৰ কাৰণে এজন ছাত্র বা ছাত্রীক মুখামুখিকৈ প্রদান কৰা (সহায়কাৰী আৰু সহায় লওতা, পৰামর্শদান হৈছে এক ব্যক্তিকেন্দ্রিক

প্রক্রিয়া।) ইয়াৰ জৰিয়তে এজন ব্যক্তিৰ সম্ভাৱনীয়তা, কৌশল, শক্তি আদিৰ বিকাশ সাধন সম্ভৱ হৈ উঠে। লগতে আত্মাৰ বিকাশ, আত্মনির্ভৰযোগ্যতা বৃদ্ধিতো পৰামর্শদান কার্যই সহায় কৰে। এইখিনিতে এটা গুৰুত্বপূর্ণ কথা উল্লেখ কৰিব পাৰি যে, পৰামর্শদান সেৱাক সাধাৰণ মানুহে উপদেশৰ লগত একে বুলি মত প্রদান কৰিব বিচাৰিলেও ই পৰামর্শদান ব্যৱস্থা নহয় (Counseling is not giving advice) ঢ প্রয়োজন নহ'লে এজন বিশেষজ্ঞ বা পেচাদাৰী পৰামর্শদাতাই কেতিয়াও উপদেশ প্রদান নকৰে। এই সেৱাত সিদ্ধান্ত গ্রহণ কার্য পৰামর্শ গ্রহণ কৰোঁতাৰ ওপৰত সম্পূর্ণৰূপে নির্ভৰশীল।

২.৪ দলীয় নির্দেশনাৰ ধাৰণা (Concept of group guidance)

একেবাৰে সহজ ভাষাত ক'বলৈ গ'লে দলীয় নির্দেশনা হ'ল এজন বা ততোধিক ব্যক্তিক সমস্যা সমাধানৰ বাবে উমৈহতীয়াভাৱে প্রদান কৰা সহায়। বর্তমান সময়ত নির্দেশনা এক বিশ্বজনীন প্রক্রিয়া হিচাপেই পৰিগণিত হৈছে। দলীয় নির্দেশনা বর্তমান সময়ত অতি তাৎপর্যপূর্ণ কিয়নো বিদ্যালয়ৰ বৃহৎ সংখ্যক ছাত্র-ছাত্রীক ব্যক্তিগত নির্দেশনা প্রদান কৰাটো সম্ভৱপৰ নহয়। বিদ্যালয় পৰিৱেশত দুজন বা ততোধিক ছাত্র-ছাত্রীৰ উমৈহতীয়া সমস্যাসমূহ একে সময়তে সমাধানৰ কাৰণে দলীয় নির্দেশনাৰ ব্যৱস্থা গুৰুত্বপূর্ণ। উদাহৰণস্বৰূপ— বিভিন্ন অধ্যয়নৰ বিষয়ৰ সংবাদ অথবা বিভিন্ন বৃত্তি সম্বন্ধীয় সংবাদ দলীয় নির্দেশনাৰ সহায়ত প্রদান কৰিব পাৰি, কিয়নো প্রত্যেকজন ছাত্র-ছাত্রীৰ কাৰণে এনে সংবাদৰ প্রয়োজন হয়। তদুপৰি সমাজ জীৱনত সুস্থ আৰু সন্তোষজনক সমাযোজন স্থাপন কৰাত ছাত্র-ছাত্রীসকলক দলীয় নির্দেশনাই সহায় আগবঢ়ায়। কর্মশালাৰ আর্হিত দলীয় নির্দেশনা প্রদান কৰা হয়। বেন্নেট (Bennet) নামৰ শিক্ষাবিদজনে তেওঁৰ 'Guidance in Group' নামৰ গ্রন্থখনত দলীয় নির্দেশনা শব্দটোৰ প্রথম প্রয়োগ কৰিছিল। প্রত্যেক ছাত্র-ছাত্রীৰ নিজস্ব অভিজ্ঞতা, জ্ঞান, সামর্থ, সুপ্ত প্রতিভাৰ প্রতি লক্ষ্য ৰাখি কার্য সম্পাদন কৰাত দলীয় নির্দেশনাই গুৰুত্ব প্রদান কৰে।

তলৰ সংজ্ঞাসমূহৰ পৰা দলীয় নির্দেশনাৰ ধাৰণা আয়ত্ত কৰাত সহজ হ'ব বুলি আশা কৰিব পাৰি। বিভিন্নজন মনোবিদ তথা শিক্ষাবিদে বিভিন্ন সংজ্ঞা প্রদান কৰিছে আৰু ইয়াৰ প্রধান উদ্দেশ্যসমূহ সুন্দৰভাৱে প্রতিফলিত কৰিবলৈ চেষ্টা কৰিছে।

১) জনচ (Jones) ৰ মতে, 'দলীয় নির্দেশনা হৈছে— যিকোনো দলীয় কার্য যাৰ প্রাথমিক উদ্দেশ্য হ'ল দলৰ প্রতিজন ব্যক্তিৰ সমস্যাৰ সমাধান আৰু সমাযোজনৰ বাবে সহায় কৰা। '

২) নির্দেশনা দান প্রক্রিয়াৰ জন্মদাতা হিচাপে ফ্রেংক পাৰচনচৰ (Frank Parsons) নাম জনাজাত। তেওঁৰ মতে, 'দলীয় নির্দেশনা হ'ল এক প্রকাৰৰ কার্য ব্যৱস্থা, যিয়ে ব্যক্তিৰ দল এটাক সহায়কাৰী ব্যক্তিগত, আৱেগিক আৰু বৃত্তি সম্বন্ধীয় তথ্য প্রদানৰ লক্ষ্য আগত ৰাখে। '

৩) মাইটহেল ড্রিচ (Mitehell Dreese) ৰ মতে, দলীয় নির্দেশনাক দলত প্রদান কৰা নির্দেশনা স্বৰূপে মন্তব্য কৰিব পাৰি আৰু স্বাভাৱিক ব্যক্তি (Normal person) ৰ বিশ্লেষণ আৰু সকলো শিশুকে নির্দেশনা প্রদানৰ ব্যৱস্থা ইয়াত কৰা হয়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কোনে দলীয় নির্দেশনা শব্দটোৰ প্রথম প্রয়োগ কৰিছিল ?

প্রশ্ন নং ২ ঃ দলীয় নির্দেশনাৰ বিষয়ে মাইটহেল ড্রিচে দিয়া সংজ্ঞাটো উল্লেখ কৰক।

প্রশ্ন নং ৩ ঃ দলীয় নির্দেশনাৰ দুটা উদ্দেশ্য উল্লেখ কৰক।

২.৫ দলীয় নির্দেশনাৰ গুৰুত্ব (Importance o f group guidance)

মানৰ জীৱনত প্রতিটো স্তৰতে নির্দেশনাৰ প্রয়োজন আছে যদিও ছাত্রৰ জীৱনত ইয়াৰ গুৰুত্ব অধিক। শিক্ষা জীৱনৰ সময়ছোৱাত ছাত্র-ছাত্রীসকলক সিহঁতৰ ভিন্ন প্রয়োজনবোৰ পূৰণ কৰিবৰ বাবে নির্দেশনাৰ প্রয়োজন হয়। উমৈহতীয়া প্রয়োজন আৰু সমস্যাসমূহ বুজি উঠি দলীয়ভাৱে বিদ্যালয়ত নির্দেশনা প্রদান কৰিলে, অর্থ, কষ্ট আৰু লগতে যথেষ্ট সময় লাঘৱ হয়। তলত উল্লিখিত দিশসমূহৰ জৰিয়তে দলীয় নির্দেশনাৰ গুৰুত্ব অনুধাৱন কৰিব পাৰি।

১) **মনোভাৱ আৰু আচৰণৰ বিকাশ (Improve attitude and Behaviour)** ঃ ছাত্র-ছাত্রীসকলৰ উপযুক্ত মনোভাৱ আৰু আচৰণৰ প্রকৃত বিকাশ সাধনত দলীয় নির্দেশনাই অৰিহণা যোগায়। দলীয় নির্দেশনা প্রক্রিয়াত আলোচনাৰ মাধ্যমেৰে ছাত্র-ছাত্রীসকলে নিজৰ মাজত অথবা শিক্ষকসকলৰ লগত মুক্তভাৱে নিজৰ সমস্যা আৰু প্রয়োজন সম্পর্কে মত বিনিময় কৰিবলৈ সক্ষম হয়। ফলস্বৰূপে তেওঁলোকৰ মনোভাৱৰ বিশ্লেষণৰ জৰিয়তে উপযুক্ত নির্দেশনা প্রদান কৰিব পাৰি।

২) **সমাযোজনত সহায় কৰা (Helping in Adjustment)** ঃ বিদ্যালয়ৰ প্রত্যেক ছাত্র-ছাত্রীয়েই ভিন্ন আর্থ সামাজিক অৱস্থা অথবা ভিন্ন পৰিৱেশৰ পৰা আহে। দলীয় নির্দেশনাত তেওঁলোকৰ অংশগ্রহণ আৰু আলোচনাই ভৱিষ্যত জীৱনৰ সমাযোজনত সহায় কৰে।

৩) **হতাশা আৰু দুশ্চিন্তাৰ প্রকাশ (Expression of Depression and Anxieties)** ঃ বিভিন্ন সময়ত ছাত্র-ছাত্রীৰ মনত উদয়শনাই এনে পৰিৱেশৰ সৃষ্টি কৰে য'ত ছাত্র-ছাত্রীসকলে নিঃসংকোচে নিজৰ এনেধৰণৰ সমস্যাসমূহ প্রকাশ কৰিব পাৰে আৰু নিৰাময়ত সহায়ক হৈ পৰে।

৪) **পাঠ্যক্রমিক আৰু সহপাঠ্যক্রমিক কার্যাৱলীৰ সমন্বয় সাধন** (Co-ordination between Curricular and Co-curricular Activities) ঃ দলীয় নির্দেশনাই বিভিন্ন বিষয়ৰ পৰিসীমাসমূহ বুজাই দিয়াত সফল হ'লে নিজৰ নিজৰ আগ্রহ আৰু সক্ষমতা অনুসৰি পাঠ্যক্রমৰ বিষয় বাছনি কৰাত ছাত্র-ছাত্রীসকল বহুখিনি সফল হয়। লগতে ইয়াৰ সহায়ত পাঠ্যক্রমিক আৰু সহপাঠ্যক্রমিক কার্যাৱলীৰ লগত সমন্বয় সাধন কৰি এই সমূহত অংশগ্রহণৰ সুযোগ ল'ব পাৰে।

৫) **কর্মসংস্থানৰ তথ্য প্রদান** (Giving Placement Information) ঃ বিশেষকৈ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰত ভৱিষ্যৎ কর্মসংস্থানৰ সুবিধা সম্পর্কে তথ্য প্রদান কৰাতো প্রত্যেকখন শিক্ষানুষ্ঠানৰে দায়িত্ব যাতে ছাত্র-ছাত্রীসকলে সঠিক দিশত আগবাঢ়িব পাৰে। ব্যক্তিগতভাৱে এনে তথ্য প্রদান কৰাতকৈ

দলীয় নির্দেশনাৰ সহায়ত এনে তথ্য প্রদান কৰিলে ছাত্র-ছাত্রীসকলে উমৈহতীয়া আগ্রহ আৰু সক্ষমতাৰ ভিত্তিত ভৱিষ্যৎ পৰিকল্পনা কৰিব পাৰে।

৬) **নেতৃত্ব প্রদানৰ প্রশিক্ষণ** (Leadership Training) ঃ দলীয় নির্দেশনাই ছাত্র-ছাত্রীক নেতৃত্ব দানৰ প্রশিক্ষণ প্রদান কৰে। তেওঁলোকৰ আচৰণ পর্যবেক্ষণ কৰি বিভিন্ন ছাত্র-ছাত্রীক বিভিন্ন দিশত নেতৃত্ব প্রদানৰ প্রশিক্ষণ দিলে ভৱিষ্যতে সুস্থ সমাজ গঠনৰ আশা কৰিব পৰা যায়।

২.৬ দলীয় নির্দেশনাৰ কার্যসূচীসমূহ (Activities of group guidance)

বিদ্যালয়ত দলীয় নির্দেশনা প্রদানৰ ক্ষেত্রত কেতবোৰ কার্য কৌশল প্রয়োগ কৰিব পাৰি। তেনে কার্যসূচীসমূহ ছাত্র-ছাত্রীৰ সমস্যা আৰু প্রয়োজনৰ ওপৰত ভিত্তি কৰি উপযুক্ত সময়ত প্রয়োগ কৰিলে সুফল পাব পৰা যায়।

১) **জীৱিকা সম্বন্ধীয় সম্মিলনী (Career Conferences)** ঃ এনে ধৰণৰ জীৱিকা সম্পর্কীয় সম্মিলনীৰ যোগেদি বিশেষজ্ঞ আৰু পাৰদর্শী ব্যক্তিসকলে ছাত্র-ছাত্রীসকলক উদ্দেশ্য কৰি শৈক্ষিক আৰু ভৱিষ্যতৰ বৃত্তি সম্পর্কে তথ্য প্রদান কৰাৰ লগতে সু-মতামত আগবঢ়াই তেওঁলোকৰ মাজত সচেতনতা অনাত সহায় কৰে। এনে সম্মিলনীসমূহত সাধাৰণতে প্রশ্নোত্তৰ শিতানো থাকে, য'ত ছাত্র-ছাত্রীসকলে সক্রিয় অংশগ্রহণ কৰি নিজৰ মনত উদয় হোৱা খুদুৰনিবোৰ আঁতৰ কৰি বৃত্তিমূলক পৰিকল্পনা কৰা, বৃত্তি বাছনি কৰা আৰু তাৰ বাবে প্রস্তুতি চলোৱা পথ বাচি লৈ আগুৱাই যাব পাৰে।

২) **শ্রেণীকোঠাৰ কথিকা (Class Talks)** ঃ শ্রেণীকোঠাৰ কথিকাক বিদ্যালয় পাঠ্যক্রমৰ সময়সূচীৰ লগত স্বীকৃতি দিয়া উচিত। শিক্ষা, শিকনৰ অভিজ্ঞতা, সামাজিক আৰু ব্যক্তিগত সম্বন্ধৰ বিষয়ে সুস্থ মনোভাৰ জগাই তোলাই হৈছে এনে কথিকাসমূহৰ মূল উদ্দেশ্য। সেয়েহে শ্রেণীকোঠাত অনুষ্ঠিত কৰা কথিকাসমূহ সাধাৰণ কথিকা, শৈক্ষিক নৱীকৰণ কথিকা, ব্যক্তিগত সমাযোজন নৱীকৰণ কথিকা, বৃত্তিমূলক নৱীকৰণ কথিকা ইত্যাদি বিভিন্ন ভাগত বিভক্ত কৰি ছাত্র-ছাত্রীৰ উপযোগী কৰি প্রদান কৰিব পৰা যায়।

৩) **ক্ষেত্র অধ্যয়ন (Field Trips)** ঃ ক্ষেত্র অধ্যয়নে ছাত্র-ছাত্রীৰ মাজত বৃত্তীয় সচেতনতা অনাত বিশেষ ভূমিকা গ্রহণ কৰে। ছাত্র-ছাত্রীসমূহক কেতবোৰ দলত বিভক্ত কৰি সময়ে সময়ে উদ্যোগ ক্ষেত্র বা আন ব্যৱসায়ী প্রতিষ্ঠানসমূহ দর্শন কৰাই বৃত্তিমূলক তথ্য আহৰণত সহায় কৰিব পৰা যায়। ইয়াৰ প্রধান উদ্দেশ্যই হৈছে নিজ ইন্দ্রিয়ৰ সহায়ত প্রয়োজনীয় তথ্য সংগ্রহত সহায় কৰা। ক্ষেত্র অধ্যয়নত যোৱাৰ পূর্বে পৰিকল্পনাৰ অতি প্রয়োজন। উপযুক্ত পৰিকল্পনা অবিহনে ক্ষেত্র অধ্যয়ন সফল কৰি তুলিব পৰা নাযায়।

৪) **দলীয় কার্য (Group Activities)** ঃ ছাত্র-ছাত্রীৰ অভীৰুচি, অৱসৰ সময়ৰ কার্যসূচীসমূহে শিক্ষক তথা পৰামর্শদাতাসকলক ছাত্র-ছাত্রীৰ আগ্রহৰ বিষয়ে জনাত সহায় কৰে। এনে ধৰণৰ আগ্রহৰ বিষয়বস্তুসমূহেই বহু ছাত্র-ছাত্রীৰ কাৰণে ভৱিষ্যৎ জীৱনৰ উৎস স্বৰূপ হৈ পৰিবও পাৰে। কেতবোৰ দলীয় কার্যৰ উদাহৰণ হ'ল— কাঠৰ কাম, মাটিৰ কাম, সংগীত, ৰন্ধন শিল্প, আর্হি বা নক্সা সজোৱা ইত্যাদি।

৫) **ভূমিকা গ্রহণ (Role Playing)** ঃ ভূমিকা গ্রহণে সাধাৰণতে কিশোৰ কিশোৰীসকলক পৰিয়াল অথবা বিদ্যালয়ৰ পৰিবেশৰ লগত হোৱা মনোমালিন্যৰ কিদৰে মুখামুখি হ'ব সেই ক্ষেত্রত সহায় কৰে। বাস্তৱ

জীৱনৰ ঘটনাৰাজিৰ ওপৰত কোনো ছাত্রই দল এটাৰ সন্মুখত অভিনয়ৰ যোগেদি নির্দেশনা প্রদান কৰিব পাৰে। মানৰ সম্বন্ধৰ সমস্যাবোৰ বাস্তৱত সমাধান কৰাৰ ক্ষেত্রত ভূমিকা গ্রহণৰ অৱদান অপৰিসীম। ।

৬) **দলীয় আলোচনা (Group Discussion)** ঃ বিদ্যালয়ত দলীয় আলোচনাৰ সুবিধা প্রদান কৰা উচিত যাতে ১০ৰ পৰা ২৫জন ছাত্র-ছাত্রীৰে গঠিত আলোচনাত উমৈহতীয়া সমস্যা, বিষয়ৰ ওপৰত আলোচনা কৰি সমাধানৰ উপায় উদ্ভাৱনৰ চেষ্টা কৰা দেখা যায়। সমস্যাৰ চিনাক্তকৰণ, বিন্যাস আৰু সমাধানৰ বাবে দলীয় আলোচনাৰ প্রয়োজন হয়। প্রাসংগিক সমস্যা সমাধানৰ ক্ষেত্রত ইয়াৰ গুৰুত্ব সর্বাধিক।

২.৭ দলীয় নির্দেশনাৰ সুবিধা আৰু অসুবিধাসমূহ (Advantages & Disadvantages of group guidance)

সুবিধা ঃ দলীয় নির্দেশনাৰ সুবিধাসমূহ হ'ল—

১) বিদ্যালয় পৰিৱেশত প্রত্যেককে বেলেগে বেলেগে নির্দেশনা প্রদান অসম্ভৱ হৈ উঠে। সেয়ে উমৈহতীয়া সমস্যাসমূহ লৈ দলীয়ভাৱে নির্দেশনা প্রদান কৰিলে সময়ৰ ৰাহি হয়। এই ৰাহি হোৱা সময় শিক্ষকসকলে জটিল সমস্যা সমাধানত প্রয়োগ কৰিব পাৰে।

২) এনে ধৰণৰ নির্দেশনাৰ সহায়ত ছাত্র-ছাত্রীৰ সামাজিক মনোভাৱ আৰু আচৰণ সম্পর্কে জনাত সহজ হৈ উঠে। লগতে শিক্ষক আৰু পৰামর্শদাতাই এনে পৰিৱেশত তেওঁলোকক পর্যবেক্ষণ কৰাৰ সুবিধা পায়।

৩) দলীয় নির্দেশনাত সমস্যাৰ আলোচনা কৰি সমাধানৰ উপায় সহজ হৈ পৰে। লগতে ই ব্যক্তিগত পৰামর্শদানৰ পথো প্রশস্ত কৰি তোলাত সহায় কৰে।

৪) কেতবোৰ অন্তর্মুখী শিশুৱে অকলশৰীয়াকৈ নিজৰ সমস্যা নির্দেশকৰ সন্মুখত প্রকাশ কৰাত অসুবিধা পায়। দলত থাকিলে সেইসকল শিশুৱেও আনৰ লগে লগে সমস্যা প্রকাশ কৰিবলৈ আগবাঢ়ি আহে।

অসুবিধা ঃ দলীয় নির্দেশনাৰ কেতবোৰ অসুবিধা তলত উল্লেখ কৰা ধৰণৰ—

১) বিদ্যালয়ৰ পৰিৱেশত ইমানবোৰ ছাত্র-ছাত্রীক দলীয় নির্দেশনা প্রদান কৰাতো শিক্ষক আৰু পৰামর্শদাতাৰ কাৰণে যথেষ্ট প্রত্যাহ্বানমূলক।

২) ছাত্র-ছাত্রীৰ উমৈহতীয়া সমস্যা চিনাক্তকৰণ কৰাটো এক কঠিন কাম।

৩) দলত অনুশালন ৰক্ষা কৰাটো কঠিন কাম হৈ পৰে।

৪) দলীয় নির্দেশনা সকলো সময়তে সেইসকল ছাত্র-ছাত্রীৰ কাৰণে ফলপ্রসূ নহয় যাক একান্তই ব্যক্তিগত নির্দেশনাৰ প্রয়োজন।

দেখা গ'ল যে দলীয় নির্দেশনা সমালোচনাৰ উর্দ্ধত নহয়। তথাপিও দিনে দিনে বাঢ়ি অহা হতাশা, চাপ, শংকা, অনুশাসনহীনতা আদি সমস্যাসমূহ সমাধানৰ ক্ষেত্র বিদ্যালয়ত অতিকৈ প্রয়োজনীয় হ'ল দলীয় নির্দেশনাৰ ব্যৱস্থা।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ দুটা দলীয় নির্দেশনাৰ কার্যসূচী উল্লেখ কৰক।

প্রশ্ন নং ৫ ঃ দলীয় নির্দেশনাৰ আটাইতকৈ ডাঙৰ সুবিধা আপুনি কি বুলি ভাবে- উল্লেখ কৰক।

প্রশ্ন নং ৬ ঃ খালী ঠাই পূৰ কৰক—

ক্ষেত্র অধ্যয়নে ছাত্র-ছাত্রীৰ মাজত ..... অনাত সহায় কৰে।

2 ২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let us sum Up)

এই অধ্যায়ত আমি এখন বিদ্যালয়ত নির্দেশনা কার্যসূচীৰ সেৱা সম্পর্কে অধ্যয়ন কৰিছো। সেইসমূহ হ'ল— অভিযোজন সেৱা, ছাত্র-ছাত্রী সম্ভেদকাৰী সেৱা, পৰামর্শদান সেৱা, বৃত্তিগত তথ্যৰ সেৱা, সংস্থাপিত সেৱা আৰু অনুগমন সেৱা।

উপৰোক্ত সেৱাসমূহৰ প্রত্যেকৰে গুৰুত্ব আছে। বিশেষকৈ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষাৰ স্তৰত এই সমূহ সেৱা প্রদানৰ গুৰুত্ব দিনে দিনে বাঢ়ি আহিছে।

বিদ্যালয় নির্দেশনা সেৱাসমূহ উপলব্ধ কৰিবৰ কাৰণে গ্রহণ কৰিবলগীয়া কিছুমান পদক্ষেপ হৈছে— নির্দেশনা কমিটীৰ গঠন, প্রয়োজনীয় সুবিধাসমূহৰ ব্যৱস্থা কৰা, বাজেট প্রস্তুত কৰা আৰু অভিভাৱক, ছাত্র-ছাত্রী আৰু সম্প্রদায়ক অভিমুখী কৰি তোলা।

প্রতিটো সেৱাৰ ভৱিষ্যত আৰু উদ্দেশ্যৰ ভিত্তিত মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্র-ছাত্রীৰ বাবে বিভিন্ন নির্দেশনামূলক কার্যসূচী আয়োজন কৰিব পৰা যায়। এই কার্যসূচীসমূহ আয়োজনৰ সময়ত ছাত্র-ছাত্রীসকলৰ প্রয়োজনীয়তা আৰু বৈশিষ্ট্যসমূহৰ প্রতি লক্ষ্য ৰখাতো একান্তই প্রয়োজন।

দলীয় নির্দেশনা হ'ল এজন বা ততোধিক ব্যক্তিক সমস্যা সমাধানৰ বাবে উমৈহতীয়াভাৱে প্রদান কৰা সহায়। বর্তমান সময়ত নির্দেশনা এক বিশ্বজনীন প্রক্রিয়া হিচাপেই পৰিগণিত হৈছে। দলীয় নির্দেশনা বর্তমান সময়ত অতি তাৎপর্যপূর্ণ কিয়নো বিদ্যালয়ৰ বৃহৎ সংখ্যক ছাত্র-ছাত্রীক ব্যক্তিগত নির্দেশনা প্রদান কৰাটো সম্ভৱপৰ নহয়। বিদ্যালয় পৰিৱেশত দুজন বা ততোধিক ছাত্র-ছাত্রীৰ উমৈহতীয়া সমস্যাসমূহ একে সময়তে সমাধানৰ কাৰণে দলীয় নির্দেশনাৰ ব্যৱস্থা গুৰুত্বপূর্ণ। উদাহৰণস্বৰূপ— বিভিন্ন অধ্যয়নৰ বিষয়ৰ সংবাদ অথবা বিভিন্ন বৃত্তি সম্বন্ধীয় সংবাদ দলীয় নির্দেশনাৰ সহায়ত প্রদান কৰিব পাৰি, কিয়নো প্রত্যেকজন ছাত্র-ছাত্রীৰ কাৰণে এনে সংবাদৰ প্রয়োজন হয়।

০ ২.৯ অধিক জানিবলৈ

১) Aggarwal, J.C. (1996). Essentials of Educational Technology, Vikas Publising house.

২) Makinde, O (1984). Fundamentals of Guidance and Counseling, Macmillan.

২.১০ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOU PROGRES)

১ নং প্রশ্নৰ উত্তৰ ঃ বেন্নেট (Bennet) নামৰ শিক্ষাবিদজনে তেওঁৰ 'Guidance in Group' নামৰ গ্রন্থখনত দলীয় নির্দেশনা শব্দটোৰ প্রথম প্রয়োগ কৰিছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ মাইটহেল ড্রিচ (Mitehell Dreese) ৰ মতে, দলীয় নির্দেশনাক দলত প্রদান কৰা নির্দেশনা স্বৰূপে মন্তব্য কৰিব পাৰি আৰু স্বাভাৱিক ব্যক্তি (Normal person) ৰ বিশ্লেষণ আৰু সকলো শিশুকে নির্দেশনা প্রদানৰ ব্যৱস্থা ইয়াত কৰা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ ১) ছাত্র-ছাত্রীৰ উমৈহতীয়া সমস্যাসমূহৰ চিনাক্তকৰণত সহায় আগবঢ়োৱাৰ লগতে বাস্তৱ লক্ষ্য আৰু সমাযোজনৰ পৰিপ্রেক্ষিতত তেওঁলোকৰ পৰিপক্কতা বৃদ্ধিত সহায় কৰা।

২) বিভিন্ন কাৰণত ছাত্র-ছাত্রীসকলৰ মনত সৃষ্টি হোৱা বিমর্ষতা, হতাশা, উৎকণ্ঠাসমূহ নিয়ন্ত্রণ কৰাত সহায় কৰা। ইয়াৰ বাবে প্রয়োজন হ'ব ব্যাপক দৃষ্টিভংগী গ্রহণ আৰু অন্তর্দশনৰ বিকাশ। এই উদ্দেশ্য সাধনৰ বাবেও দলীয় নির্দেশনাৰ প্রয়োজন।

৪ নং প্রশ্নৰ উত্তৰ ঃ দুটা দলীয় নির্দেশনাৰ কার্যসূচী হ'ল—

১) জীৱিকা সম্বন্ধীয় সন্মিলনী (Career Conferences)

২) দলীয় আলোচনা (Group Discussion)

৫ নং প্রশ্নৰ উত্তৰ ঃ দলীয় নির্দেশনাৰ আটাইতকৈ ডাঙৰ সুবিধা হ'ল— সমস্যাৰ আলোচনা আৰু সমাধানৰ সহজ উপায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ ক্ষেত্র অধ্যয়নে ছাত্র-ছাত্রীৰ মাজত বৃত্তীয় সচেতনতা অনাত সহায় কৰে।

M ২.১ ১ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

ক) চমু প্ৰশ্ন (Short Questions) ঃ

প্ৰশ্ন ১ ঃ নির্দেশনা সেৱা কি?

প্ৰশ্ন ২ ঃ পৰামর্শদান সেৱা বুলিলে কি বুজে?

প্ৰশ্ন ৩ ঃ ব্যক্তি সম্ভেদকাৰী সেৱাৰ দুটা উদ্দেশ্য লিখক।

প্ৰশ্ন ৪ ঃ অভিযোজন সেৱাক গুৰুত্বপূর্ণ বুলি আপুনি ভাবেনে?

প্ৰশ্ন ৫ ঃ সংস্থাপিত সেৱাৰ দুটা সংজ্ঞা উল্লেখ কৰক?

প্ৰশ্ন ৬ ঃ সংস্থাপিত সেৱাৰ প্ৰকাৰ দুটা কি কি?

খ) দীঘল প্ৰশ্ন (Long Questions) ঃ

প্ৰশ্ন ১ ঃ ব্যক্তি সম্ভেদকাৰী সেৱাৰ উদ্দেশ্য আৰু স্তৰসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ অভিযোজন সেৱাৰ বিভিন্ন কার্যসূচীসমূহ কি কি?

প্ৰশ্ন ৩ ঃ সংস্থাপিত সেৱাৰ গুৰুত্ব সম্পর্কে এটা টোকা প্রস্তুত কৰক।

প্ৰশ্ন ৪ ঃ বিদ্যালয়ত দলীয় নির্দেশনাৰ গুৰুত্ব সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ বিকাশ আৰু সমাযোজনৰ বাবে নির্দেশনা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ মানৱ বিকাশ
৩.৩.১ মানৱ বিকাশৰ ধাৰণা
৩.৪ মানৱ বিকাশৰ প্রকৃতি
৩.৪.১ শাৰীৰিক গাঁথনি
৩.৪.২ জ্ঞান আৰু ভাষা
৩.৪.৩ সামাজিক আৱেগিক আৰু নৈতিক বিকাশ
৩.৫ বিকাশৰ নীতিবোৰ
৩.৬ সমাযোজনৰ ধাৰণা
৩.৭ পৰিপূৰক প্রক্রিয়া হিচাপে বিকাশ আৰু সমাযোজন
৩.৮ অভিযোজিত আচৰণৰ ধাৰণা
৩.৯ অ-অভিযোজিত আচৰণৰ ধাৰণা
৩.১০ অ-অভিযোজিত আচৰণৰ সৈতে মোকাবিলা কৰাৰ কৌশলবোৰ
৩.১১ অ-অভিযোজিত আচৰণৰ সৈতে মোকাবিলা কৰাত শিক্ষকসকলৰ ভূমিকা
৩.১২ বিকাশক প্রভাৱিত কৰা কাৰকবোৰ
৩.১৩ সমাযোজনক প্রভাৱিত কৰা কাৰকবোৰ
৩.১৪ বিকাশ আৰু সমাযোজনৰ বাবে শিক্ষকসকলে গ্রহণ কৰা কৌশলবোৰ
৩.১৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.১৬ অধিক জানিবলৈ
৩.১৭ অগ্রগতিৰ খতিয়ান
৩.১৮ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মানৱ বিকাশৰ ধাৰণা তথা বৃদ্ধিৰ ধাৰণা সম্বন্ধে জানিব পাৰিব

- সমাযোজনৰ ধাৰণা বহলাই ব্যাখ্যা কৰিব পাৰিব।
- অভিযোজিত আৰু অ-অভিযোজিত আচৰণৰ ধাৰণা বর্ণনা কৰিব পাৰিব
- অ-অভিযোজিত আচৰণৰ সৈতে মোকাবিলা কৰাৰ কৌশলবোৰ আৰু এই ক্ষেত্রত শিক্ষকৰ ভূমিকা সম্বন্ধে জ্ঞাত হ'ব পাৰিব।
- শিশুৰ সমাযোজনক প্রভাৱিত কৰা কাৰকবোৰ ব্যাখ্যা কৰিব পাৰিব
- শিশুৰ বিকাশ আৰু সমাযোজনৰ বাবে শিক্ষকসকলে গ্রহণ কৰা কৌশলবোৰৰ বিষয়ে জানিব পাৰিব।

৩.২ পৰিচয় (INTRODUCTION)

মানৱ জীৱন বৈচিত্রপূর্ণ। বৈচিত্রপূর্ণ মানৱ জীৱনৰ বিকাশ অবিৰতভাৱে চলি থাকে। শিশু এটা ভূমিষ্ঠ হোৱাৰ পিছৰে পৰা বিকাশৰ দিশেৰে অগ্রসৰ হয়। মানৱ জীৱনৰ এক অস্বাভাৱিক প্রক্রিয়া হ'ল বিকাশ। জন্মৰ পিছৰে পৰা মানুহে শাৰীৰিক, মানসিক, আৱেগিক, বৌদ্ধিক আদি বিভিন্ন দিশৰ ক্ষেত্রত বিকাশ লাভ কৰে। এই দিশবোৰৰ বিকাশৰ যোগেদি মানুহে নিজকে নতুন পৰিৱেশত সমাযোজিত কৰিব পাৰে। মানৱ জীৱনত অবিৰতভাৱে হোৱা বিকাশক আমি সাধাৰণভাৱে চাৰিটা ভাগত ভাগ কৰিব পাৰো, সেয়া হ'ল— শৈশৱ কাল, বাল্যকাল, কৈশোৰ কাল আৰু প্রাপ্তবয়স্ক বা বয়প্রাপ্তি কাল। দৰাচলতে মানৱ জীৱনৰ এই ভাগবোৰ কৰা হৈছে আমাৰ অধ্যয়নৰ সুবিধাৰ বাবেহে। প্রকৃতার্থত মানৱ জীৱনৰ বিকাশক এক নির্দিষ্ট সীমাৰেখাৰ মাজত আৱদ্ধ কৰিব নোৱাৰি। মানৱ বিকাশ এক অবিৰত আৰু নিৰৱিচ্ছিন্ন প্রক্রিয়া। মানৱ জীৱনৰ বিকাশৰ লগত জড়িত হৈ থকা এক ধাৰণা হ'ল বৃদ্ধি। বৃদ্ধি আৰু বিকাশৰ যোগে মানৱ জীৱনক সুন্দৰভাৱে সমাযোজিত কৰিব পাৰি। এই অধ্যায়ত আমি মানৱ বিকাশৰ ধাৰণা, প্রকৃতি, নীতিৰ লগতে সমাযোজনৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিম। এই অধ্যায়ত আমি অভিযোজিত আৰু অ-অভিযোজিত আচৰণৰ ধাৰণা সম্বন্ধে আলোচনা কৰিম। লগতে অভিযোজিত আচৰণৰ আৰু অ-অভিযোজিত আচৰণৰ সৈতে মোকাবিলা কৰাৰ কৌশোলবোৰ আৰু এই ক্ষেত্রত শিক্ষকৰ ভূমিকা সম্বন্ধে আলোচনা কৰিম ।এই পাঠটোত বিকাশ আৰু সমাযোজনক প্রভাৱিত কৰা কাৰকবোৰ সমাযোজনৰ প্রক্রিয়া আৰু বিকাশ আৰু সমাযোজনৰ বাবে শিক্ষকসকলে গ্রহণ কৰা কৌশলবোৰৰ সম্পর্কে আলোচনা কৰা হ'ব।

৩.৩ মানৱ বিকাশ

মানৱ বিকাশৰ অধ্যয়ন সকলো লোকৰ বিশেষভাৱে শিক্ষকসকলৰ বাবে অতি প্রয়োজনীয়। শিক্ষকসকলে ছাত্র-ছাত্রীৰ লগত ফলপ্রসূ আন্তঃক্রিয়া স্থাপনৰ বাবে ছাত্র-ছাত্রীৰ বিকাশ সম্বন্ধে জ্ঞাত হ'ব লাগে।

৩.৩.১ মানৱ বিকাশৰ ধাৰণা

বিকাশ হৈছে এক বহল পৰিসৰৰ গুণগত ধাৰণা। ই হৈছে এক সামগ্রিক অৱস্থা, যি মানুহৰ দৈহিক, মানসিক, আৱেগিক আৰু সামাজিক বিকাশৰ দিশ সামৰি লয়। ই হৈছে জীৱৰ জৈৱিক অস্তিত্বৰ ওপৰত পৰা পৰিৱেশৰ অনুকূল-প্রতিকূল প্রভাৱৰ পৰিণতি। প্রত্যেক ব্যক্তিয়ে দৈহিক আৰু জৈৱিক অস্তিত্বৰে জন্মগ্রহণ কৰে। এই অস্তিত্বৰ ওপৰত পৰিৱেশৰ প্রভাৱ পৰে আৰু বিকাশ সম্ভৱ হৈ উঠে। বিকাশ প্রক্রিয়া গোটেই জীৱন চলি থাকে। ই এক বিৰামহীন প্রক্রিয়া যি অবিৰতভাৱে সমগ্র জীৱন চলি থাকে।

বিকাশৰ বিভিন্ন চাৰিত্রিক বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা ধৰণৰ—

১) বিকাশ হৈছে জীৱই পৰিৱেশত কৰা ক্রিয়া-প্রতিক্রিয়াৰ পৰিণতি। অর্থাৎ বিকাশ হ'ল আমাৰ সহজাত জৈৱিক ক্ষমতাৰ ওপৰত পৰিৱেশৰ প্রভাৱৰ ফল বা পৰিণতি।

২) বিকাশ হৈছে এক অবিচ্ছিন্ন, নিৰন্তৰ আৰু অবিৰত প্রক্রিয়া। বিকাশৰ কোনো দুই স্তৰৰ মাজত কোনো স্পষ্ট ব্যৱধান নাথাকে।

৩) সকলো সময়ত বিকাশৰ গতি সমান ৰূপত আৰু স্বাভাৱিক নহয়। কোনো সময়ত বিকাশৰ গতি দ্রুততৰ আৰু কোনো সময়ত ই মন্থৰ বা লেহেমীয়া হৈ পৰে।

৪) সাধাৰণতে দৈহিক, মানসিক, আৱেগিক, সামাজিক আৰু নৈতিক দিশত হোৱা পৰিৱর্তনবোৰৰ এক সমন্বয় সাধনৰ যোগে বিকাশ সংঘটিত হয়। এই দিশবোৰৰ বিকাশ একক আৰু পৃথক নহয়।

৫) লিংগভিত্তিক তুলনা কৰিলে দেখা যায় যে ল'ৰা আৰু ছোৱালীৰ দেহ-মানসিক বিকাশৰ গতি আৰু প্রকৃতি একে নহয়। কেতিয়াবা ল'ৰাৰ বিকাশ দ্রুততৰ হয় আৰু কেতিয়াবা ছোৱালীৰ বিকাশৰ গতি দ্রুততৰ হয়।

৬) ব্যক্তিৰ বিকাশ দৈহিক পৈণতা আৰু শিক্ষাৰ ওপৰত নির্ভৰশীল।

৭) বিকাশ হৈছে জীৱৰ জৈৱিক অস্তিত্বৰ ওপৰত পৰা পৰিৱেশৰ অনুকূল আৰু প্রতিকূল প্রভাৱৰ পৰিণতি।

৮) বিকাশ হ'ল উদ্দেশ্য প্রণোদিতভাৱে সংঘটিত এক প্রক্রিয়া।

৩.৪ মানৱ বিকাশৰ প্রকৃতি

বিকাশৰ অর্থ হৈছে বয়সৰ লগে লগে হোৱা এক শৃংখলাবদ্ধ পৰিৱর্তন যিয়ে ব্যক্তিক ডাঙৰ হ'বলৈ, নতুন বৈশিষ্ট্য আৰু সামর্থ্য লাভ কৰিবলৈ সক্ষম কৰি তোলে। পৰিৱর্তন সংঘটিত হোৱা দিশবোৰ হ'ল—

— শাৰীৰিক গাঁথনি

— জ্ঞান আৰু ভাষা

— সামাজিক, আৱেগিক আৰু নৈতিক বিকাশ।

৩.৪.১ শাৰীৰিক গাঁথনি

শাৰীৰিক বৃদ্ধিয়ে আকাৰ আৰু আকৃতিৰ পৰিৱর্তন আনে। আকাৰৰ এই পৰিৱর্তন কেৱল উচ্চতা, ওজন বা পর্যবেক্ষণযোগ্য আকাৰৰ ক্ষেত্রতেই কেৱল প্রযোজ্য নহয়, বৰং আভ্যন্তৰীণ বৃদ্ধিৰ বিভিন্ন দিশ যেনে— হৃদযন্ত্র, পেট, চকু আৰু অন্ত্র আদিকো সামৰি লয়। ইয়াৰোপৰি হাড়বোৰো দ্রুত গতিত বাঢ়ে; শাৰীৰিক গাঁথনিৰ ক্ষেত্রত শিশুসকলৰ মাজত পার্থক্য থকা দেখিবলৈ পোৱা যায়। শিশু এটা ডাঙৰ হৈ অহাৰ লগে লগে পেশীবোৰো শক্তিশালী হৈ আহে। সামগ্রিকভাৱে আগতীয়া বাল্যকালত শিশুৰ শৰীৰত অধিক চর্বি থাকে আৰু কৈশোৰ কালত পেশীসমূহ লাভ কৰে। সঞ্চালনমূলক দক্ষতাৰ ক্ষেত্রতো পৰিৱর্তন দেখা যায় আৰু গাড়ী চলোৱা, সাঁতোৰা আদি জটিল ধৰণৰ সঞ্চালকমূলক কামৰ ক্ষেত্রতো সমন্বয় দেখিবলৈ পোৱা যায়। এই জটিল ধৰণৰ কামসমূহ বিভিন্ন ধৰণৰ পেশীসমূহৰ বাবে সম্ভৱপৰ।

৩.৪.২ জ্ঞান আৰু ভাষা

জ্ঞানে পৰিৱেশৰ পৰা অর্থ আহৰণ কৰে। চিন্তন আৰু সমস্যা সমাধান ইয়াৰ লগত জড়িত। বয়সৰ লগে লগে সাধাৰণতে জ্ঞানমূলক ক্ষমতা বৃদ্ধি পায়। বিভিন্ন তত্ত্ববিদে পৰিৱর্তনৰ ধৰণ আৰু প্রভাৱ আদিৰ বিষয়ে ব্যাখ্যা আগবঢ়াইছে। এই ক্ষেত্রত এটা গুৰুত্বপূর্ণ তত্ত্ব আগবঢ়াইছে পিয়াজেই য'ত তেওঁ বিকাশৰ প্রাৰম্ভিক পৰিৱর্তনবোৰ বিশ্লেষণ কৰে। তেওঁৰ মতে, জ্ঞানমূলক বিকাশৰ বাবে গুৰুত্বপূর্ণ আত্মীকৰণ আৰু সংগতকৰণ প্রক্রিয়া দুটা চলি থাকে। আত্মীকৰণ হৈছে তথ্য যিদৰে আছে পৰিৱেশৰ পৰা গ্রহণ কৰা হৈছে। উদাহৰণস্বৰূপে চকী এখন দেখি শিশুৱে চকী বুলি ক'বলৈ শিকে। আকৌ সংগতকৰণ হৈছে পূর্বৰ শিকনৰ সৈতে নতুন জ্ঞানৰ সামঞ্জস্য বা ব্যৱহাৰ কৰা। উদাহৰণস্বৰূপে শিশুৱে এবাৰ চকীত বহাৰ বাবে বুলি উল্লেখ কৰিব পাৰে।

পিয়াজেৰ মতে বিকাশ (1) সংবেদনাত্মক-সঞ্চালনাত্মক, (2) প্রাক্ কার্যকৰী, (3) মূর্ত কার্যকৰী আৰু (4) আনুষ্ঠানিক কার্যকৰী স্তৰৰ মাজেৰে আগবাঢ়ে। সংবেদনাত্মক-সঞ্চালনাত্মক স্তৰত শিশুৱে নিজৰ প্রতিফলন, সঞ্চালনাত্মক গতি আৰু ক্রিয়াৰ সমন্বয় লাভ কৰে। প্রাক্-কার্যকৰী পর্যায়ত শিশুৱে বহুতো ধাৰণা বা মানসিক প্রতিচ্ছবি আহৰণ কৰে আৰু সেইবোৰ বুজিবলৈ আৰু বর্ণনা কৰিবলৈ শব্দ ব্যৱহাৰ কৰে। কিন্তু এই ক্ষেত্রত মন কৰিবলগীয়া কথা হ'ল এয়ে যে সকলো মানসিক প্রতিচ্ছবি বা অভিজ্ঞতা শিশুৱে শব্দৰ জৰিয়তে প্রকাশ কৰিব নোৱাৰে। শিশুৱে পৰিঘটনাৰ মাজৰ বিভিন্ন সম্পর্ক বুজি নাপায়। শিশুৱে কেৱল বিভিন্ন পৰিঘটনাবোৰ নিজৰ দৃষ্টিভংগীৰেহে চাব পাৰে।

মূর্ত কার্যকৰী স্তৰৰ সময়ছোৱাত, শিশুৰ চিন্তাধাৰা ভালদৰে বিকশিত হয় আৰু সিহঁতে বিভিন্ন মূর্ত পৰিঘটনাৰ মাজৰ সম্পর্ক বুজিবলৈ সক্ষম হয়। শিশুৱে আনুষ্ঠানিক কার্যকৰী স্তৰত উপনীত হোৱাৰ সময়লৈকে বিমূর্ত ধাৰণাসমূহ বুজিবলৈ সক্ষম হয় আৰু বিমূর্ত ধাৰণাসমূহৰ সম্পর্কসমূহো বুজিবলৈ সক্ষম হয়।

শিশুৰ ভাষাৰ বিকাশেও একেধৰণৰ আৰ্হিয়ে অনুসৰণ কৰে। বস্তু বর্ণনা কৰিবলৈ শব্দবোৰ আহৰণ কৰা আৰু ক্রমান্বয়ে বিমূর্ত ধাৰণা লাভ কৰে। ভাষা আহৰণৰ দ্বাৰা সমস্যা সমাধান আৰু চিন্তা কৰাটো সহজ হৈ পৰে।

৩.৪.৩ সামাজিক, আৱেগিক আৰু নৈতিক বিকাশ

আবেগিক বিকাশৰ অর্থ হৈছে সুখ আৰু দুখৰ অনুভূতিৰ বিকাশ আৰু এই আবেগবোৰক সম্প্রসাৰিত কৰি মৰম, উত্তেজনা, আনন্দ বা দুখ, উদ্বেগ, ভয় আদি আৱেগৰ বিকাশ হয়। শিশুৰ সামাজিক বিকাশ প্রথমে পৰিয়ালৰ সদস্যৰ লগত আৰু ক্রমান্বয়ে আনৰ লগত যেনে— সমনীয়া, শিক্ষক, ওচৰ-চুবুৰীয়া আদিৰ লগত মোহ গঢ়ি তোলাৰ পৰা আৰম্ভ হয়। সম্পর্ক বহল হোৱাৰ লগে লগে আবেগিক বিকাশ ত্বৰান্বিত হয়।

শিশুটোৰ বিকাশ হোৱাৰ লগে লগে বিভিন্ন সংগঠন যেনে— সম্প্রদায়, কর্ম সংস্থাপন আদিলৈ শিশুটোৱে গতি কৰে। পৰৱর্তী সময়ত শিশুৰ আচৰণ আৰু সম্পর্ক সমাজৰ মূল্যবোধ, মনোভাৱ আৰু নীতিৰ ওপৰত ভিত্তি কৰি হ'ব লাগিব। এই মূল্যবোধ অনুসৰি আচৰণ প্রদর্শন কৰাৰ লগত নৈতিক বিকাশ জড়িত হৈ আছে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পৰিৱর্তন সংঘটিত হোৱা দিশবোৰ কি কি?

প্রশ্ন নং ২ ঃ শিশুৰ সামাজিক বিকাশৰ বিষয়ে লিখক।

৩.৫ বিকাশৰ নীতিবোৰ

সামগ্রিক দৃষ্টিকোণৰে বিচাৰ কৰিলে মানৰ বিকাশ বিভিন্ন নীতিৰ ওপৰত প্রতিষ্ঠিত। বিকাশৰ এই নীতিবোৰৰ ব্যাখ্যা তলত আগবঢ়োৱা হ'ল—

১। **বিকাশ এক অবিৰত প্রক্রিয়া (Development is a Continuous Process)** ঃ মাতৃগর্ভত ভ্রূণে স্থান লোৱাৰ পৰা বৃদ্ধি আৰু বিকাশ প্রক্রিয়াৰ আৰম্ভণি হয়। এই প্রক্রিয়া পৰৱর্তী সময়ত অবিৰতভাৱে চলি থাকে।

২। **বিকাশৰ গতি সমান নহয় (The Tempo of Development is not Even)** ঃ বিকাশ অবিৰত প্রক্রিয়া হ'লেও এই প্রক্রিয়াৰ বিকাশৰ গতি সমান নহয়। শৈশৱকালত এই প্রক্রিয়া দ্রুততৰভাৱে বিকশিত হয়, পৰৱর্তী সময়ত মন্থৰ হয়। আকৌ কৈশোৰকালত বিকাশৰ দ্রুত গতিত হোৱা দেখা যায়।

৩। **ব্যক্তিগত পার্থক্যৰ নীতি (Principle of Individual Diffecrence)** ঃ শিশুৰ বিকাশত ব্যক্তিগত পার্থক্য দেখিবলৈ পোৱা যায়। সকলো ব্যক্তিৰ বৌদ্ধিক দক্ষতাৰ ক্ষেত্রত শিশুসকলৰ মাজত প্রায়েই পার্থক্য দেখিবলৈ পোৱা যায়। বংশগতীয় আৰু পৰিৱেশীয় কাৰকৰ বাবে এই পার্থক্যবোৰ দেখিবলৈ পোৱা যায়।

৪। **সংহতিৰ নীতি (Principle of Integration) ঃ** এই নীতি অনুসৰি শিশুৰ বিকাশ সাধাৰণৰ পৰা বিশেষলৈ আৰু বিশেষৰ পৰা সাধাৰণলৈ হোৱা দেখা যায়। শিশুৱে বিশেষ কার্যবোৰত ব্যস্ত হৈ থাকোতে সাধাৰণ নিয়ম প্রতিষ্ঠা কৰা হয়। গতিকে শিশুৰ বিকাশ সাধাৰণ আৰু বিশেষ কার্যৰ সংহতিকৰণৰ ভিত্তিত হোৱা দেখা যায়।

৫। **আন্তঃসম্বন্ধৰ নীতি (Principle of Inter-relation) ঃ** বিভিন্ন ক্ষেত্রত যেনে দৈহিক, মানসিক, সামাজিক ইত্যাদি বৃদ্ধি আৰু বিকাশৰ মাজত আন্তঃসম্বন্ধ আৰু আন্তঃনির্ভৰশীলতা আছে। শিশুৰ বৃদ্ধি আৰু বিকাশত এটা দিশৰ বিকাশে আন এটা দিশৰ বিকাশৰো আগুৱাই লৈ যায়। পর্যবেক্ষণ কৰিলে দেখা যায় যে নিম্ন বুদ্ধিৰ ছাত্র-ছাত্রীসকল শাৰীৰিকভাৱে অসুস্থ, আৱেগিকভাৱে অস্থিৰ আৰু অপসমাযোজিত হোৱা দেখা যায়।

৬। **বিকাশ ভৱিষ্যৎবাণী মূলক (Development is Predictable) ঃ** প্রত্যেক শিশুৰ বিকাশ নিজস্বভাৱে হয় আৰু এই বিকাশে শিশুৰ ভৱিষ্যতৰ পৰিসৰৰ অনুমানত সহায় কৰে। কিন্তু এই ভৱিষ্যত অনুমান কেৱল সাধাৰণ শিশুৰ ক্ষেত্রতহে সম্ভৱ। অসাধাৰণ বা উচ্চ বুদ্ধিসম্পন্ন শিশুৰ ক্ষেত্রত সম্ভৱ নহয়।

৩.৬ সমাযোজনৰ ধাৰণা

সমাযোজনৰ ইংৰাজী প্রতিশব্দ 'Adjustment' ৰ আভিধানিক অর্থ হ'ল 'to make suitable' or 'to make fit' যাৰ অর্থ হ'ল উপযুক্ত কৰি তোলা বা যোগ্য কৰি তোলা। মনোবিজ্ঞানৰ দৃষ্টিকোণেৰে সমাযোজন মানে হ'ল পৰিৱেশৰ লগত খাপ খুৱাই ল'বৰ বাবে ব্যক্তিয়ে কৰা প্রচেষ্টা। এই সমাযোজন শব্দটো পোন প্রথমে জীৱ বিজ্ঞানত চার্লচ ডাৰউইনে ব্যৱহাৰ কৰিছিল। পৰৱর্তী সময়ত এই শব্দটো মনোবিজ্ঞানত ব্যৱহাৰ কৰা হয়। ব্যক্তিয়ে পৰিৱেশত সুসামঞ্জস্যতা ৰক্ষা কৰিবৰ বাবে আচৰণৰ পৰিৱর্তন বা সংশোধন ঘটাবলগীয়া হয়। পৰিৱেশৰ লগত কৰা এই যোগাত্মক সম্পর্ক স্থাপন প্রক্রিয়াটোক সমাযোজন বুলি কোৱা হয়। সমাযোজন সাধাৰণতে দুই প্রকাৰে সংঘটিত হয়। যেনে—

(১) ব্যক্তিয়ে নিজৰ লগত অথবা জৈৱিক প্রয়োজনসমূহৰ লগত কৰা সমাযোজন আৰু

(২) ব্যক্তিয়ে নিজ পৰিৱেশ অর্থাৎ সামাজিক, ব্যক্তিগত আৰু সাংস্কৃতিক পৰিৱেশৰ লগত কৰা সমাযোজন।

সমাযোজনৰ সংজ্ঞা প্রদান কৰি জেমচ চি. কলমেন (James C. Coleman) মত পোষণ কৰিছিল, 'সমাযোজন হৈছে ব্যক্তিয়ে পৰিৱেশৰ লগত সুসামঞ্জস্যপূর্ণ সম্পর্ক বজাই ৰখাৰ প্রচেষ্টাৰ জৰিয়তে মানসিক চাপৰ সৈতে মোকাবিলা কৰিবলৈ আৰু তেওঁৰ প্রয়োজনীয়তা পূৰণৰ প্রচেষ্টাৰ ফলাফল।'

জেমচ ড্রেভাৰ (James Drever) ৰ মতে, 'সমাযোজন মানে বিশেষ চর্তসমূহৰ ক্ষতিপূৰণ বা পূৰণ কৰিবলৈ পৰিৱর্তন।'

গেটছ (Gates) ৰ মতে, 'সমাযোজন হৈছে এক অবিৰত প্রক্রিয়া। যাৰ দ্বাৰা এজন ব্যক্তিয়ে নিজৰ আচৰণ সংশোধন কৰি নিজৰ আৰু নিজৰ পৰিৱেশৰ মাজত অধিক সু-সামঞ্জস্যপূর্ণ সম্পর্ক উৎপন্ন কৰে।

সমাযোজনৰ কেতবোৰ বৈশিষ্ট তলত দিয়া ধৰণেৰে উল্লেখ কৰিব পাৰি।

(১) সমাযোজন হৈছে এক প্রক্রিয়া যিয়ে আমাক সুখী আৰু সন্তোষজনক জীৱন-যাপন কৰিবলৈ আগুৱাই লৈ যায়।

(২) সমাযোজনে আমাক আমাৰ প্রয়োজনীয়তা আৰু এই প্রয়োজনীতা পূৰণৰ ক্ষমতাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাত সহায় কৰে।

(৩) সমাযোজনে আমাক আমাৰ পৰিস্থিতিৰ দাবী অনুসৰি আমাৰ জীৱনশৈলী সলনি কৰিবলৈ বুজাই দিয়ে।

(৪) সমাযোজনে আমাক আমাৰ পৰিৱেশৰ পৰিস্থিতিত বাঞ্ছনীয় পৰিৱর্তন আনিবলৈ শক্তি আৰু ক্ষমতা প্রদান কৰে।

(৫) মানুহৰ দৈহিক আৰু মানসিক অৱস্থা অনুসৰি সমাযোজন প্রভাবিত আৰু পৰিচালিত হয়।

পৰিপূৰক প্রক্রিয়া স্বৰূপে বিকাশ আৰু সমাযোজন।

৩.৭ পৰিপূৰক প্রক্রিয়া স্বৰূপে বিকাশ আৰু সমাযোজন

এগৰাকী শিক্ষক হিচাপে আপুনি হয়তো ভাৱে যে কিছুমান ছাত্র-ছাত্রীক পৰিচালনা কৰাটো কিয় ইমান কঠিন। ইয়াৰ কাৰণ হ'ব পাৰে তেওঁলোকৰ বিকাশ আৰু সমাযোজন প্রক্রিয়াৰ ব্যক্তিগত পার্থক্য যিয়ে আন্তঃসম্বন্ধীয় আৰু পৰিপূৰক পদ্ধতিৰে কাম কৰে। মানুহৰ জীৱনত বিকাশ আৰু সমাযোজনে একেলগে কাম কৰে। সমাযোজনৰ লক্ষ্য হৈছে ব্যক্তিগত প্রয়োজনীয়তাৰ লগতে পৰিৱেশৰ দাবী পূৰণ কৰা। সমাযোজন আৰু বিকাশক পৃথক কৰা কোনো চোকা ৰেখা নাই। দুয়োটা প্রক্রিয়াৰ বৈশিষ্ট্য হৈছে পৰিৱর্তন আৰু স্থিতিশীলতা। পৰিৱর্তন বহু পৰিমাণে বিকাশৰ বাবেই হৈছে। শাৰীৰিক, মানসিক, ভাষিক, আৱেগিক আৰু সামাজিক আদি কেইবাটাও দিশত বিকাশ হ'ব পাৰে। বিভিন্ন ব্যক্তিৰ বিকাশৰ হাৰ বেলেগ বেলেগ হ'ব পাৰে। যিকোনো এটা ক্ষেত্রত লাভ কৰা বিকাশৰ হাৰ বেলেগ বেলেগ হ'ব পাৰে। যিকোনো এটা ক্ষেত্রত যিমানেই বিকাশ হ'ব সিমানেই সমাযোজন ক্ষমতা বেছি হ'ব। বিকাশৰ সময়ত ব্যক্তিজন কেন্দ্রত থাকে, আনহাতে সমাযোজনত পৰিৱেশৰ সৈতে ব্যক্তিজনৰ সম্পর্কৰ ওপৰত গুৰুত্ব দিয়া হয়।

বিদ্যালয় শিক্ষাৰ এক প্রয়োজনীয় পূর্বচত হ'ল শিশুক এনে এটা স্তৰলৈ বিকশিত কৰা যাতে তেওঁলোকে ঘৰৰ পৰা আৰামত আঁতৰত থাকিব পাৰে, শৌচাগাৰৰ প্রশিক্ষণ লাভ কৰিব পাৰে, খাদ্য খোৱাৰ দৰে মৌলিক প্রয়োজনীয়তাসমূহৰ যত্ন ল'ব পাৰে, যিয়ে তেওঁলোকক বিদ্যালয়ৰ দাবীৰ সৈতে সমাযোজিত কৰাত সহায় কৰিব। শিশুসকলে লাভ কৰা সমাযোজনে পিছলৈ তেওঁলোকক ভাল কাম কৰিবলৈ আৰু অধিক শিকিবলৈ সযোগ প্রদান কৰি তেওঁলোকৰ বিকাশক অধিক প্রসাৰিত কৰে। শিশুৰ পৰা আশা কৰা সাধাৰণ বিদ্যালয়ৰ কাম যেনে পঢ়া, লিখা আদিৰ বাবে বিদ্যালয় প্রেক্ষাপটৰ লগত সমাযোজিত কৰিব পৰাকৈ তেওঁলোকৰ চকু-হাতৰ সমন্বয়, হাত-সঞ্চালনমূলক নিয়ন্ত্রণ আদি গঢ়ি তুলিব লাগিব। যেতিয়া এটা বিশেষ বয়সৰ শিশুৱে এটা ক্ষেত্রত (যেনে— জ্ঞানমূলক) স্তৰ প্রদর্শন কৰে, যিয়ে শিশুক অধিক বিকাশৰ দিশত আগুৱাই লৈ যায়।

উচ্চ পর্যায়ৰ বিকাশ লাভৰ বাবে শিশুসকলে বস্তুবোৰক বেলেগ ধৰণে চাবলৈ বিচাৰে আৰু ফলত পৰিৱেশৰ ওপৰত আয়ত্ব লাভ কৰে আৰু আত্মবিশ্বাসো লাভ কৰে। সামগ্রিকভাৱে বিকাশ হোৱাৰ লগে লগে অভিজ্ঞতাৰ এক পূর্ণগঠন ঘটে যিয়ে উন্নত সমাযোজনৰ দিশত আগুৱাই লৈ যায়।

গতিকে ক'ব পাৰি যে বিকাশ আৰু সমাযোজন এটা আনটোৰ পৰিপূৰক এক প্রক্রিয়া।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সমাযোজনৰ এটা বৈশিষ্ট্য লিখক।

৩.৮ অভিযোজিত আচৰণৰ ধাৰণা

অভিযোজিত আচৰণে চিন্তা আৰু সঁহাৰিৰ ধৰণক সূচায় যিয়ে জীৱনৰ সমস্যা আৰু মানসিক চাপ হ্রাস কৰাত সহায় কৰে আৰু আমাক নিজৰ লগতে আনৰ সৈতেও নিশ্চিন্ত কৰি তোলে। অভিযোজিত আচৰণৰ বিষয়ে ভালদৰে জানিবৰ বাবে এটা উদাহৰণ বিশ্লেষণ কৰা দৰকাৰ। তলত উল্লেখ কৰা উদাহৰণটোৱে এটা সমস্যাৰ পৰিস্থিতিৰ প্রতি অভিযোজিত প্রতিক্রিয়া দেখুৱাইছে। উদাহৰণটো হ'ল—

'কৃষ্ণা এগৰাকী অতি ভাল ছাত্রী যদিও দশম শ্রেণীৰ বোর্ডৰ পৰীক্ষাৰ ফলাফল আশা কৰাতকৈ অধিক নিম্নগামী আছিল। এই কথাত তাই বৰ বিচলিত হৈছিল। তাই অতি উদাস হৈ পৰিছিল আৰু মাক-দেউতাক, ভায়েক-ভনীয়েক আৰু আনৰ লগত অতি কম মত বিনিময় কৰিছিল। তাই টিভি চোৱা আৰু বন্ধুৰ লগত ওলাই যোৱাও বন্ধ কৰি দিছিল। সৰু সুৰা বিষয়বোৰতে তাই কান্দি কাটি দুখী হৈছিল। মাক-দেউতাক তাইক লৈ অতি চিন্তিত আছিল। কিছুদিন পিছত তাই দুখৰ পৰা ওলাই আহিবলৈ চেষ্টা কৰি নিজৰ ভালপোৱা কার্যবোৰ কৰিবলৈ আৰম্ভ কৰিলে আৰু সকলোৰে লগত ভালদৰে মত বিনিময় কৰিবলৈ ল'লে। তাই মনতে ভাবিলে যে তাই মার্কশ্বীটলৈ অপেক্ষা কৰি ক'ত ভুল হ'ল সেইটো বুজিবলৈ চেষ্টা কৰিব। তাই পৰৱর্তী পৰীক্ষাবোৰৰ বাবে অধিক কষ্ট কৰাৰ আৰু পঢ়া-শুনা আৰু প্রস্তুতিৰ কৌশল সলনি কৰাৰ সংকল্প ল'লে। তাই পৰীক্ষাত নিজৰ প্রদর্শন উন্নত কৰাৰ পদ্ধতিৰ বিষয়ে শিক্ষকৰ লগতো আলোচনা কৰিব। কেইদিনৰ পৰা তাইৰ মনতো পাতল লাগিবলৈ ধৰিলে আৰু তাইৰ দৈনন্দিন কামবোৰ পুনৰ কৰিবলৈ আৰম্ভ কৰিলে।'

এইটো এটা হ'ল অভিযোজনৰ উদাহৰণ য'ত ব্যক্তিজনে এটা অপ্রীতিকৰ পৰিস্থিতিৰ সৈতে এনেদৰে মোকাবিলা কৰিবলৈ চেষ্টা কৰিছে যিয়ে সমস্যাটো সমাধান কৰাত সহায় কৰিছে। বক্তি এজনে বুজিবলৈ চেষ্টা কৰিব লাগে যে কিয় নিজৰ ইচ্ছা আৰু আশাৰ বিপৰীতে ঘটিছিল আৰু ইয়ে নিজৰ চিন্তা আৰু কার্যত প্রয়োজনীয় পৰিৱর্তন আনিব। এনে ইতিবাচক আৰু গঠনমূলক চিন্তাধাৰাই জীৱনৰ সমস্যা আৰু প্রত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ আমাৰ সামর্থৰ ওপৰত আস্থা বৃদ্ধি কৰে। ইয়াকেই অভিযোজিত আচৰণ বোলে। অভিযোজিত আচৰণে আমাক মানসিক চাপ নিয়ন্ত্রণত সহায় কৰে আৰু প্রতিকূল পৰিস্থিতিৰ মাজতো আমাক নিয়ন্ত্রণ কৰাত সহায়

কৰে। এইদৰে জীৱনৰ মানসিক চাপবোৰ মোকাবিলা কৰাত সহায় কৰা আচৰণবোৰক অভিযোজিত আচৰণ বুলিব পাৰি।

অভিযোজিত ক্ষমতা বৃদ্ধিৰ কেতবোৰ কৌশল হ'ল—

(১) সমস্যাটোৰ বিষয়ে চিন্তা কৰিবলৈ নিজকে সময় দিয়া আৰু সমস্যাটোৰ উৰ্ধত বুজিবলৈ চেষ্টা কৰা।

(২) নিজক এজন ব্যক্তি হিচাপে বুজি পোৱা এজনৰ আগত নিজৰ অনুভৱৰ কথা কোৱা।

(৩) সমস্যাবোৰক অধিক বস্তুনিষ্ঠ আৰু যুক্তি সংগতভাৱে বিচাৰ কৰি সম্ভৱপৰ কার্যকৰী উত্তম সমাধান বিচাৰি উলিয়াবলৈ চেষ্টা কৰা।

(৪) সমস্যাজনক পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ ক্ষমতাৰ ওপৰত বিশ্বাস থকা।

(৫) পৰিস্থিতিয়ে দাবী কৰিলে নিজৰ দৃষ্টিভংগী আৰু কার্যত নমনীয় হোৱা।

(৬) ইতিবাচক লোকৰ সৈতে সময় অতিবাহিত কৰা বা প্রয়োজন হ'লে বৃত্তিগত পৰামর্শ লাভ কৰা।

(৭) প্রার্থনা, ধ্যান আৰু মানুহক শান্তি প্রদান কৰা আন যিকোনো বস্তুৰ জৰিয়তে নিজৰ আভ্যন্তৰীণ আধ্যাত্মিক শক্তিৰ সৈতে সংযোগ স্থাপন কৰিবলৈ শিকা।

(৮) জড়তা ত্যাগ কৰি যিমান সম্ভৱ দৈনন্দিন কামত নিজকে নিয়োজিত কৰিবলৈ চেষ্টা কৰা।

(৯) খেলা-ধূলা, নিয়মীয়া খোজকঢ়া, গান শুনা বা আন যিকোনো পছন্দৰ সৈতে জড়িত কৰা যিয়ে স্পষ্ট চিন্তা কৰাৰ বাবে মানুহক প্রস্তুত কৰে।

৩.৯ অ-অভিযোজিত আচৰণৰ ধাৰণা

অ-অভিযোজনে চিন্তা আৰু আচৰণৰ ধৰণক সূচায়। যিয়ে সন্মুখীন হোৱা সমস্যাসমূহ সমাধান নকৰাকৈ আমাৰ মানসিক চাপ আৰু অসুবিধা সৃষ্টি বা বৃদ্ধি কৰে। অ-অভিযোজিত আচৰণ হৈছে সমস্যা সমাধান নকৰাকৈ তাৎক্ষণিক আৱেগৰ দ্বাৰা পৰিচালিত পৰিস্থিতিৰ প্রতি অধিক প্রতিক্রিয়া প্রদর্শন কৰা এক প্রক্রিয়া। আমাৰ সমস্যা সমাধানৰ বাবে এই ধাৰণা সহায়ক নয়। অ-অভিযোজনে আমাৰ নিজৰ ওপৰত থকা আস্থা কমাই দিয়ে। নেতিবাচক আৱেগৰ বলি কৰে আৰু দৈনন্দিন জীৱনৰ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাত আমাৰ দক্ষতা হ্রাস কৰে। এই ধাৰণাৰ এক উদাহৰণ তলত দাঙি ধৰা হ'ল—

'মায়াই সদায় পৰীক্ষাত ভাল প্রদর্শন কৰি আহিছে। অৱশ্যে দশম শ্রেণীৰ পৰীক্ষাত তাই আশা কৰা ফলাফল নাপালে। ইয়াৰ বাবে তাই অতিশয় বিচলিত হৈ নিজৰ সামর্থৰ ওপৰত সন্দেহ কৰিবলৈ ধৰিলে। বন্ধু-বান্ধৱীকে ধৰি কাকো লগ কৰিব বিচৰা নাছিল আৰু খিঙখিঙীয়া হৈ পৰিছিল। সামান্য কথাতে তাইৰ খং উঠিবলৈ ধৰিলে আৰু অনুভৱ কৰিলে যেন তাইক কোনেও ভাল নাপায়। পঢ়া-শুনাৰ প্রতি আগ্রহ হেৰুৱাই তাই সকলোতে দোষ বিচাৰিবলৈ ধৰিলে। তাইৰ মাক-দেউতাক তাইক লৈ অতিশয় চিন্তিত আছিল।

মায়াৰ আচৰণ হৈছে এনে এক অ-অভিযোজিত প্রতিক্রিয়াৰ উদাহৰণ যিয়ে ফলপ্রসূ সমাযোজন আৰু সাধাৰণ সুস্থতাত বাধাৰ সৃষ্টি কৰিব পাৰে। মায়াই নিজৰ সমস্যাবোৰ সমাধান কৰিব নোৱাৰি পঢ়া-শুনাৰ প্রতি

আগ্রহ হেৰুৱাবলৈ ধৰিলে। তাই বৰ খিঙখিঙিয়া আৰু নিৰাশাবাদী হৈ পৰিল। কঠিন আৰু মানসিক চাপৰ পৰিস্থিতিৰ প্রতি খং আৰু শোক প্রকাশ হৈছে স্বাভাৱিক সঁহাৰি। এনে পৰিস্থিতিত আমি নিজকে কেনেকৈ চম্ভালিম সেই ধাৰণাই আমাৰ ভৱিষ্যতৰ আচৰণ নির্ধাৰণ কৰিব।

কেতবোৰ অ-অভিযোজিত আচৰণৰ উদাহৰণ হ'ল—

(১) সমস্যাৰ প্রতি আৱেগিক সঁহাৰি জনোৱা, যেনে— ক্রোধত বিস্ফোৰণ কৰা বা বিচ্ছিন্নতাত যোৱা, কাৰো লগত কথা নপতা, খাবলৈ অস্বীকাৰ কৰা, ইত্যাদি।

(২) 'মোৰ লগতহে কিয় এনেকুৱা হ'ব লাগে' বুলি অনুভৱ কৰি সমস্যাটোৰ ওপৰত চিন্তা কৰা বা সমস্যাটোৰ ব্যৱহাৰিক সমাধান বিচাৰি উলিওৱাৰ চেষ্টা নকৰাকৈ কথাবোৰ কেনেকুৱা হ'ব লাগিছিল সেই বিষয়ে কল্পনা কৰা।

(৩) অনবৰতে চিন্তা কৰি থকা।

(৪) অত্যাধিক ধূমপান বা মদ্যপান কৰা।

(৫) দোষ আনৰ ওপৰত জাপি দিয়া আৰু নিজক পৰিস্থিতিৰ ওপৰত ৰাখি বাস্তৱ স্বীকাৰ নকৰা।

এই উদাহৰণবোৰে প্রতিফলিত কৰে যে অ-অভিযোজিত আচৰণ হ'ল সেইবোৰ যিয়ে সম্যাৰ প্রকৃত সমাধানৰ লগত সম্বন্ধ ৰক্ষা নকৰে। বিষণ্ণ হোৱা, দোষ দিয়া, চিন্তা কৰা, নিষ্ক্রিয়তা বা নেচিবাচক কার্য আদিয়ে সমস্যা সমাধানত সহায় নকৰে। যদি এইবোৰ বেছি সময় কঢ়িওৱা হয় তেন্তে এইবোৰে মানুহৰ সৈতে আমাৰ সম্পর্কৰ ক্ষতি কৰিব পাৰে। কাম কৰাৰ বাবে আমাৰ দক্ষতা হ্রাস কৰিব পাৰে আৰু আমাৰ অন্যান্য কর্তব্য আৰু দায়িত্বসমূহ পৰিচালনা কৰিব পাৰে।

অভিযোজিত আচৰণ আৰু অ-অভিযোজিত আচৰণ এটা আনটোৰ পৰা বিচ্ছিন্ন নহয় অর্থাৎ এগৰাকী ব্যক্তিক অভিযোজিত বা অ-অভিযোজিত বুলি কোৱাটো শুদ্ধ নহয়। বেছিভাগ মানুহৰ মাজতে দুয়োবিধ আচৰণৰ সংমিশ্রণ দেখা যায়, অর্থাৎ পৰিস্থিতিৰ প্রতি কেতিয়াবা অভিযোজিত আর্হিৰে আৰু কেতিয়াবা অ-অভিযোজিত আর্হিৰে সঁহাৰি জনায়। অতি কম সংখ্যক লোকেহে চৰম আচৰণ প্রদর্শন কৰে। অ-অভিযোজৰ প্রতি প্রৱণতা থকা আচৰণৰ সৈয়ে সঁহাৰি দিলে ভয়, উদ্বেগ, হতাশা আদিৰ প্রতি আমাৰ দুর্বলতা বৃদ্ধি পাব। আনহাতে অভিযোজিত আর্হিৰ প্রতি অধিক প্রৱণতা থকা আচৰণে মানসিক স্বাস্থ্য উন্নত কৰিব। এইদৰে অভিযোজিত আচৰণ আৰু মানসিক স্বাস্থ্যৰ মাজত সম্পর্ক থকা দেখা যায়।

৩.১০ অ-অভিযোজিত আচৰণৰ সৈতে মোকাবিলা কৰাৰ কৌশলবোৰ

ব্যক্তিৰ অ-অভিযোজিত আচৰণৰ সৈতে মোকাবিলা কৰাৰ কেতবোৰ কৌশল তলত বর্ণনা কৰা হ'ল—

(১) **পৰার্শদান (Counselling) ঃ** পৰামর্শদান প্রকৃততে চিকিৎসামূলক প্রকৃতিৰ। ইয়াৰ লক্ষ্য হৈছে ব্যক্তিসকলক ইতিমধ্যে থকা বিপদ এটা সমাধান কৰাত সহায় কৰা। পৰামর্শদানে প্রশিক্ষিত পৰামর্শদাতা আৰু এগৰাকী গ্রাহকৰ মাজৰ পেছাদাৰী সম্পর্কক বুজায়। এই সম্পর্ক সাধাৰণতে দুগৰাকী ব্যক্তিৰ মাজত হয় যদিও

কেতিয়াবা দুজনতকৈ অধিক লোক ইয়াত জড়িত হ'ব পাৰে। ইয়াত গ্রাহকসকলক জীৱনৰ বিষয়ে তেওঁলোকৰ দৃষ্টিভংগী বুজিবলৈ আৰু স্পষ্ট কৰিবলৈ আৰু আৱেগিক বা আন্তঃব্যক্তিগত প্রকৃতিৰ সমস্যা সমাধানৰ জৰিয়তে নির্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ সহায় কৰা হয়। ইয়াৰ বাবে পৰামর্শদানৰ পাঠ্যক্রমৰো ব্যৱস্থা কৰিব পাৰি। পৰামর্শৰ পাঠ্যক্রম হৈছে এটা সম্পূর্ণ আৰু ব্যাপক পদ্ধতি যিয়ে শিক্ষা প্রক্রিয়াৰ সৈতে পৰামর্শৰ পাঠ্যক্রমক একত্রিত কৰে। অ-অভিযোজিত আচৰণ প্রদর্শন কৰা ব্যক্তিসকলক এনে আচৰণৰ পৰা বিৰত থাকিবলৈ এই কৌশলে সহায় কৰিব পাৰে।

(২) **প্রৰোচক (Reinforcement) ঃ** প্রৰোচক হৈছে যিকোনো পৰিঘটনা বা উদ্দীপক যিয়ে কোনো সঁহাৰিৰ পুনৰাবৃত্তি হোৱাৰ সম্ভাৱনা বৃদ্ধি কৰিব। ই হৈছে কোনো অনুভূতি বা ধাৰণা বা অভ্যাসক শক্তিশালী বা গুৰুত্ব দিয়াৰ প্রক্রিয়া যাৰ ফলত প্রক্রিয়াটোৰ তীব্রতা বৃদ্ধি পায়। এই প্রৰোচক দুই প্রকাৰৰ- ইতিবাচক প্রৰোচক আৰু নেতিবাচক প্রৰোচক। দুয়োটাকে সংশোধনীমূলক ব্যৱস্থা হিচাপে ব্যৱহাৰ কৰিব পাৰি। ইতিবাচক প্রৰোচকৰ উদাহৰণ হ'ল প্রশংসা, পুৰস্কাৰ, স্বীকৃতি, মান্যতা প্রদান ইত্যাদি আৰু নেতিবাচক প্রৰোচকৰ উদাহৰণ হ'ল শাস্তি প্রদান, অনুমোদন, সামাজিকভাৱে নিন্দা বা দোষাৰোপকৰণ আদি।

(৩) **নৈতিক মূল্যবোধৰ জ্ঞান প্রদান (Imparting Moral Values) ঃ** নৈতিক মূল্যবোধে ব্যক্তিক আনৰ সৈতে তেওঁলোকৰ সম্পর্ক উপযুক্ত আৰু যুক্তিসংগত হয় নে নহয় সেয়া নির্ণয় কৰিবলৈ সক্ষম কৰে। ইয়াত নৈতিক পাঠ্যক্রমৰ পোষকতা কৰা হৈছে কিয়নো বিদ্যালয়ৰ ছাত্র-ছাত্রীসকলক সত্য, ধৈর্য, সততা, দয়া, আনুগত্য, সন্মান আৰু দেশপ্রেমৰ দৰে গুণসমূহ গ্রহণ কৰিবলৈ শিকোৱাটো প্রয়োজন। ই উত্তেজনা আৰু উদ্বেগ লাঘৱ কৰাত বহুখিনি সহায়ক হ'ব যিয়ে অভিযোজিত আচৰণৰ সৃষ্টি কৰিব পাৰে।

৩.১১ অ-অভিযোজিত আচৰণৰ সৈতে মোকাবিলা কৰাত শিক্ষকসকলৰ ভূমিকা

বর্তমান সময়ত শিক্ষকসকলক ছাত্র-ছাত্রীসকলৰ বন্ধু, দার্শনিক আৰু পথ-প্রদর্শকস্বৰূপে বিবেচনা কৰা হয়। শিক্ষা ব্যৱস্থাৰ এক লক্ষ্য হ'ল ছাত্র-ছাত্রীসকলৰ আচৰণৰ বাঞ্ছিত পৰিৱর্তন সাধন কৰা। এই লক্ষ্যত উপনীত হোৱাত প্রধান ভূমিকা গ্রহণ কৰে শিক্ষকসকলে। শিক্ষকসকলে শ্রেণীকোঠাত অভিযোজিত আৰু অ-অভিযোজিত দুয়ো ধৰণৰ আচৰণ প্রদর্শন কৰা ছাত্র-ছাত্রীৰ লগত আন্তঃক্রিয়া সম্পন্ন কৰিব লগা হয়। অভিযোজিত আচৰণ প্রদর্শন কৰা ছাত্র-ছাত্রীৰ লগত আন্তঃক্রিয়া স্থাপনত শিক্ষকসকল বিশেষ সমস্যাৰ সন্মুখীন নহয় যদিও অ-অভিযোজিত আচৰণৰ ছাত্র-ছাত্রীৰ ক্ষেত্রত জটিল সমস্যাৰ সন্মুখীন হ'ব লগা হয়। সেয়েহে, অ-অভিযোজিত আচৰণ প্রদর্শন কৰা ছাত্র-ছাত্রীৰ লগত মোকাবিলা কৰাত শিক্ষকে কেতবোৰ কৌশল প্রয়োগ কৰিব লাগে। এইবোৰ হ'ল—

(১) **ছাত্রৰ কর্মক্ষমতাৰ প্রশংসা (Commendation of student performance) ঃ** প্রশংসাই ইতিবাচকভাৱে ছাত্র-ছাত্রীৰ মনত অভিৰোচনৰ কাম কৰিব পাৰে। সেইবাবে ছাত্র-ছাত্রীসকলক বিশেষকৈ

অ-অভিযোজিত আচৰণ প্রদর্শন কৰা ছাত্র-ছাত্রীসকলক তেওঁলোকৰ কর্মক্ষমতাৰ বাবে শিক্ষকে প্রশংসা কৰিব লাগে।

(২) **অতিৰিক্ত শ্রেণী (Extra classes) ঃ** অ-অভিযোজিত আচৰণ সংশোধনৰ বাবে ছাত্র-ছাত্রীসকলৰ শিক্ষকে অতিৰিক্ত শ্রেণীৰ ব্যৱস্থা কৰি শিক্ষা প্রদান কৰিব লাগে আৰু আচৰণৰ সংশোধনৰ বাবে অভিৰোচিত কৰিব লাগে।

(৩) **ৰাজহুৱা কথন দক্ষতা (Public speaking skills) ঃ** শিক্ষকে ছাত্র-ছাত্রীসকলৰ ৰাজহুৱা কথন দক্ষতাৰো বিকাশ সাধন কৰিব লাগে। ইয়াৰ দ্বাৰা ছাত্র-ছাত্রীসকলৰ আত্ম বিশ্বাস বৃদ্ধি পাব আৰু নিজ আচৰণৰ প্রতিকূলতা নিৰাময় কৰিব পাৰিব।

(৪) **দলীয় কর্ম (Team work) ঃ** অ-অভিযোজিত আচৰণ বিশিষ্ট ছাত্র-ছাত্রীসকলক অভিযোজিত আচৰণ প্রদর্শন কৰা ছাত্র-ছাত্রীসকলৰ লগত দলীয় কর্ম সম্পাদন কৰিব দিও আচৰণৰ সংশোধন কৰিব পাৰি।

(৫) **পুৰস্কাৰমূলক প্রচেষ্টা (Rewarding efford) ঃ** পুৰস্কাৰে মানুহৰ কৃতিত্বত মান-সন্মান, স্বীকৃতি, প্রশংসা আদি কঢ়িৱাই আনে, যি তেওঁৰ পৰৱর্তী প্রচেষ্টাত উচ্চমানৰ কৃতিত্ব লাভৰ বাবে শক্তিৰ ইন্ধন যোগায়। পুৰস্কাৰে অ-অভিযোজিত ছাত্র-ছাত্রীৰ বাবে ইতিবাচকভাৱে অভিৰোচনৰ কাম কৰে।

(৬) **সামাজিক দক্ষতা বৃদ্ধি কৰা (Enhancing social skills) ঃ** অ-অভিৰোচিত আচৰণৰ লগত মোকাবিলা কৰাৰ বাবে শিক্ষকে ছাত্র-ছাত্রীৰ সামাজিক দক্ষতা বৃদ্ধি কৰিব লাগিব। সামাজিকতাৰ বিকাশে অ-অভিযোজিত আচৰণৰ ক্ষেত্রত মহাঔষধিৰ কাম কৰে।

(৭) **শাস্তি (Punishment) ঃ** ছাত্র-ছাত্রীসকলক শাস্তি প্রদানে স্বীকৃতি আৰু মান হানিৰ ভয়, অপদস্থ হোৱাৰ ভয় আদিৰ পৰা নিজক ৰক্ষা কৰিবৰ বাবে মনত নেতিবাচকভাৱে অভিৰোচনৰ কাম কৰে। সেয়েহে শিক্ষকে অ-অভিযোজিত আচৰণ সংশোধনৰ বাবে এই কৌশলৰো প্রয়োগ কৰিব পাৰে।

(৮) **পৰামর্শ সেৱা (Counselling services) ঃ** পৰামর্শদান সেৱাৰ যোগেদি শিক্ষকসকলে অ-অভিযোজিত আচৰণৰ ছাত্র-ছাত্রীসকলক অধিক পৰিমাণে সংশোধিত কৰাৰ তথ্য বিভিন্ন গৱেষণাৰ যোগে প্রাপ্ত হৈছে।

(৯) **পিচপৰা ছাত্র-ছাত্রীক অভিৰোচিতকৰণ (Motivating slow learners) ঃ** পিচপৰা বা কম বুদ্ধিৰ ছাত্র-ছাত্রীসকলৰ সর্বাত্মক বিকাশৰ বাবে শিক্ষকসকলে বিভিন্ন কৌশলৰ যোগে তেওঁলোকক অভিৰোচিত কৰিব লাগে।

(১০) **ছাত্র-ছাত্রীলৈ বন্ধুত্ব সম্প্রসাৰণ কৰা (Extending friendship to students) ঃ** আধুনিক শিক্ষা ব্যৱস্থাত শিক্ষক হ'ল ছাত্র-ছাত্রীৰ বাবে বন্ধুস্বৰূপ। বন্ধুত্বপূর্ণ মনোভাৱেৰে শিক্ষকসকলে অ-অভিযোজিত আচৰণবোৰ ছাত্র-ছাত্রীৰ মাজৰ পৰা দূৰ কৰিব পাৰে।

ইয়াৰ উপৰিও আৱেগিক নিয়ন্ত্রণ, আত্মবিশ্বাস গঢ়ি তোলা, ব্যক্তিগত দায়িত্ব গ্রহণ আদি কৌশলৰ যোগেদিও শিক্ষকসকলে ছাত্র-ছাত্রীসকলৰ অ-অভিযোজিত আচৰণৰ লগত মোকাবিলা কৰিব পাৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অ-অভিযোজিত আচৰণ নিৰাময়ৰ বাবে নৈতিক মূল্যবোধৰ শিক্ষা কিয় প্রদান কৰিব লাগে?

৩.১২ বিকাশক প্রভাৱিত কৰা কাৰকবোৰ

মানৱ বিকাশক প্রভাৱিত কৰা বিভিন্ন কাৰক আছে। তলত প্রধান কাৰক তিনিটা বর্ণনা কৰা হ'ল—

(১) গৃহ বা ঘৰ

বিকাশ প্রক্রিয়াত পৰিয়ালে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। পৰিয়ালে ল'ৰা-ছোৱালীৰ জন্মগত গুণৰাজিৰ বিকাশত সহায় কৰে। এই গুণসমূহে কিদৰে পৰিৱেশৰ লগত খাপ খোৱাত সহায় কৰিব পাৰে সেই সম্বন্ধে পৰিয়ালৰ লোকসকলে ল'ৰা-ছোৱালীক সহায় কৰে। সেয়েহে পৰিয়ালক শিক্ষাৰ কঠিয়াতলী হিচাপেও গণ্য কৰা হয়। গৃহ পৰিৱেশত পিতৃ-মাতৃ আৰু পৰিয়ালৰ আন ব্যক্তিসকলৰ তত্ত্বাৱধানত ল'ৰা-ছোৱালীৰ বৃদ্ধি আৰু বিকাশ প্রক্রিয়া সুচাৰুৰূপে পৰিচালনা কৰিবলৈ যত্ন কৰা হয়। তেওঁলোকে অনানুষ্ঠানিকভাৱে জীৱনৰ বাবে প্রয়োজনীয় বিভিন্ন শিক্ষা প্রদান কৰে যিয়ে পৰৱর্তী পর্যায়ত ল'ৰা-ছোৱালীক পৰিৱেশৰ লগত সমাযোজন কৰাত সহায় কৰে। ঘৰুৱা পৰিৱেশত পিতৃ-মাতৃৰ মৰম-চেনেহ আৰু তেওঁলোকৰ আদর্শৰে অনুপ্রাণিত হৈ পৰৱর্তী পর্যায়ত ল'ৰা-ছোৱালীয়ে তেনে ধৰণৰ ক্রিয়া আচৰণ প্রদর্শন কৰে। বাল্যকালত ল'ৰা-ছোৱালীৰ দৈহিক, মানসিক, সামাজিক, আৱেগিক, নৈতিক আদি বিকাশৰ প্রতিটো দিশৰে প্রতি পৰিয়ালৰ ব্যক্তিসকল সচেতন হৈ বিকাশ প্রক্রিয়া গতিশীল কৰাত সহায় কৰিব লাগে। ল'ৰা-ছোৱালীৰ মনত জীৱনৰ প্রতি ইতিবাচক চিন্তাধাৰাৰ সৃষ্টি কৰাটো পৰিয়ালৰ এক গুৰুত্বপূর্ণ কাম যিয়ে পৰৱর্তী পর্যায়ত তেওঁলোকৰ সর্বাত্মক বিকাশৰ প্রক্রিয়াটো সফল কৰি তোলাত সহায় কৰে।

বিকাশত পৰিয়ালৰ কৰণীয় সম্বন্ধে তলত আলোচনা কৰা হ'ল-

(১) মৌলিক প্রয়োজনসমূহ পূৰণৰ লগতে আন আন প্রয়োজনীয় দেহ-মানসিক প্রয়োজনসমূহ পূৰণৰ জৰিয়তে ল'ৰা-ছোৱালীক পৰিৱেশৰ লগত সু-সমাযোজন কৰি সহায় কৰিব লাগে।

(২) দৈহিক বৃদ্ধিৰ বাবে পুষ্টিকৰ খাদ্য আৰু পেয়ৰ যোগান ধৰিব লাগে। অখাদ্য গ্রহণৰ পৰা হ'ব পৰা ব্যক্তিগত আৰু সামাজিক ক্ষতি সম্বন্ধে পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীক অবগত কৰাব লাগে।

(৩) মানসিক আৰু আৱেগিক বিকাশৰ বাবে এক সুখ শান্তিৰ আৰু মৰম-চেনেহৰ বান্ধোনেৰে বন্ধা মধুৰ সম্পর্ক পৰিয়ালৰ প্রতিজন ব্যক্তিৰ মাজতে থাকিব লাগে।

(৪) সামাজিক বিকাশৰ বাবে পৰিয়ালৰ মাজত সামাজিক গুণসমূহৰ বিকাশৰ সুবিধা প্রদান কৰিব লাগে। সামাজিক পর্ব-অনুষ্ঠানসমূহ ঘৰুৱা পৰিৱেশত নিষ্ঠাৰে সৈতে উদযাপন কৰিব লাগে। যাতে ল'ৰা-ছোৱালীয়ে সামাজিক আদর্শ, পৰম্পৰা বিশ্বাস আদিৰ সৈতে চিনাকী হ'ব পাৰে।

(৫) নৈতিক মূল্যবোধ বিকাশৰ উৎকৃষ্ট স্থান হ'ল গৃহ। এই পৰিৱেশত নৈতিক মূল্যবোধক জাগ্রত আৰু সজীৱ

কৰি ৰখা পৰিৱেশ সৃষ্টি কৰিব লাগে আৰু মানৱীয় গুণসমূহৰ প্ৰায়োগিক জ্ঞান প্ৰদান কৰিব লাগে।

(৬) পিতৃ-মাতৃ আৰু পৰিয়ালৰ আন ব্যক্তিসকলে নিয়মানুবর্তিতা আৰু কর্তব্যপৰায়ণ হৈ ব্যক্তিগত আৰু সামাজিক কামত আত্মনিয়োগ কৰাৰ আদর্শ দাঙি ধৰিব লাগে। এনে আদর্শই ল'ৰা-ছোৱালীৰ মনত নিস্বার্থভাৱে সমাজ সেৱা কৰাৰ মনোভাৱ গঢ়ি তোলাত সহায় কৰে।

(৭) ঘৰুৱা পৰিৱেশত পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীক তেওঁলোকৰ নিজ যোগ্যতা, সম্ভাৱনীয়তা আৰু আর্থ-সামাজিক দিশৰ এখন বাস্তৱ চিত্ৰ অংকণ কৰাত সহায় কৰিব লাগে যাতে তেওঁলোকে জীৱন সম্পর্কে এক বাস্তৱধর্মী আদর্শ গ্ৰহণ কৰিব পাৰে আৰু এক সু-ব্যক্তিত্বৰ অধিকাৰী হ'ব পাৰে।

(৮) ঘৰুৱা পৰিৱেশত পিতৃ-মাতৃ আৰু পৰিয়ালৰ আন ব্যক্তিসকলে ল'ৰা-ছোৱালীৰ যোগাত্মক দিশৰ গুণসমূহৰ বিকাশত সহায় কৰিব লাগে। তেওঁলোকৰ বিফলতা, ভুল আদিৰ বাবে অনবৰতে সমালোচনা নকৰি আৰু আনৰ লগত অনবৰতে তুলনা নকৰি তেওঁলোকৰ মাজত থকা গুণসমূহৰ বিকাশত সহায় কৰিব লাগে।

(৯) ল'ৰা-ছোৱালীৰ মাজত শক্তিশালী ব্যক্তিত্ব গঠন কৰিবলৈ এক সুখ শান্তিৰ ঘৰুৱা পৰিৱেশৰ প্ৰয়োজন য'ত পিতৃ-মাতৃৰ মাজত সু-সম্বন্ধয়, পিতৃ-মাতৃ আৰু ল'ৰা-ছোৱালীৰ মাজত সু-সম্পর্ক তথা পৰিয়ালৰ আন ব্যক্তিসমূহৰ লগত ভাল সম্পর্ক বিৰাজ কৰাটো নিতান্তই প্ৰয়োজনীয়। হাই-কাজিয়াৰ পৰিৱেশ সৃষ্টি নহ'বলৈ পিতৃ-মাতৃ সদায়েই যত্নৱান হ'ব লাগিব।

(১০) ল'ৰা-ছোৱালীৰ মাজত আত্মবিশ্বাস আৰু আত্মবিশ্লেষণ ভাব জগাই তুলিবৰ বাবে পিতৃ-মাতৃয়ে তেওঁলোকক ঘৰুৱা কাম কাজত ভাগ ল'বলৈ আগ্ৰহী কৰি তুলিব লাগে আৰু সমস্যা সমাধানৰ ক্ষেত্ৰত নিজস্ব পদক্ষেপ অথবা সিদ্ধান্ত লোৱাটো সুবিধা দিব লাগে যাতে পৰৱর্তী পর্যায়ত নিজে নিজৰ সমস্যা সমাধানৰ জৰিয়তে পৰিৱেশৰ লগত সমাযোজিত হ'ব পাৰে।

(২) বিদ্যালয়

ল'ৰা-ছোৱালীৰ বিকাশত বিদ্যালয়ৰ ভূমিকা অসীম। পৰিয়ালৰ পিছতেই ল'ৰা-ছোৱালীৰ বিকাশৰ দায়িত্ব গ্ৰহণ কৰে বিদ্যালয়ে। বিদ্যালয়ে পদ্ধতিগতভাৱে ল'ৰা-ছোৱালীৰ মাজত নিজ যোগ্যতা আৰু সম্ভাৱনীয়তাৰ ভিত্তিত ব্যক্তিত্ব বিকাশ কার্যত সহায় কৰে। ঘৰুৱা পৰিৱেশত অর্জন কৰা জ্ঞান অভিজ্ঞতাক আধাৰ হিচাপে লৈ আৰু প্ৰয়োজন সাপেক্ষে এনে অভিজ্ঞতাৰ পৰিশোধন কৰি পৰিৱর্তিত সমাজ ব্যৱস্থাত ল'ৰা-ছোৱালীক সমাযোজন কৰাত বিদ্যালয়ে সহায় কৰে। বিদ্যালয়ক ক্ষুদ্ৰ সমাজৰ লগত তুলনা কৰা হৈছে কিয়নো এখন বিদ্যালয়ত বিভিন্ন জাতি, ধর্ম, ভাষা আদিৰ ল'ৰা-ছোৱালীয়ে একেলগে জ্ঞান অভিজ্ঞতা অর্জন কৰে আৰু জ্ঞান-অভিজ্ঞতাৰ আদান-প্ৰদান কৰে। বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ বিকাশ কার্য সম্পাদন কৰিবৰ বাবে তেওঁলোকৰ বৃদ্ধি আৰু বিকাশ দুয়োটা প্ৰক্ৰিয়াকে সামৰি ল'ব লাগিব। দৈহিক, মানসিক, আৱেগিক, সামাজিক, নৈতিক আদি প্ৰতিটো দিশৰে বিকাশৰ দায়িত্ব বিদ্যালয়ে গ্ৰহণ কৰে। এই ক্ষেত্ৰত বিদ্যালয়ৰ কৰণীয়সমূহ তলত আলোচনা কৰা হ'ল-

(১) ল'ৰা-ছোৱালীৰ ব্যক্তিত্ব গঠনৰ বাবে এক শান্তিপূর্ণ শৃংখলাবদ্ধ সুন্দৰ শৈক্ষিক পৰিৱেশ বিদ্যালয়ে প্ৰদান কৰিব লাগে।

(২) অভিজ্ঞ শিক্ষকৰ তত্ত্বাৱধানত ল'ৰা-ছোৱালীৰ মাজত থকা অন্তর্নিহিত গুণসমূহৰ চিনাক্তকৰণ আৰু ইয়াৰ বিকাশত সহায় কৰিব লাগে।

(৩) দৈহিক বিকাশৰ বাবে বিদ্যালয়তে খেলা-ধূলা, ব্যায়াম আদিৰ ব্যৱস্থা কৰিব লাগে আৰু অভিজ্ঞ খেল-বিশেষজ্ঞৰ দ্বাৰা খেলৰ প্রতিভা থকা ল'ৰা-ছোৱালীক চিনাক্ত কৰি প্রশিক্ষণ প্রদান কৰিব লাগে।

(৪) বৌদ্ধিকভাৱে আগবঢ়া আৰু পিচপৰা ল'ৰা-ছোৱালীক, চিনাক্ত কৰি তেওঁলোকৰ ব্যক্তিগত যোগ্যতা অনুসৰি শিক্ষা প্রদান কৰিব লাগে। তেওঁলোকৰ বাবে জ্ঞানমূলক, চিন্তামূলক তথা বৃত্তিমূলক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে যাতে প্রত্যেকে নিজৰ যোগ্যতা অনুসৰি ব্যক্তিত্ব বিকাশ কৰিব পাৰে।

(৫) ল'ৰা-ছোৱালীৰ সামাজিক বিকাশৰ বাবে বিদ্যালয়ত দলবদ্ধ কাম-কাজত সমূহ ছাত্র-ছাত্রীৰ অংশ গ্রহণত গুৰুত্ব দিব লাগে। প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ তত্ত্বাৱধানত NCC, Red Cross, Scout and Guide, আদিৰ কার্যসূচী বিদ্যালয়ত অনুষ্ঠিত কৰিব লাগে।

(৬) ছাত্র-ছাত্রীৰ মাজত আৱেগিক বিকাশ সংঘটিত কৰিবৰ বাবে আবৃত্তি, নৃত্য-গীত, চিত্রাংকন আদি সময়ে সময়ে অনুষ্ঠিত কৰিব লাগে।

(৭) শিক্ষামূলক ভ্রমণৰ জৰিয়তে শৈক্ষিক তাৎপর্যপূর্ণ আৰু ঐতিহাসিক তাৎপর্যপূর্ণ স্থানসমূহ পৰিভ্রমণ কৰি ছাত্র-ছাত্রীৰ মাজত জাতীয়বোধ, সামাজিক শ্রমদান, জাতীয় ঐক্য আৰু পৰম্পৰা ৰক্ষা আদি ভাবৰ উদ্রেক কৰাত শিক্ষকে সহায় কৰিব লাগে।

(৮) ব্যক্তিত্ববিকাশ সাধনৰ বাবে ছাত্র-ছাত্রীৰ মাজত বৈজ্ঞানিক দৃষ্টিভংগীৰ বিকাশ সাধন কৰিব লাগে যাতে প্রচলিত অন্ধবিশ্বাস, কুসংস্কাৰৰ বিৰুদ্ধে তেওঁলোকে সজাগ হ'ব পাৰে আৰু সেইসমূহৰ নিৰাময়ৰ ব্যৱস্থা গ্রহণ কৰিব পাৰে।

(৯) বিদ্যালয় ল'ৰা-ছোৱালীৰ মাজত আত্মবিশ্বাসৰ ভাব গঢ়ি তুলি শুদ্ধ আত্মবিশ্লেষণ সহায় কৰিব লাগে যাতে জীৱন সম্পর্কে এক বাস্তৱমুখী লক্ষ্য আদর্শ গ্রহণ কৰিব পাৰে।

(১০) ছাত্র-ছাত্রীৰ ব্যক্তিত্ব বিকাশত শিক্ষকে নিজকে আর্হি হিচাপে প্রস্তুত কৰি ছাত্র-ছাত্রীৰ মাজত কাম কৰিব লাগে আৰু তেওঁলোকে সদায় ছাত্র-ছাত্রীৰ বাবে বন্ধু, দার্শনিক আৰু পদ প্রদর্শক হ'ব লাগে।

(৩) সমাজ

মানুহ সামাজিক জীৱ। প্রত্যেক ব্যক্তি একোখন সমাজত আৰু সমাজৰ বাবে জীয়াই থাকে। গতিকে সামাজিক পৰিৱেশৰ ভিতৰত শিশুৰ ব্যক্তিত্ব উৎকৃষ্টভাৱে গঢ় দি তুলিব পাৰি। সমাজৰ পৰিৱেশৰ মাজত শিশুৰ গঠন আৰু বিকাশ সম্পূর্ণৰূপে গঢ় লৈ উঠে। বিশেষকৈ সামাজিক সংস্পর্শত বিভিন্ন ব্যক্তিৰ লগত ভাৱৰ আদান প্রদান হোৱাৰ ফলত এজন ব্যক্তিৰ ব্যক্তিত্বই পূর্ণ মাত্রা পায়। সমাজৰ জ্যেষ্ঠ সদস্যসকলে কনিষ্ঠসকলক তেওঁলোকৰ নিজ জ্ঞান-অভিজ্ঞতাৰ লগতে তেওঁলোকৰ পূর্বপুৰুষৰ ধ্যান-ধাৰণা, আচাৰ ব্যৱহাৰসমূহো প্রদান কৰে। পূর্বপুৰুষৰ ধ্যান-ধাৰণা, জ্ঞান-অভিজ্ঞতা, সিদ্ধান্ত, পৰম্পৰা আৰু মনোভাৱসমূহ অপৈণত আৰু অনভিজ্ঞ ব্যক্তিলৈ প্রবাহ কৰি সমাজখনৰ বিষয়ে যথেষ্ট অভিজ্ঞতা প্রদান কৰে। কোমল আৰু অনভিজ্ঞ শিশুৰ বিকাশ আৰু গঠনৰ লগতে

ব্যক্তিত্বৰ ক্ষেত্রতো এই অভিজ্ঞতাসমূহে আশাতীতভাৱে প্রভাৱ পেলাব পাৰে। ইয়াৰ সহায়ত সমাজ এখনৰ বৃদ্ধি আৰু বিকাশৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখিব পৰা যায়। প্রাচীন কালত শিশুৱে বিভিন্ন সামাজিক কার্যত অংশগ্রহণ কৰি সামাজিক দলসমূহৰ মাজৰ আন্তঃসামাজিক প্রক্রিয়াৰ ধাৰাবাহিকতা ৰক্ষা কৰিছিল। সামাজিক কার্যসূচীত অংশগ্রহণৰ জৰিয়তে শিশুৱে দৈনন্দিন জীৱনৰ অভিজ্ঞতাসমূহক মূল ভিত্তি হিচাপে লৈ ব্যক্তি আৰু সামাজিক পৰিৱেশৰ আন্তঃ সম্পর্কৰ বিষয়ে জ্ঞান আহৰণ কৰিবলৈ সক্ষম হৈছিল। সাংস্কৃতিক ঐতিহ্যৰ পৰিসৰ সুবিশাল আৰু সুবিস্তৃত হোৱা হেতুকে ব্যক্তিয়ে ইয়াৰ আলমত বিভিন্ন বিষয়ত দক্ষতা প্রযুক্তিগত বিদ্যা আৰু এটি সুখী আৰু উন্নততৰ জীৱনৰ অধিকাৰী হ'বলৈ প্রয়োজন হোৱা দিশসমূহ আহৰণ কৰিবলৈ সক্ষম হয়। সমাজৰ শিশুসকলে সমাজ জীৱনৰ বিভিন্ন কার্যাৱলীত অংশগ্রহণ কৰি, ৰীতি-নীতি আহৰণ কৰি, আচাৰ ব্যৱহাৰ অনুকৰণ কৰি জীৱনৰ বাবে প্রয়োজনীয় অনানুষ্ঠানিক শিক্ষা গ্রহণ কৰিবলৈ সক্ষম হয়।

সমাজ চিৰ পৰিৱর্তনশীল। আধুনিক যুগৰ বিজ্ঞান-প্রযুক্তিবিদ্যাৰ ন ন উদ্ভাৱনৰ ফলত সমাজ প্রতি মুহূর্ততে পৰিৱর্তনশীল হৈ আহিছে। ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় প্রেক্ষাপটৰ সঘন পৰিৱর্তনৰ ফলত সমাজ জীৱনলৈও ন ন দিশ অনুর্ভুক্ত হৈছে। তথ্য-প্রযুক্তিৰ বিকাশ আৰু যোগাযোগ মাধ্যমৰ চমৎকাৰী প্রসাৰৰ ফলত এইবোৰৰ প্রভাৱ গোটেই পৃথিৱীখনতে পৰিছে। বিশ্বায়নে সমগ্র পৃথিৱীখন এখন সৰু চহৰলৈ পৰিণত কৰিছে। দৈনন্দিন জীৱন-যাপনৰ ক্ষেত্রত বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগাত পৰিছে। ফলত শিক্ষা ব্যৱস্থাৰ ওপৰতো তাৰ- প্রত্যক্ষ প্রভাৱ পৰিছে। গতিকে শিক্ষা ব্যৱস্থাৰ আওপুৰণি পদ্ধতিয়ে বিভিন্ন সমস্যাৰ সমাধান কৰাত সহায়ক হ'ব নোৱাৰে। নতুন পদ্ধতিৰ ব্যৱহাৰ কৰি ন ন বিষয়ৰ সংযোজন কৰি শিক্ষাৰ সহায়ত সমাজ। জীৱনলৈ বৈপ্লৱিক উত্তৰণ ঘটাব পাৰিব লাগিব। প্রচলিত শিক্ষা পদ্ধতিৰে ব্যক্তিৰ জীৱনৰ বাবে প্রয়োজনীয় অভিজ্ঞতাসমূহ প্রদান কৰাত সফল হ'ব পৰা নাই। সমাজ আৰু ৰাষ্ট্রীয় জীৱনত সংঘটিত বহু ঘটনা পৰিঘটনাৰ পৰাই বহুদূৰ আঁতৰত থকা শিক্ষা ব্যৱস্থাৰ দ্বাৰা সমাজৰ ব্যক্তিসকলক একোজন আদর্শ নাগৰিক হিচাপে গঢ় দি তুলিব পৰা নাযায়। মন কৰিলে দেখা যাব যে সামজিক কার্যসূচীত সক্রিয় অংশগ্রহণৰ পৰা বহুতো লোক আঁতৰি থাকে। গতিকে পৰিৱর্তিত সমাজ ব্যৱস্থাৰ লগত খাপ খুৱাই ন ন বিষয়ৰ অন্তর্ভুক্তিৰে শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱর্তন কৰাৰ প্রয়োজন আছে যাতে ব্যক্তি আৰু সমাজৰ ইচ্ছা আকাংক্ষা আৰু প্রয়োজনসমূহ সঠিকভাৱে প্রতিফলিত কৰিব পাৰি। জন ডিউইৰ মতে, "শিক্ষাৰ মুখ্য কার্য হৈছে সভ্যতা-সংস্কৃতিক বিকাশশীল কৰাৰ লগতে ইয়াৰ ধাৰাবাহিকতা অক্ষুন্ন ৰখা। সামাজিক দলৰ আৰম্ভণি, ইয়াৰ ধাৰাবাহিকতা ৰক্ষা কৰাৰ উপায়, দলীয় আদর্শ, ব্যক্তি জীৱনৰ লগত ইয়াৰ সম্পর্ক- এই সকলোবোৰে শিক্ষাৰ কার্যাৱলীৰ ভিতৰত পৰে। ইয়াৰ অবিহনে দলীয় সদস্যসকল নোহোৱা হোৱাৰ লগে লগে দলীয় কার্য আৰু সমাজৰ লগত ইয়াৰ সংগতি নোহোৱা হৈ যাব।" হর্ণ (Horn)ৰ ভাষাত, "ব্যক্তিৰ জৈৱিক জীৱন যিদৰে পৰিপুষ্টি আৰু প্রজনন কার্যৰদ্বাৰা পৰিচালিত আৰু পৰিবাহিত হয়, সেইদৰে সামাজিক জীৱন শিক্ষাৰদ্বাৰা পৰিবাহিত হয়। (As biological life maintains and transmits itself by nutrition and reproduction, so social life transmits by education.) -

সামাজিক জীৱনত ব্যক্তিক ভবিষ্যতৰ এগৰাকী সফল নাগৰিক হিচাপে গঢ়ি তুলিবলৈ শিক্ষাৰ অপৰিহার্য অবদান আছে। শিশুৰ বৃদ্ধি আৰু বিকাশৰ বিভিন্ন স্তৰৰ প্রতি চকু ৰাখি সঠিকভাৱে নির্দেশনা প্রদান কৰাৰ লগতে

শিক্ষাই সামাজিক প্রয়োজনীয় দিশসমূহলৈও চকু ৰাখিব লাগে যাতে ব্যক্তি সামাজিকীকৰণ প্রক্রিয়াত ইয়াৰ প্রভাৱ পৰে। শিক্ষাই এখন সমাজ সংৰক্ষণ আৰু বিকাশৰ ক্ষেত্রত সহায় কৰে। যিমানে শিক্ষাৰ বিকাশ হয়, সিমানেই সভ্যতাৰ অগ্রগতি হয়।

শিশু প্রকৃতি জন্মগতভাৱে সক্রিয় আৰু কার্যক্ষম। কোনো শিশুৱেই নিষ্ক্রিয়ভাৱে নাইবা স্থিৰ আৰু অলসভাৱে বহি থাকিব নোৱাৰে। বৃদ্ধিৰ বিভিন্ন স্তৰৰ মাজেৰে অতিক্রম কৰোতে বিভিন্ন কার্য সম্পাদন কৰিবলগীয়া হয়। প্রতি মুহূর্তত বিভিন্ন কার্যত ব্যক্তি ব্যস্ততাপূর্ণভাৱে আগবাঢ়ি যাবলগীয়া হয়। বৃদ্ধি আৰু বিকাশৰ প্রকৃতি যিদৰে স্থবিৰ নহয়, শিশু প্রকৃতিও স্থবিৰ নহয়। দৈনন্দিন জীৱনত মানুহে জীৱনৰ নানান কার্য সংঘটিত কৰে। এইদৰে এটাৰ পিছত আন এটা কার্যত জড়িত হৈ ক্রমান্বয়ে তেওঁলোকে একোজন পূর্ণবয়স্কপ্রাপ্ত ব্যক্তিত পৰিণত হয়। গতিকে মানৱ জীৱনৰ গঠন আৰু বিকাশ কেতিয়াও এটা বিন্দুত আবদ্ধ হৈ শেষ নহয়। জন্মমুহূর্তৰপৰা মৃত্যুৰ আগলৈকে শিক্ষা প্রক্রিয়া ধাৰাবাহিকভাৱে চলি থাকে। শিশুৰ বৃদ্ধি আৰু বিকাশত শিক্ষাৰ বিশেষ আৰু অপৰিসীম প্রভাৱ আছে। শিক্ষাৰ দ্বাৰাই এটি অপৈণত শিশুক সমাজত প্রচলিত নীতি নিয়ম আৰু ইয়াৰ অন্তর্ভুক্ত বিভিন্ন সমলসমূহৰ লগত পৰিচয় কৰি দিয়া হয়। ঠিক সেইদৰে ব্যক্তিৰ অন্তর্নিহিত গুণ আৰু ক্ষমতাসমূহৰ সর্বোচ্চ বিকাশ সাধন কৰি তাৰ দ্বাৰাই সমাজৰ সর্বাংগীন উন্নতিৰ বাবে প্রচেষ্টা চলাব পৰা যায়। এনেদৰেই সমাজ সংৰক্ষণ আৰু বিকাশৰ দিশত আগবাঢ়ি যায়। ব্যক্তি আৰু সমাজৰ আন্তঃপ্রক্রিয়াৰ দ্বাৰাই সমাজৰ লগতে ব্যক্তিৰ সুন্দৰ আৰু সর্বাংগিন বিকাশ আৰু গঠনৰ নিশ্চয়তা প্রদান কৰিব পৰা যায়।

৩.১৩ সমাযোজনক প্রভাৱিত কৰা কাৰকবোৰ

সমাযোজন প্রক্রিয়া এক জটিল কার্য। ব্যক্তিৰ সমাযোজনৰ কোনো এটা পৰিৱেশে সন্তোষ বা আনন্দ প্রদান কৰিলেও, আনটো পৰিৱেশে মনত সংঘর্ষ অথবা হতাশা সৃষ্টি কৰিব পাৰে। যাৰ ফলত ব্যক্তিৰ মনত বিভিন্ন মনোবৈজ্ঞানিক অস্থিৰতা, বাধা আদি আনি দিয়ে। সমাযোজনত কেতবোৰ কাৰক বা উপাদানে প্রভাৱ পেলোৱা দিশবোৰ হ'ল ক্রমে —

১। **ঘৰুৱা কাৰক ঃ** ঘৰুৱা কাৰকৰ ভিতৰত উল্লেখনীয় দিশবোৰ হৈছে—

(ক) নিৰাপত্তাৰ বাবে ল'ৰা-ছোৱালীৰ মনত সুস্থ সমাযোজনৰ সৃষ্টি কৰে। অভিভাৱকসকলৰ মৰম ভালপোৱা আৰু ল'ৰা-ছোৱালীৰ প্রয়োজনৰ প্রতি গুৰুত্ব প্রদানে তেওঁলোকৰ মনত সুস্থ সমাযোজনৰ ভাৱ-অনুভূতি আনি দিয়ে। আনহাতে ইয়াৰ অভাৱে সমাজ আৰু বিদ্যালয় পৰিৱেশত অপসমাযোজনৰ সমস্যাৰ সৃষ্টি কৰিব পাৰে।

(খ) অভিভাৱকঃপিতৃ-মাতৃৰ মনোভাৱে ল'ৰা-ছোৱালীক সমাজত অথবা বিদ্যালয়ত সমাযোজনত বিশেষ সুবিধা প্রদান কৰে। অধিকমাত্রা নিৰাপত্তা আৰু অৱহেলাৰ মনোভাৱে ল'ৰা-ছোৱালীৰ— সমাযোজনত বাধাৰ সৃষ্টি কৰে। কঠোৰ নিয়ন্ত্রণ আৰু মনোভাৱে শিশুৰ ব্যক্তিত্বত বিৰূপ প্রভাৱ সৃষ্টি কৰে। গতিকে অভিভাৱক বা পিতৃ-মাতৃসকলে ল'ৰা-ছোৱালীৰ মন বুজি সিহঁতক অনুশাসন কৰিব লাগে আৰু মৰম-

ভালপোৱাৰে সিহঁতৰ আত্ম-ভৰসা, স্বনির্ভৰশীলতা আদি বিকাশত অনুপ্রেৰণা যোগাব লাগে।

(গ) পৰিয়ালৰ আর্থিক অৱস্থাই ল'ৰা-ছোৱালীৰ ব্যক্তিত্ব আৰু সমাযোজনত বিশেষ প্রভাৱ পেলায়। যদি পৰিয়ালৰ আর্থিক অৱস্থা টনকিয়াল হয়, তেন্তে ল'ৰা-ছোৱালীৰ প্রয়োজনসমূহ ভালদৰে পূৰণ কৰিব পৰা যায় আৰু ইয়ে সমাযোজনত সহায় কৰে। আনহাতে, যদি আর্থিক অৱস্থা ভাল নহয়, ল'ৰা-ছোৱালীৰ অভাৱ পূৰণ কৰিব পৰা নাযায়, তেন্তে তেওঁলোক নিৰাপত্তাহীনতা আৰু হীনমন্যতাত ভোগে। গতিকে ভালদৰে সমাযোজন কৰিব নোৱাৰে।

(ঘ) পিতৃ-মাতৃৰ অধিক আশা-আকাঙ্খাই ল'ৰা-ছোৱালীৰ সমাযোজনত সমস্যাৰ সৃষ্টি কৰে। কেতিয়াবা পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীৰ পৰা অধিক আশা কৰে আৰু কেতবাৰে উচ্চ পর্যায়ত লক্ষ্য ল'ৰা-ছোৱালীৰ বাবে ঠিক কৰে। যি মাতৃয়ে ল'ৰা-ছোৱালীৰ কার্যৰ দ্বাৰাই এনে লক্ষ্যত উপনীত হ'ব বিচাৰে যাৰ ফলত সিহঁতৰ মনত এক সমস্যাই দেখা দিয়ে আৰু সমাযোজনত ব্যর্থ হ'ব।

(ঙ) প্রতিদ্বন্দ্বী আৰু হিংসাৰ মনোভাৱেও ল'ৰা-ছোৱালীৰ সমাযোজনত প্রভাৱ পেলায়। পৰিয়ালৰ সদস্যৰ মাজত হোৱা প্রতিদ্বন্দ্বী বা হিংসাৰ মনোভাৱে সিহঁতক সমাযোজনত বাধাৰ সৃষ্টি কৰে। উদাহৰণ স্বৰূপে— মাকৰ প্রথম সন্তানৰ প্রতি থকা মনোযোগ কিছু পৰিমাণে দ্বিতীয় সন্তান অহাৰ পিছত কমি যায় আৰু ইয়াৰ ফলত প্রথম সন্তানটো নিৰাপত্তাহীনতাত ভোগে আৰু সমাযোজনত বাধাপ্রাপ্ত হয়।

(চ) সঘনে ঘৰুৱা ঠাইৰ পৰিৱর্তনেও ল'ৰা-ছোৱালীৰ নিৰাপত্তাহীনতাৰ ভাৱ সৃষ্টি কৰে। বিভিন্ন কাৰণত পিতৃ-মাতৃৰ স্থানীয় ঠাইৰ পৰিৱর্তনৰ ফলত ল'ৰা-ছোৱালীৰ বিদ্যালয় আৰু বন্ধু-বান্ধৱীৰ পৰিৱর্তন হয়। এনেকুৱা পৰিস্থিতিত প্রায়ে নতুন ঠাই বা লোকৰ লগত সমাযোজন কৰিব লগা হয়। কিন্তু সঘনে পৰিৱর্তন হোৱা এনে নতুন পৰিৱেশত সমাযোজন কৰিবলৈ বহু ক্ষেত্রত অসুবিধাৰ সৃষ্টি হয়।

২। বিদ্যালয়ত সমাযোজনত প্রভাৱ পেলোৱা কাৰকসমূহ

বিদ্যালয়ৰ পৰিৱেশেও শিশুৰ মানসিক বিকাশ আৰু সমাযোজনত বিশেষভাৱে সহায় কৰে। শিশুৰ ব্যক্তিত্ব আৰু সমগ্র দিশৰ বিকাশ সাধনৰ বাবে বিদ্যালয়ে বিভিন্ন পাঠ্যক্রমিক কার্যসূচীৰ ব্যৱস্থা গ্রহণ কৰিব পাৰে। বিদ্যালয়ৰ শিক্ষণ পৰিৱেশে শিশুৰ মানসিক দিশৰ বিকাশতো সহায় কৰে। তলত বিদ্যালয়ত পৰিলক্ষিত হোৱা সমাযোজনত প্রভাৱ পেলোৱা কেতবোৰ উপাদান উল্লেখ কৰা হ'ল—

(ক) শিক্ষকৰ অধিক মাত্রা শাসন আৰু দমনমূলক আচৰণে শিক্ষার্থীৰ মনত বিৰূপ প্রভাৱ পেলায়। শিক্ষকৰ কঠোৰ অনুশাসনে সিহঁতৰ মনত দ্বন্দ, হতাশা, ভয় আদি অনুভূতিৰ সৃষ্টি কৰে আৰু ইয়াৰ বাবে সুস্থ সমাযোজনত বাধাৰ সম্মুখীন হয়।

(খ) শিক্ষকৰ পক্ষপাতমূলক আচৰণে ছাত্র-ছাত্রীৰ মনত ঋণাত্মক ভাৱ গঢ়ি তোলে আৰু মানসিক ভাৱসাম্যতা ৰক্ষাত বাধা দিয়ে। কেতবোৰ ছাত্র-ছাত্রীৰ ক্ষেত্রত ব্যৱহাৰ কৰা কর্কশ শব্দ আৰু নির্দয় আচৰণে সিহঁতৰ মনত আঘাত দিয়ে আৰু সেয়ে ভালদৰে সমাযোজন কৰিব নোৱাৰে।

(গ) বিদ্যালয়ৰ পাঠ্যক্রমৰ বোজা আৰু পৰীক্ষাত ভালদৰে উত্তীর্ণ হ'ব নোৱাৰিলেও ছাত্র-ছাত্রী মানসিক অসুস্থতাৰ

কবলত পৰে। সমনীয়াৰ লগত একে লগে আগবাঢ়ি যোৱাত ব্যর্থ হ'লে ছাত্র-ছাত্রীৰ মনত হীনমন্যতাৰ সৃষ্টি হয় আৰু তেতিয়া তেওঁলোক বাস্তৱিক জীৱনৰ প্রতি আগ্রহহীন হৈ পৰে। গতিকে তেওঁলোকে ভালদৰে সমাযোজনত ব্যর্থ হয়। সেয়েহে শিক্ষকে ছাত্র-ছাত্রীসকলৰ সমস্যা বুজি বিভিন্ন উপদেশ দিব লাগে আৰু সুস্থ সমাযোজনৰ বাবে উৎসাহ যোগাব লাগে।

(ঘ) তাত্ত্বিক আৰু আকর্ষণহীন পাঠ্যক্রমে ছাত্র-ছাত্রীৰ বাস্তৱিক জীৱনৰ প্রয়োজন পূৰণ কৰিব নোৱাৰে আৰু ফলত ছাত্র-ছাত্রীয়ে ভালদৰে সমাযোজনত সফল হ'ব নোৱাৰে। গতিকে পাঠ্যক্রম অর্থপূর্ণ আৰু বিভিন্ন প্রয়োজনভিত্তিক হোৱা উচিত।

(ঙ) বিদ্যালয়ত থকা সময়ছোৱাত ল'ৰা-ছোৱালী অধিক সক্রিয় হৈ থাকে। সেয়ে এই সময়ত বিভিন্ন খেলা-ধূলাৰ প্রয়োজন। বিদ্যালয়ৰ শৈক্ষিক কাম-কাজৰ উপৰিও ছাত্র-ছাত্রীৰ বাবে অন্যান্য সহপাঠ্যক্রমিক কার্যৰ প্রয়োজন। কিন্তু এনে কার্যক্রমৰ অভাৱে ছাত্র-ছাত্রীক সকলো ক্ষেত্রতে সুস্থ সমাযোজনৰ সুবিধা প্রদান কৰিব নোৱাৰে।

(চ) বর্তমান পৰীক্ষা প্রধান ব্যৱস্থায়ো ছাত্র-ছাত্রীৰ সমাযোজনত প্রভাৱ পেলাই আহিছে। পৰীক্ষাত অনুত্তীর্ণ আৰু গ্রেডৰ ব্যৱস্থাই ছাত্র-ছাত্রীসকলৰ মনত হতাশা আৰু নিৰাশাৰ ভাৱ সৃষ্টি কৰিছে আৰু সিহঁতে কেৱল পৰীক্ষাত উত্তীর্ণ হ'ব পৰাটোৱেই মূল কথা বুলি মানি ল'বলৈ বাধ্য হৈছে। ফলত সিহঁতৰ মনত বিভিন্ন সংঘাতৰ সৃষ্টি হয় আৰু সুস্থ সমাযোজন হ'ব নোৱাৰে।

(ছ) নিয়োগৰ নিৰাপত্তাহীন ব্যৱস্থাই ছাত্র-ছাত্রীৰ সমাযোজনত বিশেষ প্রভাৱ পেলায়। নির্দিষ্ট পাঠ্যক্রম সফলতাৰে সমাপ্ত কৰাৰ পিছতো ছাত্র-ছাত্রীয়ে ভাল সংস্থাপন নাপায়। বর্তমান শিক্ষা ব্যৱস্থা আৰু অর্থনৈতিক দিশে কোনো স্পষ্ট নিয়োগৰ কথা নিশ্চিত কৰিব নোৱাৰে। ফলত সমাযোজনৰ সমস্যা হয়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ বিকাশক প্রভাৱিত কৰা এটা ঘৰুৱা কাৰক উল্লেখ কৰক।

প্রশ্ন নং ৬ ঃ বিদ্যালয়ে সমাযোজনক প্রভাৱিত কৰা এটা কাৰক উল্লেখ কৰক।

৩.১৪ বিকাশ আৰু সমাযোজনৰ বাবে শিক্ষকসকলে গ্রহণ কৰা কৌশলবোৰ

ছাত্র-ছাত্রীৰ চাহিদাসমূহ উপযুক্তভাৱে পৰিতৃপ্ত নোহোৱাৰ বাবে তেওঁলোকৰ মাজত অপসমাযোজনে গা কৰি উঠে। ছাত্র-ছাত্রীৰ অপসমাযোজনৰ সমস্যা ৰোধৰ বাবে আৰু সর্বাত্মক বিকাশ সাধন কৰাৰ বাবে শিক্ষক হিচাপে আপুনি কেতবোৰ কৌশল গ্রহণ কৰিব লাগে। এই কৌশলবোৰ হ'ল—

(১) দেখা আৰু শুনাৰ দৰে আন আন ইন্দ্রিয়বোৰৰ ব্যৱহাৰৰ বাবে যথেষ্ট সুযোগ প্রদান কৰিব লাগে। ইয়াৰ বাবে ছাত্র-ছাত্রীসকলক শিক্ষাদান কৰা পৰিৱেশৰ বাতাবৰণ সুস্থ হোৱা দৰকাৰ। ইয়াৰ বাবে শিক্ষকে ব্যৱস্থা

গ্রহণ কৰিব লাগে।

(২) যেতিয়া শিক্ষকসকলে ছাত্র-ছাত্রীসকলক কাম কৰিবলৈ অনুমতি দিয়ে তেতিয়া সিহঁতে অনুভৱ কৰে যে শিক্ষকসকল তেওঁলোকৰ ক্ষমতাৰ ওপৰত বিশ্বাসী। ইয়ে স্বয়ংক্রিয়ভাৱে ছাত্র-ছাত্রীৰ বিকাশ আৰু সমাযোজনত সহায় কৰে।

(৩) শিক্ষকসকলে ছাত্র-ছাত্রীৰ পৰা কি আশা কৰে সেই সম্বন্ধে স্পষ্ট নির্দেশনা নির্ধাৰণ কৰিলে ছাত্র-ছাত্রীয়ে কোন দিশত চেষ্টা কৰিব লাগে সেই বিষয়ে জানিব পাৰে। অনুশাসনঁপৰামর্শ প্রদানৰ প্রয়োজনীয়তা শিক্ষকে কম কৰিব লাগে।

(৪) আৱেগকভাৱে বিকাশ হোৱাটো এক গুৰুত্বপূর্ণ বিষয়। সেয়েহে ছাত্র-ছাত্রীসকলক একেলগে থাকিবলৈ শিকাব লাগে। শিক্ষকে অভিভাৱকসকলক শান্ত আৰু আৱেগিকভাৱে ভাৰসাম্য ৰক্ষা কৰিবলৈ উৎসাহিত কৰিব লাগে।

(৫) স্বায়ত্ব শাসনৰ বিকাশ প্রতিজন শিশুৱে লাভ কৰিব লাগে আৰু শিক্ষকসকলে এই ক্ষেত্রত গুৰুত্ব দিব লাগে।

(৬) যিহেতু বহুতো কাম সম্পন্ন কৰাটো কঠিন, সেয়েহে ছাত্র-ছাত্রীয়ে প্রায়ে অসন্তুষ্টি আৰু হতাশাৰ সন্মুখীন হয়। আকাংক্ষা পূৰণত ব্যর্থ হ'লে সিহঁতে নিজৰ সামর্থৰ ওপৰত সন্দেহ কৰে। এনে বিষয়বোৰৰ বিষয়ে শিক্ষকসকলে অভিভাৱকৰ লগতে সজাগ হোৱা প্রয়োজন যিবোৰে অজানিতে অধিক ক্ষতি কৰিব পাৰে।

(৭) শিক্ষকসকলে ছাত্র-ছাত্রীসকলক লক্ষ্য কৰিব লাগে যে সিহঁতে কাৰ সৈতে বন্ধুত্ব স্থাপন কৰে।

(৮) ছাত্র-ছাত্রীৰ মৌলিক আৰু প্রাথমিক চাহিদা যেনে আত্মস্বীকৃতিৰ চাহিদা, স্বাধীনতা, দায়িত্ব পালনৰ চাহিদা, সামাজিক পৰিস্থিতিৰ চাহিদা, সংগ লাভৰ চাহিদা আদি যাতে অতৃপ্ত নহয় এইবোৰৰ প্রতি শিক্ষকে মনোযোগ দিব লাগে।

(৯) ছাত্র-ছাত্রীৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ লগত অপসংগতিৰ সম্পর্ক আছে। এই শাৰীৰিক আৰু মানসিক অসুস্থতা দূৰ কৰাৰ বাবে সুষম খাদ্য, শৰীৰ চর্চা, উপযুক্ত বিশ্রাম আদিৰ ব্যৱস্থা কৰিব লাগে।

(১০) বিদ্যালয়ৰ কাম-কাজ এনেদৰে পৰিচালিত কৰিব লাগে যাতে ছাত্র-ছাত্রীয়ে দলৰ পৰা পৰিত্যক্ত হোৱা বুলি নিৰাপত্তাহীনতাত ভুগিবলগীয়া নহয়।

(১১) বিদ্যালয়ৰ অনুশাসন ব্যৱস্থা উপযুক্ত বিধৰ হ'ব লাগে। অনুশাসন অধিক কটকটীয়া বা অধিক শিথিল বিধৰ হ'ব নালাগে।

(১২) ছাত্র-ছাত্রীসকলৰ বাবে বিদ্যালয়ত উপযুক্ত সহ-পাঠ্যক্রমিক কার্যাৱলীৰ ব্যৱস্থা কৰিব লাগে।

ছাত্র-ছাত্রীৰ প্রয়োজনীয়তা আৰু ছাত্র-ছাত্রীক শিক্ষাদান কৰা তথা চম্ভালাৰ নতুন আৰু উদ্ভাৱনীমূলক কৌশলৰ সংশোধনৰ বিষয়ে শিক্ষকসকল সংবেদনশীল হ'ব লাগে। ইয়ে শৈক্ষিক সমস্যা আৰু অধ্যয়নৰ প্রতি আগ্রহহীনতা কম কৰিব। ছাত্র-ছাত্রীক সন্মানেৰে কেনেকৈ চম্ভালিব লাগে আৰু কেনেকৈ নিৰপেক্ষ হ'ব লাগে— এই বিষয়ে জানিব লাগে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ ছাত্র-ছাত্রীৰ বিকাশ আৰু সমাযোজনৰ বাবে শিক্ষকে গ্রহণ কৰা এটা কৌশল লিখক।

2 ৩.১৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱ বিকাশ হৈছে এক সামগ্রিক অৱস্থা যিয়ে মানুহৰ শাৰীৰিক, মানসিক, আবেগিক আৰু সামাজিক আদি দিশ সামৰি লয়। বিকাশ প্রক্রিয়া গোটেই জীৱন চলি থাকে।
- সাধাৰণ দৃষ্টিকোণেৰে বৃদ্ধি আৰু বিকাশৰ অর্থ এনে যেন লাগিলেও প্রকৃতার্থত বৃদ্ধি আৰু বিকাশ একে নহয়। বৃদ্ধি বা বর্ধন শব্দটোৱে ব্যক্তিয়ে দৈহিক পৰিপক্কতা লাভ কৰাৰ লগত সম্বন্ধ ৰক্ষা কৰে।
- মানৱ বিকাশৰ প্রকৃতিয়ে ব্যক্তিৰ শাৰীৰিক গাঁথনি, জ্ঞানমূলক আৰু ভাষাৰ দিশ তথা সামাজিক, আৱেগিক আৰু নৈতিক বিকাশক সামৰি লয়।
- ব্যক্তিয়ে পৰিৱেশৰ লগত নিজকে খাপ খুৱাই লোৱা এক প্রচেষ্টাই হ'ল সমাযোজন। চার্লচ ডাৰউইনে জীৱ বিজ্ঞানৰ ক্ষেত্রত পোন প্রথমে সমাযোজন শব্দৰ প্রয়োগ কৰিছিল।
- সমাযোজন আৰু মানৱ বিকাশ এটা আনটোৰ লগত সম্বন্ধিত। মানৱ বিকাশৰ উন্নত অৱস্থাই সু সমাযোজনক সূচায়। সমাযোজন আৰু বিকাশৰ উমৈহতীয়া বৈশিষ্ট্য হৈছে পৰিৱর্তন আৰু স্থিতিশীলতা।
- অ-অভিযোজনে চিন্তা আৰু আচৰণৰ ধৰণক সূচায় যিয়ে সন্মুখীন হোৱা সমস্যাবোৰ সমাধান নকৰাকৈ আমাৰ মানসিক চাপ আৰু অসুবিধা সৃষ্টি বা বৃদ্ধি কৰে।
- অভিযোজিত আচৰণৰ সৈতে মোকাবিলা কৰাৰ কেতবোৰ কৌশল হ'ল— পৰামর্শদান, প্রৰোচক আৰু নৈতিক মূল্যবোধৰ জ্ঞান প্রদান।
- অ-অভিযোজিত আচৰণৰ সৈতে মোকাবিলা কৰাত শিক্ষকে গ্রহণ কৰা কেতবোৰ কৌশল হ'ল— ছাত্রৰ কর্মক্ষমতাৰ প্রশংসা, অতিৰিক্ত শ্রেণী, ৰাজহুৱা কথন দক্ষতা, দলীয় কর্ম, পুৰস্কাৰমূলক প্রচেষ্টা, সামাজিক দক্ষতা বৃদ্ধি কৰা, শাস্তি, পৰামর্শদান সেৱা, পিচপৰা ছাত্র-ছাত্রীক অভিৰোচিতকৰণ, ছাত্র-ছাত্রীলৈ বন্ধুত্ব সম্প্রসাৰণ কৰা, আৱেগিক নিয়ন্ত্রণ, আত্মবিশ্বাস গঢ়ি তোলা, ব্যক্তিগত দায়িত্ব গ্রহণ আদি।
- শিশুৰ সমাযোজনৰ বিভিন্ন প্রক্রিয়াবোৰ হ'ল— দিবাস্বপ্ন, ক্ষতিপূৰণ, চিনাক্তকৰণ, যুক্তিযুক্তকৰণ, উন্নীতকৰণ, প্রক্ষেপণ, আক্রমণ, অৱদমন, অপসাৰণ, প্রতিগমন, অস্বীকাৰকৰণ আদি।
- শিশুৰ সমাযোজন আৰু বিকাশত শিক্ষকৰ ভূমিকা অতি গুৰুত্বপূর্ণ। ছাত্র-ছাত্রীৰ প্রয়োজনীয়তা আৰু উদ্ভাৱনমূলক শিক্ষাদান পদ্ধতিৰ ক্ষেত্রত শিক্ষকসকল সজাগ হ'ব লাগে।

৩.১৬ অধিক জানিবলৈ

১) Bhatia and Bhatia (2001), *A Textbook on Educational Psychology.* Delhi : DOABA House

২) Kalita, Utpal (2021), *Educational Psychology,* Guwahati : Shanti Prakashan.

৩) Mangal, S. K. (2013), *Essentials of Educational Psychology.* Delhi : PHI Learning Private Limited.

৪) Goswami, Gayatree (2008). *Child Development and Child Care.* Guwahati : Arup Prakashan.

৫) NCERT (2016), *Guidance for Human Development and Adjustment.* Delhi : Department of Educational Psychology and Foundations of Education.

৬) Santrock, J. W. (2001), *Child Development.* New York : McGraw-Hill.

৭) Nirmala, J. (2012). *Psychology of Learning and Human Development.* Hyderabad - Delhi : Neelkamal Publications Pvt. Ltd.

৮) Papalia, D. E.; Old, S. W.; and Feldman, R. D. (2004). *Human Development.* New York : McGraw - Hill.

K ৩.১৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱর্তন সংঘটিত হোৱা দিশবোৰ হ'ল— শাৰীৰিক গাঁথনি, জ্ঞান আৰু ভাষা, তথা সামাজিক, আৱেগিক আৰু নৈতিক বিকাশ।

২ নং প্রশ্নৰ উত্তৰ ঃ শিশুৰ সামাজিক বিকাশ প্রথমতে পৰিয়ালত আৰম্ভ হয় আৰু ক্রমান্বয়ে আনৰ লগত যেনে— সমনীয়া, শিক্ষক আৰু ওচৰ-চুবুৰীয়া আদিলৈ বিকাশিত হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ সমাযোজনৰ এটা বৈশিষ্ট্য হ'ল— ই হ'ল এক প্রক্রিয়া যিয়ে আমাক সুখ আৰু সন্তোষেৰে জীৱন-যাপন কৰিবলৈ আগুৱাই লৈ যায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ নৈতিক মূল্যবোধে ব্যক্তিক আনৰ সৈতে তেওঁলোকৰ সম্পর্ক উপযুক্ত আৰু যুক্তিসংগত হয় নে নহয় সেয়া নির্ণয় কৰিবলৈ সক্ষম কৰে। ই উত্তেজনা আৰু উদ্বেগ লাঘৱ কৰাত বহুখিনি সহায়ক হয় যাৰ দ্বাৰা অ-অভিযোজিত আচৰণ নির্ণয় কৰিব পাৰি।

৫ নং প্রশ্নৰ উত্তৰ ঃ বিকাশক প্রভাৱিত কৰা এটা ঘৰুৱা কাৰক হ'ল— পুষ্টিকৰ খাদ্য আৰু পেয়ৰ যোগান ধৰা। অখাদ্য গ্রহণৰ পৰা হ'ব পৰা ব্যক্তিগত আৰু সামাজিক ক্ষতি সম্বন্ধে শিশুসকলক অৱগত কৰিব লাগে।

৬ নং প্রশ্নৰ উত্তৰ ঃ বিদ্যালয়ে সমাযোজনত প্রভাৱ পেলোৱা এটা কাৰক হ'ল শিক্ষকৰ অধিক মাত্রাৰ শাসন আৰু দমনমূলক আচৰণ। শিক্ষকৰ কঠোৰ অনুশাসনে ছাত্র-ছাত্রীৰ মনত সংঘর্ষ, হতাশা, ভয় আদি অনুভূতিৰ সৃষ্টি কৰে আৰু ইয়াৰ বাবে সুস্থ সমাযোজনত বাধাৰ সৃষ্টি হয়।

৭ নং প্রশ্নৰ উত্তৰ ঃ ছাত্র-ছাত্রীৰ মৌলিক বা প্রাথমিক প্রয়োজনসমূহ যাতে অতৃপ্ত নহয় তাৰ প্রতি শিক্ষকে মনোযোগ দিয়া।

M ৩.১৮ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ বিকাশ মানে কি?

প্ৰশ্ন ২ঃ বিকাশৰ এটা নীতি উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ সমাযোজন কি?

প্ৰশ্ন ৪ ঃ অভিযোজিত আচৰণ মানে কি?

প্ৰশ্ন ৫ ঃ অ-অভিযোজিত আচৰণ মানে কি?

প্ৰশ্ন ৬ ঃ পৰিয়ালৰ আৰ্থিক অৱস্থা সমাযোজনক প্ৰভাবিত কৰা এটা কাৰক কি?

প্ৰশ্ন ৭ ঃ সমাযোজন কৌশল কি?

(খ) চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ বিকাশৰ বৈশিষ্ট্যবোৰ লিখক।

প্ৰশ্ন ২ ঃ সমাযোজনৰ বৈশিষ্ট্যবোৰ লিখক।

প্ৰশ্ন ৩ ঃ অভিযোজিত আচৰণৰ এটা উদাহৰণ লিখক।

প্ৰশ্ন ৪ ঃ অ-অভিযোজিত আচৰণৰ এটা উদাহৰণ লিখক।

প্ৰশ্ন ৫ঃ অভিযোজিত আচৰণৰ লগত মানসিক স্বাস্থ্যৰ সম্বন্ধ ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ নৈতিক মূল্যবোধৰ লগত বিকাশৰ সম্বন্ধ ব্যাখ্যা কৰক।

প্ৰশ্ন ৭ ঃ পিতৃ-মাতৃৰ অধিক আকাংক্ষাই শিশুৰ সমাযোজনত সমস্যাৰ সৃষ্টি কৰেনে?

প্ৰশ্ন ৮ ঃ শিক্ষকৰ পক্ষপাতমূলক আচৰণে ছাত্ৰ-ছাত্ৰীৰ সমাযোজনত বাধাৰ সৃষ্টি কৰেনে?

প্ৰশ্ন ৯ ঃ সমাযোজনৰ চিনাক্তকৰণ কৌশলৰ বিষয়ে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ মানৱ বিকাশৰ প্ৰকৃতি ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ পৰিপূৰক প্ৰক্ৰিয়া স্বৰূপে বিকাশ আৰু সমাযোজনৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ অভিযোজন ক্ষমতা বৃদ্ধিৰ কৌশলবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ অ-অভিযোজিত আচৰণৰ সৈতে মোকাবিলা কৰা কৌশলবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন ৫ ঃ অ-অভিযোজিত আচৰণৰ সৈতে মোকাবিলা কৰাত শিক্ষকৰ ভূমিকা বৰ্ণনা কৰক।

প্ৰশ্ন ৬ ঃ শিশুৰ সমাযোজনত প্ৰভাৱ পেলোৱা কাৰকবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৭ ঃ সমাযোজনৰ কৌশলবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন ৮ ঃ শিশুৰ বিকাশ আৰু সমাযোজনৰ ক্ষেত্ৰত শিক্ষকে গ্ৰহণ কৰা কৌশলবোৰ উল্লেখ কৰক।

*** ***** ***

অধ্যায় ৪ : পৰামৰ্শদানৰ পৰিচয়
(An Introduction to Counselling)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ পৰামৰ্শদানৰ উৎপত্তি ঃ এটি আভাস
৪.৪ পৰামৰ্শদানৰ অর্থ
৪.৫ পৰামৰ্শদানৰ প্রয়োজনীয়তা
৪.৬ পৰামৰ্শদানৰ লক্ষ্য
৪.৭ পৰামৰ্শদানৰ বৈশিষ্টসেমূহ
৪.৮ পৰামৰ্শদানৰ মূল নীতিসমূহ
৪.৯ পৰামৰ্শদানৰ পদ্ধতিসমূহ
৪.৯.১ নির্দেশনামূলক পৰামৰ্শদান
৪.৯.২ অ-নির্দেশনামূলক পৰামৰ্শদান
৪.৯.৩ সাৰগ্রাহী (এক্লেক্টিক) পৰামৰ্শদানৰ পৰিচয়
৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১১ অধিক জানিবলৈ
৪.১২ অগ্রগতিৰ খতিয়ান
৪.১৩ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পৰামৰ্শদানৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- পৰামৰ্শদানৰ প্রয়োজনীয়তা ব্যাখ্যা কৰিব পাৰিব
- ইয়াৰ লক্ষ্য, বৈশিষ্ট্য আৰু মূল নীতিসমূহ আলোচনা কৰিব পাৰিব
- পৰামৰ্শদানৰ বিভিন্ন পদ্ধতিসমূহ ব্যাখ্যা কৰিব পাৰিব।

৪.২ পৰিচয়

আমি জানো যে মানুহে সদায় সমস্যাৰ সময়ত আনৰ পৰা সহায় আৰু পৰামৰ্শ বিচাৰি আহে। আমি যদি ভালদৰে লক্ষ্য কৰোঁ আৰু সেইসকল লোকৰ লগত কথা পাতো, তেতিয়া আমি দেখিম যে বেছিভাগ মানুহেই মানসিক চাপ, আঘাত, পাৰিবাৰিক বিবাদ আদিত ভুগি আছে। এনে পৰিস্থিতিত আমাক কেতিয়াবা এনে এজন মানুহৰ প্ৰয়োজন হয় যিয়ে আমাক সান্ত্বনা, উৎসাহ, মানসিক শান্তি দিব পাৰে বা আমাক সুখী অনুভৱ কৰাব পাৰে। আজিৰ সময়ত এই পৰিস্থিতিসমূহে পৰামৰ্শদানৰ প্ৰয়োজনীয়তাৰ সৃষ্টি কৰিছে। ঠিক এনেদৰে শিক্ষাৰ ক্ষেত্ৰতো শিক্ষাৰ্থীৰ বাবে পৰামৰ্শদানৰ প্ৰয়োজন। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে পৰামৰ্শদান কেৱল সমস্যাৰ সন্মুখীন হোৱা লোকসকলৰ বাবেই নহয়, ই মানৱ উন্নয়ন আৰু মানুহৰ মাজত সুপ্ত হৈ থকা গুণসমূহৰ বৃদ্ধিৰ বাবেও সহায়ক হৈ পৰে। এই অধ্যায়টিৰ দ্বাৰা আপুনি পৰামৰ্শদানৰ অৰ্থ আৰু ধাৰণা, ইয়াৰ লক্ষ্য, উদ্দেশ্য, নীতিসমূহ আৰু ইয়াৰ বিভিন্ন পদ্ধতিৰ লগত পৰিচিত হ'ব পাৰিব।

৪.৩ পৰামৰ্শদানৰ উৎপত্তি ঃ এটি আভাস

পৰামৰ্শদানৰ কৌশল বা পৰামৰ্শ দিয়াটো সম্ভৱতঃ সভ্যতাৰ আৰম্ভণিৰে পৰাই আছিল, কিন্তু অনানুষ্ঠানিকভাৱেহে আছিলে। ১৯০০ চনৰ আৰম্ভণিতে সুপৰিচিত মনোবিজ্ঞানী চিগমাণ্ড ফ্ৰয়েডৰ (Sigmund Freud) ব্যক্তিৰ মনোবিশ্লেষণাত্মক ব্যাখ্যাৰে কৰা কামৰ দ্বাৰা পৰাৰ্শদানৰ আনুষ্ঠানিক প্ৰেৰণা আহিছিল। বিংশ শতিকাৰ আৰম্ভণিতে ফ্ৰেংক পাৰ্ছনছে (Frank Parsons) তেওঁৰ কাম বিদ্যালয়ৰ নিৰ্দেশনাৰ ওপৰত কেন্দ্ৰিত কৰিছিল। তেওঁক 'নিৰ্দেশনা আন্দোলনৰ পিতৃ' বুলি কোৱা হৈছিল। বৃত্তিগত পৰামৰ্শদানৰ ওপৰত তেওঁৰ কাম 'Choosing a Vocation' নামৰ কিতাপখন প্ৰকাশৰ লগে লগে নিৰ্দেশনা আন্দোলনৰ ইতিহাসত এক খুটি হৈ পৰিছিল। বৈশ্লেষিক (Clinical) দিশত ক্লিফৰ্ড. ডব্লিউ. বিয়েৰ্ছেই (Clifford. W. Beers) 'A Mind that Found Itself' নামৰ এখন কিতাপ লিখিছিল, যিখন ব্যক্তিগত পৰামৰ্শদানৰ আৰম্ভণিৰ বিন্দু হৈ পৰিছিল। কাৰ্ল ৰজাৰ্ছৰ (Carl Rogers) 'Counselling and Psychotherapy' (1942) শীৰ্ষক গ্ৰন্থখনৰ প্ৰকাশে পৰামৰ্শদানক এক প্ৰক্ৰিয়া হিচাপে প্ৰতিষ্ঠা কৰাত প্ৰভূত ৰৰঙণি যোগালে। বৰ্তমান মানুহৰ জীৱনৰ বহু ক্ষেত্ৰত পৰামৰ্শদান দ্ৰুতগতিত প্ৰৱেশ কৰিছে।

পৰামৰ্শদানৰ ধাৰণাটোৰ উত্থাপনৰ আঁৰৰ ইতিহাস জনাৰ পিছত আমি পৰামৰ্শদানৰ ধাৰণাটো আৰু ইয়াৰ অন্যান্য দিশসমূহৰ বিষয়ে বিশদভাৱে জানো আহক।

৪.৪ পৰামৰ্শদানৰ অৰ্থ

যদি আমি বিদ্যালয়ত পৰামৰ্শদানৰ অৰ্থৰ বিষয়ে আলোচনা কৰোঁ, তেন্তে ইয়াক পৰামৰ্শদাতা বা এজন শিক্ষক আৰু অস্থায়ীভাৱে অনিশ্চয়তা, বিভ্ৰান্তি বা বিমৰ্ষ অৱস্থাত থকা শিশুৰ মাজৰ সম্পৰ্কৰ জৰিয়তে বিকশিত হোৱা পাৰস্পৰিক অৱস্থা বুলি বৰ্ণনা কৰিব পাৰি, যিয়ে সেই ছাত্ৰ বা ছাত্ৰীগৰাকীক নিজাববীয়াকৈ সিদ্ধান্ত লোৱাত সহায় কৰে, তেওঁলোকৰ বিভ্ৰান্তি সমাধান কৰিবলৈ বা ব্যক্তিগতভাৱে বাস্তৱসন্মত আৰু অৰ্থপূৰ্ণভাৱে দুখ বা বিমৰ্ষতাৰ সৈতে মোকাবিলা কৰিবলৈ সহায় কৰে।

বিভিন্ন লেখকে 'পৰামৰ্শদান' শব্দটো বিভিন্ন ধৰণে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছে। কিছুমান উল্লেখযোগ্য সংজ্ঞা তলত উল্লেখ কৰা হৈছে—

কার্ল ৰেগার্ছৰ (Carl Regers) মতে, 'পৰামৰ্শদান হৈছে ব্যক্তিজনৰ সৈতে প্ৰত্যক্ষ যোগাযোগৰ শৃংখলা যাৰ লক্ষ্য হৈছে তেওঁক তেওঁৰ মনোভাৱ আৰু আচৰণ সলনি কৰাত সহায় আগবঢ়োৱা।'

হামফ্রে আৰু ট্রেক্সলাৰৰ (Humphrey and Traxler) মতে, 'পৰামৰ্শদান হৈছে ব্যক্তিসকলৰ সমস্যা সমাধানৰ বাবে বিদ্যালয় বা অন্যান্য প্ৰতিষ্ঠানৰ শ্চমানৱ) কৰ্মী সম্পদৰ প্ৰয়োগ।'

ৰুথ ষ্ট্ৰেঙে (Ruth Strang) লিখিছে, 'পৰামৰ্শদান প্ৰক্ৰিয়া এটা যৌথ অন্বেষণ। ছাত্ৰ-ছাত্ৰীসকলৰ দায়িত্ব হ'ল নিজকে আৰু তেওঁলোকে কি দিশলৈ যাব লাগে সেইটো বুজিবলৈ চেষ্টা কৰা আৰু সমস্যা সৃষ্টি হোৱাৰ লগে লগে সেইবোৰ চম্ভালিবলৈ আত্মবিশ্বাস লাভ কৰা। পৰামৰ্শদাতাসকলৰ দায়িত্ব হ'ল এই প্ৰক্ৰিয়াত যেতিয়াই ছাত্ৰজনক সহায়ৰ প্ৰয়োজন হয় তেতিয়া তেওঁ সহায়ৰ বাবে সাজু হৈ সহায় আগবঢ়ায়। এই ক্ষেত্ৰত পৰামৰ্শদাতাই নতুন অন্তৰ্দৃষ্টি মুকলি কৰা এক ধৰণৰ চাবিকাঠি হিচাপে কাম কৰে।'

একেজন লেখকে আৰু লক্ষ্য কৰিছে যে, পৰামৰ্শ প্ৰক্ৰিয়াৰ মূল কথাটো হ'ল এনে এক সম্পৰ্ক য'ত পৰামৰ্শ দিয়া ব্যক্তিজনে নিজকে সম্পূৰ্ণৰূপে প্ৰকাশ কৰিবলৈ স্বাধীন অনুভৱ কৰে আৰু নিজৰ লক্ষ্যৰ স্পষ্টীকৰণ, সেইবোৰ বাস্তৱায়িত কৰাৰ ক্ষমতাৰ ওপৰত আত্মবিশ্বাস আৰু পদ্ধতি বা উপায় লাভ কৰে। যদি সঠিকভাৱে কৰা হয়, পৰামৰ্শদানে এজন ছাত্ৰৰ নিজৰ বিষয়ে বুজি উঠা ক্ষমতা বৃদ্ধি কৰে, উদ্বেগ হ্ৰাস কৰে। এই ক্ষেত্ৰত অগ্ৰগতি লাভ কৰাৰ পিছত ইয়াৰ প্ৰতিকাৰ নকৰি নিজেই সমস্যা প্ৰতিৰোধ কৰাত সহায় কৰে। শেষত চমুকৈ আমি ক'ব পাৰো যে উল্লেখ কৰি অহা সংজ্ঞাসমূহে পৰামৰ্শদানৰ ক্ষেত্ৰত তলত দিয়া কথাবোৰৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে—

- পৰামৰ্শদান হৈছে এটা প্ৰক্ৰিয়া। গতিকে ই হৈছে এজন পেচাদাৰীভাৱে প্ৰশিক্ষিত ব্যক্তিয়ে সহায় বিচৰা এজনক দিয়া সহায়।
- বিদ্যালয়ত পৰামৰ্শদান এনে এজন শিশুক দিয়া হয় যিয়ে মানি লয় যে তেওঁ কোনো সমস্যাৰ সন্মুখীন হৈছে। যদি শিশুটিক ইয়াৰ বাবে বাধ্য কৰা হয় তেন্তে সিযতাই সহায় গ্ৰহণ নকৰে। বিদ্যালয়ত নিজৰ সমস্যাৰ সৈতে মোকাবিলা কৰাৰ বাবে আত্মপ্ৰেৰণা এজন শিক্ষাৰ্থীৰ বাবে অতি গুৰুত্বপূৰ্ণ।
- জীৱনৰ স্বাভাৱিক গতিপথত সন্মুখীন হোৱা দৈনন্দিন সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ বিদ্যালয়ত

ছাত্ৰ/ছাত্ৰী এগৰাকীয়ে নিজকে ভালদৰে বুজিবলৈ সহায় কৰাৰ এক বৈজ্ঞানিক প্ৰক্ৰিয়া হৈছে পৰামৰ্শদান।

- শিক্ষক হিচাপে পৰামৰ্শ দিয়াৰ প্ৰক্ৰিয়াত আপুনি কৰিবলগীয়া কামটো হ'ল এনে এটা পৰিৱেশ সৃষ্টি কৰা য'ত শিশুৱে বস্তুনিষ্ঠভাৱে বস্তুবোৰ চাব পাৰে আৰু জীৱনৰ সন্মুখীন হ'ব পাৰে।
- পৰামৰ্শদানৰ বাবে বিশেষ প্ৰশিক্ষণৰ প্ৰয়োজন হয় আৰু সেয়েহে সহায় আগবঢ়াবলৈ পৰামৰ্শদাতাই আনুষ্ঠানিক প্ৰশিক্ষণ ল'ব লাগিব।

৪.৫ পৰামৰ্শদানৰ প্ৰয়োজনীয়তা

যদিও আমি জানো যে পিতৃ-মাতৃ, পৰিয়ালৰ বয়োজ্যেষ্ঠ, গুৰু (ধৰ্মীয় মুৰব্বী), সম্প্ৰদাৰ মুৰব্বী আদিৰ পৰা বিচৰা পৰামৰ্শৰ ৰূপত সদায় সহায় বা পথ প্ৰদৰ্শনৰ প্ৰয়োজনীয়তা আছে, তথাপিও পেচাদাৰী পৰামৰ্শৰ উৎপত্তি অতি শেহতীয়া। জীৱন পথত বৃদ্ধি পাই অহা জটিলতাই এই উপলব্ধি কৰাইছে যে বিদ্যালয় আৰু ঘৰখনে জীৱন-যাপনৰ দাবী পূৰণৰ বাবে বৃদ্ধি পোৱা শিশু আৰু যুৱক-যুৱতীসকলক সময় মতে সহায় কৰিব পৰা অৱস্থাত নাই। সেয়েহে বৰ্তমান সময়ত পৰামৰ্শদানৰ অতি প্ৰয়োজন। মূলতঃ বিদ্যালয়সমূহত পৰামৰ্শদানৰ কিছুমান গুৰুত্বপূৰ্ণ প্ৰয়োজনীয়তা তলত উল্লেখ কৰা হৈছে—

যেতিয়া এজন শিক্ষাৰ্থীক কেৱল নিৰ্ভৰযোগ্য তথ্যই নহয়, তেওঁৰ নিজৰ ব্যক্তিগত অসুবিধা পূৰণ কৰাত এনে তথ্যৰ ব্যাখ্যাৰ প্ৰয়োজন হয় তেতিয়া পৰামৰ্শদানৰ প্ৰয়োজন হয়।

যেতিয়া এজন শিক্ষাৰ্থীক নিজৰ অভিজ্ঞতাতকৈ বহল অভিজ্ঞতা থকা জ্ঞানী শ্ৰোতাৰ প্ৰয়োজন হয়, যাৰ ওচৰত তেওঁ নিজৰ অসুবিধাসমূহ পুনৰ ক'ব পাৰে আৰু তেওঁৰ পৰা পৰামৰ্শ লাভ কৰিব পাৰে তেতিয়া পৰামৰ্শৰ প্ৰয়োজন হয়।

যেতিয়া এজন শিক্ষাৰ্থীয়ে সমস্যাটোৰ বিষয়ে সচেতন হয় কিন্তু ইয়াৰ অৰ্থ নিৰূপণ কৰিব নোৱাৰে তেতিয়া পৰামৰ্শদানৰ প্ৰয়োজন হয়।

যেতিয়া এজন শিক্ষাৰ্থীয়ে সমস্যাটোৰ বিষয়ে সচেতন হয় কিন্তু সাময়িকভাৱে পোৱা চাপ আৰু মনৰ ব্যাকুলতাৰ বাবে তেওঁ বুদ্ধিমত্তাৰে ইয়াৰ সৈতে মোকাবিলা কৰিব নোৱাৰে তেতিয়া পৰামৰ্শদানৰ প্ৰয়োজন হয়।

আকৌ শিক্ষা আৰু তাৰ পিছত চাকৰিৰ সন্ধান অধিক জটিল হৈ পৰাত মানসিক চাপৰ সৃষ্টি হৈছে, তেনে ক্ষেত্ৰত বিদ্যালয় পৰ্যায়ত পৰামৰ্শদান অতি প্ৰয়োজনীয়।

তদুপৰি, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিয়ে কথাবোৰ অধিক জটিল কৰি তুলিছে। গোলকীকৰণে ধনৰ বিষয়, উৎপাদনশীলতা আৰু জ্ঞানৰ ক্ষেত্ৰত আনক আগুৰি ধৰিবলৈ চেষ্টা কৰাত বহু প্ৰতিযোগিতাৰ সূচনা কৰিছে, যিয়ে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত মানসিক চাপৰ সৃষ্টি কৰিছে।

ওপৰত উল্লেখ কৰা কথাবোৰৰ প্ৰতি লক্ষ্য ৰাখি মানসিক চাপ হ্ৰাস কৰিবলৈ আৰু মানুহৰ বাবে জীৱনক শান্তিপূৰ্ণ আৰু অৰ্থপূৰ্ণ কৰি তুলিবলৈ পৰামৰ্শদানৰ প্ৰয়োজনীয়তা আছে বুলি অনুভৱ কৰা হয়।

৬.৬ পৰামৰ্শদানৰ লক্ষ্য

পৰামৰ্শদানৰ লক্ষ্য হ'ল আত্মবোধ, আত্মগ্রহণ আৰু আত্মজ্ঞানপ্রাপ্তি আৰু এই লক্ষ্যসমূহ লাভ কৰিবলৈ এজন শিক্ষার্থীক তলত উল্লেখ কৰা ধৰণে সহায় আগবঢ়াব লাগিব। সেইসমূহ হ'ল—

(ক) এজন শিক্ষার্থীক তেওঁৰ সফলতাৰ বাবে গুৰুত্বপূণ বিষয়সমূহৰ বিষয়ে তথ্য দিব লাগিব।

(খ) এজন শিক্ষার্থীয়ে তেওঁ কি, তেওঁ কি হ'ব পাৰে আৰু কি কৰিব লাগে সেইটো বুজিবলৈ সক্ষম কৰা।

(গ) ছাত্র-ছাত্রী আৰু শিক্ষকৰ মাজত পাৰস্পৰিক বুজাবুজি স্থাপন কৰা।

(ঘ) এজন শিক্ষার্থীৰ উত্তম গুণবোৰ শক্তিশালী কৰাই হ'ল পৰামৰ্শদানৰ এটি লক্ষ্য।

(ঙ) শিক্ষার্থীসকলক তেওঁলোকৰ অসুবিধা সমাধানৰ বাবে পৰিকল্পনা তৈয়াৰ কৰাত সহায় কৰা।

(চ) ছাত্র-ছাত্রীক তেওঁৰ আগ্রহ, সামর্থ, মনোভাৰ আদি জানিবলৈ সহায় কৰা।

(ছ) ছাত্র-ছাত্রীৰ বিশেষ ক্ষমতা আৰু সঠিক মনোভাৱক উৎসাহিত কৰা আৰু বিকাশ কৰা।

(জ) ছাত্র-ছাত্রীসকলক শৈক্ষিক আৰু বৃত্তিমূলক অভিৰুচিৰ পৰিকল্পনা কৰাত সহায় কৰা।

৪.৭ পৰামৰ্শদানৰ বৈশিষ্ট্যসমূহ

পৰামৰ্শদানৰ বিষয়ে জানিবলৈ ইয়াৰ বিভিন্ন বৈশিষ্ট্য বুজি পোৱাটো প্রয়োজনীয়। এতিয়ালৈকে ইয়াৰ ইতিহাস, ধাৰণা, প্রয়োজনীয়তা আৰু লক্ষ্যৰ বিষয়ে আপুনি ধাৰণা লাভ কৰিলে। এতিয়া ইয়াৰ বৈশিষ্ট্যসমূহ আমি চমুকৈ জানো আহক। আমি তলত দিয়া ধৰণে পৰামৰ্শদানৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰিব পাৰো।

(১) পৰামৰ্শদাতাৰ বাবে ই এক উদ্দেশ্যপ্রণোদিত শিকন অভিজ্ঞতা।

(২) ই পৰামৰ্শদাতা আৰু পৰামৰ্শ লোৱাজনৰ মাজত হোৱা ব্যক্তিগত সাক্ষাৎকাৰ।

(৩) পৰামৰ্শদাতাৰ বিভিন্ন কৌশলৰ দক্ষতা থাকিব লাগিব।

(৪) পৰামৰ্শ দিয়াটো এটা সহযোগিতাপূর্ণ বিষয় হ'ব লাগিব আৰু পৰামৰ্শদাতাই যোগাযোগৰ বিন্দু হিচাপে কার্য কৰিব লাগিব।

(৫) কেৱল মনোবিজ্ঞানৰ ওপৰত ভিত্তি কৰি পৰামৰ্শ দিয়া উচিত নহয়। ইয়াৰ বাবে অন্যান্য বিদ্যায়তনিক শাখাৰ সহায় ল'ব লাগে।

(৬) পৰামৰ্শদানে সকলো প্রয়োজন পূৰণ কৰিব লাগে। ই কেৱল শিশুকেন্দ্রিক বা কৌশলকেন্দ্রিক, সমস্যাকেন্দ্রিক বা কেৱল পৰামৰ্শদাতাকেন্দ্রিক নহৈ সকলোবোৰ দিশ সামৰিব লাগিব।

(৭) সমগ্র পৰামৰ্শদানৰ প্রক্রিয়াটোত মূল গুৰুত্ব দিয়া হয় পৰামৰ্শ লোৱা জনৰ আত্মনির্দেশনা আৰু আত্মগ্রহণৰ ওপৰত।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পৰামৰ্শদানৰ প্রথম ধাৰণাটো কেতিয়া আহিছিল?

প্রশ্ন নং ২ ঃ পৰামৰ্শদানৰ এটি সংজ্ঞা দিয়ক।

প্রশ্ন নং ৩ ঃ পৰামৰ্শদানৰ দুটা গুৰুত্বপূর্ণ লক্ষ্য উল্লেখ কৰক।

৪.৭ পৰামৰ্শদানৰ মূল নীতিসমূহ

বিদ্যালয়ৰ পৰামৰ্শদান কিছুমান নীতিৰ ওপৰত ভিত্তি কৰি কৰা হয় যিয়ে পৰামৰ্শদাতাৰ কার্যকাৰিতা কেনেকৈ অধিক ফলপ্রসূভাৱে আগবঢ়াব পাৰে তাৰ বাবে সহায় কৰে। সেই নীতিসমূহ তলত উল্লেখ কৰা হ'ল—

১) বিদ্যালয়ৰ পৰামৰ্শদানৰ কার্যসূচীসমূহ সকলো শিক্ষার্থীৰ বিকাশ আৰু সমাযোজনৰ প্রয়োজনীয়তা পূৰণ কৰিবলৈ পৰিকল্পনা কৰা হৈছে।

২) এই কার্যসূচীৰ মতে ব্যক্তিগত বিকাশৰ লক্ষ্য সাধিত নোহোৱালৈকে ই এক নীৰৱচ্ছিন্ন প্রক্রিয়া আৰু সেয়েহে বিদ্যালয়ৰ পৰামৰ্শদাতা কার্যসূচীসমূহ উন্নয়নমূলক হ'ব লাগিব।

৩) পেচাদাৰী দক্ষতা, নেতৃত্ব আৰু নির্দেশনা নিশ্চিত কৰাৰ বাবে প্রশিক্ষিত পেচাদাৰী পৰামৰ্শদাতা কর্মীৰ অতি প্রয়োজন।

৪) বিদ্যালয়ৰ পৰামৰ্শদাতা কার্যসূচীয়ে ই সেৱা আগবঢ়োৱা বিশেষ জনসংখ্যা আৰু এই সেৱা আগবঢ়াবলৈ বিচৰা পৰিৱেশক প্রতিফলিত কৰিব লাগিব।

৫) বিদ্যালয়ৰ পৰামৰ্শদাতা কার্যসূচীৰ বিষয়ে শিক্ষকৰ বোধগম্যতা আৰু সমর্থন এনে কার্যসূচীৰ সফলতাৰ বাবে উল্লেখযোগ্য।

৬) বিদ্যালয়ৰ পৰামৰ্শদাতা কার্যসূচীয়ে শিক্ষার্থীৰ সিদ্ধান্ত আৰু পৰিকল্পনা লোৱাৰ অধিকাৰ আৰু সামর্থ্যক স্বীকৃতি দিব লাগিব।

৭) বিদ্যালয়ৰ পৰামৰ্শদান কার্যসূচীয়ে প্রতিজন শিক্ষার্থীৰ মূল্য আৰু মর্যাদাক সন্মান কৰিব লাগিব।

৪.৯ পৰামৰ্শদানৰ পদ্ধতিসমূহ

পৰামৰ্শদানৰ তিনিটা আটাইতকৈ গুৰুত্বপূর্ণ পদ্ধতি আছে যিবোৰ বিদ্যালয়ত প্রয়োগ কৰিব পাৰি। তলত সেইবোৰৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হৈছে। এইবোৰ তলত দিয়া ধৰণৰ—

১) নির্দেশনামূলক পৰামৰ্শদান

২) অ-নির্দেশনামূলক পৰামৰ্শদান

৩) সাৰগ্রাহী/এক্লেক্টিক পৰামৰ্শদান

৪.৯.১ নির্দেশনামূলক পৰামৰ্শদান (Directive Counseling)

এই পদ্ধতিয়ে পৰামৰ্শদাতাৰ পৰা অধিক সক্রিয় ভূমিকাৰ আশা কৰে। আৰ্বাকলৰ (Arbuckle) মতে নির্দেশনামূলক পৰামৰ্শদান হৈছে মানুহক নিজৰ সমস্যা সমাধান কৰিবলৈ কেনেকৈ আগবাঢ়িব পাৰি তাক সহায় কৰাৰ এক উপায়। ইয়াত পৰামৰ্শদাতাই পৰামৰ্শ দিয়াৰ প্রক্রিয়া আৰম্ভ কৰাত মুখ্য ভূমিকা পালন কৰে। এই পদ্ধতিত পৰামৰ্শদাতাই পৰামৰ্শ গ্রহণ কৰা লোকজনৰ সমস্যাৰ কাৰণসমূহ নির্ণয় কৰে আৰু সমস্যা সমাধানৰ বাবে তেওঁ অনুসৰণ কৰিবলগীয়া কার্যকলাপ, কার্যপন্থা বা পথ নির্ধাৰণ কৰে। গতিকে পৰামৰ্শ গ্রহণ কৰা লোকজনে পৰামৰ্শদাতাৰ অধীনত কাম কৰে আৰু তেওঁ কেৱল পৰামৰ্শদাতাৰ নির্দেশনা মানি চলে।

এই পদ্ধতিৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হৈছে—

- এই প্রক্রিয়াত পৰামৰ্শদাতাজন সক্রিয় আৰু পৰামৰ্শ গ্রহণ কৰা লোকজন নিষ্ক্রিয় হয়।
- এই পদ্ধতিত পৰামৰ্শদাতা সক্রিয় হয় আৰু পৰামৰ্শ গ্রহণ কৰা লোকজনৰ সমস্যাসমূহ সংগ্রহ বিশ্লেষণ, ব্যাখ্যা আৰু সমাধান বিচাৰি উলিওৱাৰ ক্ষেত্রত বৃহত্তৰ দায়িত্ব গ্রহণ কৰে।
- ইয়াত সমস্যাটো থকা ব্যক্তিজনক নহয়, সমস্যাটোক অধিক গুৰুত্ব দিয়া হয়। গতিকে সকলো প্রচেষ্টা কেৱল সমস্যা সমাধানৰ বাবেহে কৰা হয়।
- ইয়াত পৰামৰ্শ গ্রহণ কৰা লোকজনৰ আৱেগিক অনুভূতিৰ পৰিৱর্তে বৌদ্ধিক বিষয়বস্তুৰ ওপৰত গুৰুত্ব দিয়া হৈছে।
- যিহেতু নির্দেশনামূলক পৰামৰ্শ পৰামৰ্শদাতাৰ দ্বাৰা নিয়ন্ত্রিত হয়, ইয়াত ব্যৱহৃত পদ্ধতিসমূহ নির্দেশনামূলক, প্রত্যয়জনক আৰু ব্যাখ্যামূলক হয়।
- এই পদ্ধতিৰ দ্বাৰা পৰামৰ্শদাতাই মূলতঃ পৰামৰ্শ আগবঢ়োৱা লোকজনৰ সমাযোজনৰ সমস্যাসমূহ চায় আৰু তেওঁ সাধাৰণতে সময়ে সময়ে সাক্ষাৎকাৰ আৰু প্রশ্নাৱলীৰ জৰিয়তে সমস্যাটোৰ সমাধান কৰিবলৈ চেষ্টা কৰে।
- নির্দেশনামূলক পৰামৰ্শদান সমস্যা সমাধানৰ পদ্ধতিৰ ওপৰত ভিত্তি কৰি কৰা হয় আৰু এইদৰে শিশুৰ গুৰুত্বপূর্ণ সমস্যাসমূহ সমাধান কৰা হয়।

নির্দেশনামূলক পৰামৰ্শদানৰ প্রস্তাৰক হিচাপে পৰিচিত ই.জি. উইলিয়ামছনে (E. G. Williamson) নির্দেশনামূলক পৰামৰ্শদানৰ ছটা সুনির্দিষ্ট আৰু কার্যকৰী পদক্ষেপ নির্ধাৰণ কৰিছিল। সেইসমূহ তলত দিয়া ধৰণৰ—

১) **বিশ্লেষণ** (Analysis) ঃ ছাত্রজনৰ বিষয়ে পর্যাপ্ত বুজাবুজিৰ জ্ঞান বা তেওঁক ভালদৰে জানিবৰ বাবে বিভিন্ন উৎসৰ পৰা তথ্য সংগ্রহ কৰা।

২) **সংশ্লেষণ** (Synthesis) ঃ শিক্ষার্থীৰ প্রাধান্য, দায়বদ্ধতা, সমাযোজন আৰু অসামঞ্জস্যতা জানিবলৈ তথ্যসমূহ সংগঠিত আৰু সংক্ষিপ্ত কৰা।

৩) **চিনাক্তকৰণ** (Diagnosis) ঃ এইটো স্তৰত ছাত্র-ছাত্রীসকলে প্রদর্শন কৰা সমস্যাৰ প্রকৃতি আৰু কাৰণ সম্পর্কে সিদ্ধান্ত গ্রহণ কৰে।

৪) **পূৰ্বাভাস** (Prognosis) ঃ এই পদক্ষেপত এজন পৰামৰ্শদাতাই শিক্ষার্থীৰ সমস্যাটোৰ ভৱিষ্যতৰ বিকাশৰ বিষয়ে ভৱিষ্যদ্বানী কৰে।

৫) **পৰামৰ্শদান** (Counseling) ঃ ইয়াত পৰামৰ্শদাতাই শিক্ষার্থীজনৰ সহযোগত তেওঁৰ মাজত সমাযোজন আনিবলৈ পদক্ষেপ লয়।

৬) **খতিয়ান লোৱা** (Follow up) ঃ ইয়াত পৰামৰ্শদাতাই শিক্ষার্থীক প্রদান কৰা পৰামৰ্শৰ ফলপ্রসূতা নির্ণয় কৰাত সহায় কৰে।

৪.৯.২ অ-নির্দেশনামূলক পৰামৰ্শদান (Non-Directive Counseling)

কার্ল. আৰ. ৰজর্ছে (Carl R. Rogers) পৰামৰ্শদানৰ এই কৌশলটো বিকশিত কৰিছে য'ত পৰামৰ্শ লোৱা শিক্ষার্থীজন পৰামৰ্শদান প্রক্রিয়াৰ কেন্দ্রবিন্দু। ই হৈছে পৰামৰ্শদানৰ এটা প্রক্রিয়া য'ত পৰামৰ্শ লাভ কৰা জনে নিজকে সহায় কৰিব লাগে। গতিকে পৰামৰ্শদান লাভ কৰা ব্যক্তিয়ে স্বেচ্ছাই পৰামৰ্শদাতাৰ কাষ চাপে য'ত বন্ধুত্বপূর্ণ আৰু ইতিবাচক মনোভাৱেৰে পৰামৰ্শদাতাই পৰামৰ্শ দিয়া জনক গ্রহণ কৰে আৰু তেওঁৰ প্রগতি আৰু আত্মনির্দেশনাৰ দিশত সহায় আগবঢ়ায়। ৰজার্ছে (Rogers) অ-নির্দেশনামূলক পৰামৰ্শৰ কিছুমান পদক্ষেপৰ পৰামৰ্শ দিছে যিবোৰ তলত দিয়া ধৰণে সামৰি ল'ব পাৰি?

১) ইয়াতে ব্যক্তিজন সহায়ৰ বাবে আহে।

২) ইয়াত পৰামৰ্শদাতাই পৰিস্থিতিৰ সংজ্ঞা নিৰূপণ কৰি ইংগিত দিয়ে যে তেওঁৰ হাতত উত্তৰ নাই। কিন্তু তেওঁ এনে এখন ঠাই আৰু পৰিৱেশ প্রদান কৰিবলৈ সক্ষম হৈছে য'ত পৰামৰ্শ গ্রহণ নকৰা গৰাকীয়ে তেওঁৰ সমস্যাৰ উত্তৰ বা সমাধানৰ বিষয়ে চিন্তা কৰিব পাৰে।

৩) ইয়াত পৰামৰ্শদাতাজন বন্ধুত্বপূর্ণ আৰু ব্যক্তিজনৰ সমস্যাটোৰ সন্দর্ভত মুক্তভাৱে অনুভৱ প্রকাশ কৰিবলৈ ব্যক্তিজনক উৎসাহিত কৰে।

৪) পৰামৰ্শদাতাই ব্যক্তিজনৰ অনুভৱ বুজিবলৈ চেষ্টা কৰে।

৫) এই পদ্ধতিত পৰামৰ্শদাতাই ইতিবাচক অনুভৱৰ লগতে নেতিবাচক অনুভৱকো গ্রহণ কৰে আৰু চিনি পায়।

৬) মুক্ত প্রকাশৰ সময়ছোৱাৰ পিছত এই প্রক্রিয়াত ক্রমান্বয়ে অন্তর্দৃষ্টিৰ বিকাশ ঘটে।

৭) পৰামৰ্শ গ্রহণ কৰা গৰাকীয়ে নিজৰ প্রকৃত মনোভাৱ আৰু ইচ্ছাক আৱেগিকভাৱে চিনি পোৱাৰ লগতে বৌদ্ধিকভাৱেও চিনি পায় আৰু গ্রহণ কৰাৰ লগে লগে তেওঁ ল'বলগীয়া সিদ্ধান্ত আৰু তেওঁৰ বাবে মুকলি সম্ভাব্য কার্যপন্থা অনুভৱ কৰে।

৮) সমস্যাপূর্ণ পৰিস্থিতি সমাধানৰ দিশত ইতিবাচক পদক্ষেপ ল'বলৈ আৰম্ভ কৰে।

৯) শেষত এই পদ্ধতিত যেতিয়া পৰামৰ্শগ্রহণ কৰা জনে সহায়ৰ প্রয়োজনীয়তা হ্রাস পোৱা অনুভৱ কৰে তেতিয়া তেওঁ পৰামৰ্শদাতাৰ লগত যোগাযোগ বন্ধ কৰাৰ সিদ্ধান্ত লয়।

৪.৯.৩ সাৰগ্ৰাহী/এক্লেক্টিক পৰামৰ্শদান (Eclectic Counseling)

পৰামৰ্শদানৰ সাৰগ্ৰাহী/ এক্লেক্টিক পদ্ধতি পৰামৰ্শদাতাই পৰামৰ্শ দিয়া জনৰ বাবে যিটো বিশেষ পদ্ধতি বা কৌশল আটাইতকৈ উপযুক্ত যেন লাগে সেইবোৰ ব্যৱহাৰ কৰাৰ স্বাধীনতা থাকে। সাৰগ্ৰাহী/ এক্লেক্টিক পৰামৰ্শদানে অ-নিৰ্দেশনামূলক পৰামৰ্শৰ দৰ্শন ধাৰণ কৰে অৰ্থাৎ ব্যক্তিজনৰ নিজৰ জীৱনশৈলী নিৰ্ধাৰণ কৰা আৰু নিজৰ লক্ষ্য নিজে বাছি লোৱাৰ দায়িত্ব। ইয়াত পৰামৰ্শদাতাই এনে এক গ্ৰহণযোগ্য পৰিৱেশ প্ৰদান কৰে য'ত পৰামৰ্শ লাভ কৰা জনে নিজৰ সমস্যাৰ বিষয়ে আলোচনা কৰিবলৈ বিচাৰে। বহুক্ষেত্ৰত দেখা যায় যে বেছিভাগ যুৱক-যুৱতীয়ে সম্পূৰ্ণ দায়িত্ব ল'বলৈ প্ৰস্তুত নহয় বা নিজৰ সমস্যা সমাধান কৰিবলৈ সক্ষম নহয়। তেতিয়া সাৰগ্ৰাহীযএক্লেক্টিক পৰামৰ্শদানৰ উদ্যোগ গ্ৰহণ কৰে আৰু জীৱনৰ সমস্যাজনক পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়ায়।

সাৰগ্ৰাহী/ এক্লেক্টিক পৰামৰ্শদানৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হৈছে—

১) এই ধৰণৰ পৰামৰ্শদানত, পৰামৰ্শ পদ্ধতি পৰামৰ্শ লোৱা বিভিন্ন ব্যক্তিৰ ওপৰত বেলেগ বেলেগ হ'ব পাৰে বা একেজন ব্যক্তিৰ সৈতে এই পদ্ধতি সময়ে সময়ে সলনি হ'ব পাৰে।

২) নমনীয়তাই এই পদ্ধতিৰ মূল মন্ত্ৰ।

৩) স্বাধীনভাৱে মত প্ৰকাশ কৰা এই পদ্ধতিত উভয় পৰামৰ্শদাতা আৰু পৰামৰ্শ লাভ কৰা ব্যক্তিয়ে মুকলিমূৰীয়াকৈ নিজ নিজ মনোভাৱ ব্যক্ত কৰিব পাৰে।

৪) ইয়াত পৰামৰ্শ লাভ কৰা ব্যক্তিজন আৰু দাৰ্শনিক নীতি সম্পৰ্কৰ উদ্দেশ্য পূৰণ কৰিবলৈ সামঞ্জস্য সাধন কৰা হয়।

৫) এই পদ্ধতিৰ সম্পৰ্কত পাৰস্পৰিক আস্থা আৰু বিশ্বাস-অভিজ্ঞতা মৌলিক।

৬) এই পদ্ধতিত আনন্দ অনুভৱ কৰাটো অতি প্ৰয়োজনীয়।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ পৰামৰ্শদানৰ দুটা মূল নীতি উল্লেখ কৰক।

প্ৰশ্ন নং ৫ ঃ পৰামৰ্শদানৰ পদ্ধতিকেইটা তালিকাভুক্ত কৰক।

2 ৪.১০ অধ্যায়টিৰ আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ১৯০০ চনৰ আৰম্ভণিতে সুপৰিচিত মনোবিজ্ঞানী চিগমাণ্ড ফ্ৰয়েডৰ (Sigmund Freud) ব্যক্তিৰ মনোবিশ্লেষণাত্মক ব্যাখ্যাৰে কৰা কামৰ দ্বাৰা পৰাৰ্শদানৰ আনুষ্ঠানিক প্ৰেৰণা আহিছিল। বিংশ শতিকাৰ

আৰম্ভণিতে ফ্ৰেংক পাৰ্ছনছে (Frank Parsons) তেওঁৰ কাম বিদ্যালয়ৰ নিৰ্দেশনাৰ ওপৰত কেন্দ্ৰিত কৰিছিল।

- পৰামৰ্শদান হৈছে এটা প্ৰক্ৰিয়া। গতিকে ই হৈছে এজন পেচাদাৰীভাৱে প্ৰশিক্ষিত ব্যক্তিয়ে সহায় বিচৰা এজনক দিয়া সহায়।
- পৰামৰ্শদানৰ তিনিটা আটাইতকৈ গুৰুত্বপূৰ্ণ পদ্ধতি আছে যিবোৰ বিদ্যালয়ত প্ৰয়োগ কৰিব পাৰি। ইতিমধ্যে সেইবোৰৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হৈছে। এইবোৰ তলত দিয়া ধৰণৰ—
  ১) নিৰ্দেশনামূলক পৰামৰ্শদান
  ২) অ-নিৰ্দেশনামূলক পৰামৰ্শদান
  ৩) সাৰগ্ৰাহী/এক্লেক্টিক পৰামৰ্শদান

০ ৪.১ ১ অধিক জানিবলৈ

১) Aggarwal, J. C. (1996). Essentials of Educational Technology, Vikas Publising house.
২) The Counselling Process and Strategies, (2016), NCERT.

K ৪.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯০০ চনৰ আৰম্ভণিতে সুপৰিচিত মনোবিজ্ঞানী চিগমাণ্ড ফ্ৰয়েডৰ (Sigmund Freud) ব্যক্তিৰ মনোবিশ্লেষণাত্মক ব্যাখ্যাৰে কৰা কামৰ দ্বাৰা পৰাৰ্শদানৰ আনুষ্ঠানিক প্ৰেৰণা আহিছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ কাৰ্ল ৰেগাৰ্ছৰ (Carl Regers) মতে, 'পৰামৰ্শদান হৈছে ব্যক্তিজনৰ সৈতে প্ৰত্যক্ষ যোগাযোগৰ শৃংখলা যাৰ লক্ষ্য হৈছে তেওঁক তেওঁৰ মনোভাৱ আৰু আচৰণ সলনি কৰাত সহায় আগবঢ়োৱা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) এজন শিক্ষাৰ্থীক তেওঁৰ সফলতাৰ বাবে গুৰুত্বপূণ বিষয়সমূহৰ বিষয়ে তথ্য দিব লাগিব।
(খ) এজন ছাত্ৰই তেওঁ কি, তেওঁ কি হ'ব পাৰে আৰু কি কৰিব লাগে সেইটো বুজিবলৈ সক্ষম কৰা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (১) বিদ্যালয়ৰ পৰামৰ্শদানৰ কাৰ্যসূচীসমূহ সকলো শিক্ষাৰ্থীৰ বিকাশ আৰু সমাযোজনৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ পৰিকল্পনা কৰা হৈছে।
(২) এই কাৰ্যসূচীৰ মতে ব্যক্তিগত বিকাশৰ লক্ষ্য সাধিত নোহোৱালৈকে ই এক নীৰৱচ্ছিন্ন

প্ৰক্ৰিয়া আৰু সেয়েহে বিদ্যালয়ৰ পৰামৰ্শদাতা কাৰ্যসূচীসমূহ উন্নয়নমূলক হ'ব লাগিব।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ পৰামৰ্শদানৰ তিনিটা আটাইতকৈ গুৰুত্বপূৰ্ণ পদ্ধতি আছে যিবোৰ বিদ্যালয়ত প্ৰয়োগ কৰিব পাৰি। তলত সেইবোৰৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হৈছে। এইবোৰ তলত দিয়া ধৰণৰ—

১) নিৰ্দেশনামূলক পৰামৰ্শদান

২) অ-নিৰ্দেশনামূলক পৰামৰ্শদান

৩) সাৰগ্ৰাহী/এক্লেক্টিক পৰামৰ্শদান।

M ৪.১৩ আৰ্হি প্ৰশ্ন

(ক) **চুটি প্ৰশ্ন** (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পৰামৰ্শদানৰ অৰ্থ নিৰূপণ কৰক।

প্ৰশ্ন ২ ঃ পৰামৰ্শদান' শব্দটোৰ উৎপত্তিৰ বিষয়ে চমুকৈ আলোচনা কৰক।

(খ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পৰামৰ্শদানৰ প্ৰয়োজনীয়তা বুজাই লিখক। ইয়াৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ নিৰ্দেশনামূলক পৰামৰ্শদানৰ অৰ্থ আৰু প্ৰক্ৰিয়া ব্যাখ্যা কৰক। ই কি দিশত অ-নিৰ্দেশনামূলক পৰামৰ্শৰ পৰা পৃথক।

প্ৰশ্ন ৩ ঃ পৰামৰ্শদানৰ প্ৰধান নীতিসমূহ বিতংভাৱে ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ বিদ্যালয়ত পৰামৰ্শদাতা হিচাপে শিক্ষক

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ বিদ্যালয়ত পৰামৰ্শদানৰ প্ৰয়োজনীয়তা
৫.৪ পৰামৰ্শদাতা হিচাপে শিক্ষকৰ ভূমিকা
৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৬ অগ্ৰগতিৰ খতিয়ান
৫.৭ অধিক জানিবলৈ
৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বিদ্যালয়ত পৰামৰ্শদানৰ প্ৰয়োজনীয়তা সম্পৰ্কে জানিব পাৰিব
- পৰামৰ্শদাতা হিচাপে বিদ্যালয়ত শিক্ষকৰ ভূমিকা কি সেই সম্পৰ্কে জানিব।

৫.২ পৰিচয়

প্ৰতিটো শিশুৰ মানসিক স্বাস্থ্য অনন্য আৰু তেওঁলোকৰ প্ৰত্যেকৰে নিজস্ব কল্পনাৰ জগত আছে। আমি নিজেও প্ৰত্যেকেই নিজৰ নিজৰ গঠনমূলক বয়সসমূহত বিভিন্ন মানসিক অৱস্থাৰ মাজেৰে অতিক্ৰম কৰি আহিছোঁ। যদিও সন্তানৰ ক্ষেত্ৰতেই হওঁক অথবা শিক্ষক হিচাপে ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰতে হওঁক, কোনো সময়ত আমি একেখিনি কথাকে চিনাক্ত কৰাত অসমৰ্থ হওঁ। কিন্তু ছাত্ৰ-ছাত্ৰী বা শিশুসকলক জীৱনৰ স্তৰসমূহ অতিক্ৰম কৰি যাবলৈ পৰামৰ্শদানৰ প্ৰয়োজনীয়তা আছে।

কোনো কোনো সময়ত দেখা পোৱা যায় যে, পৰামৰ্শদানক বহুতে মনোচিকিৎসা বুলি ভুল ধাৰণা এটা কৰি লয় আৰু ফলস্বৰূপে সেই বিষয়টো পৰাপক্ষত এৰাই চলিবলৈ চেষ্টা কৰে। কিন্তু বিদ্যালয়ত পৰামৰ্শদানৰ এক প্ৰৱল প্ৰয়োজনীয়তা আছে, যিহেতু ছাত্ৰ-ছাত্ৰীসকলৰ সেই সময়খিনিয়েই গঢ়ে ভৱিষ্যৎ জীৱন গঢ় দিয়াৰ ভেটি।

আজিৰ পৃথিৱীখন দ্ৰুত গতিত আগবাঢ়ি গৈছে। আজিৰ প্ৰজন্মই এনে এক যুগত বাস কৰিছে য'ত ম'বাইল ফোনৰ এটা স্পৰ্শই মানুহৰ আৱেগৰ ভাগ বতৰা কৰে। সেয়ে এনে এটা যুগত আমি শিক্ষক হিচাপেই হওঁক অথবা

সমাজৰ শিক্ষিত অভিভাৱক হিচাপেই হওঁক, বৰ্তমান প্ৰজন্মক সঠিক পথ দেখুৱাই লৈ যোৱাৰ ক্ষেত্ৰত পৰামৰ্শদানৰ ভূমিকা নুই কৰিব নোৱাৰো। ইতিমধ্যে পূৰ্বৰ অধ্যায়ত আপোনালোকে পৰামৰ্শদানৰ সম্পৰ্কে এক চমু আভাষ পাইছে। এই অধ্যায়ত আমি পৰামৰ্শদানৰ প্ৰয়োজনীয়তা আৰু পৰামৰ্শদানৰ ক্ষেত্ৰত বিদ্যালয়ত শিক্ষকৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিম।

৫.৩ বিদ্যালয়ত পৰাৰ্শদানৰ প্ৰয়োজনীয়তা (Importance of Counselling in Schools)

বিদ্যালয় পৰ্যায়ত পৰামৰ্শ দিয়াৰ আঁৰৰ প্ৰাথমিক উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ আবেগিক, সামাজিক আৰু আচৰণগত প্ৰয়োজনীয়তাসমূহ পূৰণ কৰা আৰু তেওঁলোকৰ প্ৰত্যেককে বিভিন্ন পদ্ধতিৰে সহায় কৰিবলৈ এক নিৰবচ্ছিন্ন আৰু বন্ধুত্বপূৰ্ণ পৰিৱেশ সৃষ্টি কৰা

পৰামৰ্শদান সেৱা বৰ্তমান প্ৰত্যেক বিদ্যালয় অথবা শিক্ষানুষ্ঠানতে এক অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈছে। তলৰ আলোচনাৰ পৰা এই কথা আৰু বেছিকৈ সকলোৰে বোধগম্য হ'ব।

(১) **ইতিবাচক মানসিক স্বাস্থ্য গঢ়ি তোলা:** বিদ্যালয়ৰ পৰিৱেশৰ পৰাই ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া আনৰ লগত অৰ্থপূৰ্ণ সম্পৰ্ক স্থাপন কৰি পূৰ্ণতাপূৰ্ণ জীৱন যাপন কৰিবলৈ সক্ষম হয়, তেতিয়া তেওঁলোকৰ মানসিক স্বাস্থ্য ইতিবাচক দিশত আগবাঢ়ে। তেওঁলোকে বিভিন্ন পৰিৱেশৰ লগত নিজকে খাপ খুৱাই নিবলৈ আৰু লাহে লাহে ভাল পাবলৈ সক্ষম হৈ উঠে। সেয়ে শিক্ষকসকলেই হওঁক অথবা বিদ্যালয় কতৃৰ্পক্ষই হওঁক এনেধৰণে পৰামৰ্শদান সেৱা উপলব্ধ কৰিবৰ কাৰণে চেষ্টা চলাব লাগে যাতে ছাত্ৰ-ছাত্ৰীক সুস্থ মানসিক স্বাস্থ্য গঠনত সহায় কৰিব পাৰি।

২) **সমস্যা সমাধান:** বৰ্তমান পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষাজনিত, ব্যক্তিত্বজনিত, ভৱিষ্যৎ বৃত্তিৰ লগত জড়িত বিভিন্ন সমস্যাই দেখা দিয়ে। এনে সমস্যাবোৰ বেছিকৈ সৃষ্টি হোৱাৰ সময় হৈছে শিক্ষাৰ মাধ্যমিক স্তৰ। সেয়ে বিদ্যালয়ত উপলব্ধ পৰামৰ্শদানে ছাত্ৰ-ছাত্ৰীসকলক এনে সমস্যাৰ পৰা উদ্ভৰ হোৱা কঠিন পৰিস্থিতিৰ পৰা ওলাই আহিবলৈ অৱিহনা যোগায়। পৰামৰ্শদানে ছাত্ৰ-ছাত্ৰীক এনেধৰণে সহায় কৰে যাতে তেওঁলোকে নিজেই সমস্যাবোৰৰ সমাধান বিচাৰি উলিয়ায়।

৩) **সিদ্ধান্ত গ্ৰহণৰ বাবে পৰামৰ্শ দিয়া :** জীৱনত সফলতাৰ বাবে সঠিক আৰু সময় মতে সিদ্ধান্ত লোৱাৰ ক্ষমতা অতি গুৰুত্বপূৰ্ণ। বিদ্যালয়ত পৰামৰ্শৰ এক প্ৰধান গুৰুত্ব হৈছে ছাত্ৰ-ছাত্ৰীক স্বতন্ত্ৰ সিদ্ধান্ত ল'ব পৰাকৈ সক্ষম কৰা। পৰামৰ্শদাতাই ছাত্ৰ-ছাত্ৰীক প্ৰয়োজনীয় তথ্য প্ৰদান কৰি ছাত্ৰ জীৱন আৰু ভৱিষ্যতৰ লক্ষ্য স্পষ্ট কৰাত সহায় কৰিব পাৰে। উদাহৰণস্বৰূপে, মাধ্যমিক স্তৰ বা উচ্চতৰ মাধ্যমিক স্তৰ শেষ কৰি বহু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা জীৱন অথবা ভৱিষ্যতে কি ধৰণৰ বৃত্তিত নিয়োজিত হ'ব, সেই সম্পৰ্কে বিভ্ৰান্ত হোৱা দেখা যায়, বিশেষকৈ সঠিক পথ দেখুওৱা ব্যক্তিৰ অভাৱত। এনে সমস্যাই আকৌ হতাশাগ্ৰস্থ মানসিক পৰিস্থিতিৰ সৃষ্টি কৰাবো সম্ভাৱনা প্ৰকট। সেয়ে এনে ধৰণৰ সমস্যাৰ পৰা ছাত্ৰ সমাজক মুক্ত কৰিবলৈ

পৰামৰ্শদান হৈছে বাঞ্ছনীয় বিষয়।

৪) **ব্যক্তিগত ফলপ্রসুতা বৃদ্ধি কৰা:** ফলপ্রসু ব্যক্তি বুলিলে এনে এজন ব্যক্তিক বুজা যায়, যিয়ে নিজৰ সহজাত প্রবৃত্তি আৰু আবেগ নিয়ন্ত্রণ কৰিব পাৰে, সৃষ্টিশীলভাৱে চিন্তা কৰিব পাৰে আৰু সমস্যা সমাধান কৰিব পাৰে। এই ভিন্ন লক্ষ্যবোৰ একচেতিয়া নহয়। এই সকলোবোৰ আন্তঃনির্ভৰশীল। সেয়ে ব্যক্তিত্বৰ বিভিন্ন দিশসমূহৰ ভাৰসাম্য ৰক্ষাকাৰী হিচাপে যাতে বিকাশ ঘটে তাৰ কাৰণে অভিভাৱক আৰু শিক্ষক শিক্ষয়িত্রীসকল সজাগ হ'ব লাগিব। এই ক্ষেত্রত সুস্থ ঘৰুৱা পৰিৱেশ প্রদান কৰাত অভিভাৱকসকলৰ নিশ্চয়কৈ দায়িত্ব আছে। লগতে শিক্ষক তথা বিদ্যালয় কতৃর্পক্ষই প্রয়োজনীয় সময়ত পৰামৰ্শদানৰ যোগেদি ছাত্র-ছাত্রীৰ ব্যক্তিগত ফলপ্রসুতা বৃদ্ধিৰ ক্ষেত্রত অৰিহণা যোগাব পাৰে।

৫) **মানসিক পৰিৱর্তনত সহায় কৰা** ঃ যিকোনো দিশৰ উন্নয়নৰ কাৰণে পৰিৱর্তন বাঞ্ছনীয়। বিদ্যালয় এখনত ছাত্র-ছাত্রীসকল বিভিন্ন পৰিৱেশৰ পৰা আহে। ঘৰুৱা পৰিৱেশ, মাক-দেউতাকৰ শিক্ষা, আর্থ সামাজিক অৱস্থা আদিয়ে তেওঁলোকৰ মানসিক জগতখনক প্রভাৱ পেলায়। তেতিয়াহে আমি সুন্দৰ সুস্থ সমাজ আশা কৰিব পাৰিম, যেতিয়া শিক্ষাই সমাজৰ কাৰণে উপযুক্ত কৰি সুস্থ মানসিকতাৰ সৈতে মানৱ সম্পদ গঢ়ি তুলিব পাৰিব। পৰামৰ্শদান ব্যৱস্থাই ছাত্র-ছাত্রীৰ ধনাত্মক মনোভাৱ, ধাৰণা বা ব্যক্তিত্বৰ পৰিৱর্তন কৰাত যথেষ্ট সহায় কৰিব বুলি আশা কৰিব পাৰি।

৬) **আচৰণৰ পৰিৱর্তনত সহায় কৰা** ঃ ছাত্র-ছাত্রীসকলৰ মাজত দেখা দিয়া কিছুমান আচৰণজনিত বিষয় হ'ল পিতৃ-মাতৃ তথা ডাঙৰক অৱজ্ঞা কৰা, লগৰ ল'ৰা-ছোৱালীৰ লগত তর্কত লিপ্ত হোৱা, পৰিয়ালৰ বা সমাজৰ আন ব্যক্তিক অসম্মান কৰা, (যেনে- মুখে মুখে কথাৰ উত্তৰ দিয়া, অসভ্য আচৰণ আদি), সঘনাই আৱেগৰ উঠা নমা হোৱা, আক্রমণাত্মক বা হিংসাত্মক আচৰণ ইত্যাদি।) পৰামৰ্শৰ এটা লক্ষ্য হৈছে আচৰণৰ যোগাত্মক পৰিৱর্তনত সহায় কৰা। অবাঞ্ছিত বা আত্মবিনাসকাৰী আচৰণ আঁতৰাই বাঞ্ছনীয় আচৰণ শিকিবলৈ পৰামৰ্শদান যথেষ্ট গুৰুত্বপূর্ণ হিচাপে পৰিগণিত হৈ আহিছে। আচৰণবাদী পৰামৰ্শদাতাসকলেই এই মতবাদৰ প্রধান সমর্থক।

W অগ্রগতিৰ নিৰীক্ষণ

১. বিদ্যালয়ত পৰামৰ্শদান কিয় প্রয়োজনীয়?

৫.৪ পৰামৰ্শদানত শিক্ষকৰ ভূমিকা (Role of teachers in counselling)

অসমৰ প্রেক্ষাপটত দেখা পোৱা গৈছে যে বর্তমানেও নির্দেশনা আৰু পৰামৰ্শদান সেৱাৰ পেচাগত কোষ বিদ্যালয়সমূহত সম্পূর্ণৰূপে কার্যক্ষম হ'বলৈ বহু দূৰ বাকী। এইখিনিতে উল্লেখ কৰিব পাৰি যে, ৰাষ্ট্রীয় পাঠ্যক্রম ফ্রেমৱৰক ২০০৫ (NCF 2005) ত উল্লেখ কৰা হৈছে যে, নির্দেশনা আৰু পৰামৰ্শৰ কামসমূহ পাঠ্যক্রমৰ যোগেদি

সম্পূৰ্ণ কৰিব পাৰি। ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানেও নিৰ্দেশনা আৰু পৰামৰ্শদানৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু মাধ্যমিক শিক্ষাৰ সাৰ্বজনীনকৰণ আৰু মাধ্যমিক পৰ্যায়ত শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰ্দেশনা আৰু পৰামৰ্শদানক অন্যতম গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হিচাপে উল্লেখ কৰে। বিদ্যালয়ৰ পৰামৰ্শদান সেৱা ছাত্ৰ-ছাত্ৰীসকলে বৃদ্ধি পাই অহা মানসিক চাপৰ লগত মোকাবিলা কৰিবলৈ আশীৰ্বাদৰ দৰে দেখা দিছে। এই বিশেষ ব্যৱস্থাই যুৱ প্ৰজন্মক মানসিক স্বাস্থ্য বজাই ৰখাতো যথেষ্ট অৱিহণা যোগায়। কোনো কোনো সময়ত পৰামৰ্শদানৰ সঠিক সুবিধা নথকাৰ কাৰণে বিদ্যালয় কতৃপক্ষই কেতবোৰ জটিল সমস্যাৰ সন্মুখীন হয়, যেনে— আক্ৰমণাত্মক দৃষ্টিভংগীৰ, অতি সক্ৰিয় (hyper active) ছাত্ৰ-ছাত্ৰীক নিয়ন্ত্ৰণ কৰা, কিশোৰৰ উদ্ভণ্ডালী কৰা প্ৰকৃতি, বিশেষ প্ৰয়োজনীয়তা থকা ল'ৰা-ছোৱালীৰ যত্ন ল'ব পৰা, অবাধ্যতা, ড্ৰাগ্‌ছ সেৱন, চুৰি, যৌন ব্যভিচাৰ ইত্যাদি। সেয়ে পেচাদাৰী পৰামৰ্শদাতাৰ অভাৱৰ পৰিস্থিতিত শিক্ষকসকলৰ দায়িত্ব যে, তেওঁলোকে ছাত্ৰ-ছাত্ৰী লগত এক সু-সম্পৰ্ক স্থাপন কৰে যাৰ যোগেদি তেওঁলোকৰ শৈক্ষিক, ব্যক্তিগত, সামাজিক বিকাশ আৰু সমাযোজনত সৰ্বোচ্চ স্থান লাভত সহায়ক হয়। তাৰ কাৰণে শিক্ষকসকলে প্ৰয়োজন হ'লে যথোপযুক্ত প্ৰশিক্ষণত অংশগ্ৰহণ কৰা উচিত। পৰামৰ্শদাতা হিচাপে এজন শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক সিহঁতে কি কৰিব পাৰে আৰু কি কৰা উচিত, সিহঁতৰ বাবে মুক্ত সুযোগবোৰ উপলব্ধিৰে নিজৰ সিদ্ধান্তবোৰ গ্ৰহণ কৰাত সহায় কৰিব লাগে।

আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে যে শিক্ষকে তথ্য সম্ভেদকাৰী সেৱাৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়ে তথ্য আহৰণ কৰা প্ৰয়োজন। ছাত্ৰ-ছাত্ৰী সম্পৰ্কে উপযুক্ত তথ্য থাকিলেহে সফল পৰামৰ্শ কাৰ্য সম্ভৱ হ'ব পাৰে। শিক্ষক হিচাপে পৰামৰ্শদান ক্ষেত্ৰত ভূমিকা তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

(১) **শৈক্ষিক সফলতা (Accademic Success)** ঃ শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক সিহঁতৰ সৰ্বোচ্চ ক্ষমতা বা দক্ষতা চিনাক্তকৰণ কৰাত সহায় কৰিব লাগে আৰু শৈক্ষিক সফলতাত বাধা দান কৰা কাৰকবোৰ আঁতৰ কৰাত সহায় কৰিব লাগে।

(২) **জীৱিকা আৰু বৃত্তিমূলক নিৰ্দেশনা (Career and Vocational Guidance)** ঃ শিক্ষকসকলে সমাজত উপলব্ধ বিভিন্ন জীৱিকা আৰু বৃত্তিৰ তথ্য ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰাত সহায় কৰিব লাগে আৰু নিজৰ অভিজ্ঞতা অনুযায়ী ভৱিষ্যৎ শিক্ষাৰ বিষয় আৰু বৃত্তি বাচনি কৰাত সহায় কৰিব লাগে।

(৩) **ব্যক্তিগত আৰু সামাজিক বিকাশ (Personal and Social Development)** ঃ শিক্ষানুষ্ঠানৰ পৰামৰ্শদাতাই ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা চিনাক্তকৰণ কৰাত সহায় কৰিব লাগে আৰু ছাত্ৰ-ছাত্ৰীৰ যোগাযোগ আৰু আন্তঃব্যক্তি কৌশল বিকশাই তুলিব লাগে।

(৪) **মনো-সামাজিক সমস্যাৰ সমাধান (Resolving Psycho-Social Problems)** ঃ ছাত্ৰ-ছাত্ৰীৰ মাজত দেখা দিয়া কেতবোৰ মনো-সামাজিক সমস্যা হ'ল— চাপ, নিঃসংগতা, ৰেগিং, সমনীয়াৰ লগত সমাযোজন আৰু অভিভাৱক শিক্ষকৰ হেঁচা আদি আৰু এই সমস্যাবোৰ শিক্ষকেই সমাধানৰ চেষ্টা কৰিব লাগে।

(৫) **অভিভাৱকৰ লগত ভাল সম্পৰ্ক আৰু পৰামৰ্শ (Good Relationship and Counseling for Guardians)** ঃ ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা পৰিৱেশ আৰু সিহঁতৰ বিভিন্ন সমস্যাসমূহ সমাধান কৰিবলৈ হ'লে শিক্ষকসকলে অভিভাৱকৰ লগত সু-সম্পৰ্ক ৰক্ষা কৰাত গুৰুত্ব দিয়া উচিত। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলকো লগ ধৰি

পৰামৰ্শ দিয়া প্ৰয়োজন আছে। যেনে—

(ক) নিজৰ সন্তানক সিহঁতৰ সবলতা আৰু দুৰ্বলতাৰে গ্ৰহণ কৰা।

(খ) শৈক্ষিক সফলতাৰ বাবে সন্তানক অত্যধিক চাপ প্ৰদান কৰাৰ বাবে সৃষ্টি হোৱা অসুস্থ প্ৰভাৱ।

(গ) সন্তানৰ আগ্ৰহ আৰু অভিক্ষমতা আৰু বৃত্তিৰ বাচনি।

(ঘ) সন্তানৰ যদি কোনো মনো-সামাজিক সমস্যা আছে সেয়া সমাধান কৰাৰ প্ৰয়াস কৰা ইত্যাদি।

2 ৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

✓ ছাত্ৰ-ছাত্ৰী বা শিশুসকলক জীৱনৰ স্তৰসমূহ অতিক্ৰম কৰি যাবলৈ পৰামৰ্শদানৰ প্ৰয়োজন আছে। কোনো কোনো সময়ত দেখা পোৱা যায় যে পৰামৰ্শদানক বহুতে মনো-চিকিৎসা বুলি ভুল ধাৰণা কৰি এৰাই চলিবলৈ চেষ্টা কৰে।

✓ বিদ্যালয়ৰ পৰিৱেশত পৰামৰ্শদানৰ প্ৰয়োজন নুই কৰিব নোৱাৰি। পৰামৰ্শদানৰ পেচাদাৰী পৰামৰ্শদাতাৰ অভাৱত শিক্ষকসকলেই মুখ্য ভূমিকা গ্ৰহণ কৰিব লগা হয়।

✓ বিদ্যালয় পৰ্যায়ত পৰামৰ্শ দিয়াৰ আঁৰৰ প্ৰাথমিক উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ আৱেগিক, সামাজিক আৰু আচৰণগত প্ৰয়োজনীয়তাসমূহ পূৰণ কৰা।

পৰামৰ্শদানৰ প্ৰয়োজনীয়তাৰ কাৰণসমূহ হৈছে—

১) ইতিবাচক মানসিক চিন্তা গঢ়ি তোলা।

২) সমস্যা সমাধান।

৩) সিদ্ধান্ত গ্ৰহণৰ পৰামৰ্শ দিয়া।

৪) ব্যক্তিগত ফলপ্ৰসূতা বৃদ্ধি কৰা।

৫) মানসিক পৰিৱৰ্তন কৰা।

৬) আচৰণৰ ধনাত্মক পৰিৱৰ্তনত সহায় কৰা।

✓ পৰামৰ্শদাতা হিচাপে শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক সফলতা অৰ্জন, জীৱিকা আৰু বৃত্তিমূলক নিৰ্দেশনা, মনো-সামাজিক সমস্যাৰ সমাধান, অভিভাৱকৰ লগত সু-সম্পৰ্ক স্থাপনত বিশেষ গুৰুত্ব প্ৰদান কৰা উচিত।

✓ শৈক্ষিক সফলতাৰ বাবে সন্তানক অত্যধিক চাপ প্ৰদান কৰাৰ বাবে সৃষ্টি হোৱা অসুস্থ প্ৰভাৱ

✓ ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা পৰিৱেশ আৰু সিহঁতৰ বিভিন্ন সমস্যাসমূহ সমাধান কৰিবলৈ হ'লে শিক্ষকসকলে অভিভাৱকৰ লগত সু-সম্পৰ্ক ৰক্ষা কৰাত গুৰুত্ব দিয়া উচিত। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলকো লগ ধৰি পৰামৰ্শ দিয়া প্ৰয়োজন আছে। যেনে—

(ক) নিজৰ সন্তানক সিহঁতৰ সবলতা আৰু দুৰ্বলতাৰে গ্ৰহণ কৰা।

(খ) শৈক্ষিক সফলতাৰ বাবে সন্তানক অত্যধিক চাপ প্ৰদান কৰাৰ বাবে সৃষ্টি হোৱা অসুস্থ প্ৰভাৱ।

(গ) সন্তানৰ আগ্ৰহ আৰু অভিক্ষমতা আৰু বৃত্তিৰ বাচনি।

(ঘ) সন্তানৰ যদি কোনো মনো-সামাজিক সমস্যা আছে সেয়া সমাধান কৰাৰ প্ৰয়াস কৰা ইত্যাদি।

৫.৬ অধিক জানিবলৈ

১) Aggarwal, J. C. (1996). Essentials of Educational Technology, Vikas Publising house.

২) Makinde, O (1984). Fundamentals of Guidance and Counseling Macmillan.

৫.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক, আৱেগিক, সামাজিক আৰু ব্যক্তিগত বিকাশত সহায় কৰিবলৈ বিদ্যালয়ত পৰামৰ্শৰ প্ৰয়োজন। ই শিক্ষাৰ্থীসকলক মানসিক চাপ, উদ্বেগ, আচৰণৰ সমস্যা, সমনীয়াৰ হেঁচা, আৰু পৰিয়ালৰ সৈতে জড়িত সমস্যাৰ সৈতে মোকাবিলা কৰাত সহায় কৰে যিয়ে তেওঁলোকৰ শিক্ষণ আৰু মংগলৰ ওপৰত প্ৰভাৱ পেলাব পাৰে। স্কুলৰ পৰামৰ্শই ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ক্ষমতা বুজিবলৈ, অধ্যয়নৰ অভ্যাস উন্নত কৰাত, আত্মবিশ্বাস গঢ়ি তোলাত, আৰু উপযুক্ত শৈক্ষিক আৰু কেৰিয়াৰ বাছনি কৰাত পথ প্ৰদৰ্শন কৰে। সমস্যাসমূহ আগতীয়াকৈ সমাধান কৰি আৰু ইতিবাচক মানসিক স্বাস্থ্য প্ৰসাৰিত কৰি পৰামৰ্শই সহায়ক বিদ্যালয়ৰ পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশত অৰিহণা যোগায়।

৫.৮ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়ক)

১। কাউন্সেলিং বুলিলে কি বুজোৱা হয়?

২। বিদ্যালয়ত পৰামৰ্শৰ দুটা প্ৰয়োজনীয়তা উল্লেখ কৰক।

খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়ক)

প্ৰশ্ন ১। বিদ্যালয়ত পৰামৰ্শদানৰ প্ৰয়োজনীয়তা সম্পৰ্কে আপোনাৰ মতামত ব্যাখ্যা কৰক।

প্ৰশ্ন ২। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ জীৱনৰ সফলতাত পৰামৰ্শদানে কিদৰে সহায় কৰে বুলি আপুনি ভাৱে, বৰ্ণনা কৰক।

প্ৰশ্ন ৩। ছাত্ৰ-ছাত্ৰীৰ আচৰণ পৰিশোধনত পৰামৰ্শদানৰ ভূমিকা ব্যক্ত কৰক।

প্ৰশ্ন ৪। বিদ্যালয়ত পৰামৰ্শদান প্ৰক্ৰিয়াত শিক্ষকৰ ভূমিকা আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ শিক্ষকৰ বাবে পৰামৰ্শদানৰ দক্ষতাসমূহ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ শিক্ষকৰ বাবে পৰামৰ্শদান প্ৰক্ৰিয়াৰ মৌলিক দক্ষতাসমূহ
৬.৩.১ যোগাযোগৰ দক্ষতা (Communication Skills)
৬.৩.২ সহানুভূতি (Empathy)
৬.৩.৩ আন্তৰিকতা (Genuineress)
৬.৩.৪ ইতিবাচক দৃষ্টিভংগী (Positive Regard)
৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৫ অধিক জানিবলৈ
৬.৬ অগ্ৰগতিৰ খতিয়ান
৬.৭ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- শিক্ষকৰ বাবে পৰামৰ্শদানৰ দক্ষতাৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰিব পাৰিব
- বিভিন্ন দক্ষতা যেনে যোগাযোগৰ দক্ষতা, সহানুভুতি, আন্তৰিকতা, ইতিবাচক দৃষ্টিভংগী আদিৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ পূৰ্ব অধ্যায়টোত আপুনি পৰামৰ্শদানৰ গোটেই ধাৰণাটোৰ বিষয়ে এটি আভাস পালে। এই অধ্যায়টোত আপুনি শিক্ষকসকলৰ বাবে পৰামৰ্শদানৰ দক্ষতাৰ বিষয়ে জানিব পাৰিব। সাধাৰণতে শিক্ষাই এজন ব্যক্তিক শিক্ষিত কৰাৰ ভূমিকা পালন কৰে। সেয়ে জাতিৰ বাবে সু-উন্নত ব্যক্তি গঢ় দিবলৈ বিদ্যালয় হৈছে মূল অনুষ্ঠান। বিদ্যালয় এখনত আকৌ শিক্ষক হৈছে মূল ব্যক্তি বা পৰমৰ্শদাতা যিয়ে ছাত্ৰ-ছাত্ৰীসকলক প্ৰত্যক্ষভাৱে পঢ়োৱাৰ সৈতে জড়িত আৰু তেওঁলোকৰ কৰ্মদক্ষতা আৰু আচৰণৰ সৈতে মোকাবিলা কৰে। গতিকে তেনে কৰিবলৈ হ'লে এজন প্ৰশিক্ষিত পৰামৰ্শদাতাৰ দক্ষতাসমূহ এজন শিক্ষকৰ হাততো থাকিব লাগে, কাৰণ পৰামৰ্শদানৰ দক্ষতাই এটা সংগঠিত শ্ৰেণীকোঠাৰ সৃষ্টি কৰিব আৰু শিক্ষকসকলক শিক্ষণ প্ৰক্ৰিয়াটো আকৰ্ষণীয় কৰি তুলিবলৈ আৰু

শ্রেণীকোঠাত ছাত্র-ছাত্রী কিছুমানৰ আচাৰ-আচৰণত দেখা দিয়া দোষ-দুর্বলতা হ্রাস কৰিবলৈ পথ প্রদর্শন কৰিব।

৬.৩ শিক্ষকৰ বাবে পৰামৰ্শদান প্রক্রিয়াৰ মৌলিক দক্ষতাসমূহ

বিদ্যালয়ত শিক্ষার্থীৰ অভিজ্ঞতা আৰু আচৰণৰ সমস্যাবোৰ বুজিবলৈ এজন শিক্ষকে দক্ষতা শিকিব লাগিব আৰু লগা সময়ত সহায় আগবঢ়াবলৈ সক্ষম হ'বলৈ এজন শিক্ষকে যথেষ্ট পৰিমাণৰ দক্ষতা আয়ত্ব কৰিব লাগিব। এনে দক্ষতাসমূহৰ বিষয়ে তলত বিশদভাৱে আলোচনা কৰা হৈছে।

৬.৩.১ যোগাযোগৰ দক্ষতা (Communication Skills)

যোগাযোগ দক্ষতা পৰামৰ্শদাৰ এক অবিচ্ছেদ্য অংশ। পৰামৰ্শদাতা হিচাপে ফলপ্রসূ হ'বলৈ হ'লে আপুনি যোগাযোগৰ দক্ষতা ব্যৱহাৰ কৰাত পাকৈত হ'ব লাগিব। অর্থাৎ মৌখিক বার্তা বুজিব লাগিব। অকথিত বার্তা অনুভৱ কৰিব লাগিব আৰু দুয়োবিধ বার্তাৰ প্রতি মৌখিক আৰু অমৌখিক সঁহাৰি দিব পাৰিব লাগিব। এই যোগাযোগ দক্ষতাক তিনিটা ভাগত ভাগ কৰিব পাৰি— প্রকাশভংগী (Expression), শুনা আৰু সঁহাৰি দিয়া (Listening and responding) আৰু প্রতিক্রিয়া প্রকাশ কৰা (Reacting)। এই গোটেইকেইটা তলত এটা এটাকৈ আলোচনা কৰা হৈছে—

(ক) **প্রকাশভংগী (Expression)** ঃ যোগাযোগৰ অন্যতম মূল একক হৈছে প্রকাশভংগী। প্রকাশ মৌখিক বা অকথিত হ'ব পাৰে। যদিও বিভিন্ন পৰিস্থিতিত মৌখিক আৰু অকথিত যোগাযোগৰ অনুপাত বেলেগ বেলেগ হ'ব পাৰে, কিন্তু মানৱ সম্পর্ক আৰু পৰামর্শৰ ক্ষেত্রত ইয়াৰ অতি গুৰুত্বপূর্ণ প্রভাৱ আছে। যেতিয়াই এজন বক্তাই ব্যৱহাৰ কৰা শব্দৰ সৈতে সুৰ, মুখৰ ভাব, ইংগিত, ভংগীমা আৰু চকুৰ সংস্পর্শ সামঞ্জস্যপূর্ণ হয়, তেতিয়াই আমাৰ যোগাযোগ বুজি পোৱাৰ সম্ভাৱনা বেছি। কিন্তু যেতিয়া সেইবোৰ অসংগতিপূর্ণ হয় তেতিয়া ভুল বুজাবুজি হ'ব পাৰে। শব্দৰ উপৰিও অকথ্য, অকথিত আচৰণৰ তলত উল্লেখ কৰা দিশবোৰৰ প্রতিও সমানে মনোযোগ দিয়াটো প্রয়োজন।

- মুখৰ ভাব যেনে হাঁহি, ভ্রু কোঁচাই, চকুৰ গতি, ভ্রু ওপৰলৈ উঠা, ওঁঠ কামোৰা, সজাগ বা অসতর্ক ভাব ইত্যাদি।
- শৰীৰৰ ভংগিমা বা গতিবিধি।
- কণ্ঠৰ মানদণ্ড অর্থাৎ সুৰ, স্বৰ, উচ্চতা, শব্দৰ ব্যৱধান, ভাষা, বিৰতি, সাৱলীলতা, মৌনতা আদি।

প্রকাশভংগীৰ আন এটা দিশ হ'ল আমি বিশ্বাস কৰা সকলক আমি নিজৰ বিষয়ে উল্লেখযোগ্য তথ্য প্রকাশ কৰো। আকৌ তথ্যৰ সমভাগী কৰাৰ গভীৰতা বিশ্বাসৰ মানদণ্ডৰ সৈতে সম্পর্কিত। সেয়েহে, পৰামর্শদাতা আৰু পৰামর্শ গ্রহণ কৰা গৰাকীৰ মাজত থকা বিশ্বাসৰ মানদণ্ডৰ ওপৰত পৰামর্শদানৰ সফলতা নির্ভৰ কৰে। সেয়েহে পৰামর্শদাতা হিচাপে শিক্ষকৰ ভূমিকা হ'ল বিদ্যালয়ত ছাত্র-ছাত্রীসকলৰ মাজত বিশ্বাস গঢ়ি তোলা যাতে তেওঁলোকে কোনো সংকোচ নকৰাকৈয়ে নিজৰ অনুভৱ অভিব্যক্ত কৰিব পাৰে।

(খ) **শুনা আৰু সঁহাৰি দিয়া প্ৰতিক্ৰিয়া প্ৰদৰ্শন (Listening and responding)**ঃ কথা-বতৰাৰ সদায় দুটা উপাদান থাকে। সাধাৰণতে সেই কথোপকথনত নিয়োজিত দুজন মানুহে প্ৰতিটো উপাদানত ভাগ লয়। প্ৰতিজন ব্যক্তিয়ে শুনে আৰু যি শুনিছে তাৰ প্ৰতি সঁহাৰি জনায়। এই ক্ষেত্ৰত এখন বিদ্যালয়ত এই দুটা উপাদান হৈছে শিক্ষক আৰু শিক্ষাৰ্থী। সকলো যোগাযোগৰ ক্ষেত্ৰত আৰু বিশেষকৈ পৰামৰ্শ দিয়াৰ ক্ষেত্ৰত শুনাটো এটা অতি গুৰুত্বপূৰ্ণ দিশ। আমি শুনাক তিনিটা ভাগত ভাগ কৰিব পাৰো— বাহ্যিকভাৱে শুনা (Superficial listering), নিৰ্বাচিত শুনা (Selective listening) আৰু মনোযোগেৰে শুনা (Attentive listening)।

বাহ্যিকভাৱে শুনা পদ্ধতিত মানুহে আংশিক মনোযোগ দি শুনে কিয়নো মানুহে নিজেই মোকাবিলা কৰিবলগীয়া বহুতো সমস্যাৰ সন্মুখীন হয়। সেয়েহে শুনা ব্যক্তিজনে ইয়াত বৰ সুখজনক অনুভৱ নকৰিবও পাৰে।

নিৰ্বাচিত শুনাত এজনে কেৱল তেওঁলোকে শুনিব বিচৰা কথাখিনিহে শুনি থাকে আৰু বাকীখিনি সুবিধাজনকভাৱে আওকাণ কৰে, যিটো হয়তো আনজনে ক'বলৈ চেষ্টা কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ব পাৰে।

মনোযোগেৰে শুনা কেৱল শব্দৰ প্ৰতিয়েই নহয়, চিন্তা আৰু অনুভৱৰ প্ৰতিও হয়। সেই অনুভৱবোৰ সুখদায়ক হওক বা অপ্ৰীতিকৰ হওক, আনন্দদায়ক হওক বা দুখদায়ক হওক, আঘাতজনক হওক বা আশাকৰা হওক। এইটো গভীৰ আৰু গুৰুতৰ শুনা যিয়ে গভীৰ বিশ্বাস আৰু সম্পূৰ্ণ প্ৰকাশ বৃদ্ধি কৰে। বিদ্যালয়ত শিক্ষকে পৰামৰ্শদানৰ দক্ষতাৰ হিচাপে মনোযোগিতাৰে শুনাটো বাছি ল'ব লাগে। ই ছাত্ৰ-ছাত্ৰীৰ সমস্যা ফলপ্ৰসূভাৱে সমাধান কৰাত সহায় কৰিব।

সঁহাৰি দিয়া প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰা ঃ এজন ব্যক্তিয়ে যিকোনো কথা শুনা পিছত বা তথ্য লাভ কৰা পিছত কথাটোৰ প্ৰতি সঁহাৰি জনাই বা প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে। মনোবিজ্ঞানীসকলৰ মতে বিভিন্ন লোকে সাধাৰণতে আন মানুহৰ সৈতে দৈনন্দিন আন্তঃক্ৰিয়াত পাঁচ ধৰণৰ সঁহাৰি বা প্ৰতিক্ৰিয়া বেছিকৈ ব্যৱহাৰ কৰে। সেইবোৰ তলত উল্লেখ কৰা ধৰণৰ—

১। **মূল্যায়নমূলক সঁহাৰি বা প্ৰতিক্ৰিয়া (Evaluative Response)** ঃ ইয়াতে পৰামৰ্শদান পদ্ধতিত কি কৰিছে বা কি কৰা উচিত সেই সম্পৰ্কে সঠিকতা ব্যক্ত কৰে।

২। **ব্যাখ্যামূলক সঁহাৰি বা প্ৰতিক্ৰিয়া (Interpretative Response)** ঃ এনেধৰণৰ সঁহাৰিৰ উদ্দেশ্য হৈছে আনজন ব্যক্তিক তেওঁৰ সমস্যাৰ অৰ্থ কি আৰু সমস্যাটোৰ বিষয়ে তেওঁ কেনেদৰে চিন্তা কৰা বা অনুভৱ কৰা উচিত সেই বিষয়ে জনোৱা।

৩। **সহায়মূলক সঁহাৰি বা প্ৰতিক্ৰিয়া (Suhportive Response)** ঃ এনে ধৰণৰ সঁহাৰিৰ দ্বাৰা পৰামৰ্শ লাভ কৰা লোকজনৰ অনুভৱৰ তীব্ৰতাৰ হ্ৰাস-বৃদ্ধি, আশ্বস্ততা বৃদ্ধি আৰু হ্ৰাস কৰাৰ চেষ্টা কৰে।

৪। **সন্ধানমূলক সঁহাৰি বা প্ৰতিক্ৰিয়া (Probing)** ঃ এই ধৰণৰ সঁহাৰিৰ দ্বাৰা পৰামৰ্শ লাভ কৰা ব্যক্তিজনৰ পৰিস্থিতিৰ বিষয়ে তথ্য বা অনুভৱৰ বিষয়ে অধিক তথ্যৰ সন্ধান কৰে বা অধিক আলোচনাৰ সৃষ্টি কৰে।

৫। **বুজাপৰা সঁহাৰি বা প্ৰতিক্ৰিয়া (Understanding)** ঃ বুজাপৰা সঁহাৰি হৈছে এটা প্ৰতিফলিত সঁহাৰি য'ত পৰামৰ্শদাতাই পৰামৰ্শদান কৰা ব্যক্তিজনৰ অনুভৱ, সমস্যা আৰু ধাৰণাসমূহৰ বিষয়ে তেওঁৰ

বোধগম্যতাৰ বিষয়ে প্ৰকাশ কৰে।

এই ধৰণৰ যোগাযোগে পৰামৰ্শদানৰ সম্পৰ্ক স্থাপন কৰাত সহায় কৰিব পাৰে।

(গ) **প্ৰতিক্ৰিয়া প্ৰকাশ কৰা (Reacting)** ঃ কেতিয়াবা যদি পৰামৰ্শদাতাই মূল্যায়নমূলক বা বিচাৰমূলক সঁহাৰি দিয়ে, তেন্তে পৰামৰ্শ লাভ কৰা লোকজনে প্ৰতিৰক্ষামূলকভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ প্ৰৱণতা থাকে। ইয়াকে প্ৰতিক্ৰিয়া প্ৰকাশ (Reacting) বুলি কোৱা হয়। একেদৰে যেতিয়া পৰামৰ্শদাতাই বুজাপৰাৰ সঁহাৰি আৰু সমৰ্থনমূলক সঁহাৰি পৰামৰ্শ লাভ কৰাজনৰ সৈতে ব্যৱহাৰ কৰে, তেতিয়া তেওঁলোকে নিজৰ অনুভৱ আৰু অভিজ্ঞতা অধিক বিশ্বাসেৰে ব্যাখ্যা কৰাৰ প্ৰৱণতা থাকে।

৬.৩.২ সহানুভূতি (Empathy)

পৰাৰ্শদানৰ প্ৰক্ৰিয়াত সহানুভূতিৰ অৰ্থ হ'ল পৰামৰ্শ লাভ কৰাজনৰ চকুৰে তেওঁ দেখা পৃথিৱীখন নিজে অনুভৱ কৰি চোৱা। ইয়াৰ ফলত পৰামৰ্শ লাভ কাৰীয়ে এনে অনুভৱ কৰে যে আপুনি তেওঁৰ সৈতে যোগাযোগত আছে। কৰ্মিয়েৰ আৰু হেকনীয়ে শট্ৰস্নজপ্পনঙ্গজক্রস্তু ড্ডুস্তস্নঙ্গস্ত, ৰজ্মজ্মপ্তগ্ন সহানুভূতিৰ বিষয়ে দুটা পৰ্যায়ত বৰ্ণনা কৰিছে—

- ❖ পৰামৰ্শ লাভ কৰা লোজনৰ জগতখন সঠিকভাৱে অনুভৱ কৰা, অৰ্থাৎ তেওঁলোকে ভবা ধৰণে বস্তুবোৰ চাব পৰা বা বুজি উঠা।
- ❖ পৰামৰ্শ লাভ কৰা লোকজনৰ সৈতে পৰামৰ্শদাতাৰ বুজাবুজি মৌখিকভাৱে আদান-প্ৰদান কৰা।

আমি পূৰ্বে আলোচনা কৰা মতে যিকোনো আচৰণক চিন্তা, অনুভূতি আৰু কৰ্মৰ ভিত্তিত বুজা যায়। সেয়েহে, সহানুভূতিৰ যোগাযোগৰ লগত যাক পৰামৰ্শ প্ৰদান কৰা হয় সেই ব্যক্তিজনৰ ভাব-অনুভূতি আৰু আচৰণ শুনা-বুজাতো জড়িত আৰু তাৰ পিছত এই অভিজ্ঞতাৰ আধাৰতে পৰামৰ্শদাতাই ব্যক্তিজনৰ লগত যোগাযোগ কৰে। এজন শিক্ষকৰ বাবে বিদ্যালয়ত তেওঁলোকৰ ল'ৰা-ছোৱালীক সহায় আৰু বুজিবৰ বাবে সহানুভূতি গুৰুত্বপূৰ্ণ। Cormier, Weisser (১৯৮৪) আৰু Egan (১৯৮৬) ৰ মতে সহানুভূতিৰ সৈতে জড়িত দক্ষতাসমূহ হ'ল—

- ✓ অকথিত আৰু মৌখিক মনোযোগ (Non-verbal and verbal attentiveness)
- ✓ শব্দান্তৰ প্ৰকাশ (Paraphrasing)
- ✓ অনুভৱৰ প্ৰতিফলন - বাহ্যিক আৰু অন্তৰ্নিহিত (Reflection of feeling - Explicit and Implicit)
- ✓ পৰামৰ্শ লাভ কৰা লোকজনৰ অভিজ্ঞতাৰ ধৰণৰ সৈতে অগ্ৰৱৰ্তী হোৱা বা সমন্বয় হোৱা (Pacing on Synchronisation with Clients mode of Experience)

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ যোগাযোগৰ দক্ষতাৰ ভাগসমূহ উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ যোগাযোগৰ অকথিত আচৰণসমূহ উল্লেখ কৰক।

প্রশ্ন নং ৩ ঃ বাহ্যিকভাৱে শুনা বুলিলে আপুনি কি বুজে?

অনুশীলন - ১

এজন শিক্ষক হিচাপে এটা উদাহৰণৰ সহায়ত দেখুৱাওক যে আপোনাৰ শ্রেণীকোঠাত আপোনাৰ ছাত্র-ছাত্রীসকলক পৰামৰ্শ দিবলৈ কেনেকৈ যোগাযোগ দক্ষতা ব্যৱহাৰ কৰিব পাৰিব।

৬.৩.৩ আন্তৰিকতা (Genuineress)

আন্তৰিকতা মানে পৰামৰ্শদাতাই পৰামৰ্শ দিয়া জনৰ প্রতি প্রকৃত আগ্রহ প্রকাশ কৰে, যিটো তেওঁলোকৰ কথা, কার্য আৰু অনুভৱত সামঞ্জস্যতা থাকিলে স্পষ্ট ৰূপত দেখা যায়। উদাহৰণস্বৰূপে, যদি পৰামৰ্শদাতাই পৰামৰ্শ লাভ কৰা ব্যক্তিজনক কয় যে তেওঁ শুনি আছে, তেন্তে তেওঁৰ ভংগীমা আগলৈ হেলান দি শুনাৰ দৰে হ'ব আৰু আগ্রহী মুখৰ ভাব প্রত্যক্ষ চকুৰ সংস্পর্শৰ দৰে হ'ব। এইটো পৰামৰ্শৰ ক্ষেত্রত আন্তৰিকতা যিটো প্রতিজন শিক্ষকেও শিশুৰ প্রতি তেওঁলোকৰ শ্রেণীকোঠাৰ পৰামৰ্শদানৰ ক্ষেত্রত গ্রহণ কৰিব লাগে।

আন্তৰিকতা প্রকাশ কৰাৰ বাবে দুটা নির্দিষ্ট দক্ষতা আছে। সেইকেইটা হৈছে— আত্ম প্রকাশ আৰু তাৎক্ষণিকতা।

আত্মপ্রকাশ (Self-disclosure) হৈছে এনে এক দক্ষতা য'ত পৰামৰ্শদাতাই আলোচনাধীন বিষয়টোৰ সৈতে জড়িত নিজৰ অভিজ্ঞতাসমূহ ব্যক্ত কৰি নিজৰ চিন্তা আৰু অনুভৱৰ সজাগতা প্রকাশ কৰিব পাৰে। আত্মপ্রকাশৰ দ্বাৰা পৰামৰ্শদাতাই দেখুৱাব পাৰে যে পৰামৰ্শদাতা কেৱল এটা ভূমিকাই নহয়, এই ক্ষেত্রত পৰামৰ্শ লাভ কৰাৰ ব্যক্তিজনৰ দৰেই তেৰোঁ অভিজ্ঞতা থকা এজন ব্যক্তি। পৰামৰ্শদানৰ দক্ষতা হিচাপে আত্মপ্রকাশ আটাইতকৈ সফল হয় যেতিয়া পৰামৰ্শদাতাৰ অভিজ্ঞতা পৰামৰ্শ লাভ কৰা লোকজনৰ অভিজ্ঞতাৰ সৈতে একেধৰণৰ বিষয়বস্তু হয় আৰু তাৰ বিষয়ে নিজৰ জীৱনৰ কথাসমূহ মুকলিমূৰীয়াকৈ ব্যক্ত কৰা হয়।

তাৎক্ষণিকতা হৈছে আন্তৰিকতা প্রকাশ কৰাৰ আন এক দক্ষতা। পৰামৰ্শদাতা আৰু পৰামৰ্শ লাভ কৰাৰ ব্যক্তিজনে পৰামৰ্শ দিয়া আৰু লোৱাৰ সময়ত অনুভৱ কৰা আৰু অনুভৱৰ বিষয়ে বর্ণনা কৰিবলৈ ব্যৱহাৰ কৰা হয়। তাৎক্ষণিকতা এনে এক পৰিস্থিতিত ব্যৱহাৰ কৰা হয় যেতিয়া পৰামৰ্শদান সঠিক দিশত আগবাঢ়িব নোৱাৰে। এই ক্ষেত্রত কেতিয়াবা পৰামৰ্শদাতা আৰু পৰামৰ্শ লাভ কৰা ব্যক্তিজন হতাশা বা খণ্ডৰ সন্মুখীন হ'ব পাৰে কিন্তু ইয়াক স্বীকাৰ কৰিব নিবিচাৰে, কাৰণ ই সম্পর্ক গঢ়ি তোলাৰ প্রক্রিয়াত বাধাৰ সৃষ্টি কৰিব পাৰে। উদাহৰণস্বৰূপে, যেতিয়া দুবাৰ-তিনিবাৰকৈ লগ কৰি কথা পতাৰ পিছতো পৰামৰ্শ লাভ কৰা ব্যক্তিজনে মুকলি হ'বলৈ ইচ্ছুক নহয়

আৰু নিজকে আবদ্ধ হৈ থকাৰ অনুভৱ কৰে, তেতিয়া পৰামৰ্শদাতাই তাৎক্ষণিকতাকএক সঁজুলি হিচাপে ব্যৱহাৰ কৰিব পাৰে ।

৬.৩.৪ ইতিবাচক দৃষ্টিভংগী (Positive Regard)

পৰামৰ্শদাতা আৰু পৰামৰ্শ লাভ কৰা ব্যক্তিজনৰ মাজত বিশ্বাস সৃষ্টি কৰাৰ বাবে ইতিবাচক দৃষ্টিভংগী বা সন্মান অতি মূল্যবান বুলি গণ্য কৰা হৈছে। ইয়াৰ অর্থ হ'ল পৰামৰ্শদাতাই কোনো চর্ত নিদিয়াকৈ পৰামৰ্শ লাভ কৰা ব্যক্তিজনক তেওঁ যিদৰে আছে তেনেদৰেই গ্রহণ কৰে। মৌখিক আৰু অকথিত (non-verbal) দুয়োটা দক্ষতা ব্যৱহাৰ কৰি ইতিবাচক দৃষ্টিভংগী প্রকাশ কৰিব পাৰি। নিঃচর্ত ইতিবাচক দৃষ্টিভংগীৰে পৰামৰ্শ লাভ কৰা লোকজনৰ যত্ন আৰু মূল্য আৰু মর্যাদা প্রদান কৰাটো অতি গুৰুত্বপূর্ণ। ইতিবাচক দৃষ্টিভংগীৰ লগত জড়িত অকথিত আচাৰণবোৰ হ'ল কোমল আৰু শান্ত কণ্ঠস্বৰ, হাঁহিমুখীয়া, প্রত্যক্ষ চকুৰ সংস্পর্শ, মুকলি আৰু আদৰণীয় ইংগিত ইত্যাদি। ইতিবাচক গুৰুত্ব প্রদানৰ বাবে মৌখিক দক্ষতাসমূহ হ'ল শুদ্ধতা, মুখামুখিতা, কার্য পৰিকল্পনা ইত্যাদি।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ আন্তৰিকতা মানে কি?

প্রশ্ন নং ৫ ঃ আন্তৰিকতা প্রকাশ কৰা দুটা দক্ষতা উল্লেখ কৰক।

2 ৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

যোগাযোগ দক্ষতা পৰামৰ্শদানৰ এক অবিচ্ছেদ্য অংশ। পৰামৰ্শদাতা হিচাপে ফলপ্রসূ হ'বলৈ হ'লে যোগাযোগৰ দক্ষতা ব্যৱহাৰ কৰাত পাকৈত হ'ব লাগিব। অর্থাৎ মৌখিক বার্তা বুজিব লাগিব। অকথিত বার্তা অনুভৱ কৰিব লাগিব আৰু দুয়োবিধ বার্তাৰ প্রতি মৌখিক আৰু অমৌখিক সঁহাৰি দিব পাৰিব লাগিব।

আমি এই যোগাযোগ দক্ষতাক তিনিটা ভাগত ভাগ কৰিব পাৰে— প্রকাশভংগী (Expression), শুনা আৰু সঁহাৰি দিয়া (Listening and responding), প্রতিক্রিয়া প্রকাশ কৰা (Reacting)।

সকলো যোগাযোগৰ ক্ষেত্রত আৰু বিশেষকৈ পৰামৰ্শ দিয়াৰ ক্ষেত্রত শুনাটো এটা অতি গুৰুত্বপূর্ণ দিশ। আমি শুনাক তিনিটা ভাগত ভাগ কৰিব পাৰো— বাহ্যিকভাৱে শুনা (Superficial listering), নির্বাচিত শুনা (Selective listening) আৰু মনোযোগেৰে শুনা (Attentive listening)।

কেতিয়াবা যদি পৰামৰ্শদাতাই মূল্যায়নমূলক বা বিচাৰমূলক সঁহাৰি দিয়ে, তেন্তে পৰামৰ্শ লাভ কৰা লোকজনে প্রতিৰক্ষামূলকভাৱে প্রতিক্রিয়া প্রকাশ কৰাৰ প্রৱণতা থাকে। ইয়াকে প্রতিক্রিয়া প্রকাশ (Reacting) বুলি কোৱা হয়।

পৰাৰ্শদানৰ প্ৰক্ৰিয়াত সহানুভূতিৰ অৰ্থ হ'ল পৰামৰ্শ লাভ কৰাজনৰ চকুৰে তেওঁ দেখা পৃথিৱীখন নিজে অনুভৱ কৰি চোৱা।

আন্তৰিকতা মানে পৰামৰ্শদাতাই পৰামৰ্শ দিয়া জনৰ প্ৰতি প্ৰকৃত আগ্ৰহ প্ৰকাশ কৰে, যিটো তেওঁলোকৰ কথা, কাৰ্য আৰু অনুভৱত সামঞ্জস্যতা থাকিলে স্পষ্ট ৰূপত দেখা যায়।

পৰামৰ্শদাতা আৰু পৰামৰ্শ লাভ কৰা ব্যক্তিজনৰ মাজত বিশ্বাস সৃষ্টি কৰাৰ বাবে ইতিবাচক দৃষ্টিভংগী বা সন্মান অতি মূল্যবান বুলি গণ্য কৰা হৈছে। ইয়াৰ অৰ্থ হ'ল পৰামৰ্শদাতাই কোনো চৰ্ত নিদিয়াকৈ পৰামৰ্শ লাভ কৰা ব্যক্তিজনক তেওঁ যিদৰে আছে তেনেদৰেই গ্ৰহণ কৰে। মৌখিক আৰু অকথিত (nonverbal) দুয়োটা দক্ষতা ব্যৱহাৰ কৰি ইতিবাচক দৃষ্টিভংগী প্ৰকাশ কৰিব পাৰি।

০ ৬.৫ অধিক জানিবলৈ

১। Aggarwal, J. C. (1996). Essentials of Educational Technology, Vikas Publising house.

২। Makinde, O (1984). Fundamentals of Guidance and Counseling Macmillan.

K ৬.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ যোগাযোগ দক্ষতাক তিনিটা ভাগত ভাগ কৰিব পাৰে— প্ৰকাশভংগী (Expression), শুনা আৰু সঁহাৰি দিয়া (Listening and responding), প্ৰতিক্ৰিয়া প্ৰকাশ কৰা (Reacting)।

২ নং প্ৰশ্নৰ উত্তৰ ঃ যোগাযোগৰ অকথিত আচৰণসমূহ—

- ❖ মুখৰ ভাব যেনে হাঁহি, ভ্ৰু কোঁচাই, চকুৰ গতি, ভ্ৰু ওপৰলৈ উঠা, ওঁঠ কামোৰা, সজাগ বা অসতৰ্ক ভাব ইত্যাদি।
- ❖ শৰীৰৰ ভংগিমা বা গতিবিধি।
- ❖ কণ্ঠৰ মানদণ্ড অৰ্থাৎ সুৰ, স্বৰ, উচ্চতা, শব্দৰ ব্যৱধান, ভাষা, বিৰতি, সাৱলীলতা, মৌনতা আদি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বাহ্যিকভাৱে শুনা পদ্ধতিত মানুহে আংশিক মনোযোগ দি শুনে কিয়নো মানুহে নিজেই মোকাবিলা কৰিবলগীয়া বহুতো সমস্যাৰ সন্মুখীন হয়। সেয়েহে শুনা ব্যক্তিজনে ইয়াত বৰ সুখজনক অনুভৱ নকৰিবও পাৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তৰিকতা মানে পৰামৰ্শদাতাই পৰামৰ্শ দিয়া জনৰ প্ৰতি প্ৰকৃত আগ্ৰহ প্ৰকাশ কৰে, যিটো তেওঁলোকৰ কথা, কাৰ্য আৰু অনুভৱত সামঞ্জস্যতা থাকিলে স্পষ্ট ৰূপত দেখা যায়।

উদাহৰণস্বৰূপে, যদি পৰামৰ্শদাতাই পৰামৰ্শ লাভ কৰা ব্যক্তিজনক কয় যে তেওঁ শুনি আছে, তেন্তে তেওঁৰ ভংগীমা আগলৈ হেলান দি শুনাৰ দৰে হ'ব আৰু আগ্রহী মুখৰ ভাব প্রত্যক্ষ চকুৰ সংস্পর্শৰ দৰে হ'ব। এইটো পৰামৰ্শৰ ক্ষেত্রত আন্তৰিকতা যিটো প্রতিজন শিক্ষকেও শিশুৰ প্রতি তেওঁলোকৰ শ্রেণীকোঠাৰ পৰামৰ্শদানৰ ক্ষেত্রত গ্রহণ কৰিব লাগে।

৫ নং প্রশ্নৰ উত্তৰ ঃ আন্তৰিকতা প্রকাশ কৰাৰ বাবে দুটা নির্দিষ্ট দক্ষতা আছে। সেইকেইটা হৈছে— আত্ম প্রকাশ আৰু তাৎক্ষণিকতা।

M ৬.৭ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ শিক্ষকসকলৰ বাবে পৰামৰ্শদানৰ দক্ষতাৰ প্রয়োজনীয়তা কিয় আছে বুলি আপুনি ভাবে?

প্রশ্ন ২ ঃ আপোনাৰ মতে শিক্ষকৰ বাবে কোনটো পৰামৰ্শদানৰ দক্ষতা আটাইতকৈ গুৰুত্বপূর্ণ আৰু কিয়?

প্রশ্ন ৩ ঃ তাৎক্ষণিকতা আৰু আত্মপ্রকাশৰ দক্ষতা কেতিয়া ব্যৱহাৰ কৰে?

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ যোগাযোগ দক্ষতাৰ ধাৰণাটোৰ বিষয়ে বিতংভাৱে আলোচনা কৰক।

প্রশ্ন ২ ঃ যোগাযোগৰ ক্ষেত্রত মানুহে সাধাৰণতে কেনে ধৰণৰ শুনা দক্ষতা ব্যৱহাৰ কৰে? মনোযোগেৰে শুনাৰ বৈশিষ্ট্যসমূহ আঙুলিয়াই দিয়ক।

প্রশ্ন ৩ ঃ পৰামৰ্শদানৰ দক্ষতা হিচাপে ইতিবাচক দৃষ্টিভংগীৰ ওপৰত এটি চমু টোকা লিখক।

*** ***** ***

অধ্যায় ৭ ঃ কেৰিয়াৰ বিকাশ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ কেৰিয়াৰৰ ধাৰণা
৭.৪ কেৰিয়াৰ তত্ত্ব
৭.৪.১ কেৰিয়াৰ তত্ত্বৰ উৎপত্তি
৭.৫ কেৰিয়াৰ তত্ত্বৰ পৰিসৰ
৭.৬ কেৰিয়াৰ বিকাশৰ দিশসমূহ
৭.৭ অসমত মহিলাৰ বৰ্তমান অৱস্থা
৭,৭.১ সাধাৰণ অৱস্থা
৭.৭.২ শিক্ষা আৰু কেৰিয়াৰৰ ক্ষেত্ৰত অৱস্থা
৭.৮ কেৰিয়াৰ বিকাশৰ প্ৰয়োজনীয়তা আৰু সমস্যা
৭.৯ মহিলাৰ বাবে কেৰিয়াৰ বিকাশৰ বিষয়সমূহ/সমস্যাসমূহ
৭.১০ মহিলাৰ কেৰিয়াৰ বিকাশৰ কাৰক আৰু প্ৰক্ৰিয়া
৭.১১ কৌশল আৰু কাৰ্য পৰিকল্পনা
৭.১২ শিক্ষকৰ ভূমিকা
৭.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.১৪ অধিক জানিবলৈ
৭.১৫ অগ্ৰগতিৰ খতিয়ান
৭.১৬ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি

- কেৰিয়াৰৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- শিক্ষার্থীক নির্দেশনা প্রদানত কেৰিয়াৰ তত্ত্ব আৰু কেৰিয়াৰৰ ব্যক্তিত্বৰ তত্ত্বৰ নীতিসমূহৰ প্ৰয়োগ কিদৰে কৰিব লাগে সেই সম্পর্কে অৱগত হ'ব।
- বৰ্তমান সময়ত নাৰীৰ কেৰিয়াৰৰ ক্ষেত্ৰৰ অৱস্থাক বৰ্ণনা কৰিব পাৰিব

- মহিলাসকলৰ বাবে কেৰিয়াৰ বিকাশৰ প্ৰয়োজনীয়তাক উপলব্ধি কৰিব পাৰিব
- মহিলাসকলৰ বাবে কেৰিয়াৰ বিকাশৰ ক্ষেত্ৰত থকা কাৰক তথা প্ৰক্ৰিয়াসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৭২ পৰিচয়

এই অধ্যায়ত আমি কেৰিয়াৰৰ অৰ্থ, কেৰিয়াৰৰ তত্ত্ব লগতে কেৰিয়াৰ তত্ত্বৰ পৰিসৰ আৰু তত্ত্বসমূহৰ নিৰ্দেশনা আৰু পৰামৰ্শদানৰ ক্ষেত্ৰত অৱিহণা সম্পৰ্কেও চমুকৈ আলোচনা কৰা হ'ব। এটি শিশুৰ কেৰিয়াৰ পৰিকল্পনাত এই বিষয়বোৰ বৰ গুৰুত্বপূৰ্ণ। কাৰণ এটি শিশুৰ বা ব্যক্তিৰ স্ব-সন্তুষ্টি আৰু সমাজৰ বাবে নিজকে উপযোগী কৰি গঢ়ি তোলাটো নিৰ্ভৰ কৰে সঠিক কেৰিয়াৰ নিৰ্বাচনৰ ওপৰত। সেয়ে, এই অধ্যায়টিত শিক্ষার্থীক সঠিক নিৰ্দেশনা দিয়াত আপোনাক প্ৰয়োজন হোৱা কেৰিয়াৰ তত্ত্বৰ বিভিন্ন জ্ঞান আৰু কেৰিয়াৰৰ ব্যক্তিত্ব তত্ত্বসমূহৰ প্ৰায়োগিকতা সম্পৰ্কে আলোচনা কৰা হ'ব। এই অধ্যায়ত ছাত্ৰীৰ অৱস্থা, ছোৱালীৰ বাবে কেৰিয়াৰ বিকাশৰ প্ৰয়োজনীয়তা, ছোৱালীৰ বাবে কেৰিয়াৰ বিকাশৰ বিষয়, ছোৱালীৰ কেৰিয়াৰ বিকাশক প্ৰভাৱিত কৰা কাৰক আৰু অসমত কেৰিয়াৰ বিকাশৰ সম্ভাৱনাৰ ওপৰত আলোকপাত কৰি অসমৰ মহিলাৰ বৰ্তমানৰ অৱস্থাৰ ওপৰত আলোচনাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।আশা কৰা হৈছে, এই অধ্যায়টিৰ অধ্যয়নে আপোনাক এজন কুশলী শিক্ষক-নিৰ্দেশক ৰূপে নিজকে প্ৰতিষ্ঠা কৰাত সহায় কৰিব।

৭.৩ কেৰিয়াৰৰ ধাৰণা

'এজন ব্যক্তিৰ প্ৰাক্-জীৱিকাকালীন, জীৱিকাকালীন আৰু উত্তৰ-জীৱিকাকালীন জীৱনৰ পথ বা প্ৰগতিকে কেৰিয়াৰ বুলি কোৱা হয়।'

এজন ব্যক্তিয়ে শিক্ষার্থী হিচাপে, নিয়োগকৰ্তা হিচাপে আৰু পেঞ্চনাৰ হিচাপে, সকলোৱে কৰ্ম সম্পৰ্কিত ভূমিকা পালন কৰে। অন্য অৰ্থত, এজন ব্যক্তি অ-জীৱিকামূলক ভূমিকাবোৰ যেনে— গৃহকৰ্মী, নাগৰিক আদিবোৰো জীৱিকামূলক কাম-কাজৰ লগতে সমান্তৰালভাৱে চলি থাকে। এনে সৰ্বাত্মক অৰ্থত 'কেৰিয়াৰ' শব্দটো 'জীৱন-কেৰিয়াৰ' শব্দৰ সমাৰ্থক বুলি ক'ব পাৰি।

কেৰিয়াৰে ব্যক্তিৰ সম্পূৰ্ণ বিকাশক বুজায়। কেৰিয়াৰে ব্যক্তিয়ে কেনেকৈ জীৱন নিৰ্বাহ কৰে সেয়া বুজায়। কেৰিয়াৰৰ ধাৰণাই ব্যক্তিয়ে জীৱনৰ বিভিন্ন ক্ষেত্ৰত পালন কৰিব লগা ভিন্ন ভিন্ন ভূমিকাসমূহক সূচায়। এই ভূমিকাসমূহ হ'ল—

১) **জৈৱিক ভূমিকা ঃ** শিশু, ককাই-ভাই, স্বামী-স্ত্ৰী, পিতৃ আৰু সম্পৰ্ক ইত্যাদি।

২) **সামাজিক ভূমিকা ঃ** শিক্ষার্থী, বন্ধু, সমূহৰ সদস্য আৰু নাগৰিক।

৩) **বৃত্তিমূলক ভূমিকা ঃ** কর্মী, পৰিচালক ইত্যাদি।

৪) **ব্যক্তিগত ভূমিকা ঃ** সাংস্কৃতিক পৰিচয়, আত্ম-প্রকাশ, আত্ম-উপলব্ধি ইত্যাদি।

ওপৰত উল্লিখিত ব্যক্তি জীৱনৰ প্রতিটো ভূমিকাই তেওঁৰ কেৰিয়াৰৰ অভিন্ন অংগ।

চুপাৰে কেৰিয়াৰ বুলি ক'লে এজন ব্যক্তিয়ে তেওঁৰ জীৱনকালত পালন কৰিব লগা ভূমিকাৰ সমষ্টি বুলি অভিহিত কৰিছে। চুপাৰে এজন ব্যক্তিয়ে জীৱন কালত কৰা সকলো কার্যসূচী বা কাম-কাজক সম্পূর্ণ ৰূপত বুজাইছে যাৰ দ্বাৰা কেৰিয়াৰৰ পূর্ণতা পাব পাৰে। এই কাম-কাজ আৰু অন্যান্য কামবোৰ হ'ল সেইবোৰ কাম যিবোৰ পৰিয়ালত সম্পাদন কৰে, নিজৰ অভিৰুচিসমূহ চৰিতার্থ কৰাত, শাৰীৰিক সক্ষমতা, আধ্যাত্মিকতা, সমূহৰ আচৰণ আৰু ব্যক্তিগত পর্যায়ত কৰে।

গিণছ্বার্গচ আৰু মুৰে কেৰিয়াৰ মানে জীৱনত ব্যক্তিয়ে পালন কৰিব লগা সকলো ভূমিকাকে বুজাইছে। এই ভূমিকাসমূহ যেনে— নাগৰিক, পৰিয়ালৰ সদস্য, শিক্ষার্থী আৰু কর্ম ইত্যাদি। এজন ব্যক্তিয়ে এই ভূমিকাসমূহ বিভিন্ন প্রেক্ষাপটত যেনে— ঘৰ, বিদ্যালয়, সমাজ আৰু কর্মক্ষেত্রত পালন কৰে আৰু বিভিন্ন পৰিঘটনাৰ মাজেদি যেনে— বিদ্যালয়ত প্রৰেশ কৰি, চাকৰি কৰি, বিবাহ বা অৱসৰ গ্রহণ কৰি নিজকে বিচাৰি পায়। এই কেৰিয়াৰৰ 'বিকাশ' বুলিলে ব্যক্তিয়ে প্রত্যহ নিজকে সজোৱাৰ বা গঢ়াৰ প্রক্রিয়াক সূচায়।

৭.৪ কেৰিয়াৰ তত্ত্ব

এজন ব্যক্তিয়ে কেৰিয়াৰত প্রৰেশ কৰিবলৈ প্রস্তুতি কৰোতে তেওঁ কিছুমান সিদ্ধান্ত গ্রহণৰ মাজেদি আগবাঢ়ে। এই প্রক্রিয়াত বিভিন্ন ধৰণৰ মানৱ আচৰণৰ মনোবৈজ্ঞানিক আৰু সামাজক ক্রিয়াশীল শক্তিয়ে ভূমিকা পালন কৰে। অর্থাৎ কেৰিয়াৰ নির্বাচন কৰোতে ভালে সংখ্যক ব্যক্তিগত-সামাজিক আৰু শৈক্ষিক-বৃত্তিমূলক উপাদানে বৰঙনি যোগায়। যেতিয়া এই উপাদানসমূহৰ প্রভাৱক বুজি সেইবোৰক এক যুক্তিসংগত সম্পর্কত সংগঠিত কৰা হয়, তেতিয়াই এটা তত্ত্ব বিধিবদ্ধ কৰা হয়। গতিকে এটা তত্ত্ব হ'ল এক যুক্তিসংগতভাৱে ধার্য কৰা কিছুমান অনুমান বা প্রতিজ্ঞা যাৰ দ্বাৰা অতীতৰ ব্যাখ্যা কৰিব পাৰি আৰু ভৱিষ্যতৰ সম্পর্কে ভৱিষ্যদ্বাণী কৰিব পাৰি। মানৱ আচৰণৰ তত্ত্ববোৰে ব্যক্তিসকলক তেওঁলোকৰ পৰিৱেশত অধ্যয়ন কৰিবলৈ চেষ্টা কৰে আৰু তেওঁলোকে কেনে ধৰণে তেওঁলোকৰ ব্যক্তিগত-সামাজিক আৰু শৈক্ষিক-বৃত্তিগত কাম-কাজবোৰ পৰিচালনা কৰে সেয়া বুজি উঠা। এটা কেৰিয়াৰ তত্ত্বই বিশেষভাৱে কেৰিয়াৰ আচৰণসমূহ বুজিবলৈ প্রচেষ্টা চলায়। ই সেই মানৱ অভিপ্রায়বোৰ, দক্ষতাবোৰ আৰু আর্থ-সামাজিক প্রভাৱবোৰক সংগঠিত কৰে যিবোৰে ব্যক্তিৰ মাজত কেৰিয়াৰৰ লক্ষ্যৰ উৎপত্তি, বৃদ্ধি আৰু প্রয়োগত অৱিহণা যোগায়।

৭.৪.১ কেৰিয়াৰ তত্ত্বৰ উৎপত্তি

কেৰিয়াৰ তত্ত্বই কেনেকৈ আৰু কিয় ব্যক্তিয়ে এক নির্দিষ্ট কেৰিয়াৰত প্রৰেশ কৰে তাক ব্যাখ্যা কৰাৰ

প্ৰয়োজনত উদ্ভৱ হয়। তলত চমুকৈ কেৰিয়াৰ তত্ত্বৰ বিকাশ সম্পৰ্কে দাঙি ধৰা হ'ল।

প্ৰথমে কেৰিয়াৰ তত্ত্বক জীৱিকাৰ বৈশিষ্ট্যমূলক মনোবিজ্ঞান বুলি জনা গৈছিল। বৈশিষ্ট্যমূলক মনোবিজ্ঞান হিচাপে কেৰিয়াৰ তত্ত্বই পুৰুষ আৰু মহিলাই বিস্তৃত ক্ষেত্ৰৰ বৃত্তি বা জীৱিকাসমূহৰ ক্ষেত্ৰত সফল হ'বনে বিফল হ'ব সেই সম্পৰ্কে অধ্যয়ন কৰিছিল। এই ব্যক্তিত্বৰ বিভিন্ন লক্ষণসমূহ য'ত জনসাংখ্যিক, সামাজিক আৰু মনোবৈজ্ঞানিক চলকবোৰ অন্তৰ্ভুক্ত হয়, তাৰ ভিত্তিত ব্যক্তিক বিভিন্ন বৃত্তিৰ লগত মিলাই চোৱা হয়। পিয়েৱচনে প্ৰথমে মনোবিজ্ঞানৰ নীতি অনুসৰি সফলভাৱে ব্যক্তিক বৃত্তিগত নিৰ্দেশনা প্ৰদান কৰিছিল। কাম আৰু ব্যক্তিৰ মাজত সঠিক সমন্বয় আনিবলৈ তেওঁ ব্যক্তিৰ ওপৰত প্ৰৱণতাৰ অভীক্ষা অনুষ্ঠিত কৰিছিল আৰু তাক বৃত্তিমূলক তথ্যৰ লগত সংযোগ কৰিছিল। পিয়েৱচনে কেৰিয়াৰ পৰামৰ্শদান প্ৰক্ৰিয়াত তিনিটা পদক্ষেপ হাতত লৈছিল— আত্ম-বিশ্লেষণ, বৃত্তিমূলক বিশ্লেষণ আৰু প্ৰকৃত বা সত্য যুক্তি প্ৰদৰ্শন।

প্ৰথম বিশ্বযুদ্ধত প্ৰৱণতাৰ অভীক্ষাই ব্যক্তিক সঠিক কৰ্মত নিয়োগত বহুত সহায় কৰিছিল। মিলিটেৰী সেৱাত ব্যক্তি নিয়োগত সেই সময়ত প্ৰৱণতা অভীক্ষাই যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছিল। আলফ্ৰেড বিনেৰ নেতৃত্বত আৰম্ভ হোৱা বুদ্ধিৰ অভীক্ষাসমূহে প্ৰথম বিশ্বযুদ্ধত আৰ্মি আলফা টেষ্ট প্ৰস্তুত কৰাত সহায় কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত যথেষ্ট উন্নতমানৰ অভীক্ষা যেনে— আৰ্মি জেনেৰেল শ্ৰেণীকৰণ অভীক্ষা ব্যৱহৃত হৈছিল। দুখন বিশ্বযুদ্ধই আমেৰিকাত অভীক্ষা প্ৰস্তুতৰ ক্ষেত্ৰত বিপ্লৱৰ সূচনা কৰিছিল আৰু নতুন অভীক্ষা প্ৰস্তুত কৰাত আৰু কৰ্মীসকলৰ ওপৰত গৱেষণাৰ সূচনা হৈছিল।

বিশ্বযুদ্ধ শেষ হোৱাৰ পিছত কৰ্মহীন হৈ পৰা সৈনিকসকলক পুনৰ অসামৰিক সেৱাত সঠিক কৰ্মত নিয়োগ কৰাৰ সুযোগ আহিল। ইয়াৰ ফলত কৰ্ম-বিশ্লেষণ, দক্ষতাৰ প্ৰোফাইল আৰু কৰ্ম চাইকোগ্ৰাফ আদিবোৰ কৰ্মৰ ক্ষেত্ৰত কৰ্মী নিৰ্বাচনৰ দিশত সুদৃঢ় হ'বলৈ ধৰিলে। এই দিশত কিছুমান উল্লেখযোগ্য অৱদান হ'ল সাধাৰণ প্ৰৱণতাৰ টেষ্ট বেটাৰী, বৃত্তিমূলক উপাধিবোৰৰ অভিধান আৰু বৃত্তিমূলক দৃষ্টিভংগীৰ হাতপুথি ইত্যাদি। ইয়াৰোপৰি ই. এল. থৰ্ণডাইক আৰু এডউইন ঘিচেলিয়ে বৃত্তিত পছন্দৰ লগত সফলতা সম্পৰ্কত তথ্য প্ৰদান কৰিছিল। বিখ্যাত কেৰিয়াৰ তত্ত্ববিদ এনী ৰো, জে. এল. হোলান্দে ব্যক্তিত্বৰ সংলক্ষণ আৰু বৃত্তিৰ লগত সমন্বয়ৰ সন্ধান কৰি সফলতা আৰু কৰ্মত প্ৰাপ্তি অৰ্জন কৰা।

বৃত্তিমূলক মনোবিজ্ঞানত এতিয়াও বৈশিষ্ট্যমূলক মনোবৈজ্ঞানিক অভিগমন ব্যৱহৃত হৈ আছে। বৰ্তমান সময়ত উন্নতমানৰ জ্ঞান আৰু প্ৰয়োগ নিৰ্দেশনা তত্ত্বত ব্যৱহাৰ হৈছে, নিদানমূলক মনোবিজ্ঞান, চাইকোমেট্ৰিক, ব্যক্তিত্বৰ তত্ত্ব, সমাজ মনোবিজ্ঞান আদিবোৰে বহুদূৰ আগুৱাই গৈছে আৰু ব্যক্তিৰ বিকাশমূলক দিশসমূহত গুৰুত্ব দিছে। শিশু কেৰিয়াৰৰ বিকাশমূলক মনোবিজ্ঞানে শিশুৱে কেৰিয়াৰৰ বাবে কৰা পৰিকল্পনাৰ পৰা আৰম্ভ কৰি কেৰিয়াৰ বাচনিৰ প্ৰচেষ্টাৰ সময়লৈকে অনুসৰণ কৰে। সময়ৰ ক্ৰম আগবঢ়াৰ লগে লগে বৃত্তিমূলক মনোবিজ্ঞান বিকাশমূলক মনোবিজ্ঞানলৈ ধাৰিত হ'বলৈ ধৰিলে আৰু 'কেৰিয়াৰ মনোবিজ্ঞান' বুলি পৰিচিতি লাভ কৰিলে। গিণছবাৰ্গৰ মতে বৃত্তিমূলক পছন্দ এক বিকাশমূলক প্ৰক্ৰিয়াক অনুসৰণ কৰে। এনে প্ৰেক্ষাপটত ব্যক্তিত্বৰ তত্ত্ববিদবোৰ আৰু হোলান্দে তেওঁলোকৰ তত্ত্বত বিকাশমূলক পৰিচয় সংযোজিত কৰিছে। তেওঁলোকে কয় যে ব্যক্তিৰ ব্যক্তিত্ব যেতিয়া কোনো কৰ্মৰ সৈতে খাপ খায়, তেওঁ পৰৱৰ্তী পৰ্যায়তো আৰু ভাল সুযোগ বিচাৰি নিজৰ কেৰিয়াৰৰ

উন্নতি ঘটাব বিচাৰে।

৭.৫ কেৰিয়াৰ তত্ত্বৰ পৰিসৰ

কেৰিয়াৰৰ লগত মনোবৈজ্ঞানিক আৰু সামাজক প্রয়োজনীয়তা আছে। কেৰিয়াৰ তত্ত্ব আৰু কেৰিয়াৰ মনোবিজ্ঞানৰ প্রায়োগিকতা এনে প্রেক্ষাপটতে আছে য'ত মনোবৈজ্ঞানিক, সমাজতাত্ত্বিক আৰু বৃত্তিমূলক ক্ষেত্রত সিদ্ধান্ত গ্রহণৰ প্রাসংগিকতা আছে। তিনিটা দিশত কেৰিয়াৰ তত্ত্বৰ পৰিসৰ বিস্তৃত হৈ আছে। সেয়া হ'ল—

১) কেৰিয়াৰ তত্ত্বই বিভিন্ন পৰিস্থিতিৰ সম্পর্কে বুজাটো প্রয়োজনীয়। ই ব্যক্তিৰ ঘৰুৱা পৰিৱেশ আৰু বিদ্যালয়ৰ পৰিস্থিতিৰ বিভিন্ন উপাদানবোৰক গ্রহণ কৰে। ঘৰখনেই প্রথমে ব্যক্তিগত আৰু সামাজিক কৌশলৰ লগতে কেৰিয়াৰৰ শিক্ষা আৰু স্ব-অন্বেষণ শিশুক প্রদান কৰে। বিদ্যালয়ে শিক্ষার্থীক স্ব-অন্বেষণৰ বাবে সুচল পৰিৱেশ প্রদান কৰে। বিদ্যালয়ে শিক্ষার্থীক নিজৰ দক্ষতা আৰু আগ্রহ অনুসৰি সঠিক বিষয় নির্বাচনত সহায় কৰে। বিদ্যালয়ে শিক্ষার্থীক কর্মৰ জগতখনৰ বিষয়ে জনায়, চাকৰিৰ সাক্ষাৎকাৰৰ বাবে সাজু কৰে, সঠিক মনোভাৱ গঢ়াত, চাপ-ব্যৱস্থাপনা কৰাত আৰু যোগাযোগ কৌশল অর্জনত সহায় কৰে। বিদ্যালয়ে নিজৰ মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ দায়িত্ব ল'বলৈ প্রশিক্ষণ দিয়ে।

২) কেৰিয়াৰ তত্ত্বৰ লগত জড়িত প্রধান ক্ষেত্রবোৰ হ'ল বিদ্যালয়ত শৈক্ষিক-বৃত্তিমূলক নির্দেশনা আৰু পৰামর্শদান, বাচনিত জড়িত কর্মীসকলৰ মনোবিজ্ঞান, কর্মীসকলৰ প্রশিক্ষণ আৰু পদোন্নতি, কর্ম অভিৰোচনা আৰু দলীয় চালিকা শক্তিসমূহ।

৩) কেৰিয়াৰ তত্ত্বৰ নীতিসমূহৰ মূল হ'ল ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ জ্ঞান। এই জ্ঞানত অন্তর্ভুক্ত দিশসমূহ হ'ল— ব্যক্তিৰ সংজ্ঞানাত্মক, আনুভূতিক, নৈতিক আৰু সামাজিক বিকাশ, কৈশোৰ মনোবিজ্ঞান, বৃত্তিমূলক আচৰণ, সংস্থামূলক আচৰণ আৰু শ্রমিক অর্থনীতি। সমাজ বিজ্ঞানীসকলে এজন কর্মীক এক গতিশীল দৃষ্টিভংগীৰে চায় আৰু ব্যক্তি আৰু সমাজৰ মাজৰ আন্তঃক্রিয়াক উন্মুক্ত কৰে।

ওপৰৰ সমগ্র আলোচনাৰ পৰা বুজা যায় যে কেৰিয়াৰ তত্ত্বই এজন পৰামর্শদাতাক সঠিকভাৱে আৰু আত্মবিশ্বাসেৰে নির্দেশনা দিয়াত সহায় কৰে। নির্দেশনা প্রক্রিয়াক অধিক কার্যক্ষম আৰু কার্যকৰী কৰি তুলি শিক্ষার্থীৰ আচৰণৰ সঠিক ভৱিষ্যবাণী কৰিব পাৰে। কেৰিয়াৰ তত্ত্বৰ সহায়ত প্রয়োজনীয় মধ্যস্থ কৌশল অৱলম্বন কৰিব পাৰে। ইয়াৰোপৰি কেৰিয়াৰ তত্ত্বই নির্দেশনা আৰু পৰামর্শদান ক্ষেত্রত গৱেষণা কৰি নতুন দিশ উন্মোচন কৰি নতুন দিশা দিব পাৰে।

ৱ অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কেৰিয়াৰ তত্ত্বই কিদৰে অৰিহণা যোগায় ?

৭.৬ কেৰিয়াৰ বিকাশৰ দিশসমূহ

নির্দেশনা পৰামর্শদান কার্যসূচীৰ এক অন্যতম কার্যসূচী হ'ল কেৰিয়াৰ সম্পর্কীয় পৰামর্শদান। কেৰিয়াৰৰ পৰামর্শদান মানে কেৱল কাম বা চাকৰি বিচৰা আৰু সংস্থাপন নহয়। কেৰিয়াৰ সম্পর্কীয় পৰামর্শদানৰ উদ্দেশ্য হ'ল এজন ব্যক্তিক নিজৰ জীৱনৰ লক্ষ্যসমূহ, উদ্দেশ্যসমূহ সঠিকভাৱে বাছনি কৰি এক অর্থপূর্ণ কেৰিয়াৰ গঢ়াত সহায় কৰা।

মানুহৰ বিকাশৰ সৈতে বহু দিশ জড়িত থাকে; তেনে দিশসমূহ হ'ল — ব্যক্তিৰ শাৰীৰিক, সামাজিক, আৱেগিক, নৈতিক, জ্ঞানমূলক, আধ্যাত্মিক দিশ আদি। সেয়ে মানৱ বিকাশক এক জটিল বিষয় হিচাপে গণ্য কৰা হয়; কাৰণ কোনো ব্যক্তিসত্তাৰ সর্বাত্মক বিকাশ এই দিশসমূহৰ সমন্বয়পূর্ণ আৰু পাৰস্পৰিক নির্ভৰশীলতাৰ মাজতে বর্তি থাকে। এজন ব্যক্তিয়ে যদি সফলভাৱে সামাজিক পৰিৱেশত খাপ খাব পাৰে বা সুন্দৰ আন্তঃসম্পর্ক গঢ়িব পাৰে তেন্তে তেওঁ কেৰিয়াৰ বিকাশতো সফল হ'ব পাৰে। সেয়ে কেৰিয়াৰ বিকাশ এক সর্বব্যাপ্ত বিষয় বুলি বিবেচনা কৰা হয়। ল'ৰা-ছোৱালীৰ সুস্থ বিকাশত তলত উল্লেখ কৰা দিশসমূহত বিকাশ হোৱাটো অতি জৰুৰী—

১) শাৰীৰিক সক্ষমতা

২) আৱেগিক পৰিপক্কতা

৩) যোগাযোগ কৌশল

৪) কর্ম দক্ষতা / কৌশল আৰু সক্ষমতা

আমি বিভিন্ন কেৰিয়াৰৰ লগত জড়িত ব্যক্তিসকলক পর্যবেক্ষণ কৰোঁ। তেওঁলোকে কেনেকৈ নিজৰ কেৰিয়াৰ বাছনি কৰিছিল‌হু হয়তো তেওঁলোকে সু-পৰিকল্পনাৰে এটা বিষয় অধ্যয়ন কৰিছিল। তেওঁলোকে হয়তো বহু বিকল্পৰ মাজৰ পৰা বিষয়টো বাছনি কৰি পৰিকল্পিতভাৱে পঢ়ি তাৰ পৰৱর্তী কালত নিজৰ কেৰিয়াৰক গঢ় দিছিল। এই বিকল্পসমূহৰ মাজৰ পৰা সঠিক বিকল্প বাছনি কৰোতে শিক্ষার্থীৰ মানসিক পৰিপক্কতাৰ ভূমিকা থাকে। এজন ব্যক্তিয়ে ভৱিষ্যত কেৰিয়াৰ সম্পর্কে ক্রমাগতভাৱেহে সচেতন হৈ উঠে। এই সচেতনতাতেই চাকৰি বা কর্মৰ স্থায়িত্ব, অর্থনৈতিক নিৰাপত্তা আৰু ব্যক্তিগত সন্তুষ্টি জড়িত হৈ থাকে। এজন ব্যক্তিৰ কেৰিয়াৰ পৰিকল্পনা আৰু পৰিকল্পনাৰ পৰৱর্তী কার্যসমূহক সূচল কৰে ভিন ভিন কাৰকে; যথা — বিভিন্ন তথ্যৰ খবৰ কিমান লাভ কৰিছে, কেনে ধৰণৰ পৰিৱেশ‌ঢ়পৰিস্থিতিত থাকে আৰু কেনেধৰণৰ ঘটনা‌ঢ়পৰিঘটনাৰ মাজেদি জীৱন পাৰ হৈছে, ইত্যাদি। অর্থাৎ শিশুৱে কেনেধৰণৰ ৰোল মডেল, ঘৰুৱা পৰিৱেশ, বিদ্যালয় পাঠ্যক্রম আৰু অন্যান্য উপাদান, যেনে— পৰামর্শদানকাৰী, শিক্ষক আৰু সমনীয়া দল পাইছে তাৰ ওপৰতো কেৰিয়াৰৰ বিকাশ নির্ভৰ কৰে। বিদ্যালয়ত হাতে-কামে কাম কৰাৰ পৰিৱেশ থাকিলে শিশুৰ এই ক্ষেত্রত বেছি সুবিধা হয়। সেয়ে, কেৰিয়াৰৰ বিকাশ হ'ল নিজৰ সম্পর্কে এক নিৰন্তৰ শিকণ প্রক্রিয়া যাৰ দ্বাৰা কর্মৰ জগতখন আৰু ব্যক্তিৰ ব্যক্তিগত সমল, পৰিয়ালৰ সমল আৰু পছন্দৰ পর্যাপ্ততাৰ বিপৰীতে নিজকে পৰীক্ষা কৰা হয়। শিক্ষার্থীয়ে বয়স বঢ়াৰ লগে লগে কেৰিয়াৰ সম্পর্কে অধিক পৰিপক্কতা লাভ কৰে। কেৰিয়াৰ পৰিপক্কতাৰ ক্ষেত্রত সহায়ক কাৰকসমূহ হ'ল — প্রয়োজনীয় মনোভাব, জ্ঞান আৰু কৌশল। এইবোৰৰ দ্বাৰা ব্যক্তিয়ে ভৱিষ্যতৰ কর্মী হিচাপে প্রয়োজন হোৱা জ্ঞান আহৰণ কৰে আৰু তেওঁৰ কর্ম জীৱনৰ দীর্ঘম্যাদী লক্ষ্যবোৰত উপনীত হয়।

৭.৭ অসমত নাৰীৰ বৰ্তমান অৱস্থা

যিকোনো সমাজত নাৰীৰ অৱস্থা তেওঁলোকৰ সজাগতাৰ স্তৰ, কৰ্মত অংশগ্রহণৰ ধৰণ, স্বাস্থ্যৰ অৱস্থা, অৰ্থনৈতিক অৱস্থা, শৈক্ষিক অৱস্থা, সক্রিয় অংশগ্রহণ, সিদ্ধান্ত গ্রহণৰ অৱস্থা আদিৰ দ্বাৰা নির্ধাৰিত হয়। মানৱ উন্নয়ন আৰু লিংগ সমতাৰ ক্ষেত্রত ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত অসমৰ অৱস্থা আটাইতকৈ বেয়া নহয় যদিও ইয়াৰ স্থান যথেষ্ট নিম্ন। দেশৰ বাকী অংশত বসবাস কৰাসকলৰ তুলনাত অসমত নাৰীৰ মর্যাদা অলপ বেলেগ বুলি গণ্য কৰা হয়। ইয়াৰ অর্থ অৱশ্যে এইটো নহয় যে ইয়াত নাৰী পুৰুষৰ সম পর্যায়ত আছে। এই পার্থক্যৰ কাৰণ হ'ব পাৰে বিভিন্ন কাৰক যেনে, জাতিগত গতিশীলতাত কম বাধা, পর্দা ব্যৱস্থাৰ অনুপস্থিতি, জনজাতীয় কর্ম পদ্ধতিৰ দীর্ঘদিনীয়া প্রভাৱ য'ত গ্রাম্য অর্থনীতি বহুলাংশে মহিলাৰ শ্রম আৰু মহিলা উদ্যোগীকৰণৰ সৈতে গভীৰভাৱে সম্পর্কিত।

৭.৭.১ সাধাৰণ অৱস্থা

কর্মত অংশগ্রহণৰ ক্ষেত্রত মহিলা কর্মীৰ অংশগ্রহণৰ হাৰ (FWPR) বেছি। কিন্তু মহিলাসকলে অর্থনৈতিকভাৱে লাভৱান নহয় যদিও তেওঁলোকে কাম-কাজৰ বোজা অধিকাংশ বহন কৰে। অসমত মহিলাসকলৰ কর্ম অংশগ্রহণৰ হাৰ প্রাথমিক খণ্ডত পুৰুষতকৈ বেছি। কিন্তু এয়া মাধ্যমিক আৰু সেৱা খণ্ডত কম। নব্বৈৰ দশকৰ পৰা সংগঠিত খণ্ডত মহিলাৰ নিয়োগ প্রায় ৩০ শতাংশ, য'ত এই খণ্ডত নিয়োজিত সৰহসংখ্যক মহিলাই হয় স্থায়ী, অস্থায়ী বা নৈমিত্তিক শ্রমিক হিচাপে অসমৰ চাহ উদ্যোগত নিয়োজিত হৈ আছে। কিন্তু চাহ উদ্যোগত নাৰী সদায় যে শ্রমিক হিচাপে নিয়োজিত হৈ আহিছে সেয়াও স্পষ্ট। অতি শেহতীয়াকৈহে ২০০ বছৰীয়া পৰম্পৰা ভংগ কৰি ২০১৮ চনত শ্রীমতী ড^{0} মঞ্জু দেৰীয়ে প্রথমবাৰৰ বাবে চাহ বাগিচাৰ প্রবন্ধকৰ পদত উপবিষ্ট হৈছে।

এই কথা সত্য যে অসমত মহিলাৰ অৱস্থান সিদ্ধান্ত গ্রহণকাৰী সংস্থাসমূহত নাৰীৰ অৱস্থানৰ দিশৰ পৰা চাবলৈ গ'লে সবাতোকৈ বেয়া। সিদ্ধান্ত গ্রহণকাৰী সংস্থাসমূহত নাৰী অৱস্থানৰ ক্ষেত্রত অসমত মহিলাৰ মর্যদা আটাইতকৈ বেয়া বুলি কোৱাটো এটা সত্য। কেৱল নির্বাচিত সংস্থাসমূহত নহয়, প্রশাসনিক পদসমূহতো মহিলাৰ অংশগ্রহণ কম। মহিলা স্বাস্থ্যৰ ক্ষেত্রত অসমত মৃত্যুৰ হাৰ অধিক আৰু সময়ৰ লগে লগে এই হাৰ বৃদ্ধি পাইছে। নমুনা পঞ্জীয়ন ব্যৱস্থা, ভাৰতৰ মহাপঞ্জীয়ক, ২০১৬-১৮ ৰ মতে, অসমত এম এম আৰ হৈছে প্রতি ১,০০,০০০ লাখৰ বিপৰীতে ২১৫ (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রালয়)। অসমত লিংগ অনুপাত ১০০০-৯৫৪।

৭.৭.২ শিক্ষা আৰু কেৰিয়াৰৰ ক্ষেত্রত অৱস্থা

এগৰাকী নাৰীৰ কেৰিয়াৰ নির্ধাৰণ কৰে তেওঁৰ শৈক্ষিক ভিত্তিয়ে। আনুষ্ঠানিক শিক্ষাই মহিলাসকলৰ কর্ম অংশগ্রহণক প্রভাৱিত কৰে বুলি জনা যায় আৰু ই মহিলাসকলৰ সম্ভাৱনাৰ বিকাশত সহায় কৰি আহিছে। স্বাধীনতাৰ পাছৰে পৰা মহিলাৰ সাক্ষৰতাৰ পর্যায় ক্রমাগতভাৱে উন্নত হৈ আহিছে যদিও পুৰুষৰ তুলনাত ই এতিয়াও বেছ

পিছপৰা। উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহত নামভৰ্তি কৰা মহিলাৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছে। কাৰিকৰী আৰু পেছাদাৰী ধাৰাত মহিলাৰ অংশগ্ৰহণ লক্ষণীয়ভাৱে বৃদ্ধি পাইছে। অসমৰ মহিলা সাক্ষৰতাৰ হাৰ ৬৭.৩% (২০১১ চনৰ লোকপিয়ল অনুসৰি)। সাক্ষৰতাৰ হাৰত পুৰুষৰ মহিলাৰ ব্যৱধান এতিয়াও লক্ষণীয় যদিও সময়ৰ লগে লগে ই হ্ৰাস পাইছে আৰু ই সৰ্বভাৰতীয় গড়ৰ তুলনাত বহু কম। কিন্তু ১৯৮১ চনৰ পৰা ২০০১ চনলৈ অসমত ল'ৰা-ছোৱালী উভয়ৰে (বিশেষকৈ) শিক্ষা বাদ দিয়াৰ হাৰ সৰ্বভাৰতীয় গড়তকৈ অধিক হৈয়েই থাকিল।

এই কথা লক্ষণীয় যে ল'ৰাৰ ক্ষেত্ৰত লাভ কৰা শিক্ষাৰ স্তৰটো বৃত্তিগত সুযোগৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত। কিন্তু ছোৱালীৰ ক্ষেত্ৰত সেয়া নহয়। বহু ছোৱালীয়ে উচ্চ শিক্ষাৰ বাবে ল'ৰাৰ সৈতে বিষয় বাছনিৰ ক্ষেত্ৰত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ বা নিজকে বিকাশ কৰিবলৈ অনুপ্ৰাণিত নহয়, তাৰ বিপৰীতে তেওঁলোকে সেয়া উন্নত জীৱন লাভৰ মাধ্যম হিচাপে, প্ৰাপ্তবয়স্ক বা পৰিস্থিতিৰ প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰাৰ ক্ষমতা, উন্নত মিল বিচাৰিবলৈ, ভাল হ'বলৈ মাতৃ আৰু কেৰিয়াৰৰ প্ৰস্তুতি হিচাপেহে বিচাৰে। এক অৰ্থত কলেজীয়া শিক্ষা গ্ৰহণৰ সমাপ্তিৰ লগে লগে সকলো কথাৰ অন্ত পৰে।

অৱশ্যে অসমত মহিলাৰ বাবে বিভিন্ন আঁচনি আছে। এইবোৰ যিবোৰ কেন্দ্ৰীয়ৰ লগতে ৰাজ্যিক পৃষ্ঠপোষকতাত আছে। এই আঁচনিসমূহে অন্যান্য বৈধ গুৰুত্বপূৰ্ণ পৰিমাপসমূহৰ উপৰিও নিয়োগ, শিক্ষা আৰু স্বাস্থ্যৰ বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

৭.৮ কেৰিয়াৰ বিকাশৰ প্ৰয়োজনীয়তা আৰু সমস্যা

আপুনি জানে যে লিংগ বা আন কোনো পাৰ্থক্য নিৰ্বিশেষে মৌলিক আৰু উচ্চ পৰ্যায়ৰ প্ৰয়োজনীয়তাসমূহ সাৰ্বজনীনভাৱে বিদ্যমান। আমাৰ বাবে এইটো সকলো স্তৰতে শিক্ষাৰ সুবিধা লাভ কৰাটো আমাৰ বাবে অতি প্ৰয়োজনীয়। ছোৱালীবোৰক নিজৰ শিক্ষাক সুবিধাৰ বাবে ব্যৱহাৰ কৰিবলৈ আৰু নিয়োগ খণ্ডত নিজৰ উপযুক্ত স্থান দখল কৰিবলৈ অনুপ্ৰাণিত কৰিব লাগিব। এই ক্ষেত্ৰত প্ৰস্তুত আৰু প্ৰশিক্ষণ দিয়াটো অধিক গুৰুত্বপূৰ্ণ। কৰ্ম পৰিস্থিতিয়ে তেওঁলোকক আত্মপ্ৰকাশৰ সুযোগ প্ৰদান কৰে আৰু সামাজিক সংযোগ, অৰ্থনৈতিক স্বাধীনতা প্ৰদান কৰে আৰু অন্যান্য আত্ম-বাস্তৱীকৰণৰ বিভিন্ন প্ৰয়োজনীয়তা পূৰণ কৰে।

৭.৯ মহিলাৰ বাবে কেৰিয়াৰ বিকাশৰ বিষয়সমূহ/সমস্যাসমূহ

আপুনি শিক্ষক হিচাবে লক্ষ্য কৰিছে য়ে ছোৱালীৰ কেৰিয়াৰ বিকাশৰ লগত বিভিন্ন বিষয়/সমস্যা আছে। মহিলাৰ কেৰিয়াৰ বিকাশৰ সমস্যাসমূহ উদ্ভৱ হয় কিছুমান বৃত্তিৰ ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণৰ ক্ষেত্ৰত থকা গতানুগতিক ধাৰণা, মাত্ৰাধিক নাৰীবাদ, আত্ম-কাৰ্যকাৰিতাৰ ক্ষেত্ৰত বহুতৰ মনত থকা ঋণাত্মক মনোভাৱ, সাবস্থ্যকৰণৰ অভাৱ, কৰ্ম ক্ষেত্ৰত হোৱা যৌন শোষণ ইত্যাদি। এই অধ্যায়ত এই সমস্যাবোৰৰ বিষয়ে আলোচনা কৰো আহক।

- **সামাজিকভাৱে আৰোপিত লিংগ বৈশিষ্ট্য বোৰ ঃ** লিংগৰ স্বাভাৱিক পাৰ্থক্যই কেতিয়াও কোনো লিংগৰ বিকাশত বাধাৰ সৃষ্টি কৰা নাই। কিন্তু সামাজিক যৌন ভূমিকাৰ ওপৰত ভিত্তি কৰি লোৱা ভুল ধাৰণাসমূহৰ

ফলত মহিলাসকলৰ বিৰুদ্ধে বৈষম্যৰ সৃষ্টি হয়। ই তেওঁলোকৰ কেৰিয়াৰ বিকাশত বিৰূপ প্ৰভাৱ পেলায়। পুৰুষ-মহিলাৰ ব্যক্তিগত আৰু সামাজিক দায়িত্বৰ বিষয়ে লিংগ নীতিসমূহ প্ৰায়ে পুৰুষ আৰু নাৰীসুলভ বৈশিষ্ট্যৰ সম্পৰ্কীয় বিশ্বাসৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হৈছে। যেনে- আক্ৰমণাত্মকতা, আত্মবিশ্বাস, স্বাধীনতা আদিক পুৰুষৰ বৈশিষ্ট্য হিচাপে গণ্য কৰাৰ বিপৰীতে লালন-পালন, সংবেদনশীলতা, নিষ্ক্ৰিয়তা আদিক নাৰীসুলভ বৈশিষ্ট্য হিচাপে যেন নিৰ্দিষ্ট কৰি দিয়া হৈছে। এই দিশবোৰে ছোৱালীৰ বাবে কেৰিয়াৰৰ বাছনিত বাধাৰ সৃষ্টি কৰে।

- **পৰিয়াল বনাম কৰ্মৰ দায়িত্ব ঃ** পৰম্পৰাগতভাৱে মহিলাসকলক গৃহিণীৰ ভূমিকা নিযুক্তি দিয়া হৈছে। ছোৱালী এজনীয়ে যদি কাম কৰি আছে তথাপি তেওঁ গৃহিণীৰ দায়িত্বৰ পৰা মুক্ত হ'ব পৰা নাই। তাই ঘৰ আৰু কৰ্ম দুয়োটাতে ভাৰসাম্য ৰক্ষা কৰি চলিব লাগিব। এই ভূমিকাবোৰে যিমানদূৰলৈকে দুয়োটাৰে কেৰিয়াৰ বিকাশত কোনো প্ৰভাৱ পেলাব নোৱাৰে সিমানদূৰ ঠিকেই আছে। বৰঞ্চ গৃহিনীৰ দায়িত্বই মহিলাসকলক ঘৰৰ পৰা ওলাই যোৱাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে। তেওঁলোকৰ মূল্য আৰু মনোভাৱক প্ৰভাৱিত কৰাটো, কৰ্মৰ লগত জগতখনত অংশগ্ৰহণকাৰী হিচাপে নিজৰ বিষয়ে তেওঁলোকৰ আকাংক্ষা, কৃতিত্বৰ প্ৰেৰণা আদিত প্ৰভাব বিস্তাৰ কৰিছে। যাতে কৰ্মত অংশগ্ৰহণক ভাবুকি হিচাপেও গ্ৰহণ কৰাৰ পৰিৱেশ এটা যেন তৈয়াৰ হৈছে। নাৰীৰ বিকাশত ই এক বাধা হৈ পৰে।
- **লিংগ-ভিত্তিক গতানুগতিক দৃষ্টিভংগী ঃ** কৰ্ম নিয়োজনৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ ক্ষেত্ৰত উপযুক্ততা নিৰ্বাচনত লিংগ বৈষম্য দেখা যায়। ইয়াৰ কাৰণ হ'ল সমাজত পৰম্পৰাগতভাৱে কিছুমান কাম পুৰুষে কৰে আৰু কিছুমান কাম মহিলাই কৰে বুলি এক পৰম্পৰাগত দৃষ্টিভংগী চলি আহিছে। সেয়ে ইঞ্জিনীয়াৰিং, মেডিকেল আদি বৃত্তিবোৰ পুৰুষৰ বাবে আৰু মহিলাৰ বাবে শিক্ষকতা আৰু নার্চিং ইত্যাদি বৃত্তিবোৰ মহিলাৰ বাবে উপযুক্ত বুলি ধৰি লোৱা হয়। এনেবোৰ কথাৰ কাৰণে কোনো বৃত্তি প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত, দৰমহা নিৰ্ধাৰণৰ ক্ষেত্ৰত অথবা কোনো সংস্থাত নাৰী নেতৃত্বৰ প্ৰতি মানুহৰ বৈষম্যমূলক মনোভাৱ আৰু ব্যৱস্থা লোৱা দেখা যায়।
- **পাঠ্যক্ৰম আৰু শিকন-শিক্ষণ ঃ** ল'ৰা-ছোৱালীৰ মাজত পাঠ্যক্ৰমিক আৰু সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলীৰ ক্ষেত্ৰত লিংগ-ভিত্তিক পাৰ্থক্য আছে। শিক্ষকসকলেও শিকন-শিক্ষণত লিংগ-ভিত্তিক মনোভাৱ প্ৰদৰ্শন কৰে। বিদ্যালয়ৰ পাঠ্যপুথিটো বিষয়বস্তু উপস্থাপনত লিংগ পক্ষপাতিত্ব চকুত পৰে আৰু তাৰ প্ৰতিফলন শিক্ষাদান কাৰ্যতো চকুত পৰে। সহপাঠ্যক্ৰমি কাৰ্যসূচীত ছোৱালীক কঠিন কামবোৰ নিদি সহজ কাম যেনে গান, সাহিত্য বা অভ্যৰ্থনা সমতিত নিয়োজিত কৰা হয়। সেয়ে বিভিন্ন কামৰ লগত ছোৱালীৰ পৰিচিতি নহয়, হাতে-কামে কৰাৰ অভ্যাস নাথাকে, ফলত ছোৱালীয়ে আৱশ্যকীয় আত্ম-কাৰ্যকাৰিতাৰ মনোভাৱ আৰু আত্ম-বিশ্বাস গঢ় লৈ নুঠে।
- **কৰ্মক্ষেত্ৰত সু�ৰক্ষা ঃ** আন এটা বহুল চৰ্চিত বিষয় হ'ল কৰ্মক্ষেত্ৰত ছোৱালীৰ সুৰক্ষা। প্ৰায়ে অভিভাৱক আৰু কেতিয়াবা শিক্ষকসকলেও, ছোৱালীক তেওঁলোকৰ শাৰীৰিক সুৰক্ষাৰ প্ৰতি বিপদ, যৌন শোষণৰ সম্ভাৱনা আৰু অসময়ত অহা-যোৱা কৰাৰ সমস্যা আদিৰ ভয়ত পুৰুষ প্ৰধান কামত যোগদানৰ সাহস

কৰিবলৈ নিৰুৎসাহিত হৈ পৰে।

- **ছোৱালীৰ শিক্ষা ঃ** ছোৱালীৰ শিক্ষা বহুতো কাৰকৰ দ্বাৰা প্ৰভাৱিত হয় যিবোৰ ল'ৰাৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'বও পাৰে। যেনে— ছোৱালীৰ বাবে উপযুক্ত শৌচালয়ৰ বাবে অপৰ্যাপ্ত সুবিধা, মহিলা শিক্ষয়িত্ৰীৰ অনুপস্থিতি, কিশোৰী ছোৱালীৰ সমস্যা সমাধান নকৰা, পৰিবহণৰ সুবিধাৰ অভাৱ ইত্যাদি।
- **নাৰীৰ আইনী অধিকাৰৰ বিষয়ে সজাগতাৰ অভাৱ ঃ** নাৰীৰ কল্যাণ আৰু বিকাশৰ বাবে সাংবিধানিক আৰু আইনী বিধানসমূহ নিজৰ সুৰক্ষা আৰু কল্যাণৰ বাবে শক্তিশালী অস্ত্ৰ। ইয়াৰ ভিতৰত আছে নিৰ্দিষ্ট আইনী অধিকাৰ আৰু বিধান যেনে- সমান পাৰিতোষিক আইন, অনৈতিক সৰবৰাহ প্ৰতিৰোধ আইন, ইভ-টিজিঙৰ আইন, মহিলাৰ অশোভনীয় প্ৰতিনিধিত্ব (নিষেধাজ্ঞা) আইন, বিবাহ আইন আৰু আইন, প্ৰসূতি সুবিধা আইন আদি। কিন্তু এই বিষয়ে সজাগতাৰ অভাৱে তেওঁলোকক আত্মবিশ্বাসহীন কৰি তোলে। তেওঁলোকক সংবেদনশীল কৰি নিজকে সুৰক্ষিত কৰিবলৈ বা শৈক্ষিক আৰু কৰ্ম পৰিস্থিতিত প্ৰয়োজনৰ সময়ত ব্যৱহাৰ কৰিবলৈ সক্ৰিয়ভাৱে ব্যৱহাৰ কৰিবলৈ সজাগ কৰাটো গুৰুত্বপূৰ্ণ।
- **দুৰ্বল ভাৱমুক্তি বা আত্মসন্মান ঃ** বহু সমাজত ছোৱালীবোৰক নিৰ্দিষ্ট আচৰণ, মনোভাৱ আৰু আশা-আকাংক্ষাৰে ব্যৱহাৰ কৰা হয়। প্ৰায়ে ছোৱালী এজনী জন্মৰ আগতেও পছন্দ কৰা নহয়। জন্মৰ পিছতে অবাঞ্ছিত হিচাপে তেওঁক ব্যৱহাৰ কৰা হয়। পুষ্টি, স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰতো তেওঁ অৱহেলিত। প্ৰায়ে ঘৰত সহায়ৰ হাত হিচাপেহে তেওঁক গণ্য কৰা হয়। তেওঁক সময়মতে দমন কৰা, গোটেই জীৱন অৱহেলিত আৰু যৌন-বস্তু হিচাপে গণ্য কৰা হয়। ইয়াৰ ফলত তাইৰ নিজৰ প্ৰতি এক দুৰ্বল ভাবমূৰ্তি গঢ় লৈ উঠে। ছোৱালীৰ বিৰুদ্ধে বৈষম্য সকলো সংস্কৃতি, বৰ্ণ আৰু আৰ্থ-সামাজিক স্তৰতে বিভিন্ন ৰূপত প্ৰচলিত। দুৰ্বল নিজস্ব-ভাবমূৰ্তিৰ বিকাশ বা আত্মসন্মানৰ প্ৰতি সচেতনতাৰ অভাব তেওঁলোকৰ কেৰিয়াৰ বিকাশৰ ক্ষেত্ৰত এক প্ৰবল মানসিক বাধা।

w অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ সত্য নে অসত্য লিখক।

(ক) নাৰীৰ কৰ্মত অংশগ্ৰহণ সমাজত নাৰীৰ মৰ্যাদাৰ এক সূচক।

(খ) এইটো স্পষ্ট যে বিষয় বাছনিৰ ক্ষেত্ৰত ছোৱালী আৰু ল'ৰাই সমানে প্ৰতিযোগিতাত অৱতীৰ্ণ হয়।

(গ) বিষয়টো সাংবিধানিক বিধানৰ অভাৱৰ বাবে নহয় বৰঞ্চ সেইবোৰৰ প্ৰতি সজাগতাৰ অভাৱৰ বাবেহে।

প্ৰশ্ন নং ৩ ঃ বৃত্তিগত লিংগ-বৈষম্যবাদ বুলিলে কি বুজোৱা হয়?

৭.১০ মহিলাৰ কেৰিয়াৰ বিকাশৰ কাৰক আৰু প্ৰক্ৰিয়া

নাৰীৰ কেৰিয়াৰ বিকাশত বিভিন্ন সামাজিক-মানসিক কাৰকৰ প্ৰভাৱ পৰে। ছোৱালীৰ মাজত কেৰিয়াৰ বিকাশৰ কিছুমান লিংগ-নিৰ্দিষ্ট দিশ আৰু মাত্ৰা হ'ল জ্ঞানমূলক চলক (ক্ষমতা আৰু তথ্য) আৰু আৱেগিক চলক (পছন্দ আৰু মনোভাৱ)। এই খণ্ডত আমি এনে কিছুমান কাৰকৰ বিষয়ে আলোচনা কৰিম।

- **ব্যক্তিগত আৰু কেৰিয়াৰ সজাগতা ঃ** ছোৱালীৰ কেৰিয়াৰ বিকাশৰ ওপৰত প্ৰভাৱ পৰে আত্ম-অন্বেষণ আৰু কেৰিয়াৰ অন্বেষণমূলক কাৰ্যকলাপত জড়িত হোৱাৰ দ্বাৰা। যদিহে ছোৱালীখিনি লিংগ নিৰপেক্ষ পৰিৱেশত থাকে তেন্তে তেওঁলোকে বাস্তৱসন্মত ব্যক্তিগত আত্ম-ধাৰণা, বৃত্তিগত আত্ম-ধাৰণা আৰু কেৰিয়াৰ পৰিচয় গঢ়ি তোলাৰ প্ৰৱণতা থাকে। কেতিয়াবা ব্যক্তিগত পছন্দসমূহ অভিভাৱকৰ ইচ্ছা আৰু বিবেচনাৰ অধীনত থাকিব পাৰে, যদিহে ছোৱালীবোৰে নিজৰ পছন্দৰ পিছত লগাবলৈ পৰ্যাপ্ত আত্মবিশ্বাস প্ৰদৰ্শন নকৰে।
- **কেৰিয়াৰৰ প্ৰতি মনোভাৱ ঃ** কেৰিয়াৰৰ প্ৰতি এজনৰ মনোভাৱ কেৰিয়াৰৰ আচৰণ আৰু এটা প্ৰক্ষেপিত জীৱন কেৰিয়াৰৰ সৈতে জড়িত। ইয়াত কাম কৰা বা নকৰাৰ পছন্দ, নিৰ্দিষ্ট চাকৰিৰ পছন্দ আৰু মূল্যবোধ আদি থাকে। মহিলাসকলক প্ৰায়ে কেৰিয়াৰক শিশুক লালন-পালন কৰা আৰু ঘৰতে যত্ন লোৱাৰ ক্ষেত্ৰত হস্তক্ষেপ বা বাধা হিচাপে চিন্তা কৰিবলৈ হেঁচা দিয়া হয়। মহিলাসকলৰ কেৰিয়াৰ মনোভাৱ মূলতঃ ঘৰুৱা কাম আৰু কৰ্মৰ আদৰ্শ সংমিশ্ৰণ, ভাল হ'লে কম সংখ্যক কৰ্ম সময়, নিৰাপদ আৰু সুৰক্ষিত কৰ্ম পৰিৱেশ আদি মূল্যবোধৰ দ্বাৰা প্ৰভাৱিত হয়।
- **আকাংক্ষাৰ স্তৰ ঃ** আকাংক্ষাৰ স্তৰটো এগৰাকী মহিলাৰ কেৰিয়াৰ পৰিকল্পনাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত। ই এগৰাকী ছোৱালীক কেৰিয়াৰৰ লক্ষ্য আৰু নিৰূপণত সহায় কৰে। পৰিয়ালৰ আৰ্থ-সামাজিক অৱস্থা, পিতৃ-মাতৃৰ উৎসাহ, ব্যক্তিগত আত্মসন্মান আৰু আত্ম-কাৰ্যক্ষমতাৰ বিশ্বাস, ইতিবাচক নাৰী আদৰ্শ আদি কাৰকে এগৰাকী ছোৱালীৰ আকাংক্ষাৰ স্তৰত অৰিহণা যোগায় আৰু ইয়াৰ প্ৰতিফলন ঘটে তেওঁৰ নিজে বাচি লোৱা কেৰিয়াৰ বিকাশৰ ক্ষেত্ৰত।
- **পছন্দৰ নিৰ্দেশনা ঃ** কেৰিয়াৰৰ বিকল্প বাছি লোৱাৰ সময়ত ছোৱালী ছাত্ৰীসকলে বহু ধৰণৰ সীমাবদ্ধতাৰ সন্মুখীন হয়। আপুনি হয়তো অনুভৱ কৰিছে বা দেখিছে যে 'লিংগ-নিৰ্দিষ্ট' আৰু লিংগ-উপযুক্ত'ৰ দৰে শব্দই ছোৱালী, তেওঁলোকৰ পিতৃ-মাতৃ আৰু প্ৰায়ে শিক্ষকসকলৰো বিশ্বাস আৰু চাকৰিৰ মনোভাৱত কেন্দ্ৰীয় স্থান দখল কৰে। ইয়াৰ ফলত ছোৱালীয়ে নিজৰ সামৰ্থৰ সম্পূৰ্ণ পৰিসৰত উপনীত হোৱাৰ পৰা বঞ্চিত হয়।
- **ছোৱালীৰ পৰম্পৰাগত ঘৰুৱা ভূমিকা ঃ** সাধাৰণতে মহিলাসকলে ঘৰৰ বাহিৰত কাম কৰি ঘৰুৱা প্ৰয়োজন পূৰণৰ বাবে ধন উপাৰ্জন কৰে। এই মহিলাসকল নিম্ন শ্ৰেণী আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ অন্তৰ্গত। সাধাৰণতে অদক্ষ আৰু অৰ্ধদক্ষ বৃত্তি বা কেৰাণী, শিক্ষকতা, নাৰ্চিং আদি পৰম্পৰাগত বৃত্তিত তেওঁলোক নিয়োজিত হয়।

- **অর্জিত শিক্ষাৰ ব্যৱহাৰৰ ইচ্ছা ঃ** কিছুমান শিক্ষিত মহিলাই নিজৰ শিক্ষা নষ্ট কৰি ভাল নাপায় আৰু সেয়েহে অফিচ আদি চাকৰিত (ইংৰাজীত ইয়াক white colour job বুলি কোৱা হয়) যোগদান কৰে। এই মহিলাসকলৰ মাজত কিছুমান কেৰিয়াৰ সচেতন হৈ কাম কৰি থাকে। তদুপৰি উচ্চ জীৱন ধাৰণৰ মানদণ্ড আৰু উচ্চ পর্যায়ৰ শিক্ষাৰ প্রতি বৃদ্ধি পোৱা আকাংক্ষাইও মহিলাসকলক, কিছুমান বিশেষ ধৰণৰ চাকৰি গ্রহণ কৰিবলৈ প্রেৰণা দিয়ে।
- **আত্ম-মূল্য প্রমাণ কৰিবলৈ ইচ্ছুকতা ঃ** কিছুসংখ্যক মহিলাৰ নিজৰ যোগ্যতা অর্জন আৰু প্রমাণ কৰাৰ ইচ্ছা আছে। তেওঁলোকে উচ্চ শিক্ষা গ্রহণ কৰে, কর্মক্ষমতাত পাৰদর্শিতা দেখুৱাইছে, বৃত্তিগত আকাংক্ষা বৃদ্ধি কৰিছে আৰু চাকৰি নহয় কেৰিয়াৰত যোগদান কৰে। এই মহিলাসকলৰ অধিকাংশই অগতানুগতিক কেৰিয়াৰত পোৱা যায়। স্তৰবৃত্তৰ শীর্ষস্থানত উপনীত হ'বলৈও তেওঁলোকে কঠোৰ পৰিশ্রম কৰে।
- **মর্যাদা আৰু সবলীকৰণৰ প্রয়োজনীয়তা ঃ** কেৰিয়াৰত নিয়োজিত হ'লে মর্যাদা আৰু সবলীকৰণৰ এক পৰিচয় আৰু সামাজিক স্বীকৃতি পোৱা যায়। এগৰাকী গৃহিণী হয়তো অর্থনৈতিকভাৱে কামৰ প্রয়োজন নহ'বও পাৰে কিন্তু তেওঁ নিজৰ অবৈতনিক ব্যক্তি হিচাপে মর্যাদাক ক্ষতিগ্রস্ত কৰে, ঘৰুৱা কামত কম সন্মান ৰাখে আৰু সেয়েহে তেওঁ ঘৰৰ বাহিৰত কাম কৰাটো পছন্দ কৰে। এই মহিলাসকলে, বহু সময়ত, জীৱনৰ যথেষ্ট দেৰিকৈয়ে নিজৰ কেৰিয়াৰ আৰম্ভ কৰে।
- **সৰু পৰিয়ালৰ আকাৰ ঃ** এজন বা দুটা সন্তান। ল'ৰা-ছোৱালীবোৰ স্কুললৈ যোৱা বয়সৰ পিছত মহিলাসকলে সময় বিচাৰি পায়। কিছুমানে ঘৰতে কিছুমান উপার্জনকাৰী কামত নিজকে জড়িত কৰাৰ বিপৰীতে কোনোৰে দৰমহা পোৱা কর্মসংস্থাপন বিচাৰে। কিন্তু এই পর্যায়ত নিবনুৱাৰ হাৰ অধিক আৰু নিতৌ সেয়া বাঢ়ি যোৱাৰ বাবে কেতিয়াবা কর্মসংস্থাপন কঠিন হৈ পৰে।
- **মহিলাৰ বাবে বৃদ্ধি পোৱা চাকৰিৰ সুযোগ ঃ** মহিলাৰ উন্নয়নৰ দিশত চৰকাৰৰ সচেতন প্রচেষ্টাৰ লগে লগে শেহতীয়াকৈ মহিলাৰ বাবে শৈক্ষিক আৰু চাকৰিৰ সুযোগ দ্রুতগতিত সম্প্রসাৰিত হৈছে। এই সুযোগসমূহ মূলতঃ কেৰাণী, বিক্রী আৰু সেৱা বৃত্তিত বিদ্যমান, য'ত শিক্ষিত মহিলাৰ এটা বৃহৎ অংশ নিয়োজিত হয়।
- **সামাজিক মনোভাৱ আৰু মূল্যবোধৰ পৰিৱর্তন ঃ** স্বাধীনতাৰ পিছৰে পৰা দেশত নাৰীৰ উন্নয়নৰ প্রতি সামাজিক মনোভাৱ আৰু মূল্যবোধৰ ক্রমান্বয়ে পৰিৱর্তন ঘটিছে। এই বিৱর্তনে নাৰীক শিক্ষা আৰু কেৰিয়াৰৰ ক্ষেত্রত নিজৰ সম্ভাৱনা বিকশিত কৰিবলৈ উৎসাহিত কৰিছে।

৭.১১ কৌশল আৰু কার্য পৰিকল্পনা

কেৰিয়াৰ বিকাশৰ ক্ষেত্রত ছোৱালী আৰু মহিলাৰ অৱস্থা আৰু অৱস্থা উন্নত কৰাৰ দিশত কৌশলসমূহ ফলাফলমুখী আৰু বিকাশমুখী হ'ব লাগিব, চূড়ান্ত উদ্দেশ্য হ'ল তেওঁলোকক প্রত্যক্ষ বা পৰোক্ষভাৱে কার্যসূচী আৰু কার্যকলাপৰ পৰা লাভৱান হোৱাত সহায় কৰাটো।

ইয়াৰ বাবে চাৰি ধৰণৰ লক্ষ্য কল্পনা কৰিব পাৰি-

১) **নির্ধাৰিত লক্ষ্য ঃ** কিছুমান নির্ধাৰিত লক্ষ্য হৈছে মনোভাৰ সলনি কৰা, ছোৱালীক শক্তিশালী কৰা, ছোৱালীৰ বাবে সুযোগ বহল কৰা, শিক্ষা আৰু নিয়োগৰ ক্ষেত্ৰত সমতা প্রদান কৰা।

২) **নির্দিষ্ট গোট ঃ** ছোৱালীৰ বাবে কেৰিয়াৰ বিকাশে কেৱল ছোৱালীক লক্ষ্য কৰি লোৱা নাই, কিন্তু মোকাবিলা কৰিবলগীয়া লক্ষ্য গোটসমূহৰ ভিতৰত ছোৱালী আৰু ল'ৰা, অভিভাৱক, সম্প্রদায়, নিয়োগকর্তা আৰু শিক্ষক বা শিক্ষাবিদসকলো অন্তর্ভুক্ত।

৩) **লক্ষ্যকেন্দ্রিক কৌশল আৰু কার্যকলাপ ঃ** কৌশলসমূহৰ ভিতৰত ছোৱালী, ল'ৰা, সম্প্রদায়, শিক্ষাবিদ আৰু নিয়োগকর্তাসকলৰ মাজত মনোভাৰ পৰিৱর্তনৰ বাবে সজাগতামূলক কার্যসূচীসমূহ অন্তর্ভুক্ত কৰা হৈছে; ছোৱালী আৰু মহিলাৰ বাবে ব্যৱস্থা নিশ্চিত কৰা; তেওঁলোকৰ দক্ষতা প্রশিক্ষণ; শিক্ষক, শিক্ষাবিদ, পাঠ্যপুথি লেখকৰ অভিমুখীতা আৰু প্রশিক্ষণ; শৈক্ষিক নীতি পৰিকল্পনাকাৰীসকলৰ অভিমুখীতা আৰু প্রশিক্ষণ।

৪) **অভিমুখীতা আৰু প্রশিক্ষণ সামগ্রী ঃ** মহিলা সবলীকৰণৰ বাবে অভিমুখীতা/প্রশিক্ষণৰ বাবে সামগ্রীৰ বিকাশৰ বাবে সমন্বিত প্রয়াসৰ প্রয়োজন।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ছোৱালীৰ আকাংক্ষাৰ মাত্রাক প্রভাৱিত কৰা কাৰকসমূহ উল্লেখ কৰক।

প্রশ্ন নং ৫ ঃ কেৰিয়াৰ পছন্দৰ দিশে কেৰিয়াৰ বিকাশত কেনে প্রভাৱ পেলায়?

৭.১২ শিক্ষকৰ ভূমিকা

উপৰোক্ত আলোচনাৰ পৰা স্পষ্ট হৈ পৰিছে যে নাৰী হৈছে অবিকশিত ৰূপত থকা মানৱীয় সম্ভাৱনা। যিহেতু বিদ্যালয়সমূহক ছাত্র-ছাত্রীৰ সম্ভাৱনা বিকাশৰ বাবে সমাজৰ এটা সংস্থা হিচাপে চোৱা হয়, সেয়েহে ছোৱালীৰ কেৰিয়াৰ বিকাশৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্রীসকলৰ গুৰুত্বপূর্ণ ভূমিকা আছে।

ছোৱালীৰ শিক্ষাৰ দৃষ্টিভংগী

ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত শিক্ষকসকলৰ দৃষ্টিভংগী হ'ব লাগে এটা মানৱ সম্পদ গঢ়ি তোলা। তেওঁলোকে ছোৱালীক উৎসাহ আৰু সহায় কৰি তেওঁলোকৰ প্রতিভাৰ চিনাক্তকৰণ আৰু লালন-পালনৰ জৰিয়তে ব্যক্তিগতভাৱে বিকাশ কৰাত সহায় কৰিব লাগে। শিক্ষকসকলে নিজৰ লিংগভিত্তিক পক্ষপাতিত্ব আৰু আচৰণসমূহ পৰীক্ষা কৰিব লাগে যিবোৰে ছোৱালীৰ কেৰিয়াৰৰ সম্ভাৱনা উপলব্ধি কৰাত বাধাৰ সৃষ্টি কৰে। তেওঁলোকে লিংগ অনুসৰি বিষয়, দক্ষতা, কার্যকলাপ, চখ আৰু আচৰণ আদিৰ পৃথকীকৰণকো নিৰুৎসাহিত কৰিব লাগে। কাৰণ এয়া বিকাশৰ

পথত এক ডাঙৰ বাধা। ব্যক্তি হিচাপে বিকাশ আৰু নতুন ভূমিকা গ্ৰহণ কৰাটো অত্যন্ত প্ৰয়োজনীয়।

ছোৱালীৰ কেৰিয়াৰ বিকাশৰ বাবে অনুকূল পৰিৱেশ

শিক্ষকে শিক্ষাৰ অনুকূল পৰিৱেশ বা পৰিস্থিতি সৃষ্টি কৰিবলৈ চেষ্টা কৰিব লাগে। ছোৱালীৰ বাবে প্ৰচলিত কু-সংস্কাৰপূৰ্ণ উপযুক্ত বা অনুপযুক্ত আচৰণক উৎসাহিত কৰা উচিত নহয়। ছোৱালীক ভীৰু, উদ্বিগ্ন, ভয়, নিষ্ক্ৰিয়, নিৰ্ভৰশীল, মানি চলা, সংবেদনশীল আৰু কাৰিকৰী ক্ষমতাত অযোগ্য আদি হ'বলৈ উৎসাহিত কৰিব নালাগে। শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰাপ্তবয়স্কৰ দ্বাৰা জাপি দিয়া পক্ষপাতিত্বকো প্ৰত্যাহ্বান জনাব লাগে যাৰ সৈতে ছোৱালীবোৰে মূলতঃ সন্মুখীন হয় আৰু ছোৱালীবিলাকক তেওঁলোকৰ নিজা ভাবমূৰ্তি উন্নত কৰাত সহায় কৰিব লাগে।

বিভিন্ন আঁচনিৰ বিষয়ে কেৰিয়াৰৰ তথ্য আৰু সজাগতা প্ৰদান কৰা

ছোৱালীসকলৰ তথ্যৰ অতি প্ৰয়োজন। কৰ্মৰ জগতখনৰ প্ৰতি চকু মুকলি কৰাৰ উপৰিও তথ্যই তেওঁলোকক কামৰ বাছনি আৰু প্ৰস্তুতিৰ ক্ষেত্ৰতো প্ৰেৰণা দিয়ে। কেৰিয়াৰৰ তথ্য প্ৰচাৰ প্ৰাথমিক বিদ্যালয়ৰ পৰ্যায়ত আৰম্ভ হ'ব লাগে। ইয়াত শিক্ষকে বিষয়ৰ পাঠদানত কেৰিয়াৰৰ তথ্যৰ বিভিন্ন কথা-বতৰাসমূহ বিষয়ৰ পাঠদানত একত্ৰিত কৰিব লাগে। তেওঁলোকে পুথিভঁৰাললৈ কেৰিয়াৰ সম্পৰ্কীয় সাহিত্য ক্ৰয় কৰিবলৈ পৰামৰ্শ দিব পাৰে। কেৰিয়াৰ সাহিত্যই ছোৱালীবোৰক কেৰিয়াৰৰ পৰিকল্পনা কৰিবলৈ আৰু কেৰিয়াৰ সম্পৰ্কীয় সিদ্ধান্ত ল'বলৈ প্ৰেৰণা দিয়াত বহুত সহায় কৰে।

সাধাৰণতে বিদ্যালয় পৰ্যায়ত প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় শিক্ষাৰ পাঠ্যক্ৰম আৰু সহ-পাঠ্যক্ৰমৰ লক্ষ্যসমূহ শিশুসকলক তেওঁলোকৰ চৌপাশৰ বিষয়ে সচেতন হোৱাত সহায় কৰাৰ প্ৰতি লক্ষ্য ৰাখি সাজু কৰা হয়। তেওঁলোকক বিভিন্ন ধৰণৰ কৰ্ম পৰিস্থিতি আৰু শ্ৰমিকৰ প্ৰতি সংবেদনশীল কৰা হয় আৰু কৰ্মৰ সম্পৰ্কত তেওঁলোকৰ পছন্দ-অপছন্দ, পছন্দ, মূল্যবোধ, আৰু ক্ষমতাসমূহ অন্বেষণ কৰিবলৈ উৎসাহিত কৰা হয়। লিংগ নিৰপেক্ষ পৰিৱেশত সকলো ধৰণৰ কামৰ প্ৰতি ইতিবাচক আৰু লিংগ নিৰপেক্ষ মনোভাৱ উৎসাহিত হয়।

আদৰ্শ উপস্থাপন কৰা

ছোৱালীসকলৰ সৈতে পৰিচয় কৰাই দিবলৈ আৰু কৰ্ম সম্পৰ্কীয় পৰিচয় গঢ়ি তুলিবলৈ উপযুক্ত আদৰ্শৰ অভাৱ। তেওঁলোকক আদৰ্শ হিচাপে মহিলাৰ প্ৰয়োজন যিসকল কৃতিত্বসম্পন্ন, কেৰিয়াৰমুখী আৰু সফল। ছোৱালীৰ বাবে আদৰ্শ বিভিন্ন ধৰণৰ কেৰিয়াৰৰ পৰা নিৰ্বাচন কৰিব লাগে, পৰম্পৰাগতৰ লগতে অগতানুগতিক যিয়ে নিজৰ কেৰিয়াৰ আৰু জীৱন শৈলীৰ ওপৰত সন্তুষ্ট হোৱাৰ লগতে নিজকে মহিলা হিচাপে সন্মান কৰে। কেৱল এইধৰণৰ আদৰ্শহিহে ছোৱালীক তেওঁলোকৰ আত্ম-ভাৱমূৰ্তি উন্নত কৰাত সহায় কৰিব পাৰে। তেওঁলোকৰ মনত উপযুক্ত কেৰিয়াৰ বাছি ল'বলৈ আত্মবিশ্বাস স্থাপন আনি দিব পাৰে। নিৰ্বাচিত কেৰিয়াৰ পথত আত্ম-পূৰ্ণতাৰ অভিজ্ঞতাও তেওঁলোকে লাভ কৰিব পাৰে।

১) আদৰ্শ হিচাপে নিৰ্বাচিত মহিলা অতিথি বক্তাসকলক বিদ্যালয়লৈ আমন্ত্ৰণ কৰি ছোৱালীবিলাকৰ সৈতে তেওঁলোকৰ কৃতিত্ব, কাম আৰু তেওঁলোকে কেনেকৈ সাফল্য লাভ কৰিলে আৰু নিজকে প্ৰতিষ্ঠা কৰিলে সেই বিষয়ে কথা পাতিব লাগে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ সৈতে মত বিনিময় কৰাৰ লগতে তেওঁলোকৰ ব্যক্তিগত সন্দেহ আৰু অসুবিধাসমূহ নিৰাময় কৰাৰ সুযোগ লাভ কৰে।

২) শিক্ষকে পৰম্পৰাগত আৰু অগতানুগতিক বৃত্তিত সফল মহিলা কৰ্মীৰ বিষয়ে আলোচনা কৰিব পাৰে।

৩) বিভিন্ন ক্ষেত্ৰত ছোৱালী আৰু মহিলাৰ কৃতিত্বসমূহ যেনে— শৈক্ষিক আৰু সহ-পাঠ্যক্ৰম কাৰ্যসূচীত শীৰ্ষ স্থানপ্ৰাপ্ত, বঁটা প্ৰাপক, নেতা, সমাজকৰ্মী, লেখক, বিশিষ্ট গৱেষক, প্ৰতিৰক্ষা আৰু আৰক্ষী সেৱা আদিৰ সফলতাসমূহ প্ৰদৰ্শন কৰিব পৰা যায়। ছাত্ৰ-ছাত্ৰীসকলক এই ধৰণৰ তথ্য সংগ্ৰহ কৰি দাখিল কৰিবলৈও কোৱা হ'ব পাৰে।

৪) সফল প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ কৃতিত্বৰ সৈতে ছবি প্ৰদৰ্শন কৰিব পৰা যায়। এই মহিলাসকলকো বিদ্যালয়লৈ আমন্ত্ৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰিব পৰা যাব।

৫) মহিলা কৰ্মচাৰীসকলৰ বিশেষ কৃতিত্ব প্ৰদৰ্শনৰ জৰিয়তে বা বিদ্যালয়ৰ সভাত উজ্জ্বল কৰিব পাৰি।

৬) সমাজৰ বঞ্চিত শ্ৰেণীৰ স্থানীয় মহিলাৰ কৃতিত্ব আৰু কৃতিত্বৰ বিষয়ে উল্লেখ কৰিব পাৰি।

বিদ্যালয় আৰু মহাবিদ্যালয় শিক্ষাৰ সকলো পৰ্যায়তে আদৰ্শ দাঙি ধৰিব পাৰে আৰু ছোৱালীৰ মাজত কেৰিয়াৰ বিকাশৰ ক্ষেত্ৰত সেয়া বিশেষভাৱে ফলপ্ৰসূ হ'ব পাৰে।

ব্যক্তিগত সহায় আগবঢ়োৱা

বিশেষ সহায়ৰ প্ৰয়োজন হোৱা কিছুমান ছোৱালীৰ বাবে ওপৰত উল্লেখ কৰা কৌশলসমূহ যথেষ্ট নহয়। পৰম্পৰাগত বিকাশ, ঘৰুৱা আৰু সম্প্ৰদায়ৰ পৰিৱেশৰ বাবে এই ছোৱালীবোৰ গভীৰভাৱে লিংগ বৈষম্যৰ বলি হয়। তেওঁলোকে নিজকে ব্যক্তি হিচাপে গ্ৰহণ কৰি আত্মসন্মান বৃদ্ধি কৰাত অসুবিধা পায়। এনে ধৰণৰ ছোৱালীক বিশেষ মনোযোগৰ প্ৰয়োজন। শিক্ষয়িত্ৰীগৰাকীয়ে তেওঁৰ আগ্ৰহ, সমৰ্থন আৰু যত্নৰ জৰিয়তে তেওঁলোকক নিজৰ খোলাৰ পৰা ওলাই আহি আত্মসন্মান আৰু উপযোগী জীৱনশৈলী গঢ়ি তোলাত সহায় কৰিব পাৰে। এইসকল ছোৱালীক তেওঁলোকক চিনাক্ত কৰি প্ৰশিক্ষিত পৰামৰ্শদাতাৰ ওচৰলৈ প্ৰেৰণ কৰিব লাগে।

2 ৭.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কেৰিয়াৰে ব্যক্তিৰ সম্পূৰ্ণ বিকাশক বুজায়।
- বহল অৰ্থত কেৰিয়াৰে ব্যক্তিয়ে জীৱনত পালন কৰিব লগা সকলো ভূমিকাকে বুজায়।
- কেৰিয়াৰ বিকাশ মানৱ বিকাশৰ এক অন্যতম দিশ।
- কেৰিয়াৰ তত্ত্বই কেৰিয়াৰ সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণত প্ৰভাৱ পেলোৱা দিশসমূহ বুজাত সহায় কৰে।
- যিকোনো সমাজত নাৰীৰ অৱস্থা নিৰ্ণয় কৰা হয়। তেওঁলোকৰ সজাগতাৰ স্তৰ, কৰ্মত অংশগ্ৰহণৰ আৰ্হি, স্বাস্থ্যৰ অৱস্থা, অৰ্থনৈতিক অৱস্থা, শৈক্ষিক অৱস্থা, সক্ৰিয় অংশগ্ৰহণ, সিদ্ধান্ত গ্ৰহণৰ অৱস্থান আদিৰ দ্বাৰা নিৰ্ধাৰিত হয়।
- কৰ্মত অংশগ্ৰহণৰ ক্ষেত্ৰত মহিলা কৰ্ম অংশগ্ৰহণৰ হাৰ (FWPR) বেছি। কিন্তু মহিলাসকল তাৰ পৰা অৰ্থনৈতিকভাৱে লাভান্বিত নহয়।
- ছোৱালীসকলক নিজৰ শিক্ষাক সুবিধাৰ বাবে ব্যৱহাৰ কৰিবলৈ আৰু নিয়োগ খণ্ডত নিজৰ উপযুক্ত স্থান

দখল কৰিবলৈ অনুপ্ৰাণিত তথা প্ৰস্তুত কৰাটো আৰু লগতে প্ৰশিক্ষণ দিয়াটো গুৰুত্বপূৰ্ণ।

- ছোৱালীৰ কেৰিয়াৰ বিকাশৰ বিভিন্ন বিষয় হ'ল সামাজিক যৌন বৈশিষ্ট্যৰ নিৰ্দিষ্ট পৰিচয় লগোৱা, পৰিয়াল বনাম কৰ্ম দায়িত্বৰ ভাৰসাম্য ৰক্ষা কৰা, লিংগ-নিৰ্দিষ্ট দৃষ্টিভংগী, লিংগ-পক্ষপাতমূলক পাঠ্যক্ৰম আৰু শিক্ষাবিজ্ঞান, ছোৱালীৰ শিক্ষাৰ বাবে সুবিধা, মহিলাৰ আইনী অধিকাৰৰ বিষয়ে সজাগতাৰ অভাৱ, দুৰ্বল নিজা ভাৱমূৰ্তি বা আত্মসন্মান।
- ছোৱালীৰ কেৰিয়াৰ বিকাশক প্ৰভাৱিত কৰা কাৰকসমূহ ব্যক্তিগত আৰু কেৰিয়াৰ সজাগতা, কেৰিয়াৰৰ প্ৰতি মনোভাৱ, আকাংক্ষাৰ স্তৰ, কেৰিয়াৰ পছন্দৰ দিশ, ছোৱালীৰ ঘৰুৱা ভূমিকা, অৰ্জিত শিক্ষা ব্যৱহাৰ কৰিবলৈ ইচ্ছা, আত্ম-মূল্য প্ৰমাণ কৰিবলৈ ইচ্ছা, মৰ্যাদা আৰু সবলীকৰণৰ প্ৰয়োজনীয়তা, সৰু পৰিয়ালৰ আকাৰ, মহিলাসকলৰ বাবে বৃদ্ধি পোৱা চাকৰিৰ সুযোগ, সামাজিক মনোভাৱ আৰু মূল্যবোধৰ পৰিৱৰ্তন।

○ অধিক জানিবলৈ

১) NCERT (2016). *Career Development-I (Medulely)*. New Delhi.

২) Sharma, R. A. (–). Fundamentals of Guidance and Counselling. Meerut : Vinay Rakheja.

K ৭.১৫ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ এটা কেৰিয়াৰ তত্ত্বই বিশেষভাৱে কেৰিয়াৰৰ আচৰণসমূহ বুজিবলৈ প্ৰচেষ্টা চলায়। ই সেই মানৱ অভিপ্ৰায়বোৰ, দক্ষতাবোৰ আৰু আৰ্থ-সামাজিক প্ৰভাৱবোৰক সংগঠিক কৰে, যিবোৰে ব্যক্তিৰ মাজত কেৰিয়াৰ লক্ষ্যৰ উৎপত্তি, বৃদ্ধি আৰু প্ৰয়োগত অৰিহণা যোগায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সঁচা (খ) মিছা (গ) সত্য

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বৃত্তিগত যৌন কু-সংস্কাৰে পুৰুষ আৰু মহিলাৰ বাবে বিভিন্ন বৃত্তিৰ উপযুক্ততাৰ সাধাৰণীকৃত দৃষ্টিভংগীক বুজায়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিয়ালৰ আৰ্থ-সামাজিক অৱস্থা, অভিভাৱকৰ উৎসাহ, ব্যক্তিগত আত্মসন্মান আৰু আত্ম-কাৰ্যক্ষমতাৰ বিশ্বাস, ইতিবাচক নাৰী আদৰ্শ আদিয়ে এগৰাকী ছোৱালীৰ আকাংক্ষাৰ স্তৰত অৰিহণা যোগায়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ 'লিংগ-নিৰ্দিষ্ট' আৰু 'লিংগ উপযুক্ত' ভিত্তিৰ ওপৰত ভিত্তি কৰি কেৰিয়াৰ বাছি ল'লে ছোৱালীয়ে নিজৰ সামৰ্থৰ সম্পূৰ্ণ পৰিসৰত উপনীত হোৱাৰ পৰা বঞ্চিত হয়। এইদৰে ই ছোৱালীৰ কেৰিয়াৰ বিকাশত প্ৰভাৱ পেলায়।

M ৭.১৬ আৰ্হি প্ৰশ্ন

ক) **চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰে প্ৰায় ১৫০ টা শব্দত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কেৰিয়াৰ বুলিলে কি বুজায়?

প্ৰশ্ন ২ ঃ মানৱ বিকাশ মানে কি?

প্ৰশ্ন ৩ ঃ ব্যক্তিৰ ব্যক্তিত্ব আৰু কেৰিয়াৰৰ মাজত সম্পৰ্ক কি?

প্ৰশ্ন ৪ ঃ সমাজত নাৰীৰ মৰ্যাদাৰ পাঁচটা সূচক উল্লেখ কৰক।

খ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কেৰিয়াৰ তত্ত্বৰ অধ্যয়নৰ গুৰুত্ব ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ কেৰিয়াৰ তত্ত্বৰ পৰিসৰ সম্পৰ্কে আলোচনা কৰক

প্ৰশ্ন ৩ ঃ ব্যক্তিত্বৰ তত্ত্বই কিদৰে কেৰিয়াৰ গঢ়াত ভূমিকা পালন কৰে? বুজাই লিখক।

প্ৰশ্ন ৪ ঃ ছোৱালীৰ কেৰিয়াৰ বিকাশৰ বিষয়সমূহৰ ওপৰত আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ কেৰিয়াৰৰ প্ৰতি ছোৱালীৰ মনোভাৱ আৰু সামাজিক মনোভাৱ আৰু মূল্যবোধে ছোৱালীৰ কেৰিয়াৰত কেনে প্ৰভাৱ পেলায় সেই বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ ছোৱালীৰ কেৰিয়াৰ বিকাশত শিক্ষকৰ ভূমিকা সম্পৰ্কে বিশদ বিৱৰণ দিয়া।

*** ***** ***

অধ্যায় ৮ ঃ কেৰিয়াৰ বিকাশৰ কৌশল

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ কেৰিয়াৰ তথ্যৰ প্ৰকৃতি
৮.৪ কেৰিয়াৰ তথ্যৰ গুৰুত্ব
৮.৫ কেৰিয়াৰ তথ্য আৰু বিদ্যালয়ৰ নিৰ্দেশনা সেৱা
৮.৬ কেৰিয়াৰ তথ্যৰ কাৰ্যাৱলী
৮.৭ বিদ্যালয়ত শিক্ষাৰ বিভিন্ন স্তৰত কেৰিয়াৰ তথ্য
৮.৮ শিক্ষাৰ্থীক কেৰিয়াৰ তথ্য প্ৰদান
৮.৯ একবিংশ শতিকাৰ এই সময়চোৱাত কেৰিয়াৰকেন্দ্ৰিক দিশবোৰ
৮.১০ একবিংশ শতিকাত সবাতোকৈ বেছি নিৰ্বাচন কৰিব খোজা কেৰিয়াৰসমূহ
৮.১১ কেৰিয়াৰ আৰু প্ৰত্যাহ্বান
৮.১২ কেৰিয়াৰ আৰু আমাৰ জীৱনশৈলী
৮.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.১৪ অধিক জানিবলৈ
৮.১৫ অগ্ৰগতিৰ খতিয়ান
৮.১৬ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কেৰিয়াৰ তথ্যৰ প্ৰকৃতি সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব
- কেৰিয়াৰ তথ্যসমূহৰ নিৰ্দেশনা আৰু পৰামৰ্শদানত গুৰুত্ব সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- নতুন যুগটোৰ কেৰিয়াৰকেন্দ্ৰিক বিভিন্ন কথা-বতৰা জানিব পাৰিব
- কেনেদৰে এনে কেৰিয়াৰৰ বাবে প্ৰস্তুত হ'ব লাগিব তাৰ আভাস পাব
- কেৰিয়াৰৰ সৈতে থকা প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰিব পাৰিব
- কেৰিয়াৰ সাল-সলনি কৰিবলৈ হ'লে কেনেবোৰ কথাত গুৰুত্ব দিব লাগিব সেয়া জানিব পাৰিব।

৮.২ পৰিচয়

নির্দেশনা আৰু পৰামর্শদান সেৱাত কেৰিয়াৰ তথ্যসমূহৰ গুৰুত্বপূর্ণ ভূমিকা আছে। যিকোনো নির্দেশনা সেৱাত কেৰিয়াৰ তথ্যসমূহ অপৰিহার্য অংগ। এই অধ্যায়ত কেৰিয়াৰ তথ্যৰ ওপৰত এক সামগ্রিক দৃষ্টি নিক্ষেপ কৰি, ইয়াৰ প্রকৃতি আৰু কার্যাৱলী; নির্দেশনা আৰু পৰামর্শদানত কেৰিয়াৰ তথ্যৰ গুৰুত্ব; বিদ্যালয়ৰ বিভিন্ন স্তৰত কেৰিয়াৰ তথ্যৰ সহায়তা আৰু এজন পৰামর্শদাতাক কেৰিয়াৰ তথ্যৰ দায়িত্ব পালনৰ ক্ষেত্রত কেনেধৰণৰ দক্ষতাৰ প্রয়োজন সেই সম্পর্কে আলোচনা কৰা হ'ব। এই অধ্যায়টিত আমি নতুন কেৰিয়াৰ ক্ষেত্রসমূহৰ বাবে প্রয়োজনীয় বিভিন্ন ধৰণৰ প্রস্তুতি আৰু তাৰ লগত থকা প্রত্যাহ্বানবিলাকৰ সম্পর্কেও জানিব পাৰিম।আহক, এই অধ্যায়টি অধ্যয়ন কৰি আমি এই কথাসমূহ জনাৰ চেষ্টা কৰো।

৮.৩ কেৰিয়াৰ তথ্যৰ প্রকৃতি

কেৰিয়াৰ তথ্যৰ প্রকৃতি জনাৰ পূর্বে কেৰিয়াৰ তথ্য মানেনো কি সেইয়া জনা দৰকাৰ। কেৰিয়াৰ তথ্য বুলি ক'লে তলত দিয়া ধৰণৰ কথাবোৰ আহে—

- কেৰিয়াৰ সম্পর্কীয় তথ্য
- কর্মৰ জগতখনৰ সম্পর্কে তথ্য
- বৃত্তিসমূহৰ সম্পর্কে তথ্য
- বৃত্তিমূলক নির্দেশনা প্রদান কৰিবলৈ কর্ম সম্পকীয় তথ্য
- মানুহৰ কর্ম আৰু ইয়াৰ লগত জড়িত চর্তসমূহৰ এক বর্ণনা।

কেৰিয়াৰৰ লগত জড়িত এনে ধৰণৰ কথাবোৰ কেৰিয়াৰ তথ্যৰ তিনিটা অংগত শ্রেণীভুক্ত কৰিব পাৰি। এই অংগ তিনিটা হ'ল—

১। **বৃত্তিমূলক তথ্য ঃ** বৃত্তিমূলক তথ্যই বৃত্তিসমূহৰ আৰু উদ্যোগসমূহৰ তথ্য সামৰি লয়। এই তথ্যসমূহ মূলতঃ তলত উল্লেখ কৰা ধৰণৰ—

- কর্মৰ প্রকৃতি
- কর্মৰ চর্তসমূহ
- উপার্জন আৰু অনান্য পুৰস্কাৰ
- কর্মত প্রগতি
- বৃত্তিমূলক প্রয়োজনীয়তাসমূহ
- প্রস্তুতিৰ প্রয়োজনীয়তাসমূহ
- কর্মত প্রৱেশ আৰু নিয়োগৰ সুবিধাসমূহ

- ভৰিষ্যতৰ দৃষ্টিভংগী
- বিস্তৃত তথ্যৰ উৎসসমূহ

২। **শিক্ষামূলক তথ্য ঃ** শিক্ষামূলক তথ্যই তলত উল্লেখ কৰা তথ্যসমূহ সামৰি লয়—

- শিক্ষাৰ বিভিন্ন স্তৰত থকা শিক্ষা আৰু প্ৰশিক্ষণৰ সুবিধা সম্পৰ্কীয় তথ্য
- পাঠ্যক্ৰমিক আৰু সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলী
- নামভৰ্ত্তিৰ বাবে প্ৰয়োজনীয়তাসমূহ
- পাঠ্যক্ৰম বা প্ৰশিক্ষণত প্ৰৱেশৰ পদ্ধতি
- হোষ্টেলৰ সা-সুবিধাবোৰ
- মাচুল আৰু অনান্য খৰচপাতি
- জলপানি-আৰ্থিক সাহাৰ্য্য
- নিয়োগ লাভত সাহাৰ্য্য
- শিক্ষাৰ্থী জীৱনৰ চৰ্তসমূহ

৩। **ব্যক্তিগত-সামাজিক তথ্য ঃ** শিক্ষাৰ্থীয়ে নিজক আৰু আনক বুজাত সহায় হোৱা সকলো দিশ সামৰি যিবোৰ তথ্যৰ প্ৰয়োজন সেইবোৰক ব্যক্তিগত-সামাজিক তথ্য বুলি কোৱা হয়। এই তথ্যবোৰে শিক্ষাৰ্থীক জীৱনৰ পছন্দবোৰ বাছনি কৰা আৰু সমাযোজনত (adjustment) সহায় কৰে। ব্যক্তিগত আৰু সামাজিক তথ্যসমূহে তলত দিয়া বিষয়বোৰ সামৰি লয়—

- নিজক আৰু আনক বুজা
- ব্যক্তিত্বৰ বিকাশ আৰু উন্নতিকৰণ
- অন্যৰ সৈতে আগবাঢ়ি যোৱা
- অৱসৰ সময়ৰ কাৰ্যকলাপবোৰ
- বিদ্যালয়ত প্ৰৱেশৰ পথ আৰু উপায়সমূহ
- ভাল কৰ্ম-অভ্যাস
- মনোভাৱ আৰু মূল্যবোধবোৰ
- সামাজিক কাম-কাজত অংশগ্ৰহণ
- আৰ্থিক পৰিকল্পনা ইত্যাদি।

কেৰিয়াৰ তথ্যবোৰ সদায় নিখুঁত, নিৰ্ভৰযোগ্য, বৈধ আৰু ব্যৱহাৰযোগ্য হ'ব লাগে। ইয়াৰ ব্যতিৰেকে, যিকোনো ধৰণৰ কেৰিয়াৰ তথ্যই অৰ্থহীন। সেয়ে, শিক্ষক হিচাপে আপুনি সদায় শিক্ষাৰ্থীক বৈধ আৰু ব্যৱহাৰযোগ্য কেৰিয়াৰ তথ্যহে প্ৰদান কৰিব লাগে। ওপৰত উল্লেখ কৰা দৰে এই কেৰিয়াৰ তথ্যসমূহে বৃত্তিমূলক শৈক্ষিক আৰু ব্যক্তিগত-সামাজিক দিশসমূহ সামৰি লয়।

৮.৪ কেৰিয়াৰ তথ্যৰ গুৰুত্ব

শিক্ষার্থীয়ে জীৱনত সঠিক কেৰিয়াৰ সম্পর্কীয় সিদ্ধান্ত গ্রহণ কৰিবলৈ হ'লে নিখুঁত, নির্ভৰযোগ্য, বৈধ আৰু ব্যৱহাৰযোগ্য কেৰিয়াৰ তথ্যৰ অতীৱ প্রয়োজন। এই ক্ষেত্রত যিসকলে শিক্ষার্থীক সহায় কৰে তেওঁলোকৰ বাবেও কেৰিয়াৰ তথ্যসমূহ অত্যন্ত গুৰুত্বপূর্ণ। বর্তমান সময়ত নির্দেশনাৰ পৰিৱর্তিত ধাৰণা, পৰিৱর্তিত কর্মৰ জগতখন, তথ্য-প্রযুক্তিৰ দিশত হোৱা বিকাশ, সমাজ আৰু ব্যক্তি জীৱনত অহা পৰিৱর্তনবোৰে কেৰিয়াৰ তথ্যৰ গুৰুত্ব যথেষ্ট বৃদ্ধি কৰিছে। কেৰিয়াৰ তথ্যৰ গুৰুত্ব তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পাৰি—

১) পূর্বতে নির্দেশনাৰ মূল কাম আছিল ব্যক্তিক বৃত্তিমূলক নির্দেশনা প্রদান কৰা আৰু সমাযোজনত সহায় কৰা। মূলতঃ এটা বৃত্তিতনিয়োজিত হ'বলৈ প্রয়োজন হোৱা দক্ষতাৰ লগত ব্যক্তিৰ ব্যক্তিত্বৰ বৈশিষ্ট্যসমূহৰ সাদৃশ্যকৰণেই আছিল পূর্বৰ নির্দেশনাৰ মূল কাম। কিন্তু বর্তমান নির্দেশনাৰ পৰিৱর্তিত ধাৰণাই ব্যক্তিৰ সর্বাত্মক বিকাশক বুজায়। এই বিকাশ প্রক্রিয়াত ব্যক্তিয়ে নিজৰ সবলতা আৰু দুর্বলতাক চিনাক্ত কৰিব পাৰিব, সমস্যাক বিশ্লেষণ কৰিব আৰু তাৰ সন্মুখীন হ'ব পাৰিব, নিজৰ বাবে উপযোগী শৈক্ষিক, বৃত্তিমূলক আৰু ব্যক্তিগত লক্ষ্য স্থিৰ কৰিব পাৰিব আৰু এই লক্ষ্যসমূহত উপনীত হ'বলৈ বাঞ্ছিত দিশত পৰিকল্পনা কৰিব পাৰিব। সেয়ে আজি নির্দেশনা মানে কেৱল শিক্ষার্থীক নিজৰ পছন্দ বাছনি কৰাত সহায় কৰাতে সীমাবদ্ধ নাথাকে, নির্দেশনাই আজি পদ্ধতিগতভাৱে প্রাথমিক বিদ্যালয় পর্যায়ৰ পৰা কেৰিয়াৰ সিদ্ধান্ত গ্রহণৰ পর্যায়লৈকে কেৰিয়াৰ বিকাশ আৰু সমাযোজনত সহায় কৰে। এনে ধৰণৰ সহায়ে শিক্ষার্থীক নিজকে বুজাত আৰু কর্মৰ জগতখনক বুজাত, নিজৰ জীৱনৰ বাবে প্রয়োজনীয় সঠিক মনোভাৱ, আগ্রহ আৰু মূল্যবোধ বিকাশৰ জৰিয়তে সঠিক কেৰিয়াৰ নির্বাচন কৰাত আৰু সমাযোজন কৰাত সহায় কৰে। এনে প্রেক্ষাপটত কেৰিয়াৰ তথ্যক নির্দেশনা সেৱাৰ লগত সংগত কৰাটো অতীৱ প্রয়োজন।

২) এজন ব্যক্তিয়ে নিজৰ বাবে কেৰিয়াৰ নির্বাচন কৰাটো ব্যক্তিজনৰ বাবে আটাইতকৈ গুৰুত্বপূর্ণ সিদ্ধান্ত। এই গুৰুত্বপূর্ণ সিদ্ধান্ত গ্রহণ কৰোতে এজন ব্যক্তিক নিখুঁত, নির্ভৰযোগ্য আৰু ব্যৱহাৰোপযোগী তথ্যৰ প্রয়োজন। বর্তমান সময়ৰ শৈক্ষিক আৰু বৃত্তিমূলক সুযোগ-সুবিধাবোৰ যথেষ্ট বিস্তৃত আৰু বৈচিত্র্যময়। আজিৰ যুগত প্রত্যেক দিনাই কর্মক্ষেত্রত নতুন নতুন ক্ষেত্রৰ বা সুযোগৰ সৃষ্টি হৈছে। গতিকে যুগসাপেক্ষে কেৰিয়াৰ বাছনিত বৃত্তিমূলক তথ্যৰ প্রয়োজনীয়তা অতীৱ প্রয়োজন।

শিক্ষক হিচাপে আপুনি জানে যে আপোনাৰ ছাত্র-ছাত্রীয়ে পাঠ্যক্রম নির্বাচন, শিক্ষানুষ্ঠান নির্বাচন আৰু কেৰিয়াৰ নির্বাচন কৰে। তেনে প্রেক্ষাপটত তেওঁলোকক যিমান সঠিক আৰু বিস্তৃত ৰূপত কেৰিয়াৰ সম্পর্কীয় তথ্য প্রদান কৰা হ'ব সিমানেই তেওঁলোকৰ সঠিক কেৰিয়াৰ বাছনিত সহায়ক হ'ব। এনে হ'লে শিক্ষার্থীসকলে নিয়োগৰ ক্ষেত্রত সুবিধা পাব। যাৰ ফলত তেওঁলোকৰ মনত কেৰিয়াৰ সন্তুষ্টি থাকিব আৰু সাফল্যই তেওঁলোকৰ জীৱনলৈ প্রফুল্লতা আনিব। সেয়ে, সঠিক কেৰিয়াৰ তথ্যই শিক্ষার্থীক কোনবোৰ বৃত্তিত মানৰ সম্পদৰ নাটনি আছে আৰু কোনবোৰ বৃত্তিত মানৰ সম্পদৰ পর্যাপ্ততা আছে তাৰে আভাস দিব তাৰ ভিত্তিত নিজৰ বৃত্তি নির্বাচনৰ ক্ষেত্রত শিক্ষার্থীৰ সুবিধা বা সূচল পাব। সেয়ে, বিদ্যালয় নির্দেশনা সেৱাত শিক্ষা, প্রশিক্ষণৰ সুবিধা আৰু নিয়োগৰ

সুবিধা সম্পৰ্কীয় তথ্যই কেৱল শিক্ষার্থীকে নহয় সমাজকো মানৱ সম্পদৰ সঠিক নিয়োজনত সুবিধা কৰি দিয়ে।

৩) সময়ৰ অগ্রগতিৰ লগে লগে এজন ব্যক্তিৰ জীৱনত কর্মৰ আৰু কেৰিয়াৰ সম্পর্কীয় কথাবোৰৰ যথেষ্ট গুৰুত্ব বাঢ়িছে। কর্মৰ জগতখন দিনে দিনে সলনি হৈছে আৰু তলত উল্লেখ কৰা কাৰণবোৰৰ বাবে এই পৰিৱর্তন ত্বৰান্বিত হৈছে—

- শ্রম শক্তিৰ ক্রমবর্ধমান বৃদ্ধি
- বর্ধিত নিবনুৱা সমস্যা
- কর্মৰ জগতত মহিলাৰ বর্ধিত অংশগ্রহণ
- তথ্য-প্রযুক্তিৰ দিশত দ্রুত পৰিৱর্তন
- পুৰণি বৃত্তিবোৰত পৰিৱর্তন হোৱা দক্ষতা আৰু প্রয়োজনবোৰ
- পৰিৱর্তিত অর্থনৈতিক অৱস্থা
- পৰিৱর্তিত শিক্ষা আৰু প্রশিক্ষণৰ সুবিধাসমূহ
- ব্যক্তিৰ বিকাশ বাবে সমাজে আগবঢ়োৱা বর্ধিত সুযোগবোৰ।

কর্মৰ পৃথিৱীত হোৱা পৰিৱর্তনবোৰে ব্যক্তিৰ কর্মৰ প্রতি থকা ধাৰণাও সলনি কৰিছে। এতিয়া কর্ম কেৱল জীৱিকা অর্জনৰ এক মাধ্যম নহয়, বর্তমান সময়ত কর্মই হ'ল ব্যক্তিৰ আকাংক্ষা আৰু প্রয়োজনসমূহ পূৰণ কৰাৰ, সামাজিক প্রস্থিতি অর্জন আৰু ব্যক্তিগত সন্তুষ্টিৰ উৎস। বর্তমান সময়ৰ পৰিৱর্তিত কর্মৰ জগত, পৰিৱর্তিত সমাজ আৰু ব্যক্তিগত আকাংক্ষাই শিক্ষার্থীক সঠিক দিশত নিজকে আগুৱাই নিয়াত বিৰাট প্রত্যাহ্বানৰ সৃষ্টি কৰিছে। লগতে পিতৃ-মাতৃ আৰু সমাজৰ উচ্চাকাংক্ষাই এই প্রত্যাহ্বানক শিক্ষার্থীৰ বাবে অধিক জটিল কৰি তুলিছে। ইয়াৰ মাজতে শিক্ষার্থীয়ে এই প্রত্যাহ্বানবোৰ গ্রহণ কৰি আত্ম-বিশ্বাসেৰে কেৰিয়াৰ সম্পর্কীয় সঠিক সিদ্ধান্ত ল'ব লাগিব। এই ক্ষেত্রত কেৰিয়াৰ তথ্যই শিক্ষার্থীক কর্মৰ জগতত দেখা দিয়া প্রত্যাহ্বানবোৰ সন্মুখীয় হোৱাত গুৰুত্বপূর্ণ ভূমিকা ল'ব পাৰে। কেৰিয়াৰ তথ্যই শিক্ষার্থীক এটা কেৰিয়াৰৰ পৰিকল্পনা কৰাত, কেৰিয়াৰৰ সন্ধান কৰাত, প্রয়োজনীয় দক্ষতা অর্জন কৰাত, সিদ্ধান্ত গ্রহণ কৰাত আৰু কেৰিয়াৰ সম্পর্কীয় সমাযোজনত থকা সমস্যাসমূহ সমাধান কৰাত সহায় কৰে।

৮.৫ কেৰিয়াৰ তথ্য আৰু বিদ্যালয়ৰ নির্দেশনা সেৱা

শিক্ষার্থীয়ে নিজকে বুজি পোৱা, শিক্ষার্থীৰ বিকাশ আৰু সমাযোজনৰ বাবে অত্যাৱশ্যকীয় হোৱা সকলো কার্যসূচীক সামৰিয়েই বিদ্যালয়ৰ নির্দেশনা কার্যসূচী নির্ধাৰণ কৰা হয়। বিদ্যালয়ৰ নির্দেশনা কার্যসূচীক তলত উল্লেখ কৰা সেৱাসমূহত ভাগ কৰিব পাৰি—

- **অভিযোজন সেৱা ঃ** এই সেৱাৰ অধীনত বিদ্যালয়লৈ নতুনকৈ অহা শিক্ষার্থীক বিদ্যালয়ৰ ব্যৱস্থাসমূহ, কাম-কাজবোৰ, সা-সুবিধাবোৰ আৰু বিদ্যালয় নিয়ম-নীতি সম্পর্কে পৰিচয় কৰাই দিয়া হয় যাতে নতুন শিক্ষার্থীয়ে বিদ্যালয়ত সমাযোজনত অসুবিধা নাপায়। সেয়েহে এজন শিক্ষক নির্দেশকে বিদ্যালয়ৰ সকলো

তথ্য জনা দৰকাৰ যাতে তেওঁ বিদ্যালয়ত নতুন শিক্ষার্থীক এই দিশত সঠিক নির্দেশনা দিব পাৰে।

- **ব্যক্তি সর্ম্পকীয় তথ্য-তালিকা সেৱা ঃ** এই সেৱা শিক্ষার্থীৰ মাজত স্ব-বোধগম্যতা আৰু গ্রহণযোগ্যতা বিকাশৰ বাবে প্রস্তুত কৰা হয়। এই সেৱাৰ অধীনত শিক্ষার্থীৰ ওপৰত মনোবৈজ্ঞানিক অভীক্ষা সম্পাদন কৰি আৰু অন্য পদ্ধতিৰে বা কৌশলেৰে তেওঁলোকৰ বিভিন্ন মনোবৈজ্ঞানিক দিশসমূহৰ তথ্য সংগ্রহ আৰু সংগঠিত কৰা হয়। এই সেৱাৰ দ্বাৰা প্রত্যেক শিক্ষার্থীৰ আগ্রহ, দক্ষতা, ৰুচি আদিবোৰ সঠিকভাৱে চিনাক্ত কৰিব পাৰি। নির্দেশনা সেৱাত ই যথেষ্ট সহায়ক হয়।
- **তথ্য সেৱা ঃ** এই সেৱাই শিক্ষার্থীক শৈক্ষিক, বৃত্তিমূলক আৰু ব্যক্তিগত-সামাজিক দিশৰ তথ্যসমূহ প্রদান কৰে। শৈক্ষিক তথ্যই শিক্ষার্থীক শিক্ষা সম্পর্কীয় তথ্য আৰু প্রশিক্ষণ সম্পর্কীয় সুবিধাবোৰৰ তথ্য দিয়ে। বৃত্তিমূলক তথ্যই শিক্ষার্থীক কর্মৰ জগতখনৰ বিষয়ে জনায় আৰু ব্যক্তিগত সামাজিক তথ্যই শিক্ষার্থীক নিজৰ আৰু আনৰ বিষয়ে জনাত সহায় কৰে। এনে ধৰণৰ তথ্যই শিক্ষার্থীক নিজৰ কেৰিয়াৰ বিকাশ আৰু সমাযোজনত বহুত সহায় কৰে।
- **পৰামর্শদান সেৱা ঃ** শিক্ষার্থীয়ে তেওঁলোকৰ বিভিন্ন সমস্যাবোৰৰ সম্পর্কে পোনপটীয়াকৈ পৰামর্শদাতাৰ লগত আলোচনা কৰিব পাৰে যাৰ দ্বাৰা শিক্ষার্থীয়ে কেৰিয়াৰ সম্পর্কীয় সঠিক পৰিকল্পনা কৰা, সঠিক সিদ্ধান্ত গ্রহণ আৰু সমাযোজন কার্যত সহায়ক হয়। এই সেৱা প্রদানৰ ওপৰত উল্লেখ কৰা ব্যক্তি সর্ম্পকীয় তথ্য তালিকা সেৱা আৰু তথ্য সেৱাই যথেষ্ট সহায় কৰে।
- **নিযুক্তি দান সেৱা ঃ** নির্দেশনাৰ এই সেৱাই শিক্ষার্থীক বিদ্যালয়-মহাবিদ্যালয় শিক্ষাৰ ক্ষেত্রত সমযোজনৰ ক্ষেত্রত সহায় কৰে। এই সেৱাই শিক্ষার্থীক নিযুক্তি পোৱাত বা ভৰিষ্যৎ শিক্ষা আৰু প্রশিক্ষণ লাভৰ ক্ষেত্রত সহায় কৰে। অধিক শিক্ষা লাভৰ বাবে আৰু বৃত্তিমূলক দিশৰ তথ্যসমূহে নিযুক্তি সেৱা প্রদানত সহায় কৰে।
- **অনুগমন সেৱা ঃ** অনুগমন সেৱাই বিদ্যালয় এৰা শিক্ষার্থীৰ সাফল্য, সমস্যা আৰু সমাযোজন সর্ম্পকীয় তথ্যবোৰ সংগ্রহ কৰে। ইয়াৰ দ্বাৰা বিদ্যালয়ত প্রদান কৰা নির্দেশনা সেৱাৰ কার্যকাৰিতা সর্ম্পকে অৱগত হ'ব পাৰি আৰু বিদ্যালয়ৰ বর্তমানৰ শিক্ষার্থীসকলৰ বাবে এই তথ্যসমূহ ব্যৱহাৰ কৰিব পাৰি।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বৃত্তিমূলক তথ্য বুলিলে কি বুজায়?

প্রশ্ন নং ২ ঃ কর্মৰ জগতখনক বুজাত কেৰিয়াৰ তথ্যই কিদৰে সহায় কৰে?

প্রশ্ন নং ৩ ঃ পৰামর্শদান সেৱাই শিক্ষার্থীক কেনেকৈ সহায় কৰে?

৮.৬ কেৰিয়াৰ তথ্যৰ কার্যাৱলী

কেৰিয়াৰ তথ্যসমূহে নির্দেশনা আৰু পৰামর্শদান কার্যসূচীত তলত দিয়া কার্যসমূহ সম্পাদনত সহায় কৰে।

- কেৰিয়াৰ তথ্যসমূহে কেৰিয়াৰৰ বিকাশত সহায় কৰে। কেৰিয়াৰ বিকাশে ব্যক্তিক সফলভাৱে কর্মৰ জগতত প্ৰৱেশ কৰি কর্মৰ জীৱনত সফলভাৱে সমাযোজন কৰাটোক বুজায়। কেৰিয়াৰ বিকাশ ব্যক্তি জীৱনৰ আৰম্ভনিতে হয়। কেৰিয়াৰ বিকাশত জড়িত কার্যসমূহ হ'ল— জ্ঞান আৰু দক্ষতা অর্জন, মনোভাৱ গঠন, আগ্ৰহ গঢ়ি তোলা, মূল্যবোধ আৰু আত্ম-ধাৰণা গঢ়ি তোলা। ব্যক্তিয়ে কর্মৰ জগতত কি দৰে প্ৰৱেশ কৰিব আৰু কেনেকৈ তাত সমাযোজন কৰিব তাৰ বাবে প্ৰস্তুতি চলাব। ব্যক্তিয়ে নিজৰ আত্ম-ধাৰণা অনুসৰি কর্মৰ জগতত কি ভূমিকা পালন কৰিব সেইয়াও ঠিক কৰিব। কিছুমান পৰিয়াল বা বিদ্যালয়ৰ পৰিৱেশত শিক্ষার্থীয়ে কর্মৰ জগতত পালন কৰিব লগা সঠিক ভূমিকা সর্ম্পকে বুজাত সহায়ক কৰে। এই সকলো দিশতে ব্যক্তিয়ে বিভিন্ন বৃত্তি সর্ম্পকীয় তথ্য জনাৰ ওপৰত নির্ভৰ কৰে। সেয়ে, ব্যক্তিৰ কেৰিয়াৰ গঠনত কেৰিয়াৰ তথ্যৰ ভূমিকা যথেষ্ট গুৰুত্বপূর্ণ।
- কেৰিয়াৰ তথ্যসমূহে শিক্ষার্থীৰ মাজত কেৰিয়াৰ সর্ম্পকীয় সচেতনতা আৰু চিন্তাৰ সৃষ্টি কৰে। ইয়াৰ সহায়ত শিক্ষার্থীয়ে কর্মৰ জগতখনৰ লগত পৰিচয় হয়। শিক্ষার্থীয়ে নিজৰ পিতৃ-মাতৃ আৰু অন্যলোকে কর্মৰ জগতত পালন কৰা ভূমিকাসমূহৰ পৰাও বহু কথা শিকে। ইয়াৰ পৰাও তেওঁলোকৰ মনত আকাংক্ষা জাগি উঠে আৰু সঠিক মনোভাৱ গঠন হয়। শিক্ষার্থীয়ে নিজকে প্ৰাপ্ত বয়স্কৰ ভূমিকা পালন কৰিবলৈ প্ৰস্তুতি চলায় আৰু সেই অনুসৰি কর্ম সন্দর্ভত আত্ম-ছবি বা বৃত্তিমূলক আত্ম-ধাৰণা গঢ় ল'বলৈ ধৰে। আমাৰ দৰে পৰম্পৰাগত সমাজত বহুতো ছোৱালীয়ে পুৰুষৰ দৰে কর্মৰ জগতৰ সকলো ভূমিকা সর্ম্পকে সচেতন নহয় বা কোনো আত্ম-ধাৰণা গঢ়িব নিবিচাৰে। সেয়ে বিদ্যালয় পর্যায়ত পর্যাপ্ত কেৰিয়াৰ তথ্যই ছোৱালীবিলাকক কেৰিয়াৰ সচেতন কৰি তোলে। তেওঁলোকে বিভিন্ন কেৰিয়াৰ সর্ম্পকীয় চিন্তা কৰিবলৈ আৰম্ভ কৰে।

বিদ্যালয়ে এক পৰিকল্পিত ৰূপত কর্মৰ জগতৰ বিভিন্ন ভূমিকা সম্পর্কীয় তথ্যসমূহ শিক্ষার্থীক প্ৰদান কৰিলে শিক্ষার্থীৰ মাজত বিভিন্ন কেৰিয়াৰ প্ৰতি আগ্ৰহ, দক্ষতাû কৌশল আৰু মনোভাৱ গঢ়াত সহায়ক হয়। কেৰিয়াৰ তথ্যই শিক্ষার্থীক কর্মৰ জগতখনৰ বিষয়ে অধিক জানিবলৈ অনুপ্ৰাণিত কৰে আৰু নিজৰ বাবে এক সঠিক কেৰিয়াৰ বাছনি কৰাত সহায় কৰে।

- কেৰিয়াৰ তথ্যই শিক্ষার্থীৰ মাজত স্ব-সচেতনতাৰ সৃষ্টি কৰে। কেৰিয়াৰ তথ্যই শিক্ষার্থীক শিকায় যে ব্যক্তি বিশেষে প্ৰয়োজন, দক্ষতা, আগ্ৰহ, ব্যক্তিগত গুণ আৰু মূল্যবোধ বেলেগ। এজন ব্যক্তিয়ে এই বিভিন্ন বৈশিষ্টবোৰৰ ভিত্তিত নিজকে বহুকেইটা বৃত্তিৰ বাবে নিজকে প্ৰস্তুত কৰিব পাৰে। তাৰোপৰি শিক্ষার্থীসকলে বুজি উঠে যে বিভিন্ন বৃত্তিত বিভিন্ন ধৰণৰ দক্ষতাৰ সমাহাৰ হয়। কিছুমান কৌশল বা দক্ষতা কোনো এটা বৃত্তিৰ বাবে বিশেষ হ'ব পাৰে কিন্তু কিছুমান অন্য দক্ষতা অন্য বৃত্তিলৈ স্থানান্তৰ কৰিব পাৰি। শিক্ষার্থীয়ে তেওঁলোকে গ্ৰহণ কৰা শিক্ষাৰ লগত জড়িত বৃত্তিসমূহৰ বিষয়েও জানিব পাৰিব। শিক্ষার্থীয়ে বিভিন্ন কেৰিয়াৰৰ

বাবে প্রয়োজনীয় তথ্য জনাৰ পিছত নিজৰ দক্ষতা বা সক্ষমতা সম্পর্কে সচেতন হয় আৰু নিজৰ দুর্বলতা সম্পর্কীয় দিশসমূহো জানিব পাৰে। এইদৰে শিক্ষার্থীয়ে কেৰিয়াৰ তথ্যৰ ভিত্তিত নিজৰ ভৱিষ্যৎ কেৰিয়াৰ সম্পর্কীয় সিদ্ধান্ত গ্রহণত আগবাঢ়িব পাৰে বা পূর্বে লোৱা সিদ্ধান্তক সংশোধন কৰিব পাৰে।

- কেৰিয়াৰ তথ্যই শিক্ষার্থীক কেৰিয়াৰ সম্পর্কীয় সিদ্ধান্ত গ্রহণত সহায় কৰে। কোৱা বাহুল্য যে এজন শিক্ষার্থীয়ে শুদ্ধ ৰূপত কেৰিয়াৰ বাছনি কৰিব পাৰিলে জীৱনলৈ সুখ আৰু সন্তোষ আহে আৰু ইয়াৰ ব্যতিৰেকে ব্যক্তিৰ জীৱনলৈ অসন্তোষ আনে আৰু কর্মক্ষেত্রৰ লগতে গৃহ ক্ষেত্রত সমাযোজনত সমস্যাৰ সৃষ্টি কৰে। সেয়ে এজন শিক্ষার্থীৰ কেৰিয়াৰ বাছনি সদায় সম্পূর্ণ, নিখুঁত, নির্ভৰযোগ্য আৰু শেহতীয়া তথ্যৰ ভিত্তিত হোৱা উচিত। এটা বৃত্তিত এজন শিক্ষার্থী সফল হ'বলৈ হ'লে সেই বৃত্তিটোৰ লগত ব্যক্তিজনৰ দক্ষতা, আকাংক্ষা, আগ্রহ আৰু মূল্যবোধবোৰৰ মিল থাকিব লাগিব আৰু ব্যক্তিজনে সমাজৰ এজন সদস্য হিচাপে কেনেকৈ জীৱন নির্বাহ কৰিব বিচাৰে তাৰ লগত ৰজিতা খাব লাগিব। সেয়ে, এজন শিক্ষার্থীৰ কেৰিয়াৰ সম্পর্কীয় সিদ্ধান্ত গ্রহণত, তেওঁৰ নিজ সম্পর্কীয় তথ্যৰ লগত নির্বাচিত কেৰিয়াৰ তথ্যৰ সংগতি থাকিব লাগিব।
- কেৰিয়াৰ তথ্যই শিক্ষার্থীৰ কেৰিয়াৰ সমাযোজনত সহায় কৰে। কাৰণ কেৰিয়াৰ সম্পর্কীয় তথ্যৰ পূর্ব্বভাসে শিক্ষার্থীক কর্মৰ জগতত বাছনিকৃত বৃত্তিৰ লগত জড়িত থকা বিভিন্ন দিশসমূহৰ প্রতি অৱগত কৰাব; ফলত তেওঁ পৰৱর্তী পর্যায়ত বৃত্তিটোত সমাযোজনত অসুবিধা নাপায়। যেতিয়া ব্যক্তিয়ে প্রৱেশ কৰা বৃত্তিটোত সফল আৰু সন্তোষিত হয় তেতিয়া তেওঁ নিজৰ পদ মর্যদা আৰু উন্নতিৰ হকে অধিক কাম কৰিবলৈ উৎসাহী হয়। কিন্তু ইয়াৰ বিপৰীতে ব্যক্তি যদি প্রৱেশ কৰা বৃত্তিটোৰ ক্ষেত্রত সন্তুষ্ট নহয়, তেন্তে তেওঁ নিশ্চয় নিজৰ পদ সম্পর্কে পুনৰ বিবেচনা কৰিব। এজন ব্যক্তি নিজৰ পদ সম্পর্কে সন্তুষ্ট বা অসন্তুষ্ট হোৱাৰ কাৰণ বহুতো, যেনে— দৰমহা, ভাট্টা, নিয়োগকর্তাৰ আশা-আকাংক্ষা, দায়িত্ব, কামৰ চর্ত, কামৰ নীতি-নিয়ম, কামৰ গতি, নতুন দক্ষতা, কৌশলৰ দাবী, কর্ম-সংস্কৃতিৰ পৰিৱর্তন, অথবা মূল্যবোধৰ সংকট ইত্যাদি। এনে ক্ষেত্রত নিজৰ বর্তমানৰ কর্ম ভূমিকাত অসন্তুষ্ট ব্যক্তিয়ে অন্য পদলৈ যাবলৈ চেষ্টা কৰে। সেইহেতুকে কেৰিয়াৰ তথ্যই এই দিশসমূহ শিক্ষার্থীক এটা কেৰিয়াৰত প্রৱেশ কৰাৰ আগতেই জানিবলৈ দিয়ে আৰু শিক্ষার্থীক এনে পৰিৱেশ্ৰপৰিস্থিতিত সমাযোজন কৰিবলৈ মানসিকভাৱে সাজু কৰে।

বর্তমান প্রজন্মৰ বাবে কেৰিয়াৰ সমাযোজন এক প্রত্যাহ্বানমূলক কথা। গোলকীকৰণৰ হেতু হোৱা বিশ্বব্যাপী অর্থনৈতিক পৰিৱর্তনে কর্মৰ জগতত আলোড়নৰ সৃষ্টি কৰিছে। বর্তমান কর্মৰ ক্ষেত্রত চাকৰিৰ স্থায়িত্ব আৰু নিৰাপত্তাৰ দিশত প্রচুৰ অনিশ্চয়তা আহি পৰিছে। সেয়ে বর্তমান কর্মৰ জগতত ব্যক্তিৰ প্রৱেশ প্রস্থান এক স্বাভাৱিক কার্যকলাপত পৰিণত হৈছে। বহু ব্যক্তিক সদায়েই বৃত্তিগত দিশত ভাল সুযোগৰ তথ্যৰ প্রয়োজন। বর্তমান সময়ৰ এই নির্মোহ বাস্তৱিকতাই ব্যক্তিৰ আকাংক্ষাবোৰ আৰু কেৰিয়াৰ পৰিকল্পনাক গভীৰভাৱে প্রভাৱিত কৰিছে। ব্যক্তিৰ আকাংক্ষাবোৰ পূৰণ নহ'লে ব্যক্তিৰ জীৱনলৈ অসন্তোষ, হতাশা আৰু অশান্তি নামি আহে। কেৰিয়াৰ তথ্যই পৰিৱর্তিত পৰিস্থিতিত নিজকে সমাযোজন কৰিবলৈ ব্যক্তিক শিকায় লগতে ব্যক্তিৰ আকাংক্ষা আৰু কেৰিয়াৰ পৰিকল্পানাত আৱশ্যকীয় সংশোধন সাধনত সহায় কৰে।

- কেৰিয়াৰ তথ্যই শিক্ষার্থীৰ কেৰিয়াৰ সম্পর্কীয় ধাৰণাৰ পৰীক্ষা কৰে। কিছুমান মানুহৰ মাজত কেৰিয়াৰ আৰু পাঠ্যক্রম সম্পর্কে ভ্রান্ত ধাৰণা থাকে। কেৰিয়াৰ তথ্যই তেওঁলোকৰ মাজত গঢ় লৈ থকা ভ্রান্ত ধাৰণাক পৰীক্ষা কৰাৰ সুযোগ দিয়ে। এইটো কথা সত্য যে বিভিন্ন দক্ষতা থকা আৰু ব্যক্তিগত গুণ থকা মানুহে প্রায় একে ধৰণৰ কেৰিয়াৰকে বাছনি কৰে আৰু সমাযোজিত হৈ থাকে। তথাপিও কিছুমান মানুহে কিছুমান বিশেষ কেৰিয়াৰৰ প্রতি সম্মোহিত হৈ থাকে যিবোৰৰ তেওঁলোকৰ প্রয়োজন আৰু মনোবৈজ্ঞানিক বৈশিষ্ট্যবোৰৰ লগত সংগতি নাথাকে। ফলত তেওঁলোকে ভুল বৃত্তিত ভৰি দিয়ে। সেয়েহে বিস্তৃত ৰূপত বিভিন্ন কেৰিয়াৰ সম্পর্কীয় নিখুঁত আৰু শেহতীয়া তথ্যৰ যোগানে শিক্ষার্থীক কেৰিয়াৰ সম্পর্কে থকা ভ্রান্ত ধাৰণাসমূহ মূল্যায়ন কৰাত সহায় কৰে আৰু তেওঁলোকৰ ভুল কেৰিয়াৰ বাছনিৰ পছন্দক সংশোধন কৰিব পাৰে।
- বিদ্যালয়ত শিক্ষক-পৰামর্শদাতাই শিক্ষার্থীক বিভিন্ন পাঠ্যক্রমত বিভিন্ন অনুষ্ঠানত নামভর্ত্তি সম্পর্কীয় তথ্য প্রদান কৰে যাৰ সহায়ত শিক্ষার্থীয়ে নিজৰ পছন্দৰ পাঠ্যক্রম আৰু শিক্ষানুষ্ঠান বাছনি কৰি নামভর্ত্তি কৰিব পাৰে। শিক্ষক পৰামর্শদাতাই যিসকল শিক্ষার্থীয়ে বিদ্যালয় এৰাৰ পিছতে কর্মৰ জগতত প্রৱেশ কৰিব বিচাৰে তেওঁলোকৰ মাজত সঠিক মনোভাৱ আৰু আচৰণ গঢ় দিয়ে, যাতে তেওঁলোকে কর্মৰ জগতত সঠিক কার্য বাছনি কৰিব পাৰে। নিযুক্তি দান সেৱাত বহুতো চৰকাৰী আৰু ব্যক্তিগত নিযুক্তি প্রদান সংস্থাক ব্যৱহাৰ কৰা হয়। এই সংস্থাবোৰে নিযুক্তি বিচৰাসকলৰ বাবে ভৱিষ্যৎ নিয়োগৰ তথ্য, বর্তমানৰ নিয়োগকর্ত্তাসকলক তথ্য, বর্তমান উপলব্ধ নিয়োগৰ সুবিধাবোৰ, নিয়োগৰ ধাৰাসমূহ আৰু প্রয়োজনীয় দক্ষতা বা কৌশলৰ শিকন তথা উন্নীতকৰণৰ তথ্য প্রদান কৰে। এই তথ্যবোৰ সংস্থাবোৰে বিভিন্ন নিয়োগ বার্তা, খালীপদৰ বিজ্ঞপ্তি আৰু নিযোগকর্ত্তাৰ সৈতে যোগাযোগৰ মাধ্যমেদি প্রদান কৰে। শিক্ষক পৰামর্শদাতাই এই বিভিন্ন নিয়োগ প্রদান সম্পর্কীয় তথ্যবোৰ সংগ্রহ কৰি শিক্ষার্থীক প্রদান কৰে যাতে শিক্ষার্থীয়ে এই সংস্থাবোৰৰ পৰা সহায় ল'ব পাৰে।

৮.৭ বিদ্যালয়ত শিক্ষাৰ বিভিন্ন স্তৰত কেৰিয়াৰ তথ্য

বিদ্যালয়ত কেৰিয়াৰ তথ্য যিমান পাৰি সিমান সোনকালে শিক্ষার্থীক প্রদান কৰিব লাগে যাতে শিক্ষার্থীয়ে কেৰিয়াৰ সম্পর্কীয় সিদ্ধান্ত ল'ব পাৰে। বিদ্যালয়ৰ বিভিন্ন স্তৰত কেৰিয়াৰ তথ্য প্রদানৰ কিছুমান নির্দিষ্ট লক্ষ্য থাকে। তলত এই সম্পর্কে চমুকৈ বর্ণনা কৰা হ'ল—

- **প্রাথমিক বিদ্যালয় স্তৰ ঃ** এই স্তৰত নিম্ন আৰু উচ্চ প্রাথমিক দুয়োটা স্তৰ সামৰি লয়। এই স্তৰটো শিক্ষার্থীৰ বাবে অতিশয় গুৰুত্বপূর্ণ। এই সময়ৰ শিশুৰ স্বতঃস্ফুর্টতা, উৎসুকতা, সৃষ্টিশীলতা আৰু কর্ম উৎসাহক কিছুমান নির্দিষ্ট বৃত্তিৰ তথ্য প্রদান কৰি সীমাবদ্ধ কৰিব নালাগে। এই সময়ত শিশুক বিভিন্ন প্রকাৰৰ বৃত্তি সম্পর্কে জানিবলৈ প্রয়োজনীয় তথ্য প্রদান কৰিব লাগে। এই সময়ত শিশুক কেৰিয়াৰ তথ্য প্রদানৰ মূল লক্ষ্য হ'ল কর্মৰ জগতত থকা বিভিন্ন বৃত্তি সম্পর্কে বিস্তৃত ৰূপত তেওঁলোকৰ মাজত সচেতনতা গঢ়ি তোলা আৰু সকলো ধৰণৰ সামাজিকভাৱে উপযোগী কর্মৰ প্রতি যোগাত্মক মনোভাৱ গঢ়ি তোলা। এই স্তৰত শিশুৰ মাজত জীৱনৰ আৰু কর্মক্ষেত্রত যে আন্তঃব্যক্তিগত আৰু সামাজিক সম্পর্কৰ যথেষ্ট গুৰুত্ব

আছে সেই সম্পর্কে সজাগ কৰিব লাগে। এই তথ্যবোৰে শিক্ষার্থীক ভাল কর্ম-অভ্যাস গঢ়াত আৰু বৃত্তিমূলক জগতত তেওঁলোকৰ গুৰুত্ব সম্পর্কে বুজাত সহায় কৰে। এই স্তৰত দিয়া কেৰিয়াৰ তথ্যবোৰ হ'ল—

১) কর্মৰ জগতৰ বিভিন্ন ধৰণৰ বৃত্তি সম্পর্কীয় তথ্য।

২) কর্মই কিদৰে ব্যক্তিৰ জীৱন প্রভাৱিত কৰে।

৩) কর্মৰ বাবে কি কি ব্যক্তিগত গুণ প্রয়োজন।

৪) উৎপাদনমুখী কর্মৰ ব্যক্তিগত আৰু সমাজ জীৱনত মূল্য।

৫) যিকোনো বৃত্তিৰ বাবে এজন কর্মীৰ মাজত থাকিব লগা উমৈহতীয়া প্রয়োজনসমূহ— কঠোৰ শ্রম, নিয়মানুৱর্তিতা, শৃংখলাবদ্ধতা, দায়িত্বশীলতা, নিয়মীয়া কর্মত উপস্থিত আৰু দলীয় উদ্যম ইত্যাদি।

এই ধৰণৰ তথ্যই প্রথমিক স্তৰত পঢ়া শিক্ষার্থীক কর্মৰ জগতৰ বিভিন্ন তথ্য জনাত সহায় কৰে আৰু আত্ম-বিকাশৰ বাবে তেওঁলোকক উৎসাহী কৰে।

উচ্চ প্রাথমিক শাখাত পঢ়া শিক্ষার্থীসকল নিম্ন প্রাথমিকত পঢ়া শিক্ষার্থীসকলতকৈ মনোবৈজ্ঞানিক আৰু আবেগিকভাৱে অধিক পৰিপক্ক হয়। এনে শিক্ষার্থীক কেৰিয়াৰ তথ্যৰ লগতে ভৱিষ্যতে শিক্ষা কিদৰে আহৰণ কৰিব পাৰিব সেই সম্পর্কীয় তথ্যও দিয়া প্রয়োজন। বহু সময়ত দেখা যায় যে এই স্তৰৰ শিক্ষার্থীয়ে বিদ্যালয়ৰ পাঠ্যক্রমৰ প্রতি অনীহা প্রদর্শন কৰে আৰু বিদ্যালয়ত পঢ়ি থকা বিষয়বোৰৰ তেওঁলোকৰ বর্তমান আৰু ভৱিষ্যৎ জীৱনৰ লগত প্রাসংগিকতা দেখা নাপায়। কেৰিয়াৰ তথ্যই এই ক্ষেত্রত শিক্ষার্থীক এইটো বুজাত সহায় কৰে যে তেওঁলোকে বর্তমান পঢ়ি থকা বিষয়বোৰে ভৱিষ্যতৰ বিভিন্ন বৃত্তিবোৰত প্রয়োজনীয় দক্ষতাবোৰ বিকাশ কৰাত সহায় কৰিব।

ওপৰত উল্লেখ কৰা কেৰিয়াৰ তথ্যসমূহ আপোনালোকে বিভিন্ন দলীয় কার্যসূচী যেনে শ্রেণী বার্তালাপ, দলীয় আলোচনা, শ্রেণীকোঠাৰ কাম-কাজ, অতিথি বক্তা, প্রদর্শনী, পৰিকল্পিত ভ্রমণ ইত্যাদি কার্যসূচীৰ মাধ্যমেদি প্রদান কৰিব পাৰে।

- **মাধ্যমিক বিদ্যালয় স্তৰ ঃ** এই স্তৰৰ শিক্ষার্থীৰ তাৎক্ষণিক প্রয়োজন হ'ল উচ্চতৰ মাধ্যমিকত সঠিক পাঠ্যক্রম বাছনি কৰা বা কিছুমান হ্রস্বকালীন কাৰিকৰী অথবা কর্ম-ভিত্তিক পাঠ্যক্রম বাছনি কৰা অথবা কর্মৰ জগতত প্রৱেশ কৰা। এওঁলোকক স্থানীয় অঞ্চলবোৰত থকা শিক্ষা আৰু প্রশিক্ষণৰ সুবিধা সম্পর্কীয় তথ্যবোৰ প্রয়োজন হয়। শিক্ষার্থীক তেওঁলোকৰ বৃত্তিমূলক জগতখন আৰু নিজৰ বিষয়ে (তেওঁলোকৰ প্রয়োজন, শক্তি, সীমাবদ্ধতা, মনোভাৱ আৰু মূল্যবোধ আদি) তথ্য প্রদান কৰি কেৰিয়াৰ পৰিকল্পনা কৰাত বা কেৰিয়াৰ ভূমিকা বাছনি কৰাত সহায় কৰিব লাগে। এই স্তৰত শিক্ষার্থীৰ বাবে দিয়া কেৰিয়াৰ তথ্যই নতুনকৈ উন্মোচিত হোৱা কেৰিয়াৰ সম্পর্কে, পৰিৱর্তিত অর্থনীতিত আত্ম-নিয়োগৰ সুযোগ, আৰু চৰকাৰৰ শেহতীয়া নিয়োগ নীতি আৰু আঁচনিবোৰক সামৰি ল'ব লাগে। মাধ্যমিক স্তৰৰ শিক্ষার্থীক কেৰিয়াৰ সম্পর্কীয় শেহতীয়া তথ্য জনাৰ বাবে বাতৰি কাকত, আলোচনী বা ইণ্টাৰনেট চাবলৈ উৎসাহ দিব লাগে। বিদ্যালয়ত এইসকল শিক্ষার্থীৰ বাবে কেৰিয়াৰ বার্তালাপ, আলোচনা, ভ্রমণ কার্যসূচী, ছপা সামগ্রী, বাতৰি কাগজ, প্রদর্শনী, ইণ্টাৰনেট বা কম্পিউটাৰ ডাটাবেচ ব্যৱহাৰ কৰাৰ সুবিধা প্রদান কৰিব লাগে।

- **উচ্চতৰ মাধ্যমিক বিদ্যালয় স্তৰ ঃ** এই স্তৰটো শিক্ষার্থীয়ে সমাপ্ত কৰাৰ পিছত তিনিটা বিকল্প থাকে—
  (ক) তেওঁলোকে উচ্চ শিক্ষা বা বৃত্তিমূলক শিক্ষা ল'ব পাৰে।
  (খ) তেওঁলোকে বৃত্তিমূলক পাঠ্যক্রমত বা দক্ষতা বিকাশ প্রশিক্ষণ কার্যসূচীত অংশগ্রহণ কৰিব পাৰে।
  (গ) তেওঁলোকে পোনপটীয়াকৈ কর্মৰ জগতত প্রৱেশ কৰিব পাৰে।

এইটো এনে এটা স্তৰ য'ত উচ্চতৰ মাধ্যমিক শেষ কৰা শিক্ষার্থীয়ে নিজৰ কেৰিয়াৰ পছন্দ কৰে আৰু সেই বাছনি কৰা কেৰিয়াৰৰ মাধ্যমেদি তেওঁলোকৰ প্রয়োজনসমূহ আৰু আকাংক্ষাসমূহ পূৰণ কৰে। এই সময়ত কেৰিয়াৰ তথ্য অত্যন্ত গুৰুত্বপূর্ণ। কাৰণ এবাৰ কেৰিয়াৰ পছন্দ কৰি বাছনি কৰিলে তাক সলোৱাটো অত্যন্ত কঠিন। সেয়ে শিক্ষার্থীক এই সময়ত শিক্ষা আৰু প্রশিক্ষণৰ সা-সুবিধা সম্পর্কীয় তথ্যৰ লগতে কি কি সুযোগ সুবিধা শিক্ষার্থীৰ বাবে উপলব্ধ সেয়া জনাটো অত্যন্ত গুৰুত্বপূর্ণ। কেৰিয়াৰ তথ্যই শিক্ষার্থীক তেওঁলোকৰ আগ্রহ ক্ষেত্রৰ ভিতৰত পৰা কিছুমান বৃত্তিৰ বিষয়ে বিস্তাৰিত জ্ঞান দিব লাগে আৰু শিক্ষার্থীৰ মাজত নিয়োগ ক্ষেত্রবোৰৰ ওপৰত এক দৃষ্টিভংগী গঢ় দিবলৈ চেষ্টা কৰিব লাগে।

৮.৮ শিক্ষার্থীক কেৰিয়াৰ তথ্য প্রদান

এজন শিক্ষক পৰামর্শদাতাই ফলপ্রসূভাৱে শিক্ষার্থীক কেৰিয়াৰ তথ্য প্রদান কৰিবলৈ হ'লে কেৰিয়াৰ তথ্য সংগ্রহৰ বাবে প্রয়োজনীয় কৌশল আৰু দক্ষতা বিকাশ কৰিব লাগিব; আৰু এই তথ্যবোৰ সজাই-পৰাই তাৰ বিতৰণৰ ব্যৱস্থা কৰিব লাগিব। এই কামসমূহ সুচাৰুৰূপে সমাপন কৰিবলৈ হ'লে শিক্ষকজনেও নিৰন্তৰভাৱে সচেষ্ট হৈ বাতৰি কাকত, আলোচনী, ৰেডিঅ', দূৰদর্শন, ইণ্টাৰনেট আদিৰ মাধ্যমেৰে নিজকে সদাপ্রস্তুত কৰি ৰাখিব লাগিব। তেহে ছাত্র-ছাত্রীৰ কেৰিয়াৰ তথ্য সম্পর্কীয় প্রয়োজনীয়তাসমূহ পূৰণ কৰিব পাৰিব। অর্থাৎ এজন শিক্ষকে তলত উল্লেখ কৰা কামসমূহ সম্পাদন কৰিব লাগিব—

- কেৰিয়াৰ তথ্যসমূহৰ উৎসবোৰ জনা আৰু মূল উৎসৰ পৰা তথ্য সংগ্রহৰ পদ্ধতিবোৰ জানিব লাগিব।
- সাম্প্রতিক কর্মৰ জগতৰ তথ্যসমূহ সংগ্রহ কৰা।
- কেৰিয়াৰ তথ্যসমূহৰ শ্রেণী বিভাজন পৰিকল্পনা কৰা আৰু নিজৰ শিক্ষানুষ্ঠানৰ বাবে ইয়াৰে এটা পকিল্পনা গ্রহণ কৰা।
- শিক্ষার্থীক তথ্য প্রেৰণৰ হেতু বিভিন্ন দলগত পদ্ধতিসমূহত দক্ষ হোৱা।
- শিক্ষার্থীক কেৰিয়াৰ সম্পর্কীয় পৰামর্শদান প্রদান কৰা।
- কেৰিয়াৰ তথ্য সেৱা বিদ্যালয়ত প্রতিষ্ঠা কৰা আৰু কার্যকৰী ৰূপত তাক সঞ্চালন কৰাৰ লগতে এক অবিৰত উন্নতিৰ প্রচেষ্টা হাতত ল'ব লাগে।

W অগ্রগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ কেৰিয়াৰ তথ্যই কিদৰে শিক্ষাৰ্থীৰ মাজত আত্ম-সচেতনতা জাগ্ৰত কৰে?

প্ৰশ্ন নং ৫ ঃ নিম্ন-প্ৰাথমিক বিদ্যালয়ত কেৰিয়াৰ তথ্য প্ৰদানৰ মূল উদ্দেশ্য কি?

৮.৯ একবিংশ শতিকাৰ এই নতুন যুগৰ কেৰিয়াৰকেন্দ্ৰিক দিশবোৰ

একবিংশ শতিকাটো আমাৰ বাবে এক বিশেষ ধৰণৰ সময়। ইয়াৰ পূৰ্বে আমাৰ জীৱনৰ প্ৰত্যেকটো কথাত ইমান প্ৰযুক্তিৰ প্ৰভাৱ নাছিল। বিশ্বৰ বিভিন্ন প্ৰান্তত সংঘটিত অৰ্থনৈতিক কথা-বতৰাবোৰেও আমাক এনেকৈ চুই যোৱা নাছিল। বৰ্তমান ব্যৱস্থাটোত সমাজৰ প্ৰতিজন লোকেই কিবা নহয় কিবা প্ৰকাৰেৰে জড়িত হৈ পৰিছে। তাৰ ফলত আমাৰ জীৱনলৈ অভাৱনীয় পৰিৱৰ্তন আহিছে। সৃষ্টি হৈছে নানান ধৰণৰ অনিশ্চয়তা (uncertainties) আৰু একে সময়তে সুস্থিৰতাৰ অভাৱ (lack of stabilities)। এই দুয়োটা কথাই দৰাচলতে আমাৰ বাবে নতুন ধৰণৰ। নতুন কেৰিয়াৰবোৰত এই দুয়োটা দিশ বিশেষভাৱে প্ৰাসংগিক। দ্বিতীয়তে, পৰম্পাৰগত কেৰিয়াৰবোৰত সমান্তৰালকৈ যিবোৰ নতুন কেৰিয়াৰৰ কথা আহি পৰিছে, সেইবোৰে আমাৰ বাবে নিৰ্বাচনৰ পৰিসৰটোক বহল কৰি তুলিছে। চিকিৎসক আৰু অভিযন্তাৰ কেৰিয়াৰ এতিয়া পৰম্পৰাগত কেৰিয়াৰ। এতিয়া এনে কেৰিয়াৰৰ সমান্তৰালভাৱে বিকাশ হোৱা কেৰিয়াৰ হ'ল জৈৰ প্ৰযুক্তি, লেজাৰ, ৰবটিক, তথ্য-প্ৰযুক্তি, টেলিকমিউনিকেশ্যন, ইনফৰমেশ্যন মেনেজমেণ্ট, কম্পিউটাৰ, এৰোস্পোছ, চিকিৎসা প্ৰযুক্তি, অতি পৰিবাহিতা প্ৰযুক্তি ইত্যাদি। দেখা গৈছে যে বজাৰত বৃহৎ বৃহৎ ব্যৱসায় প্ৰতিষ্ঠানবোৰৰ লগতে ক্ষুদ্ৰ পৰিসৰৰ ব্যৱসায় (small business) সমূহো গঢ় লৈ উঠিছে। এইবোৰেও নিয়োজন (employment)ৰ সুবিধা আনিছে। এইবোৰত নিয়োজিত হ'ব পাৰিলে, ভৱিষ্যতে বৃহৎ প্ৰতিষ্ঠানতঁ ব্যৱসায়তে নিয়োজনৰ সম্ভাৱনাও বৃদ্ধি পায়। অৰ্হতা অৰ্জন আৰু অভিজ্ঞতা লাভৰ বাবে এনে ক্ষুদ্ৰ তথা মজলীয়া পৰিসৰৰ ব্যৱসায়ৰ সৈতে জড়িত থকাৰ কথাটোৰ বিশেষ প্ৰাসংগিকতা আছে। এই ক্ষেত্ৰত আমি চাৰিটামান দিশত কথা বিশেষভাৱে বিবেচনা কৰাৰ দৰকাৰ।

(ক) **প্ৰাথমিক কৌশলৰ উন্নত পৰ্যায় (Advanced Basic Skills)** ঃ পঢ়া-শুনা, লিখা-মেলা আৰু গণনাৰ প্ৰাথমিক কৌশলসমূহৰ সৈতে ব্যক্তি এজন পৰিচিত হোৱাৰ দৰকাৰ। নিতৌ তথ্য-পাতি, প্ৰ-প্ৰত্ৰ, তালিকা আদিৰ সৈতে কৰ্মচাৰী এজনে কাম কৰিব লগীয়া হয়। সেয়েহে তেওঁক পঢ়া-শুনাৰ প্ৰথমিক কথাবোৰৰ সৈতে পৰিচিতিৰ প্ৰয়োজন হৈ পৰে। এনে সময়তে তেওঁ কৰি থকা কামবোৰৰ সময়ে সময়ে চমুটোকা বা প্ৰতিবেদন (report) প্ৰস্তুত কৰিব লগাতো পৰে। সেয়েহে তেওঁ লিখা-মেলাৰ কৌশলৰ সৈতেও পৰিচিত হ'ব লগাত পৰে। একে সময়তে বিভিন্ন ধৰণৰ হিচাপ-নিকাচো ব্যক্তিগৰাকীয়ে কৰিব লগীয়া হয়। বিশেষকৈ তথ্যসমূহৰ বিচাৰ-বিশ্লেষণ (data analysis) আৰু সমস্যাৰ সমাধান (problem solving) সাম্প্ৰতিক সময়ৰ কৰ্মক্ষেত্ৰৰ এক গুৰুত্বপূৰ্ণ অংশ। কেৰিয়াৰ নিৰ্বাচনৰ ক্ষেত্ৰত সেই কেৰিয়াৰৰ সৈতে জড়িত সমস্যাবোৰৰ সমাপন তথা যাৱতীয় তথ্য-পাতিৰ বিচাৰ-বিশ্লেষণত দক্ষতা অৰ্জন নিঃসন্দেহে প্ৰয়োজনীয়। একেদৰে যোগাযোগ (communication)ত দক্ষতা অৰ্জন এক গুৰুত্বপূৰ্ণ অংগ। ইয়াৰ বাবেও প্ৰস্তুতিৰ দৰকাৰ। ই-মেইল আদি কেনেদৰে লিখিব, কোনবিলাক কথা উপস্থাপন কৰিব লাগিব ইত্যাদিৰ বিষয়ে কৰ্মচাৰী এগৰাকীৰ

বা নিয়োজিত ব্যক্তি এজনৰ সচেতনতা থাকিব লাগিব। ই দৰাচলতে লিখন কৌশল (writing skill)ৰেই অন্তর্গত হ'ব।

(খ) **প্রযুক্তিগত কৌশলৰ অর্জন ঃ** কম্পিউটাৰত প্রয়োজনীয় কাম-কাজখিনি কৰিব পৰাটো ইতিমধ্যে নূন্যতম প্রয়োজনীতা (baseline requirements) হৈ পৰিছে। ইয়াৰ বাহিৰেও বিভিন্ন ধৰণৰ উন্নত যোগাযোগ ব্যৱস্থা যেনে— স্কাইপ, জুম প্লেটফর্ম, গুগুল মিট আদিয়ে কর্মক্ষেত্রত প্রভাৱ পেলাইছে। উৎপাদনশীলতা (productivity) আৰু কার্যকাৰিতা (efficiency) বৃদ্ধি কৰিবলৈ সদায়ে নতুন নতুন প্রযুক্তিৰ ব্যৱহাৰ চলিব লাগিছে। ইয়াৰ বাবে নিয়োজিত কর্মচাৰীসকলে নিজৰ দক্ষতা, কৌশল আৰু জ্ঞান আদিৰ পৰিৱর্তন আৰু বিকাশ পৰিৱর্তিত কৰিব লগীয়াত পৰিছে। আন কথাত, অভিযোজন (adaptation) কর্মক্ষেত্র এখনৰ যেন নতুন নতুন নিয়ম হৈ পৰিছে।

(গ) **উন্নত সাংগঠনিক কৌশল (Improved Organizational Skills) ঃ** এই ক্ষেত্রত দুটা কথা আহি পৰে। এক, এজন ব্যক্তি কর্মচাৰী হিচাপে এটা প্রতিষ্ঠানত যোগদান কৰিলে, তেওঁ প্রতিষ্ঠানিক দিশবোৰৰ কথা জানি ল'ব লাগিব। দ্বিতীয়তে, তেওঁ নিজাকৈ এটা প্রতিষ্ঠান খুলিলে, তেওঁ কেনেদৰে ইয়াত শেহতীয়া কৌশলসমূহ প্রয়োগ কৰি অনুষ্ঠানটোক দক্ষ কৰি ৰাখিব পাৰে, তাক আয়ত্ব কৰিব লাগিব। অনুষ্ঠান এটা পৰিচালনা কৰিবলৈ হ'লে পৰিচালনা বিদ্যা (management studies) ৰ দিশসমূহৰ সৈতে পৰিচিত হ'ব লাগিব। তাৰ বাবে প্রয়োজন হ'ল এনে বিদ্যাৰ অন্ লাইন পাঠ্যক্রমত নামভর্তি কৰি প্রয়োজনীয় কথাখিনি আয়ত্ব কৰি লোৱা। যিসকলে কোনো এখন অনুষ্ঠানত কর্মৰত হৈ থাকে বা নিয়মিতভাৱে প্রতিষ্ঠানৰ সিদ্ধান্ত গ্রহণত নতুবা কাম-কাজত অংশগ্রহণ কৰে তেওঁলোকৰ কোনো ধৰণৰ পৰিচালনা বিষয়ক প্রশিক্ষণ নাথাকিবও পাৰে। নতুন যুগৰ কেৰিয়াৰ সমূহত পৰিচালনা কৌশলগত অর্হতা (managerial skill) তথা প্রশিক্ষণ (training)ৰ বিশেষ গুৰুত্ব আছে।

(ঘ) **কোম্পানী বিশেষ কৌশল (Company Specific Skills) ঃ** নতুন নতুন কৌশল, কাৰিকৰী কথা, উৎপাদিত সামগ্রী (products) ৰ জ্ঞান ইত্যাদি কর্ম ক্ষেত্রত অপৰিহার্য হৈ উঠিছে। ব্যক্তিগত খণ্ডত নিয়োজিত কর্মচাৰীসকলে, সেই কোম্পানীটোৰ সৈতে জড়িত সামগ্রী (products) সম্পর্কে আপোনাৰ জনাটো অত্যন্ত জৰুৰী। তাৰ বাহিৰেও যদিহে এনে সামগ্রীৰ সৈতে পৰিৱেশৰ কথা-বতৰা (environmental issus) সৈতে জড়িত হৈ আছে, সেয়াও কর্মচাৰীজনৰ নখ দর্পনত থকা উচিত।

ওপৰত বিষয়সমূহৰ সম্যক জ্ঞানে এজন ব্যক্তিক তেওঁৰ নিজৰ কেৰিয়াৰ বাচনিত (cheice) সহায় কৰাত লগতে তেওঁৰ উক্ত কেৰিয়াৰত বর্তি থকাতো (survival) সহায় কৰিব। নতুন যুগত কেৰিয়াৰ গঢ়াত শিক্ষার্থীসকলক এনেধৰণৰ ধাৰণাবিলাক সন্দর্ভত শিক্ষকসকলে শিক্ষার্থীক বাট দেখুৱাই দিব লাগিব।

৮.১০ একবিংশ শতিকাত সবাতোকৈ বেছি নির্বাচন কৰিব খোজা কেৰিয়াৰসমূহ

একবিংশ শতিকাত মানৱ সভ্যতালৈ নামি অহা পৰিৱর্তনসমূহে কেৰিয়াৰৰ নির্বাচনতো প্রভাব পেলাইছে। পৰিৱর্তিত অর্থনৈতিক তথা সামাজিক পৰিৱেশে কেৰিয়াৰৰ ক্ষেত্রখনক নতুন দিশ দিছে। এই ক্ষেত্রত যিবোৰ খণ্ডৰ কেৰিয়াৰ আমাৰ বাবে বিশেষভাৱে প্রাসংগিক হৈ উঠিছে, সেয়া হ'ল তলৰ ক্ষেত্রসমূহ ঃ

স্বাস্থ্য খণ্ড ঃ প্রশাসন, নাছিং, শাৰীৰিক স্বাস্থ্য, দন্ত চিকিৎসা, মানসিক স্বাস্থ্য।

প্রযুক্তি ঃ জৈৱ প্রযুক্তি, অভিযান্ত্রিক বিদ্যা, তথ্য প্রযুক্তি।

ব্যৱসায় আৰু ব্যক্তিগত সেৱা ঃ বিত্ত বিষয়ক বিভিন্ন সেৱা, যেনে বেকিং, ছিকিউৰটি, একাউণ্টিং, বীমা ইত্যাদি। ইয়াৰ বাহিৰেও মানৱ সম্পদ পৰিচালনা কেন্দ্রিক সেৱা, আইন, যোগাযোগ, জনসম্পর্ক, বেচা কিনা সেৱা, খাদ্য সেৱা ইত্যাদি।

ৰাজহুৱা খণ্ডৰ সেৱা ঃ সামাজিক সেৱা, শিক্ষা, বিভিন্ন পর্যায়ৰ যেনে কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰৰ সেৱা ইত্যাদি।

ইয়াৰ লগতে নতুন নতুন কেতবোৰ খণ্ড কেৰিয়াৰৰ ক্ষেত্রলৈ আহি পৰিছে। যেনে, অৱসৰকালীন পৰামর্শদাতা (Retirement counselor) লগতে বৃদ্ধ লোকসকলৰ যতনৰ বাবে নির্বাচন কৰা কেৰিয়াৰ, যাক ইংৰাজীত geriatric care বুলি কোৱা হয়। লগতে দিনক দিনে বৃদ্ধি পোৱা সামাজিক মাধ্যমৰ ব্যৱহাৰেও নতুন নতুন কেৰিয়াৰৰ জন্ম দিছে। যেনে, Web App Developer, Social Media Manager ইত্যাদি। একেদৰে দিনক দিনে পৰিৱর্তিত জীৱন-শৈলীৰ সৈতে যাতে আমি খাপ খাই সহজতে জীৱন-যাপন কৰিব পাৰো, তাৰ বাবেও কেতবোৰ বিশেষ কেৰিয়াৰৰ জন্ম হৈছে। যেনে, Wellness Expert, Yoga Expert, Speech Therapest ইত্যাদি। এইবোৰে ব্যক্তি বিশেষ জীৱনৰ পৰা বিভিন্ন সময়ত জন্ম হোৱা নঞর্থকতাসমূহক আঁতৰাই এটা সুন্দৰ, নিৰোগী আৰু মানসিক প্রশান্তিৰে পূর্ণ জীৱনক জন্ম দিব পাৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ ব্যৱসায় খণ্ডৰ কেৰিয়াৰৰ ক্ষেত্রত নতুন যুগত কেনেকুৱা ধৰণৰ পৰিৱর্তন আহিছে?

৮.১১ কেৰিয়াৰ আৰু প্রত্যাহ্বান

প্রত্যেকটো কেৰিয়াৰতে প্রত্যাহ্বান থাকে। সময়ে সময়ে এনে প্রত্যাহ্বান সলনি হৈ থাকে। কেৰিয়াৰৰ আৰম্ভণিতে যি ধৰণৰ প্রত্যাহ্বান থাকে, সি কেৰিয়াৰৰ মাজভাগত আৰু শেষৰফালে একে নহয়গৈ। কোৱা হয় যে বহুতো লোকে নিজৰ কেৰিয়াৰ নির্বাচন কৰোঁতে তেওঁলোকৰ মনত থকা প্রমূল্যবোৰ, যিবোৰক বিশেষভাৱে

কেৰিয়াৰ প্ৰমূল্য (Career Values) হিচাপে আখ্যা দিয়া হৈছে; সেইবোৰ চিহ্নিত কৰাত ব্যৰ্থ হয়। বিশেষজ্ঞসকলে এই ক্ষেত্ৰত তিনিটা প্ৰশ্নলৈ আমাৰ মনোযোগ আকৰ্ষণ কৰিব খুজিছে।

১) আপুনি কেতিয়াবা নিজৰ চাকৰিটোত (job) অসুখী অনুভৱ কৰিছে নেকি?

২) কেৰিয়াৰৰ যাত্ৰাত কেতিয়াবা আপুনি অনিশ্চয়তা বা উৎকণ্ঠা অনুভৱ কৰিছে নেকি?

৩) আপুনি বাৰে বাৰে কেৰিয়াৰত সাল-সলনি বা সঘনাই চাকৰি সলনি কৰিছে নেকি?

কৰ্মচাৰী এজনে নিজৰ কেৰিয়াৰ প্ৰমূল্যসমূহ সন্দৰ্ভত সচেতন হৈ ল'ব লাগিব। এই প্ৰমূল্যসমূহ মূলতঃ শিক্ষাৰ্থী এজনে ব্যক্তিগত আদৰ্শ (ideals), উদ্দেশ্য (motives) আৰু বিশ্বাসৰ (beliefs) সৈতে জড়িত। এই তিনিওটা কথাই শিক্ষাৰ্থী এজনৰ বাবে কেৰিয়াৰ কি কথা সবাতোকৈ গুৰুত্বপূৰ্ণ সেয়া নিৰ্দ্ধাৰণ কৰে। এইবোৰক কৰ্ম প্ৰমূল্য (work values) বুলিও জনা যায়। ভৱিষ্যৎ কৰ্মজীৱনত ব্যক্তিগত গুণাগুণ আৰু নীতি (principle) বোৰেও শিক্ষাৰ্থী এজনৰ (personal qualities) কেৰিয়াৰ প্ৰমূল্যক প্ৰভাৱিত কৰে। উল্লেখ্য যে কেৰিয়াৰ প্ৰমূল্যবোৰ সাধাৰণতে দৰমহা আৰু অন্যান্য আৰ্থিক সকাহ (compensation) বোৰৰ পৰা উৰ্দ্ধত। কিছু লোকৰ বাবে নিজৰ সৃষ্টিশীলতাক (creativity) কৰ্মক্ষেত্ৰত প্ৰকাশ কৰিব পৰাটোৱেই মূল কেৰিয়াৰ প্ৰমূল্য। এনে লোকে নিজস্ব উদ্ভাৱন (innovations) সমূহক কেৰিয়াৰত প্ৰয়োগ কৰি বিশেষ সন্তুষ্টি লাভ কৰে। আন কোনো লোকৰ বাবে আকৌ আৰ্কষণীয় দৰমহা অন্যান্য সুবিধাৰে চাকৰি কৰি থাকিব পৰাটো এক ধৰণৰ কেৰিয়াৰ প্ৰমূল্য। বহুতে আকৌ নিজৰ কেৰিয়াত নিয়োগকৰ্তাৰ বা ব্যৱসায়ৰ বা কোম্পানীৰ অবিচ্ছেদ্য অংগ বুলি ভাবিব পৰাটোকে এক প্ৰয়োজনীয় কেৰিয়াৰ প্ৰমূল্য বুলি ধৰে। দেখা যায় যে ৩০ৰ অনুৰ্দ্ধৰ বা সেই বয়সৰ আশে-পাশে থকা লোকৰ মনত যি ধৰণৰ কেৰিয়াৰ প্ৰমূল্য থাকে, সেই কেৰিয়াৰ প্ৰমূল্য ৪০ৰ উৰ্দ্ধৰ লোকৰ বাবে একে নহয়। মধ্য বয়সীয়ালোকসকলে দৰমহাকে ধৰি আন ধৰণৰ নিৰাপত্তা বিচাৰে। একেদৰে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে কোনো লোকক নিয়োগ কৰাৰ ক্ষেত্ৰত প্ৰতিষ্ঠানটোৰ লক্ষ্য, উদ্দেশ্য আৰু কাৰ্যকৰী পৰিকল্পনা (strategic plans)ৰ সৈতে ব্যক্তি বিশেষ খাপ খাব পাৰিবনে নে নাই সেয়া চালি-জাৰি চায়। সেইবাবে সংস্থাপনৰ সন্ধানত ব্যস্ত লোকসকলে প্ৰতিষ্ঠানৰ কৰ্ম প্ৰমূল্য (work values)ৰ লগত নিজৰ কেৰিয়াৰ প্ৰমূল্যৰ লগত সামঞ্জস্য আহিব নে নাই, সেয়া বিচাৰ কৰাটো জৰুৰী হৈ পৰে।

বিশেজ্ঞসকলে তিনিধৰণে কেৰিয়াৰ প্ৰমূল্যক চিহ্নিত কৰিছে। এই কেইটা হ'ল—

ক) **আভ্যন্তৰিক (Intrinsic) ঃ** কৰ্মচাৰী এজনে কোনো এটা কাম সম্পাদন কৰোতে কেনেধৰণৰ অনুভৱ কৰে, এই প্ৰমূল্য তাৰ সৈতে সম্পৰ্কিত। ই সহকৰ্মী বা প্ৰতিষ্ঠানৰ অন্যান্য কৰ্মচাৰীৰ লগৰ সম্পৰ্ক, সহকৰ্মীক কৰা সহযোগিতা, সৃষ্টিশীলতা আদিক সামৰি লয়। ইয়াৰ বাহিৰেও এই প্ৰমূল্যই কৰ্মচাৰী এজনৰ বিশ্বাসযোগ্যতা, প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাৰ দক্ষতা ইত্যাদিকো জন-মানসত প্ৰতিষ্ঠা কৰে।

খ) **বাহ্যিক (Extrinsic) ঃ** এই ধৰণৰ প্ৰমূল্যই কৰ্মচাৰী এজনৰ দৰমহাৰ পৰিমাণ, কাৰ্যক্ষেত্ৰত লাভ কৰা সন্মান, স্বীকৃতি, কৰ্মক্ষেত্ৰৰ পৰিবেশ আদিক সামৰি লয়।

গ) **জীৱন-শৈলী বা লাইফ ষ্টাইল (Life Style) ঃ** এই প্ৰমূল্যই কৰ্মচাৰী এজনে কেনে ধৰণেৰে থাকিব বা কৰ্মক্ষেত্ৰৰ বাহিৰৰ সময়চোৱা পাৰ কৰিব, সেই কথাবোৰক প্ৰতিনিধিত্ব কৰে। কেৰিয়াৰ মনোনিৰেশ কৰিব

লগীয়া সময়খিনিৰ পাছৰ সময়খিনি কর্মচাৰী এজনে নিজৰ অভিৰুচি (hobbies) বা প্রিয় কাম-কাজ নতুবা পৰিয়ালক সময় দিব পাৰিছে নে নাই ইত্যাদি কথাৰ লগত এই প্রমূল্য জড়িত। বহুত সময়ত দেখা যায় যে কর্মচাৰী এজনৰ কেৰিয়াৰৰ যথেষ্ট সময় ভ্রমণত (travelling) ব্যয় কৰিব লগীয়া হয়, যিটো এটা বয়সৰ পাছত কর্মচাৰী এজনৰ বাবে হয়তো সম্ভৱ নহয়। তেতিয়া এই প্রমূল্যটোৱে কর্মচাৰী এজনৰ কেৰিয়াৰৰ গভীৰ প্রভাৱ পেলাব পাৰে।

বহুসময়ৰ কেৰিয়াৰ প্রমূল্যক অন্য ধৰণৰ তিনিটা বিশেষভাগত ভাগ কৰা হয়। এই কেইটা হ'ল ক্রমে ঃ কর্মস্থানৰ পৰিৱেশ (work environment), কর্মৰ বিষয় বস্তু (work content) আৰু কর্মস্থানৰ সা-সম্পর্ক (work relationships)। সন্দেহ নাই যে কর্মস্থানৰ বা কেৰিয়াৰৰ সফলতা লাভ কৰিবলৈ হ'লে এই প্রমূল্যবোৰৰ সৈতে ব্যক্তি বিশেষৰ অন্তৰংগ পৰিচিতি থাকিব লাগিব। কেৰিয়াৰৰ সন্মুখীন হোৱা বিভিন্ন প্রত্যাহ্বানৰ সন্মুখীন হ'বলৈ কেতবোৰ প্রশ্ন নিজকে যিকোনো ব্যক্তিয়ে সোধা উচিত হ'ব। একে সময়তে নিজৰ দক্ষতা (skill), লক্ষ্য (goals) আৰু কর্ম অভিজ্ঞতা (work experience) সমূহৰ বিষয়ে যথোপযুক্ত জ্ঞান থাকিব লাগিব। এই কথাবোৰৰ বিষয়ে সম্যক জ্ঞান থাকিলে, কেৰিয়াৰৰ বিভিন্ন পর্যায়ত দেখা দিয়া প্রত্যাহ্বানসমূহৰ সফলতাৰে এজন ব্যক্তিয়ে মোকামিলা কৰিব পাৰে। এই ক্ষেত্রত গুৰুত্ব দিব লগীয়া কথাবোৰ এনেধৰণৰ হ'ব পাৰে ঃ

১) আপোনাৰ কর্তব্য আৰু দায়িত্ববোৰ কি কি? আপুনি নিজৰ কাম-কাজ বা কর্মস্থলীত কোনবোৰ কথা ভাল পায়?

২) আপোনাৰ কেৰিয়াৰত এনে কথা আছে নেকি যি আপোনাৰ অসন্তুষ্ট কৰে?

৩) আপোনাৰ হ্রস্বকালীন আৰু দীর্ঘকালীন কেৰিয়াৰ লক্ষ্য কি?

৪) এনে লক্ষ্যত উপনীত হ'বলৈ হ'লে আপুনি কি কি কৰিব লাগিব?

নিঃসন্দেহে এই চাৰিটা প্রশ্নই শিক্ষার্থী এজনক ভৰিষ্যৎ কর্মজীৱনত আহিব পৰা প্রত্যাহ্বানবোৰক চালি-জাৰি চোৱাৰ বাবে এক বিশেষ বুনিয়াদ (foundation) ৰ যোগান ধৰিব। একে সময়তে শিক্ষার্থীজনে ভৰিষ্যৎ কর্মজীৱনৰ বাবে নিজৰ বায়ডাটা বা ৰিজিউমখনক যিমান পাৰে সিমান শক্তিশালী ৰূপত গঢ়ি তুলিব লাগিব।

৮.১২ কেৰিয়াৰ আৰু আমাৰ জীৱন-শৈলী

কেৰিয়াৰ এটা গঢ়াত এজন ব্যক্তিৰ আটাইতকৈ বেছি সময় ব্যয় হয়। সেয়েহে এই ক্ষেত্রত তেওঁৰ জীৱন-শৈলীও ইয়াৰ দ্বাৰা সর্বাধিক প্রভাৱিত হয়। এই ক্ষেত্রত তিনিটা কথা বিশেষভাৱে গুৰুত্বপূর্ণ ঃ

ক) প্রযুক্তি ঃ বর্তমান সময়ত, বিশেষতঃ কভিদ 19 মহামাৰীৰ পিছৰে পৰা প্রযুক্তিয়ে জীৱনৰ সকলো দিশকে প্রভাৱিত কৰিছে। যিকোনো ঠাইৰ পৰা প্রযুক্তিৰ সহায়ত সকলোৱে কাম কৰিব পৰা হৈছে। কম্পিউটাৰ, মোবাইল ফোন, লেপটপ আদিত ইণ্টাৰনেট সংযোগৰ মাধ্যমত ভিডিঅ' কনফাৰেন্সিং, তাৎক্ষণিক মেছেজিং আদিৰ জৰিয়তে আমাৰ কর্মস্থানৰ নির্দ্ধাৰিত সময়ৰ বাহিৰতো আমাক কর্মব্যস্ত হ'বলৈ বাধ্য কৰিছে। এইবোৰে আমাৰ ব্যক্তিগত সময় (personal moments) ক আমাৰ পৰা কাঢ়ি নিছে। স্বাভাৰিকতে আমাৰ জীৱন- শৈলীক গভীৰভাৱে

চুইছে। ই সৃষ্টি কৰিছে নানান ধৰণৰ শাৰীৰিক তথা সামাজিক সমস্যাৰ। মেদবহুলতা, মানসিক উৎকণ্ঠা তথা অস্থিৰতা এনে কেতবোৰ বিশেষ সমস্যা, যি আমাৰ জীৱনৰ অংশ হৈ দেখা দিছে।

খ) বিশ্বায়ন ঃ বৰ্তমান সময়ত অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ আন্তঃসংযোগ তীব্ৰ গতিত বাঢ়িছে। বেংকিং ব্যৱহাৰত পূৰ্বৰ দৰে বাধা-নিষেধ নোহোৱা হৈছে। বৰ্তমান 24 ঘণ্টাই বেংকিং, কোম্পানী আদিৰ সেৱা অহৰ্নিশে অব্যাহত থাকে। সা-সামগ্ৰী সেৱা আৰু ধনৰ আদান-প্ৰদানৰ প্ৰায় বাধাহীন হোৱাৰ ফলত আমাৰ জীৱন-শৈলীত তাৰ প্ৰভাৱ পৰিছে।

গ) কৰ্মকেন্দ্ৰিক সংস্কৃতি ঃ বৰ্তমান সময়ত পূৰ্বতকৈ কেৰিয়াৰত ব্যস্ত সকলো লোকে নিজৰ উৎপাদনশীলতা বৃদ্ধি কৰিব লগীয়াত পৰিছে। ইয়াৰ ফলত তেওঁলোকে বেছি সময় কাম কৰিব লগীয়া হৈছে। লগতে বৃদ্ধি পাইছে কামৰ সৈতে জড়িত হেঁচা। স্বাভাৱিকতে ই আমাৰ জীৱন-শৈলীক চুই গৈছে।

কিছুদিনৰ পূৰ্বলৈকে কৰ্মচাৰী এজনে কেৰিয়াৰৰ কথা-বতৰাবোৰ এটা স্থানতে এৰি থৈ আহিব পাৰিছিল। কাম-কাজ সামৰি ঘৰ সোমোৱাৰ পিছত তেখেতে এখন নতুন পৃথিৱীত প্ৰৱেশ কৰিছিল। সম্প্ৰতি প্ৰযুক্তি তথা কেৰিয়াৰত অধিক মনোনিৱেশ কৰিবলগীয়া হোৱাত সেয়া সম্ভৱ হৈ উঠা নাই। সময় আৰু স্থানৰ এনে পৰিৱৰ্তনে প্ৰত্যেকজন ব্যক্তিৰ জীৱন-শৈলীক প্ৰভাৱিত কৰিছে। লগতে সংযোজিত হৈছে কেৰিয়াৰ লগত সাঙোৰ খাই পৰা নিত্য-নতুন প্ৰত্যাহ্বান। অধিক প্ৰয়োজনীয় হৈ দেখা দিছে সমস্যা সমাধান (problem solving)ৰ কৌশলসমূহ। জীৱন-শৈলীৰ পৰিৱৰ্তিত পৰিস্থিতিৰ সন্মুখীন হ'বলৈ ব্যক্তিক বিশেষ শাৰীৰিক তথা মানসিক প্ৰস্তুতিৰ দৰকাৰ হৈ উঠিছে। এই ক্ষেত্ৰত ধ্যান, বিভিন্ন যোগাভ্যাস, খোজকঢ়া, নানান ধৰণৰ শাৰীৰিক ব্যায়াম, মানসিক সমৰ্থন (support) অধিক প্ৰাসংগিক হৈ পৰিছে। কেৰিয়াৰ তথ্য প্ৰদান কৰোঁতে নতুন আৰু পৰিৱৰ্তিত জীৱনশৈলীৰ প্ৰত্যাহ্বানসমূহৰ সম্পৰ্কতো আপোনালোকে শিক্ষাৰ্থীসকলক অৱগত কৰিব লাগিব।

৮.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কেৰিয়াৰ তথ্যৰ লগত বিদ্যালয়ৰ নিৰ্দেশনা কাৰ্যসূচীক জড়িত কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ।
- কেৰিয়াৰ বাছনি কৰাত কেৰিয়াৰ তথ্যই সহায় কৰে।
- কেৰিয়াৰ বিকাশত কেৰিয়াৰ তথ্যই সহায় কৰে।
- কেৰিয়াৰ সম্পৰ্কীয় চিন্তা কেৰিয়াৰ তথ্যৰ সহায়ত শিক্ষাৰ্থীৰ মনত জাগ্ৰত হয়।
- কেৰিয়াৰ তথ্যই কেৰিয়াৰ সমাযোজনত সহায় কৰে।
- কেৰিয়াৰ তথ্যই প্ৰাথমিক বিদ্যালয় স্তৰৰ শিক্ষাৰ্থীক কৰ্মৰ জগতখনৰ বিষয়ে অৱগত কৰে।
- কেৰিয়াৰ তথ্য বিদ্যালয়ত শ্ৰেণী বাৰ্তালাপ, দলীয় আলোচনা, শ্ৰেণীকোঠাৰ কাৰ্যকলাপ, অতিথি বক্তৃতা, প্ৰদৰ্শনী, ভ্ৰমণ আদিৰ মাধ্যমেদি প্ৰদান কৰিব পাৰি।
- মাধ্যমিক স্তৰত শিক্ষাৰ্থীক কেৰিয়াৰ তথ্য বিশেষকৈ পাঠ্যক্ৰম নিৰ্বাচনৰ বাবে, হ্ৰস্বকালীন প্ৰশিক্ষণ আৰু

কর্মৰ জগতত যোগদানৰ বাবে প্রয়োজন।

- কেৰিয়াৰ তথ্য বিদ্যালয়ত প্রদানৰ হেতু শিক্ষকৰ তথ্য সংগ্রহ আৰু সেইসমূহৰ সংগঠনৰ বাবে কৌশল আৰু যোগ্যতা থকা দৰকাৰ। ইয়াৰ কাৰণে শিক্ষকজনৰ নিৰন্তৰ প্রচেষ্টা প্রয়োজনীয়।
- নতুন নতুন কেৰিয়াৰৰ ক্ষেত্রসমূহলৈ বিৰাট পৰিৱর্তন আহিছে।
- নতুন নতুন কেৰিয়াৰৰ সৃষ্টি হৈছে। এইবোৰ পৰম্পৰাগত কেৰিয়াৰ (traditional career) অতকৈ পৃথক।
- নতুন কেৰিয়াৰসমূহ নির্বাচন কৰোতে বিশেষ সাৱধানতা আৰু পদ্ধতিৰ প্রয়োজন। কাৰণ এইবোৰত নানান অনিশ্চয়তা (uncertainties) আৰু প্রত্যাহ্বান (challenges) আছে।
- কেৰিয়াৰত আগবাঢ়িবলৈ হ'ল কিছুমান বিশেষ দিশত চকু দিয়াত দৰকাৰ। যেনে— কম্পিউটাৰ সাক্ষৰতা (computer literacy), তথ্যৰ বিচাৰ-বিশ্লেষণ (data analysis), সমস্যা সমাধান (problem solving) আদিৰ ক্ষেত্রত যাৱতীয় দক্ষতা অর্জন এক প্রয়োজনীয় কথা।
- নতুন নতুন যিবোৰ কেৰিয়াৰৰ সৃষ্টি হৈছে, সেইবোৰৰ বিষয়ে সম্যক জ্ঞান অর্জন কৰাৰ বিশেষ প্রয়োজন আছে। শেহতীয়াকৈ জন্ম পোৱা কৃত্রিম বুদ্ধিমত্তা (artificial intelligience), তথ্য বিজ্ঞান (data science) ইত্যাদিৰ বিষয়ে প্রতিজন সচেতন লোকেই পৰিচিত হোৱাৰ দৰকাৰ আছে।

৮.১৪ অধিক জানিবলৈ

১) NCERT (2016). *Career Information in Guidance and Counselling-I, Deptt. of Educational Psychology and Foundations of Education.* New Delhi.

৮.১৫ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বৃত্তিমূলক তথ্যই বৃত্তিসমূহৰ আৰু উদ্যোগসমূহৰ তথ্য সামৰি লয়।
এই তথ্যসমূহ মূলতঃ তলত উল্লেখ কৰা ধৰণৰ—

- কর্মৰ প্রকৃতি
- কর্মৰ চর্তসমূহ
- উপার্জন আৰু অনন্য পুৰস্কাৰ
- কর্মত প্রগতি
- বৃত্তিমূলক প্রয়োজনীয়তাসমূহ
- প্রস্তুতিৰ প্রয়োজনীয়তাসমূহ
- ভৰিষ্যতৰ দৃষ্টিভংগী
- বিস্তৃত তথ্যৰ উৎসসমূহ

২ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষাৰ্থীয়ে জীৱনত সঠিক কেৰিয়াৰ সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণ কৰিবলৈ হ'লে নিখুঁত, নিৰ্ভৰযোগ্য, বৈধ আৰু ব্যৱহাৰযোগ্য কেৰিয়াৰ তথ্যৰ অতীৱ প্ৰয়োজন। বৰ্তমান সময়ত নিৰ্দেশনাৰ পৰিৱৰ্তিত ধাৰণা, পৰিৱৰ্তিত কৰ্মৰ জগতখন, তথ্য-প্ৰযুক্তিৰ দিশত হোৱা বিকাশ, সমাজ আৰু ব্যক্তি জীৱনত অহা পৰিৱৰ্তনবোৰে কেৰিয়াৰ তথ্যৰ গুৰুত্ব যথেষ্ট বৃদ্ধি কৰিছে। এনে প্ৰেক্ষাপটত কৰ্মৰ জগতৰ লগত জড়িত কেৰিয়াৰ সম্পৰ্কীয় শেহতীয়া তথ্যসমূহে শিক্ষাৰ্থীক শেহতীয়াকৈ প্ৰাসংগিক হোৱা দক্ষতা বা কৌশল আদিবোৰৰ প্ৰতি সচেতন কৰি তোলে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পৰামৰ্শদান সেৱাৰ দ্বাৰা শিক্ষাৰ্থীয়ে তেওঁলোকৰ পৰামৰ্শদাতাৰ লগত আলোচনা কৰিব পাৰে আৰু কেৰিয়াৰ সম্পৰ্কীয় সঠিক পৰিকল্পনা কৰা, সঠিক সিদ্ধান্ত গ্ৰহণ আৰু সমাযোজন কাৰ্যত সহায় কৰে। ইয়াৰ ফলত শিক্ষাৰ্থীয়ে নিজৰ জীৱনটো সুন্দৰকৈ সজাবলৈ সক্ষম হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ কেৰিয়াৰ তথ্যৰ সহায়ত শিক্ষাৰ্থীয়ে শিকে যে ব্যক্তিভেদে মানুহৰ প্ৰয়োজন, দক্ষতা, আগ্ৰহ, ব্যক্তিগত গুণ আৰু মূল্যবোধ বেলেগ বেলেগ। ঠিক সেইদৰে কোনো কৰ্মত অংশগ্ৰহণ কৰিবলৈ হ'লে সেই কৰ্মৰ লগত জড়িত দক্ষতা বা কৌশল আহৰণ অতিকৈ প্ৰয়োজনীয়। এটা কৰ্মত অংশগ্ৰহণৰ হেতু যিদৰে কিছুমান বিশেষ দক্ষতাৰ প্ৰয়োজন, ঠিক সেইদৰে কিছুমান সাধাৰণ দক্ষতাৰো প্ৰয়োজন। কেৰিয়াৰ তথ্যই ব্যক্তিক নিজৰ সবলতা আৰু দুৰ্বলতা সম্পৰ্কে আৰু কোনো বৃত্তিৰ সম্পৰ্কে বিতং তথ্য প্ৰদান কৰে, যাৰ দ্বাৰা ব্যক্তিৰ কেৰিয়াৰ সম্পৰ্কত আত্ম-সচেতনতা গঢ়ি উঠে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ নিম্ন প্ৰাথমিক পৰ্যায়ত কেৰিয়াৰ তথ্য প্ৰদানৰ মূল উদ্দেশ্য হ'ল শিশুসকলক কৰ্মৰ জগতৰ বিষয়ে সজাগ কৰা আৰু সকলো ধৰণৰ সামাজিকভাৱে উপযোগী কামৰ প্ৰতি সুস্থ মনোভাৱ গঢ় লোৱাত সহায় কৰা

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বেকিং, ছিকিউৰিটি, একাউণ্টিং, বীমা, প্ৰস্তুতকৰণ উদ্যোগ ইত্যাদি সামৰা ব্যৱসায় খণ্ডটোত পুৰণি কেৰিয়াৰসমূহৰ পৰিৱৰ্তন হৈছে আৰু নতুন কেৰিয়াৰৰ সৃষ্টি হৈছে। ক্ৰমৱৰ্দ্ধমান প্ৰযুক্তি প্ৰয়োগ আৰু কম্পিউটাৰৰ ব্যৱহাৰৰ ফলত ব্যৱসায়িক অনুষ্ঠান-প্ৰতিষ্ঠানৰ আভ্যন্তৰীণ ব্যৱস্থাপনা, মানৱ পৰিচালনা কেন্দ্ৰিক সেৱা, জনসম্পৰ্ক আদিত পৰিৱৰ্তন আহিছে আৰু নতুন কেৰিয়াৰৰ সৃষ্টি হৈছে। ব্যৱসায় খণ্ডৰ লগত জড়িত আইনী ব্যৱস্থা, খাদ্য সেৱা, বেচা-কিনা সেৱাৰ, কৰ-কাটল আদি ব্যৱস্থাসমূহতো পৰিৱৰ্তনবিলাক হোৱা কাৰণে নতুন নতুন কেৰিয়াৰৰ সৃষ্টি হৈছে আৰু পুৰণি কেৰিয়াৰসমূহত পদ্ধতিগত পৰিৱৰ্তন আহিছে।

M ৮.১৬ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে প্ৰায় ১৫০ টা শব্দত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কেৰিয়াৰ তথ্য বুলিলে কি বুজায়?

প্ৰশ্ন ২ ঃ কেৰিয়াৰ সম্পৰ্কে সচেতনতা আমাক কিয় লাগে?

প্ৰশ্ন ৩ ঃ কেৰিয়াৰৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতি কেনে ধৰণৰ হ'ব লাগে?

প্ৰশ্ন ৪ ঃ কেইটিমান নতুন কেৰিয়াৰৰ নাম লিখক।

প্ৰশ্ন ৫ ঃ কেৰিয়াৰ নিৰ্বাচনৰ ক্ষেত্ৰত কেনে ধৰণৰ প্ৰত্যাহ্বান জড়িত হৈ থাকে?

প্ৰশ্ন ৬ ঃ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কেৰিয়াৰ তথ্যৰ গুৰুত্ব সম্পৰ্কে লিখক।

প্ৰশ্ন ৭ ঃ কেৰিয়াৰ তথ্যৰ প্ৰধান উৎসবোৰ জনাটো কিয় প্ৰয়োজন?

প্ৰশ্ন ৮ ঃ কেৰিয়াৰ তথ্যৰ মূল্যায়নে শিক্ষার্থীক কিদৰে সহায় কৰে?

খ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নিৰ্দেশনা আৰু পৰামৰ্শদান সন্দৰ্ভত কেৰিয়াৰ তথ্যৰ কাৰ্যাৱলী বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ কেৰিয়াৰ নিৰ্বাচনৰ ক্ষেত্ৰত কেনে ধৰণৰ প্ৰত্যাহ্বান জড়িত হৈ থাকে?

প্ৰশ্ন ৩ ঃ কেৰিয়াৰৰ সৈতে অনিশ্চয়তা আৰু স্থায়িত্বৰ কথা ওতঃপ্ৰোতঃভাৱে জড়িত হৈ থাকে। এই সম্পৰ্কত আপোনাৰ মতামত ডাঙি ধৰক।

প্ৰশ্ন ৪ ঃ কেৰিয়াৰ আৰু জীৱন-শৈলীৰ সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ঃ বিশেষভাৱে সক্ষম শিশুৰ বাবে নির্দেশনা আৰু পৰামর্শদান

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ শাৰীৰিকভাৱে অক্ষম শিশুৰ ধাৰণা
৯.৪ শাৰীৰিকভাৱে অক্ষম শিশুৰ শ্রেণীকৰণ
৯.৫ দর্শনত বাধাগ্রস্থ শিশু
৯.৫.১ দর্শনত বাধাগ্রস্থ শিশুৰ কাৰণে নির্দেশনা আৰু পৰামর্শদান
৯.৬ শ্রৱণত বাধাগ্রস্থ শিশু
৯.৬.১ শ্রৱণত বাধাগ্রস্থত শিশুৰ বাবে নির্দেশনা আৰু পৰামর্শদান
৯.৭ কথনত বাধাগ্রস্থ শিশু
৯.৭.১ কথনত বাধাগ্রস্থ শিশুৰ নির্দেশনা আৰু পৰামর্শদান
৯.৮ অস্থিগতভাৱে বাধাগ্রস্থ শিশু
৯.৮.১ অস্থিগত বাধাগ্রস্থ শিশুৰ কাৰণে নির্দেশনা আৰু পৰামর্শদান
৯.৯ বৌদ্ধিক অক্ষমতা বা মানসিক বাধাগ্রস্থতাৰ সংজ্ঞা
৯.১০ বৌদ্ধিক অক্ষমতাৰ সাধাৰণ বৈশিষ্ট্যসমূহ
৯.১১ বৌদ্ধিক অক্ষমতা বা মানসিক বাধাগ্রস্থতাৰ কাৰণ
৯.১২ বৌদ্ধিক অক্ষমতাৰ শ্রেণীকৰণ
৯.১৩ বৌদ্ধিকভাৱে অক্ষম বা মানসিক বাধাগ্রস্থ শিশুৰ বাবে নির্দেশনা আৰু পৰামর্শদান কার্যসূচী
৯.১৩.১ শিক্ষা গ্রহণৰ সামর্থ থকা বৌদ্ধিকভাৱে অক্ষম শিশুৰ বাবে নির্দেশনা আৰু পৰামর্শদান
৯.১৩.২ প্রশিক্ষণৰ সমর্থ থকা বৌদ্ধিক অক্ষম শিশুৰ বাবে পৰামর্শদান
৯.১৩.৩ তত্ত্বাৱধানযোগ্য বৌদ্ধিক অক্ষম শিশুৰ বাবে নির্দেশনা
৯.১৪ শিকনৰ অক্ষমতাৰ ধাৰণা
৯.১৫ শিকনৰ অক্ষমতাৰ কাৰণ
৯.১৬ শিকনৰ অক্ষমতাৰ সাধাৰণ লক্ষণসমূহ
৯.১৭ শিকনত অক্ষমতা থকা শিশুৰ বাবে নির্দেশনা
৯.১৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.১৯ অগ্রগতিৰ খতিয়ান

৯.২০ অধিক জানিবলৈ
৯.২১ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- শাৰীৰিকভাৱে অক্ষম শিশু সম্পর্কে ধাৰণা স্পষ্ট হ'ব
- শাৰীৰিকভাৱে অক্ষম শিশুৰ শ্ৰেণীকৰণৰ বিষয়ে বর্ণনা দিবলৈ সক্ষম হ'ব
- শাৰীৰিকভাৱে অক্ষম শিশুসকলৰ কাৰণে প্ৰয়োজন অনুসৰি বিদ্যালয়ত কিদৰে নির্দেশনা আৰু পৰামর্শদান সেৱা দিব সেইসমূহ জানিব পাৰিব।
- দলীয় নির্দেশনাৰ সুবিধা অসুবিধাসমূহ বুজিব পাৰিব।
- শিকনৰ অক্ষমতা থকা শিশুৰ বিষয়ে ধাৰণা কৰিবলৈ সক্ষম হ'ব
- শিকন অক্ষমতাৰ কাৰণসমূহ বিশ্লেষণ কৰিব পাৰিব
- তেনে অক্ষম শিশুৰ নির্দেশনা আৰু পৰামর্শদান ব্যৱস্থা সম্পর্কে সম্যকভাৱে ধাৰণা কৰিব পাৰিব।
- বৌদ্ধিকভাৱে অক্ষম শিশু সম্পর্কে ধাৰণা কৰিব পাৰিব
- বৌদ্ধিকভাৱে অক্ষম বা মানসিক বাধাগ্ৰস্থতাৰ কাৰণসমূহ জানিব পাৰিব আৰু
- এনে শিশুৰ কাৰণে নির্দেশনা আৰু পৰামর্শদান কার্যসূচী সম্পর্কে জানিবলৈ সক্ষম হ'ব।

৯.২ পৰিচয় (INTRODUCTION)

এখন বিদ্যালয়ৰ ক্ষেত্ৰত শিক্ষা ব্যৱস্থা তথা নির্দেশনা আৰু পৰামর্শদানৰ আৰ্হি প্ৰস্তুত কৰাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্নতাৰ প্ৰতি লক্ষ্য ৰখাতো অতিকৈ দৰকাৰী বিষয়। ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ, অভিজ্ঞতা, সুপ্ত প্ৰতিভা, মনোযোগ, বুদ্ধ্যাংকৰ পৰিমাপনৰ উপৰিও নির্দেশনা আৰু পৰামর্শদান কৰিবলৈ যাওঁতে মন কৰিবলগীয়া বিভাগসমূহ হ'ল—

- শাৰীৰিকভাৱে অক্ষম শিশু।
- বৌদ্ধিকভাৱে অক্ষম শিশু।
- শিকনৰ অক্ষমতা থকা শিশু ইত্যাদি।

যিহেতু সকলো শিশুৰ কাৰণে শিক্ষা হৈছে জন্মগত অধিকাৰ, সেয়ে ওপৰত উল্লেখ কৰি অহা এই বিশেষ শ্ৰেণীৰ অন্তর্ভুক্ত শিশুসকলৰ কাৰণে বিদ্যালয় কর্তৃপক্ষ আৰু শিক্ষকবৃন্দৰ সজাগতা নিতান্তই দৰকাৰী হৈ উঠিছে। অন্তর্ভুক্তিকৰণ শিক্ষাৰ বহুল প্ৰচাৰে এই কথাকে সোঁৱৰাই দিয়ে। এই অধ্যায়ত আপোনালোকে শাৰীৰিকভাৱে

অক্ষম শিশুসকলৰ বাবে নির্দেশনা আৰু পৰামর্শদান কেনেকুৱা হোৱা উচিত তাক জানিব পাৰিব। এই অধ্যায়ত এনে শিশুসকলৰ অক্ষমতাৰ কাৰণসমূহ, তেওঁলোকৰ চিনাক্তকৰণ আৰু তেওঁলোকৰ কাৰণে ল'বলগীয়া নির্দেশনা আৰু পৰামর্শদান কার্যসূচী সম্পর্কে আলোচনা কৰা হ'ব। লগতে অক্ষম শিশু আৰু বৌদ্ধিকভাৱে অক্ষম শিশু সম্পর্কে আলোচনা আৰু তেনে ধৰণৰ শিশুৰ বিকাশৰ ক্ষেত্রত বিদ্যালয়ত ল'ব পৰা কৌশল অথবা উপায়সমূহ উল্লেখ কৰা হৈছে। তাৰ উপৰিও বিশেষ সক্ষম শিশুৰ বিষয়ে আৰু অধিক জানিবলৈ হ'লে আমি মন কৰিব লাগিব শিকনৰ অক্ষমতা থকা বা শিকনৰ বিকাৰ থকা শিশুসকলৰ বিষয়ে। শিকনৰ অক্ষমতা হৈছে এনে এক অৱস্থা যিয়ে তথ্য বুজাত বা তথ্যৰ প্রক্রিয়াকৰণত বাধা আৰোপ কৰে। বিদ্যালয়ত এনে শিশুৰ কাৰণে শিক্ষকসকল অসুবিধাত পৰে, কিয়নো এনে শিশুসকলে সাধাৰণ শিশুসকলৰ দৰেই সোনকালে বা একেদৰে শিকিবলৈ অসমর্থ হোৱাৰ ফলত সমস্যাৰ সৃষ্টি কৰে। যদিহে গতানুগতিকভাৱে শিকোৱা হয় তেওঁলোকে নির্দিষ্ট ধৰণৰ দক্ষতা প্রদর্শন কৰাত বা কাম সম্পূর্ণ কৰাত অসুবিধা পায়। এই অধ্যায়ত আমি শিকনৰ অক্ষমতা থকা শিশুৰ বিষয়ে আলোচনা কৰিম। অক্ষমতাৰ কাৰণ সমাধান আলোচনা কৰাৰ লগতে তেনে শিশুৰ ক্ষেত্রত বিদ্যালয়ত ল'ব লগা নির্দেশনা আৰু পৰামর্শদান সেৱাৰ বিষয়েও আপোনালোকে জানিবলৈ পাব।

৯.৩ শাৰীৰিকভাৱে অক্ষম শিশুৰ ধাৰণা (CONCEPT OF PHYSICAL DISABILITY)

শাৰীৰিক অক্ষমতা হ'ল এজন বক্তিৰ শাৰীৰিক কার্যক্ষমতা, গতিশীলতা, নিপুণতা বা ষ্টেমিনাৰ ওপৰত সীমাবদ্ধতা। আন আন শাৰীৰিক অক্ষমতাসমূহৰ ভিতৰত আছে এনে অক্ষমতা যিয়ে দৈনন্দিন জীৱনৰ অন্যান্য দিশসমূহ সীমিত কৰে। যেনে— শ্বাস-প্রশ্বাসজনিত বিকাৰ, অন্ধতা, স্নায়বিক অক্ষমতা, টোপনিৰ বিকাৰ, বাকজনিত বিকাৰ ইত্যাদি।

শাৰীৰিক অক্ষমতাই আপোনাক নির্দিষ্ট কামবোৰ কৰাত বাধা দিবই লাগিব বুলি ক'ব নোৱাৰি। কিন্তু সেইবোৰক অধিক প্রত্যাহ্বানজনক কৰি তোলে। ইয়াৰ ফলত দৈনন্দিন কামসমূহ কৰিবলৈ অধিক সময় লাগে। কোনো ব্যক্তিয়ে শাৰীৰিকভাৱে অক্ষমতাৰে জন্ম ল'ব পাৰে বা কোনো দুর্ঘটনা, আঘাত, অসুস্থতাৰ বাবে বা কোনো চিকিৎসাজনিত অৱস্থাৰ পার্শ্বক্রিয়া হিচাপে জীৱনত অক্ষমতা লাভ কৰিব পাৰে। কিন্তু কাৰণ যিয়ে নহওঁক এইসকলক মানসিকভাৱে প্রস্তুত কৰি আগুৱাই নতুন জীৱন দান কৰাতো শিক্ষাৰ দায়িত্ব।

৯.৪ শাৰীৰিকভাৱে অক্ষম শিশুৰ শ্রেণীকৰণ (TYPES OF PHYSICALLY DISABLED CHILDREN)

শাৰীৰিকভাৱে অক্ষম শিশুসকলক তেওঁলোকৰ অক্ষমতাৰ ভিত্তিত তলত দিয়া ধৰণে শ্রেণীকৰণ কৰিব

পৰা যায়। সেইসমূহ ওপৰত ভিত্তি কৰি বিদ্যালয়ৰ প্ৰতিটো স্তৰতে নির্দেশনা আৰু পৰামর্শদানৰ প্ৰচেষ্টা হাতত ল'লে শিক্ষাৰ সু-অগ্ৰগতি আশা কৰিব পাৰি। অক্ষমতাৰ বিভাগসমূহ এনেধৰণৰ—

(১) দর্শনত বাধাগ্রস্থ শিশু।

(২) শ্ৰৱণত বাধাগ্রস্থ শিশু।

(৩) কথনত বাধাগ্রস্থ শিশু।

(৪) অস্থিগতভাৱে বাধাগ্রস্থ শিশু।

৯.৫ দর্শনত বাধাগ্রস্থ শিশু (VISUALLY IMPAIRED CHILDREN)

দর্শনত বাধাগ্রস্থ শিশু বুলি ক'লে, কেইটাও শ্রেণীৰ কথা আমি ক'ব পাৰো। উদাহৰণ স্বৰূপে একেবাৰেই নেদেখাজন হ'ল অন্ধ, কিছু সংখ্যকে আকৌ আংশিকভাৱে দেখা পায়, কোনোৱে কেৱল ওচৰৰ বস্তু আৰু কোনোৱে কেৱল মাত্ৰ দূৰৰ বস্তু দেখা পায়। ইয়াৰ উপৰি কোনোৱে সকলো বস্তুকেই অস্পষ্ট দেখে।

এনে ধৰণৰ দৃষ্টিগতভাৱে অক্ষমতা গর্ভাৱস্থাত স্থিতি লোৱাৰ পৰা জীৱনৰ যিকোনো সময়তে হ'ব পাৰে। ১৯৯৫ চনৰ অক্ষমতাগ্রস্থ ব্যক্তিৰ আইন অনুসৰি দৃষ্টি বাধাগ্রস্থ বুলিলে অন্ধতা আৰু ক্ষীণ দৃষ্টি সম্পন্ন ব্যক্তিক বুজায়। আনহাতে আকৌ ভাৰতৰ 'ৰিহেবিলিটেশ্বন কাউন্সিল অৱ ইণ্ডিয়া, এক্ট, ১৯৯২' মতে দৃষ্টি বাধাগ্রস্থতা মানে—

(১) সম্পূর্ণ দৃষ্টিহীনতা।

(২) ৬ মিটাৰ বা ২০ ফুট দূৰত্বলৈকে বা তাতোকৈ কম দূৰত্বত দেখা নোপোৱা।

(৩) দৃষ্টিক্ষেত্ৰ ২০° তকৈ কম।

৯.৫.১ দর্শনত বাধাগ্রস্থ শিশুৰ কাৰণে নির্দেশনা আৰু পৰামর্শদান (Guidance and Counseling for Visually Impaired Children)

দর্শনত বাধাগ্রস্থ শিশু মানে অন্ধ, আংশিকভাৱে অন্ধ, কমকৈ দেখা পোৱা আৰু মাত্ৰ এটা চকুৰে দেখা পোৱা, সকলোকে সামৰি লোৱা হৈছে। অন্ধসকলক চিনাক্ত কৰা সহজ যদিও কমকৈ দেখা পোৱা সকলক চিনাক্ত কৰাটো জটিল হৈ পৰে। এনে ধৰণৰ শিশুৰ চিনাক্তকৰণৰ কাৰণে NCERT (National Council of Educational Research and Training) য়ে এখন সূচী প্ৰস্তুত কৰি উলিয়াইছে। সেই সূচীখন এনে ধৰণৰ—

(১) মূৰৰ বিষ।

(২) খৰকৈ চকু টিপিয়াই থকা।

(৩) ব্লেকব'র্ডত লিখাখিনি লগৰীয়াক ডাঙৰকৈ পঢ়িবলৈ কয়।

(৪) যিকোনো বস্তু বা কিতাপ চকুৰ একেবাৰে ওচৰত নি চোৱা।

(৫) এটা চকু বন্ধ কৰি মূৰটো আগলৈ নি চাই থাকে।

(৬) অতি বেছিকৈ চকু মোহাৰি থাকে।

(৭) দুয়োটা চকুৰ মণিৰ আকাৰ পৃথক হয়।

(৮) চকুৰ পতা সৰু আৰু ৰঙা হ'ব পাৰে।

(৯) লাইটৰ পোহৰৰ প্রতি অতি সংবেদনশীল হয়।

(১০) চকুৰ পানী ওলাই থকা।

সেয়ে বিদ্যালয় পৰিৱেশত এই সমস্যাসমূহ আঁতৰ কৰিবলৈ শিক্ষক, অভিভাৱক, নির্দেশনা আৰু পৰামর্শদানৰ লগত জড়িত ব্যক্তিসকলে যুটীয়াভাৱে সহযোগিতা কৰিলেহে সমস্যাৰ সমাধান হ'ব। এই ক্ষেত্রত ল'বলগীয়া ব্যৱস্থাসমূহ তলত দিয়া ধৰণৰ—

(১) অন্ধ শিশুসকলক স্পর্শ সংবেদন বা শ্রৱণ সংবেদনৰ জৰিয়তে শিক্ষা দিয়াত শিক্ষকসকলে উৎসাহ দিয়া প্রয়োজন। আনহাতে আংশিকভাৱে অন্ধসকলক যিখিনি দর্শন শক্তি আছে, সেইখিনি ব্যৱহাৰৰ কাৰণে শিক্ষক আৰু পৰামর্শদাতাসকলে সহযোগ কৰাটো অত্যন্ত প্রয়োজন।

(২) পশ্চিমীয়া দেশসমূহত ব্যৱহাৰ হোৱা ক্লু'জ চার্কিট টেলিভিচনো সম্ভৱ হ'লে আমাৰ বিদ্যালয়সমূহলৈ অনাতো গুৰুত্ব দিয়া উচিত। এনে কেমেৰাৰ সহায়ত বস্তুবোৰ ডাঙৰ কৰি টেলিভিচন ব্যৱস্থাৰ যোগেদি দেখুওৱাব পাৰি।

(৩) আংশিক দৃষ্টি শক্তিৰ শিশুসকলক মেগ্নিফায়িং গ্লাছৰ সহায় দিয়া উচিত, যাৰ সহায়ত আখৰ বা সংখ্যাবোৰ ডাঙৰকৈ দেখাৰ সুবিধা কৰি দিব পাৰি।

(৪) আনহাতে শিক্ষকসকলে অন্ধ শিশুৰ ক্ষেত্রত শিক্ষণীয় বিষয়সমূহ টেপ ৰেকর্ডাৰৰ যোগেদি দিয়াৰ ব্যৱস্থা কৰিলে শুনি শুনি তেওঁলোকে সেইসমূহ মনত ৰাখিব পাৰে। উদাহৰণস্বৰূপে ভাষা, বুৰঞ্জী, ভূগোল, সমাজতত্ত্ব আদি বিষয়ৰ জ্ঞান টেপ ৰেকর্ডাৰৰ যোগেদি দিব পাৰি।

(৫) এনে শিশুৰ শিক্ষাদানৰ ক্ষেত্রত উত্তম উপায় হৈছে ব্রেইল (Braille)। ব্রেইল পদ্ধতিৰ আৱিষ্কাৰক আছিল লুইচ ব্রেইল। ব্রেইল পদ্ধতিত ৬ টা বিন্দু চিহ্ন পৃথক পৃথক অৱস্থানত ব্যৱহাৰ কৰি প্রায় ৬৩ টা ভিন্ন ধৰণৰ জ্ঞান দিব পাৰি। লিখা পঢ়াৰ বাহিৰেও ব্রেইলৰ দ্বাৰা সংগীত, অংক, কম্পিউটাৰ প্রয়োগ আৰু ৰসায়ন বিজ্ঞানৰ জ্ঞান দিব পাৰি।

(৬) সমন্বিত শিক্ষা ব্যৱস্থাত সাধাৰণ বিদ্যালয়তে সকলো ধৰণৰ শিক্ষা দিয়াৰ কথা কোৱা হৈছে। অহৰহ নির্দেশনা, পৰামর্শদান আৰু এনে শিশুক উৎসাহিত কৰিবৰ কাৰণে বিশেষ ব্যৱস্থা বিদ্যালয়সমূহে হাতত ল'ব লাগে। দৃষ্টি শক্তিৰ অসুবিধা থকা শিশুক যিমানদূৰ সম্ভৱ বিকল্প অভিজ্ঞতা দিয়াৰ প্রচেষ্টা হাতত লোৱা উচিত। তদুপৰি ব্যৱহৃত সঁজুলি বিদ্যালয়ত আনিবৰ কাৰণে শিক্ষকসকল তৎপৰ হ'ব লাগে।

(৭) দৃষ্টি বাধাগ্রস্থ শিশুৰ সীমাৱস্থতাৰ প্রতি লক্ষ্য ৰাখি সংগীত, বাদ্যযন্ত্র বজোৱা, সাহিত্য চর্চা কৰা, খেল ধেমালীৰ ব্যৱস্থা আদিবোৰ হ'ব লাগে যাতে তেওঁলোকৰ মনত হীনমন্যতাৰ দৰে মানসিক অশান্তিয়ে দেখা দিব নোৱাৰে।

৯.৬ শ্ৰৱণত বাধাগ্রস্থ শিশু (CHILDREN WITH HEARING IMPAIRMENT)

আমেৰিকা যুক্তৰাষ্ট্ৰৰ Individual with Disabilities Education Act, 1990 (IDEA) ৰ মতে, 'বধিৰতা হৈছে এক শ্ৰৱণ বাধাগ্রস্থতা আৰু ই ইমানেই প্রচণ্ড যে শিশু এটাই ভাষাত তথ্যসমূহ পৰিৱৰ্দ্ধন কৰি বা নকৰাকৈও সংগতিত কৰিবৰ বাবে অক্ষম হৈ পৰে। ই শিশুৰ কার্য সম্পন্ন কৰাতো প্রতিকুল প্রভাৱ পেলায়।' অর্থাৎ শ্ৰৱণ বাধাগ্রস্থতা হৈছে স্থায়ী বা অস্থায়ীভাৱে শুনাত বাধাগ্রস্থতা যিয়ে শিশুৰ শিকনত বাধা জন্মায়। এনে শিশুসকলক দুটা ভাগত ভাগ কৰিব পৰা যায়। সেয়া হ'ল— বধিৰতা আৰু কষ্টকৰ শ্ৰৱণ। বধিৰতা (Deafeness) হৈছে জটিল অক্ষমতা আৰু কষ্টকৰ শ্ৰৱণতা (Heard of hearing) হৈছে কম জটিল অক্ষমতা।

৯.৬.১ শ্ৰৱণত বাধাগ্রস্থত শিশুৰ বাবে নির্দেশনা আৰু পৰামর্শদান (Guidance and Counseling for Children with Hearing Impairment)

প্রত্যেক শিশুৰ ক্ষেত্রত প্রণালীবদ্ধ অধ্যয়নে তেওঁলোকৰ সুস্থিৰ জীৱন গঢ়াত অৰিহণা যোগায়। শ্ৰৱণত বাধাগ্রস্থ শিশুৰ চিনাক্তকৰণ বা তেওঁলোকৰ ব্যৱহাৰৰ সমস্যা সমাধান কৰিবলৈ যাওঁতে শিক্ষকসকলে তলৰ কথাকেইটা মন কৰা উচিত—

(১) অতি সঘনে শিশুৰ কনামাকৰী ওলাই নেকি?
(২) শ্রেণীত শিক্ষকে কথা ক'লে এখন কাণ আগবঢ়ায় দিয়ে নেকি?
(৩) নির্দিষ্ট শিশুটোৱে কথা কওতে খুউব ডাঙৰকৈ বা একেবাৰে সৰুকৈ কয় নেকি?
(৪) আকাৰ ইংগিতেৰে নিজৰ ভাৱ প্রকাশ কৰে নেকি?
(৫) শিশুক দিয়া নির্দেশ পালন কৰিবলৈ অক্ষম হয় নেকি?
(৬) আনে কথা ক'লে কওঁতাজনৰ ওঁঠলৈহে লক্ষ্য কৰে নেকি?
(৭) শ্রেণীত দলীয় আলোচনাও ল'বলৈ সংকোচ কৰে নেকি?
(৮) কথাৰ সুৰ আৰু উচ্চাৰণত বিসংগতি থাকে নেকি?
(৯) কোনো শিশুৱে শ্রেণীত মনোযোগ দিয়াত অস্থিৰতা প্রকাশ কৰে নেকি?

উপৰোক্ত লক্ষণসমূহ কোনো শিশুৰ ক্ষেত্রত দেখা পালে শিক্ষকে উচিত ব্যৱস্থা লোৱা দৰকাৰ। এই শিশুসমূহৰ ক্ষেত্রত তলত উল্লেখ কৰা ব্যৱস্থাসমূহে যথেষ্ট উপকৃত কৰিব বুলি আশা কৰিব পাৰি।

(১) বিদ্যালয়সমূহত শ্ৰৱণ সহায়ক যন্ত্র (Hearing aids) ক্রয় কৰাৰ ক্ষেত্রত গুৰুত্ব দিয়া উচিত। শ্ৰৱণ ঘাটিৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি উপযুক্ত আহিলা ক্রয় কৰা উচিত। দৰকাৰ হোৱা শিশুক এই আহিলাসমূহ

অতি সাৱধানেৰে ব্যৱহাৰ কৰাত সহায় কৰা উচিত, যিহেতু এইসমূহ স্পর্শকাতৰ আৰু খৰচী।

(২) এনে শিশুসকলৰ যাতে আন শিশুৰ সৈতে সমাযোজন কৰাত শ্ৰৱণ বাধাগ্রস্থতা কাৰণ হ'ব নোৱাৰে, তাৰ কাৰণে নাচ, গান, খেলা-ধূলাৰ মাজেৰে সুস্থ পৰিৱেশ গঢ়াত সহায় কৰিব লাগে।

(৩) বিদ্যালয়ত কোনো শিশু শ্ৰৱণত বাধাগ্রস্থ হিচাপে চিহ্নিত হ'লে, সিহঁতক শ্রেণীকোঠাত শিক্ষকৰ একেবাৰে ওচৰত বহাৰ ব্যৱস্থা কৰি দিব লাগে। লগতে এনে ক্ষেত্রত শিক্ষকসকলে কথা কওঁতে স্পষ্টকৈ আৰু লাহে লাহে কোৱাৰ ওপৰত গুৰুত্ব দিব লাগে। কমকৈ শুনা শিশুসকলক আন শিশুৰ সমানে সমানে শ্রেণীকোঠাৰ আলোচনাত ভাগ ল'বলৈ অনুপ্রাণিত কৰিব লাগে আৰু তেওঁলোকৰ আত্মবিশ্বাস দৃঢ় কৰাত শিক্ষকসকলে বন্ধুসুলভ সম্পর্ক স্থাপনত অধিক গুৰুত্ব দিয়া উচিত।

(৪) বিদ্যালয়ৰ নির্দেশনাৰ অংশ হিচাপে বাধাগ্রস্থ শিশুসকলৰ কাৰণে শ্ৰৱণ প্রশিক্ষণৰ ব্যৱস্থা কৰা উচিত। এই প্রশিক্ষণৰ যোগেদি বাধাগ্রস্থতাৰ পৰিমাপন কৰি কথনৰ প্রশিক্ষণ দিয়া হয়, ওঁঠৰ পঠনৰ প্রশিক্ষণ দিয়া হয় আৰু বস্তুসমূহ বুজি পোৱাত সহায় কৰা হয়।

(৫) এনেধৰণৰ শিশুৰ আগ্রহৰ ওপৰত ভিত্তি কৰি বিশেষজ্ঞ ব্যক্তিৰ দ্বাৰা বৃত্তিমূলক প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। তদুপৰি, ছবি আঁকা, হস্তশিল্প আদিৰো ব্যৱস্থা থাকিলে ভাল।

(৬) বিভিন্ন প্রশিক্ষণপ্রাপ্ত ব্যক্তি নিয়োগ কৰি এনে শিশুসকলৰ পঠনত ওঠ, জিভা আৰু মুখমণ্ডলৰ অংগীভংগীৰ বিভিন্ন বিষয়ৰ প্রকাশ কৰাটো প্রয়োজন। এনে ক্ষেত্রত প্রশিক্ষকজনৰ কাৰণে আমনিদায়ক হৈ উঠে যদিও ধৈর্যৰে উপযুক্ত প্রশিক্ষণ দিলে ভাল।

(৭) আঙুলিৰ ব্যৱহাৰ এই ক্ষেত্রত ফলদায়ক হ'ব। আঙুলিৰ ভাঁজ কৰি ইংৰাজী 2 6টা বর্ণৰ বাবে 2 6টা আকৃতি গঠন কৰি শিকোৱাৰ সুন্দৰ ব্যৱস্থা আছে, যিবোৰৰ শিক্ষকসকলে প্রশিক্ষণ লোৱা উচিত।

(৮) সাংকেতিক ভাষা প্রয়োগৰ যোগেদি শ্ৰৱণ আৰু কথনত বাধাযুক্ত শিশুক হাত, মুখ আৰু বাহু বহুলভাৱে প্রয়োগ কৰি মনৰ ভাব প্রকাশৰ কাৰণে উৎসাহ যোগাব পাৰি। প্রতিটো এনে সংকেতৰ অর্থ আছে এইসমূহ নির্দিষ্ট গতি, সঞ্চালন, হাতৰ স্থিতি আৰু মুখমণ্ডলৰ অংগী ভংগীৰ সহায়ত প্রকাশ কৰিব পাৰি।

৯.৭ কথনত বাধাগ্রস্থ শিশু (CHILDREN WITH SPEECH IMPAIRMENT)

Van Riper ৰ মতে, 'কথনক তেতিয়া অস্বাভাৱিক বুলি কোৱা হয়, যেতিয়া ই অন্য মানুহৰ কথনতকৈ স্খলিত হয়, যিটোৱে নিজেই মনোযোগ কাঢ়ি লয়, যোগাযোগ ক্ষতিগ্রস্থ কৰি কথা কোৱা আৰু শুনা দুয়োজনকে অস্বস্তিত পেলায়।'

সমাজপ্রিয় মানুহৰ এজনে আনজনৰ লগত মনৰ ভাৱ প্রকাশৰ মাধ্যমেই হৈছে ভাষা। কিন্তু কথনত অক্ষম আৰু বাক অক্ষমতাত ভোগা কোনো লোকে উপযুক্তভাৱে ভাষাটো প্রয়োগ কৰিব নোৱাৰে। এনে অক্ষমতাৰ শিশু বিদ্যালয়ৰ শ্রেণীকোঠাত থাকিলে শিক্ষকসকলে উচিত ব্যৱস্থাৰে শিক্ষাদান কৰাৰ ক্ষেত্রত তৎপৰ হোৱাটো

দৰকাৰী। সাধাৰণতে বাক যন্ত্ৰ আৰু তাৰ লগত জড়িত মুখগহ্বৰ, ওঁঠ, দাঁত, জিভা, কণ্ঠনলী আদিৰ গঠন অস্বাভাৱিক হোৱাৰ ফলত ব্যক্তিৰ জীৱনলে বাক অক্ষমতা বা কথনত বাধাগ্রস্থতাৰ দৰে সমস্যা আহিব পাৰে। স্পষ্টকৈ কথা ক'ব নোৱাৰা, বাক্য সম্পূর্ণ শুদ্ধকৈ ক'ব নোৱাৰা, খোনাই থকা বা শব্দ লাগি ধৰা, ক'বলৈ যাওঁতে আউল লগা আদিক বুজায়।

৯.৭.১ কথনত বাধাগ্রস্থ শিশুৰ নির্দেশনা আৰু পৰামর্শদান (Guidance and Counseling for Children with Speech Impairment)

যিহেতু মনৰ ভাৱ প্রকাশত বাধা আহি পৰে বাবেই কথনত বাধাগ্রস্থতা অথবা বাক অক্ষমতা হৈ পৰে আৱেগিক সমস্যা। ফলত শিশু এটা কেতিয়াবা উগ্র হৈ উঠাও দেখা যায়। এনে সমস্যাৰ সমাধানৰ ক্ষেত্রত এজন শিক্ষকৰ কাৰণে আটাইতকৈ প্রয়োজনীয় বিষয় হ'ল মনোবৈজ্ঞানিক জ্ঞান। নির্দেশনা আৰু পৰামর্শদানৰ লগতেও সুস্থ আৱেগিক নিৰাপত্তাজনিত পৰিৱেশ গঢ়িবলৈ সক্ষম হ'লেহে এনে শিশুৰ সুস্থ মানসিকতা গঠন সহজ হ'ব। সেয়ে শিক্ষানুষ্ঠানৰ পৰিৱেশ মুক্ত হ'ব লাগিব আৰু অনুকুল পৰিৱেশ গঢ়ি তুলিব লাগিব যাতে সকলো শিক্ষার্থীৰ শিক্ষা গ্রহণত কোনো ধৰণৰ বাধা নাহে।

প্রতিজন শিক্ষকৰ কাৰণে মন দিব লগীয়া বিষয়সমূহ হ'ল শিশুৰ শব্দ জ্ঞান বৃদ্ধিৰ চেষ্টা কৰা, স্বৰ ধ্বনি, শব্দ উচ্চাৰণত সহায় কৰা ইত্যাদি। কথনত বাধাগ্রস্থ শিশুক লিখা পঢ়াসমূহ নৃত্য-গীত, সুৰ, আবৃত্তি আদিৰ যোগেদি শিকোৱাৰ ব্যৱস্থা হ'লে বেছি ভাল। আন এক গুৰুত্বপূর্ণ কথা হ'ল এনে শিশুৰ বিকৃত উচ্চাৰণ শুনি আনে যাতে নাহাঁহে তাৰ প্রতি লক্ষ্য ৰখা উচিত। কাৰণ এনেধৰণৰ উপলুঙাই তেওঁলোকৰ মানসিক স্বাস্থ্যৰ ক্ষেত্রত বিৰূপ প্রভাৱ পেলোৱাৰ সম্ভাৱনা বেছি।

ছবি আঁকা বা হস্তশিল্প শিকোৱাৰ ওপৰতো গুৰুত্ব দিব লাগে। কাৰণ এনে সৃষ্টিশীল কর্মৰযোগেদি এনে শিশুৱে নিজক প্রকাশ কৰাৰ সুবিধা পায়। তদুপৰি তেনে শিশুৰ মানসিক স্বাস্থ্য সুস্থ কৰি ৰাখিবৰ কাৰণে মনোৰঞ্জনধর্মী চিনেমা প্রদর্শন, শিক্ষামূলক ভ্রমণ আদি কার্যসূচীৰ সহায় ল'ব পাৰি।

মনোবৈজ্ঞানিক ধাৰণা মতে, কথনত বাধাগ্রস্ত শিশুসকলক ধৈর্য সহকাৰে মৰম, আদৰ কৰি শিকাবলৈ যত্ন কৰিব লাগে। লগতে অক্ষমতাক স্বীকাৰ কৰি সাহসী হৈ জীৱন গঢ়িবলৈ উৎসাহ দিয়া উচিত। শিক্ষন আহিলাৰ নতুন নতুন প্রয়োগ কৰিবলৈ যত্ন কৰিবলৈ চেষ্টা কৰিব লাগে। শিক্ষকসকলৰ বিশেষ প্রশিক্ষণৰ দৰকাৰ হ'লে সেইসমূহ ল'বৰ কাৰণে আগবাঢ়ি অহা উচিত। লগতে বিশেষ নির্দেশনা কর্মীৰ প্রয়োজন হ'লে বিদ্যালয় কর্তৃপক্ষই তাৰ ব্যৱস্থা কৰিব লাগে। মুঠতে এনে শিশুৰ সমাযোজনত যাতে অসুবিধা নহয় আৰু আবেগিক ক্ষেত্রত অসুস্থ নহয় তাৰ কাৰণে অভিভাৱক, শিক্ষক প্রত্যেকেই লক্ষ্য ৰখা উচিত।

৯.৮ অস্থিগতভাৱে বাধাগ্রস্থ শিশু (ORTHOPAEDICALLY HANDICAPPED CHILDREN)

অস্থিগত বাধাগ্রস্থতাৰ অর্থ হ'ল হাড়ৰ আকাৰ, গঠন আৰু জোৰাবিলাকৰ দোষযুক্ততাক বুজায় আৰু ইয়াৰ ফলত মাংসপেশীৰ শক্তি, সংযোগ সাধন আৰু নিয়ন্ত্রণ হ্রাস পায়।

নিকোলাচ এণ্ড্রি (Nicholos Andry) নামৰ ব্যক্তি এজনে Orthopaedic শব্দটো দুটা গ্রীক শব্দ 'Orthos' আৰু 'Paidios' ৰ সংযোগ কৰিছিল। 'Orthos' ৰ অর্থ হৈছে 'Straight' অর্থাৎ চিধা আৰু 'Paidoos' মানে 'Child' অর্থাৎ শিশু। ইয়াৰ মানে হৈছে— 'বয়স্ক লোকৰ বিকৃতিৰ প্রতিৰোধ নির্ভৰ কৰে পোনতে শিশুৰ বিকাশৰ ওপৰত। অর্থাৎ অস্থিগত বাধাগ্রস্থতাই হাড়, জোৰা বা মাংসপেশীৰ কার্যসমূহত ব্যাঘাত জন্মায়। 1992 চনৰ ভাৰত পুনৰ সংস্থাপন পৰিষদৰ মতে— 'সঞ্চালনমূলক বাধাগ্রস্থতাৰ অর্থ হৈছে এজন ব্যক্তিয়ে নির্দিষ্ট কিছুমান কাম কৰিব নোৱাৰা অক্ষমতা। এই অক্ষমতা সাধাৰণতে হাড়, হাড়ৰ জোৰা, মাংসপেশী আৰু স্নায়ুসমূহৰ ৰোগৰ ফলত হয়।'

অস্থিগত বাধাগ্রস্থতাক অংগ সঞ্চালনমূলক বাধাগ্রস্থতা বুলিও ক'ব পাৰি। ইয়াৰ ভাগসমূহ হ'ল—

(১) খোৰা বা লেঙুৰা (Crippled)
(২) ৰাজহাড়ৰ বিকৃতি (Spina Bifida)
(৩) মায়'পেথি (Myopathy)
(৪) আর্থৰাইটিচ (Arthritis)
(৫) মগজুৰ পক্ষাঘাত (Cerebral Palsy)
(৬) মৃগী ৰোগ (Epilepsy)
(৭) পলিঅ' (Polio)

১৯৯৫ চনৰ বাধাগ্রস্থ আইন অনুসৰি হাড়ৰ জোৰা বা মাংসপেশীৰ অক্ষমতা বা মস্তিষ্কৰ যিকোনো পক্ষাঘাতৰ ফলত অংগ সঞ্চালন সংকুচিত হোৱা অৱস্থাটোকে 'অংগ সঞ্চালন বাধাগ্রস্থতা' বুলি কোৱা হয়।

৯.৮.১ অস্থিগত বাধাগ্রস্থ শিশুৰ কাৰণে নির্দেশনা আৰু পৰামর্শদান (Guidance and Counseling for Orthopaedically Handicapped Children)

এনেধৰণৰ শিশুৰ কাৰণে কিছুমান বিশেষ প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ নিযুক্তিৰ দৰকাৰ। তেওঁলোকৰ লগতে সাধাৰণ শিক্ষকসকলেও এটা দল হিচাপে কর্ম সম্পাদন কৰিব লাগে। এনে দলসমূহে শাৰীৰিক বাধাগ্রস্থ শিশুসকলক উৎসাহ দিয়া, প্রয়োজনীয় নির্দেশনা প্রদান, সর্বাত্মক বিকাশৰ কাৰণে প্রচেষ্টা হাতত লোৱা আদি কামবোৰ কৰিবলৈ

আগবাঢ়ি আহিব পাৰে। লগতে তলত উল্লেখ কৰা ব্যৱস্থাসমূহে এনে ক্ষেত্ৰত অৰিহণা যোগাব।

(১) বিদ্যালয়ত ৰেম্প, হেণ্ডৰেলিং আদিৰ সঠিক ব্যৱস্থা।

(২) বহল কৰিডৰ ব্যৱস্থা।

(৩) ডেক্স-বেঞ্চৰ উপযুক্ত উচ্চতা।

(৪) বহল দুৱাৰ।

(৫) বাধাগ্রস্থ শিশুক লিখিত আৰু গৃহকার্য কমকৈ দি মৌখিক কার্যক মূল্যায়নৰ ক্ষেত্ৰত অদিক গুৰুত্ব দিয়া উচিত।

(৬) আন সাধাৰণ শিশুকো লগৰীয়া কোনো বাধাগ্রস্থ শিশুক সহায় কৰাৰ মানসিকতা গঢ়ি তোলাত লক্ষ্য কৰিলে ভাল।

(৭) যদি সম্ভৱ হয়, বিদ্যালয়ত তেনে শিশুৰ কাৰণে প্রশিক্ষণপ্রাপ্ত ব্যক্তিৰ দ্বাৰা ফিজিঅ'থেৰাপি দিয়াৰ সুবিধা থাকিলে বাধাগ্রস্থ শিশুসকল উপকৃত হ'ব।

শেষত ক'ব পাৰি যে, শাৰীৰিক যিকোনো প্রতিবন্ধকতাই যাতে শিশুক বঞ্চিত কৰিব নোৱাৰে তাৰ প্রতি অভিভাৱক, শিক্ষক, সমাজৰ ব্যক্তিসকল আগবাঢ়ি আহিব লাগিব। ধনাত্মক মানসিকতা আৰু সকলোৰে সহযোগত আমি নিশ্চয় প্রতিটো শিশুক সুস্থিৰ জীৱন দিয়াত সফল হ'ম।

অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শাৰীৰিক অক্ষমতাৰ দুটা প্রকাৰ লিখক।

প্রশ্ন নং ২ ঃ ১৯৯৫ চনৰ বাধাগ্রস্থতা আইন অনুসৰি অংগ সঞ্চালন বাধাগ্রস্থতা মানে কি?

প্রশ্ন নং ৩ ঃ দৃষ্টিহীন শিশুৰ ভাগসমূহ কি কি?

প্রশ্ন নং ৪ ঃ 'বধিৰতা' আৰু কষ্টকৰ শ্রৱণতা মানে কি বুজে?

প্রশ্ন নং ৫ ঃ অস্থিগত বাধাগ্রস্থতাৰ উদাহৰণ দিয়ক।

৯.৯ বৌদ্ধিক অক্ষমতা বা মানসিক বাধাগ্রস্তৰ সংজ্ঞা (DEFINITIONS OF MENTALLY CHALLENGED OR MENTALLY RETARDED)

সাধাৰণ শিশুৰ বুদ্ধ্যাংক (IQ) গড় পৰিমাণৰ তলৰ প্রায় সকলো শিশুকে বৌদ্ধিকভাৱে অক্ষম বুলিব পাৰি। সাধাৰণ শিশুৰ দৰে এইসকল শিশুৱে লিখা-পঢ়া কৰিব নোৱাৰে আৰু দৈনন্দিন জীৱনৰ কাম-কাজ সুচাৰুৰূপে সম্পাদনা কৰাত ব্যর্থ হয়। বয়স বৃদ্ধি হ'লেও এনে শিশুৰ মানসিক বিকাশ হোৱা দেখা নেযায়। দৃষ্টি, শ্রৱণ সম্বন্ধীয় বাধাগ্রস্থতাৰ দৰে ইও এক বাধাগ্রস্থতা যদিও যথেষ্ট জটিল।

American Association on Mental Retardation (1983) ৰ মতে, 'মানসিক বাধাগ্রস্থতা হৈছে সাধাৰণ বৌদ্ধিক কার্যৰ গড় হিচাপৰ নিম্নসীমা যাৰ অভাৱত বিকাশৰ ধাৰা চলি থকা সময়ত সমাযোজিত আচৰণৰ বিকাশ প্রক্রিয়া বাধাগ্রস্থ হয়।' (Mental Retardation refers to significantly subaverage general intellactual functioning, resulting in or associated with concurrent impairment in adaptive behaviour, and manifested during the functioning period.)

১৯৮১ চনৰ British Mental Defficiency Act ৰ মতে, 'মানসিক বাধাগ্রস্থতা হ'ল ১৮ বছৰৰ তলৰ মানসিক বিকাশৰ বাধা আৰোপিত বা অসম্পূর্ণ এক অৱস্থা যি অন্তর্নিহিত কাৰণ বা বেমাৰ বা আঘাতৰ পৰা হ'ব পাৰে।' (Mental retardation is a condition of arrested or incomplete development of mind existing before the age of 18 years whether arising from inherent cause or included by disease or injury).

মনোবিজ্ঞানী ড'ল (Doll 1941) ৰ মতে, মানসিক বা বৌদ্ধিক বাধাগ্রস্থতাৰ ধাৰণা আৰু সংজ্ঞাত ছটা নির্ণায়ক থাকে। সেয়া হ'ল—

(১) সামাজিক অসামর্থতা (Social incompetency)

(২) মানসিক বুদ্ধিহীনতা (Mental subnormality)

(৩) বিকাশৰ লগত জড়িত অভাৱজনিত ৰোগ (The defficiency in linked with development)

(৪) পৰিপক্কতাৰ শেষত বাধাগ্রস্থতা (Retardation finally comes on maturity)

(৫) জন্মৰ পৰা বাধাগ্রস্থতা (Retardation is in origin)

(৬) ই আৱশ্যকীয়ভাৱে অপ্রতিকাৰমূলক (It is essentially incurable)

৯.১০ বৌদ্ধিক অক্ষমতাৰ সাধাৰণ বৈশিষ্ট্যসমূহ (GENERAL CHARACTERISTICS OF MENTALLY CHALLENGED OR RETARDATION)

বৌদ্ধিক অক্ষমতাৰ বৈশিষ্ট্যসমূহ তলত চমুকৈ উল্লেখ কৰা হ'ল—

(১) বৌদ্ধিক অক্ষমতা হ'ল সাধাৰণতকৈ নিম্ন পর্যায়ৰ এক বৌদ্ধিক অৱস্থা।

(২) এনে অক্ষমতা সাধাৰণতে শৈশৱকাল, বাল্যকাল আৰু কৈশোৰ কালত দেখিবলৈ পোৱা যায়।

(৩) এই অক্ষমতাসমূহৰ কাৰক জৈৱিক হ'ব পাৰে অথবা পৰিৱেশীয় হ'ব পাৰে।

(৪) বৌদ্ধিকভাৱে অক্ষম বা মানসিক বাধাগ্রস্থ শিশুসকলে সমাযোজিত কৰাত অসমর্থ হয়।

(৫) ই হৈছে ব্যক্তিৰ এক মানসিক অৱস্থা। ইয়াক কোনো বেমাৰ বুলি ক'ব পৰা নাযায়।

(৬) বুদ্ধি অভীক্ষাত প্রদর্শন কৰা শিশুৰ নিম্ন পাৱদর্শিতাৰ পৰা মানসিক বাধাগ্রস্থতাক চিনাক্ত কৰিব পৰা যায়।

৯.১১ বৌদ্ধিক অক্ষমতা বা মানসিকভাৱে বাধাগ্রস্থতাৰ কাৰণ (CAUSES OF MENTALLY CHALLENGED OR MENTAL RETARDATION)

বিভিন্ন বিশ্লেষণৰ পৰা গম পোৱা গৈছে যে বুদ্ধাংকৰ পৰিমাণ 70ৰ তলত থকা শিশুসকলক বৌদ্ধিকভাৱে অক্ষম বা মানসিকভাৱে বাধাগ্রস্থ বুলি আখ্যা দিব পাৰি। ইয়াৰ সঠিক কাৰণ ক'ব পৰা নেযায় যদিও, তলত উল্লেখ কৰা ধৰণে ব্যাখ্যা কৰিব পাৰি।

(১) **বংশগতি (Heredity) ঃ** মানসিক মন্দাৱস্থাৰ কাৰণ হ'ব পাৰে জিনৰ বংশগত অস্বাভাৱিকতা। লিংগ নির্ণয় কৰা ক্রমজমৰ এটা দোষ Fragile X হৈছে মানসিক বিকলতাৰ আটাইতকৈ সাধাৰণ বংশগত কাৰণ। জিনৰ বিকাশৰ কোনো দুর্ঘটনাইও বিকলতা সৃষ্টি কৰিব পাৰে। এনে দুর্ঘটনাৰ উদাহৰণ হ'ল অতিৰিক্ত ক্রম'জমৰ বিকাশত হোৱা অস্বাভাৱিকতাৰ ফলত ডাউনচিড্রম হয়। ই মানসিক মন্থৰতাৰ আটাইতকৈ সাধাৰণ জিনজনিত কাৰণ।

(২) **প্রসৱৰ পূর্বে হোৱা ৰোগ আৰু সমস্যা (Pre-natal Illness and Issues) ঃ** কিছুমান গৱেষণাৰ পৰা দেখা গৈছে যে গর্ভাৱস্থাত মাতৃয়ে মদ্যপাণ কৰিলেও শিশুৰ ক্ষেত্রত অক্ষমতাই দেখা দিব পাৰে। গর্ভাৱস্থাত ড্রাগছ সেৱন, চিগাৰেট সেৱন আদিও মানসিক বিকলাংগতাৰ অন্যতম কাৰণ।

মাতৃৰ সংক্রমণ আৰু ৰোগ যেনে গ্রন্থিৰ বিকাৰ, ৰুবেলা, টক্সিপ্লাজম'ছিছ আৰু ছাইট'মেগোলা ভাইৰাছৰ সংক্রমণে মানসিক বিকলতাৰ সৃষ্টি কৰে। যেতিয়া গর্ভাৱস্থাত মাতৃৰ উচ্চ ৰক্তচাপ (হাইপাৰটেনচন) বা ৰক্ত বিষক্রিয়া (টক্সিমিয়া) হয় তেতিয়া ভ্রূণলৈ অক্সিজেনৰ প্রৱাহ কমি যাব পাৰে, যাৰ ফলত মগজুৰ ক্ষতি আৰু মানসিক মন্থৰতা হ'ব পাৰে।

তদুপৰি জন্মগত বিসংগতিৰ ফলত মগজু আৰু কেন্দ্রীয় স্নায়ুতন্ত্রৰ শাৰীৰিক বিকৃতি ঘটে আৰু সঘনাই মানসিক মন্থৰতা সৃষ্টি কৰে। উদাহৰণস্বৰূপে স্নায়ু নলীৰ দোষ হৈছে জন্মগত বিসংগতি য'ত মেৰুদণ্ড গঠন কৰা স্নায়ু নলীখন সম্পূর্ণৰূপে বন্ধ নহয়। এই দোষৰ ফলত শিশুৰ মগজুত মস্তিষ্কৰ মেৰুদণ্ডৰ তৰল পদার্থ জমা হ'ব পাৰে। (hydro cephalus)

(৩) **মাতৃৰ অস্বাভাৱিক পৰি�ৱেশৰ প্রভাৱ (Abnormal Maternal Environmental Influences) ঃ** গর্ভাৱস্থাত মাতৃ দেহত হোৱা আয়'ডিন, ফলিক এছিডৰ অভাৱ অথবা তীব্র পুষ্টিহীনতাই আহিব লগা সন্তানৰ মানসিক বিকাশত বিৰূপ প্রভাৱ পেলায়। ইয়াৰ বাহিৰেও নিকটিন, কোকেইন, মাদক দ্রব্যৰ ব্যৱহাৰো সন্তানৰ মানসিক বিকাশৰ কাৰণে যথেষ্ট ক্ষতিকাৰক। তদুপৰি গর্ভাৱস্থাৰ ফলত উচ্চ ৰক্তচাপ, প্রসৱৰ পূর্বে ৰক্তক্ষৰণ, প্লেচেণ্টাৰ বিসংগতি, মাতৃৰ ডায়েবেটিছ, হৃদযন্ত্র আৰু বৃক্কৰ ৰোগ আদি মানসিক বাধাগ্রস্থতাৰ কাৰণ হ'ব পাৰে।

(৪) **প্রসৱৰ সময়ৰ জটিলতা (Complications During Delivery) ঃ** কঠিন আৰু জটিল প্রসৱ, গুৰুতৰ অকালপক্কতা, জন্মৰ সময়ৰ অতি কম ওজন, জন্মৰ সময়ৰ শ্বাসৰুদ্ধ অথবা জন্মৰ আঘাত আদিয়ে শিশুৰ

বৌদ্ধিক বিকাশত ঋণাত্মক প্রভাৱ পেলোৱা দেখা যায়। আনহাতে জন্মৰ ঠিক পিছৰ সময়ছোৱাত দেখা দিয়া জণ্ডিচ, হাইপ'গ্লাইচেমিয়া, মগজুৰ সংক্রমণ যেনে— যক্ষ্মা, জাপানীজ এনকেফেলাইটিছ, গুৰুতৰ আৰু দীর্ঘদিনীয়া পুষ্টিহীনতা শিশুৰ মস্তুৰ মানসিক বিকাশৰ মুখ্য কাৰণ হ'ব পাৰে।

৯.১২ বৌদ্ধিক অক্ষমতা শ্রেণীকৰণ (CATEGORIES OF INTELLECTUALLY CHALLENGED)

বৌদ্ধিকভাৱে অক্ষম শিশুসকলক তলত দিয়া ধৰণে শ্রেণীকৰণ কৰিব পৰা যায়।

(১) **মৃদু মানসিক মন্থৰতা (Mild Mental Retardation) ঃ** মানসিকভাৱে বিকলাংগ জনসংখ্যাৰ প্রায় ৮৫ শতাংশই মৃদুভাৱে বিকলাংগ শ্রেণীত থাকে। তেওঁলোকৰ বুদ্ধাংকৰ মান ৫০-৭৫ ৰ ভিতৰত থাকে। তেওঁলোকে মোটামুটিভাৱে জীৱনত স্বাৱলম্বী হ'ব পাৰে আৰু কিছুমান ক্ষেত্রত স্বাধীনভাৱে সম্প্রদায় আৰু সামাজিক সমর্থনৰ সৈতে জীয়াই থাকিব পাৰে।

(২) **মধ্যমীয়া মানসিক মন্থৰতা (Moderate Mental Retardation) ঃ** মানসিক বাধাগ্রস্থতাত বা বৌদ্ধিকভাৱে অক্ষম জনসংখ্যাৰ ১০ শতাংশ মধ্যমীয়া মন্থৰতাৰ লোক পোৱা যায়। এওঁলোকৰ বুদ্ধাংকৰ মান (IQ) ৩৫-৫৫ৰ ভিতৰত থাকে। তেওঁলোকে মধ্যমীয়া তত্ত্বাৱধানত কাম আৰু নিজৰ যত্ন লোৱা কাম সম্পন্ন কৰিব পাৰে।

(৩) **গুৰুতৰ মানসিক মন্থৰতা (Severe Mental Retardation) ঃ** বৌদ্ধিকভাৱে অক্ষম জনসংখ্যাৰ প্রায় ৩ৰ পৰা ৪ শতাংশ লোক গুৰুতৰভাৱে মন্থৰ হোৱা দেখা যায়। তেনে লোকৰ বুদ্ধাংকৰ মান ২০-৪০ হয়। তেওঁলোকে হয়তো অতি মৌলিক আত্ম যত্নৰ দক্ষতা আৰু কিছু যোগাযোগ দক্ষতা আয়ত্ত কৰিব পাৰে।

(৪) **গভীৰ মানসিক মন্থৰতা (Profound Mental Retardation) ঃ** এনে মানসিক মন্থৰ শ্রেণীৰ বুদ্ধাংকৰ পৰিমাণ ২০- ২৫। তেওঁলোকে উপযুক্ত সহায় আৰু প্রশিক্ষণৰ সৈতে মৌলিক আত্ম যত্ন আৰু যোগাযোগৰ দক্ষতা বিকাশ কৰিব পাৰে। এনে গভীৰ মন্থৰতা সাধাৰণতে জন্মগতভাৱে হোৱা স্নায়ুজনিত বিকাৰৰ বাবে হয়। এওঁলোকক অতি বেছি তত্ত্বাৱধানৰ প্রয়োজন হয়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ বৌদ্ধিকভাৱে অক্ষম শিশু বুলিলে কি বুজে?

প্রশ্ন নং ৭ ঃ বৌদ্ধিক অক্ষমতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

প্রশ্ন নং ৮ ঃ বৌদ্ধিক অক্ষমতা বা মানসিক বাধাগ্রস্থতাৰ এটা প্রধান কাৰণ উল্লেখ কৰক।

৯.১৩ বৌদ্ধিকভাৱে অক্ষম বা মানসিক বাধাগ্রস্থ শিশুৰ বাবে নির্দেশনা আৰু পৰামর্শদান কার্যসূচী (GUIDANCE AND COUNSELLING PROGRAMME FOR MENTALLY CHALLENGED OR RETARDED CHILDREN)

এই ক্ষেত্রত মন কৰিবলগীয়া কথা যে, শিশুসকলৰ মাজত বৌদ্ধিক অক্ষমতাৰ পৰিমাণ বিভিন্ন হোৱা দেখা যায়। এনে ধৰণৰ কিছু সংখ্যক শিশু শিক্ষাগ্রহণ কৰিবৰ বাবে সক্ষম, আন কিছু সংখ্যকৰ ক্ষেত্রত দেখা যায় যে, তেওঁলোক প্রশিক্ষণ গ্রহণ কৰিবৰ কাৰণেহে সক্ষম আৰু কিছু সংখ্যকক প্রয়োজন হয় তত্ত্বাৱধানৰ। তলৰ আলোচনৰ পৰা এই বিষয়ে আপোনালোকে হয়তো অনুধাৱন কৰিব পাৰিব।

৯.১৩.১ শিক্ষা গ্রহণৰ সামর্থ থকা বৌদ্ধিকভাৱে অক্ষম শিশুৰ বাবে নির্দেশনা আৰু পৰামর্শদান (Guidance and Counselling for Educable Mentally Challenged Children)

এনেধৰণৰ শিশুৰ কাৰণে সাধাৰণভাৱে বিদ্যালয়তে প্রয়োজন অনুসৰি নির্দেশনা প্রদান কৰিব লাগে আৰু লগতে নিজ নিজ সামর্থ অনুসৰি শিক্ষা লাভ কৰা ক্ষেত্রত শিক্ষকসকলে পার্যমানে উৎসাহিত কৰা উচিত।

এনে শিশুৰ ক্ষেত্রত সাধাৰণতে দেখা যায় যে, তেওঁলোক সম্বন্ধসূচক আৰু বিমূর্ত বিষয়সমূহ বুজাৰ ক্ষেত্রত সমস্যাত পৰে। সেয়ে শিক্ষকসকলে এনে সময়ত ‘কর্মৰ জৰিয়তে শিক্ষা’ নীতিৰ ওপৰত গুৰুত্ব দি নির্দেশনা প্রদান কৰিলে ভাল ফল পাব বুলি আশা কৰিব পাৰি।

এই শ্রেণীৰ শিশুৰ ক্ষেত্রত শিক্ষকসকলে মন কৰিবলগীয়া কথাটো হ’ল যে, তেওঁলোকক শিকাৰ ইচ্ছাৰ ওপৰত গুৰুত্ব দিব লাগে। কাৰণ এনে শিশুসকলৰ পঢ়াৰ দক্ষতা আছে কিন্তু ইয়াৰ বাবে উপযুক্ত কৌশলৰ সহায়ত শিক্ষা লাভৰ কাৰণে প্রস্তুত কৰি তোলাতো শিক্ষকৰ দায়িত্ব। এইখিনিতে আন এক গুৰুত্বপূর্ণ বিষয় উল্লেখ কৰাতো প্রয়োজন যে, শিক্ষা গ্রহণৰ সামর্থ থকা মানসিকভাৱে বাধাগ্রস্থ শিশুসকলে অধিক সময়ৰ কাৰণে কোনো বিষয়ত মনোযোগ স্থিৰ কৰি ৰাখিব নোৱাৰে। লগতে দেখা পোৱা যায় যে, তেওঁলোকৰ স্মৃতি শক্তিৰ মাত্রাও কম। সেয়েহে শিকনীয় বিষয়বস্তু মনত ৰাখিবলৈ হ’লে শিক্ষাদান কৰোঁতে পুনৰাবৃত্তিৰ নীতি অৱলম্বন কৰিব লাগে।

আন এক উল্লেখযোগ্য বিষয় হ’ল যে, এনে শিশুৰ ক্ষেত্রত নির্দেশনা প্রদানৰ সময়ত দৃশ্য শ্রব্য সঁজুলি আৰু মূর্ত বস্তুৰ সহায় ল’ব লাগে যাতে দেখি শুনি শিক্ষা গ্রহণ কৰিবলৈ সমর্থ হ’লে শিক্ষাৰ লক্ষ্য ফলপ্রসূ হ’ব বুলি আশা কৰিব পাৰি। আনহাতে পাঠ্যক্রমত লিখা-পঢ়া, গণনা কৰাৰ লগতে গৃহ সম্বন্ধীয় কাম, জীৰিকা অর্জন কৰা, প্রকৃতি অধ্যয়ন, জোখ-মাখ, অৱসৰ বিনোদনৰ উপায়, নিৰাপদে বসবাস কৰা আদি বিষয় অন্তর্ভুক্ত কৰিলে এই ধৰণৰ শিশুসকল যথেষ্ট উপকৃত হ’ব। তদুপৰি সর্বাত্মক দিশৰ বিকাশ সাধনৰ কাৰণে সহ-পাঠ্যক্রমিক কার্যসূচী

যেনে নৃত্য-গীত, খেলা-ধূলা, হাতৰ কাম আদিত অংশ গ্রহণৰ কাৰণে উৎসাহ উদ্দীপনা যোগোৱা উচিত। আটাইতকৈ মন কৰিব লগা কথা এয়ে যে, এই প্রকাৰৰ বৌদ্ধিক অক্ষমতা বা বাধাগ্রস্থতা থকা শিশুসকল স্নায়ৱিক সমস্যাৰ সন্মুখীন হ'ব লগা হয়। সেয়ে এনে ধৰণৰ সমস্যাৰ পৰা সকাহ দিবলৈ বিদ্যালয় কর্তৃপক্ষই মাহত এবাৰ হ'লেও একোগৰাকী স্নায়ুৱোগ বিশেষজ্ঞক বিদ্যালয়লৈ আমন্ত্রণ জনোৱা উচিত। এনে ধৰণৰ সজাগতাই এই শিশুসকলৰ জীৱনলৈ পোহৰ আনিব বুলি আশা কৰিব পাৰি।

৯.১৩.২ প্রশিক্ষণৰ সামর্থ থকা বৌদ্ধিক অক্ষম শিশুৰ বাবে নির্দেশনা (Guidance for Mentally Challenged Child)

প্রশিক্ষণৰ সামর্থ থকা বৌদ্ধিক অক্ষম শিশুসকলৰ ক্ষেত্রত তলত উল্লেখ কৰা ব্যৱস্থাসমূহ বিদ্যালয় এখনে গ্রহণ কৰা উচিত। সেই সমূহ হ'ল—

(ক) প্রথমেই শিক্ষকসকলে মনত ৰখা উচিত যে এই সকল শিশুক শিক্ষাদান কৰোতে সদাই মূর্ত বস্তুৰ ব্যৱহাৰ কৰা উচিত, কিয়নো মানসিক বাধাগ্রস্থতাই তেওঁলোকক বিমূর্ত বস্তুৰ ধাৰণা কৰিবলৈ সক্ষম নহয়।

(খ) এই শিশুসকলৰ এটি বৈশিষ্ট্য হৈছে এওঁলোক অতি সহজে ভাগৰুৱা হয়। সেয়ে এওঁলোকক শৈক্ষিক বিষয়সমূহৰ শিক্ষা বেছিকৈ প্রদান কৰাৰ বিপৰীতে ইন্দ্রিয় শিক্ষা, নিজৰ যত্ন লোৱা আৰু নিজৰ কাম নিজে কৰা অভ্যাস গঢ়ি তুলিব লাগে।

(গ) তেওঁলোকৰ সক্রিয় আৰু সহযোগী মনোভাৱ গঢ়ি তুলিবৰ কাৰণে সাধাৰণ নাটকীয় কর্ম, ঘটনা কোৱা, দলীয় খেলৰ ব্যৱস্থা কৰিব লাগে।

(ঘ) আন এক উল্লেখযোগ্য বিষয় হ'ল ভাষা বিকাশৰ বাবে কেতবোৰ বিশেষ সঁজুলি ব্যৱহাৰ কৰিব লাগে যাৰ যোগেদি শিশুসকলে কিছু পৰিমাণে হ'লেও ভাষিক দক্ষতা আহৰণ কৰিব পাৰে। লগতে আত্মবিশ্বাস বৃদ্ধিৰ কাৰণে যৎপৰোনাস্তি চেষ্টা চলাব লাগে আৰু সেই উদ্দেশ্যে হস্তশিল্পৰ প্রশিক্ষণৰো ব্যৱস্থা কৰিব লাগে।

(ঙ) বিভিন্ন গৱেষণাৰ পৰা পোৱা তথ্য অনুসৰি শক্তি বৃদ্ধি আৰু আনন্দ লাভৰ অন্যতম উপায় হ'ল সংগীত। সেয়েহে এই শিশুসকলৰ শিক্ষাৰ বাবে সংগীতক এক অপৰিহার্য বিষয় হিচাপে গণ্য কৰা উচিত।

৯.১৩.৩ তত্ত্বাৱধানত যোগ্য বৌদ্ধিক অক্ষম শিশুৰ বাবে নির্দেশনা (Guidance for Custodial Mentally Challenged Child)

এই শিশুসকল হৈছে বুদ্ধ্যাংকৰ দিশৰ পৰা আটাইতকৈ নিম্নস্তৰত। তেওঁলোক হ'ল তত্ত্বাৱধান যোগ্য।

এইধৰণৰ শিশুসকল শিক্ষা লাভ বা প্রশিক্ষণ লাভ কৰিবৰ বাবে সামর্থ নহয়। সেয়েহে এওঁলোকক বিশেষ তত্ত্বাৱদানৰ প্রয়োজন হয়। তত্ত্বাৱধানৰ মাজেৰেই এওঁলোকক কিছুমান কথা শিকাব পাৰি। উদাহৰণস্বৰূপে—

(ক) নিজে শৌচ-প্রস্রাৱ কৰা, খাদ্য-খোৱা, কাপোৰ পিন্ধা আদিৰ বিষয়ে শিকাব লাগে।

(খ) আত্মৰক্ষামূলক বিভিন্ন কার্য, যেনে, জুইৰ ওচৰলৈ নোযোৱা, বিষাক্ত পোক-পৰুৱাৰ পৰা আঁতৰি থকা আদি দিশত মন দিব লাগে।

৺ অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ বৌদ্ধিক অক্ষমতাৰ শ্রেণীকেইটা উল্লেখ কৰক।

প্রশ্ন নং ১০ ঃ শিক্ষাগ্রহণৰ সামর্থ থকা বৌদ্ধিক অক্ষম শিশুৰ কাৰণে এটা নির্দেশনাৰ উপায় উল্লেখ কৰক।

৯.১৪ শিকনৰ অক্ষমতাৰ ধাৰণা (CONCEPT OF LEARNING DISABILITIES)

শিকনৰ অক্ষমতা হৈছে এক স্নায়ুজনিত অৱস্থা, যিয়ে মগজুৰ তথ্য প্রেৰণ, গ্রহণ আৰু প্রক্রিয়াকৰণৰ ক্ষমতাক প্রভাৱিত কৰে। শিক্ষণত অক্ষমতা থকা শিশুৱে পঢ়া, লিখা, কোৱা, শুনা, গাণিতিক ধাৰণা বুজি পোৱা, সাধাৰণ বুজাত অসুবিধা পাব পাৰে। শিকনৰ অক্ষমতাৰ ভিতৰত ডিছলেক্সিয়া, ডিছপ্রেক্সিয়া, ডিস্কেলকুলিয়া আৰু ডিছগ্রাফিয়া আদি বিকাৰবোৰ এই ক্ষেত্রত অন্তর্ভুক্ত।

এইখিনিতে উল্লেখ কৰিব পাৰি যে, আমেৰিকাৰ চৰকাৰে ৰাজহুৱা আইন ৯৪-১৪২ত নির্ধাৰণ কৰা শিকন অক্ষমতাৰ বিষয়ে দিয়া সংজ্ঞা ভাৰততো গ্রহণ কৰা হৈছে—

'নির্দিষ্ট শিকন অক্ষমতাৰ অর্থ হ'ল ভাষা, কথিত বা লিখিত বুজা বা ব্যৱহাৰৰ লগত জড়িত এটা বা ততোধিক মৌলিক মানসিক প্রক্রিয়াৰ বিকাৰ, যিয়ে শুনা, কোৱা, পঢ়া, বানান বা গাণিতিক গণনা কৰাৰ অসম্পূর্ণ ক্ষমতাত নিজকে প্রকাশ কৰিব পাৰে।' (Specific learning disability means a disorder in one or more of the basic psychological process involved in understanding or in using language, spoken or written, which may menifest itself in an imperfact ability to listen, speak, read, spell or to do mathematical calculations.)

এই শব্দটোৱে ধাৰণাৰ প্রতিবন্ধকতা, মগজুৰ আঘাত, ন্যূনতম মগজুৰ বিসংগতি ডিছলেক্সিয়া আৰু বিকাশৰ এফেছিয়া আদি সামৰি লয়। এটা কথা মন কৰিব লগীয়া যে, এই ধাৰণাই এনে শিশুক অন্তর্ভুক্ত নকৰে যিসকলৰ শিকনৰ সমস্যা আছে যিবোৰ মূলতঃ দৃষ্টি শক্তি, শ্রৱণ বা স্বল্প ফুৰণৰ অক্ষমতা বা মানসিক বিকলতা, আৱেগিক বিঘিনি বা পৰিৱেশীয় প্রভাৱ, সাংস্কৃতিক বা অর্থনৈতিক অসুবিধাৰ ফলত হয়।

আন এক মন কৰিবলগীয়া বিষয় হ'ল যে, কিছুমান শিশুৱে লেহেমীয়াকৈ শিকিবলৈ আৰম্ভ কৰে যদিও শেষত

শিকিবলৈ আৰু পঢ়া-শুনা আৰু অন্যান্য কাম-কাজৰ সৈতে মোকাবিলা কৰিবলৈ সক্ষম হয়। কিছুমান শিশুৱে আকৌ কেতবোৰ নির্দিষ্ট ধৰণৰ শিকনৰ প্রতি আগ্রহী নহয় আৰু তাৰ পৰিৱর্তে খেলা ধূলা বা অন্যান্য বাহিৰ কামৰ প্রতিহে আগ্রহী হয়। এই বৈশিষ্ট্যসমূহে শিশুৰ আগ্রহক সূচায় আৰু শিকন অক্ষমতাৰ ইংগিত নিদিয়ে।

৯.১৫ শিকনৰ অক্ষমতাৰ কাৰণ (CAUSES OF LEARNING DISABILITY)

বিশেষজ্ঞসকলৰ মতামত অনুসৰি শিকন অক্ষমতাৰ কেনো একক, নির্দিষ্ট কাৰণ নাই। কিন্তু কিছুমান কাৰকে এনে ধৰণৰ অক্ষমতাৰ সৃষ্টি কৰে যিয়ে অভিভাৱক তথা শিক্ষক উভয়কে বিপাঙত পেলায়, তলত উল্লেখ কৰা কাৰকসমূহৰ পৰা এই বিষয়ৰ ধাৰণা কৰিব পাৰি।

(১) **বংশগতি (Heredity) ঃ** কিছুমান ক্ষেত্রত দেখা যায় যে পিতৃ-মাতৃৰ বা পৰিয়াল কোনো লোকৰ অক্ষমতা আছে আৰু নতুনকৈ জন্ম হোৱা শিশুৰ ক্ষেত্রতো বংশগতিৰ ফালৰ পৰা এনে বিকাৰ অহাৰ সম্ভাৱনা থাকে।

(২) **জন্মৰ সময়ত আৰু জন্মৰ পাছত হোৱা অসুস্থতা (Illness during after birth) ঃ** এটি শিশুৰ জন্মৰ সময়ত বা জন্মৰ পিছত হোৱা কোনো অসুস্থতা বা আঘাতৰ ফলত শিকনত অক্ষমতা হ'ব পাৰে। আন সাম্ভাব্য কাৰকসমূহ হ'ব পাৰে গর্ভাৱস্থাৰ সময়ত ড্রাগছ বা মদ্যপান কৰা, শাৰীৰিক আঘাত, জৰায়ুৰ বৃদ্ধিৰ দুর্বলতা, জন্মৰ সময়ত কম ওজন আৰু অকালতে বা দীর্ঘদিনীয়া প্রসৱ ইত্যাদি।

(৩) **শিশুকালত মানসিক চাপ (Stress during infancy) ঃ** জন্মৰ পাছত হোৱা মানসিক চাপৰ ঘটনা যেনে— উচ্চ জ্বৰ, মূৰত আঘাত পোৱা বা দুর্বল পুষ্টিও এনেধৰণৰ শিকন অক্ষমতাৰ কাৰণ হ'ব পাৰে।

(৪) **পৰিৱেশ (Environment) ঃ** মাতৃদেহত দেখা দিয়া আয়'ডিন, ফলিক এছিড আদিৰ অভাৱে পৰৱর্তী পর্যায়ত শিশুৰ ক্ষেত্রত শিকনৰ অক্ষমতাৰ দৰে সমস্যাৰ সৃষ্টি কৰিব পাৰে। তদুপৰি লালন-পালনকাৰী পৰিৱেশৰ অভাৱেও এনে জটিল সমস্যাৰ সৃষ্টি কৰে। সময়তকৈ আগতীয়াকৈ হোৱা অকাল জন্মৰ ফলতো এনে সমস্যা হ'ব পাৰে।

৯.১৬ শিকনৰ অক্ষমতাৰ সাধাৰণ লক্ষণসমূহ (COMMON SIGNS OF LEARNING DISABILITIES)

প্রায় সংখ্যক শিশুৱে কেতিয়াবা বিদ্যালয়ত সমস্যাৰ সন্মুখীন হয়। কিন্তু লক্ষ্য কৰা উচিত যে, যদি কোনো শিশুৱে বিদ্যালয়ত পাঠ্যক্রমৰ কাম আয়ত্ব কৰিবলৈ, সময় মতে নিযুক্তি সম্পূর্ণ কৰিবলৈ, সংগঠিত হৈ থাকিবলৈ, মনোযোগ দি থাকিবলৈ অসুবিধা হোৱা যেন পৰিলক্ষিত হয়, তেতিয়া হয়তো বুজি পাব লাগিব যে শিক্ষনৰ অক্ষমতাৰ বাবে পৰীক্ষা কৰাৰ কথা বিবেচনা কৰাৰ সময় আহি পৰিছে। শিকনৰ অক্ষমতাৰ সাধাৰণ লক্ষণসমূহ হ'ল—

— লিখা, পঢ়া আৰু গণিতৰ ক্ষেত্রত অসুবিধা।

— নির্দেশনা মানি চলিবলৈ সংগ্রাম কৰা।

— মনোযোগ দিয়াৰ সমস্যা।

— সংগঠিত হৈ থকা বা মনত ৰখাত অসুবিধা।

আনহাতে শিক্ষণৰ অক্ষমতাৰ সাধাৰণ প্রকাৰসমূহৰ ভিতৰত আছে—

- মনোযোগৰ অভাৱৰ বিকাৰ (Attention deficit disorder)
- মনোযোগৰ অভাৱৰ অতিক্রিয়াশীলতা বিকাৰ (Attention Deficit Hyper Activity Disorder, ADHD)
- ভাষা প্রক্রিয়াকৰণৰ বিকাৰ (Language Processing Disorder)
- ডিছলেক্সিয়া (Dyslexia)
- শ্রৱণ প্রক্রিয়াকৰণৰ বিকাৰ (Auditory Processing Disorder)
- দৃষ্টিশক্তিৰ অনুভূতিঐদৃশ্যৰ সঞ্চালনৰ বিকাৰ (Visual Perceptual/Visual motor deficit)
- ডিছগ্রাফিয়া (Dysgraphia)
- ডিস্কেলকুলিয়া (Dyscalculia)

শিকন অক্ষমতা থকা শিশুৱে এনে আৱেগ অনুভৱ কৰে য'ত হতাশা, দুর্বল আত্ম-চিত্র, উদ্বেগ আদিও অন্তর্ভুক্ত। তেনে শিশুৰ সামাজিক বিকাশ আৰু দক্ষতাত পলম হ'ব পাৰে। শিকন অক্ষমতাৰ সৈতে জড়িত অন্যান্য অৱস্থাও থাকিব পাৰে, যাৰ বাবে পৃথক চিকিৎসা আৰু ঔষধৰ প্রয়োজন হয়।

৯.১৭ শিকনত অক্ষমত থকা শিশুৰ কাৰণে নির্দেশনা (GUIDANCE FOR CHILDREN WITH LEARNING DISABILITIS)

টেক্সাছ কাউন্সিল ফৰ ডেভলপমেণ্টেল ডিজেবিলিটিছ (২০১৩)ৰ মতে, শিকন অক্ষমতা থকা বুলি চিনাক্ত কৰা শিশু আৰু কিশোৰ-কিশোৰীসকলৰ সাধাৰণতে কথিত বা লিখিত ভাষা বুজি পোৱা বা ব্যৱহাৰ কৰাৰ লগত জড়িত এটা বা ততোধিক মৌলিক মানসিক প্রক্রিয়াত বিকাৰ হয়। ফলস্বৰূপে শৈক্ষিক অসুবিধাৰ সৃষ্টি কৰে।

আমেৰিকাৰ শিক্ষণ অক্ষমতাৰ বাবে কেন্দ্র, ২০১৪ (USA, Centre for Learning Disability, 2014) ৰ তথ্য অনুসৰি স্কুলীয়া বয়সৰ শিশু (৬-১১ বছৰ)ৰ মাজত বিশ্বত নির্দিষ্ট শিকন অক্ষমতাৰ পৰিমাণ ১.৮%। আনহাতে ১২ৰ পৰা ১৭ বছৰ বয়সৰ কিশোৰ-কিশোৰীসকলৰ মাজত ২.৬%। ১৮ৰ পৰা ২৪ বছৰ বয়সৰ প্রাপ্তবয়স্কৰ প্রাদুর্ভাৱ ২.৭%, লগতে প্রাপ্তবয়স্ক 18ৰ পৰা ৬৫ বছৰৰ পুৰুষৰ প্রাদুর্ভাৱ ২% আৰু মহিলা ১.৪%। আকৌ ৬৫ বছৰৰ ওপৰৰ পুৰুষৰ মাজত ০.৮% আৰু মহিলাৰ মাজত ০.৭%।

নির্দিষ্ট শিকন অক্ষমতা থকা শিশু আৰু কিশোৰ-কিশোৰীসকলক কার্যক্ষমতাৰ নির্দিষ্ট ক্ষেত্রসমূহক লক্ষ্য কৰি লোৱা প্রতিকাৰমূলক সেৱাৰ প্রয়োজন। যদিহে ছাত্র-ছাত্রী আৰু শিকনত অক্ষমতা থকা ছাত্র-ছাত্রীৰ মানসিক প্রয়োজনীয়তাৰ প্রতি বিশেষ গুৰুত্ব দিয়া হয়, তেন্তে তেওঁলোকে সফলতাৱে শিকন কার্য সম্পাদন কৰাৰ সম্ভাৱনাই

বেছি। বিদ্যালয়ে পৰামর্শদাতা নিয়োগৰ ব্যৱস্থা কৰা উচিত আৰু এই নির্দিষ্ট পৰামর্শদাতাসকলেও দীর্ঘম্যাদী চিকিৎসা সম্পর্ক গঢ়ি তুলি সেই সম্ভাৱনা বৃদ্ধি কৰিব পাৰে। যিহেতু এই শিশু আৰু কিশোৰ-কিশোৰীসকলে সন্মুখীন হোৱা বেছিভাগ অসুবিধা শৈক্ষিক ক্ষেত্রতহে, এই শ্রেণীৰ কাৰণে সেৱাৰ পৰিকল্পনা কৰাৰ সময়ত শিক্ষকসকলক দলৰ সদস্য হিচাপে অন্তর্ভুক্ত কৰাটো গুৰুত্বপূর্ণ। আন্তঃৰাষ্ট্রীয় অথবা ৰাষ্ট্রীয় বিভিন্ন আইনসমূহে সাধাৰণ শিক্ষাৰ শ্রেণীকোঠাত নির্দিষ্ট শিক্ষণত অক্ষমতা থকা শিশু আৰু কিশোৰ-কিশোৰীসকলক সম্ভৱপৰ পৰিমাণে অন্তর্ভুক্ত কৰাটো বাধ্যতামূলক কৰিছে। গতিকে পৰামর্শদাতাসকলে সাধাৰণ শিক্ষাৰ শিক্ষক আৰু শ্রেণীকোঠাৰ ভিতৰত আৰু বাহিৰত শিকনত অক্ষমতা থকা ছাত্র-ছাত্রীসকলক বিশেষ সেৱা প্রদান কৰা অভিজ্ঞ বিশেষজ্ঞসকলৰ সৈতে যোগাযোগ স্থাপন কৰাতো প্রয়োজন। (UNESCO ২০১৮)

শিক্ষক আৰু পৰামর্শদাতাৰ সহযোগত এইসকল শিশুৰ কাৰণে নির্দিষ্ট কৌশলৰ চিন্তা চর্চা কৰিব পাৰে। যেনে— গণিতৰ সমস্যাৰ ক্রমিক পদক্ষেপ পদ্ধতি শিকোৱা, পুনৰাবৃত্তিৰ ব্যৱহাৰ কৰা, ৰূপৰেখা প্রস্তুত কৰা কৌশল শিকোৱা, স্মৃতিশক্তিৰ সহায়ক ব্যৱহাৰ কৰা ইত্যাদি। ইয়াৰোপৰি মৌখিক পৰীক্ষা প্রদান কৰা, কম্পিউটাৰ ব্যৱহাৰ, অডিঅ', টেপিং আদি ব্যৱস্থা কৰি শ্রেণীকোঠাত শিক্ষাদানৰ পদ্ধতি পৰিৱর্তন কৰিব পাৰি।

পৰামর্শদাতাসকলে শিক্ষকসকলক শিকনত অক্ষমতা থকা ছাত্র-ছাত্রীসকলৰ বাবে সামাজিক সফলতাক প্রসাৰিত কৰাত শ্রেণীৰ বাকীসকলৰ বাবে আদর্শ হ'বলৈ সহায় কৰিব পাৰে আৰু পৰামর্শদাতাসকলে প্রত্যক্ষভাৱে কাম কৰি তেওঁলোকৰ নিম্ন আত্মসন্মান বৃদ্ধি কৰাত সহায় কৰিব পাৰে আৰু কিশোৰ-কিশোৰীসকলৰ সৈতে তেওঁলোকৰ পৰিচয়ৰ সমস্যা আৰু দীর্ঘম্যাদী বৃত্তিৰ বিষয়ে আলোচনা কৰিব পাৰে।

তদুপৰি প্রয়োজন অনুসৰি তলত দিয়া ধৰণৰ চিকিৎসাৰো সহায় ল'ব লগা হ'ব পাৰে।

(১) **শিশু মনোচিকিৎসা (Child Psychotherapy) ঃ** ই হৈছে মনোবিশ্লেষণৰ নীতি আৰু তত্ত্বৰ ওপৰত ভিত্তি কৰি কৰা দীর্ঘম্যাদী চিকিৎসা পদ্ধতি। পৰামর্শদাতাই শিকনত অক্ষমতা থকা শিশুৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰি দমন কৰা আৱেগ আৰু ইচ্ছাসমূহৰ সন্ধান কৰে যিয়ে তেওঁলোকৰ বর্তমানৰ চিন্তা, মনোভাৱ, আচৰণ আৰু আনৰ সৈতে সম্পর্কক প্রভাৱিত কৰে। থেৰাপি আগবাঢ়ি যোৱাৰ লগে লগে সমস্যাসমূহ ভালদৰে চিনাক্তকৰণ আৰু সমাধান কৰিবলৈ শিকে আৰু তেওঁলোকৰ আন্তঃব্যক্তিগত সম্পর্ক গঢ়ি তুলিবলৈ বা উন্নত কৰিবলৈ শিকে।

(২) **শিশুৰ জ্ঞানমূলক আচৰণ চিকিৎসা বা টক থেৰাপী (Child Cognitive Therapy (CBT) or Talk Therapy) ঃ** ই হৈছে এক ব্যৱহাৰিক পদ্ধতি যিয়ে শিকনত অক্ষমতা থকা ব্যক্তিজনক তেওঁৰ চিন্তা সলনি কৰাত সহায় কৰে। তেওঁলোকৰ ব্যক্তিগত সমস্যা সমাধানৰ বাবে মনোভাৱ, বিশ্বাস আৰু আচৰণৰ পৰিৱর্তন কৰা ই সাধাৰণতে হ্রস্বম্যাদী, লক্ষ্যমুখী আৰু ব্যাপক উদ্বেগৰ চিকিৎসাৰ বাবে হাতত লোৱা এক পদ্ধতি।

(৩) **সমাধান কেন্দ্রিক চিকিৎসা (Solution Fowsed Therapy - SFT) ঃ** এই পদ্ধতিয়ে নির্দিষ্ট শিকন অক্ষমতা থকা শিক্ষার্থীসকলক এটা বিশেষ সমস্যাত মনোনিৱেশ কৰাতকৈ জীৱনৰ সমস্যা সমাধানৰ ক্ষেত্রত ক্ষমতা বৃদ্ধি কৰিবলৈ সক্ষম কৰে। মুঠতে ই শিক্ষার্থীক ভৱিষ্যতমুখী দিশলৈ আগবাঢ়ি যোৱাত সহায় কৰে।

(৪) **সংবেদনশীল সংহত চিকিৎসা (Sensory Integration Therapy) ঃ** এই চিকিৎসা পদ্ধতিয়ে শিকন অক্ষমতা থকা ব্যক্তিক পাঁচটা ইন্দ্রিয়ৰ পৰা গ্রহণ কৰা সংবেদন সংগঠিত কৰি সঁহাৰি জনাবলৈ শিকায়। শিশুৰ স্নায়ুতন্ত্রই যাতে সংবেদনশীল উদ্দীপকৰ প্রতি অধিক সংগঠিতভাৱে সঁহাৰি জনোৱাত সহায় কৰে। শেষত পৰামর্শদাতাসকলে এনে শিশুৰ কাৰণে সৃষ্টি হোৱা মানসিক চাপ হ্রাস কৰিবলৈ পৰিয়াল চিকিৎসাৰ (Family Therapy) চেষ্টা কৰিব পাৰে। ইয়াৰ আটাইতকৈ মূল্যবান প্রভাৱ হ'ল পাৰিবাৰিক বন্ধন শক্তিশালী কৰা।

৺ অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ শিকনৰ অক্ষমতাৰ সংজ্ঞা দিয়ক।

প্রশ্ন নং ১২ ঃ শিকনৰ অক্ষমতাৰ আঁৰৰ যিকোনো এটা কাৰণ উল্লেখ কৰক।

প্রশ্ন নং ১৩ ঃ শিকনত অক্ষমতা থকা শিশুৰ দুটা সাধাৰণ লক্ষণ কি কি?

প্রশ্ন নং ১৪ ঃ শিকনৰ অক্ষমতাযুক্ত শিশুৰ যিকোনো এটা প্রকাৰ উল্লেখ কৰক।

প্রশ্ন নং ১৫ ঃ শিশু মনোচিকিৎসা বুলিলে কি বুজে?

৯.১৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি তলত উল্লেখ কৰা বিষয়সমূহ আলোচনা কৰিলো ঃ

- ছাত্র-ছাত্রীসকলৰ আগ্রহ, প্রতিভা, মনোযোগ, বুদ্ধ্যাংকৰ উপৰিও নির্দেশনা আৰু পৰামর্শদানৰ ক্ষেত্রত মন কৰিবলগীয়া বিভাগসমূহ হ'ল—
  (১) শাৰীৰিকভাৱে অক্ষম শিশু
  (২) বৌদ্ধিকভাৱে অক্ষম শিশু
  (৩) শিক্ষণৰ অক্ষমতা থকা শিশু।
- শাৰীৰিক অক্ষমতা হ'ল এজন ব্যক্তিৰ শাৰীৰিক কার্যক্ষমতা, গতিশীলতা, নিপুণতা বা ষ্টেমিনাৰ ওপৰত সীমাৱদ্ধতা।
- শাৰীৰিক অক্ষমতাৰ ভাগসমূহ হ'ল—
  (১) দর্শনত বাধাগ্রস্থ শিশু
  (২) শ্রৱণত বাধাগ্রস্থ শিশু
  (৩) কথনত বাধাগ্রস্থ শিশু
  (৪) অস্থিগতভাৱে বাধাগ্রস্থ শিশু।
- সাধাৰণ শিশুৰ বুদ্ধ্যাংক (IQ) গড় পৰিমাণৰ তলৰ প্রায় সকলো শিশুকে বৌদ্ধিকভাৱে অক্ষম বুলিব পাৰি।

বৌদ্ধিক দিশত দুর্বল অৱস্থাক মানসিক বাধাগ্রস্থতা বুলিও কোৱা হয়।

- মনোবিজ্ঞানী ড'লে (Doll 1941) ৰ মতে, মানসিক বাধাগ্রস্থতাৰ ছটা নির্ণায়ক থাকে। সেয়া হ'ল— সামাজিক অসামর্থতা, মানসিক বুদ্ধিহীনতা, বিকাশৰ লগত জড়িত অভাৱজনিত ৰোগ, পৰিপক্কতাৰ শেষত বাধাগ্রস্থতা, জন্মৰ পৰা বাধাগ্রস্থতা আৰু আৱশ্যকীয়ভাৱে প্রতিকাৰমূলক।
- বংশগতি, প্রসৱৰ সময়ৰ ৰোগ, জটিলতা, মাতৃৰ অস্বাভাৱিক পৰিৱেশৰ প্রভাৱ আদি বৌদ্ধিক অক্ষমতাৰ কাৰণ হ'ব পাৰে বুলি নানা গৱেষণাৰ পৰা গম পোৱা গৈছে।
- মানসিক বাধাগ্রস্থতা বা বৌদ্ধিক অক্ষমতাক মৃদু, মানসিক মন্থৰতা, মধ্যমীয়া মানসিক মন্থৰতা, গুৰুতৰ মানসিক মন্থৰতা আৰু গভীৰ মানসিক মন্থৰতা আদি ভাগত ভাগ কৰিব পৰা যায়।
- এনে ধৰণৰ শিশুসকলৰ কাৰণে বিদ্যালয় বিশেষভাৱে নির্দেশনা কার্যসূচী গ্রহণ কৰি তেওঁলোকক সুন্দৰ জীৱনৰ কাৰণে আগবঢ়াই নিব পাৰি। তাৰ কাৰণে শিক্ষক আৰু অভিভাৱক দুয়োফালৰ পৰাই সচেতনতাৰ দৰকাৰ।
- শিকন অক্ষমতা হৈছে এক স্নায়ুজনিত অৱস্থা, যাৰ দ্বাৰা মগজুৰ তথ্য প্রেৰণ, গ্রহণ আৰু প্রক্রিয়াকৰণ ক্ষমতা প্রভাৱিত হয়।
- শিকনত অক্ষমতা থকা শিশুৱে পঢ়া, লিখা, কোৱা, শুনা, গাণিতিক ধাৰণা বুজি পোৱাত অসুবিধা পাব পাৰে। ইয়াৰ ভিতৰত ডিছলেক্সিয়া, ডিছপ্রেক্সিয়া, ডিস্কেলকুলিয়া, ডিছগ্রাফিয়া ইত্যাদি।
- বংশগতি, জন্মৰ সময়ত আৰু জন্মৰ পাছত হোৱা অসুস্থতা, শিশুকালত মানসিক চাপ, পৰিৱেশ ইত্যাদি শিকন অক্ষমতাৰ মুখ্য কাৰণ হিচাপে পৰিগণিত হৈ আহিছে।
- শিকন অক্ষমতাৰ লক্ষণসমূহ এনেধৰণৰ— লিখা-পঢ়া আৰু গণিতৰ ক্ষেত্রত অসুবিধা নির্দেশনা মানি চলিবলৈ সংগ্রাম কৰা মনোযোগ দিয়াত সমস্যা সংগঠিত হৈ থকা বা মনত ৰখাত অসুবিধা।
- শিশুৰ মনোচিকিৎসা, শিশুৰ জ্ঞানমূলক আচৰণ চিকিৎসা, সমাধান কেন্দ্রিক চিকিৎসা আদিৰ সহায়ত এনে শিশুসকলক ভাল জীৱন যাপনৰ সুবিধা প্রদান কৰিব পৰা যায়। তাৰ কাৰণে শিক্ষক আৰু অভিভাৱকৰ ভূমিকা লেখত ল'বলগীয়া।

K ৯.১৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শাৰীৰিক অক্ষমতাৰ দুটা প্রকাৰ হ'ল—

(১) শ্রৱণৰ বাধাগ্রস্থতা

(২) দর্শনৰ বাধাগ্রস্থতা।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৯৫ চনৰ বাধাগ্রস্থ আইন অনুসৰি হাড়ৰ যোৱা বা মাংসপেশীৰ অক্ষমতা বা মস্তিষ্কৰ যিকোনো পক্ষাঘাতৰ ফলত অংগ সঞ্চালন সংকুচিত হোৱা অৱস্থাকে 'অংগ সঞ্চালন বাধাগ্রস্থতা' বুলি কোৱা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ দৃষ্টিহীনতাৰ ভাগসমূহ—

(১) সম্পূর্ণ দৃষ্টিহীনতা

(২) ৬ মিটাৰ বা ২০ ফুট দূৰত্বলৈকে বা তাতোতকৈ কম দূৰত্বত দেখা নোপোৱা।

(৩) দৃষ্টিক্ষেত্র ২০° তকৈ কম।

৪ নং প্রশ্নৰ উত্তৰ ঃ বধিৰতা হৈছে জটিল অক্ষমতা আৰু কষ্টকৰ শ্ৰৱণতা হৈছে কম জটিল অক্ষমতা।

৫ নং প্রশ্নৰ উত্তৰ ঃ অস্থিগত বাধাগ্রস্থতাৰ উদাহৰণ হৈছে খোৰা বা লেঙুৰা, ৰাজহাড়ৰ বিকৃতি, আর্থৰাইটিছ ইত্যাদি।

৬ নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণ শিশুৰ বুদ্ধ্যাংক (IQ) গড়ৰ পৰিমাণৰ তলৰ প্রায় সকলো শিশুক।

৭ নং প্রশ্নৰ উত্তৰ ঃ বৌদ্ধিক অক্ষমতাৰ দুটা বৈশিষ্ট্য হ'ল—

(১) এনে অক্ষমতাসমূহ সাধাৰণতে শৈশৱ কাল, বাল্যকাল আৰু কৈশোৰ কালত দেখিবলৈ পোৱা যায়।

(২) এই অক্ষমতাসমূহৰ কাৰক জৈৱিক হ'ব পাৰে বা পৰিৱেশীয় হ'ব পাৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ প্রসৱৰ সময়ৰ জটিলতা।

৯ নং প্রশ্নৰ উত্তৰ ঃ বৌদ্ধিক অক্ষমতাৰ শ্রেণীসমূহ—

(১) মৃদু মানসিক মন্থৰতা

(২) মধ্যমীয়া মানসিক মন্থৰতা

(৩) গুৰুতৰ মানসিক মন্থৰতা

(৪) গভীৰ মানসিক মন্থৰতা।

১০ নং প্রশ্নৰ উত্তৰ ঃ 'কর্মৰ জৰিয়তে শিক্ষা' নীতিৰ ওপৰত গুৰুত্ব প্রদান কৰি নির্দেশনাৰ ব্যৱস্থা কৰা উচিত।

১১ নং প্রশ্নৰ উত্তৰ ঃ 'নির্দিষ্ট শিকন অক্ষমতাৰ অর্থ হ'ল ভাষা, কথিত বা লিখিত, বুজা বা ব্যৱহাৰৰ লগত জড়িত এটা বা ততোধিক মানসিক প্রক্রিয়াৰ বিকাৰ, যিয়ে শুনা, কোৱা, পঢ়া, বানান বা গাণিতিক গণনা কৰাৰ অসম্পূর্ণ ক্ষমতাক নিজকে প্রকাশ কৰিব পাৰে।' (আমেৰিকা চৰকাৰ ৰাজহুৱা আইন ৯৪-১৪২)

১২ নং প্রশ্নৰ উত্তৰ ঃ শিকন অক্ষমতাৰ যিকোনো এটা কাৰণ বংশগতি।

১৩ নং প্রশ্নৰ উত্তৰ ঃ শিকন অক্ষমতাৰ শিশুৰ যিকোনো দুটা লক্ষণ—

(১) মনোযোগৰ সমস্যা।

(২) মনত ৰখাৰ সমস্যা।

১৪ নং প্রশ্নৰ উত্তৰ ঃ শিকন অক্ষমতা যুক্ত শিশুৰ এটা প্রকাৰ হ'ল— ভাষা প্রক্রিয়াকৰণৰ বিকাৰ।

১৫ নং প্রশ্নৰ উত্তৰ ঃ শিশু মনোবিশ্লেষণৰ নীতি আৰু তত্ত্বৰ ওপৰত ভিত্তি কৰি কৰা দীর্ঘম্যাদী চিকিৎসা পদ্ধতি।

০ ৯.২০ অধিক জানিবলৈ

১) Sharma R. A. (2001) : *Fundamentals of Guidance and Counselling.* R. Lall Book Depot, Meerut Publishers, Delhi.

২) Sharma, Ram Nath and Sharma, Rachana (2007) : *Guidance and Counselling in India.* Atlantic Publishersh, Delhi.

৩) Suri S. P. & Sodhi T. S. (1997) : *Guidance and Counselling,* Bawa Publications, Patiala.

৪) Crow L. D. and Crow (1962). *'An Introduction to Guidance Principles and Practices',* New Delhi : Eurasia Publishing House.

৫) Rao, Narayan (1981). *'Counselling Psychology'* MC Graw Hill Publishing Co. Ltd. New Delhi.

M ৯.২১ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

ক) **চমু প্ৰশ্ন (Short Questions) ঃ**

প্ৰশ্ন ১ ঃ এজন শিশু কি কি কাৰণত শাৰীৰিকভাৱে অক্ষম হ'ব পাৰে?

প্ৰশ্ন ২ ঃ IDEA ৰ সম্পূৰ্ণ ৰূপটো কি?

প্ৰশ্ন ৩ ঃ Van Riper ৰ মতে কথনৰ বাধাগ্ৰস্থতা কি?

প্ৰশ্ন ৪ ঃ Orthos আৰু Paidos ৰ অৰ্থ লিখক।

প্ৰশ্ন ৫ ঃ অস্থিগত বাধাগ্ৰস্থতাৰ দুটা প্ৰকাৰ উল্লেখ কৰক।

প্ৰশ্ন ৬ ঃ মানসিক বাধাগ্ৰস্থতা বা বৌদ্ধিক অক্ষমতাৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৭ ঃ বৌদ্ধিক অক্ষমতাৰ বৈশিষ্ট্য দুটা উল্লেখ কৰক।

প্ৰশ্ন ৮ ঃ বংশগতি কিদৰে বৌদ্ধিক অক্ষমতাৰ কাৰণ হ'ব পাৰে?

প্ৰশ্ন ৯ ঃ মৃদু মানসিক মন্থৰতা বুলিলে কি বুজে?

প্ৰশ্ন ১০ ঃ গুৰুতৰ মানসিক মন্থৰতা আৰু গভীৰ মানসিক মন্থৰতাৰ শিশুৰ মাজত এটা পার্থক্য উল্লেখ কৰক।

প্ৰশ্ন ১১ঃ শিকন অক্ষমতাৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ১২ ঃ শিকন অক্ষমতাৰ তিনিটা কাৰক উল্লেক কৰক।

প্ৰশ্ন ১৩ ঃ শিকনৰ অক্ষমতাৰ সাধাৰণ লক্ষণকেইটা উল্লেখ কৰক।

প্ৰশ্ন ১৪ ঃ শিকন অক্ষমতাৰ বিভিন্ন প্ৰকাৰসমূহ উল্লেখ কৰক।

প্রশ্ন ১৫ ঃ শিকন অক্ষমতাৰ ক্ষেত্রত আমেৰিকাৰ শিক্ষণ ক্ষেত্রৰ বাবে কেন্দ্র, 2014য়ে দিয়া তথ্যসমূহ উল্লেখ কৰক।

খ) দীঘল প্রশ্ন (Long Questions) ঃ

প্রশ্ন ১ ঃ দর্শনত বাধাগ্রস্থ শিশুৰ চিনাক্তকৰণ আৰু তেওঁলোকক দিব লগা নির্দেশনা আৰু পৰামর্শদান সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ ঃ শ্রৱণত বাধাগ্রস্থ শিশুৰ চিনাক্তকৰণ সম্পর্কে চমুটোকা লিখক।

প্রশ্ন ৩ ঃ কথনত বাধাগ্রস্থ শিশুসকলৰ কাৰণে শিক্ষকসকলে কেনে ধৰণৰ পদক্ষেপ লোৱা উচিত বুলি আপুনি ভাবে? আলোচনা কৰক।

প্রশ্ন ৪ ঃ অস্থিগতভাৱে অক্ষম শিশুৰ ভাগসমূহ আৰু তেওঁলোকৰ কাৰণে বিদ্যালয়ে ল'ব লগা ব্যৱস্থাসমূহ বর্ণনা কৰক।

প্রশ্ন ৫ ঃ বৌদ্ধিক অক্ষমতা বা মানসিক বাধাগ্রস্থতাৰ ধাৰণাটো বুজাই লিখক। মানসিক বাধাগ্রস্থতাৰ কাৰণসমূহ বহলাই আলোচনা কৰক।

প্রশ্ন ৬ ঃ বৌদ্ধিক অক্ষমতাৰ শ্রেণীকৰণ উদাহৰণসহ বুজাই লিখক।

প্রশ্ন ৭ঃ বৌদ্ধিক অক্ষমতাৰ শিশুৰ কাৰণে কিদৰে নির্দেশনা কার্যসূচী এখন বিদ্যালয়ে হাতত ল'ব পাৰে বুজাই লিখক।

প্রশ্ন ৮ঃ বংশগতি কিদৰে শিকন অক্ষমতাৰ কাৰণ হ'ব পাৰে? লগতে শিকন অক্ষমতাৰ অন্যান্য কাৰণসমূহ বহলাই আলোচনা কৰক।

প্রশ্ন ৯ ঃ শিকন অক্ষমতা থকা শিশুৰ কাৰণে নির্দেশনা ব্যৱস্থা সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ নির্দেশনামূলক কার্যসূচীৰ পৰিকল্পনা আৰু আয়োজন

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ বিদ্যালয়ত নির্দেশনামূলক কার্যসূচীৰ প্রয়োজনীয়তা
১০.৪ নির্দেশনামূলক কার্যসূচীৰ পৰিকল্পনা
১০.৫ নির্দেশনামূলক কার্যসূচীৰ পৰিকল্পনা কৰাৰ পদক্ষেপসমূহ
১০.৬ কার্যসূচীৰ ব্যৱস্থাপনাৰ বুজ লোৱা
১০.৬.১ কর্মী, বিত্তীয় আৰু সুবিধাসমূহ পৰিচালনা কৰা
১০.৬.২ সুবিধা প্রদান কৰা কার্যকলাপসমূহ পৰিচালনা কৰা
১০.৭ নির্দেশনা কার্যসূচীৰ ৰূপায়ণৰ আৰ্হি
১০.৮ আর্থ-সামাজিকভাৱে পিছপৰা শিক্ষার্থীৰ ধাৰণা
১০.৯ আর্থ-সামাজিকভাৱে পিছপৰা শিক্ষার্থীৰ বাবে নির্দেশনামূলক কার্যসূচীৰ প্রয়োজনীয়তা
১০.১০ আর্থ-সামাজিকভাৱে পিছপৰা শিক্ষার্থীৰ বাবে নির্দেশনামূলক কার্যসূচীৰ পৰিকল্পনা আৰু আয়োজন
১০.১১ নিদের্শনামূলক কার্যসূচীৰ উপাদানসমূহ
১০.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.১৩ অধিক জানিবলৈ
১০.১৪ অগ্রগতিৰ খতিয়ান
১০.১৫ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বিদ্যালয়ত নির্দেশনামূলক কার্যসূচী পৰিকল্পনা কৰাৰ পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- নির্দেশনা কার্যসূচীৰ বাবে বিভিন্ন ব্যৱস্থাপনা প্রক্রিয়া চিনাক্ত কৰিব পাৰিব
- নির্দেশনা কার্যসূচীৰ বিভিন্ন আৰ্হি দেখুওৱাব পাৰিব।
- আর্থ-সামাজিকভাৱে পিছপৰা শিক্ষার্থীৰ ধাৰণা বুজিব পাৰিব
- আর্থ-সামাজিকভাৱে পিছপৰা শিক্ষার্থীৰ নির্দেশনা কার্যসূচীৰ প্রয়োজনীয়তা বিশ্লেষণ কৰিব পাৰিব
- আর্থ-সামাজিকভাৱে পিছপৰা শিক্ষার্থীৰ বাবে নির্দেশনা কার্যসূচীৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয় (INTRODUCTION)

আমি বিদ্যালয়ৰ নির্দেশনাক শৈক্ষিক দর্শন হিচাপে আৰু শিশু আৰু যুৱক-যুৱতীসকলৰ সামগ্রিক বিকাশৰ দিশত নির্মিত কার্যসূচী হিচাপে এই দুই প্রকাৰে বুজিব পাৰো। দর্শন হিচাপে আপুনি ইতিমধ্যে শিকি আহিছে যে নির্দেশনাৰ শিপা এই বিশ্বাসত প্রতিজনকে সহায়ৰ প্রয়োজন। নির্দেশনাক এটা কার্যসূচী হিচাপে প্রৱর্তন কৰিবলৈ হ'লে আপুনি ছাত্র-ছাত্রীসকলৰ সামাজিক, আৱেগিক, শৈক্ষিক আৰু কেৰিয়াৰৰ প্রয়োজনীয়তা পূৰণৰ বাবে এক সুকীয়া নির্দেশনা আৰু পৰামর্শ কার্যসূচীৰ পৰিকল্পনা আৰু আয়োজন কৰিব লাগিব যাতে তেওঁলোকক জীৱনৰ দাবী (demands) পূৰণৰ বাবে নিজকে সাজু কৰিব পাৰে। এই অধ্যায়টিয়ে আপোনাৰ বিদ্যালয়ৰ প্রয়োজন আৰু সম্পদ অনুসৰি নির্দেশনা কার্যসূচীৰ পৰিকল্পনা আৰু ৰূপায়ণৰ ক্ষেত্রত আপোনাৰ পথ প্রদর্শন কৰিব।

শিক্ষা প্রতিজন শিশুৰ অধিকাৰ। স্বাধীনতাৰ পাছৰে পৰা বিভিন্ন কেন্দ্রীয় চৰকাৰে ভাৰতীয় সমাজত এতিয়াও শিপাই থকা জাতি ব্যৱস্থাৰ সামাজিক কু-প্রভাৱ কমাই সমাজৰ বঞ্চিত শ্রেণীৰ লোকৰ বাবে শিক্ষাৰ সহজলভ্যতা সুনিশ্চিত কৰাত আটাইতকৈ ডাঙৰ প্রত্যাহ্বানৰ সন্মুখীন হৈছে। বৌদ্ধিক, সাংস্কৃতিক আৰু অর্থনৈতিকভাৱে বঞ্চিত লোকসকলৰ উত্থানৰ বাবে ভাৰত চৰকাৰে সময়ে সময়ে বিভিন্ন কল্যাণমূলক ব্যৱস্থা প্রৱর্তন কৰি আহিছে। সাধাৰণ ভাষাত অনুসূচিত জাতি (SCs), অনুসূচিত জনজাতি (STs), অনান্য পিছপৰা শ্রেণী (OBC), ছোৱালী, বিশেষ প্রয়োজনীয়তা থকা শিশু (CWSN) আৰু সংখ্যালঘুসকলক বঞ্চিত শ্রেণী বা পিছপৰা শ্রেণী বুলি গণ্য কৰা হয়।

এই অধ্যায়টিত আপুনি আর্থ-সামাজিকভাৱে বঞ্চিত বা পিছপৰা শিক্ষার্থীৰ এটা ধাৰণা পাব আৰু এওঁলোকৰ বাবে নির্দেশনাৰ প্রয়োজনীয়তাৰ বিষয়ে জানিব পাৰিব। আহক আমি এই বিষয়ে বিশদভাৱে আলোচনা কৰোঁ।

১০.৩ বিদ্যালয়ত নির্দেশনামূলক কার্যসূচীৰ প্রয়োজনীয়তা (NEED OF GUIDANCE PROGRAMME IN SCHOOL)

আমি যেতিয়া নির্দেশনাৰ প্রয়োজনীয়তাৰ কথা কওঁ, তেতিয়া আমি নির্দেশনাক নির্দিষ্ট অর্থত ব্যৱহাৰ কৰো আৰু সেয়া এজন ব্যক্তিক সমগ্র জীৱনৰ বাবে সহায় আগবঢ়োৱাৰ সাধাৰণ অর্থত নহয়। ইয়াত আমি জীৱনৰ সকলো ক্ষেত্রতে নির্দেশনা নহয় বৰঞ্চ এজন মাধ্যমিক বিদ্যালয়ৰ শিক্ষার্থীৰ বাবে প্রয়োজনীয় নির্দেশনাক বুজাব বিচাৰিছো। মাধ্যমিক পর্যায়ত নির্দেশনা কার্যসূচীৰ আয়োজন কৰাৰ প্রয়োজনীয়তা আমি তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰো—

- এজন শিক্ষার্থীৰ নিজৰ সামর্থ আৰু দক্ষতা বিকাশ কৰাত সহায় কৰাৰ বাবে আৰু অসুবিধা নোহোৱাকৈ জ্ঞান আহৰণ কৰাত সহায় কৰাৰ বাবে নির্দেশনাৰ প্রয়োজন।
- সাধাৰণতে নির্দেশনা কার্যসূচী আয়োজন কৰিলে শিক্ষার্থীক কর্মৰ প্রতি সঠিক মনোভাৱ, বৃত্তিমূলক জীৱনৰ

বাবে প্রয়োজনীয় মৌলিক দক্ষতা গঢ়ি তোলাত সহায় কৰে আৰু তেওঁৰ ক্ষমতা, আগ্রহ আৰু যোগ্যতা অনুসৰি বৃত্তিৰ বাবে সঠিক বাছনি কৰাত সহায় কৰে।

- বিদ্যালয়ৰ নির্দেশনা কার্য্যসূচীয়ে এজন শিক্ষার্থীক নিজকে বুজিবলৈ, তেওঁৰ ক্ষমতা আৰু আগ্রহ বিশ্লেষণ কৰিবলৈ, চাৰিওফালৰ পৰিৱেশ বুজিবলৈ আৰু উপযুক্ত সালসলনি কৰিবলৈ সহায় কৰে।
- বর্তমানৰ সামাজিক গাঁঠনিটোক ইয়াৰ সকলো দিশতে বিশ্লেষণ কৰিবলৈ সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক, এজন বৃদ্ধি পাই অহা শিক্ষার্থী আৰু তেওঁৰ ভৰিষ্যতৰ শৈক্ষিক আৰু বৃত্তিগত সমন্বয়ৰ ওপৰত ইয়াৰ প্রতিক্রিয়া বুজিবলৈ আৰু শিক্ষার্থীজনক সকলো ক্ষেত্রত শ্রেষ্ঠত্ব গঢ়ি তোলাত সহায় কৰাৰ বাবে সঠিক ব্যৱস্থা কৰিবলৈ বর্তমান পৰিস্থিতিত নির্দেশনামূলক কার্যসূচীৰ অধিক প্রয়োজন।
- বিদ্যালয়ত থকা ছাত্র-ছাত্রীসকলক যাতে বিদ্যালয় সীমিত সা-সুবিধাবোৰে বিৰূপভাৱে প্রভাৱিত কৰিব নোৱাৰে, তাৰ বাবে তেওঁলোকক বিশেষভাৱে সহায় কৰাৰ অতি প্রয়োজন হয়। শিক্ষক-শিক্ষয়িত্রীসকলে প্রতিকূল পৰিস্থিতিতো শিক্ষার্থীক পর্যাপ্ত অগ্রগতি লাভ কৰাত সহায় কৰিবলৈ অশেষ চেষ্টা কৰাৰ প্রয়োজন আহি পৰে।

নির্দেশনামূলক কার্যসূচীত আন যিকোনো শৈক্ষিক কার্যসূচীৰ দৰেই সাৱধানে পৰিকল্পনা কৰাৰ প্রয়োজন হয়। সীমিত সম্পদৰ ক্ষেত্রত, আপুনি সমাধান কৰিব বিচৰা নির্দেশনাৰ প্রয়োজনীয়তাসমূহ চিনাক্ত আৰু অগ্রাধিকাৰ দিব লাগিব। ইয়াৰ দ্বাৰা নির্ধাৰণ কৰা হ'ব যে আপুনি আপোনাৰ কার্যসূচীত কোনটো কার্যকলাপত অধিক গুৰুত্ব দিব যিয়ে পাছলৈ নিশ্চিত কৰিব যে নির্দেশনামূলক কার্যসূচীয়ে ছাত্র-ছাত্রীৰ আৰু প্রতিষ্ঠানখনৰ অন্যান্য প্রয়োজনীয়তাৰ প্রতি সঁহাৰি জনায়।

১০.৪ নির্দেশনামূলক কার্যসূচীৰ পৰিকল্পনা (PLANNING A GUIDANCE PROGRAMME)

বিদ্যালয়ত নির্দেশনা কার্যসূচীৰ আয়োজনৰ বাবে বিদ্যালয়ৰ ভিতৰত আৰু বাহিৰত উপস্থিত থকা বিভিন্ন কর্মীৰ সহযোগিতামূলক প্রচেষ্টাৰ প্রয়োজন। বিদ্যালয়ৰ অধ্যক্ষ, কর্মচাৰী, পৰামর্শদাতা, কেৰিয়াৰ মাষ্টাৰ আৰু অভিভাৱকৰ দৰে বিভিন্ন কর্মীৰ সহায়ত নির্দেশনা কার্যসূচীৰ পৰিকল্পনা কৰিব লাগে। নির্দেশনা কার্যসূচীৰ কিছুমান পূর্বচর্ত আছে যিবোৰ তলত আলোচনা কৰা হৈছে।

নির্দেশনা কার্যসূচী আয়োজন কৰিবলৈ হ'লে গ্রহণ কৰিবলগীয়া কিছুমান প্রাৰম্ভিক কাম তলত উল্লেখ কৰা হৈছে—

- এখন নির্দেশনা কমিটী গঠন কৰা, য'ত অন্ততঃ সাতজনৰ পৰা আঠজন সদস্য থাকে। কমিটীখনত বিভিন্ন কর্মী যেনে অন্ততঃ দুজন অভিভাৱক, দুজন শিক্ষক, এজন পৰামর্শদাতা আৰু এজন কেৰিয়াৰ মাষ্টাৰ থাকিব লাগে। সমিতিৰ অধ্যক্ষ হিচাপে বিদ্যালয়ৰ অধ্যক্ষক প্রতিনিধিত্ব কৰিব পাৰে।

- বিভিন্ন সেৱাসমূহ পৰিচালনাৰ বাবে বাজেট আবণ্টন সম্পর্কে সিদ্ধান্ত আৰু ব্যৱস্থা কৰিব লাগে। অতিথি বক্তাৰ বক্তৃতাৰ বাবে অনাৰেৰিয়াম (honararium) প্রদান, বিশেষজ্ঞ বা পেছাদাৰী যেনে শিক্ষাবিদ, চিকিৎসক আদিলৈ প্রেৰণৰ কথাও মনত ৰাখি খৰচ নির্ধাৰণ কৰিব লাগে।
- ন্যূনতম আন্তঃগাঁথনি আৰু শাৰীৰিক সুবিধা যেনে নির্দেশনা কোঠা, মেজ, চকী বিভিন্ন মানসিক পৰীক্ষা আহিলা আৰু অন্যান্য প্রয়োজনীয় সামগ্রী আহৰণৰ বাবে উপযুক্ত ব্যৱস্থা কৰিব লাগে।
- অভিভাৱক আৰু সম্প্রদায়ৰ পৰা সমর্থন লাভ কৰিব পৰা যায় যদিহে তেওঁলোকক এটা নির্দেশনামূলক কার্যসূচীৰ তাৎপর্যৰ প্রতি অভিমুখী কৰিব পাৰি।
- বিদ্যালয়ৰ কর্মচাৰী আৰু ছাত্র-ছাত্রীসকলকো নির্দেশনা কার্যসূচীৰ উদ্দেশ্য আৰু গুৰুত্বৰ বিষয়ে অৱগত কৰা আৰু তেওঁলোকক অংশগ্রহণ কৰিবলৈ উৎসাহিত কৰা প্রয়োজন।

১০.৫ নির্দেশনামূলক কার্যসূচীৰ পৰিকল্পনা কৰাৰ পদক্ষেপসমূহ (STEPS FOR PLANNING A GUIDANCE PROGRAMME)

নির্দেশনামূলক কার্যসূচীৰ পৰিকল্পনা কৰিবলৈ তলত দিয়া পদক্ষেপসমূহ গ্রহণ কৰাটো প্রয়োজনীয় ঃ

- প্রথমে বর্তমানৰ বিদ্যালয় বা প্রতিষ্ঠানত উপলব্ধ নির্দেশনা সেৱাৰ জৰীপ কৰিব লাগে।
- শিক্ষার্থীৰ প্রয়োজনীয়তা বা সহায়ৰ প্রয়োজন হোৱা ক্ষেত্রসমূহ চিনাক্ত কৰক।
- কর্মচাৰীসকলৰ মতামত লাভ কৰা আৰু তেওঁলোকৰ সামর্থৰ ভিতৰত কৰিব পৰা সম্ভৱপৰ সহায়ৰ পৰিসৰ নির্ণয় কৰা।
- শিক্ষার্থীৰ প্রয়োজনীয়তাৰ ভিত্তিত নির্দেশনা কার্যসূচীৰ বাবে স্পষ্ট উদ্দেশ্যৰ বক্তব্য দিব লাগে।
- প্রতিটো নির্দেশনা সেৱাৰ বিভিন্ন কার্যসূচীসমূহৰ নির্দিষ্টকৰণ কৰিব লাগে।
- যিসকল ব্যক্তি নির্দেশনা সমিতিৰ সদস্য সেই প্রতিজন কর্মীৰ কর্তব্যসমূহ সংজ্ঞায়িত কৰিব লাগে।

নির্দেশনাৰ মসৃন কার্যকলাপৰ বাবে এটা সুপৰিকল্পিত কার্যসূচীৰ প্রয়োজন। ই কর্মীসকলৰ মাজত এক সংহত আর্হিত কার্যকলাপৰ সমন্বয়ৰ সুবিধা প্রদান কৰে।

চমুকৈ ক'বলৈ গ'লে, নির্দেশনা কমিটীয়ে প্রথমে শিক্ষার্থীৰ জৰীপ আৰু বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি কার্যসূচীৰ লক্ষ্যসমূহ চিনাক্ত কৰে। ইয়াৰ পিছত বিদ্যালয়ৰ নির্দেশনা কার্যসূচীৰ বার্ষিক পৰিকল্পনা প্রস্তুত কৰা হয়। ইয়াৰ উপৰিও উদ্দেশ্যৰ প্রতি লক্ষ্য ৰাখি সমিতিখনে বিভিন্ন কর্মীৰ কাম-কাজৰ বিষয়ে উল্লেখ কৰি এখন আংশিক পৰিকল্পনা বা চার্ট প্রস্তুত কৰে। ইয়াৰ পিছত, প্রতিজন কর্মীয়ে সম্পন্ন কৰিবলগীয়া কর্তব্য বা কামসমূহ নির্দিষ্ট কৰি আন এক সহায়ক তালিকা প্রস্তুত কৰা হয়।

১০.৬ কার্যসূচীৰ ব্যৱস্থাপনাৰ বুজ লোৱা (UNDERSTANDING PROGRAMME MANAGEMENT)

কার্যসূচীটো তাত্ত্বিক পর্যায়ত অর্থাৎ কি কৰিব লাগে সঠিকভাৱে জনাৰ পিছত এজন পৰামর্শদাতাই ৰূপায়ণৰ দিশটো চাব লাগিব। পৰিচালনাৰ দৃষ্টিকোণৰ পৰা কার্যকলাপৰ দুটা মৌলিক ক্ষেত্র চিনাক্ত কৰিব পাৰি। সেইকেইটা হ'ল—

- প্রথমতে, যিবোৰ কর্মচাৰী, বিত্ত আৰু সুবিধাৰ দৰে মৌলিক সম্পদ পৰিচালনাৰ সৈতে জড়িত।
- দ্বিতীয়তে, যিবোৰ সমন্বয়, যোগাযোগ, সহযোগিতা, সিদ্ধান্ত গ্রহণ আৰু মূল্যায়নৰ দৰে কার্যকলাপসমূহ সংগঠিত আৰু সুবিধা প্রদান কৰাত গুৰুত্ব আৰোপ কৰে।

ওপৰত উল্লিখিত ক্ষেত্রসমূহৰ বিৱৰণ তলত আগবঢ়োৱা হৈছে—

১০.৬.১ কর্মী, বিত্তীয় আৰু সুবিধাসমূহ পৰিচালনা কৰা (Managing Personnel, Finance and Facilities)

কর্মী পৰিচালনা (Management of Personnel) ঃ ইতিমধ্যে আপোনালোকে জানে যে নির্দেশনা এটা দলীয় প্রক্রিয়া। যিকোনো কার্যসূচীৰ বাবে পূর্বচর্ত হ'ল নির্দেশনা আৰু পৰামর্শদান কর্মী হিচাপে কাম কৰিবলগীয়া লোকসকলক চিনাক্ত কৰা। নির্দেশনা আৰু পৰামর্শদান কার্যসূচী আয়োজনৰ সমন্বয়ক হিচাপে আপোনাৰ প্রাৰম্ভিক দায়িত্ব ইয়াৰ সৈতে জড়িত হ'বলগীয়া লোকসকলক চিনাক্ত কৰাৰ পৰা আৰম্ভ হ'ব লাগে। নির্দেশনা কার্যসূচীৰ সৈতে জড়িত এজন ব্যক্তিৰ ভাল শৈক্ষিক অর্হতা, বহুমুখিতা, অনুকূলনশীলতা আৰু নিযুক্ত কামসমূহ দায়িত্বশীলভাৱে সম্পন্ন কৰাৰ ক্ষমতা আদি গুণ থাকিব লাগিব।

বিত্তীয় পৰিচালনা (Management of Finance) ঃ কার্যসূচীৰ আয়োজনৰ বাবে বিত্তীয় সাহায্যৰ উপলব্ধতাক অতিমাত্রা গুৰুত্ব দিব লাগে। এজন পৰামর্শদাতাû শিক্ষক হিচাপে আপুনি জানিব লাগিব যে ধনখিনি ক'ৰ পৰা পাব। পুঁজিৰ ভাল উৎস হ'ল ব্যৱসায়িক ঘৰ, ক্লাব বা অভিভাৱক গোটৰ পৰা যিয়ে হয়তো কার্যসূচীত আর্থিক অৱদান আগবঢ়াবলৈ ইচ্ছুক হ'ব পাৰে। বাজেট কেনেকৈ কৰিব লাগে সেইটোও এজন শিক্ষক হিচাপে আপুনি জানিব লাগিব। প্রতিটো বাজেটৰ বস্তু এটা কার্যকলাপৰ সৈতে জড়িত যিটো, পাছলৈ, কার্যসূচীৰ নির্দিষ্ট লক্ষ্য বা উদ্দেশ্যৰ সৈতে জড়িত হৈ থাকে।

সুবিধাসমূহ (Facilities) ঃ এটা নির্দেশনা আৰু পৰামর্শদান কার্যসূচী আয়োজনৰ বাবে প্রয়োজনীয় সুবিধাসমূহত দুটা কথা অন্তর্ভুক্ত হ'ব লাগে— পর্যাপ্ততা (Adequacy) আৰু সুলভতা (Accessibility)

পর্যাপ্ততা (Adequacy) উপলব্ধ সুবিধাৰ সংখ্যা আৰু ইয়াৰ মানদণ্ডৰ সৈতে জড়িত। সুলভতা (Accessibility) মানে ই যিসকলৰ বাবে ইয়াক উদ্দেশ্য কৰা হৈছে তেওঁলোকে যাতে সুবিধাসমূহ উপলব্ধ কৰিব লাগে।

১০.৬.২ সুবিধা প্রদান কৰা কার্যকলাপসমূহ পৰিচালনা কৰা (Managing Facilitating Activities)

সুবিধা প্রদান কৰা কার্যকলাপসমূহ পৰিচালনা কৰিবলৈ ইয়াৰ সৈতে মূলতঃ চাৰিটা কাৰক জড়িত হৈ আছে যিবোৰ তলত বিশদভাৰে উল্লেখ কৰা হৈছে—

সমন্বয় (Coordination) ঃ সমন্বয়ৰ লগত জড়িত হৈ আছে এটা নির্দেশনা আৰু পৰামর্শ কার্যসূচীত পৰিকল্পিত বিভিন্ন কার্যকলাপৰ নিয়ন্ত্রণ বা নিৰীক্ষণ যাতে সঠিক সংযোগ আৰু সংহতি থাকে যাৰ ফলত এটা সুষম কার্যকলাপ হয়। উদাহৰণস্বৰূপে, ছাত্র-ছাত্রীৰ তথ্য সংগ্রহ কেৰিয়াৰ তথ্য আদি সংগ্রহ কৰা। পৰামর্শদাতা, সমাজকর্মী আৰু বিশেষ শিক্ষাবিদেও কৰা কামৰ সমন্বয় ৰক্ষা কৰি নির্দেশনাৰ বাবে নির্ধাৰিত লক্ষ্য আৰু উদ্দেশ্য পূৰণ কৰিব লাগে।

সহযোগ (Cooperation) ঃ সহযোগিতাৰ অর্থ হ'ল সাধাৰণতে সহমতত উপনীত হোৱা লক্ষ্যৰ দিশত নির্দেশনা কার্যসূচীৰ সৈতে জড়িতসকলৰ সহযোগিতা আহৰণৰ বাবে কৰা প্রচেষ্টা। নির্দেশনা আৰু পৰামর্শদানৰ কার্যসূচীৰ সৈতে জড়িত বিভিন্ন ব্যক্তিয়ে একেলগে কাম কৰিব লাগে। এজন ব্যক্তিৰ কামে আন ব্যক্তিসকলৰ কামৰ পৰিপূৰক, সমর্থন আৰু বৃদ্ধি কৰিব লাগে। সকলো কার্যসূচী এটা উমৈহতীয়া লক্ষ্যত উপনীত হোৱাৰ দিশত নির্দেশিত কৰিব লাগে।

ফলপ্রসূ যোগাযোগ (Effective Communication) ঃ যোগাযোগে প্রায়ে নির্ধাৰণ কৰে যে এটা কার্যসূচী দক্ষতাৰে পৰিচালিত হয় নে নহয়। ফলপ্রসূ যোগাযোগৰ বাবে ব্যক্তিগত স্পর্শ যাতে হেৰাই নাযায় আৰু সঁহাৰি লাভ কৰে তাৰ প্রতি লক্ষ্য ৰাখিব লাগিব। পৰিকল্পিত পাৰস্পৰিক ক্রিয়া-কলাপৰ সুযোগ থাকিব লাগে যেনে— সঘনাই সভা, নির্দেশনা আৰু পৰামর্শদানৰ কার্যসূচীৰ সদস্যসকলৰ মাজত পাৰস্পৰিক ক্রিয়াকলাপৰ বাবে সভা-সমিতি আদি। এনে সুযোগে তেওঁলোকক ইজনে সিজনৰ লগত ধাৰণা, চিন্তা আৰু অভিজ্ঞতাৰ আদান-প্রদান কৰিবলৈ সক্ষম কৰে।

মূল্যায়ন (Evaluation) ঃ মূল্যায়ন হৈছে কার্যসূচী ব্যৱস্থাপনাৰ এটা গুৰুত্বপূর্ণ উপাদান। নির্দেশনা আৰু পৰামর্শদানৰ কার্যসূচীৰ প্রতিটো কার্যকলাপৰ মূল্যায়ন কৰাটো গুৰুত্বপূর্ণ। সমগ্র কার্যসূচীটোৰ সর্বমুঠ মূল্যায়ন কৰা হয়।

এইদৰে কার্যসূচী ব্যৱস্থাপনাই বিকশিত কৰা কার্যকলাপসমূহক কিছু ক্রম আৰু গাঁথনি প্রদান কৰে। এতিয়া যেতিয়া আপুনি এটা নির্দেশনা কার্যসূচীৰ পৰিচালনাৰ বিষয়ে জানিব পাৰিছে, পৰৱর্তী খণ্ডটোৰে আপোনাক নির্দেশনা কার্যসূচীৰ বিভিন্ন আর্হিৰ সৈতে পৰিচিত কৰিব।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বিদ্যালয়সমূহত নির্দেশনামূলক কার্যসূচীৰ এটা গুৰুত্বপূর্ণ প্রয়োজনীয়তা উল্লেখ কৰক।

প্ৰশ্ন নং ২ ঃ নির্দেশনামূলক কার্যসূচী পৰিকল্পনা কৰাৰ বাবে প্ৰথম আৰু প্ৰধান পদক্ষেপটো উল্লেখ কৰক।

প্ৰশ্ন নং ৩ ঃ নির্দেশনামূলক কার্যসূচী আয়োজন কৰিবলৈ প্ৰয়োজনীয় সুবিধাসমূহ অন্তৰ্ভুক্ত কৰা দুটা কথা কি?

১০.৭ নির্দেশনা কার্যসূচীৰ ৰূপায়ণৰ আৰ্হি (IMPLEMENTATION MODELS OF GUIDANCE PROGRAMMES)

নির্দেশনা আৰু পৰামৰ্শদান কার্যসূচী ৰূপায়ণৰ বাবে বিদ্যালয়সমূহত বিভিন্ন ধৰণৰ মডেল/আৰ্হি ব্যৱহাৰ কৰা হৈছে। এনে তিনিটা গুৰুত্বপূৰ্ণ আৰ্হি তলত উল্লেখ কৰা হৈছে—

বিশেষজ্ঞ মডেল/আৰ্হি (Specialist Model) ঃ বিশেষজ্ঞ আৰ্হিত, নির্দেশনা আৰু পৰামৰ্শমূলক কার্যকলাপসমূহ পূৰ্ণকালীন পেছাদাৰীসকলে আগবঢ়ায়। এইসকল বিদ্যালয়ৰ শিশুসকলৰ বিকাশৰ প্ৰয়োজনীয়তাসমূহৰ সৈতে মোকাবিলা কৰিবলৈ অন্যান্য অৰ্হতা আৰু দক্ষতাৰে তেওঁলোক সমৃদ্ধ বিদ্যালয় পৰামৰ্শত প্ৰশিক্ষণপ্ৰাপ্ত অনুজ্ঞাপত্ৰপ্ৰাপ্ত শিক্ষাবিদ হয়। আৰ্হিটো ভাৰত আৰু অন্যান্য উন্নয়নশীল দেশসমূহত অতি সীমিত পৰিমাণে ব্যৱহাৰ কৰা হৈছে। কাৰণ ইয়াক আগবঢ়াবলৈ প্ৰয়োজনীয় প্ৰশিক্ষিত কৰ্মী আৰু সম্পদৰ অভাৱ।

কেৰিয়াৰ শিক্ষক মডেল/আৰ্হি (Career Teacher Model) ঃ য'ত সম্পদৰ অভাৱ আৰু বিশেষজ্ঞ উপলব্ধ নহয়, তেনে ঠাইত নির্দেশনামূলক কার্যকলাপটো প্ৰাপ্তবয়স্কসকলে সম্পন্ন কৰা দেখা যায় যিয়ে যুৱক-যুৱতীসকলৰ সৈতে সুবিধাজনক আৰু লালন-পালনকাৰী সম্পৰ্ক স্থাপন কৰিব পাৰে আৰু তেওঁলোকক জীৱনত মূল্য আৰু দিশৰ ভাৰ দিব পাৰে। গতিকে শিশুসকলে পথ প্ৰদৰ্শন কৰাত তত্ত্ব আৰু অনুশীলনৰ ক্ষেত্ৰত অভিমুখী শিক্ষকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি ধাৰণা কৰা হৈছে। শিক্ষকসকল, শিশুৰ সৈতে ঘনিষ্ঠ সংস্পৰ্শত থকাৰ বাবে, এজন গুৰু আৰু এজন পথ-প্ৰদৰ্শকৰ ভূমিকা পালন কৰিবলৈ আদৰ্শগতভাৱে উপযুক্ত।

শিক্ষক পৰামৰ্শদাতা মডেল/আৰ্হি (Teacher Counsellor Model) ঃ এই আৰ্হিৰ অধীনত শিক্ষকসকলে পূৰ্ণকালীন পৰামৰ্শদাতা প্ৰশিক্ষণ লাভ কৰে আৰু ইজনে সিজনৰ পৰিপূৰক হিচাপে নির্দেশনা আৰু পাঠদান দুয়োটা কাম কৰে। শিক্ষক-পৰামৰ্শদাতাই সাধাৰণতে গোট কৌশল যেনে কেৰিয়াৰ পৰামৰ্শ বা গোটত সাধাৰণ পৰামৰ্শৰ ওপৰত গুৰুত্ব আৰোপ কৰে বা গোটেই শ্ৰেণীটোৰ ব্যক্তিগত সামাজিক প্ৰয়োজনীয়তা পূৰণ কৰি শ্ৰেণীকোঠাৰ নির্দেশনামূলক কার্যকলাপ পৰিচালনা কৰে।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ নির্দেশনা কার্যসূচীৰ বিভিন্ন ৰূপায়ণ আৰ্হিৰ তালিকাভুক্ত কৰক।

১০.৮ আর্থ-সামাজিতভাৱে পিছপৰা শিক্ষার্থীৰ ধাৰণা (CONCEPT OF SOCIALLY AND ECONOMICALLY DISADVANTAGED GROUP OF STUDENTS)

ভাৰতত বঞ্চিত গোটৰ ধাৰণাটো মানৱ সভ্যতাৰ দৰেই পুৰণি। ব্রিটিছ শাসনৰ সময়ত তেওঁলোকক হতাশগ্রস্ত শ্রেণী বুলি জনা গৈছিল। প্রাচীন কালৰে পৰা এইসকল লোক সমাজৰ সুবিধাপ্রাপ্ত শ্রেণীৰ মূল লক্ষ্য। সমাজৰ বঞ্চিত শ্রেণীসমূহে জনসংখ্যাৰ সেই অংশটোক প্রতিনিধিত্ব কৰে যিয়ে নিজৰ ক্ষমতাসমূহ সম্পূর্ণৰূপে অন্বেষন আৰু ব্যৱহাৰ কৰাৰ সুযোগৰ পৰা বঞ্চিত হয় আৰু গুণগত জীৱন উপভোগ কৰাৰ সুযোগৰ পৰা বঞ্চিত হয়।

এই পক্ষপাতমূলক আচৰণৰ আঁৰৰ ধাৰণাটো হ'ল এনে বঞ্চিত লোকসকলক সামাজিক বা আর্থিক কার্যকলাপৰ মূলসূঁতিৰ পৰা আঁতৰাই ৰাখি তেওঁলোকৰ মৌলিক জীৱন আৰু স্বাধীনতাৰ পৰা বঞ্চিত কৰা। এই ধাৰণাই তেওঁলোকক সমাজৰ পৰা আঁতৰত ৰখাৰ প্রৱনতা প্রকাশ কৰে, সমাজৰ ধনী আৰু প্রভাৱশালী লোকসকলক প্রয়োজনীয়তা পূৰণৰ বাবে তেওঁলোকৰ অর্থনৈতিক বৌদ্ধিক সামর্থ্যৰ পৰা বঞ্চিত কৰে। তেওঁলোকক প্রভাৱিত কৰা বিভিন্ন সমস্যাৰ ভিতৰত আছে ভূমি আৰু সম্পত্তি সম্পর্কীয় অধিকাৰ ত্যাগ যিয়ে সমাজত তেওঁলোকৰ সামাজিক আৰু সাংস্কৃতিক মর্যাদা বঞ্চিত কৰে। যিহেতু প্রতিজন ব্যক্তিক সমান মর্যদাৰ ভিত্তিত ব্যৱহাৰ কৰাৰ মানৱ অধিকাৰ আছে, গতিকে প্রথাগত, সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক দৃষ্টিভংগীৰ বাবে তেওঁলোকৰ অধিকাৰৰ পৰা বঞ্চিত কৰাটো সামগ্রিকভাৱে সমাজৰ উন্নয়ণৰ ধাৰণাটো সৈতে সম্পূর্ণ অসঙ্গতিপূর্ণ।

সামাজিক আৰু অর্থনৈতিকভাৱে পিছপৰা অৱস্থাৰ বাবে বৈষম্যৰ সন্মুখীন হোৱাৰ বাবে চিনাক্ত কৰা বিভিন্ন গোটসমূহৰঐদলসমূহৰ (Groups) ভিতৰত আছে অনুসূচিত জাতি (SC), অনুসূচিত জনজাতি (ST), পিছপৰা শ্রেণী (BC), মহিলা (Women) আৰু সংখ্যালঘু (Minorities)।

১০.৯ আর্থ-সামাজিকভাৱে পিছপৰা শিক্ষার্থীৰ বাবে নির্দেশনামূলক কার্যসূচীৰ প্রয়োজনীয়তা (NEED FOR GUIDANCE FOR SEDG OF STUDENTS)

অনুসূচিত জাতি (SC), অনুসূচিত জনজাতি (ST), পিছপৰা শ্রেণী (BC) আৰু সাধাৰণতে সংখ্যালঘুসকলক (Minorities), ভাৰতীয় সমাজৰ তুলনামূলকভাৱে দুর্বল শ্রেণী হিচাপে থাকিবলৈ বাধ্য হোৱাটো এটা সকলোৰে পৰিচিত সত্য। এই লোকসকল মূলসুঁতিৰ লোকসকলতকৈ পিছপৰি ৰৈ গৈছে আৰু অর্থনৈতিক প্রগতিৰ পৰা যথেষ্ট বিচ্ছিন্ন হৈ পৰিছে। সেয়ে, এই লোকসকলক বিশেষ মনোযোগ আৰু যত্নৰ প্রয়োজন। আনহাতে, আমাৰ মহান সভ্যতাৰ পাঁচ সহস্রব্দতকৈও অধিক সময় ধৰি নাৰীসকলক সাধাৰণতে ভাৰতীয় সমাজৰ আটাইতকৈ শোষিত আৰু বঞ্চিত শ্রেণী হিচাপে নিপীড়িত হৈ আহিছে।

গতিকে, এনে ছাত্র-ছাত্রীক বিদ্যালয় পর্যায়ৰ পৰাই নির্দেশনাৰ অতি প্রয়োজন আছে যাতে তেওঁলোকে সমাজৰ আগবঢ়া শ্রেণীৰ শিক্ষার্থীৰ বা শিশুৰ সৈতে সমতুল্যভাৱে নিজকে গঢ়ি তুলিব পাৰে। সামাজিক আৰু অর্থনৈকিতভাৱে পিছপৰা শিক্ষার্থীৰ বাবে নির্দেশনাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব তলত উল্লেখ কৰা হৈছে —

- নির্দেশনাই এজন শিক্ষার্থীৰ শক্তি, সীমাবদ্ধতা আৰু অন্যান্য সম্পদসমূহ বুজিবলৈ সহায় কৰে। নির্দেশনাই এই পিছপৰা শ্রেণীৰ শিক্ষার্থীৰ সমস্যা সমাধান কৰাত আৰু সিদ্ধান্ত লোৱাত ক্ষমতা গঢ়ি তোলাত সহায় কৰিব।
- নির্দেশনাৰ দ্বাৰা সামাজিক আৰু অর্থনৈতিকভাৱে পিছপৰা শিক্ষার্থীসকলৰ অনুকূল বিকাশ হ'ব পাৰে।
- নির্দেশনা কার্যসূচীসমূহে এই পিছপৰা শ্রেণীৰ শিক্ষার্থীৰ বিভিন্ন সমস্যা সমাধান কৰাত সহায় কৰিব।
- নির্দেশনাই এই ছাত্র-ছাত্রীসকলৰ শৈক্ষিক বৃদ্ধি আৰু বিকাশত সহায় কৰিব।
- ই এই শিক্ষার্থীসকলৰ বৃত্তিগত পৰিপক্কতা, বৃত্তিগত পছন্দ আৰু বৃত্তিগত সমন্বয়ত সহায় কৰিব।
- নির্দেশনাই এই শিক্ষার্থীসকলৰ সামাজিক ব্যক্তিগত সমন্বয়ত সহায় কৰিব।
- নির্দেশনাই তেওঁলোকক উন্নত পাৰিবাৰিক জীৱন গঢ়ি তোলাত সহায় কৰিব আৰু লগতে ভৱিষ্যতে এজন ভাল নাগৰিক হ'বলৈ সহায় কৰিব।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ SEDG ৰ সম্পূর্ণ ৰূপটোঅর্থ কি ?

প্রশ্ন নং ৬ ঃ কিছুমান শিক্ষার্থীক কিয় SEDG বুলি অভিহিত কৰা হৈছে?

প্রশ্ন নং ৭ ঃ আর্থ-সামাজিকভাৱে পিছপৰা শিক্ষার্থীৰ বাবে নির্দেশনাৰ এটা প্রয়োজনীয়তা উল্লেখ কৰক।

১০.১০ আর্থ-সামাজিকভাৱে পিছপৰা শিক্ষার্থীৰ বাবে নির্দেশনামূলক কার্যসূচীৰ পৰিকল্পনা আৰু আয়োজন (PLANNING AND ORGANISING GUIDANCE PROGRAMME FOR SEDG STUDENTS)

সামাজিক আৰু অর্থনৈতিকভাৱে বঞ্চিত বা পিছপৰা শিক্ষার্থীৰ বাবে নির্দেশনামূলক কার্যসূচীৰ পৰিকল্পনা আৰু আয়োজনত তিনিটা ক্ষেত্রত গুৰুত্ব দিব লাগে—

ক) উচ্চ শিক্ষাৰ বাবে প্রচেষ্টা অব্যাহত ৰখা।

খ) বৃত্তিমূলক বা পেছাদাৰী পাঠ্যক্রম গ্রহণ কৰা।

গ) চাকৰি বা বৃত্তিত প্রৱেশ কৰা।

মূলতঃ মাধ্যমিক বিদ্যালয় পর্যায়ৰ ছাত্র-ছাত্রীৰ বিষয়ে, ওপৰৰ ক্ষেত্রসমূহ লক্ষ্য কৰি ৰাখি, তলত এই পর্যায়ত আয়োজন কৰা নির্দেশনামূলক কার্যসূচীসমূহৰ উদ্দেশ্যসমূহ উল্লেখ কৰা হৈছে—

ক) এই শিক্ষার্থীসকলৰ নিজৰ মাজত হোৱা শাৰীৰিক পৰিৱর্তনসমূহ বুজিবলৈ আৰু গ্রহণ কৰিবলৈ সহায় কৰা।

খ) পৰিয়াল, বিদ্যালয় আৰু সমাজৰ ফলপ্রসূ সালসলনি কৰাত সহায় কৰা।

গ) তেওঁলোকৰ সামর্থ্য আৰু আগ্রহ চিনাক্ত কৰা, বিকাশ কৰা আৰু শক্তিশালী কৰা।

ঘ) বিভিন্ন শৈক্ষিক আৰু বৃত্তিমূলক সুযোগ আৰু অত্যাৱশ্যকীয় প্রয়োজনীয়তাসমূহৰ বিষয়ে তথ্য প্রদান কৰা।

ঙ) আর্থ-সামাজিকভাৱে পিছপৰা শিক্ষার্থীৰ বাবে এই পর্যায়ৰ গুৰুত্বৰ বিষয়ে অভিভাৱক আৰু শিক্ষকসকলক সক্ষম কৰা আৰু ফলপ্রসূ শিক্ষণ আৰু বিকাশৰ বাবে উপযুক্ত পৰিস্থিতিৰ সৃষ্টি কৰা।

চ) তেওঁলোকক বাস্তৱসন্মত শৈক্ষিক আৰু বৃত্তিমূলক পছন্দ কৰিবলৈ সক্ষম কৰা।

১০.১১ নির্দেশনামূলক কার্যসূচীৰ উপাদানসমূহ (COMPONENTS OF GUIDANCE PROGRAMME)

নির্দেশনামূলক কার্যসূচীয়ে বিদ্যালয়ৰ জনসংখ্যা আৰু পৰিৱেশৰ প্রয়োজনীয়তা আৰু বিভিন্নতাক পূৰণ কৰিব লাগে। এটা বিস্তৃত নিদের্শনা কার্য্যসূচীত চাৰিটা উপাদান থাকিব লাগে— নির্দেশনা পাঠ্যক্রম, ব্যক্তিগত শিক্ষার্থী পৰিকল্পনা, সঁহাৰিজনক সেৱা আৰু বিদ্যালয়ৰ সকলো স্তৰৰ শিক্ষার্থীৰ নির্দেশনা সেৱা প্রদান কৰাত সহায়ক ব্যৱস্থা। তলত নির্দেশনামূলক কার্যসূচীৰ এই চাৰিটা উপাদনৰ বিৱৰণ দিয়া হৈছে-

নির্দেশনা পাঠ্যক্রম (Guidance Curriculum)

পাঠ্যক্রম হৈছে এটা লিখিত নথি, যিটো সক্রিয়, পৰিসৰত ব্যাপক আৰু বিকাশৰ দিশত উপযুক্ত। পাঠ্যক্রমৰ উপাদানটোৱে এনে এক পদ্ধতি প্রদান কৰে যাৰ দ্বাৰা শিক্ষার্থীয়ে এটা নির্দেশনামূলক পাঠ্যক্রম পদ্ধতিগতভাৱে লাভ কৰে। পাঠ্যক্রমৰ ক্ষেত্রত পৰামর্শদাতাৰ দায়িত্বসমূহৰ ভিতৰত আছে নির্দেশনামূলক পাঠ্যক্রমৰ পৰিকল্পনা, প্রণয়ন, ৰূপায়ণ আৰু মূল্যায়ন। শ্রেণীকোঠাৰ নির্দেশনা আৰু সৰু গোটৰ আলোচনা আদিৰ জৰিয়তে এটা নির্দেশনামূলক পাঠ্যক্রম প্রদান কৰা হয়। পাঠ্যক্রমে এজন ছাত্রক শৈক্ষিক কৃতিত্ব, কেৰিয়াৰ বিকাশ আৰু ব্যক্তিগত বিকাশৰ ক্ষেত্রত দক্ষতা, জ্ঞান, মনোভাৱ আহৰণ কৰাত সহায় কৰে।

ব্যক্তিগত ছাত্র-শিক্ষার্থী পৰিকল্পনা (Individual Student Planning)

ছাত্র-শিক্ষার্থী পৰিকল্পনা উপাদানে প্রতিজন শিক্ষার্থীক তেওঁৰ ব্যক্তিগত উন্নতি আৰু বিকাশৰ ওপৰত চিন্তা কৰাৰ সুযোগ প্রদান কৰে। এজন শিক্ষার্থীয়ে তেওঁৰ অভিভাৱক বা শিক্ষকৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰি তেওঁৰ কার্যকলাপৰ পৰিকল্পনা, বুজিব আৰু নিৰীক্ষণ কৰিব পাৰে। ছাত্র-ছাত্রীসকলে তেওঁলোকৰ ব্যক্তিগত, শৈক্ষিক

আৰু কেৰিয়াৰ বিকাশৰ ক্ষেত্ৰত তেওঁলোকৰ পৰৱৰ্তী পদক্ষেপৰ পৰিকল্পনা কৰিবলৈ সক্ষম হয়। পৰামৰ্শদাতাই ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ অগ্ৰগতিৰ পৰিকল্পনা আৰু নিৰীক্ষণত সহায় কৰে আৰু এইদৰে তেওঁলোকৰ ক্ষমতা, দক্ষতা, আগ্ৰহ আৰু কৃতিত্ব বিশ্লেষণ আৰু মূল্যায়নত তেওঁলোকৰ সৈতে কাম কৰে।

সঁহাৰিজনক সেৱা (Responsive Services)

সঁহাৰিজনক সেৱাসমূহৰ শিক্ষাৰ্থীৰ তাৎক্ষনিক প্ৰয়োজন আৰু উদ্বেগ পূৰণৰ বাবে লোৱা কাৰ্যসূচীৰে গঠিত। এনে প্ৰয়োজন আৰু উদ্বেগৰ বাবে পৰামৰ্শ, কোনো বিশেষজ্ঞলৈ প্ৰেৰণ আৰু সমনীয়াৰ সহায়ৰ প্ৰয়োজন হয়। শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে পৰামৰ্শদাতাসকলে আগতীয়া হস্তক্ষেপৰ পৰা আৰম্ভ কৰি সংকটৰ সময়ত সঁহাৰিলৈকে বহুতো সেৱা আগবঢ়ায়। শিক্ষাৰ্থীক সহায় কৰিবলৈ অভিভাৱক, শিক্ষক, বন্ধু-বান্ধৱ আদিৰ লগতো পৰামৰ্শ কৰে। প্ৰদান কৰা সেৱাসমূহৰ ভিতৰত ব্যক্তিগত বা গোটৰ পৰামৰ্শ, সংকট ব্যৱস্থাপনা, যেনে— দ্ৰব্যৰ অপব্যৱহাৰ, প্ৰতিৰোধ, আত্মহত্যা প্ৰতিৰোধ আদি অন্তৰ্ভুক্ত।

শিক্ষাৰ্থীৰ নিৰ্দেশনা সেৱা প্ৰদান কৰাত সহায়ক সমৰ্থন ব্যৱস্থা (System Support)

সহায়ক সমৰ্থন ব্যৱস্থায়ে বিদ্যালয়ৰ নিৰ্দেশনা আৰু পৰামৰ্শ কাৰ্যসূচীক বিভিন্ন ধৰণৰ নিৰ্দেশনা কাৰ্যসূচী সমৰ্থন কাৰ্যকলাপ যেনে— কৰ্মচাৰী বিকাশ, কাৰ্যসূচী ব্যৱস্থাপনা, তথ্য বিশ্লেষণ, পাঠ্যক্ৰম বিকাশ, আদিৰ জৰিয়তে ফলপ্ৰসূ হ'বলৈ সক্ষম কৰে আৰু এনে অন্যান্য কাৰ্যকলাপৰ বাবে সমৰ্থন প্ৰদান কৰে। পৰামৰ্শদাতাসকলে এক বিস্তৃত আৰু উন্নয়নমূলক নিৰ্দেশনা আৰু পৰামৰ্শদান কাৰ্যসূচী আগবঢ়োৱা বাবে চলোৱা কাৰ্যকলাপসমূহক সমৰ্থন কৰিবলৈ প্ৰয়োজনীয় পৰিকল্পনা আৰু পৰিচালনাৰ কামসমূহ প্ৰদান কৰে। পৰামৰ্শদাতাসকলে তথ্য আৰু অনুগমনমূলক অধ্যয়নসমূহৰ মূল্যায়ন কৰে আৰু নিৰ্দেশনামূলক কাৰ্যকলাপ আৰু সম্পদসমূহৰ বিকাশ আৰু নবীকৰণ কৰি থাকে।

2 ১০.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এজন শিক্ষাৰ্থীৰ নিজৰ সামৰ্থ আৰু দক্ষতা বিকাশ কৰাত সহায় কৰাৰ বাবে আৰু অসুবিধা নোহোৱাকৈ জ্ঞান আহৰণ কৰাত সহায় কৰাৰ বাবে নিৰ্দেশনাৰ প্ৰয়োজন।
- নিৰ্দেশনা কাৰ্যসূচী আয়োজন কৰিলে শিক্ষাৰ্থীক কৰ্মৰ প্ৰতি সঠিক মনোভাৱ, সাধাৰণতে বৃত্তিমূলক জীৱনৰ বাবে প্ৰয়োজনীয় মৌলিক দক্ষতা গঢ়ি তোলাত সহায় কৰে আৰু তেওঁৰ ক্ষমতা, আগ্ৰহ আৰু যোগ্যতা অনুসৰি বৃত্তিৰ বাবে সঠিক বাছনি কৰাত সহায় কৰে।
- বিদ্যালয়ত নিৰ্দেশনা কাৰ্যসূচীৰ আয়োজনৰ বাবে বিদ্যালয়ৰ ভিতৰত আৰু বাহিৰত উপস্থিত থকা বিভিন্ন কৰ্মীৰ সহযোগিতামূলক প্ৰচেষ্টাৰ প্ৰয়োজন।
- এখন নিৰ্দেশনা কমিটী গঠন কৰা, য'ত অন্ততঃ সাতজনৰ পৰা আঠজন সদস্য থাকে। কমিটীখনত বিভিন্ন কৰ্মী যেনে অন্ততঃ দুজন অভিভাৱক, দুজন শিক্ষক, এজন পৰামৰ্শদাতা আৰু এজন কেৰিয়াৰ মাষ্টাৰ

থাকিব লাগে। সমিতিৰ অধ্যক্ষ হিচাপে বিদ্যালয়ৰ অধ্যক্ষক প্ৰতিনিধিত্ব কৰিব পাৰে।

- বিভিন্ন সেৱাসমূহ পৰিচালনাৰ বাবে বাজেট আবণ্টন সম্পৰ্কে সিদ্ধান্ত আৰু ব্যৱস্থা কৰিব লাগে। অতিথি বক্তৃতাৰ বাবে সন্মানীয় ধন প্ৰদান, বিশেষজ্ঞ বা পেছাদাৰী যেনে শিক্ষাবিদ, চিকিৎসক আদিলৈ প্ৰেৰণৰ কথাও মনত ৰাখি খৰচ নিৰ্ধাৰণ কৰিব লাগে।
- ন্যূনতম আন্তঃগাঁথনি আৰু শাৰীৰিক সুবিধা যেনে নিৰ্দেশনা কোঠা, মেজ, চকী বিভিন্ন মানসিক পৰীক্ষা আহিলা আৰু অন্যান্য প্ৰয়োজনীয় সাহিত্য আহৰণৰ বাবে উপযুক্ত ব্যৱস্থা কৰিব লাগে।
- নিৰ্দেশনা কমিটীয়ে প্ৰথমে শিক্ষাৰ্থীৰ জৰীপ আৰু বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি কার্যসূচীৰ লক্ষ্যসমূহ চিনাক্ত কৰে। ইয়াৰ পিছত বিদ্যালয়ৰ নিৰ্দেশনা কার্যসূচীৰ বার্ষিক পৰিকল্পনা প্ৰস্তুত কৰা হয়।

১০.১৩ অধিক জানিবলৈ

১) The Counselling Process and Strategies, (2016), NCERT.

২) Guidance and Counselling, (2006), IGNOU.

৩) Lutomia, G. Sikolia. L. (2002). *Guidance and Counselling in Schools and Colleges*, Uzima Publishing House.

১) The Counselling Process and Strategies, (2016), NCERT.

২) Guidance and Counselling, (2006), IGNOU.

৩) Lutomia, G. Sikolia. L. (2002). *Guidance and Counselling in Schools and Colleges*, Uzima Publishing House.

১০.১৪ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ এজন শিক্ষাৰ্থীৰ নিজৰ সামৰ্থ আৰু দক্ষতা বিকাশ কৰাত সহায় কৰাৰ বাবে আৰু অসুবিধা নোহোৱাকৈ জ্ঞান আহৰণ কৰাত সহায় কৰাৰ বাবে নিৰ্দেশনাৰ প্ৰয়োজন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১) এখন নিৰ্দেশনা কমিটী গঠন কৰা, য'ত অন্ততঃ সাতজনৰ পৰা আঠজন সদস্য থাকে। কমিটীখনত বিভিন্ন কর্মী যেনে অন্ততঃ দুজন অভিভাৱক, দুজন শিক্ষক, এজন পৰামৰ্শদাতা আৰু এজন কেৰিয়াৰ মাষ্টাৰ থাকিব লাগে। সমিতিৰ অধ্যক্ষ হিচাপে বিদ্যালয়ৰ অধ্যক্ষক প্ৰতিনিধিত্ব কৰিব পাৰে।

২) প্ৰথমে বর্তমানৰ বিদ্যালয় বা প্ৰতিষ্ঠানত উপলব্ধ নিৰ্দেশনা সেৱাৰ জৰীপ কৰিব লাগে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নিৰ্দেশনা আৰু পৰামৰ্শদান কার্যসূচী আয়োজনৰ বাবে প্ৰয়োজনীয় সুবিধাসমূহত দুটা

কথা অন্তর্ভুক্ত হ'ব লাগে— পর্যাপ্ততা (Adequacy) আৰু সুলভতাঐঅভিগম্যতা (Accessibility)

৪ নং প্রশ্নৰ উত্তৰ ঃ নির্দেশনা কার্যসূচী ৰূপায়ণৰ বাবে বিভিন্ন ধৰণৰ আর্হি ব্যৱহাৰ কৰা হৈছে। এনে তিনিটা গুৰুত্বপূর্ণ আর্হি হৈছে— বিশেষজ্ঞ আর্হি, কেৰিয়াৰ শিক্ষক আর্হি আৰু শিক্ষক পৰামর্শদাতা আর্হি ।

৫ নং প্রশ্নৰ উত্তৰ ঃ SEDG পূর্ণ অর্থ হ'ল আর্থ-সামাজিকভাৱে পিছপৰা লোক (Socio-economically disadvantaged Group)

৬ নং প্রশ্নৰ উত্তৰ ঃ এই পক্ষপাতমূলক আচৰণৰ আঁৰৰ ধাৰণাটো হ'ল এনে বঞ্চিত লোকসকলক সামাজিক বা আর্থিক কার্যকলাপৰ মূলসূঁতিৰ পৰা আঁতৰাই ৰাখি তেওঁলোকৰ মৌলিক জীৱন আৰু স্বাধীনতাৰ পৰা বঞ্চিত কৰা। এই ধাৰণাই তেওঁলোকক সমাজৰ পৰা আঁতৰত ৰখাৰ প্রৱনতা প্রকাশ কৰে, সমাজৰ ধনী আৰু প্রভাৱশালী লোকসকলক প্রয়োজনীয়তা পূৰণৰ বাবে তেওঁলোকৰ অর্থনৈতিক আৰু বৌদ্ধিক সামর্থ্যৰ পৰা বঞ্চিত কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ নির্দেশনাই এজন শিক্ষার্থীৰ শক্তি, সীমাবদ্ধতা আৰু অন্যান্য সম্পদসমূহ বুজিবলৈ সহায় কৰে। নির্দেশনাই এই পিছপৰা শ্রেণীৰ শিক্ষার্থীৰ সমস্যা সমাধান কৰাত আৰু সিদ্ধান্ত লোৱাত ক্ষমতা গঢ়ি তোলাত সহায় কৰিব।

M ১০.১৫ আর্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ এটা নির্দেশনামূলক কার্যসূচীৰ পূর্বচর্তসমূহ উল্লেখ কৰক।

প্রশ্ন ২ ঃ এটা নির্দেশনামূলক কার্যসূচী পৰিকল্পনা কৰাৰ বাবে পদক্ষেপসমূহ তালিকাভুক্ত কৰক।

প্রশ্ন ৩ ঃ আর্থ-সামাজিকভাৱে পিছপৰা শিক্ষার্থীৰ ধাৰণা সম্পর্কে লিখক।

প্রশ্ন ৪ ঃ আর্থ-সামাজিকভাৱে পিছপৰা শিক্ষার্থীৰ বাবে নির্দেশনাৰ প্রয়োজনীয়তা আৰু গুৰুত্বৰ ওপৰত আলোকপাত কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বিদ্যালয়ত নির্দেশনামূলক কার্যসূচীৰ প্রয়োজনীয়তা বিষয়ে বিশদভাৱে আলোচনা কৰক।

প্রশ্ন ২ ঃ এখন শিক্ষানুষ্ঠানত কর্মী, বিত্ত আদি বিভিন্ন সম্পদৰ ব্যৱস্থাপনা সম্পর্কে বিতংভাৱে আলোচনা কৰক।

প্রশ্ন ৩ ঃ সুবিধা প্রদান কৰা কার্যকলাপ পৰিচালনাৰ বিভিন্ন উপাদানসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ নির্দেশনা কার্যসূচীৰ ৰূপায়ণৰ আৰ্হিৰ ওপৰত বিতং আলোচনা কৰক।

প্রশ্ন ৫ ঃ আর্থ-সামাজিকভাৱে পিছপৰা শিক্ষার্থীৰ বাবে নির্দেশনামূলক কার্যসূচীৰ পৰিকল্পনা আৰু আয়োজনৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৬ ঃ উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষার্থীৰ বাবে নির্দেশনামূলক কার্যসূচীসমূহ আলোকপাত কৰক।

প্রশ্ন ৭ ঃ নির্দেশনামূলক কার্যসূচীৰ উপাদানসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ নির্দেশনা আৰু পৰামৰ্শদানত মনোবৈজ্ঞানিক অভীক্ষাৰ প্ৰয়োগ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ মনোবৈজ্ঞানিক অভীক্ষাৰ অর্থ আৰু সংজ্ঞা
১১.৪ মনোবৈজ্ঞানিক অভীক্ষাৰ প্ৰকাৰ
১১.৪.১ অভীক্ষাৰ প্ৰয়োগভিত্তিক বিভাজন
১১.৪.১.১ ব্যক্তিগত অভীক্ষা
১১.৪.১.২ যৌথ বা দলগত অভীক্ষা
১১.৪.২ অভীক্ষাৰ প্ৰশ্নপদভিত্তিক বিভাজন
১১.৪.২.১ ভাষাগত অভীক্ষা
১১.৪.২.২ ভাষাবিহীন অভীক্ষা
১১.৪.২.৩ সম্পাদনী অভীক্ষা
১১.৫ নির্দেশনা আৰু পৰামৰ্শদানত অভীক্ষাৰ ব্যৱহাৰ
১১.৬ নিৰীক্ষণ বা পর্যবেক্ষণ পদ্ধতি
১১.৭ সাক্ষাৎকাৰ পদ্ধতি
১১.৮ জীৱনৰ ঘটনা প্ৰবাহ অধ্যয়নৰ পদ্ধতি
১১.৯ সামাজিক সম্পর্ক অধ্যয়ন বা সমাজমিত্রি পদ্ধতি
১১.১০ বুদ্ধিৰ অভীক্ষা
১১.১১ বুদ্ধিৰ ভাষামূলক, ভাষাবিহীন আৰু সম্পাদনী অভীক্ষা
১১.১১.১ বুদ্ধিৰ ভাষামূলক অভীক্ষা
১১.১১.২ বুদ্ধিৰ ভাষাবিহীন অভীক্ষা ঃ
- ভাষাবিহীন-কাগজ-কলম নির্ভৰ
- সম্পাদনী অভীক্ষা

১১.১২ নির্দেশনা আৰু পৰামৰ্শদান প্ৰক্ৰিয়াত বুদ্ধিৰ অভীক্ষাৰ গুৰুত্ব
১১.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.১৪ অধিক জানিবলৈ
১১.১৫ অগ্ৰগতিৰ খতিয়ান
১১.১৬ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মনোবৈজ্ঞানিক অভীক্ষাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- মনোবৈজ্ঞানিক অভীক্ষাৰ বিভিন্ন প্ৰকাৰসমূহ সম্পৰ্কে জ্ঞাত হ'ব
- পৰামৰ্শদান প্ৰক্ৰিয়াত মনোবৈজ্ঞানিক অভীক্ষাৰ ব্যৱহাৰসমূহ বৰ্ণনা কৰিব পাৰিব
- পৰামৰ্শদানত মনোবৈজ্ঞানিক অভীক্ষাৰ ব্যৱহাৰসমূহ উল্লেখ কৰিব পাৰিব।
- বুদ্ধিৰ অভীক্ষাৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- বুদ্ধিৰ ভাষাবিহীন, ভাষামূলক আৰু সম্পাদনী অভীক্ষাসমূহৰ বিষয়ে ইহঁতৰ সুবিধা, অসুবিধাসহ আলোচনা কৰিব পাৰিব
- নির্দেশনা আৰু পৰামৰ্শদান প্ৰক্ৰিয়াত বুদ্ধিৰ অভীক্ষাৰ গুৰুত্বৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

১১.২ পৰিচয় (INTRODUCTION)

আমি ইতিপূৰ্বে উল্লেখ কৰিছো যে পৰিমাপ, মানধাৰ্যকৰণ অথবা মূল্যমান বিচাৰকৰণ আমাৰ দৈনন্দিন জীৱনৰ প্ৰত্যেক ক্ষেত্ৰতেই অঙ্গাংগীভাৱে জড়িত হৈ আছে। এই অধ্যায়টিত আমি মনোবৈজ্ঞানিক পৰিমাপৰ আহিলা হিচাপে মনোবৈজ্ঞানিক অভীক্ষাসমূহৰ লগত আপোনালোকক পৰিচিত কৰা হ'ব। বুদ্ধি ব্যক্তি পাৰ্থক্যৰ মূল কাৰণ বা উৎস স্বৰূপ। এজন ব্যক্তিৰ বুদ্ধি আপেক্ষিকভাৱে এক স্থায়ী গুণ আৰু ই তেওঁৰ সকলোবোৰ দেহ মানসিক ক্ৰিয়া নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰে। সেয়েহে ব্যক্তিৰ সকলো ক্ৰিয়া আচৰণতেই বুদ্ধিৰ প্ৰতিফলন দেখিবলৈ পোৱা যায়। গতিকে নির্দেশনা আৰু পৰামৰ্শদান প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত বুদ্ধিৰ পৰিমাপ অথবা বুদ্ধিৰ মান নির্ধাৰণ কৰা বিশেষভাৱে গুৰুত্বপূৰ্ণ আৰু তাৎপৰ্যপূৰ্ণ। মনোবিজ্ঞানত বুদ্ধিৰ পৰিমাপৰ বাবে বৰ্তমান বিভিন্ন ধৰণৰ প্ৰতিমানকৃত অভীক্ষা ব্যৱহাৰ কৰা হয়। প্ৰকৃতপক্ষে মনোবৈজ্ঞানিক অভীক্ষাৰ সূত্ৰপাত বুদ্ধিৰ অভীক্ষাক কেন্দ্ৰ কৰিয়েই আৰম্ভ হৈছিল। এই অধ্যায়টিত আমি বুদ্ধিৰ পৰিমাপ বা মান নির্ধাৰণৰ বাবে ব্যৱহৃত বুদ্ধিৰ অভীক্ষাসমূহৰ বিষয়ে আলোচনা কৰিম।

১১.৩ মনোবৈজ্ঞানিক অভীক্ষাৰ অর্থ আৰু সংজ্ঞা (MEANING AND DETINITIONS OF PSYCHOLOGICAL TEST)

অভীক্ষাসমূহ হ'ল এক ধৰণৰ পৰিমাপক কৌশল বা যন্ত্ৰ (Measuring tools)। মনোবিজ্ঞান আৰু শিক্ষাৰ ক্ষেত্ৰত নানা ধৰণৰ নতুন গৱেষণা আৰু অধ্যয়নৰ ফলস্বৰূপেই পৰিমাপ সঁজুলি হিচাপে এই অভীক্ষাসমূহ উদ্ভাৱিত হৈছে। আধুনিক ধাৰণা অনুসৰি সকলো মানবীয় বৈশিষ্ট্য, আচৰণগত বৈশিষ্ট্য অথবা সক্ষমতাসমূহ এই অভীক্ষাসমূহৰ

সহায়ত বস্তুনিষ্ঠতাৰে, সাৰ্থকতাৰে আৰু নিখুঁতভাৱে পৰিমাপ কৰিব পৰা যায়। এই অভীক্ষাসমূহৰ প্ৰয়োগৰ দ্বাৰা মনোবিজ্ঞান আৰু শিক্ষা উভয় ক্ষেত্ৰতে পৰিমাপ প্ৰক্ৰিয়াক সাৰ্থকভাৱে বাস্তৱায়িত কৰাটো সম্ভৱপৰ হৈ উঠিছে। ভৌতিক পৰিমাপৰ ক্ষেত্ৰত যিবিলাক পৰিমাপ কৌশল বা যন্ত্ৰ ব্যৱহাৰ কৰা হয়, সেইবিলাক আমাৰ সকলোৰে বাবেই পৰিচিত। ফলত আমি ইয়াৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নিৰূপণ কৰাৰ প্ৰয়োজনীয়তা বোধ নকৰো। আনহাতেদি মনোবৈজ্ঞানিক আৰু শৈক্ষিক অভীক্ষাসমূহ শিক্ষাৰ্থীৰ মানসিক আৰু শিক্ষাগত বৈশিষ্ট্যসমূহ পৰিমাপৰ বাবে বৰ্তমান বহলভাৱে ব্যৱহাৰ কৰা হ'লেও এই অভীক্ষাসমূহৰ লগত আমাৰ পৰিচিতি আপেক্ষিকভাৱে সীমিত।

আধুনিক মনোবৈজ্ঞানিকসকলে মানৱ আচৰণৰ বিভিন্ন দিশ বস্তুনিষ্ঠভাৱে অধ্যয়ন কৰিবৰ বাবে মনোবৈজ্ঞানিক অভীক্ষাসমূহৰ প্ৰস্তুতকৰণৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। কাৰণ মনোবৈজ্ঞানিক অভীক্ষাসমূহৰ সাৰ্থকতাৰ ওপৰতেই মনোবিজ্ঞানৰ জ্ঞান-অভিজ্ঞতাসমূহৰ বিকাশ বিশেষভাৱে নিৰ্ভৰশীল। মনোবৈজ্ঞানিক অভীক্ষাসমূহৰ দ্বাৰা মানৱ আচৰণৰ বিভিন্ন দিশসমূহ পৰিমাণমূলক (Quantitatively) ভাৱে প্ৰকাশ কৰা হয়। বিভিন্ন মনোবিদে এই অভীক্ষাসমূহৰ সংজ্ঞা বিভিন্ন ধৰণেৰে দাঙি ধৰিছে।

১) **ফ্ৰিমেনৰ** মতে— ব্যক্তিত্বৰ একক অথবা একাধিক দিশ নমুনামূলকভাৱে ভাষিক অথবা ভাষাবিহীন অথবা আন কোনো আচৰণ যোগে বস্তুনিষ্ঠভাৱে পৰিমাপ কৰিবৰ বাবে মানবিশিষ্টভাৱে প্ৰস্তুত কৰা আহিলাকেই মনোবৈজ্ঞানিক অভীক্ষা বুলি কোৱা হয়। (A psychological test is a standardized instrument designed to measure objectively one or more aspects of personality by means of samples of verbal or nonverbal responses or by means of other behaviour- **Freeman**.)

২) আনহাতেদি **এনাষ্টাচিৰ** ভাষাত— 'মনোবৈজ্ঞানিক অভীক্ষা হৈছে কোনো এক নমুনামূলক আচৰণৰ নৈব্যক্তিক আৰু মানবিশিষ্ট পৰিমাপ ব্যৱস্থা' (A psychological test is essentially an objective and standardized measure of a sample of behaviour-**Anastasi**)

৩) সেইদৰেই **কৰ্ণবেকৰ** মতে— 'মনোবৈজ্ঞানিক অভীক্ষা হৈছে দুজন বা ততোধিক ব্যক্তিৰ আচৰণ তুলনামূলকভাৱে অধ্যয়ন কৰাৰ এক শৃংখলাবদ্ধ পদ্ধতি। (A psychological test is a systematic procedure for comparing the behaviour of two or more persons- **Cornbach**)।

৪) মনোবিদ **মাৰ্চেলে** কৈছিল— 'মনোবৈজ্ঞানিক অভীক্ষা এনে কিছুমান সুনিৰ্বাচিত আৰু সুবিন্যস্ত উদ্দীপনাৰ সমন্বয় যাৰ মাধ্যমেৰে অভীক্ষা গ্ৰহণকাৰী ব্যক্তিৰ বিশেষ মানসিক বৈশিষ্ট্যৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিব পৰা যায়। (A psychological test may be defined as a pattern of stimuli, selected and organized to elicit responses which will reveal action characteristics in the person who takes them- **Marshell**)

ওপৰত উল্লেখ কৰা সংজ্ঞাসমূহৰ ওপৰত ভিত্তি কৰি ক'ব পৰা যায় যে মনোবৈজ্ঞানিক অভীক্ষাসমূহ হৈছে—

- এক প্ৰকাৰৰ পৰিমাপ কৌশল।
- অভীক্ষা হৈছে এক সুশৃংখলিত পদ্ধতি। সুনিৰ্ধাৰিত নীতি অনুসৰণ কৰি অভীক্ষাসমূহ প্ৰস্তুত, প্ৰয়োগ আৰু মানাংকন কৰা হয়।

- মনোবৈজ্ঞানিক পৰিমাপৰ ক্ষেত্ৰত মানসিক বৈশিষ্ট্যসমূহ আচৰণৰ মাধ্যমেৰে প্ৰকাশিত নোহোৱা পৰ্যন্ত পৰিমাপ কৰিব পৰা নাযায়। গতিকে মনোবৈজ্ঞানিক অভীক্ষাসমূহ হৈছে এনে কিছুমান উদ্দীপনাৰ সমষ্টি যিবিলাকৰ সাহায্যত প্ৰতিক্ৰিয়া বা আচৰণৰ সৃষ্টি কৰিব পৰা যায়।
- অভীক্ষাৰ উদ্দেশ্যানুযায়ী অভীক্ষাৰ উদ্দীপকসমূহ নিৰ্বাচন কৰা হয়।
- অভীক্ষাৰ দ্বাৰা নমুনামূলকভাৱে নিৰ্ধাৰিত আচৰণ পৰিমাপ কৰা হয়।

সাধাৰণতে অভীক্ষাৰ দ্বাৰা পৰিমাপ কৰিব খোজা বিশেষ মানসিক বৈশিষ্ট্যৰ পৰিপ্ৰেক্ষিতত অভীক্ষাৰ নামকৰণ কৰা হয়। যেনে— বুদ্ধিৰ অভীক্ষা, ব্যক্তিত্বৰ অভীক্ষা, আগ্ৰহৰ অভীক্ষা ইত্যাদি। মনোবৈজ্ঞানিক অভীজ্ঞাসমূহত উদ্দীপক হিচাপে ব্যৱহাৰ কৰা প্ৰশ্ন বা সমস্যাসমূহক পৰিমাপৰ ভাষাত অভীক্ষাপদ (Test-item) বুলি কোৱা হয়। এই অভীক্ষাপদ বা প্ৰশ্নপদসমূহ ভাষামূলকো হ'ব পাৰে বা নিৰ্দিষ্ট কোনো কৰ্মভিত্তিকো হ'ব পাৰে। অনেক মনোবৈজ্ঞানিক অভীক্ষাত কিছুমান একে জাতীয় অভীক্ষাপদ থাকে। সমজাতীয় অভীক্ষাসমূহ অভীক্ষাত একত্ৰভাৱে বিন্যাস কৰা হয়। অভীক্ষাত এনেদৰে একত্ৰিতভাৱে অন্তৰ্ভুক্ত কৰা সমজাতীয় অভীক্ষা পদসমূহক একত্ৰে অভীক্ষাংশ বুলি কোৱা হয়। এটা অভীক্ষাত কেবাটাও অভীক্ষাংশ থাকিব পাৰে। অভীক্ষার্থীৰ প্ৰতিক্ৰিয়াৰ সামঞ্জস্য বিচাৰৰ বাবে আৰু পৰিমাপৰ ক্ষেত্ৰত সামগ্ৰিকভাৱে অভীক্ষাত অন্তৰ্ভুক্ত কৰিবৰ উদ্দেশ্য কোনো এটা অভীক্ষাক এনেদৰে বিভিন্ন অভীক্ষাংশত ভাগ কৰা হয়।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মনোবৈজ্ঞানিক অভীক্ষা কি?

প্ৰশ্ন নং ২ ঃ খালী ঠাই পূৰণ কৰক—

(ক) আচৰণৰ নৈৰ্ব্যক্তিক আৰু প্ৰতিমানীকৃত পৰিমাণক আহিলাক ..... বুলি কোৱা হয়।

(খ) মনোবৈজ্ঞানিক অভীক্ষাসমূহ কিছুমান ..... সমষ্টি।

১১.৪ মনোবৈজ্ঞানিক অভীক্ষাৰ প্ৰকাৰ (TYPES OF PSYCHOLOGICAL TEST)

মনোবিজ্ঞানত পৰিমাপ আন্দোলন বুদ্ধিৰ অভীক্ষাৰ দ্বাৰাই সূচনা হৈছিল যদিও বৰ্তমান বিভিন্ন ক্ষেত্ৰত বিভিন্ন মানসিক বৈশিষ্ট্য পৰিমাপ কৰিবৰ বাবে অনেক প্ৰকাৰৰ মনোবৈজ্ঞানিক অভীক্ষা প্ৰয়োগ কৰা হয়। মনোবৈজ্ঞানিক অভীক্ষাসমূহক উদ্দেশ্য, বিষয়বস্তু, প্ৰয়োগ পদ্ধতি ইত্যাদি বিভিন্ন দিশৰ ওপৰত ভিত্তি কৰি বিভিন্ন শ্ৰেণীত ভাগ কৰা হয়। তলত অভীক্ষাসমূহৰ বিভিন্ন শ্ৰেণী বিভাগসমূহ উল্লেখ কৰা হ'ল—

১) আচৰণৰ বৈশিষ্ট্যৰ ভিত্তিত শ্ৰেণীবিভাগ যেনে— বুদ্ধি অভীক্ষা, সম্ভাৱনাৰ অভীক্ষা, ব্যক্তিত্বৰ অভীক্ষা, পাৰদৰ্শিতাৰ অভীক্ষা, আগ্ৰহৰ অভীক্ষা, মনোভাৱৰ অভীক্ষা সৃজনশীলতাৰ অভীক্ষা ইত্যাদি।

২) প্ৰয়োগভিত্তিক শ্ৰেণীবিভাগ— যেনে- ব্যক্তিগত অভীক্ষা আৰু দলগত অভীক্ষা।

৩) অভীক্ষা পদৰ ভিত্তিত শ্ৰেণীবিভাগ যেনে— ভাষামূলক বা ভাষিক অভীক্ষা, অভাষিক বা ভাষা বৰ্জিক অভীক্ষা, সম্পাদনী অভীক্ষা।

৪) দ্ৰুততাৰ অভীক্ষা আৰু ক্ষমতাৰ অভীক্ষা। তলত প্ৰয়োগভিত্তিক শ্ৰেণীবিভাজনৰ আৰু অভীক্ষাপদৰ প্ৰকৃতিভিত্তিক শ্ৰেণীবিভাজনৰ অন্তৰ্ভুক্ত আলোচনা কৰা হ'ল।

১১.৪.১ অভীক্ষাৰ প্ৰয়োগভিত্তিক বিভাজন (Classification based on method of administration)

প্ৰয়োগ ক্ষেত্ৰৰ প্ৰকৃতি অনুযায়ী মনোবৈজ্ঞানিক অভীক্ষাসমূহক দুটা শ্ৰেণীত ভাগ কৰা হয়—

১) ব্যক্তিগত অভীক্ষা (Individual Test) আৰু

২) দলগত অভীক্ষা (Group Test)

তলত এই দুই প্ৰকাৰৰ অভীক্ষাৰ বিষয়ে আলোচনা কৰা হ'ল

১১.৪.১.১ ব্যক্তিগত অভীক্ষা (Individual Test)

যিবিলাক অভীক্ষা একোজন ব্যক্তিৰ ওপৰত পৃথকে পৃথকে প্ৰয়োগ কৰা হয়, সেই অভীক্ষাসমূহক ব্যক্তিগত অভীক্ষা বুলি কোৱা হয়।

এই অভীক্ষাসমূহ এবাৰ প্ৰয়োগ কৰি এজন ব্যক্তিৰ নিৰ্ধাৰিত বৈশিষ্ট্য পৰিমাপ কৰা হয়। অৰ্থাৎ এই অভীক্ষাসমূহৰ প্ৰয়োগ ব্যক্তিকেন্দ্ৰিক। ষ্টেণফ'ৰ্ড বিনে অভীক্ষা, ওৱেচলাৰৰ বুদ্ধিৰ অভীক্ষা ইত্যাদি ব্যক্তিগত মনোবৈজ্ঞানিক অভীক্ষাৰ উদাহৰণ।

১১.৪.১.২ যৌথ বা দলগত অভীক্ষা (Group Test)

ব্যক্তিগত অভীক্ষাৰ বিপৰীতে যিবিলাক অভীক্ষা একে সময়তে বহু ব্যক্তিৰ ওপৰত দলীয়ভাৱে প্ৰয়োগ কৰিব পৰা যায়, সেই অভীক্ষাসমূহক যৌথ বা অভীক্ষা বুলি কোৱা হয়। ইয়াত বহু অভীক্ষাৰ্থীৰ নিৰ্ধাৰিত বৈশিষ্ট্য একেলগে পৰিমাপ কৰা হয়। অৰ্থাৎ যিবিলাক অভীক্ষাৰ দ্বাৰা একেলগে বহু ব্যক্তিৰ বুদ্ধি এজন অভীক্ষকৰ দ্বাৰা পৰিমাপ কৰিব পৰা যায় তাকে বুদ্ধিৰ দলগত অভীক্ষা বুলি কোৱা হয়। ব্যক্তিগত অভীক্ষা হিচাপে মূলতঃ দলগত

অভীক্ষাসমূহ প্ৰস্তুত কৰা হৈছিল।

প্ৰথম বিশ্বযুদ্ধৰ সময়ত আমেৰিকাৰ সেনাবাহিনীত বহুসংখ্যক লোক নিয়োগৰ বাবে এই দলগত অভীক্ষা প্ৰথম প্ৰস্তুত কৰা হৈছিল। সেই সময়ত আমেৰিকান মনোবিজ্ঞান সমিতিৰ সভাপতি R. M. Yerkes-ৰ পৰিচালনাত এই ধৰণৰ দুটা অভীক্ষা প্ৰস্তুত কৰা হৈছিল। এই অভীক্ষা দুটাৰ নাম হ'ল—

(১) আৰ্মী আলফা (Army Alpha Test) আৰু

(২) আৰ্মী বিটা (Army Beta Test)। পৰৱৰ্তী কালত ইয়াৰ অনুকৰণত অনেক এই জাতীয় অভীক্ষা তৈয়াৰ কৰা হৈছিল।

মানসিক বৈশিষ্ট্যসমূহক এক সাধাৰণ মানসিক বৈশিষ্ট্য হিচাপে বিবেচনা কৰি এই দলগত অভীক্ষাসমূহ প্ৰস্তুত কৰা হয় আৰু এই ক্ষেত্ৰত দলীয় বৈশিষ্ট্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। এই দলগত অভীক্ষাসমূহৰ প্ৰয়োগ পদ্ধতি সহজ।

দলগত অভীক্ষাৰ সুবিধা আৰু অসুবিধাসমূহ (Merits and Demerits of Group Tests)

মুঠতে দেখা যায় যে ব্যক্তিগত অভীক্ষাসমূহৰ ক্ষেত্ৰত দেখা দিয়া অসুবিধাসমূহ দূৰ কৰাৰ বাবে এক মিতব্যয়ী বিকল্প ব্যৱস্থা হিচাপেই এই দলগত অভীক্ষাসমূহৰ বিকাশ হৈছিল। সংক্ষেপে ক'বলৈ গ'লে দলগত অভীক্ষাৰ মূল সুবিধাসমূহ হৈছে—

১। এই অভীক্ষাসমূহৰ দ্বাৰা কম সময়ৰ ভিতৰতে বহু ব্যক্তিৰ নিৰ্ধাৰিত মানসিক বৈশিষ্ট্যৰ পৰিমাপ কৰিব পৰা যায়।

২। দলগত অভীক্ষাসমূহ ছপা আকাৰে প্ৰদান কৰা হয়। ইয়াত অভীক্ষকে প্ৰত্যেকজন অভীক্ষার্থীৰ লগত ব্যক্তিগত যোগাযোগ কৰাৰ প্ৰয়োজন নহয়। গতিকে অভীক্ষকৰ শ্ৰম লাঘৱ হয়।

৩। এই অভীক্ষাসমূহ প্ৰয়োগ কৰিবৰ বাবে অভীক্ষা প্ৰয়োগকাৰীৰ বিশেষ দক্ষতাৰ প্ৰয়োজন নহয়।

৪। দলগতভাৱে প্ৰদান কৰাৰ বাবে এই অভীক্ষাসমূহৰ ক্ষেত্ৰত অভীক্ষা প্ৰয়োগকালীন কাৰকসমূহৰ প্ৰভাৱ সকলো অভীক্ষার্থীৰ ওপৰত একে হয়।

৫। এই অভীক্ষাসমূহৰ মানাংক নিৰ্ণয়ৰ ব্যৱস্থা অনেকাংশ অভীক্ষকৰ ব্যক্তিগত প্ৰভাৱৰ পৰা মুক্ত আৰু সহজ।

প্ৰসংগক্ৰমে উল্লেখযোগ্য যে দলগত অভীক্ষাৰ যিদৰে কিছু সুবিধা আছে, তেনেদৰে ইয়াৰ কিছুমান অসুবিধাও আছে। এই অসুবিধাসমূহ হৈছে—

১। এই দলগত অভীক্ষাসমূহত অভীক্ষার্থীৰ সহযোগিতা লাভৰ বাবে অভীক্ষকে অভীক্ষার্থীৰ লগত প্ৰয়োজনীয় সম্পৰ্ক স্থাপনৰ সুবিধা নাথাকে।

২। দলগত অভীক্ষাসমূহৰ ক্ষেত্ৰত অভীক্ষার্থীৰ অভীক্ষা প্ৰয়োগকালীন বিভিন্ন ব্যক্তিগত অসুবিধাসমূহৰ বিষয়ে বুজ লোৱাটো অভীক্ষকৰ বাবে সম্ভৱ নহয়। গতিকে অভীক্ষার্থীৰ ব্যক্তিগত প্ৰয়োজন অনুযায়ী অভীক্ষা প্ৰয়োগৰ পৰিৱেশ নিয়ন্ত্ৰণ কৰা সম্ভৱ নহয়।

৩। সকলো অভীক্ষার্থীয়ে দলগতভাৱে প্ৰদান কৰা নিৰ্দেশ সমানে অনুসৰণ কৰিবলৈ সক্ষম নহয়। সেয়েহে এই অভীক্ষাসমূহত প্ৰাপ্ত মানাংকৰ নিৰ্ভৰযোগ্যতা সাধাৰণতে কম হয়।

৪। এই অভীক্ষাসমূহত ব্যৱহাৰ কৰা প্রশ্নপদসমূহ মূলতঃ সাধাৰণ ধর্মী। সকলো অভীক্ষার্থীৰ সামর্থ্য ইয়াত বিশেষ বিবেচনা কৰা নহয়।

এই দলগত অভীক্ষাসমূহৰ এই অসুবিধাসমূহ থাকিলেও বিভিন্ন ক্ষেত্রত এই অভীক্ষাসমূহ ব্যৱহাৰ কৰা হয়। শিক্ষাৰ ক্ষেত্রত অনেক শিক্ষার্থীৰ বুদ্ধি পৰিমাপৰ বাবে এই জাতীয় অভীক্ষা বিশেষভাৱে কার্যকৰী। কিন্তু কোনো কোনো বিশেষ শিক্ষার্থীৰ মূল্যায়নগত সমস্যা পৃথকে পৃথকে বিচাৰ কৰাৰ প্রয়োজন হ'লে ব্যক্তিগত অভীক্ষাসমূহ ব্যৱহাৰ কৰা উচিত। এই প্রসংগত Rorschach ৰ মন্তব্য প্রণিধানযোগ্য— It is possible to apply these (group) tests and get preliminary results at least in a short time, but we are warned that the only safe and short method is that of the individual test. গতিকে সার্থকতা, সাফল্য আৰু অন্যান্য গুণৰ দিশৰ পৰা বিবেচনা কৰি দলগত অভীক্ষাতকৈ ব্যক্তিগত অভীক্ষা অধিক গ্রহণযোগ্য।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ঃ প্রয়োগ পদ্ধতিৰ ভিত্তিত মনোবৈজ্ঞানিক অভীক্ষাৰ ভাগসমূহ লিখক।

প্রশ্ন নং ৪ ঃ ব্যক্তিগত অভীক্ষাৰ দুটা অসুবিধা লিখক।

প্রশ্ন নং ৫ ঃ দলগত অভীক্ষাৰ দুটা সুবিধা লিখক।

প্রশ্ন নং ৬ ঃ দলগত আৰু ব্যক্তিগত অভীক্ষাৰ দুটা পার্থক্য উল্লেখ কৰক।

১১.৪.২ অভীক্ষাৰ প্রশ্নপদভিত্তিক বিভাজন

অভীক্ষাত ব্যৱহৃত অভীক্ষাপদ সমূহৰ প্রকৃতিৰ ওপৰত ভিত্তি কৰিও মানসিক অভীক্ষাসমূহক শ্রেণীবিভাগ কৰা হয়। এই শ্রেণীবিভাজন অনুসৰি অভীক্ষা প্রকাৰসমূহ হৈছে—

(ক) ভাষাগত অভীক্ষা (Verbal Test)

(খ) ভাষাবিহীন অভীক্ষা (Non Verbal Test) আৰু

(গ) সম্পাদনী অভীক্ষা (Performance Test)

১১.৪.২.১ ভাষাগত অভীক্ষা (Verbal Test)

যিবিলাক অভীক্ষাত অভীক্ষার্থীয়ে ভাষামূলক ক্ষমতা ব্যৱহাৰ কৰি মৌখিক বা লিখিতভাৱে প্রতিক্রিয়া প্রদান কৰিব লাগে সেই অভীক্ষাসমূহক ভাষিক বা ভাষাগত অভীক্ষা বুলি কোৱা হয়। অর্থাৎ এই অভীক্ষাসমূহত প্রশ্নপদসমূহ ভাষামূলক। গতিকে এই প্রশ্নপদসমূহৰ প্রতি প্রতিক্রিয়া প্রদানৰ ক্ষেত্রত অভীক্ষার্থীয়ে ভাষা ব্যৱহাৰ কৰে। এইক্ষেত্রত অভীক্ষা প্রদানকাৰীয়ে অভীক্ষার্থীসকলক মৌখিকভাৱে, লিখিতভাৱে অথবা মৌখিক আৰু লিখিত উভয় প্রকাৰৰে নির্দেশনা প্রদান কৰে। সেইদৰেই অভীক্ষার্থীসকলে মৌখিক বা ভাষিকভাৱে প্রতিক্রিয়া

প্ৰদান কৰে। এই ক্ষেত্ৰত উল্লেখযোগ্য যে অভীক্ষাত ব্যৱহৃত ভাষাত অভীক্ষার্থীৰ বুৎপত্তি থকা নিতান্ত বাঞ্ছনীয়। গতিকে এই অভীক্ষাসমূহৰ লিখা-পঢ়া জনা ব্যক্তিৰ ক্ষেত্ৰত হে প্ৰয়োগ কৰিব পাৰি। এই অভীক্ষাসমূহ ব্যক্তিগত আৰু দলগত উভয় প্ৰকাৰে প্ৰদান কৰিব পাৰি। এজন ব্যক্তিৰ বিভিন্ন মানসিক বৈশিষ্ট্যসমূহৰ প্ৰকাশৰ উৎকৃষ্ট মাধ্যম হৈছে ভাষা। গতিকে মানসিক অভীক্ষা হিচাপে মানসিক বৈশিষ্ট্য পৰিমাপৰ ক্ষেত্ৰত এই অভীক্ষাসমূহ গুৰুত্বপূৰ্ণ।

সেয়ে হ'লেও ভাষিক প্ৰকৃতিৰ হোৱা বাবে এই অভীক্ষাসমূহৰ যথার্থতা আৰু নির্ভৰযোগ্যতা অনেক সময়ত সন্দেহজনক হয়। অনেক সময়ত অভীক্ষাসমূহত প্ৰকৃত মানসিক বৈশিষ্ট্যৰ পৰিৱৰ্তে ভাষাগত দক্ষতা পৰিমাণতহে অধিক গুৰুত্ব প্ৰদান কৰে।

১১.৪.২.২ ভাষাবিহীন অভীক্ষা (Non Verbal Test)

মানসিক বৈশিষ্ট্য পৰিমাপৰ বাবে অভীক্ষা গঠনৰ প্ৰচেষ্টা বিনেৰ বুদ্ধিৰ অভীক্ষাৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। এই অভীক্ষা ভাষাগত বা ভাষিক। ইয়াৰ অনুকৰণত অনেক অভীক্ষা গঠন কৰা হৈছিল। সেয়ে হ'লেও অনেক মনোবিদে বিনেৰ অভীক্ষাৰ ভাষাভিত্তিক প্ৰৱণতাক বিশেষ ভাবে সমালোচনাও কৰিছিল। ভাষাগত দুৰ্বলত থকা লোকসকলৰ ক্ষেত্ৰত এই অভীক্ষাসমূহ প্ৰয়োগ কৰিব পৰা নাযায়। গতিকে মনোবিদসকলে এই ভাষাগত বা ভাষিক অভীক্ষাসমূহৰ বিকল্প হিচাপে আয় অভীক্ষাৰ প্ৰয়োজন অনুভৱ কৰিছিল। এই বিকল্প ব্যৱস্থা হিচাবে বিভিন্ন আকাৰ, নক্সা, চিত্ৰ ক্ৰম ইত্যাদি ব্যৱহাৰ কৰা হয়। ইয়াত অভীক্ষার্থীয়ে গ্ৰাফ অংকন কৰা, ক্ৰম মিলোৱা, নক্সা প্ৰস্তুত কৰা ইত্যাদি কার্য কৰিব লগা হয়। এই অভীক্ষাসমূহত নির্দেশ দিবৰ বাবে ভাষা ব্যৱহাৰ কৰিলেও অভীক্ষার্থীয়ে উত্তৰ দিবৰ বাবে ভাষা ব্যৱহাৰ নকৰে। কিন্তু এই অভীক্ষাসমূহত অভীক্ষার্থীয়ে কাগজ কলম (paper-pencil) ব্যৱহাৰ কৰে। ৰেভেনচ প্ৰগ্ৰেচিভ মেট্ৰিকচ, চিকাগো অভাষিক অভীক্ষা, আৰ্মি বিটা অভীক্ষা ইত্যাদি অভীক্ষাসমূহ ভাষাবিহীন অভীক্ষাৰ উদাহৰণ।

১১.৪.২.৩ সম্পাদনী অভীক্ষা (Performance Test)

সম্পাদনী অভীক্ষাসমূহ প্ৰকৃতপক্ষে ভাষাবিহীন বা অভাষিক অভীক্ষা। এই সম্পাদনী অভীক্ষাৰ ক্ষেত্ৰত কোনো মূৰ্তবস্তুৰ ব্যৱহাৰ কৰি অভীক্ষার্থীয়ে কোনো সমস্যা সমাধান কৰে। এই অভীক্ষাসমূহত সাধাৰণতে ব্যৱহৃত সমস্যাসমূহ হৈছে— ছবি সম্পূৰ্ণ কৰা, এখন ছবি চাই আন এখন ছবি সজোৱা, কিছুমান ব্লক দি নক্সা তৈয়াৰ কৰা, কাঠৰ বোৰ্ডত কিছুমান বিভিন্ন আকাৰৰ ব্লক সজোৱা, বেহুৰ মাজত পথ বিচাৰি উলিওৱা, সংখ্যা প্ৰতীক ইত্যাদি। এই অভীক্ষাসমূহত অভীক্ষকে আকাৰে-ইংগিতে নির্দেশ কৰে।

কিন্তু কার্যত ঃ দেখা যায় যে কাগজ-কলমনির্ভৰ ভাষাবিহীন অভীক্ষা আৰু সম্পাদনী অভীক্ষাৰ মাজত সীমাৰেখা খুব স্পষ্ট নহয়। অনেক কাগজ-কলম নির্ভৰ ভাষাবিহীন অভীক্ষা মূৰ্ত বস্তু ব্যৱহাৰ কৰাৰ প্ৰয়োজন হয়।

আনহাতে সম্পাদনী অভীক্ষাতো কাগজ-কলম ব্যৱহাৰ কৰিব লগা নহয়। সেয়েহে বৰ্তমান সম্পাদনী অভীক্ষা বুলি কওঁতে মূৰ্তধৰ্মী আৰু চিত্ৰধৰ্মী উভয় প্ৰকাৰৰ ভাষাবৰ্জিত অভীক্ষাক বুজোৱা হয়। অৰ্থাৎ ভাষাবৰ্জিত বুলি কওঁতে মূৰ্তধৰ্মী আৰু চিত্ৰধৰ্মী উভয় প্ৰকাৰৰ ভাষাবৰ্জিত অভীক্ষাক বুজোৱা হয়। অৰ্থাৎ ভাষাবৰ্জিত অভীক্ষাসমূহকে আজিকালি সম্পাদনী অভীক্ষা বুলি কোৱা হয়। গতিকে, যিবিলাক অভীক্ষাৰ প্ৰাপ্ত মানাংকসমূহ ব্যক্তিৰ ভাষাগত দক্ষতাৰ দ্বাৰা প্ৰভাৱিত নহয়, কেৱল কৰ্মদক্ষতাৰ দ্বাৰা প্ৰভাৱিত হয়, তাকে সম্পাদনী অভীক্ষা বুলি কোৱা হয়। (Performance tests are those wherein the scores are affected by the examinee's over skill and not by his verbal skill.) সংক্ষেপে ক'ব পৰা যায় যে যিবিলাক অভীক্ষাই অভীক্ষাৰ্থীসকলৰ ক্ষেত্ৰত বাস্তৱ কৰ্মভিত্তিক প্ৰতিক্ৰিয়া সৃষ্টি কৰিবলৈ সক্ষম হয়, তাকে সম্পাদনী অভীক্ষা বুলি কোৱা হয়। (Test which evoke motor or manual responces in the individual are called performance test) সাধাৰণত বৈশিষ্ট্যৰ দিশৰ পৰা দেখা যায় যে—

- সম্পাদনী অভীক্ষাত কিছুমান নিৰ্দিষ্ট কাৰ্যক প্ৰশ্ন পদ হিচাপে ব্যৱহাৰ কৰা হয়।
- সাধাৰণতে এই অভীক্ষাসমূহত কোনো মূৰ্ত বস্তু ব্যৱহাৰ কৰি বা চিত্ৰ ধৰ্মী কাৰ্যক সাহায্যত প্ৰদত্ত সমস্যা সমাধান কৰে।
- এই অভীক্ষাসমূহত অভীক্ষকে ভাষা ব্যৱহাৰ কৰি অথবা আকাৰে-ইংগিতে অভীক্ষাৰ্থীক নিৰ্দেশ দিয়ে। কিন্তু অভীক্ষাৰ্থীয়ে উত্তৰ দানৰ বাবে ভাষা ব্যৱহাৰ নকৰে।

সম্পাদনী অভীক্ষাৰ প্ৰয়োজনীয়তা (Uses of Performance Test) ঃ

সাধাৰণতে ভাষাভিত্তিক অভীক্ষাসমূহৰ বিকল্প হিচাপে সম্পাদনী অভীক্ষাসমূহ তৈয়াৰ কৰা হৈছিল। এই অভীক্ষাসমূহৰ মূল প্ৰয়োজনীয়তাসমূহ হৈছে—

১। সাধাৰণতঃ যিসকল অভীক্ষাৰ্থীৰ ভাষাগত দক্ষতা কম বা মূক-বধিৰ, তেওঁলোকৰ বিভিন্ন মানসিক বৈশিষ্ট্য পৰিমাপ কৰিবৰ বাবে এই সম্পাদনী অভীক্ষাসমূহ ব্যৱহাৰ কৰা হয়।

২। সম্পাদনী অভীক্ষাসমূহৰ দ্বাৰা অভীক্ষাৰ্থীৰ ব্যৱহাৰিক জ্ঞান সম্পৰ্কে জানিব পৰা যায়। বুদ্ধিৰ ক্ৰিয়াশীল দিশটো এই অভীক্ষাসমূহৰ মাজেৰে প্ৰকাশ পায়।

৩। এই অভীক্ষাসমূহৰ দ্বাৰা অভীক্ষাৰ্থীৰ মানসিক সংগঠনৰ বিষয়ে জানিব পৰা যায়। বিশেষ মানসিক অসুস্থতাৰ বাবে ব্যক্তিৰ বিশেষ ধৰণৰ কৰ্ম সম্পাদন কৰে। কৰ্ম সম্পাদনৰ প্ৰকৃতি লক্ষ্য কৰি অভীক্ষকে অভীক্ষাৰ্থীৰ মানসিক সংগঠনৰ প্ৰকৃতিৰ বিষয়ে জানিব পাৰে।

৪। সম্পাদনী অভীক্ষাসমূহৰ দ্বাৰা মূৰ্ত বুদ্ধি পৰিমাপ কৰা যায়।

৫। জড় বুদ্ধি বা ক্ষীণ বুদ্ধিৰ শিশুৰ ক্ষেত্ৰত এই অভীক্ষা প্ৰয়োগ কৰিব পৰা যায়। সম্পাদনী অভীক্ষাসমূহ ভাষাভিত্তিক অভীক্ষাৰ বিকল্প হিচাপে সৃষ্টি হ'লেও এই অভীক্ষাসমূহে ভাষাভিত্তিক অভীক্ষাসমূহৰ সমান যোগ্যতাৰে বুদ্ধি পৰিমাপ কৰিব নোৱাৰে। বিভিন্ন পৰীক্ষাৰ দ্বাৰা প্ৰমাণ হৈছে যে ভাষাভিত্তিক অভীক্ষাৰ ফলাফল আৰু সম্পাদনী ফলাফলৰ মাজত সহসম্বন্ধৰ মানাংক খুবেই কম।

(১) বিভিন্ন বিশ্লেষণৰ পৰা মনোবিদসকলে মত পোষণ কৰিছে যে এই অভীক্ষাসমূহে (ক) স্থান প্ৰত্যক্ষণৰ

ক্ষমতা (Spatial ability), (খ) পেশী সঞ্চালনৰ ক্ষমতা (Muscular movement), (গ) দেহ সঞ্চালনমূলক সমন্বয় ক্ষমতা (Sensory motor coordination), (ঘ) প্রতিক্রিয়াৰ ক্ষীপ্রতা (Speed of reaction) সমন্বয় ক্ষমতা ইত্যাদি উপাদানসমূহ পৰিমাপ কৰিব পাৰে। এই সীমিত ক্ষমতাসমূহৰ ভিত্তিত সাধাৰণ মানসিক শক্তিক পৰিপূর্ণভাৱে পৰিমাপ কৰিব নোৱাৰে। (২) সম্পাদনী অভীক্ষাত উত্তৰদানৰ ক্ষীপ্রতাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। গতিকে ইয়াৰ প্রাপ্ত মানাংকসমূহৰ ক্ষীপ্রতাৰ উপাদানৰ দ্বাৰা প্রভাৱিত হয়। (৩) আনহাতে, এই অভীক্ষাসমূহ বয়স্কৰসকলৰ বুদ্ধি পৰিমাপৰ ক্ষেত্রত বিশেষ কার্যকৰী নহয়। সেয়া হ'লেও এই অভীক্ষাসমূহৰ সীমাবদ্ধতাসমূহৰ প্রতি সচেতন থাকিও অন্যান্য পৰিমাপ কৌশল পৰিপূৰক হিচাপে এই সম্পাদনী অভীক্ষাসমূহ ব্যৱহাৰ কৰিলে অভীক্ষার্থীৰ বুদ্ধি সম্পর্কে অনেক গুৰুত্বপূর্ণ তথ্য সংগ্রহ কৰিব পৰা যায়।

মানবিক পৰিমাপৰ বাবে বর্তমান এই জাতীয় বহু প্রতিমানীকৃত অভীক্ষা ব্যৱহাৰ কৰা হয়। এই অভীক্ষাসমূহৰ কিছুমান ব্যক্তিগতভাৱে আৰু আন কিছুমান দলগতভাৱে প্রয়োগ কৰা হয়। বৌদ্ধিক যোগ্যতা পৰিমাপৰ বাবে সমগ্র পৃথিৱীতে নানা ধৰণৰ সম্পাদানী অভীক্ষা প্রস্তুত কৰা হৈছিল। যেনে— আলেকজেণ্ডাৰ পাছএলং অভীক্ষা (Alexander's passalong test) ক'হৰ ব্লক ডিজাইন অভীক্ষা (Koh's Block design test) , নক্সৰ কিউৰ কনষ্ট্রাকছন অভীক্ষা ((Knoz's cube construction test) হিলিৰ পাজ্‌ল অভীক্ষা (Healy's puzzle test) ইত্যাদি। ভাৰতবর্ষতো নানা প্রকাৰৰ সম্পাদনী অভীক্ষা মনোবিদসকলে প্রস্তুত কৰি উলিয়াইছে। এই অভীক্ষাসমূহৰ ভিতৰত এটা উল্লেখযোগ্য অভীক্ষা হ'ল ভাটিয়া সম্পাদন অভীক্ষা (Bhatia performance test)।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৭ঃ খালী ঠাই পূৰণ কৰক—

(ক) অভীক্ষার্থীয়ে ভাষামূলক ক্ষমতাৰ সহায়ত প্রতিক্রিয়া প্রদান কৰা অভীক্ষাক ..... অভীক্ষা বুলি কোৱা হয়।।

(খ) ভাষাৰ সাহার্য গ্রহণ নকৰাকৈ কাগজ-কলমৰ ব্যৱহাৰ কৰা অভীক্ষাসমূহক ..... অভীক্ষা বুলি কোৱা হয়।

(গ) সম্পাদনী অভীক্ষাত অভীক্ষার্থীয়ে ..... ৰ দ্বাৰা প্রতিক্রিয়া প্রদর্শন কৰে।

প্রশ্ন নং ৮ ঃ সম্পাদনী অভীক্ষাৰ দুটা সুবিধা উল্লেখ কৰক।

প্রশ্ন নং ৯ ঃ ভাষাগত, ভাষাবিহীন আৰু সম্পাদনী অভীক্ষাৰ একোটাকৈ উদাহৰণ দিয়ক।

১১..৫ নির্দেশনা আৰু পৰামর্শদানত অভীক্ষাৰ ব্যৱহাৰ (USE OF PSYCHOLOGICAL TESTS IN GUIDANCE AND COUNSELLING)

নির্দেশনা আৰু পৰামৰ্শদান প্ৰক্ৰিয়াত বিভিন্ন উদ্দেশ্যৰে মনোবৈজ্ঞানিক অভীক্ষাসমূহ ব্যৱহাৰ কৰা হয়। তলত ইয়াৰ কেইটামান গুৰুত্বপূৰ্ণ দিশ উল্লেখ কৰা হ'ল—

(১) পৰামৰ্শ প্ৰদানকাৰীয়ে পৰামৰ্শগ্ৰহণকাৰীৰ সামৰ্থ, সম্ভাৱনা আগ্ৰহ, মনোভাব, ব্যক্তিত্ব প্ৰভৃতিৰ মানসিক বৈশিষ্ট্যসমূহৰ বিষয়ে বিভিন্ন তথ্য সংগ্ৰহৰ বাবে এই মনোবৈজ্ঞানিক অভীক্ষাসমূহ ব্যৱহাৰ কৰে। এই অভীক্ষাসমূহে পৰামৰ্শ গ্ৰহণ কৰা ব্যক্তিসকলকো আত্মবোধ প্ৰদান কৰে।

(২) পৰামৰ্শ গ্ৰহণকাৰী বা শিক্ষাৰ্থীসকলৰ শিক্ষাক্ষেত্ৰ বা কৰ্মক্ষেত্ৰত ভৱিষ্যৎ কৃতকাৰ্যতাৰ বা পাৰদৰ্শিতাৰ সম্ভাৱনীয়তা নিৰ্ণয়কৰণৰ ক্ষেত্ৰতো মনোবৈজ্ঞানিক অভীক্ষাসমূহৰ ব্যৱহাৰ কৰা হয়। অৰ্থাৎ ব্যক্তিৰ সুপ্ত হৈ থকা সম্ভাৱনীয়তাসমূহৰ উমান পাবৰ বাবে এই অভীক্ষা সমূহৰ ব্যৱহাৰ আৱশ্যক হয়।

(৩) পৰামৰ্শ গ্ৰহণকাৰী ব্যক্তিৰ শৈক্ষিক অথবা বৃত্তিমূলক পৰিকল্পনা গ্ৰহণত সহায়ৰ কৰাৰ ক্ষেত্ৰতো মানসিক অভীক্ষাসমূহ ব্যৱহাৰ কৰা হয়। অৰ্থাৎ এই অভীক্ষাসমূহৰ ভিত্তিত ব্যক্তিয়ে নিজৰ সফলতা আৰু দুৰ্বলতা সম্পৰ্কে জ্ঞাত হ'ব পাৰে আৰু ইয়াৰ লগত সংগতি ৰাখি ভৱিষ্যৎ শৈক্ষিক আৰু বৃত্তিমূলক পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে।

(৪) এই অভীক্ষাসমূহৰ প্ৰাপ্ত তথ্যৰ ভিত্তিত পৰামৰ্শ প্ৰদানকাৰীয়ে ব্যক্তিৰ বিভিন্ন সমস্যামূলক আচৰণৰসমূহ নিৰ্ণয় কৰাৰ লগতে এই সমস্যাসমূহৰ সমাধান সূত্ৰও নিৰ্ধাৰণ কৰিব পাৰে।

(৫) পৰামৰ্শদান প্ৰক্ৰিয়াত পৰামৰ্শদান কাৰ্যৰ পূৰ্বতে আৰু পৰামৰ্শ প্ৰদানৰ অন্তত সাধাৰণতে এই মনোবৈজ্ঞানিক অভীক্ষাসমূহ প্ৰয়োগ কৰা হয়। এই দুয়ো স্তৰত অভীক্ষাসমূহৰ পৰা প্ৰাপ্ত তথ্যৰ তুলনা কৰি পৰামৰ্শ প্ৰদানকাৰীয়ে পৰামৰ্শ প্ৰদান কাৰ্যৰ সফলতা বিফলতাৰ মূল্যায়ন কৰে।

১১.৬ নিৰীক্ষণ বা পৰ্যবেক্ষণ পদ্ধতি

আচৰণৰ গুণগত মান নিৰূপণৰ ক্ষেত্ৰত বহুলভাৱে ব্যৱহৃত পদ্ধতি হৈছে নিৰীক্ষণ বা পৰ্যবেক্ষণ পদ্ধতি। এই পদ্ধতিত প্ৰদৰ্শিত আচৰণৰ বাস্তৱ অধ্যয়নৰ গুপৰত গুৰুত্ব প্ৰদান কৰা হয়। সাধাৰণভাবে কোনো বিষয় বা বস্তু সম্পৰ্কে প্ৰত্যক্ষ ইন্দ্ৰিয় অনুভূতিৰ দ্বাৰা তথ্য সংগ্ৰহৰ প্ৰক্ৰিয়াক নিৰীক্ষণ বুলি কোৱা হয়। মনোবিজ্ঞানত ব্যক্তিৰ আচৰণৰ বাহ্যিক ৰূপটো হৈছে আচৰণৰ পৰ্যবেক্ষণৰ বিষয়বস্তু।

পৰ্যবেক্ষণ পদ্ধতিত এজন ব্যক্তিৰ আচৰণ আন এজন ব্যক্তিৰ দ্বাৰা লক্ষ্য কৰা হয়। অৰ্থাৎ এই পদ্ধতিত এজন ব্যক্তিয়ে প্ৰদৰ্শন কৰা আচৰণৰ আন এজন ব্যক্তিৰ দ্বাৰা বাস্তৱ পৰিস্থিতিত প্ৰত্যক্ষ কৰা হয়, বিশ্লেষণ কৰা হয় আৰু আচৰণৰ তাৎপৰ্য ব্যাখ্যা কৰা হয়। ব্যক্তিৰ বাহ্যিক আচৰণৰ এই পৰ্যবেক্ষণৰ ভিত্তিত আচৰণ সম্পৰ্কে বিভিন্ন সিদ্ধান্তসমূহ গ্ৰহণ কৰা হয়। মুঠতে এই পদ্ধতিত নিয়ন্ত্ৰিত বা কৃত্ৰিম পৰিৱেশৰ পৰিবৰ্তে স্বাভাৱিক ৰূপত ব্যক্তি অভিব্যক্ত আচৰণৰ অধ্যয়ণ কৰা হয়। মুঠতে এই পদ্ধতিত নিয়ন্ত্ৰিত বা কৃত্ৰিম পৰিৱেশৰ পৰিবৰ্তে স্বাভাৱিক ৰূপত ব্যক্ত অভিব্যক্ত আচৰণ অধ্যয়ন কৰা হয়। এই পদ্ধতিৰ অন্তৰালত ক্ৰিয়াশীল মূল বৈজ্ঞানিক ভিত্তি হ'ল যে ব্যক্তিৰ মানসিক অৱস্থাসমূহ তেওঁৰ বাহ্যিক আচৰণৰ যোগেদি প্ৰকাশ হয়। ফলত এই বাহ্যিক আচৰণৰসমূহে মনৰ বিভিন্ন

অৱস্থাসমূহ প্ৰতিফলিত কৰে। উদাহৰণ স্বৰূপে এজন ব্যক্তিৰ মুখৰ অভিব্যক্তি দেখিয়েই তেওঁৰ মনৰ খং, ভয়, আশংকা, বেজাৰ, বিৰক্তি আদি অৱস্থাসমূহৰ বিষয়ে জানিব পাৰি। এই পদ্ধতি আচৰণ অধ্যয়নৰ এক পৰোক্ষ পদ্ধতি। নির্দেশনা আৰু পৰামৰ্শদান প্ৰক্ৰিয়াত সংশ্লিষ্ট ব্যক্তিৰ আচৰণৰ অধ্যয়নৰ ক্ষেত্ৰত ই এটা গুৰুত্বপূৰ্ণ পদ্ধতি। এই পদ্ধতিৰ সাহায্যত ব্যক্তিৰ আচৰণৰ সম্পৰ্কীয় অনেক গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰিব পৰা যায়। ইয়াত পৰামৰ্শ প্ৰদানকাৰীয়ে প্ৰতিজন ব্যক্তিক এককভাবে পৰ্যবেক্ষণ কৰে।

কিন্তু এই প্ৰসংগত উল্লেখযোগ্য যে বৈজ্ঞানিক পদ্ধতিৰ শাৰীলৈ উন্নীত হ'বৰ বাবে নিৰীক্ষণ বা পৰ্যবেক্ষণ উদ্দেশ্যভিত্তিক, প্ৰণালীবদ্ধ আৰু অভিজ্ঞ ব্যক্তিৰ দ্বাৰা পৰিচালিত হ'ব লাগিব। তেতিয়াহে পৰ্যবেক্ষণৰ বৈধতা নির্ভৰযোগ্যতা আৰু বস্তুনিষ্ঠতা গ্ৰহণযোগ্য হ'ব। আকৌ, উদ্দেশ্যবিহীন আৰু অপৰিকল্পিত পৰ্যবেক্ষণ বা নিৰীক্ষণ বিজ্ঞানসন্মত হ'ব নোৱাৰে। গতিকে পৰ্যবেক্ষণৰ বাবে এক সুনির্ধাৰিত আৰু পূৰ্ব নির্ধাৰিত পৰিকল্পনাৰ প্ৰয়োজন । এই ক্ষেত্ৰত প্ৰথমে পৰ্যবেক্ষণপৰ বাবে নির্ধাৰিত আচৰণৰ এটা সঠিক সংজ্ঞা নির্ণয় কৰিব লাগে। ইয়াৰ লগত পৰ্যবেক্ষণৰ সময়সীমা, পৰিস্থিতি আৰু এই আচৰণৰ লগত জড়িত অন্যান্য বিশেষ প্ৰতিক্ৰিয়াসমূহ চিনাক্ত কৰিব লাগে। প্ৰয়োজনবোধে অধ্যয়ন কৰিব খোজা আচৰণৰ সাধাৰণ প্ৰতিমান সম্পৰ্কেও নিৰীক্ষণকাৰী বা পৰ্যবেক্ষণকাৰী অৱগত হ'ব লাগে।

নির্দেশনা আৰু পৰামৰ্শদান প্ৰক্ৰিয়াত এই পৰ্যবেক্ষণ ব্যৱস্থাই বিভিন্ন ধৰণেৰে সহায় কৰে। প্ৰাৰম্ভিক অৱস্থাত আচৰণৰ পৰ্যবেক্ষণৰ যোগেদি পৰ্যবেক্ষণকাৰীয়ে পৰামৰ্শ প্ৰদান কৰা ব্যক্তিগৰাকীৰ বা শিক্ষাৰ্থীগৰাকীৰ সবলতা বা দুৰ্বলতাসূচক দিশসমূহৰ বিষয়ে জ্ঞাত হ'ব পাৰে। ইয়াৰ ওপৰত ভিত্তি কৰি তেওঁ ব্যক্তিক অধ্যয়নৰ পৰিকল্পনা প্ৰস্তুত আৰু নির্ধাৰিত সমস্যাৰ সমাধানৰ বাবে নির্ধাৰিত সিদ্ধান্ত গ্ৰহণ কৰে। শিক্ষা পৰিৱেশনত এগৰাকী শিক্ষক বা নির্দেশনা প্ৰদানকাৰীয়ে শিক্ষাৰ্থীৰ সংজ্ঞানাত্মক, আবেগিক আৰু মনোসঞ্চালনমূলক বিকাশ সামগ্ৰিকভাৱে বিচাৰ কৰিবৰ বাবে পৰ্যবেক্ষকৰ সাহায্য গ্ৰহণ কৰে।

১১.৭ সাক্ষাৎকাৰ পদ্ধতি

ব্যক্তিৰ আচৰণৰ অধ্যয়নৰ বাবে গুণগত পদ্ধতি হিচাপে সাক্ষাৎকাৰ পদ্ধতি প্ৰয়োগ কৰা হয়। ব্যক্তিৰ পোনপটীয়াভাবে সাক্ষাৎ কৰি বার্তালাপৰ যোগেদি তথ্য সংগ্ৰহ কৰাৰ ব্যৱস্থাক সাক্ষাৎকাৰ পদ্ধতি বুলি কোৱা হয়। এই পদ্ধতিত অভীক্ষক আৰু অভীক্ষার্থীৰ মাজত এক প্ৰত্যক্ষ সম্পৰ্ক স্থাপিত হয়। এই ক্ষেত্ৰত মনোবিজ্ঞানী বা পৰীক্ষকৰ কাম হ'ল ব্যক্তি বা পৰীক্ষার্থীক কিছুমান প্ৰশ্ন সোধা। এই প্ৰশ্নসমূহ স্বাভাৱিকতেই উদ্দেশ্যমুখী। ব্যক্তিৰ আচৰণৰ নির্ধাৰিত দিশৰ সম্ভেদ লাভৰ বাবে এই প্ৰশ্নসমূহৰ অৱতাৰণা কৰা হয়। মূলত ঃ ব্যক্তিৰ আচৰণৰ লগত জড়িত আবেগ অনুভূতি, চিন্তা ইত্যাদি দিশসমূহ, যিবিলাক প্ৰত্যক্ষভাবে পৰ্য্যবেক্ষণ কৰিব নোৱাৰি, সেই দিশসমূহ অধ্যয়নৰ বাবে এই সাক্ষাৎকাৰসমূহৰ উদ্দেশ্য হৈছে পৰিচিতিমূলক আৰু মূল্যায়নমূলক। এই পদ্ধতিত সাক্ষাৎ গ্ৰহণকাৰীৰ লগত ব্যক্তিৰ এক ঘনিষ্ঠ সম্পৰ্ক স্থাপন হয় সাক্ষাৎকাৰ গ্ৰহণৰ পৰিৱেশ সহজ আৰু মুক্ত হোৱা দৰকাৰ। সাধাৰণতে সাক্ষাৎ গ্ৰহণ প্ৰক্ৰিয়া তিনিটা পৰ্যায়ৰ মাজেৰে সম্পাদিত হয়। যেনে—

- ব্যক্তিৰ লগত সাক্ষাৎ গ্রহণকাৰীৰ আত্মীয়তাপূর্ণ সম্পর্ক স্থাপন আৰু উদ্দেশ্য ব্যাখ্যা
- তথ্যৰ সংগ্রহকৰণ আৰু
- তথ্যৰে সংক্ষিপ্তকৰণ বা সাৰাংশ নির্ধাৰণ।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ সাক্ষাৎকাৰ পদ্ধতি কি?

১১.৮ জীৱনৰ ঘটনা প্রবাহ অধ্যয়নৰ পদ্ধতি

ব্যক্তি আচৰণৰ বিষয়ে তথ্য সংগ্রহৰ বাবে ব্যৱহৃত জীৱনৰ ঘটনা প্রৱাহ অধ্যয়নৰ পদ্ধতি মূলতঃ বহিঃ পর্যবেক্ষণকৌশল নির্ভৰ এক পদ্ধতি। মনোবিদসকলে মত পোষণ কৰে যে ব্যক্তিৰ আচৰণ সম্পর্কে অধ্যয়ন কৰিবলৈ যাওঁতে আচৰণৰ বিভিন্ন পৰিৱেশ আৰু পৰিস্থিতিৰ পৰিপ্রেক্ষিতত সামগ্রিকভাৱে বিচাৰ বিবেচনা কৰাৰ প্রয়োজন। সেয়েহে, এই ক্ষেত্রত সংগৃহীত বিভিন্ন তথ্যসমূহ ব্যক্তি জীৱনৰ বিভিন্ন ক্ষেত্রৰ পৰা সংগ্রহ কৰাৰ প্রয়োজন হয়। তাৎক্ষণিক কোনো ঘটনাৰ পৰিপ্রেক্ষিতত মানুহৰ আচৰণৰ বিচাৰ কৰাটো যুক্তিসংগত নহয়। গতিকে ব্যক্তিৰ আচৰণৰ অধিক বাস্তৱসন্মত আৰু নির্ভৰযোগ্যভাৱে ব্যাখ্যা কৰিবলৈ যাওঁতে ব্যক্তিৰ বর্তমান আৰু অতীত জীৱনৰ বিভিন্ন ঘটনাপ্রৱাহক সুক্ষ্মভাৱে বিচাৰ বিবেচনা কৰাৰ প্রয়োজন হয়। এইদৰে ব্যক্তিৰ জীৱনৰ বিভিন্ন পৰিস্থিতিৰ বিভিন্ন ঘটনা প্রৱাহৰ পৰিপ্রেক্ষিতত ব্যক্তি সম্পর্কে বিভিন্ন তথ্য সংগ্রহ কৰি ব্যক্তিৰ আচৰণৰ পূর্ণাংগ ৰূপত অধ্যয়নৰ পদ্ধতিকে কেচহিষ্ট্রি বা জীৱনৰ ঘটনা প্রৱাহ অধ্যয়নৰ পদ্ধতি বুলি কোৱা হয়। এই পদ্ধতিত মূলতঃ কোনো সমস্যামূলক আচৰণৰ কাৰণ উদ্‌ঘাটনৰ ওপৰত গুৰুত্ব দিয়া হয়। এই পদ্ধতিত আচৰণৰ অধ্যয়ন কৰোতে বিভিন্ন প্রকাৰৰ সাহার্য গ্রহণ কৰা হয়। সেইবাবে জীৱনৰ ঘটনা প্রৱাহৰ অধ্যয়নৰ পদ্ধতিক এক বিশ্লেষণাত্মক সামগ্রিক তথ্য সংগ্রহৰ পদ্ধতি হিচাপে বিবেচনা কৰা হয়।

এই পদ্ধতিত তথ্যসমূহ মূলতঃ পৰোক্ষ বা বহিঃপর্যবেক্ষনৰ দ্বাৰা সংগ্রহ কৰা হয়। সাধাৰণতে মানসিক ৰোগ আৰু অপসংগতিমূলক আচৰণৰ কাৰণ নিবাৰণৰ বাবে এই পদ্ধতি ব্যৱহাৰ কৰা হয়। সেইবাবে অনেকে ইয়াক চিকিৎসামূলক পদ্ধতি (Clinical Method) হিচাপে বিবেচনা কৰে। অৱশ্যে স্বাভাৱিক ব্যক্তিৰ আচৰণ অধ্যয়নৰ ক্ষেত্রতো ইয়াক ব্যৱহাৰ কৰা হয়। পৰামর্শদান প্রক্রিয়াত পৰামর্শ প্রদানকাৰীয়ে ব্যক্তিৰ সমস্যা সম্পর্কত সমন্বিত আৰু সংক্ষেপিত তথ্য লাভ কৰিবৰ বাবে এই পদ্ধতিৰ সাহার্য গ্রহণ কৰে আৰু এই তথ্যৰ ভিত্তিত সমস্যা প্রকৃত ভিত্তি বিচাৰ কৰে।

এই পদ্ধতিৰ মূল বৈশিষ্ট্যসমূহ হৈছে—

- জীৱনৰ ঘটনা প্রৱাহ অধ্যয়নৰ পদ্ধতি ব্যক্তি জীৱনৰ অতীত, বর্তমান আৰু ভৱিষ্যৎ এই তিনিওটা দিশৰ লগত জড়িত।
- এই পদ্ধতিত ব্যক্তি জীৱনৰ বিভিন্ন পৰিস্থিতিৰ লগত জড়িত ঘটনাৱলী সংগ্রহ কৰি একত্রিত কৰি বিচাৰ

কৰা হয় আৰু পিছত এই ঘটনাৱলী বর্তমান সমস্যাৰ লগত কেনেদৰে সংযুক্ত হৈ আছে তাক বিচাৰ কৰি চোৱা হয়।

- এই পদ্ধতিত ব্যক্তিৰ সম্পর্কে নানা বিষয়ক তথ্য সংগ্রহ কৰা হয়। ইয়াৰ ভিতৰত শাৰীৰিক অৱস্থা, পাৰিবাৰিক অৱস্থা অথবা পৰিৱেশীয় অৱস্থা, বৌদ্ধিক, আৱেগিক, শৈক্ষিক, অর্থনৈতিক আদি উল্লেখযোগ্য।
- ব্যক্তিৰ সম্পর্কে বিভিন্ন তথ্যসমূহ সংগ্রহ কৰিবলৈ যাঁওতে বিভিন্ন আহিলা আৰু কৌশল প্রয়োগ কৰা হয়। এই আহিলাসমূহৰ দ্বাৰা সংগৃহীত তথ্যসমূহ বিশ্লেষণ আৰু ধাৰণা গঠন কৰা হয়।
- এই পদ্ধতিৰ প্রাপ্ত তথ্যৰ ভিত্তি গ্রহণ কৰা সিদ্ধান্তৰ ভিত্তিত ব্যক্তিগৰাকীয়ে সন্মুখীন হোৱা সমস্যাৰ প্রতিকাৰৰ বাবে পৰিকল্পনা প্রস্তুত কৰা হয়।

১১.৯ সামাজিক সম্পর্ক অধ্যয়ন বা সমাজমিত্রি পদ্ধতি

ব্যক্তিৰ আচৰণৰ অধিকাংশ সামাজিক প্রভাৱৰ দ্বাৰা নির্ধাৰিত হয়। অর্থাৎ ব্যক্তিয়ে যি সামাজিক পৰিৱেশত বাস কৰে সেই পৰিৱেশক অন্তর্ভুক্ত অন্য ব্যক্তিসকলে তেওঁৰ আচৰণৰ ওপৰত গুৰুত্বপূর্ণভাবে প্রভাৱ বিস্তাৰ কৰে। গতিকে কোনো বিশেষ সামাজিক বা দলীয় পৰিস্থিতিত ব্যক্তিয়ে কি ধৰণেৰে সামাজিক সম্পর্ক স্থাপন কৰে তাক বিশ্লেষণ কৰি ব্যক্তিৰ আচৰণৰ প্রকৃতি সম্পর্কে জানিব পৰা যায়। এই নীতিৰ ওপৰত ভিত্তি কৰিয়েই ব্যক্তিৰ আচৰণৰ মান ধার্যকৰণ প্রক্রিয়াত সামাজিক সম্পর্ক অধ্যয়ন পদ্ধতি বা সমাজমিত্রী পদ্ধতি ব্যৱহাৰ কৰা হয়। ব্যক্তিৰ দায়িত্ববোধ, সামাজিকতা, নেতৃত্ব প্রভৃতিৰ অনেক সামাজিক সংলক্ষণ এই সামাজমিত্রি পদ্ধতিৰ দ্বাৰা পৰিমাপ বা মূল্যায়ন কৰিব পৰা যায়।

এই সামাজিক সম্পর্ক অধ্যয়ন বা সামাজমিত্রি পদ্ধতি হৈছে একোটা দলত ইয়াৰ অন্তর্ভুক্ত সদস্যসকলৰ মাজৰ পাৰস্পৰিক সামাজিক গ্রহণযোগ্যতা বা অগ্রহণযোগ্যতা।

অধ্যয়নৰ ভিত্তিত ব্যক্তিৰ সামাজিক সংলক্ষণ আৰু দলৰ সামাজিক সংগঠন অধ্যয়নৰ পদ্ধতি। মূল্যায়ন কৰা এক কৌশল। গতিকে ই মূলতঃ সামাজিক সম্পর্ক অধ্যয়নৰ পদ্ধতি। নির্ধাৰিত চর্তৰ পৰিপ্রেক্ষিতত এই পদ্ধতিত একোজন ব্যক্তিৰ দলীয় পৰিস্থিতি সম্পর্কে গ্রহণযোগ্যতা নির্ণয় কৰা হয়। এই পদ্ধতি প্রয়োগ কৰি একোটা দলত এজন ব্যক্তিৰ সম্পর্কে দলৰ আন সদস্যসকলে কিদৰে ভাৱে বা তেওঁক কেনেদৰে গ্রহণ কৰে সেই সম্পর্কে জানিব পৰা যায়।

এই পদ্ধতি অতি সহজ। ইয়াত দলীয় সদস্যসকলক দলত তেওঁলোকৰ পাৰস্পৰিক পচন্দ বা অপচন্দ সম্পর্কে জানিবৰ বাবে নির্ধাৰিত উদ্দেশ্যৰ পৰিপ্রেক্ষিতত দলৰ সদস্যসকলৰ মাজৰ পৰা কাক পচন্দ কৰে বা কাক পচন্দ নকৰে তেওঁৰ সম্পর্কে প্রশ্ন কৰা হয়। এই ক্ষেত্রত সাধাৰণতে বিভিন্ন সামাজিক পৰিস্থিতিত দলীয় সদস্যসকলৰ মাজৰ পৰা তেওঁলোকৰ প্রথম, দ্বিতীয় আৰু তৃতীয় পচন্দ সম্পর্কে মতামত ব্যক্ত কৰিবলৈ কোৱা হয়। উদাহৰণস্বৰূপে— শ্রেণীত বহোতে বা বাছত বহোতে তুমি তোমাৰ লগৰীয়াসকলৰ মাজৰ কাৰ কাৰ লগত বহিবলৈ পচন্দ কৰা? অথবা "তোমালোকৰ শ্রেণীত কাক তুমি নেতা হিচাপে নির্বাচন কৰিব খোজা? তিনিজনৰ নাম

উল্লেখ কৰা" ইত্যাদি ।

এই পদ্ধতিত ব্যক্তিৰ পচন্দ জুখিবলৈ প্রশ্ন ধনাত্মক আৰু অপচন্দ জুখিবৰ বাবে ঋণাত্মক প্রশ্ন উপস্থাপন কৰা হয়। কিন্তু বিশেষজ্ঞসকলৰ মতে যথাসম্ভৱ ঋণাত্মক প্রশ্ন বর্জন কৰা উচিত। সেইদৰেই পচন্দৰ পৰিসৰো প্রথম, দ্বিতীয়, আৰু তৃতীয় পচন্দত সীমিত হ'ব লাগে। বিভিন্ন সামাজিক পৰিস্থিতিৰ সম্পর্কত ব্যক্তিৰ আন ব্যক্তিৰ সম্পর্কত পচন্দ বা অপচন্দ সম্পর্ক সংগ্রহ কৰা তথ্যসমূহৰ ভিত্তিত এই চিত্র আঁকা হয়। ইয়াক 'চচিঅ'-গ্রাম ' (Sociogram) বুলি কোৱা হয়। এই চিত্রত তেওঁলোকৰ পাৰস্পৰিক সম্পর্ককক বা পচন্দসমূহৰ কিছুমান ৰেখাৰ দ্বাৰা বুজোৱা হয়। এই চিত্রসমূহৰ সাহার্যত দলত কোনসকল ব্যক্তিক সদস্যসকলে অধিক কৰে পচন্দ বা কাক পচন্দ নকৰে সেই সম্পর্কে জানিব পৰা যায়। তলত দুটা পচন্দযুক্ত ১০জন ব্যক্তিৰ 'টচিঅ'গ্রাম চিত্র উদাহৰণ হিচাপে উপস্থাপন কৰা হয়।

ইয়াত — একমুখী আন্তঃক্রিয়া আৰু — দ্বিমুখী আন্তঃক্রিয়াক সূচিত কৰিছে। এই চিত্রত ১০ জন ছাত্রৰ পাৰস্পৰিক পচন্দ উপস্থাপন কৰা হৈছে। ইয়াত তেওঁলোকক তেওঁলোকৰ পচন্দৰ দুজন ছাত্রৰ বিষয়ে উল্লেখ কৰিবলৈ দিয়া হৈছিল।

এইদৰে প্রস্তুত কৰা 'চচিঅ'গ্রাম'-ৰ ভিত্তিত কোনজন ছাত্রক কিমানজনে পচন্দ কৰিছিল তাক বিশ্লেষণ কৰি এখন তালিকা প্রস্তুত কৰা হয়। ইয়াৰ ভিত্তিত 'Star' ক সকলোৰে অধিক পচন্দৰ ব্যক্তি 'Isolate' অথবা সকলোৰে অধিক অপচন্দৰ ব্যক্তিসকলক চিনাক্ত কৰা হয়। এই চিনাক্তকৰণৰ ভিত্তিত তেওঁলোকক পচন্দ কৰা বা অপচন্দ কৰাৰ কাৰক হিচাপে তেওঁলোকৰ নিজস্ব বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰি চোৱা হয়।

(১) এই পদ্ধতিৰ দ্বাৰা ব্যক্তিৰ আচৰণৰ সামাজিক অভিযোজনমূলক বৈশিষ্ট্য আৰু ইয়াৰ প্রকৃতি সম্পর্কে জানিব পৰা যায়।

(২) ইয়াৰ দ্বাৰা প্রাপ্ত ফলাফলৰ ভিত্তিত সিদ্ধান্ত গ্রহণ কৰি ব্যক্তিৰ সামাজিক সমাযোজন আৰু সামাজিক আন্তঃ সম্পর্কমুক্ত সমস্যাসমূহৰ সমাধান কৰিব পৰা যায়।

(৩) ইয়াৰ লগতে এই পদ্ধতিৰ দ্বাৰা প্রাপ্ত তথ্যই কোনো এটা দলৰ সামাজিক সংগঠনৰ এক সংক্ষিপ্ত প্রতিচ্ছবি দাঙি ধৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ সামাজিক সম্পর্ক অধ্যয়ন বা সমাজমিত্রি পদ্ধতি কি ?

প্রশ্ন নং ১১ ঃ সমাজমিত্রি পদ্ধতিত ব্যৱহৃত চিত্রক কি বুলি কোৱা হয় ?

১১.১০ বুদ্ধিৰ পৰিমাপ ঃ বুদ্ধিৰ অভীক্ষা (MEASURMENT OF INTELLIGENCE : INTELLIGENCE TEST)

বুদ্ধিৰ সংজ্ঞা আৰু প্রকৃতি সম্পর্কে জনাৰ পিছত স্বাভাৱিকতে এই মানসিক ক্ষমতা কিভাৱে পৰিমাপ

কৰিব পাৰি, সেই বিষয়ে প্ৰশ্ন হয়। আমি দেখিবলৈ পাওঁ যে বিভিন্ন মনোবিদসকলৰ মাজত বুদ্ধিৰ সংজ্ঞা আৰু প্ৰকৃতি সম্পৰ্কে যথেষ্ট মত পাৰ্থক্য আছে। কিন্তু, বুদ্ধি পৰিমাপৰ ক্ষেত্ৰত তেওঁলোকৰ মাজত ইমান মতবিৰোধ নাই। প্ৰাচীন চিন্তাবিদসকলে ভাবিছিল যে বুদ্ধি আৰু দৈহিক গঠনৰ মাজত একধৰণৰ নিৰ্দিষ্ট সম্পৰ্ক আছে। গতিকে বুদ্ধিৰ পৰিমাপৰ লগত দেহৰ বিভিন্ন অংগ-প্ৰত্যংগৰ পৰিমাপৰ সহসম্বন্ধ আছে। এই ধাৰণাৰ ওপৰত ভিত্তি কৰি বিভিন্ন মতবাদ গঢ় লৈ উঠিছিল; যেনে— ফ্ৰেন'ল'জী (Phrenology) ইয়াৰ মূল বক্তব্য হ'ল, মানুহৰ লাওখোলাৰ আকাৰৰ লগত বুদ্ধিৰ সম্পৰ্ক আছে। ফিজিঅ'গ্ন'মী (Physiognomy) নামৰ আন এক ধাৰণা অনুযায়ী মানুহৰ মুখৰ অবয়ব চাই বুদ্ধি পৰিমাপ কৰিব পাৰি। সেইদৰেই গ্ৰাফ'ল'জীত (Graphology)ত মানুহৰ হাতৰ আখৰ বিশ্লেষণ কৰি বুদ্ধি পৰিমাপৰ চেষ্টা কৰা হয়। এই পৰিমাপ পদ্ধতিসমূহৰ মূল অসুবিধা হ'ল বিভিন্ন দৈহিক বৈশিষ্ট্যৰ লগত মানসিক ক্ষমতাৰ প্ৰকৃততে কি সম্পৰ্ক, তাৰ কোনো বৈজ্ঞানিক ব্যাখ্যা দিব পৰা নাযায়। ই অনুমান সাপেক্ষহে। ঊনবিংশ শতিকাৰ শেষৰ ফালে মনোবিজ্ঞান যেতিয়া পৰিপূৰ্ণভাৱে পৰীক্ষামূলক বিজ্ঞানৰ স্তৰলৈ উন্নীত হয়, তেতিয়াৰ পৰাই বুদ্ধিক বিজ্ঞানসন্মতভাৱে পৰিমাপ কৰিবৰ বাবে মনোবিজ্ঞানীসকল বিশেষভাৱে আগ্ৰহী হৈ উঠে। কিন্তু প্ৰাথমিক স্তৰত লক্ষ্য কৰা যায় যে কেটেল প্ৰভৃতি মনোবিদসকল সাধাৰণ সংবেদনমূলক প্ৰতিক্ৰিয়া (Sensory response) পৰিমাপ কৰি বুদ্ধিৰ পৰিমাণ সম্পৰ্কে সিদ্ধান্ত গ্ৰহণৰ চেষ্টা কৰিছিল। কিন্তু বৰ্তমান এই পদ্ধতিক বিজ্ঞানসন্মত বুলি বিবেচনা কৰা নহয়। ইয়াক বুদ্ধিৰ পৰিমাপৰ বাবে ব্যৱহাৰ কৰা নহয়।

আধুনিক মনোবিদসকলে মত পোষণ কৰে যে বুদ্ধি এক বিমূৰ্ত ধাৰণা হ'লেও ই এক পৰিমাপযোগ্য বৈশিষ্ট্য। এই সম্পৰ্কে ব্যাখ্যা কৰিবলৈ গৈ মনোবিদ ভেক্সলাৰে ইয়াক (বুদ্ধিক) বিদ্যুৎ শক্তিৰ লগত তুলনা কৰিছে। বিদ্যুৎ শক্তিৰ কোনো মূৰ্ত ৰূপ আমি দেখিবলৈ নাপালেও, ইয়াৰ দ্বাৰা পৰিচালিত বিভিন্ন কাৰ্যৰ পৰিপ্ৰেক্ষিতত আমি ইয়াৰ অস্তিত্ব উপলব্ধি কৰিব পাৰো আৰু ইয়াক সঠিকভাৱে পৰিমাপ কৰিব পাৰো। সেইদৰেই বুদ্ধিৰো কোনো মূৰ্তৰূপ নাথাকিলেও ব্যক্তিৰ বুদ্ধি পৰিচালিত বিভিন্ন আচৰণৰ সাহায্যত বুদ্ধি পৰিমাপ কৰিব পৰা যায়। উল্লেখযোগ্য যে অন্যান্য ভৌতিক পৰিমাপৰ দৰে বুদ্ধিৰ প্ৰত্যক্ষ আৰু বিশুদ্ধ ৰূপত পৰিমাপ কৰা সম্ভৱ নহয়। বুদ্ধিৰ অভীক্ষাত ব্যক্তিয়ে সম্পাদন কৰা বিভিন্ন কাৰ্যৰ ওপৰত ভিত্তি কৰি বুদ্ধি সম্পৰ্কে জানিব পৰা যায়। সেয়ে কোৱা হয় যে— 'Intelligence in what an intelligence test measures'.

আধুনিক মনোবিজ্ঞানত বুদ্ধিক অধিক নিৰ্ভৰযোগ্যতাৰে পৰিমাপ কৰিবৰ বাবে অনেক বিজ্ঞানসন্মত পন্থাৰ আৱিষ্কাৰ হৈছে। বুদ্ধিক পৰিমাপ কৰিবৰ বাবে বৰ্তমান যি কৌশল অৱলম্বন কৰা হয়, তাকে বুদ্ধিৰ অভীক্ষা বুলি কোৱা হয়। মনোবিজ্ঞানত অভীক্ষা বুলি কওঁতে নিৰ্ধাৰিত বিশেষ মানসিক প্ৰতিক্ৰিয়া সৃষ্টি কৰিব পৰা উদ্দীপকৰ সমষ্টিক বুজা যায়। গতিকে এই সংব্যাখ্যান অনুসৰি বুদ্ধিৰ অভীক্ষা বুলি কওঁতে এনে কিছুমান উদ্দীপকৰ সমষ্টিক বুজা যায়, যিবিলাকৰ প্ৰতি প্ৰদৰ্শন কৰা প্ৰতিক্ৰিয়াসমূহৰ যোগেদি এজন ব্যক্তিৰ বুদ্ধি প্ৰকাশ হয়। গতিকে বুদ্ধিৰ পৰিচায়ক প্ৰতিক্ৰিয়া উৎপাদনকাৰী বা সৃষ্টিকাৰী উদ্দীপকৰ সমষ্টিকেই বুদ্ধিৰ অভীক্ষা বুলি কোৱা হয়।

গতিকে বুদ্ধিৰ অভীক্ষা সম্পৰ্কে সংক্ষেপে উল্লেখ কৰিব পাৰি যে—

- বুদ্ধিৰ পৰিচায়ক প্ৰতিক্ৰিয়া উৎপাদনকাৰী উদ্দীপকৰ সমষ্টিয়েই বুদ্ধিৰ অভীক্ষা।
- সাধাৰণ সংবেদনমূলক বা সঞ্চালনমূলক প্ৰতিক্ৰিয়াৰ পৰিৱৰ্তে উচ্চ মানসিক ক্ষমতা বা উপাদানসমূহৰ

সাহার্যত বুদ্ধি পৰিমাপ কৰা হয় ।

- বুদ্ধিৰ বিভিন্ন মানসিক ক্ষমতাৰ এক সামগ্রিক ৰূপ। গতিকে বুদ্ধিৰ অভীক্ষাত বিভিন্ন প্রকাৰৰ মানসিক ক্ষমতা পৰিমাপযোগ্য প্রশ্নপদ সন্নিৱিষ্ট কৰা হয়।
- বিভিন্ন মানসিক ক্ষমতাৰ পৰিপ্রেক্ষিতত বুদ্ধি পৰিমাপ কৰিলেও, এই অভীক্ষাত এই ক্ষমতাসমূহ পৃথকে পৃথকে বিবেচনা নকৰি সামগ্রিক একক ৰূপত বুদ্ধিৰ সূচক নির্ণয় কৰা হয়।
- বুদ্ধিৰ অভীক্ষাত ব্যক্তিৰ কার্য সম্পাদন ক্ষমতাৰ মাত্রাৰ ওপৰত ভিত্তি কৰি বুদ্ধিৰ সূচক হিচাপে অভীক্ষাৰ মানাংকসমূহ নির্ণয় কৰা হয়।
- বুদ্ধিৰ অভীক্ষাৰ প্রশ্নপদসমূহ সমাধান কৰোতে অর্জিত জ্ঞানৰ প্রয়োজন নহয়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১২ ঃ বুদ্ধিৰ অভীক্ষা কি ?

প্রশ্ন নং ১৩ ঃ বুদ্ধিৰ অভীক্ষাৰ দুটা বৈশিষ্ট্য লিখা।

১১.১১ বুদ্ধিৰ ভাষামূলক, ভাষাবিহীন আৰু সম্পাদনী অভীক্ষা

বুদ্ধিৰ অভীক্ষাসমূহত ব্যৱহৃত প্রশ্নপদসমূহক প্রকৃতিৰ দিশৰ পৰা বিচাৰ কৰি বুদ্ধিৰ অভীক্ষাসমূহক মূলতঃ দুটা শ্রেণীত ভাগ কৰিব পৰা যায়—

(১) ভাষাগত বা ভাষামূলক অভীক্ষা আৰু

(২) ভাষাবিহীন অভীক্ষা।

তলত এই দুই প্রকাৰৰ অভীক্ষাৰ বিষয়ে চমু আলোচনা কৰা হ'ল।

১১.১১.১ বুদ্ধিৰ ভাষামূলক অভীক্ষা

বুদ্ধিৰ কিছুমান অভীক্ষাত প্রশ্নপদসমূহ ভাষামূলক। অর্থাৎ এই অভীক্ষাসমূহত ব্যক্তিৰ ভাষাভিত্তিক প্রতিক্রিয়াৰ মাধ্যমেৰে বুদ্ধি পৰিমাপ কৰা হয়। এই অভীক্ষাসমূহত ব্যক্তিয়ে লিখিত বা মৌখিকভাৱে প্রশ্নপদ বা সমস্যাসমূহৰ সমাধান কৰিব লাগে। বুদ্ধিৰ এই জাতীয় অভীক্ষাক ভাষামূলক বা ভাষাভিত্তিক বুদ্ধিৰ অভীক্ষা বুলি কোৱা হয়। গতিকে বুদ্ধিৰ এই অভীক্ষাসমূহত পঢ়া, লিখা অথবা মৌখিক প্রকাশৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়। গতিকে এই অভীক্ষাসমূহত অভীক্ষার্থীৰ ভাষাসমূহক দক্ষতাৰ প্রয়োজন হয়। ইয়াত অভীক্ষা গ্রহণকাৰীয়েও নির্দেশনাসমূহ শব্দৰে লিখিত বা মৌখিক অথবা দুটা মাধ্যমতেই প্রকাশ কৰে।

বুদ্ধিৰ ভাষামূলক অভীক্ষাসমূহৰ সুবিধা আৰু অসুবিধাসমূহ ঃ

বুদ্ধিৰ ভাষামূলক অভীক্ষাসমূহ প্ৰয়োগৰ ক্ষেত্ৰত অনেক সুবিধা আৰু অসুবিধা পৰিলক্ষিত হয়। তলত এই শ্ৰেণীৰ অভীক্ষাৰ সুবিধা আৰু অসুবিধাসমূহৰ বিষয়ে উল্লেখ কৰা হ'ল—

বুদ্ধিৰ ভাষামূলক অভীক্ষাৰ সুবিধাসমূহ ঃ

(১) বুদ্ধিৰ ভাষামূলক অভীক্ষাসমূহ অধিক বৈধ আৰু নিৰ্ভৰযোগ্য বুলি বিবেচিত। কাৰণ ব্যক্তিৰ নিজস্বতাৰ প্ৰকাশৰ উৎকৃষ্ট মাধ্যম হৈছে ভাষা। এই অভীক্ষাসমূহত ব্যক্তিয়ে ভাষাৰ মাধ্যমেৰে প্ৰতিক্ৰিয়া প্ৰদানৰ সুযোগ লাভ কৰে।

(২) এই অভীক্ষাসমূহত ব্যক্তিয়ে লিখিত অথবা মৌখিকভাৱে ভাষাৰ জৰিয়তে প্ৰদান কৰা প্ৰতিক্ৰিয়াসমূহৰ ভিত্তিত ব্যক্তিৰ বুদ্ধিক অধিক বস্তুনিষ্ঠতাৰে পৰিমাপ কৰিব পৰা যায়।

ভাষামূলক অভীক্ষাৰ অসুবিধাসমূহ ঃ

বুদ্ধিৰ ভাষামূলক অভীক্ষাসমূহৰ প্ৰয়োগৰ ক্ষেত্ৰত অনেক সময়ত কিছুমান অসুবিধাৰো সন্মুখীন হ'ব লগা হয়। এই ক্ষেত্ৰত উল্লেখযোগ্য অসুবিধাসমূহ হৈছে—

(১) অনেক ক্ষেত্ৰত এই অভীক্ষাসমূহৰ নিৰ্ভৰযোগ্যতা আৰু বৈধতা অনেক ক্ষেত্ৰত সন্দেহজনক।

(২) এই অভীক্ষাসমূহত অভীক্ষার্থীৰ মানাংকসমূহ ব্যক্তিৰ ভাষা ক্ষমতাৰ ওপৰত নিৰ্ভৰশীল।

(৩) ভাষাভিত্তিক হোৱা বাবে ভাষাগত দুৰ্বলতা থকা ব্যক্তিৰ ক্ষেত্ৰত এই অভীক্ষাসমূহ বিশেষ সুবিধাজনক নহয়।

(৪) ভাষাগত অসুবিধা বা প্ৰতিবন্ধকতা থকা, নিৰক্ষৰ, শিশু অথবা অভীক্ষাকাৰী ভাষাৰ লগত অপৰিচিত লোকসকলৰ ক্ষেত্ৰত এই অভীক্ষাসমূহ প্ৰদান কৰিব নোৱাৰি।

(৫) এই অভীক্ষাসমূহ প্ৰয়োগৰ বাবে অভিজ্ঞ অভীক্ষকৰ প্ৰয়োজন হয়।

(৬) এই অভীক্ষাসমূহ অধিক ব্যয়বহুল।

১১.১১.২ বুদ্ধিৰ ভাষাবিহীন অভীক্ষা

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে পৃথিৱীৰ বিভিন্ন দেশত বুদ্ধিৰ অভীক্ষা গঠনৰ প্ৰচেষ্টা বিনেৰ কাৰ্যৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল আৰু ইয়াৰ অনুসৰণত অনেক অভীক্ষা গঠন কৰা হৈছিল। সেয়ে হ'লেও অনেক মনোবিদে বিনেৰ অভীক্ষাৰ ভাষাভিত্তিক প্ৰৱণতাক বিশেষভাৱে সমালোচনাও কৰিছিল। ভাষাগত দুৰ্বলতা থকা লোকসকলৰ ক্ষেত্ৰত এই অভীক্ষাসমূহ প্ৰয়োগ কৰিব পৰা নাযায়। আনহাতে দেখা যায় যে ব্যক্তিৰ বুদ্ধি বিভিন্ন কৰ্মৰ মাজেৰে প্ৰকাশিত হয়। গতিকে ইয়াৰ ব্যৱস্থা হিচাপে মনোবিদসকলে আন এক প্ৰকাৰৰ বুদ্ধিৰ অভীক্ষা প্ৰস্তুত কৰিছিল, যাক ভাষাবিহীন বা সম্পাদনী অভীক্ষা (Non verbal or Performance test) বুলি কোৱা হয়। এই অভীক্ষাসমূহত প্ৰশ্নপদ হিচাপে কিছুমান প্ৰত্যক্ষ প্ৰয়োগমূলক সমস্যা নিৰ্বাচন কৰা হয়। এই অভীক্ষাসমূহত সাধাৰণতে কিছুমান নিৰ্ধাৰিত কৰ্ম সম্পাদন কৰিব লাগে। ইয়াত অভীক্ষার্থীসকলৰ কৰ্ম সম্পাদনৰ পাৰদৰ্শিতাৰ ওপৰত ভিত্তি কৰি মানাংক প্ৰদান কৰা হয়। ভাষাবিহীন অভীক্ষাসমূহক মনোবিদসকলে দুটা শ্ৰেণীত ভাগ কৰিছিল। সেয়া হৈছে —

(১) চিত্রধর্মী বা কাগজ কলমনির্ভৰ ভাষাবিহীন অভীক্ষা আৰু (২) সম্পাদনী অভীক্ষা।

প্রথমবিধ অভীক্ষাত কাগজত ছবি আঁকা সংখ্যা লিখা গ্রাফ অংকন ইত্যাদি থাকে। অভীক্ষকে নিদেৰ্শ দিবৰ বাবে ভাষা ব্যৱহাৰ কৰিলেও অভীক্ষার্থীয়ে উত্তৰ দিবৰ বাবে ভাষা ব্যৱহাৰ নকৰে। দ্বিতীয়বিধ অভীক্ষা অর্থাৎ সম্পাদনী অভীক্ষাৰ ক্ষেত্রত কোনো মূর্তবস্তুৰ ব্যৱহাৰ কৰি অভীক্ষার্থীয়ে কোনো সমস্যা সমাধান কৰে। এই অভীক্ষাসমূহত সাধাৰণতে ব্যৱহৃত সমস্যাসমূহ হৈছে— ছবি সম্পূর্ণ কৰা, এখন ছবি চাই আন এখন ছবি সজোৱা, কিছুমান ব্লক দি নক্সা তৈয়াৰ কৰা, কাঠৰ বোর্ডত কিছুমান বিভিন্ন আকাৰৰ ব্লক সজোৱা, বেহুৰ মাজত পথ বিচাৰি উলিওৱা, সংখ্যা প্রতীক ইত্যাদি। এই অভীক্ষাসমূহত অভীক্ষাকে আকাৰে-ইংগিতে নির্দেশ কৰে।

কিন্তু কার্যত ঃ দেখা যায় যে কাগজ-কলমনির্ভৰ ভাষাবিহীন অভীক্ষা আৰু সম্পাদনী অভীক্ষাৰ মাজত সীমাৰেখা খুব স্পষ্ট নহয়। অনেক কাগজ-কলমনির্ভৰ ভাষাবিহীন অভীক্ষা মূর্ত বস্তু ব্যৱহাৰ কৰাৰ প্রয়োজন হয়। আনহাতে সম্পাদনী অভীক্ষাতো কাগজ-কলম ব্যৱহাৰ কৰিব লগা নহয়। সেয়েহে বর্তমান সম্পাদনী অভীক্ষা বুলি কওঁতে মূর্তধর্মী আৰু চিত্রধর্মী উভয় প্রকাৰৰ ভাষাবর্জিত অভীক্ষাক বুজোৱা হয়। অর্থাৎ ভাষাবর্জিত অভীক্ষাসমূহকে আজিকালি সম্পাদনী অভীক্ষা বুলি কোৱা হয়। গতিকে, যিবিলাক অভীক্ষাৰ প্রাপ্ত মানাংকসমূহ ব্যক্তিৰ ভাষাগত দক্ষতাৰ দ্বাৰা প্রভাৱিত নহয়, কেৱল কর্মদক্ষতাৰ দ্বাৰা প্রভাৱিত হয়, তাকে সম্পাদনী অভীক্ষা বুলি কোৱা হয়। (Performance tests are those wherein the scores are affected by the examinee's overt skill and not by his verbal skill.) সংক্ষেপে ক'ব পৰা যায় যে যিবিলাক অভীক্ষাই অভীক্ষার্থীসকলৰ ক্ষেত্রত বাস্তৰ কর্মভিত্তিক প্রতিক্রিয়া সৃষ্টি কৰিবলৈ সক্ষম হয়, তাকে সম্পাদনী অভীক্ষা বুলি কোৱা হয়। (Test which evoke motor or manual responses in the individual are called performance test) সাধাৰণ বৈশিষ্ট্যৰ দিশৰ পৰা দেখা যায় যে—

১) সম্পাদনী অভীক্ষাত কিছুমান নির্দিষ্ট কার্যক প্রশ্ন পদ হিচাপে ব্যৱহাৰ কৰা হয়।

২) সাধাৰণতে এই অভীক্ষাসমূহত কোনো মূর্ত বস্তু ব্যৱহাৰ কৰি বা চিত্রধর্মী কার্যক সাহায্যত প্রদত্ত সমস্যা সমাধান কৰে।

৩) এই অভীক্ষাসমূহত অভীক্ষকে ভাষা ব্যৱহাৰ কৰি অথবা আকাৰে-ইংগিতে অভীক্ষার্থীক নির্দেশ দিয়ে। কিন্তু অভীক্ষার্থীয়ে উত্তৰ দানৰ বাবে ভাষা ব্যৱহাৰ নকৰে।

সম্পাদনী অভীক্ষাৰ প্রয়োজনীয়তা (Uses of performance test)

সাধাৰণতে ভাষাভিত্তিক অভীক্ষাসমূহৰ বিকল্প হিচাপে সম্পাদনী অভীক্ষাসমূহ তৈয়াৰ কৰা হৈছিল। এই অভীক্ষাসমূহৰ মূল প্রয়োজনীয়তাসমূহ হৈছে—

১) সাধাৰণতঃ যিসকল অভীক্ষার্থীৰ ভাষাগত দক্ষতা কম বা মূক-বধিৰ, তেওঁলোকৰ বিভিন্ন মানসিক বৈশিষ্ট্য পৰিমাপ কৰিবৰ বাবে এই সম্পাদনী অভীক্ষাসমূহ ব্যৱহাৰ কৰা হয়।

২) সম্পাদনী অভীক্ষাসমূহৰ মাজেৰে অভীক্ষার্থীৰ বুদ্ধি পৰিমাপ কৰিলে তেওঁলোকৰ ব্যৱহাৰিক জ্ঞান সম্পর্কে জানিব পৰা যায়। বুদ্ধিৰ ক্রিয়াশীল দিশটো এই অভীক্ষাসমূহৰ মাজেৰে প্রকাশ পায়।

৩) এই অভীক্ষাসমূহৰ দ্বাৰা অভীক্ষার্থীৰ মানসিক সংগঠনৰ বিষয়ে জানিব পৰা যায়। বিশেষ মানসিক অসুস্থতাৰ

বাবে ব্যক্তিৰ বিশেষ ধৰণৰ কৰ্ম সম্পাদন কৰে। কৰ্ম সম্পাদনৰ প্ৰকৃতি লক্ষ্য কৰি অভীক্ষকে অভীক্ষার্থীৰ মানসিক সংগঠনৰ প্ৰকৃতিৰ বিষয়ে জানিব পাৰে।

৪) সম্পাদনী অভীক্ষাসমূহৰ দ্বাৰা মূৰ্ত বুদ্ধি পৰিমাপ কৰা যায়।

৫) জড় বুদ্ধি বা ক্ষীণ বুদ্ধিৰ শিশুৰ ক্ষেত্ৰত এই অভীক্ষা প্ৰয়োগ কৰিব পৰা যায়। সম্পাদনী অভীক্ষাসমূহ ভাষাভিত্তিক অভীক্ষাৰ বিকল্প হিচাপে সৃষ্টি হ'লেও এই অভীক্ষাসমূহে ভাষাভিত্তিক অভীক্ষাসমূহৰ সমান। যোগ্যতাৰে বুদ্ধি পৰিমাপ কৰিব নোৱাৰে। বিভিন্ন পৰীক্ষাৰ দ্বাৰা প্ৰমাণ হৈছে যে ভাষাভিত্তিক অভীক্ষাৰ ফলাফল আৰু সম্পাদনী ফলাফলৰ মাজত সহসম্বন্ধৰ মানাংক খুবেই কম।

(১) বিভিন্ন বিশ্লেষণৰ পৰা মনোবিদে মতপোষণ কৰিছে যে এই অভীক্ষাসমূহে (ক) স্থান প্ৰত্যক্ষণৰ ক্ষমতা (Spatial ability), (খ) পেশী সঞ্চালনৰ ক্ষমতা (Muscular movement), (গ) দেহ সঞ্চালনমূলক সমন্বয় ক্ষমতা (Sensorymotor coroditation), (ঘ) প্ৰতিক্ৰিয়াৰ ক্ষিপ্ৰতা (Speed of reaction), সমন্বয় ক্ষমতা ইত্যাদি উপাদানসমূহ পৰিমাপ কৰিব পাৰে। এই সীমিত ক্ষমতাসমূহৰ ভিত্তিত সাধাৰণ মানসিক শক্তি হিচাপে বুদ্ধিক পৰিপূৰ্ণভাৱে পৰিমাপ কৰিব নোৱাৰে।

(২) সম্পাদনী অভীক্ষাত উত্তৰ দানৰ ক্ষিপ্ৰতাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। গতিকে ইয়াৰ প্ৰাপ্ত মানাংকসমূহৰ ক্ষিপ্ৰতাৰ উপাদানৰ দ্বাৰা প্ৰভাৱিত হয়।

(৩) আনহাতে, এই অভীক্ষাসমূহ বয়স্কৰসকলৰ বুদ্ধি পৰিমাপৰ ক্ষেত্ৰত বিশেষ কাৰ্যকাৰী নহয়। সেয়া হ'লেও এই অভীক্ষাসমূহৰ সীমাবদ্ধতাসমূহৰ প্ৰতি সচেতন থাকিও অন্যান্য পৰিমাপ কৌশল পৰিপূৰক হিচাপে এই সম্পাদনী অভীক্ষাসমূহ ব্যৱহাৰ কৰিলে অভীক্ষার্থীৰ বুদ্ধি সম্পৰ্কে অনেক গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰিব পৰা যায়।

বুদ্ধিৰ পৰিমাপৰ বাবে বৰ্তমান এই জাতীয় বহু প্ৰতিমানকৃত অভীক্ষা ব্যৱহাৰ কৰা হয়। এই অভীক্ষাসমূহৰ কিছুমান ব্যক্তিগতভাৱে আৰু আন কিছুমান দলগতভাৱে প্ৰয়োগ কৰা হয়। বৌদ্ধিক যোগ্যতা পৰিমাপৰ বাবে সমগ্ৰ পৃথিৱীতে নানা ধৰণৰ সম্পাদনী অভীক্ষা প্ৰস্তুত কৰা হৈছিল। যেনে— আলেকজেণ্ডাৰ পাছ-এলং অভীক্ষা (Alexander's pass-along test) ক'হৰ ব্লক ডিজাইন অভীক্ষা (Koh's Block design test), নক্সৰ কিউৰ কনষ্ট্ৰাকছন অভীক্ষা (Knox's cube construction test), হিলিৰ পাজল অভীক্ষা (Healy 's puzzle test) ইত্যাদি। ভাৰতবৰ্ষতে নানা প্ৰকাৰৰ সম্পাদনী অভীক্ষা মনোবিদসকলে প্ৰস্তুত কৰি উলিয়াইছে। এই অভীক্ষাসমূহৰ ভিতৰত এটা উল্লেখযোগ্য অভীক্ষা হ'ল ভাটিয়া সম্পাদন অভীক্ষা (Bhatia performance test)।

১১.১২ নির্দেশনা আৰু পৰামৰ্শদান প্ৰক্ৰিয়াত বুদ্ধিৰ অভীক্ষাৰ গুৰুত্ব

এজন ব্যক্তিৰ আচৰণ ব্যক্তিৰ বুদ্ধিৰ মাত্ৰাৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত। ব্যক্তিৰ বুদ্ধিৰ সম্পৰ্কিত ধাৰণাই নির্দেশনা আৰু পৰামৰ্শদান প্ৰক্ৰিয়াৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণত সহায় কৰে। বুদ্ধিৰ অভীক্ষাৰ পৰিমাপৰ এক সাম্ভাব্যতা নিৰ্ণায়ক (Psognostic value) মূল্য আছে। কাৰণ এজন ব্যক্তিৰ বুদ্ধি বা সাধাৰণ

মানসিক ক্ষমতাৰ দ্বাৰা তেওঁৰ শিক্ষাগত বিকাশৰ সীমা নির্ধাৰিত হয়। ইয়াৰ লগতে এই অভীক্ষাসমূহৰ অনেক ক্ষেত্ৰত নির্ণায়ক মূল্যও (Diagnostic value) পৰিলক্ষিত হয়।

শিক্ষার্থীসকলক নিজস্ব বৈশিষ্ট্য আৰু ক্ষমতা অনুযায়ী শৈক্ষিক সা-সুবিধাসমূহ গ্ৰহণ কৰাত সহায় কৰিবৰ বাবে শিক্ষাৰ ক্ষেত্ৰত নির্দেশনাৰ প্ৰয়োজন হয়। এই শৈক্ষিক নির্দেশনা দানৰ ক্ষেত্ৰত এজন শিক্ষকৰ বাবে শিক্ষার্থীৰ মানসিক ক্ষমতা সংক্ৰান্তৰ তথ্য সকলোতকৈ গুৰুত্বপূৰ্ণ। গতিকে দেখা যায় যে বুদ্ধিৰ ফলাফলে শিক্ষাগত নির্দেশনাত সহায় কৰে।

ব্যক্তিয়ে অনেক সময়ত মানসিক সমস্যা বা অসুস্থতাত ভোগে। সেইদৰেই ব্যক্তিৰ অনেক সমস্যামূলক আচৰণৰ অন্তৰালত বুদ্ধি এক গুৰুত্বপূৰ্ণ কাৰক হিচাপে বিবেচিত। এই আচৰণসমূহৰ চিনাক্তকৰণৰ লগতে ইয়াৰ নিৰাময়মূলক ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰটো বুদ্ধিৰ অভীক্ষাৰ ফলাফলসমূহ ব্যৱহাৰ কৰা হয়। শিশু এইখিনিতে উল্লেখযোগ্য যে এই অভীক্ষাসমূহ ব্যৱহাৰৰ অনেক সীমাবদ্ধতাও আছে। সাধাৰণতে দেখা যায় যে একেজন শিক্ষার্থীৰ ওপৰত বেলেগ বেলেগ বুদ্ধিৰ অভীক্ষা প্ৰয়োগ কৰিলে বেলেগ বেলেগ মানাংক পোৱা যায়। এনে ক্ষেত্ৰত অভীক্ষার্থীৰ বুদ্ধি সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰা যথেষ্ট অসুবিধাজনক। সেইদৰেই বর্তমান ব্যৱহৃত বুদ্ধিৰ অভীক্ষাসমূহে ব্যক্তি বা শিক্ষার্থীৰ অন্যান্য বিশেষ ক্ষমতা নিৰপেক্ষভাৱে সাধাৰণ মানসিক ক্ষমতা হিচাপে বুদ্ধি পৰিমাপ কৰিব নোৱাৰে। লগতে অভীক্ষাৰ প্ৰয়োগকালীন পৰিস্থিতিৰ আৰু অভীক্ষার্থীৰ অভিৰোচনজনিত বিভিন্ন কাৰকে বুদ্ধিৰ অভীক্ষাৰ মানাংকসমূহ প্ৰভাৱিত কৰে। সেইবাবে এই অভীক্ষাসমূহে কেৱল সাধাৰণ মানসিক ক্ষমতাকে জোখা বুলি নিশ্চিতভাৱে ক'ব নোৱাৰি।

২ ১১.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

- ভৌতিক পৰিমাপৰ ক্ষেত্ৰত যিবিলাক পৰিমাপ কৌশল বা যন্ত্ৰ ব্যৱহাৰ কৰা হয়, সেইবিলাক আমাৰ সকলোৱে বাবেই পৰিচিত। ফলত আমি ইয়াৰ কোনো নির্দিষ্ট সংজ্ঞা নিৰূপণ কৰাৰ প্ৰয়োজনীয়তা বোধ নকৰো। আনহাতেদি মনোবৈজ্ঞানিক আৰু শৈক্ষিক অভীক্ষাসমূহ শিক্ষার্থীৰ মানসিক আৰু শিক্ষাগত বৈশিষ্ট্যসমূহ পৰিমাপৰ বাবে বর্তমান বহলভাৱে ব্যৱহাৰ কৰা হ'লেও এই অভীক্ষাসমূহৰ লগত আমাৰ পৰিচিতি আপেক্ষিকভাৱে সীমিত।
- মনোবিজ্ঞানত পৰিমাপ আন্দোলন বুদ্ধিৰ অভীক্ষাৰ দ্বাৰাই সূচনা হৈছিল যদিও বর্তমান বিভিন্ন ক্ষেত্ৰত বিভিন্ন মানসিক বৈশিষ্ট্য পৰিমাপ কৰিবৰ বাবে অনেক প্ৰকাৰৰ মনোবৈজ্ঞানিক অভীক্ষা প্ৰয়োগ কৰা হয়।
- জীৱনৰ ঘটনা প্ৰবাহ অধ্যয়ন পদ্ধতিত ব্যক্তি জীৱনৰ অতীত, বর্তমান আৰু ভৱিষ্যতৰ লগত জড়িত বিভিন্ন ঘটনা প্ৰবাহ অধ্যয়ন কৰি ব্যক্তিৰ সমস্যামূলক আচৰণৰ কাৰণ উদ্‌ঘাটন কৰি ইয়াৰ সমাধান সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই পদ্ধতিত বিভিন্ন উৎসৰ পৰা বিভিন্ন পদ্ধতিৰে তথ্যসমূহ সংগ্ৰহ কৰা হয়।
- বুদ্ধি হৈছে ব্যক্তিৰ এক সহজাত বিশিষ্ট গুণ বা ক্ষমতা যি ব্যক্তিৰ আচৰণৰ যোগেদি প্ৰকাশ লাভ কৰে।

বুদ্ধিয়ে এজন ব্যক্তিৰ দেহ-মানসিক গাঁথনিক শক্তিশালী আৰু কাৰ্যক্ষম কৰি তুলি ব্যক্তিগত ক্ষমতা বা যোগ্যতাসমূহক এক বিশিষ্ট ৰূপত গঢ় দি তোলে। ব্যক্তি-পাৰ্থক্যৰ মূল উৎস হৈছে বুদ্ধি। নিৰ্দেশনা আৰু পৰামৰ্শদানৰ প্ৰক্ৰিয়াত বুদ্ধিৰ পৰিমাপৰ বাবে বিভিন্ন বুদ্ধিৰ অভীক্ষা ব্যৱহাৰ কৰা হয়। অন্যান্য ভৌতিক পৰিমাপৰ দৰে বুদ্ধিৰ প্ৰত্যক্ষ আৰু বিশুদ্ধ ৰূপত পৰিমাপ সম্ভৱ নহয়।

- বুদ্ধিৰ অভীক্ষাসমূহত ব্যক্তিৰ বুদ্ধিৰ সাহায্যত সম্পাদন কৰা কাৰ্যৰ ওপৰত ভিত্তি কৰি বুদ্ধি পৰিমাপ কৰা হয়। এই ক্ষেত্ৰত বুদ্ধিৰ অভীক্ষাসমূহ এনে কিছুমান উদ্দীপকৰ সমষ্টি যিবিলাকৰ প্ৰতি ব্যক্তিয়ে প্ৰদৰ্শন কৰা হয়। এই ক্ষেত্ৰত বুদ্ধিৰ অভীক্ষাসমূহ এনে কিছুমান উদ্দীপকৰ সমষ্টি যিবিলাকৰ প্ৰতি ব্যক্তিয়ে প্ৰদৰ্শন কৰা প্ৰতিক্ৰিয়াসমূহৰ যোগেদি ব্যক্তিৰ বুদ্ধিৰ প্ৰকাশ হয় আৰু ইয়াৰ ওপৰত ভিত্তি কৰিয়েই বুদ্ধিৰ পৰিমাপ সম্ভৱ হয়।
- বুদ্ধিৰ পৰিমাপৰ বাবে মনোবৈজ্ঞানিকসকলে বিভিন্ন সময়ত বিভিন্ন প্ৰচেষ্টা হাতত লৈছিল। কিন্তু বৈজ্ঞানিক ভিত্তিত মনোবৈজ্ঞানিক অভীক্ষা গঠনৰ কৃতিত্ব প্ৰদান কৰা হয় ফৰাচী মনোবিদ আলফ্ৰেড বিনেক। তেওঁ সহযোগী চাইমনৰ সহায়ত ১৯০৫ চনত 'বিনে'-চাইমন স্কেল'-নামেৰে প্ৰথম বুদ্ধিৰ অভীক্ষাটো প্ৰস্তুত কৰিছিল। আমেৰিকাৰ ষ্টেনফোৰ্ড বিশ্ববিদ্যালয়ত টাৰমেন বিনে-চাইমন স্কেলৰ এক উন্নত সংস্কৰণ ১৯১৬ চনত প্ৰকাশ কৰিছিল। এই ষ্টেনফোৰ্ড সংস্কৰণ বুদ্ধিৰ পৰিমাপৰ ক্ষেত্ৰত এক জনপ্ৰিয় অভীক্ষা। বৰ্তমান বুদ্ধিৰ পৰিমাপৰ বাবে অনেক প্ৰতিমানকৃত অভীক্ষা উপলব্ধ।
- বুদ্ধিৰ অক্ষীক্ষাসমূহক কিছুমান সাংগঠনিক আৰু ব্যৱহাৰিক বৈশিষ্ট্যৰ ভিত্তি বিভিন্ন প্ৰকাৰৰে শ্ৰেণীবিভাজন কৰা হয়। অভীক্ষাত অংশগ্ৰহণকাৰী অভীক্ষাৰ্থীৰ সংখ্যাৰ ভিত্তিত অভীক্ষাসমূহক ব্যক্তিগত আৰু দলগত বা যৌথ অভীক্ষা হিচাপে শ্ৰেণীবিভাজন কৰা হয়। আনহাতেদি অভীক্ষাত ব্যৱহাৰ কৰা প্ৰশ্নপদসমূহৰ প্ৰকৃতিৰ ভিত্তিত অভীক্ষাসমূহক ভাষামূলক, ভাষাবিহীন আৰু সম্পাদনী অভীক্ষা হিচাপে শ্ৰেণী বিভাগ কৰা হয়।
- নিৰ্দেশনা আৰু পৰামৰ্শদান প্ৰক্ৰিয়াত বুদ্ধিৰ অভীক্ষাসমূহ বহুলভাৱে ব্যৱহাৰ কৰা হয়। এই ক্ষেত্ৰত এই অভীক্ষাসমূহৰ সম্ভাব্যতা নিৰ্ণায়ক আৰু নিৰ্ণায়ক ভূমিকা পৰিলক্ষিত হয়। মূলতঃ ব্যক্তিৰ বিভিন্ন সমস্যামূলক আচৰণৰ চিনাক্তকৰণ আৰু ইয়াৰ নিৰাময়ৰ বাবে এই অভীক্ষাসমূহ ব্যৱহাৰ কৰা হয়।

১১.১৪ অধিক জানিবলৈ (FURTHER READINGS)

১) *The Counselling Process and Strategies*, (2016), NCERT.

২) *Guidance and Counselling*, (2006), IGNOU.

৩) Lutomia, G. Sikolia. L. (2002). *Guidance and Counselling in Schools and Colleges*, Uzima Publishing House.

১১.১৫ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰ ঃ মনোবৈজ্ঞানিক অভীক্ষাসমূহ মানসিক বৈশিষ্ট্যসমূহৰ বস্তুনিষ্ঠ পৰিমাপৰ বাবে ব্যৱহাৰ কৰা পৰিমাপক কৌশল।

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) অভীক্ষা (খ) উদ্দীপনাৰ।

৩ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তিগত আৰু দলগত অভীক্ষা।

৪ নং প্রশ্নৰ উত্তৰ ঃ (১) এই অভীক্ষাসমূহ প্রয়োগৰ বাবে অধিক সময় প্রয়োজন হয়।

(২) অন্তমুখী ব্যক্তিৰ ক্ষেত্রত ইয়াৰ প্রয়োগ অসুবিধাজনক।

৫ নং প্রশ্নৰ উত্তৰ ঃ ১। এই অভীক্ষাসমূহৰ দ্বাৰা কম সময়ৰ ভিতৰতে বহু ব্যক্তিৰ নির্ধাৰিত মানসিক বৈশিষ্ট্যৰ পৰিমাপ কৰিব পৰা যায়।

২। দলগত অভীক্ষাসমূহ ছপা আকাৰে প্রদান কৰা হয়। ইয়াত অভীক্ষকে প্রত্যেকজন অভীক্ষার্থীৰ লগত ব্যক্তিগত যোগাযোগ কৰাৰ প্রয়োজন নহয়। গতিকে অভীক্ষকৰ শ্রম লাঘৱ হয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ (১) কম সময়ত বহু ব্যক্তিৰ ওপৰত প্রয়োগ কৰিব পাৰি।

(২) ইয়াৰ মানাংক নির্ণয় ব্যক্তিনিষ্ঠ প্রভাৱমুক্ত।

৭ নং প্রশ্নৰ উত্তৰ ঃ (ক) ভাষামূলক (খ) ভাষাবিহীন (গ) কার্যসম্পাদন।

৮ নং প্রশ্নৰ উত্তৰ ঃ ১। সাধাৰণতঃ যিসকল অভীক্ষার্থীৰ ভাষাগত দক্ষতা কম বা মূক-বধিৰ, তেওঁলোকৰ বিভিন্ন মানসিক বৈশিষ্ট্য পৰিমাপ কৰিবৰ বাবে এই সম্পাদনী অভীক্ষাসমূহ ব্যৱহাৰ কৰা হয়।

২। সম্পাদনী অভীক্ষাসমূহৰ দ্বাৰা অভীক্ষার্থীৰ ব্যৱহাৰিক জ্ঞান সম্পর্কে জানিব পৰা যায়। বুদ্ধিৰ ক্রিয়াশীল দিশটো এই অভীক্ষাসমূহৰ মাজেৰে প্রকাশ পায়।

৯ নং প্রশ্নৰ উত্তৰ ঃ (ক) যিবিলাক অভীক্ষাত অভীক্ষার্থীয়ে ভাষামূলক ক্ষমতা ব্যৱহাৰ কৰি মৌখিক বা লিখিতভাৱে প্রতিক্রিয়া প্রদান কৰিব লাগে সেই অভীক্ষাসমূহক ভাষিক বা ভাষাগত অভীক্ষা বুলি কোৱা হয়।

(খ) মানসিক বৈশিষ্ট্য পৰিমাপৰ বাবে অভীক্ষা গঠনৰ প্রচেষ্টা বিনেৰ বুদ্ধিৰ অভীক্ষাৰ দ্বাৰা অনুপ্রাণিত হৈছিল। এই অভীক্ষা ভাষাগত বা ভাষিক। ইয়াক অনুসৰণত অনেক অভীক্ষা গঠন কৰা হৈছিল।

(গ) সম্পাদনী অভীক্ষাসমূহ প্রকৃতপক্ষে ভাষাবিহীন বা অভাষিক অভীক্ষা। এই সম্পাদনী অভীক্ষাৰ ক্ষেত্রত কোনো মূর্তবস্তুৰ ব্যৱহাৰ কৰি অভীক্ষার্থীয়ে কোনো সমস্যা সমাধান কৰে।

১০ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক সম্পর্ক অধ্যয়ন বা সমাজমিত্রি পদ্ধতি হৈছে একোটা দলৰ অন্তর্ভুক্ত সদস্যসকলৰ

মাজৰ পাৰস্পৰিক গ্ৰহণযোগ্যতা বা অগ্ৰহণযোগ্যতাৰ অধ্যয়নৰ ভিত্তিত ব্যক্তিৰ সামাজিক সংলক্ষণ আৰু দলৰ সামাজিক সংগঠনৰ বাবে ব্যৱহৃত এক পদ্ধতি।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ চচিঅ'গ্ৰাম।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ (১) বুদ্ধিৰ অভীক্ষাই এনে কিছুমান উদ্দীপকৰ সষ্টিক বুজায়, যিবিলাকৰ প্ৰতি প্ৰদৰ্শন কৰা প্ৰতিক্ৰিয়াসমূহৰ যোগেদি এজন ব্যক্তিৰ বুদ্ধিয়ে প্ৰকাশ লাভ কৰে।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) বুদ্ধিৰ পৰিচায়ক প্ৰতিক্ৰিয়া উৎপাদনকাৰী উদ্দীপকৰ সমষ্টিয়েই বুদ্ধিৰ অভীক্ষা।

(খ) বুদ্ধিৰ অভীক্ষাৰ প্ৰশ্নপদসমূহ সমাধান কৰোতে অৰ্জিত জ্ঞানৰ প্ৰয়োজন নহয়।

১১.১৬ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

প্ৰশ্ন ১ ঃ মনোবৈজ্ঞানিক অভীক্ষাৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ব্যক্তিগত অভীক্ষা কি? ইয়াৰ সুবিধা অসুবিধাসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ যৌথ অভীক্ষাৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ৪ ঃ অভীক্ষাৰ প্ৰশ্নপদ ভিত্তিক বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ পৰামৰ্শদান প্ৰক্ৰিয়াত মনোবৈজ্ঞানিক অভীক্ষাৰ ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ পৰ্যবেক্ষণ পদ্ধতি কি? ইয়াৰ সুবিধা অসুবিধাসমূহ আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ সাক্ষাৎকাৰ কি? সাক্ষাৎকাৰৰ বিভিন্ন পদ্ধতিসমূহ আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ জীৱনৰ ঘটনা প্ৰৱাহৰ অধ্যয়ন পদ্ধতি কি? ইয়াৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৯ ঃ বুদ্ধিৰ অভীক্ষা কি? ব্যাখ্যা কৰক।

প্ৰশ্ন ১০ ঃবুদ্ধিৰ ব্যক্তিগত আৰু দলগত অভীক্ষাসমূহৰ লগত আপোনাৰ পৰিচিতি দেখুওৱাক।

প্ৰশ্ন ১১ ঃবুদ্ধিৰ ভাষাবিহীন আৰু ভাষামূলক অভীক্ষাসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ১২ ঃসম্পাদনী অভীক্ষা কি? সম্পাদনী অভীক্ষাসমূহৰ বিষয়ে এটি চমু বৰ্ণনা দিয়ক।

*** ***** ***

অধ্যায় ১২ ঃ আগ্রহ, অভিক্ষমতা, কৃতিত্বৰ ব্যক্তিত্ব আৰু সৃষ্টিশীলতা মূল্যায়ন (ASSESSMENT OF INTEREST, APTITUDE ACHIEVEMENT, PERSONALITY AND CREATIVITY)

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ আগ্রহৰ অর্থ

১২.৪ আগ্রহৰ প্রকাৰ

১২.৫ আগ্রহৰ মূল্যায়ন

১২.৬ অভিক্ষমতাৰ অর্থ

১২.৭ অভিজ্ঞমতা অভীক্ষাৰ প্রকাৰসমূহ

১২.৮ অভিক্ষমতা অভীক্ষাৰ পৰা লাভ কৰা তথ্যবোৰৰ বর্ণনা

১২.৯ কৃতিত্বৰ অভীক্ষাবোৰ

১২.১০ কৃতিত্ব অভীক্ষাৰ প্রকাৰবোৰ

১২.১১ কৃতিত্ব অভীক্ষাৰ তথ্য ব্যৱহাৰৰ ক্ষেত্রত ল'বলগীয়া সাৱধানতাসমূহ

১২.১২ ব্যক্তিত্বৰ অর্থ

১২.১৩ ব্যক্তিত্ব মূল্যায়নৰ পদ্ধতিবোৰ

১২.১৪ সৃষ্টিশীলতাৰ অর্থ আৰু প্রকৃতি

১২.১৫ সৃষ্টিশীল সম্ভাৱনাৰ কিছুমান সূচক

১২.১৬ সৃষ্টিশীলতা মূল্যায়নৰ কৌশলবোৰ

১২.১৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.১৮ অধিক জানিবলৈ

১২.১৯ অগ্রগতিৰ খতিয়ান

১২.২০ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আগ্রহৰ অর্থ, ইয়াৰ প্রকাৰ আৰু আগ্রহৰ মূল্যায়নৰ পদ্ধতিসমূহ বুজিব পাৰিব
- অভিক্ষমতাৰ অর্থ, অভিক্ষমতাৰ প্রকাৰ আৰু ইয়াৰ অভীক্ষাবোৰৰ পৰা প্রাপ্ত তথ্য কেনেকৈ ব্যাখ্যা কৰিব লাগে সেই বিষয়ে বর্ণনা কৰিব পাৰিব
- কৃতিত্ব অভীক্ষা কি, ইয়াৰ প্রকাৰ আৰু কৃতিত্ব অভীক্ষাৰ নম্বৰ ব্যৱহাৰ কৰাত ল'বলগীয়া সাৱধানতাসমূহ বর্ণনা কৰিব পাৰিব
- ব্যক্তিত্বৰ মূল্যায়নৰ পদ্ধতিসমূহ বুজিব পাৰিব।
- সৃষ্টিশীলতাৰ মূল্যায়নৰ কৌশলসমূহৰ সম্পর্কে ধাৰণা কৰিবলৈ সক্ষম হ'ব।

১২.২ পৰিচয় (INTRODUCTION)

নির্দেশনা আৰু পৰামর্শদানৰ ক্ষেত্রত মনোবৈজ্ঞানিক মূল্যায়নক (Psychological Assessment) এক অপৰিহার্য অংশ স্বৰূপে বিবেচনা কৰিব পাৰি। মূল্যায়ন হৈছে ক্ষমতা, অনুৰাগ, অভিক্ষমতা, ব্যক্তিত্বৰ মনোভাৱ আৰু বিশ্বাস সম্পর্কে তথ্য সংগ্রহৰ এক নিৰন্তৰ প্রক্রিয়া। যিকোনো নির্দেশনা আৰু পৰামর্শদানৰ পৰিস্থিতিৰ বাবে ই হৈছে প্রথম পদক্ষেপ। ইয়াৰ উপৰিও মনোবৈজ্ঞানিক সঁজুলিসমূহ ব্যৱহাৰ কৰি আপুনি ছাত্র-ছাত্রীসকলক তেওঁলোকৰ কেৰিয়াৰৰ বাবে পছন্দৰ বিষয় আৰু পাঠ্যক্রম নির্বাচন কৰাত পথ প্রদর্শন কৰিব পাৰে।

মনোবৈজ্ঞানিক মূল্যায়ন হৈছে এনে এক প্রক্রিয়া য'ত একাধিক উৎসৰ পৰা তথ্যৰ সংহতিকৰণ অর্থাৎ একত্রীকৰণ কৰা হয়। উদাহৰণস্বৰূপে- সক্ষমতা, আগ্রহ বা মনোভাৱৰ সৈতে জড়িত অভীক্ষাৰ লগতে ব্যক্তিগত সাক্ষাৎকাৰৰ পৰা পোৱা তথ্যৰ একত্রীকৰণ। এইখিনিতে মনকৰিবলগীয়া আটাইতকৈ গুৰুত্বপূর্ণ কথাটো হ'ল যে এজন ছাত্রৰ সংজ্ঞানাত্মক আৰু ব্যক্তিগত আৱেগিক কার্যকলাপৰ দৰে মানসিক গঠনসমূহৰ মূল্যায়ন কৰিবলৈ আপুনি বিভিন্ন অভীক্ষাসমূহ ভালদৰে ব্যৱহাৰ কৰিব লাগিব। স্বাভাৱিকতে শিক্ষক বা নির্দেশনা কর্মীয়ে ব্যক্তিৰ বিষয়ে মৌলিক তথ্য সংগ্রহৰ বাবে ব্যৱহাৰ কৰা কৌশলসমূহক প্রতিমানকৃত (Standardized) বা অ-প্রতিমানকৃত (Non-standardized) হিচাপে দ্বি-বিভক্ত কৰিব পৰা যায়। অ-প্রতিমানকৃত কৌশলসমূহ হ'ল সাক্ষাৎকাৰ, ৰেটিং, প্রশ্নাৱলী, পর্যবেক্ষণ, ছ'চিঅ'মেট্রিক পদ্ধতি, জীৱনমূলক পদ্ধতি আৰু ক্রমবর্ধমান বা সঞ্চয়ীমূলক ৰেকর্ড ইত্যাদি।

আনহাতে প্রতিমানকৃত কৌশলসমূহ হৈছে আগ্রহ, বুদ্ধিমত্তা, অভিক্ষমতা আৰু ব্যক্তিত্বৰ বৈশিষ্ট্য জুখিব পৰা আহিলা। উল্লেখযোগ্য যে প্রতিমানকৃত আৰু অ-প্রতিমানকৃত উভয় শ্রেণীৰ আহিলাসমূহ মূলতঃ প্রাথমিক তথ্য লাভ কৰাৰ হকে ব্যৱহাৰ কৰা হয়। নিঃসন্দেহে সকলো কৌশল উপযোগী কিন্তু নির্দেশনা কর্মীয়ে কোনো প্রকাৰৰ কৌশল ব্যৱহাৰৰ পূর্বে মনত ৰখাটো উচিত হ'ব যে উপলব্ধ দুয়ো শ্রেণীৰ কৌশলসমূহৰ ভিতৰত কোনবোৰ

কৌশলে নির্ভৰযোগ্য আৰু বস্তুনিষ্ঠ তথ্য দিব পাৰিব। কৌশলবোৰ নির্বাচন কৰি ব্যৱহাৰৰ পূর্বে নির্দেশনাকর্মীয়ে ওপৰোক্ত কথাখিনি বিশেষভাৱে বিবেচনা কৰিব লাগিব।

ব্যক্তিত্বৰ পৰিমাপণ (Assessment of Personality) ঃ ব্যক্তিত্বৰ পৰিমাপণ এক কঠিন কাম। যিহেতু ব্যক্তিত্বই জন্মগতভাৱে লাভ কৰা শক্তি আৰু পৰিৱেশ দুয়োটাকে সামৰি লয়। সেয়েহে ব্যক্তিত্বৰ উপাদান স্বৰূপ সংলক্ষণবোৰ চিনাক্ত কৰি তাৰ উপযুক্ত পৰিমাপণ কৰাকে ব্যক্তিত্ব পৰিমাপণ বুলিব পাৰি।

এখন বিদ্যালয়ৰ ছাত্র-ছাত্রীসকলৰ মাজত অন্তর্নিহিত এনে সৃজনশীল গুণসমূহক সঠিক দিশত আগবঢ়াই নিয়াতো প্রত্যেকজন শিক্ষকৰ দায়িত্ব আৰু কর্তব্য। তাৰ কাৰণে প্রয়োজন মূল্যায়নৰ। সেয়ে এই অধ্যায়ত আপোনালোকে জানিবলৈ পাব সৃজনশীলতা আৰু ইয়াৰ মূল্যায়নৰ দিশসমূহ। শিক্ষাই যিহেতু সর্বতো দিশৰ বিকাশ সাধন বুজায়, সেয়ে শ্রেণীকোঠাৰ পৰিৱেশৰ পৰাই ছাত্র-ছাত্রীৰ গুণসমূহ চিনাক্ত কৰি সঠিক দিশত প্রয়োগৰ দিহা দিয়াতো হৈছে তেওঁলোকৰ জীৱনৰ সঠিক গতি পথৰ নির্দেশনা।

১২.৩ আগ্রহৰ অর্থ (MEANING OF INTEREST)

সৰল অর্থত আগ্রহে ব্যক্তিৰ পছন্দ আৰু অগ্রাধিকাৰ প্রদানৰ কথাকে বুজায়। শিক্ষক হিচাপে আপুনি হয়তো আপোনাৰ শ্রেণীত লক্ষ্য কৰিছে যে কিছুমান ছাত্রই গণিতৰ প্রতি অধিক প্রৱণতা দেখুৱায়, আনহাতে কিছুমানে কম্পিউটাৰত, কিছুমানে সংগীত, চিত্রকলা আদিত। অর্থাৎ ব্যক্তি-পার্থক্যৰ হেতু আগ্রহৰ ক্ষেত্রত এনে বৈচিত্র্য পৰিলক্ষিত হয়। আগ্রহ হৈছে কিছুমান বিশেষ বস্তু, কার্যকলাপ বা অভিজ্ঞতাৰ প্রতি আচৰণৰ অভিমুখীতা। ই হৈছে আমাৰ পছন্দ-অপছন্দ বা আমাৰ আকর্ষণ বা বিতৃষ্ণাৰ অভিব্যক্তি। এজন ব্যক্তিয়ে বহুতৰ ভিতৰত আটাইতকৈ গ্রহণযোগ্য, উপযুক্ত বিকল্পটো বাছি লয়, পছন্দৰ উদ্দেশ্য, কার্যকলাপ আদিক অনুসৰণ কৰে আৰু ফলস্বৰূপে নির্বাচিত কার্যসমূহৰ পৰা সন্তুষ্টি আৰু সুখ আহৰণ কৰে।

এইখিনিতে আমাৰ মনত এটা বিশেষ প্রশ্নৰ অৱতাৰণা হয় যে আগ্রহ অর্জিত হয়নে? উল্লেখযোগ্য যে আগ্রহবোৰ পৰিৱেশৰ পৰা লাভ কৰা হয় আৰু এই পৰিৱেশীয় অভিজ্ঞতা ব্যক্তিভেদে বেলেগ বেলেগ। সেয়েহে আগ্রহৰ ক্ষেত্রতো ব্যক্তিগত ভিন্নতা দেখিবলৈ পোৱা যায়। ব্যক্তিগত পৰিৱেশীয় প্রেক্ষাপটত এনে প্রকৃতিৰ আগ্রহৰ বিকাশ ঘটে। উদাহৰণস্বৰূপে সংগীতৰ প্রতি আগ্রহ এনে পৰিৱেশৰ ভিতৰত বৃদ্ধি পায় য'ত সংগীত সহজে উপলব্ধ হ'ব পাৰে। নিজৰ অভিপ্রায় আৰু আৱেগিক সঁহাৰিৰ সৈতে আগ্রহ সলনি হয় আৰু সেয়েহে ই স্থায়ী নহয়। যদিও কৈশোৰ কালত আগ্রহ সুস্থিৰ হ'বলৈ আৰম্ভ কৰে, তথাপিও বিভিন্ন বয়সত ইবোৰৰ ভিন্নতা থাকে আৰু বিভিন্ন বিকাশৰ পর্যায়ত ইয়াৰ মূল্যায়ন কৰাটো প্রয়োজন।

১২.৪ আগ্রহৰ প্রকাৰ (TYPES OF INTEREST)

আগ্রহৰ স্বৰূপ অথবা বিশেষত্বৰ ওপৰত ভিত্তি কৰি ইয়াক দ্বি-বিভক্ত কৰা হয়। আগ্রহৰ এই ভাগ দুটা হ'ল

ক্ৰমে আভ্যন্তৰীণ আগ্ৰহ (Intrinsic Interest) আৰু বাহ্যিক আগ্ৰহ (Extrinsic Interest)। এজন পৰামৰ্শদাতাই ছাত্ৰজনৰ আগ্ৰহ অন্তৰ্নিহিত নে বাহ্যিক সেইটো বিচাৰি উলিয়াব লাগে। বহু ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান বিষয়ৰ অধ্যয়নৰ প্ৰতি স্বতঃস্ফূৰ্তভাৱে আগ্ৰহী আৰু এইবোৰে তেওঁলোকৰ অন্তৰ্নিহিত আগ্ৰহক সূচায়। কিন্তু কেতিয়াবা আপুনি হয়তো এনে ছাত্ৰ-ছাত্ৰীৰ সন্মুখীন হৈছে যিসকলে বিজ্ঞান বিষয়ত ভাল ফলাফল দেখুৱাব পৰা নাই কিন্তু সমাজত প্ৰতিষ্ঠিত হিচাপে গণ্য কৰা হোৱাৰ বাবে চিকিৎসা বা অভিযান্ত্ৰিক পেছা হিচাপে যোগদান কৰাৰ লক্ষ্যৰে এনে বিষয় ল'বলৈ বাধ্য হৈছে। এনে পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহক বলপূৰ্বকভাৱে তেওঁলোকৰ অভিভাৱকৰ দ্বাৰা জগাই তোলা হয়। এনেদৰে ছাত্ৰ-ছাত্ৰীসকলৰ স্বকীয় পছন্দ-অপছন্দৰ দিশটোক অগ্ৰাহ্য কৰি বলপূৰ্বকভাৱে আগ্ৰহ সৃষ্টি কৰাৰ কৃত্ৰিম প্ৰচেষ্টাকে বাহ্যিক আগ্ৰহ বুলি কোৱা হয়।

১২.৫ আগ্ৰহৰ মূল্যায়ন (ASSESSMENT OF INTEREST)

আগ্ৰহৰ মূল্যায়ন ছাত্ৰ-ছাত্ৰীৰ পছন্দ আৰু অপছন্দ সম্পৰ্কীয় বিভিন্ন বুনিয়াদী তথ্য প্ৰদান কৰিবলৈ প্ৰয়োগ কৰা হয়, যিয়ে আপোনাক ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ সমস্যাৰ বিষয়ে গভীৰভাৱে বুজিবলৈ সহায় কৰিব। আকৌ, তেওঁলোকৰ বিভিন্ন পাঠ্যক্ৰম আৰু কেৰিয়াৰৰ দাবীৰ ক্ষেত্ৰত তেওঁলোকৰ আগ্ৰহ চিনাক্ত আৰু স্পষ্ট কৰিবলৈ, তেওঁলোকৰ আগ্ৰহৰ সৈতে সামঞ্জস্যপূৰ্ণ শৈক্ষিক আৰু বৃত্তিমূলক পৰিকল্পনা প্ৰস্তুত কৰাত সহায় কৰিবলৈ আৰু তেওঁলোকৰ শক্তিক বিভিন্ন দিশলৈ সঠিকভাৱে ৰূপান্তৰিত কৰাত সহায় কৰিবলৈ, আগ্ৰহৰ মূল্যায়ন কৰাটো প্ৰয়োজনীয়।

আপুনি এজন ছাত্ৰৰ আগ্ৰহক আৱিষ্কাৰ কৰিবলৈ আনুষ্ঠানিক মূল্যায়ন কৌশল আৰু অনানুষ্ঠানিক মূল্যায়ন কৌশল ব্যৱহাৰ কৰিব পাৰে।

আনুষ্ঠানিক মূল্যায়ন কৌশল (Formal Assessment Technique) ঃ আগ্ৰহ মূল্যায়নৰ ক্ষেত্ৰত থকা এক অতি গুৰুত্বপূৰ্ণ কৌশল হিচাপে আনুষ্ঠানিক মূল্যায়নে আগ্ৰহ সম্ভেদমূলক বিভিন্ন কৌশলবোৰ ব্যৱহাৰৰ পোষকতা কৰে। ব্যক্তিৰ আগ্ৰহক ভালদৰে আৱিষ্কাৰ কৰিবলৈ এই কৌশলবোৰ অধিক নিৰ্ভৰযোগ্য হিচাপে বিবেচনাযোগ্য। সম্ভেদমূলক কৌশলৰ ব্যৱহাৰে প্ৰধানতঃ এজন ছাত্ৰক এখন কৰ্মতালিকা আৰু বিবিধ পেছাগত বিকল্পৰ সৈতে উপস্থাপন কৰে। এই পেছাগত ক্ষেত্ৰবোৰত ইতিমধ্যে বিভিন্ন মানুহে নিজৰ পাৰদৰ্শিতা অথবা নম্বৰ লাভ কৰিছে। ছাত্ৰজনক মাথোঁ উক্ত তালিকাখনৰ পৰা পছন্দৰ ভিত্তিত নিজ কৰ্ম বাছনি কৰি অনুসৰণ কৰিবলৈ কোৱা হয়। ইয়াৰোপৰি তালিকাখনৰ পৰা পছন্দৰ কৰ্মৰ লগতে তেওঁ অনুসৰণ কৰিব নিবিচৰা অ-পছন্দৰ কামসমূহো বাছিবলৈ কোৱা হয়। এনেদৰে আগতে চিহ্নিত কৰা সঁহাৰিৰ সৈতে নিজৰ সঁহাৰিৰ তুলনা কৰিলে, ব্যক্তিজনক নিজৰ আগ্ৰহৰ ধৰণ চিনাক্ত কৰাৰ ভিত্তি পোৱা যায়। সাম্প্ৰতিক সময়ত আগ্ৰহৰ এনে বহুত সম্ভেদমূলক কৌশল ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ অধিকাংশই পেছাগত আগ্ৰহৰ লগত জড়িত।

(ক) কুডাৰ আগ্ৰহ সম্ভেদমূলক পদ্ধতি (Kuder Interest Inventories) ঃ কুডাৰৰ আগ্ৰহৰ সম্ভেদমূলক পদ্ধতিৰ সৈতে বিভিন্ন প্ৰকাৰ, ৰূপ, সংস্কৰণ আদি জড়িত হৈ আছে। এই প্ৰকাৰ বা সংস্কৰণসমূহে বিভিন্ন উদ্দেশ্য

চৰিতার্থ কৰাৰ অভিপ্রায়েৰে বিভিন্ন দৃষ্টিকোণৰ পৰা আগ্রহক পৰিমাপণত সহায় কৰিবলৈ প্রস্তুতি আগবঢ়াই। আগ্রহ পৰিমাপণৰ বাবে কুডাৰৰ সম্ভেদমূলক তালিকাত অন্তর্ভুক্ত প্রশ্নপদসমূহ হৈছে নির্বাচনধর্মী অর্থাৎ প্রতিক্রিয়া প্রদানত সীমাবদ্ধতা আছে। তালিকভুক্ত প্রশ্নপদসমূহৰ ভিত্তিত অভীক্ষার্থীয়ে নিজৰ পছন্দ অনুযায়ী আটাইতকৈ ভালপোৱা কর্মটো বা কম ভালপোৱা কর্মটো বিকল্পসমূহৰ পৰা বাছনি কৰিব লাগে।

আগ্রহ পৰিমাপণৰ দিশত সচৰাচৰ ব্যৱহৃত কুডাৰৰ সম্ভেদমূলক পদ্ধতিসমূহ হ'ল-

- **কুডাৰ বৃত্তিগত পছন্দৰ ৰেকর্ড (The Kuder Vocational Preference Record) ঃ** কুডাৰৰ সম্ভেদমূলক প্রকাৰসমূহৰ এক বিশেষ প্রকাৰ হিচাপে এই প্রকাৰটোৱে মানুহৰ অসাৱধনতা, ত্রুটিপূর্ণ বোধন আৰু সামাজিকভাৱে প্রত্যাশিত কিন্তু সম্ভাৱনাহীন উত্তৰ বাছনি চিনাক্ত কৰাৰ বাবে ১০টা আগ্রহৰ ক্ষেত্রযুক্ত মাপনীৰ লগতে এটা সত্যাপন মাপনী প্রদান কৰা হয়। আগ্রহৰ এই মাপনীয়ে বহিঃক্রিয়া, যান্ত্রিক, বৈজ্ঞানিক, প্রত্যয়জনক, কলাসূলভ, সাহিত্যধর্মী, সাংগীতিক, সামাজিক সেৱা আৰু কেৰাণী সম্বন্ধীয় প্রশ্নপদসমূহ অন্তর্ভুক্ত কৰে। এই মাপনীৰ ক্ষেত্রত প্রতিক্রিয়া প্রদান কৰোঁতাসকলে তিনিটা কার্যৰ ভিতৰত কোনটো কাম তেওঁলোকে বেছি পছন্দ কৰিব আৰু কোনটো কাম কম পছন্দ কৰিব সেইটো উল্লেখ কৰে। উল্লেখযোগ্য যে এই মাপনীৰ প্রাপ্তাংকসমূহ নির্দিষ্ট বৃত্তিৰ লগত জড়িত হোৱাৰ পৰিৱর্তে আগ্রহৰ ১০টা বিস্তৃত ক্ষেত্রক সামৰি লয়।
- **কুডাৰ সাধাৰণ আগ্রহ জৰীপ (Kuder General Interest Survey) ঃ** কুডাৰৰ সম্ভেদমূলক প্রকাৰসমূহৰ অন্যতম এটা প্রকাৰ হ'ল কুডাৰ সাধাৰণ আগ্রহ জৰীপ। ইয়াক কুডাৰ বৃত্তিগত পছন্দৰ ৰেকর্ডৰ পুনৰীক্ষণ আৰু নিম্নগামী সম্প্রসাৰণ হিচাপে বিকশিত কৰা হৈছে। ইয়াক ৬ ৰ পৰা ১২ গ্রেডলৈকে অতি প্রণালীবদ্ধভাৱে সজাই তোলা হৈছে। প্রতিক্রিয়া প্রকাশ কৰাত সহায়ক হোৱাৰ বাবে ইয়াত বোধগম্য ভাষা আৰু শব্দভাণ্ডাৰ ব্যৱহাৰ কৰা হৈছে। ই হৈছে Strong Vocational Interest Blanks ৰ পুনৰীক্ষণ।
- **শক্তিশালী বৃত্তিমূলক আগ্রহৰ ব্লেংকচ্ (Strong Vocational Interest Blanks) ঃ** আগ্রহৰ এই সম্ভেদমূলক বিশেষ প্রকাৰটোৱে এনেধৰণৰ অভিধাৰণাৰ ওপৰত প্রতিষ্ঠিত যে বৃত্তিয় ক্ষেত্রত যদিহে কোনো এজন ব্যক্তিৰ আগ্রহৰ গাঠনি বা ধৰণ সফল ব্যক্তিৰ দৰে হয় তেতিয়াহলে নিশ্চিতভাৱে সেই ব্যক্তিজনে নিজ কর্ম ক্ষেত্রক উপভোগ্য কৰি তোলাৰ লগতে বৃত্তিয় সন্তোষ লাভ কৰিবলৈ সক্ষম হ'ব। ইয়ে বিভিন্ন বিষয় অথবা প্রশ্নপদসমূহৰ মাধ্যমত ছাত্র-ছাত্রীসকলৰ আগ্রহৰ পছন্দ-অপছন্দৰ ক্ষেত্র অর্থাৎ সামগ্রিকভাৱে আগ্রহৰ গাঠনিৰ প্রকৃত স্বৰূপক উন্মোচন কৰাত সহায় কৰে। সেয়েহে এজন পৰামর্শদাতা হিচাপে যদি আপুনি আগ্রহৰ পটভূমিত এজন ব্যক্তিৰ সামগ্রিক বর্ণনা সঠিকভাৱে আহৰণ কৰাৰ লগতে সংশ্লিষ্ট ব্যক্তিজনৰ বাবে ৰুচিসম্মত আৰু সম্ভাব্যপূর্ণ কর্মৰ বৃহৎ জগতখন মুকলি কৰি দিয়াৰ ভৱিষ্যৎদর্শী সিদ্ধান্ত গ্রহণ কৰিব বিচাৰে তেতিয়াহ'লে আপোনাৰ বাবে কুডাৰৰ অগ্রাধিকাৰ ৰেকর্ড (Kuder Preference Record) হৈছে আগ্রহক মূল্যায়ন কৰাৰ উপযুক্ত আহিলা। আনহাতে যদি সীমিত সংখ্যক নির্দিষ্ট চাকৰি বা কর্মৰ বাবে ব্যক্তিৰ আগ্রহক মূল্যায়ন কৰিব বিচাৰে, এনেক্ষেত্রত আপোনাৰ বাবে শক্তিশালী বৃত্তিমূলক আগ্রহৰ ব্লেংকচ্ (Strong Vocational Interest Blanks) অধিক ব্যৱহাৰ উপযোগী হৈ পৰিব।

অনানুষ্ঠানিক মূল্যায়নৰ কৌশলসমূহ (Informal Assessment Techniques)

আগ্রহৰ পৰিমাপণ আৰু মূল্যায়নত সততে ব্যৱহাৰ হৈ থকা অনানুষ্ঠানিক মূল্যায়নৰ কৌশলৰ অন্তর্ভুক্ত বিশেষ পদ্ধতিবোৰ হ'ল নিম্নলিখিত ধৰণৰ-

১) **পর্যবেক্ষণ (Observation) ঃ** আমাৰ দৈনন্দিন জীৱনত প্রতিনিয়ত আমি আচৰণৰ প্রকাশভংগীক পর্যবেক্ষণ কৰিব পাৰোঁ। এজন ব্যক্তিয়ে প্রকৃততে কি কৰে অর্থাৎ তেওঁৰ কর্মৰ দ্বাৰা আমি তেওঁৰ আগ্রহ সম্বন্ধে এক স্পষ্ট আৰু অর্থবহ ইংগিত লাভ কৰিব পাৰোঁ। সেয়েহে চমুকৈ ইয়াকে ক'ব পাৰি যে এই কৌশলৰ ফলপ্রসূতা নির্ভৰ কৰে পর্যবেক্ষকৰ দক্ষতাৰ ওপৰত।

২) **সাক্ষাৎকাৰ (Interview) ঃ** শিক্ষার্থীৰ আগ্রহৰ সম্পর্কে কৰা সাক্ষাৎকাৰে পৰামর্শদাতাক শিক্ষার্থীক বুজিবলৈ এক ভাল আৰম্ভণি প্রদান কৰিব পাৰে। উদাহৰণস্বৰূপে- তেওঁ অধ্যয়ন কৰা কিতাপবোৰ, অধ্যয়নৰ বাবদ ব্যয় কৰা সময় আৰু কেনেধৰণৰ অধ্যয়নৰ প্রতি তেওঁৰ আগ্রহ ইত্যাদিবোৰ সম্পর্কে সঠিক তথ্য প্রদান কৰে।পৰামর্শদাতা হিচাপে আপুনি মূল্যায়নৰ গুণগত কৌশল যেনে- শিক্ষার্থীয়ে অংশগ্রহণ কৰা কার্যকলাপসমূহৰ পর্যবেক্ষণ, এনেক্ড'টৈল ৰেকর্ডৰ পৰা সংগ্রহ কৰা তথ্য আদি ব্যৱহাৰ কৰি এই তথ্য পৰিপূৰক কৰিব পাৰে।

১২.৬ অভিক্ষমতাৰ অর্থ (MEANING OF APTITUDE)

অভিক্ষমতাক এইদৰে সংজ্ঞায়িত কৰি ক'ব পাৰি যে অভিক্ষমতা হৈছে ব্যক্তিৰ মাজত অন্তর্নিহিত এনে এক সংলক্ষণ যিয়ে কোনো এক বিশেষ ক্ষেত্রত ব্যক্তিয়ে প্রদর্শন কৰা পাৰদর্শিতা আৰু ইয়াৰ বাবে প্রয়োজনীয় শিক্ষণ আহৰণক বুজায়। ব্যক্তিৰ মাজত নিহিত হৈ থকা এনেধৰণৰ সংলক্ষণে ব্যক্তিজনক বিশেষভাৱে বৈশিষ্ট্যযুক্ত কৰি তোলে। ইয়াক স্বাভাৰিক প্রৱণতা, বিশেষ ক্ষমতা বা ক্ষমতাসমূহৰ গোট হিচাপে ভবা হয় যিবোৰ মূলতে শিক্ষণ বা অন্যান্য অভিজ্ঞতাৰ জৰিয়তে সর্বোচ্চ বিকশিত কৰিব পৰা যায়। ক্ষমতাসমূহৰ এটা গোট বা সংমিশ্রণে এটা বিশেষ বৃত্তিত সফলতা প্রাপ্তিৰ বাবে প্রয়োজনীয় এক বিশেষ অভিক্ষমতা গঠন কৰে। ব্যক্তিৰ এনে ক্ষমতাসমূৰ গোটে কোনো বিশেষ ক্ষেত্রৰ কৰিবলগীয়া কাম এটা সফলতাৰে বাস্তৱায়িত কৰাৰ সম্ভাৱনাৰ দিশত এক অর্থবহ ইংগিত প্রদান কৰে। ইয়োৱপৰি কোনো এক বিশেষ সামর্থ্য বিকাশৰ হেতু প্রশিক্ষণৰ প্রয়োজনীয়তা কিমান সেইকথা উপলব্ধি কৰাৰ ক্ষেত্রতো অভিক্ষমতাই ইংগিত প্রদান কৰে। এইখিনিতে উল্লেখ কৰা ভাল হব যে অভিক্ষমতাৰ অবর্তমানত যিকোনো প্রশিক্ষণৰ লাভ সীমিত হৈ পৰিব পাৰে।

উদাহৰণস্বৰূপে- সংগীতৰ অভিক্ষমতা নথকাকৈ এজন ব্যক্তিয়ে প্রশিক্ষণৰ জৰিয়তে নিজৰ প্রদর্শন কিছু পৰিমাণে উন্নত কৰিব পাৰিলেও কিন্তু সম্পূর্ণৰূপে সফল হ'বলৈ যে যথেষ্ট নিপুণ হৈ উঠিব সেয়া নিশ্চিত নহয়।

১২.৭ অভিক্ষমতা অভীক্ষাৰ প্ৰকাৰসমূহ (TYPES OF APTITUDE TEST)

ব্যক্তিৰ বিষয়ে সহায়ক তথ্য প্ৰদান কৰাত অভিক্ষমতা অভীক্ষা বিশেষকৈ উপযোগী। যিবোৰ সাম্ভাব্য ক্ষমতাৰ প্ৰতি ব্যক্তিসকল সচেতন নহয় লগতে নিজৰ বিদ্যায়তনিক আৰু বৃত্তিমূলক সফলতাৰ মাত্ৰাক এক প্ৰকাৰ ভৱিষ্যৎবাণী কৰাত অসমৰ্থ হয়, তেনে ব্যক্তিসকলৰ মাজত পুঞ্জীভূত হৈ থকা সম্ভাব্য ক্ষমতাসমূহক ভালদৰে চিনাক্ত কৰাত এই অভীক্ষাই সহায় কৰিব পাৰে।

ব্যক্তিৰ অভিক্ষমতাক পৰিমাপ আৰু মূল্যায়নৰ ক্ষেত্ৰত বিবিধ অভীক্ষা পৰিলক্ষিত হয়। ইয়াৰ ভিতৰত কেইটামান অভীক্ষা হ'ল নিম্নলিখিত ধৰণৰ—

১) **বিশেষ অভিক্ষমতা অভীক্ষা *(Special Aptitude Test)*** ঃ বিশেষ অভিক্ষমতা অভীক্ষাই সাধাৰণতে সেই অভীক্ষাসমূহক বুজায় যিয়ে ব্যক্তিৰ কোনো নিৰ্দিষ্ট বৃত্তি বা অন্য ধৰণৰ কাৰ্যকলাপ সম্পন্ন কৰাৰ বা দক্ষতা আহৰণ কৰাৰ সম্ভাব্য ক্ষমতা জুখিব বিচাৰে। বিশেষ যোগ্যতা জুখিব পৰা অভীক্ষাসমূহক কেতিয়াবা একক অভিক্ষমতা অভীক্ষা বুলিও কোৱা হয় । কাৰণ ই কেৱল এটা নিৰ্দিষ্ট যোগ্যতাৰ বাবে জুখিবলৈ সুৰক্ষিত। পৰামৰ্শদাতাসকলে সঘনাই যান্ত্ৰিক, কেৰাণী বা কলাত্মক ক্ষমতাৰ ক্ষেত্ৰত একক যোগ্যতা জুখিবলৈ প্ৰতিমানকৃত অভীক্ষা ব্যৱহাৰ কৰে। বিভিন্ন স্নাতক আৰু পেছাদাৰী বিদ্যালয়ত ব্যৱহাৰৰ বাবে একক যোগ্যতা অভীক্ষাও প্ৰস্তুত কৰা হৈছে। বিদ্যালয়ৰ বিশেষ বিষয়ৰ পাৰদৰ্শিতাক পৰিমাপণ কৰাৰ বাবেও অভিক্ষমতা অভীক্ষাৰ ব্যৱস্থা আছে।

২) **বৃত্তিয় অভিক্ষমতা বেটাৰী *(Vocational Aptitude Batteries)*** ঃ এইবোৰ হৈছে একাধিক অভিক্ষমতা পৰিমাপণ আৰু মূল্যায়নৰ অভীক্ষা। সাধাৰণতে এই প্ৰকাৰৰ অভীক্ষা উপ-অভীক্ষাৰ শৃংখলাৰে গঠিত হয় যিবোৰ বৃত্তি বা বৃত্তিগতভাৱে সম্পৰ্কীয় কাৰ্যকলাপৰ শৃংখলাৰ সৈতে বিভিন্ন সংমিশ্ৰণত জড়িত। সচৰাচৰ ব্যৱহৃত একাধিক অভিক্ষমতা বেটাৰীসমূহ হ'ল জেনেৰেল এপ্টিটুড টেষ্ট বেটাৰী (GATB), দ্য ডিফাৰেন্সিয়েল এপ্টিটুড বেটাৰী (DAT), ফ্লেনাগন এপ্টিটুড ক্লাছিফিকেশন টেষ্ট (FACT), আৰু একাডেমিক প্ৰমিছ টেষ্ট (APT)।

৩) **বিদ্যায়তনিক অভিক্ষমতা অভীক্ষা *(Scholastic Aptitude Test)*** ঃ বিদ্যায়তনিক অভিক্ষমতাৰ অভীক্ষাই সাধাৰণতে এজন ব্যক্তিৰ শৈক্ষিক পৰিস্থিতিত পাৰদৰ্শিতাৰ সম্ভাৱনাক জুখিব বিচাৰে। এনে অভীক্ষাসমূহে উচ্চ শিক্ষা পৰ্যায়ত বিদ্যায়তনিক পাৰদৰ্শিতা সম্পৰ্কে যথোচিতভাৱে ভৱিষ্যৎবাণী কৰাৰ অভিপ্ৰায়েৰে SAT আৰু PSAT বেটাৰীসমূহক সামৰি লৈছে। এই অভীক্ষাসমূহে ব্যক্তিৰ শৈক্ষিক কৃতিত্বক সহজাত ক্ষমতাসমূহৰ ভিত্তিত নহয়, অতীত শিক্ষণ ক্ষমতাৰ ভিত্তিতহে ভৱিষ্যৎবাণী কৰে।

১২.৮ অভিক্ষমতা অভীক্ষাৰ পৰা লাভ কৰা তথ্যবোৰৰ বৰ্ণনা (INTERPRETING APTITUDE TEST DATA)

উক্ত আলোচনাৰ আধাৰত আপোনালোকে নিশ্চয় শৈক্ষিক আৰু কেৰিয়াৰ সম্পৰ্কীয় পৰামৰ্শদানৰ সৈতে জড়িত হৈ থকা অভীক্ষাৰ প্ৰকাৰবোৰৰ সৈতে পৰিচয় হ'বলৈ সক্ষম হৈছে। অৱশ্যে অভিক্ষমতা সম্পৰ্কে আহৰণ কৰা জ্ঞান আৰু অভিক্ষমতা পৰিমাপণৰ অভীক্ষাসমূহৰ বিষয়ে জনাটোৱেই যথেষ্ট বুলিব নোৱাৰি। পৰামৰ্শদাতা এজনৰ বাবে ব্যক্তি এজনৰ মাজত সমাহিত হৈ থকা ক্ষমতাসমূহৰ গোট যিয়ে তেওঁৰ কোনো বিশেষ বৃত্তিৰ প্ৰতি আৰু বৃত্তিটোৰ সৈতে জড়িত হৈ থকা বিভিন্ন আনুসংগিক বৃত্তিয় দিশবোৰৰ প্ৰতি থকা অভিক্ষমতাক ভালদৰে বুজি উঠাৰ প্ৰয়োজন। কাৰণ বেছিভাগ কেৰাণী পদৰ বাবে গাণিতিক আৰু ভাষাৰ দৰে বিভিন্ন প্ৰকৃতিৰ ক্ষমতাৰ প্ৰয়োজন হয়। এওলোকে চিহ্ন আৰু সংখ্যাৰ সৈতে দ্ৰুতভাবে আৰু সঠিকভাৱে মোকাবিলা কৰাৰ প্ৰয়োজন হৈ পৰে। গতিকে যিকোনো কেৰাণী ক্ষমতাৰ বাবে দ্ৰুত পৰ্যবেক্ষণৰ প্ৰয়োজন। এয়া এক বোধগম্য অভীক্ষাৰ দ্বাৰাহে পৰিমাপণ কৰাটো সম্ভৱপৰ। কেৰাণী কৰ্মীসকলক বানান, দ্ৰুত গণনা, শ্ৰুতলিপি লোৱা, টাইপিং আদিৰ দক্ষতাও প্ৰয়োজন। উল্লেখিত সকলোবোৰ যোগ্যতা কোনো অভীক্ষাই সম্পূৰ্ণভাৱে জুখিব নোৱাৰে। কিন্তু কেৰাণী সম্পৰ্কীয় অভিক্ষমতা মূল্যায়নৰ উদ্দেশ্যে কেতবোৰ বিশেষ অভীক্ষা সুকীয়াকৈ তৈয়াৰ কৰা হৈছে। এজন ব্যক্তিৰ সবলতাৰ ক্ষেত্ৰবোৰ চিনাক্ত কৰাৰ উপৰিও অভিক্ষমতা অভীক্ষাৰ প্ৰক্ৰিয়া বা পদ্ধতি সম্পৰ্কেও জ্ঞান থকাটো সমানেই প্ৰয়োজন। ইয়াৰ ভিতৰত বিভিন্ন ধৰণৰ উৎস আৰু তথ্য যেনে অতীতৰ কৃতিত্বৰ শৈক্ষিক অভিলেখ, আগ্ৰহ আৰু অবসৰ সময়ৰ কাৰ্যকলাপ, অশৈক্ষিক সাফল্য, অভিভাৱক, শিক্ষক, আত্ম প্ৰতিবেদন আদি অন্তৰ্ভুক্ত কৰা হৈছে। অভীক্ষা আৰু পদ্ধতিৰ জ্ঞানৰ উপৰিও পৰামৰ্শদাতাসকলৰ পৰীক্ষাৰ নম্বৰ নিৰ্বাচন, প্ৰশাসন আৰু যোগাযোগৰ দক্ষতা থকাটো প্ৰয়োজন।

১২.৯ কৃতিত্বৰ অভীক্ষাবোৰ (ACHIEVEMENT TESTS)

শিক্ষাৰ বিভিন্ন পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়বস্তুৰ পাণ্ডিত্য, বিদ্যায়তনিক পাৰদৰ্শিতা আৰু আৰ্জিত জ্ঞানৰ মূল্যায়নৰ বাবে বিভিন্ন প্ৰকাৰৰ কৃতিত্ব অভীক্ষাবোৰ ব্যৱহাৰ কৰা হয়। বিদ্যালয়ৰ বিষয়বোৰত শিক্ষাৰ্থীসকলৰ পাৰদৰ্শিতাক ভালদৰে মূল্যায়ন কৰি বুজি উঠিবলৈ কৃতিত্বৰ অভীক্ষা বিশেষভাৱে সহায়কাৰী। গোট পৰীক্ষা, ষান্মাসিক পৰীক্ষা আৰু অধ্যায়নৰ বিষয়বোৰ সমাপ্ত হোৱাৰ পিছত অনুষ্ঠিত কৰা পৰীক্ষা সকলোবোৰেই হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ কৃতিত্ব পৰিমাপণ আৰু মূল্যায়নৰ অভীক্ষা। এই অভীক্ষাবোৰে সাধাৰণতে বিদ্যালয় পৰ্যায়ত পৰম্পৰাগতভাৱে শিকোৱা দক্ষতা আৰু সামথ্যসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সেয়েহে কৃতিত্ব অভীক্ষাক প্ৰায়বোৰ বিদ্যালয়ৰ বাবে সাধাৰণ নিৰ্দিষ্ট পাঠ্যক্ৰমৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ মাত্ৰা জুখিবলৈ ডিজাইন বা প্ৰস্তুত কৰা সঁজুলি হিচাপে সংজ্ঞায়িত কৰিব পাৰি যেনে- গণিত, ইংৰাজী আদি বিষয়বোৰৰ বাবে প্ৰস্তুত কৰা অভীক্ষা।

কৃতিত্ব অভীক্ষাসমূহক শিক্ষণৰ পৰিমাণ, শিক্ষণৰ হাৰ, অন্য ক্ষেত্রসমূহৰ সৈতে তুলনা, উপ-ক্ষেত্রসমূহত শিক্ষণৰ স্তৰ আৰু বিষয়বস্তুৰ ক্ষেত্রত সবলতা আৰু দুৰ্বলতাসমূহৰ শিক্ষণ পৰিমাপ হিচাপে ব্যৱহাৰ কৰা হয়। কাৰণ ইয়াৰ ব্যাপক ব্যৱহাৰ আৰু উপযুক্ত প্রসংগ চিনাক্ত কৰাৰ তুলনামূলকভাৱে সহজ উপায় হৈছে এই শিক্ষণ পৰিমাপ।

১২.১০ কৃতিত্ব অভীক্ষাৰ প্রকাৰবোৰ (TYPES OF ACHIEVEMENT TESTS)

কৃতিত্বৰ অভীক্ষাসমূহক বিভিন্ন ভাগত বিভক্ত কৰিব পাৰি আৰু ইয়াৰ প্রতিটো সুকীয়া ভাগেই সংশ্লিষ্ট উদ্দেশ্যবোৰ পূৰণ কৰাৰ লগতে শিক্ষার্থীসকলৰ বিদ্যায়তনিক দক্ষতা সম্পর্কে তথ্যৰ যোগান ধৰে। এনেদৰে এই অভীক্ষাসমূহক বিভিন্ন ধৰণে শ্রেণীভুক্ত কৰা হয় আৰু ইয়াৰ ওপৰত থকা বোধন ক্ষমতাই পৰামর্শদাতাসকলক নিজ কার্যবোৰ সু-নিয়াৰিকৈ সম্পাদন কৰাত সহায় কৰে।

উদ্দেশ্য বা কার্যৰ ভিত্তিত শ্রেণীভুক্ত কৰা মানক বা প্রতিমানকৃত কৃতিত্ব অভীক্ষাবোৰ তলত দিয়া ধৰণৰ—

১) **প্রাক অভীক্ষা বা প্রস্তুতিমূলক অভীক্ষা (Pretest or readiness test) ঃ** এই ধৰণৰ অভীক্ষা দৰাচলতে ছাত্র এজনৰ কোনো বিশেষ শৈক্ষিক কামত সফল হ'বলৈ থকা সাম্ভাব্য ক্ষমতা আৰু প্রয়োজনীয় দক্ষতা পৰিমাপণ কৰিবলৈ ব্যৱহাৰ হয়। অর্থাৎ, ইয়াক ছাত্র এজনৰ নতুন পাঠ্যক্রম গ্রহণ কৰিবলৈ বা কোনো বিশেষ দক্ষতা অধ্যয়ন কৰিবলৈ প্রস্তুতি আৰু সামথ্যৰ মূল্যায়ন কৰিবলৈ তৈয়াৰ কৰা হৈছে। এইদৰে ই ব্যক্তিজনৰ নতুন উচ্চ পর্যায়ৰ বিষয়বোৰ শিকিবলৈ প্রয়োজনীয় দক্ষতা আছে নে নাই তাক সূচায়।

২) **পাৰদর্শিতা অভীক্ষা (Mastery Test) ঃ** পাৰদর্শিতা অভীক্ষা হৈছে ন্যূনতম পাৰদর্শিতা সীমাবদ্ধ কৰা এক কাৰিকৰী অভীক্ষা যত ছাত্র-ছাত্রীসকলে পাৰদর্শিতা আহৰণ কৰাৰ আশা কৰা হয়। এই অভীক্ষাসমূহত এজন ব্যক্তিৰ কর্মক্ষমতাক অভীক্ষাটোৱে সামৰি লোৱা সামগ্রীসমূহৰ কিছুমান মানদণ্ডৰ দক্ষতা বা পাৰদর্শিতাৰ সৈতে তুলনা কৰা হয়। পাৰদর্শিতাৰ প্রাপ্তাংক হৈছে পৰৱর্তী স্তৰলৈ আগবাঢ়ি যাবলৈ প্রয়োজনীয় ন্যূনতম স্তৰৰ পৰিৱেশন।

৩) **নির্ণায়ক অভীক্ষা (Diagnostic Test) ঃ** কিছুমান ছাত্র-ছাত্রীয়ে সততে শিক্ষণৰ বিভিন্ন ক্ষেত্রত অসুবিধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হয়। বিশেষকৈ মৌলিক শৈক্ষিক দক্ষতা যেনে- পঢ়া বা গণিতৰ এই অসুবিধাসমূহে সকলো বিদ্যায়তনিক ক্ষেত্রত শিক্ষণৰ প্রক্রিয়াক প্রভাৱ পেলায়। ছাত্র-ছাত্রীৰ শিক্ষণত হোৱা অসুবিধাৰ কাৰণসমূহ নির্ণয় কৰিবলৈ সাধাৰণতে নির্ণায়ক অভীক্ষা প্রস্তুত কৰা হৈছে। এইদৰে এই অভীক্ষাসমূহে আমাক ছাত্র-ছাত্রীসকলৰ বিশেষ সবলতা আৰু দুৰ্বলতাসমূহ জানিবলৈ আৰু প্রতিকাৰমূলক ব্যৱস্থাসমূহৰ প্রয়োজনীয়তা চিনাক্ত কৰিবলৈ সহায় কৰে। এনেধৰণে নির্ণায়ক অভীক্ষাসমূহ ব্যক্তিগত কর্মক্ষমতা বিশ্লেষণ কৰিবলৈ আৰু অসুবিধাৰ কাৰণসমূহৰ বিষয়ে তথ্য প্রদান কৰিবলৈ প্রস্তুত কৰা হয় যিবোৰ পৰৱর্তী সময়ত শিক্ষাদান আৰু নির্দেশনাৰ উন্নত কৌশল গ্রহণৰ এক গুৰুত্বপূর্ণ ভিত্তি হিচাপে বিবেচিত হৈ পৰে।

৪) **সাধাৰণ কৃতিত্ব অভীক্ষা বা জৰীপ অভীক্ষা (General Aptitude Test or Survey Test) ঃ** সাধাৰণ কৃতিত্ব অভীক্ষা হৈছে বহুলভাৱে আৰু সঘনাই ব্যৱহৃত এক প্ৰতিমানকৃত অভীক্ষা। এক ব্যাপক পৰিসৰৰ নিৰ্দেশনামূলক উদ্দেশ্যবোৰক পৰিমাপণ কৰিবলৈ এই অভীক্ষা নিৰ্মাণ কৰা হয়। সাধাৰণতে এই অভীক্ষা পাঠ্যক্ৰমৰ ব্যাপক ক্ষেত্ৰক সামৰি প্ৰশ্নপদ প্ৰস্তুত কৰি শিক্ষাৰ্থীসকলৰ কোনটো বিশেষ ক্ষেত্ৰত বিস্তৃত জ্ঞান বা সামগ্ৰিক দখল আছে সেয়া পৰিমাপণৰ প্ৰয়াস কৰা হয়। এনেদৰেই এই অভীক্ষাসমূহত বিষয়বস্তু আৰু আচৰণৰ ক্ষেত্ৰৰ নমুনা সংগ্ৰহ সাধাৰণতে অধিক প্ৰতিনিধিত্বমূলক আৰু ব্যাপক হৈ পৰে।

৫) **সাধাৰণ কৃতিত্ব অভীক্ষা বেটাৰী (General Achievement Test Battery) ঃ** বহুতো শৈক্ষিক কৃতিত্ব অভীক্ষা বেটাৰীয়ে কেৱল এটা ক্ষেত্ৰৰ পৰিৱৰ্তে সাধাৰণতে শৈক্ষিক পাঠ্যক্ৰমে সামৰি লোৱা কেইবাটাও প্ৰধান বিষয়বস্তুৰ ক্ষেত্ৰ জুখিব পাৰে। অৰ্থাৎ এই অভীক্ষাৰ দ্বাৰা অভীক্ষাৰ্থীসকলৰ বিভিন্ন বিষয়ৰ বিদ্যায়তনিক পাৰদৰ্শিতাক একত্ৰে পৰিমাপণ কৰিব পাৰি। এই ধৰণৰ অভীক্ষা শিক্ষাৰ প্ৰাথমিক পৰ্যায়ৰ পৰা প্ৰাপ্তবয়স্ক পৰ্যায়লৈকে প্ৰনালীবদ্ধভাৱে ব্যৱহাৰ কৰিব পাৰি। এই অভীক্ষাসমূহে সাধাৰণতে ব্যক্তিগত বিষয় বা প্ৰধান শৈক্ষিক ক্ষেত্ৰত নম্বৰৰ প্ৰফাইল প্ৰদান কৰে। যিহেতু বেটাৰীৰ সকলো উপ-অভীক্ষা একেটা গোটতে এক নিৰ্দিষ্ট মান বা নৰ্ম প্ৰদান কৰা হৈছিল, গতিকে অভীক্ষা কৰা বিভিন্ন ক্ষেত্ৰত এজন ছাত্ৰৰ আপেক্ষিক কৃতিত্বৰ লগতে তেওঁৰ কৃতিত্ব গোটৰ আন সদস্যৰ সৈতে তুলনা কৰিব পাৰি। এই অভীক্ষাসমূহ নিৰ্দেশনাৰ দৃষ্টিকোণৰ পৰা সহায়ক। কাৰণ এই অভীক্ষাৰ সহায়ত প্ৰায়বোৰ ক্ষেত্ৰতে লক্ষণীয়ভাৱে অদক্ষ আৰু শিক্ষকৰ দ্বাৰা নিবিড় অভীক্ষা আৰু পৰ্যবেক্ষণৰ প্ৰয়োজন থকা ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দেশনা প্ৰদানৰ বেলিকা এই সাধাৰণ কৃতিত্ব অভীক্ষা বেটাৰী বিশেষভাৱে প্ৰয়োগযোগ্য।

ইয়াৰোপৰি ছাত্ৰ-ছাত্ৰীসকলৰ কৃতিত্বক ভালদৰে পৰিমাপণৰ বাবে অনানুষ্ঠানিক অভীক্ষাৰ সন্দৰ্ভত প্ৰতিখন বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ শিক্ষকসকলে নিজাবৰীয়াকৈ শিক্ষক- নিৰ্মিত অভীক্ষা (Teacher-made Test) নিৰ্মাণ কৰে। অৱশ্যে উল্লেখ কৰা ভাল হ'ব যে বিদ্যালয়ৰ এক বিশেষ পাঠ্যক্ৰমৰ বিষয়বস্তুৰ ওপৰত আধাৰিত হোৱা হেতুকে এই অভীক্ষাসমূহৰ বিষয়বস্তুৰ ক্ষেত্ৰখন অধিক পৰিসীমাবদ্ধ হৈ পৰে। শিক্ষকৰ সীমিত সময়, দক্ষতা, তুলনা আৰু ব্যাখ্যা কেৱল স্থানীয় বিদ্যালয়ৰ পৰিস্থিতিত সীমাবদ্ধ হোৱাৰ বাবে এনে অভীক্ষাৰ মানদণ্ড সাধাৰণতে কম হয় বুলিও ক'ব পাৰি। সেয়েহে এক প্ৰত্যাশিত আৰু নিৰ্ভৰযোগ্য ফল লাভৰ বাবে প্ৰতিমানকৃত আৰু শিক্ষক-নিৰ্মিত অভীক্ষাক পৰিপূৰক হিচাপে ব্যৱহাৰ কৰাটো অধিক যুক্তিসংগত।

১২.১১ কৃতিত্ব অভীক্ষাৰ তথ্য ব্যৱহাৰৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতাসমূহ (CAUTIONS IN THE USE OF ACHIEVEMENT DATA)

পৰামৰ্শদাতা হিচাপে আপোনাৰ বাবে এইটো জনাটো অতি গুৰুত্বপূৰ্ণ যে কেৱল কৃতিত্বৰ তথ্যই ছাত্ৰজনৰ বিষয়ে সম্পূৰ্ণ তথ্য প্ৰদান কৰিব নোৱাৰে। ছাত্ৰজনৰ কৃতিত্বৰ সামগ্ৰিক ছবি এখন সৃষ্টি কৰিবলৈ হ'লে পৰামৰ্শদাতাসকলে বিভিন্ন উৎসৰ পৰা তথ্য ব্যৱহাৰ কৰিব লাগিব। কৃতিত্ব অভীক্ষাৰ তথ্য ব্যৱহাৰৰ ক্ষেত্ৰত

ল'বলগীয়া কিছুমান সাৱধানতা তলত উল্লেখ কৰা হ'ল-

- পৰামৰ্শদাতা এজনে এই কথা অধিক সচেতনতাৰ সৈতে মনত ৰখা উচিত যে ছাত্ৰ-ছাত্ৰীসকলৰ নিম্ন প্ৰচেষ্টাৰ বাবে হয়তো কৃতিত্ব অভীক্ষাৰ ফলাফল নিম্ন হৈ পৰিছে। সেয়েহে এনেধৰণৰ ফলাফলক আধাৰ হিচাপে লৈ ছাত্ৰ-ছাত্ৰীসকলৰ কৃতিত্বৰ পৰিণতি সদায়ে নিম্নগামী হ'ব বুলি পূৰ্বানুমান কৰাটো একেবাৰেই অনুচিত। পৰামৰ্শদাতাসকলে সেয়েহে এক নিৰ্দিষ্ট সময়ছোৱাৰ ভিতৰত এজন ছাত্ৰৰ বিদ্যালয়ৰ নম্বৰৰ অভিলেখৰ ভিত্তিত কৃতিত্ব অভীক্ষাৰ নম্বৰৰ ব্যাখ্যা কৰিব লাগে।
- স্বাভাৱিকতে শিক্ষকে দিয়া গ্ৰেড বা নম্বৰেৰে কৃতিত্ব অভীক্ষাৰ তথ্য পৰিপূৰক কৰা হয়। শিক্ষক প্ৰদত্ত এই তথ্যই ছাত্ৰ-ছাত্ৰীৰ কৰ্মক্ষমতাৰ গুৰুত্বপূৰ্ণ সূচক হিচাপে ধৰি লোৱা হয়। গতিকে পৰামৰ্শদাতাসকলে কৃতিত্ব অভীক্ষাৰ নম্বৰৰ ব্যাখ্যা কৰাৰ সময়ত এই কথা বিবেচনা কৰাটো গুৰুত্বপূৰ্ণ।
- পৰামৰ্শদাতাসকলে কৃতিত্ব অভীক্ষাৰ পৰা লাভ কৰা গ্ৰেড, শিক্ষক প্ৰদত্ত নম্বৰৰ তথ্যসমূহ একত্ৰিত কৰি তথ্যসমূহৰ মাজৰ সম্পৰ্ক অধ্যয়ন কৰি এটা আৰ্হি গঠন কৰিব লাগিব। শিক্ষাৰ্থীসকলৰ কৃতিত্ব মূল্যায়ন কেৱল এটা উৎসৰ তথ্যৰ মাধ্যমত হোৱাৰ পৰিৱৰ্তে তথ্যৰ আৰ্হিৰ ওপৰত ভিত্তি কৰি হ'ব লাগিব।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আগ্ৰহ কেইপ্ৰকাৰৰ?

প্ৰশ্ন নং ২ ঃ আগ্ৰহ পৰিমাপনৰ দুটা আনুষ্ঠানিক পদ্ধতি লিখক।

প্ৰশ্ন নং ৩ ঃ অভিক্ষমতা অভীক্ষাৰ এটা প্ৰকাৰ উল্লেখ কৰক।

প্ৰশ্ন নং ৪ ঃ সাধাৰণ কৃতিত্ব অভীক্ষা বেটাৰীৰ কাম কি?

১২.১২ ব্যক্তিত্বৰ অৰ্থ (MEANING OF PERSONALITY)

ব্যক্তিত্ব শব্দটো হৈছে বহুলভাৱে ব্যৱহৃত হোৱা এটা শব্দ। অৱশ্যে শব্দটো মানৱ জীৱনৰ ভিন্ন দিশবোৰক বুজাবলৈ ব্যৱহাৰ কৰা হয়। ব্যক্তিত্বৰ ব্যাপক আৰু বিস্তৃত পৰিসৰে কেৱলমাত্ৰ ব্যক্তিৰ কায়িক অৱয়বৰ কথাকে নুবুজায়। ইয়াৰ পৰিসৰে ব্যক্তিৰ আৱেগিক, আন্তঃ ব্যক্তিয়, মানসিক, অভিৰোচনমূলক আৰু নৈতিক ইত্যাদি সকলোবোৰ দিশকে পৰিধিভুক্ত কৰি লয়। কিছুসংখ্যক গৱেষকে বুদ্ধিকো ব্যক্তিত্বৰ এটা অংশ হিচাপে অন্তৰ্ভুক্ত কৰে। এইদৰে ব্যক্তিত্বই ব্যক্তিৰ বৈশিষ্ট্যৰ এক অনন্য সংমিশ্ৰণক বুজায় যিয়ে ব্যক্তিত্বৰ ধাৰণাটোৰ মূলতে নিহিত হৈ থকা পৰিস্থিতিসমূহৰ মাজেৰে ব্যক্তিজনক বিশেষভাৱে আচৰণ কৰিবলৈ পূৰ্ব-প্ৰৱণতা প্ৰদান কৰে। ব্যক্তিত্বৰ ধাৰণাটোৰ মাজত নিহিত হৈ থকা আন এটা প্ৰধান বৈশিষ্ট্য হ'ল ইয়াৰ স্বকীয়তা। প্ৰতিজন ব্যক্তিৰে ব্যক্তিত্বৰ কেতবোৰ বৈশিষ্ট্যগত দিশৰ সাদৃশ্য আছে যদিও প্ৰতিজনৰ মাজতে কিছুমান স্বকীয় গুণ বা সংলক্ষণ থকা পৰিলক্ষিত

হয়। এইদৰে প্রতিজন ব্যক্তি অনন্য। এজনৰ ব্যক্তিত্বৰ এই স্বকীয় বৈশিষ্ট্যই বুজাই দিয়ে যে একে পৰিস্থিতিত মানুহে কিয় একে ধৰণে কাম নকৰে।

১২.১৩ ব্যক্তিত্ব মূল্যায়নৰ পদ্ধতিবোৰ (APPROACHES TO ASSESSMENT OF PERSONALITY)

ব্যক্তিত্বৰ বিভিন্ন তত্ত্বৰ পৰা বিকশিত হোৱা ব্যক্তিত্ব মূল্যায়নৰ বহুতো পদ্ধতি বিদ্যমান হৈ আছে। পৰামর্শদাতা হিচাপে আপুনি আপোনাৰ অভিমুখীতা আৰু অভিজ্ঞতাৰ ওপৰত নির্ভৰ কৰি এটা বা একাধিক পদ্ধতি বাছি ল'ব পাৰে। অৱশ্যে গুৰুত্বপূর্ণ কথাটো হ'ল প্রত্যেকেই কি তথ্য প্রদান কৰে সেয়া সঠিকভাৱে বুজি পোৱাটো। ব্যক্তিত্বৰ দৃষ্টিভংগীসমূহ অতি মৌলিক বর্ণনাত্মকৰ পৰা আৰম্ভ কৰি অতি কাৰিকৰী আৰু অত্যাধুনিক দৃষ্টিভংগীলৈকে প্রসাৰিত হৈ পৰিছে। এনে বিস্তৃত দৃষ্টিভংগীসমূহক আত্ম-প্রতিবেদনমূলক ব্যৱস্থা, প্রক্ষেপণ কৌশল আৰু আচৰণৰ মূল্যায়ন হিচাপে বিভিন্ন গোটত শ্রেণীবদ্ধ কৰিব পাৰি।

আত্ম-প্রতিবেদনমূলক ব্যৱস্থা (Self-report measure) ঃ ব্যক্তিত্ব অভীক্ষাৰ বিপুল সংখ্যক পদ্ধতিয়েই হৈছে আত্ম-প্রতিবেদনমূলক সম্ভেদকাৰী। এনে ধৰণৰ সম্ভেদমূলক পদ্ধতিত অভীক্ষার্থীয়ে প্রতিক্রিয়া প্রদানৰ সুবিধা হোৱাকৈ সুচিন্তিতভাৱে আৰু পদ্ধতিগতভাৱে পুস্তিকা এখনত প্রশ্নপদসমূহ সন্নিৱিষ্ট কৰা হয়। আত্ম-প্রতিবেদনমূলক সম্ভেদকাৰীৰ সহায়ত ব্যক্তিত্বৰ বৈচিত্র্যময় বিশেষত্বৰোৰক পৰিমাপণ আৰু মূল্যায়ন কৰিব পৰা যায়। ব্যক্তিত্বৰ ধৰণ বা প্রকাৰবোৰ নির্ণয়ৰ বাবে মায়ার্ছ-ব্রিগছ টাইপ ইনডিকেটৰ ইনভেণ্টৰী (MBTI) (The Myers- Briggs Type Indicator (MBTI) personality inventory) হৈছে ব্যক্তিত্ব মূল্যায়নৰ দিশত এক ব্যাপকভাৱে ব্যৱহৃত পদ্ধতি। ই মানুহৰ মাজৰ মৌলিক পার্থক্যসমূহ ধৰি ৰাখে আৰু ব্যক্তিগত বিকাশ বৃদ্ধি আৰু প্রত্যাহ্বানসমূহৰ কায চাপিবলৈ এক ইতিবাচক আৰু গঠনমূলক উপায় প্রদান কৰে। ইয়াক প্রধানকৈ ব্যৱসায়িক, শৈক্ষিক, কেৰিয়াৰ নির্দেশনা আৰু পৰামর্শদানৰ দিশত প্রয়োগ কৰা হয়। কেটেল আৰু তেওঁৰ সহযোগীসকলৰ ষোল্লটা ব্যক্তিত্ব কাৰক প্রশ্ন (16 পি এফ)য়ে বেছিভাগ ব্যক্তিত্বৰ বৈশিষ্ট্যৰ বিষয়ে কম সময়ৰ ভিতৰতে সম্পূর্ণ তথ্য প্রদান কৰিব পাৰে।

সাধাৰণতে নৈমিত্তিক পর্যবেক্ষণৰ তুলনাত আত্ম-প্রতিবেদনৰ সহায়ত প্রাপ্ত তথ্য-পাতিবোৰ বহুত বেছি নিখুঁত আৰু নির্ভৰযোগ্য হয়। বৃত্তিগত আগ্রহ, মানসিক লক্ষণ, স্বাভাৱিক ব্যক্তিত্ব, জ্ঞানমূলক শৈলী, মূল্যবোধ আদি পৰিমাপণ কৰিবলৈ সম্ভেদমূলক পদ্ধতিবোৰ প্রস্তুত কৰা হৈছে যিয়ে স্বাস্থ্যসম্মত সমন্বয়ৰ ক্ষেত্রসমূহ চিনাক্ত কৰাত সহায় কৰিব পাৰে। কিন্তু এইখিনিতে উল্লেখযোগ্য যে ইচ্ছাকৃতভাৱে ভুল তথ্যৰ প্রেৰণ কৰাৰ প্রৱণতাই এক বৃহৎ সমস্যা হিচাপে থিয় হ'ব পাৰে। কাৰণ কিছুমান ব্যক্তিয়ে সচেতনভাৱে বা অচেতনভাৱে সামাজিক বাঞ্ছনীয়তাৰ কাৰকৰ দ্বাৰা প্রভাৱিত হয় আৰু প্রশ্নপদবোৰৰ বিপৰীতে সঁচা উত্তৰ নিদিবও পাৰে। এনে ধৰণৰ প্রৱণতাই ইয়াৰ নির্ভৰযোগ্যতাক বহু পৰিমাণে হ্রাস কৰে। আকৌ কিছুমান ব্যক্তি বা অভীক্ষার্থীৰ নিজৰ সংলক্ষণবোৰ অন্বেষণ কৰাৰ ক্ষমতা অর্থাৎ অন্তর্দৃষ্টিৰ অভাৱ থকা দেখা যায়। সেয়েহে ব্যক্তিত্ব মূল্যায়নৰ এনে সম্ভেদকাৰী

পদ্ধতিৰ বৈধতা ঘাইকৈ নিৰ্ভৰ কৰিব অভীক্ষার্থীয়ে নিজক আত্ম-প্রকাশ কৰিবলৈ কিমান পৰিমাণে প্রস্তুত।

প্রক্ষেপণমূলক কৌশলবোৰ (Projective Techniques) ঃ প্রক্ষেপণমূলক কৌশলৰ মূল লক্ষ্য হ'ল এজন ব্যক্তিৰ ব্যক্তিত্বৰ মাজত নিহিত হৈ থকা মূল স্বৰূপৰ উন্মোচন কৰাটো। ই ব্যক্তিত্বক কিছুমান বিশেষ বৈশিষ্ট্যৰ ভিত্তিত পৰিমাপণ কৰাৰ পৰিৱর্তে সামগ্রিকভাৱে ব্যক্তিত্বৰ এক সংমিশ্রিত ছবিত মনোনিৱেশ কৰিবলৈহে চেষ্টা কৰে। এই ধৰণৰ অভীক্ষাই এজন ব্যক্তিৰ অন্তর্নিহিত বা ব্যক্তিগত জগতখন উন্মোচন কৰি ব্যক্তিত্বৰ অচেতন দিশবোৰৰ গভীৰতালৈ যাব পাৰে। কিন্তু আত্ম-প্রতিবেদনমূলক কৌশলৰ তুলনাত নির্ভৰযোগ্যতা আৰু বৈধতাৰ অপর্যাপ্ত প্রমাণৰ বাবে এই অভীক্ষাসমূহক সমালোচনা কৰা হয়।

সাধাৰণতে নৈদানিক পৰিৱেশত এই প্রক্ষেপণমূলক কৌশলবোৰ ব্যৱহাৰ কৰা হয়। সাধাৰণতে এই অভীক্ষাত ব্যক্তিত্ব পৰিমাপণৰ বাবে ব্যৱহৃত সামগ্রীসমূৰ মাজত উপযুক্ত গাঁঠনিৰ আভাৱৰ লগতে অস্পষ্ট আৰু নিৰপেক্ষ প্রকৃতিৰ হোৱা দেখা যায়। এই অভীক্ষাত অভীক্ষার্থীজনক অর্থ, তাৎপয্য আৰু সংগঠনসমূহৰ ব্যাখ্যা আৰু যোগান ধৰিবলৈ কোৱা হয় আৰু তেনে কৰাৰ সময়ত তেওঁ ঢ়তাই অজানিতে অসংজ্ঞায়িত উদ্দীপক সামগ্রীৰ ওপৰত নিজৰ ব্যক্তিত্বৰ ছাপ এৰি দিয়ে। এইখিনিতে মনত কৰা উচিত হব যে ব্যক্তিত্ব মূল্যায়নৰ আটাইতকৈ বহুল ব্যৱহৃত আৰু জনপ্রিয় প্রক্ষেপণমূলক কৌশল দুবিধ হ'ল Rorscach Inkblots Test (RIT) আৰু Themetic Apperception Test(TAT)। RIT ত এটা শৃংখলাবদ্ধ চিয়াঁহীৰ ব্লট থাকে । উত্তৰদাতাসকলক ব্লটবোৰত কি দেখিছে সেই বিষয়ে বর্ণনা কৰিবলৈ কোৱা হয়। প্রতিখন কার্ডত এটা প্রতিসম চিয়াঁহীৰ ব্লট প্রিণ্ট কৰা থাকে। উত্তৰদাতাক এটা এটাকৈ চিয়াঁহীৰ ব্লটবোৰ দেখুওৱা হয় আৰু ব্লটে কি প্রতিনিধিত্ব কৰে সেই কথা ক'বলৈ কোৱা হয়। সামগ্রিকভাৱে ব্যক্তিত্বৰ মূল্যায়নৰ বাবে এই ক্রমসমূহ নিদানমূলক উদ্দেশ্যে ব্যৱহাৰ কৰা হয়।

আকৌ প্রক্ষেপণমূলক কৌশলসমূহৰ আন এক জনপ্রিয় কৌশল হিচাপে Thematic Appreciation Test চমুকৈ TAT ত এটা দৃশ্যৰ ছবিৰ ক্রমসমূহ থাকে যিবোৰ অভীক্ষার্থীৰ আগত উপস্থাপন কৰা হয় আৰু তেওঁলোকক দৃশ্যবোৰত কি হৈ আছে আৰু চৰিত্রবোৰে কি অনুভৱ কৰিছে সেই কথা বর্ণনা কৰিবলৈ কোৱা হয়। ইয়াৰোপৰি আন প্রকাৰৰ প্রক্ষেপণমূলক কৌশলবোৰ হ'ল মুক্ত শব্দ-সংযোগ অভীক্ষা (Free Word-Association Test) আৰু বাক্য সম্পূর্ণকৰণ অভীক্ষা (Sentence Completion Test)।

"শব্দৰ সংযোগ অভীক্ষা" হৈছে এক বিচ্ছিন্ন শব্দৰ শৃংখলা য'ত ব্যক্তিজনক তেওঁৰ মনত অহা প্রথম শব্দটো দি প্রতিটো শব্দৰ উত্তৰ দিবলৈ কোৱা হয়। এই অভীক্ষাই দৰাচলতে সংঘাতৰ ক্ষেত্রসমূহ অন্বেষণ কৰাত সহায় কৰে। কেণ্ট-ৰোজানফৰ মুক্ত শব্দ-সংযোগ অভীক্ষাটো (Free Word-Association Test) হৈছে প্রতিমানকৃত শব্দ সংযোগ অভীক্ষাৰ এটা উদাহৰণ। আকৌ প্রক্ষেপণ কৌশল হিচাপে বাক্য সম্পূর্ণ কৰা অভীক্ষাটো (Sentence Completion Test) গৱেষণামূলক আৰু নিদানমূলক উদ্দেশ্যতো ব্যৱহাৰ কৰা হয়।

আচৰণমূলক মূল্যায়ন (Behavioural Assessment) ঃ ব্যক্তিত্ব মূল্যায়নৰ দিশত ব্যৱহৃত আন এক গুৰুত্বপূর্ণ কৌশল হ'ল আচৰণমূলক মূল্যায়ন। এই আচৰণমূলক কৌশলে ব্যক্তিত্বক সঠিকভাৱে মূল্যায়নৰ বাবে বিভিন্ন পৰিস্থিতিত এজন ছাত্রই কি ধৰণে আচৰণ প্রদর্শন কৰে সেই আচৰণ শৈলীয়ে ছাত্রজনৰ ব্যক্তিত্বৰ বিষয়ে আপোনাক অর্থপূর্ণ তথ্য দিব পাৰে। আচৰণৰ পর্যবেক্ষণে আচৰণ বিশ্লেষণৰ ভিত্তি হিচাপে কাম কৰে। এজন

পৰামৰ্শদাতাই পৰ্যবেক্ষণ, ৰেটিং, সাক্ষাৎকাৰ আৰু পৰিস্থিতিগত অভীক্ষাৰ দ্বাৰা বিভিন্ন লাগতিয়াল তথ্য লাভ কৰিব পাৰে।

- আৱেগিক, সামাজিক, শাৰীৰিক বিকাশ আৰু বিভিন্ন কার্যকলাপত অংশগ্রহণৰ বিষয়ে পৰামৰ্শদাতাৰ নিজস্ব ধাৰণা আৰু প্রতিবেদনে ব্যক্তিৰ ব্যক্তিত্বৰ বিষয়ে উপযোগী তথ্য উন্মোচন কৰিব পাৰে। পর্যবেক্ষণত এনেকড'টেল ৰেকর্ডৰ ব্যৱহাৰে গুৰুত্বপূর্ণ অতীতৰ পৰিঘটনাৰ নথিভুক্তকৰণত সহায় কৰে।
- শিক্ষকৰ মূল্যায়ন আৰু পর্যবেক্ষণ যেনে শ্রেণীৰ কাম আৰু কৃতিত্বৰ প্রতিবেদন, ব্যক্তিগত আৰু গোটৰ আচৰণৰ ৰেটিং উদাহৰণস্বৰূপে দলীয় মনোভাৱ, সহায়কাৰীতা, সামাজিকতা আদিয়ে ব্যক্তিত্বৰ মূল্যায়নৰ অতি গুৰুত্বপূর্ণ উদ্দেশ্য সাধন কৰে।
- সাক্ষাৎকাৰ, গঠনমূলক বা অগঠনমূলক আচৰণৰ প্রত্যক্ষ পর্যবেক্ষণৰ সুযোগ প্রদান কৰে। ব্যক্তিগত, পৰিয়াল, বন্ধু-বান্ধৱ, শৈক্ষিক কাম, ভাষা, আচাৰ-ব্যৱহাৰ আদিৰ সৈতে জড়িত প্রশ্নবোৰে ব্যক্তিত্বৰ মূল্যায়নৰ বাবে গুৰুত্বপূর্ণ উদ্দেশ্য সাধন কৰে।
- পৰিস্থিতিগত অভীক্ষাত অভীক্ষা লোৱা ব্যক্তিজনক এনে পৰিস্থিতিত ৰখা হয় যিটো বাস্তৱ জীৱনৰ পৰিস্থিতিৰ সৈতে ওতঃপ্রোতভাৱে সামঞ্জস্যপূর্ণ। ব্যক্তিত্ব মূল্যায়নৰ বাবে পৰিস্থিতিগত অভীক্ষাৰ ব্যৱহাৰ সাধাৰণতে সামর্থ্য আৰু জ্ঞানৰ ক্ষেত্রত নহয়, আৱেগিক, আন্তঃব্যক্তিগত, মনোভাৱগত দিশসমূহৰ মূল্যায়নৰ ক্ষেত্রতহে হয়। ভূমিকা-অভিনয় (Role-Play) হৈছে এক প্রকাৰৰ পৰিস্থিতিগত অভীক্ষা। শিক্ষক আৰু পৰামৰ্শদাতাসকলে পৰিস্থিতি আৰু ছাত্রজনৰ প্রয়োজনীয়তাৰ ভিত্তিত তেওঁলোকে মূল্যায়ন কৰিব বিচৰা আচৰণৰ দিশসমূহৰ মূল্যায়ন কৰিবলৈ পৰিস্থিতিগত অভীক্ষাৰ তৈয়াৰ কৰিব পাৰে।

ব্যক্তিত্ব পৰিমাপণৰ পদ্ধতিসমূহক তলত দিয়া ধৰণে উপস্থাপন কৰিব পাৰি ঃ

(১) **ব্যক্তিনিষ্ঠ পদ্ধতি** (Subjective Method)

(a) আত্মজীৱনী (Auto Biography)

(b) ব্যক্তি সম্বন্ধীয় বিৱৰণ (Case History Method)

(c) সাক্ষাৎকাৰ (Interview)

(d) ব্যক্তিত্ব সূচী (Personality Inventory)

(২) **বস্তুনিষ্ঠ পদ্ধতি** (Objective Method)

(a) পর্যবেক্ষণ (Observation)

(b) চিহ্নাংক সূচী (Check List)

(c) নিৰূপক কাঠি (Rating Scale)

(d) সমাজমিতিমূলক পদ্ধতি (Socio-metric Method)

(৩) **প্রক্ষেপণ পদ্ধতি** (Projective Method)

(a) ৰ'ৰছাক অভীক্ষা (Rorschach Test)

(b) কাহিনী সংপ্রত্যক্ষ অভীক্ষা (Themetic Apperuption Test-TAT)

(c) বাক্য সম্পূৰক অভীক্ষা (Sentence Completion Test)

(d) শব্দ অনুষংগ অভীক্ষা (Word Association Test)

(১) **ব্যক্তিনিষ্ঠ পদ্ধতি** (Subjective Method) ঃ এই পদ্ধতিত ব্যক্তিত্ব সম্পৰ্কীয় তথ্যবোৰ প্ৰত্যেক ব্যক্তিয়ে নিজে যোগান ধৰিব লাগে বা তেওঁৰ বন্ধু-বান্ধৱক লগ ধৰি বা আত্মীয় স্বজনৰ পৰা তথ্য সংগ্ৰহ কৰা হয়। এই পদ্ধতিসমূহ হ'ল—

(a) **আত্মজীৱনী** (Auto Biography) ঃ এই পদ্ধতিত ব্যক্তিক কেতবোৰ অতীত অভিজ্ঞতা বা বৰ্তমানৰ ঘটনা বৰ্ণনা কৰিবলৈ দিয়া হয়। এই বৰ্ণনা বা বিৱৰণ বিশ্লেষণ কৰি ব্যক্তিৰ ব্যক্তিত্বৰ বিষয়ে কিছুমান সিদ্ধান্তত উপনীত হ'ব পাৰি। এই পদ্ধতিৰ কিছু সীমাবদ্ধতা আছে। এইবোৰ হ'ল—

(১) ব্যক্তিয়ে তেওঁৰ জীৱনৰ সকলো ঘটনাৰ বিৱৰণ শুদ্ধকৈ বা সঠিকভাৱে নিদিব পাৰে।

(২) ব্যক্তিৰ স্মৃতি শক্তি নাইকিয়া হ'ব পাৰে।

(৩) ব্যক্তিৰ অচেতন মনত লুকাই থকা আশা, আকাংক্ষা আদিৰ অধ্যয়নো ইয়াৰ দ্বাৰা সম্ভৱ নহয়। সেইবাবে এই পদ্ধতিক অকলে ব্যৱহাৰ কৰিব নোৱাৰি। আন পদ্ধতিৰ পৰিপূৰক ৰূপেহে ব্যৱহাৰ কৰিব পাৰি।

(b) **ব্যক্তি সম্বন্ধীয় বিৱৰণ** (Case History Method) ঃ এই পদ্ধতিত ব্যক্তিয়ে উত্তৰাধিকাৰী সম্পৰ্কে লাভ কৰা গুণাগুণ আৰু পৰিৱেশীয় উপাদান এই দুয়োটা উপাদানৰ প্ৰভাৱৰ ওপৰত নিৰ্ভৰ কৰি তথ্য সংগ্ৰহ কৰা হয়। পৰিয়ালৰ ইতিহাস, সামাজিক, নৈতিক জীৱন, পৰিয়ালত জন্ম-মৃত্যুৰ সংখ্যা, আকাৰ আদি বিভিন্ন দিশৰ ওপৰত নিৰ্ভৰ কৰি ব্যক্তি সম্বন্ধীয় বিৱৰণ সংগ্ৰহ কৰা হয়। এই পদ্ধতি সাধাৰণতে মানসিক ৰোগীৰ চিকিৎসাৰ বাবে চিকিৎসকসকলে ব্যৱহাৰ কৰে। এই পদ্ধতি যথেষ্ট সময় সাপেক্ষ আৰু ইয়াৰ বাবে দক্ষ প্ৰশিক্ষকৰ প্ৰয়োজন।

(c) **সাক্ষাৎকাৰ** (Interview) ঃ সাক্ষাৎকাৰ হ'ল অভীক্ষক আৰু অভীক্ষার্থীৰ মাজত হোৱা প্ৰত্যক্ষ যোগাযোগ। ইয়াৰ জৰিয়তে ব্যক্তিৰ ক্ৰিয়া আচৰণ প্ৰত্যক্ষভাৱে নিৰীক্ষণ কৰি মূল্যবান তথ্য সংগ্ৰহ কৰিব পৰা যায়। বৰ্তমান সময়ত নিযুক্তিৰ ক্ষেত্ৰত সাক্ষাৎকাৰ ব্যক্তিত্ব পৰিমাপণৰ অপৰিহাৰ্য অংগ হৈ পৰিছে।

(d) **ব্যক্তিত্ব উদ্ভাৱন সূচী বা ব্যক্তিত্ব সূচী** (Personality Inventory) ঃ ইয়াত ব্যক্তিত্বক প্ৰভাৱিত কৰা সংলক্ষণসমূহৰ ওপৰত ভিত্তি কৰি কিছুমান প্ৰশ্নপদ নিৰ্মাণ কৰা হয়। ইয়াক ব্যক্তিত্বৰ আত্মমূল্যায়ন পদ্ধতি বুলিও কোৱা হয়। ব্যক্তিজনে প্ৰশ্নসমূহৰ উত্তৰ নিজে দিব লাগে। ইয়াত 'হয়', 'নহয়', 'নিশ্চিত নহয়' আদি বিকল্প দিয়া থাকে। ব্যক্তিয়ে নিৰ্ভয়ে নিজৰ ক্ষেত্ৰত প্ৰযোজ্য বিষয়ত চিন দি উত্তৰ প্ৰদান কৰিব লাগে। এই অভীক্ষাত ব্যক্তিৰ গোপনীয়তা ৰক্ষাৰ আশ্বাস দিয়া হয়।

প্ৰশ্নসূচীৰ আৰ্হি

১) বন্ধৰ দিনত তুমি ঘৰত থাকি ভাল পোৱানে? (হয়/নহয়/নিশ্চিত নহয়)

২) তুমি বন্ধু-বান্ধৱৰ লগত সময় অতিবাহিত কৰি ভাল পোৱানে? (হয়/নহয়/নিশ্চিত নহয়)

৩) মানুহৰ সমালোচনা তুমি ভয় কৰা নেকি? (হয়/নহয়/নিশ্চিত নহয়)

এই ক্ষেত্ৰত কেইখনমান প্ৰধান প্ৰশ্নসূচীৰ এখন হৈছে বেনৰ সমযোজন প্ৰশ্নসূচী (Bell adjustment

Inventory) ইয়াত ব্যক্তি পৰিমাপণৰ ক্ষেত্রসমূহ হৈছে (১) গৃহ, (২) স্বাস্থ্য, (৩) সামাজিক সমযোজন, (৪) আৱেগিক সমযোজন, (৫) বয়সস্থ লোকৰ বৃত্তিমূলক সমযোজন আন এখন উল্লেখযোগ্য প্রশ্নসূচী হৈছে— মিনেছটা বহু পর্যায়কৃত ব্যক্তিত্ব সন্ধেদকাৰী প্রশ্নসূচী (Minnesota multiphasic personality inventory)। ইয়াত বিভিন্ন ক্ষেত্র সামৰি লৈ ৫৫০টা উক্তি আছে আৰু অভীক্ষার্থীয়ে সঁচা (True), মিছা (False) আৰু ক'ব নোৱাৰি এই তিনিটা বিকল্পৰ এটাত চিন দি উত্তৰ দিব লাগে।

(২) **বস্তুনিষ্ঠ পদ্ধতি** (Objective Method) ঃ ব্যক্তিৰ নিজস্ব বা ওচৰ সম্বন্ধীয় লোকৰ বর্ণনাৰ ওপৰত নির্ভৰ নকৰি যেতিয়া ব্যক্তিৰ বাহ্যিক আচৰণ পর্যবেক্ষণ কৰি ব্যক্তিত্বৰ মূল্যায়ন কৰা হয়, সেই পদ্ধতিক বস্তুনিষ্ঠ পদ্ধতি বুলি কোৱা হয়। এনে পদ্ধতিবোৰ হ'ল—

(a) **পর্যবেক্ষণ** (Observation) ঃ পর্যবেক্ষণে আমাক মূল্যবান তথ্য দিয়ে। ইয়াক তিনিটা ভাগত ভগাব পাৰি।

(ক) নিয়ন্ত্রিত পর্যবেক্ষণ

(খ) অনিয়ন্ত্রিত পর্যবেক্ষণ

(গ) মিশ্রিত পর্যবেক্ষণ

নিয়ন্ত্রিত পর্যবেক্ষণত কিছুমান নীতি-নিয়ম আৰু আহিলাপাতি প্রয়োগ কৰা হয়। মনোবিজ্ঞানৰ লেবৰেটৰীত প্রশিক্ষণপ্রাপ্ত মনোবিজ্ঞানীয়ে নির্দিষ্ট নীতি-নিয়মৰ মাজেদি অভীক্ষার্থীৰ আচৰণ অধ্যয়ন কৰে। অনিয়ন্ত্রিত পর্যবেক্ষণত পর্যবেক্ষণকাৰীয়ে স্বাধীনভাৱে অধ্যয়ন কৰে আৰু মিশ্রিত পর্যবেক্ষণত নিয়ন্ত্রিত আৰু অনিয়ন্ত্রিত দুয়োটা পদ্ধতি সুবিধামতে ব্যৱহাৰ কৰা হয়। ভাল পর্যবেক্ষণৰ বাবে পর্যবেক্ষণকাৰী দক্ষ, সতর্ক অনুভূতিসম্পন্ন, বস্তুৰ মাজত পার্থক্য নির্ণয় বা তুলনা কৰিব পৰা সামর্থ থাকিব লাগিব। ইয়াৰ উপৰিও পর্যবেক্ষণৰ ফলাফল তৎক্ষণাত লিপিবদ্ধ বা ৰেকর্ড কৰিব লাগে যাতে পাহৰণিৰ প্রভাৱ নপৰে।

(b) **চিহ্নাংক সূচী** (Check List) ঃ ব্যক্তিত্ব নির্ণয় কৰাৰ ই এক সহজ পদ্ধতি। ইয়াক ব্যৱহাৰ কৰিবলৈ অতি সহজ। এনে সূচীত কিছুমান বাক্য দিয়া থাকে। এই বাক্যবোৰে ব্যক্তিৰ আচৰণৰ সমযোজন আৰু ব্যক্তিত্বৰ বিভিন্ন দিশ সামৰি লয়। প্রতিটো বাক্যই একোটাকৈ সংলক্ষণৰ কথা প্রকাশ কৰে। অভীক্ষার্থীজনে নিজে এই উক্তি বা বাক্য পঢ়ি কোনটো বাক্য তেওঁৰ ক্ষেত্রত প্রযোজ্য তাক নির্ধাৰণ কৰিব লাগে। ব্যক্তিৰ গাত থকা সন্তোষজনক সংলক্ষণৰ বাবে +১, অসন্তোষজনকৰ বাবে -১ আৰু কোনো সংলক্ষণ নাথাকিলে '০' নম্বৰ দিয়া হয়। ব্যক্তিয়ে লাভ কৰা মুঠ নম্বৰৰ পৰা ব্যক্তিজনৰ বিষয়ে থূল-মূল আভাস এটা পোৱা যায়।

(c) **নিৰূপক কাঠি** (Rating Scale) ঃ ইয়াত এজন লোকৰ কোনো সংলক্ষণৰ বিষয়ে জানিবলৈ হ'লে ব্যক্তিৰ ঘনিষ্ঠ পৰিচিতি ব্যক্তিৰ পৰা মতামত সংগ্রহ কৰা হয়। নিৰূপক কাঠি তিনি প্রকাৰৰ—

(i) সংখ্যাত্মক (Numerical)

(ii) ৰৈখিক (Graphic)

(iii) বর্ণনামূলক (Description)

সংখ্যাত্মক নিৰূপক কাঠিত প্ৰতিটো সংলক্ষণৰ কাৰণ একোটাকৈ নম্বৰ দিয়া থাকে। নিম্নতম সংলক্ষণক '১', উচ্চতম সংলক্ষণক '৫' আৰু মধ্যম সংলক্ষণক '০'ৰে সূচিত কৰা হয়। ব্যক্তিয়ে সংলক্ষণসমূহ বিচাৰ বিবেচনা কৰি ব্যক্তিৰ ব্যক্তিত্ব নিৰ্ণয় কৰে।

ৰৈখিক নিৰূপক কাঠিত ব্যক্তিৰ বিভিন্ন সংলক্ষণবোৰ তালিকাত অন্তৰ্ভুক্ত কৰি মান নিৰূপণৰ বাবে ব্যৱহাৰ কৰা হয়। ইয়াত ব্যক্তিয়ে নিজৰ বিচাৰ-বিবেচনা অনুসৰি এখন তালিকাৰ পৰা বিভিন্ন সংলক্ষণবোৰৰ মান নিৰূপণ কৰে।

বৰ্ণনামূলক নিৰূপক কাঠিত কেইটামান বাক্যাংশ দিয়া থাকে। বাক্যাংশৰ পৰিমাণ ৩ টা, ৫টা আৰু ৭টা পৰ্যন্ত হ'ব পাৰে। এই বাক্যাংশৰ পৰা ব্যক্তিজনৰ ক্ষেত্ৰত কোনটো প্ৰযোজ্য হ'ব তাক বিচাৰি চিন দিব লাগে।

(d) **সমাজমিতিমূলক পদ্ধতি** (Socio-metric Method) ঃ J. L. Moreno এ ১৯৫০ চনত এই পদ্ধতি উদ্ভাৱন কৰে। ইয়াৰ যোগেদি একো একোটা সামাজিক দলৰ এজন সদস্য এটা উদ্দেশ্যত আন সদস্যৰ দ্বাৰা কিমান গ্ৰহণীয় তাৰ হিচাপ উলিওৱা হয়। তাৰ পিছত নিৰ্দিষ্ট এজন সদস্যৰ দলটোত স্থান আৰু মান নিৰ্ণয় কৰিব পাৰি। দলৰ বিভিন্ন সদস্যৰ মাজত পাৰস্পৰিক সম্বন্ধ অধ্যয়নৰ ই এক উপায়। ইয়াৰ দ্বাৰা আমি নেতা, দলে পছন্দ নকৰা ব্যক্তি অকলশৰীয়া ব্যক্তি আদিক বিচাৰি উলিয়াব পাৰো।

(৩) **প্ৰক্ষেপণ পদ্ধতি** (Projective Method) ঃ ব্যক্তিত্ব পৰিমাপণৰ ক্ষেত্ৰত প্ৰক্ষিপ্ত অভীক্ষা বা প্ৰক্ষিপ্ত পদ্ধতি এক উল্লেখযোগ্য পদ্ধতি। এই অভীক্ষা ফ্ৰয়েডৰ মনোবিশ্লেষণ পদ্ধতিৰ ওপৰত প্ৰতিষ্ঠিত বুলি কোৱা হয়। এজন ব্যক্তিয়ে তেওঁৰ মনৰ প্ৰয়োজন, আশা আকাংক্ষা আদি সমাজত গ্ৰহণীয় নোহোৱাৰ বাবে প্ৰকাশ কৰিব নিবিচাৰিব পাৰে। ফলত তেওঁ মানসিক অশান্তিত ভোগে। এনে অভীক্ষাৰ সহায়ত ব্যক্তিগত প্ৰয়োজন, আশা আকাংক্ষা আদি প্ৰকাশ কৰিব পাৰে। এই অভীক্ষাৰ বৈশিষ্টসমূহ হ'ল—

(i) প্ৰক্ষিপ্ত অভীক্ষাই ব্যক্তিৰ ব্যক্তিত্ব সামগ্ৰিক ৰূপত পৰিমাপন কৰে।

(ii) ইয়াত ব্যক্তিৰ অচেতন মনত সঞ্চিত হৈ থকা উপাদানবোৰৰ বহিঃ প্ৰকাশ ঘটে।

(iii) ইয়াৰ দ্বাৰা ব্যক্তিৰ গতিশীল আৰু পৰিৱৰ্তনশীল মনৰ বুজ লোৱা হয়।

(iv) এনে অভীক্ষাই মানসিক ৰোগৰ সংলক্ষণ আৰু ৰোগ নিৰ্ণয় কৰাত বিশেষভাৱে সহায় কৰে।

(v) এইবিধ অভীক্ষাত অভীক্ষাৰ্থীয়ে নিজৰ মতামত প্ৰকাশ কৰাত সম্পূৰ্ণ স্বাধীনতা উপভোগ কৰে।

(vi) অভীক্ষাৰ্থীয়ে প্ৰদান কৰা মতামতৰ ক্ষেত্ৰত শুদ্ধ বা অশুদ্ধ কোনো প্ৰভাৱ নাথাকে। ইয়াৰ মূল্যায়ন ব্যৱস্থা সম্পূৰ্ণ ব্যক্তিনিষ্ঠ বা ভাৱমূলক।

(a) ৰ'ৰছাক অভীক্ষা (Rorschach Test) ঃ চুইচ দেশৰ বিজ্ঞানী বিখ্যাত মনোৰোগ বিশেষজ্ঞ হাৰমান ৰ'ৰছাকে ১৯২১ চনত এই অভীক্ষা নিৰ্মাণ কৰিছিল। এই অভীক্ষাত চিয়াহী দাগযুক্ত মুঠ ১০খন কার্ড আছে। কার্ডসমূহ ভিন্ন ভিন্ন ৰঙৰ। অভীক্ষাৰ্থীক এই কার্ডসমূহ এখন এখনকৈ দেখুওৱা হয়। অভীক্ষাৰ্থীয়ে কার্ডখন চাই তাত কি দেখিছে বা কেনেবোৰ বস্তু দেখা যেন লাগে, ক'ব লাগে। প্ৰত্যেকখন কার্ড অভীক্ষাৰ্থীয়ে

ইচ্ছানুযায়ী যিমান সময় চাব খোজে সিমান সময় চাব পাৰে আৰু প্রতিখন কার্ডৰ বাবে কেইবাটাও উত্তৰ দিব পাৰে। অভীক্ষার্থীৰ মৌখিক প্রতিক্রিয়া আৰু প্রতিক্রিয়া কাল (Reaction time) লগে লগে লিপিবদ্ধ কৰিব লাগে। অভীক্ষার্থীৰ দৈহিক প্রতিক্রিয়া লক্ষ্য কৰি তাক লিপিবদ্ধ কৰা হয়। অভীক্ষার্থীৰ এক মৌখিক সাক্ষাৎকাৰো লোৱা হয়। তেওঁক সোধা হয় চিয়াহী দাগযুক্ত কার্ডবোৰত তেওঁ সৰু সুৰা অংশবোৰ পর্যবেক্ষণ কৰিছে নে গোটেই দাগবোৰ পর্যবেক্ষণ কৰিছে। কার্ডৰ ৰং, ৰঙৰ গভীৰতা আদিয়ে কিবা প্রভাৱ পেলাইছে নেকি সোধা হয়।

(b) কাহিনী সংপ্রত্যক্ষ অভীক্ষা (Themetic Apperuption Test-TAT) ঃ ১৯৩৫ চনত আমেৰিকাৰ দুজন মানসিক ৰোগৰ চিকিৎসক মৰগান আৰু মাৰে (Morgan and Murray) এইবিধ অভীক্ষা নির্মাণ কৰিছিল। ই এক চিত্রমূলক অভীক্ষা। এই অভীক্ষাত মুঠ ৩০খন ছবিৰ কার্ড থাকে। বয়স আৰু লিংগৰ ওপৰত ভিত্তি কৰি এই কার্ডসমূহ ব্যৱহাৰ কৰা হয়। কিছুমান কার্ড সকলোৰে বাবে, কিছুমান কার্ড কেৱল পুৰুষৰ বাবে আৰু কিছুমান মহিলাৰ বাবে ব্যৱহাৰ কৰা হয়। যিকোনো অভীক্ষার্থীৰ ওপৰত ২০খন ছবি থকা কার্ড ব্যৱহাৰ কৰা হয়। ছবিবোৰ এনেদৰে অংকন কৰা হয় যাতে ভয়, ঘৃণা, সংঘাত, আৱেগ-অনুভূতি আদি ভাৱবোৰ ছবিবোৰে দাঙি ধৰিব পাৰে।

অভীক্ষার্থীক কোৱা হয় যে এইটো হৈছে কল্পনা শক্তিৰ পৰীক্ষা। ইয়াৰ প্রতিখন কার্ড চাই, তেওঁ তাৰ ওপৰত এটা উপযুক্ত কাহিনী ৰচনা কৰিব লাগে। শুদ্ধ বা অশুদ্ধাৰ স্থান এই অভীক্ষাত নাই। ইয়াত তিনিটা কথা ক'বলৈ দিয়া হয়—

(i) ছবিখনৰ মাজত কি ঘটনা লুকাই আছে আৰু ই কিয় ঘটিব লগা হ'ল?

(ii) ছবিখনত কি ঘটিছে আৰু ছবিখনৰ চৰিত্রৰ অনুভূতি।

(iii) ফলাফল কি হ'ব লাগে তাক ক'ব লাগে।

এখন ছবিত 5 মিনিট ক'বলৈ কৈ লিখিবলৈ দিয়া হয়। অভীক্ষা প্রয়োগ কৰাৰ পিছত সাক্ষাৎকাৰ লোৱা নিয়ম। সাক্ষাৎকাৰত তেওঁক গল্পটোৰ উৎস, তাৰ লগত জড়িত ঠাই, ব্যক্তিৰ নাম ইত্যাদি সোধা হয়। এই অভীক্ষাই অচেতন মনত লুকাই থকা, সাধাৰণতে প্রকাশ কৰিবলৈ নিবিচৰা অভীক্ষার্থীৰ মনৰ চিন্তা আবেগ, কল্পনা, অনুভূতি, প্রবৃত্তি, সংঘাত, ভাব ইত্যাদি প্রকাশৰ সুযোগ দিয়ে।

(c) বাক্য সম্পূৰক অভীক্ষা (Sentence Completion Test) ঃ এই অভীক্ষাত ব্যক্তিক কিছুমান অসম্পূর্ণ বাক্য দিয়া হয়। বাক্যবোৰৰ খালী ঠাই একেবাৰে শেষত থাকে। এই অসম্পূর্ণ বাক্যবোৰ সম্পূর্ণকৰণ প্রক্রিয়াৰ জৰিয়তে ব্যক্তিৰ মনোভাৱ, সমযোজন, মানসিক অৱস্থা আদি জানিবলৈ বিচৰা হয়। এই অভীক্ষাত ব্যৱহৃত হোৱা বাক্য তলত দিয়া ধৰণৰ—

(i) মই গর্ব অনুভৱ কৰো যেতিয়া. . .।

(ii) মই পছন্দ কৰো . . .।

(iii) মই অকলসৰে থাকি ভাল পাওঁ কাৰণ. . .।

(iv) যদি মই চৰাই হ'লোহেঁতেন. . .।

(d) শব্দ অনুষংগ অভীক্ষা (Word Association Test) ঃ ১৯০৬ চনত মনোবিজ্ঞানী কার্ল য়ুং (Carl Jung) আৰু তেওঁৰ সহযোগীসকলে মানসিক জটিলতা ধৰা পেলোৱাৰ কৌশল হিচাপে ১০০টা শব্দৰ এখন তালিকা প্রস্তুত কৰিছিল। এই অভীক্ষাত অভীক্ষার্থীৰ এটা এটাকৈ শব্দ মুখেৰে কৈ শুনোৱা হয়। শব্দটো শুনাৰ লগে লগে তেওঁৰ মনলৈ তৎক্ষণাত কি শব্দ আহিছে ক'ব লাগে। ইয়াত কোনো শুদ্ধ অশুদ্ধ উত্তৰ নাই। অভীক্ষকে শব্দটো কোৱাৰ লগে লগে অভীক্ষার্থীয়ে কিবা অস্বাভাৱিক আচৰণ প্রদর্শন কৰিছে নেকি সেয়া লক্ষ্য কৰি লিপিবদ্ধ কৰিব লাগে। য়ুঙে বিশ্বাস কৰিছিল যে যেতিয়া অস্বাভাৱিকতাৰ মাজত উদ্দীপক শব্দ প্রকাশ পায়, অভীক্ষার্থীয়ে অস্বাভাৱিক উত্তৰ দিব।

w অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ব্যক্তিত্ব বুলিলে কি বুজে ?

প্রশ্ন নং ৬ ঃ আত্ম প্রতিবেদনমূলক ব্যৱস্থা বুলিলে কি বুজে ?

প্রশ্ন নং ৭ ঃ প্রক্ষেপনমূলক দুটা কৌশল উল্লেখ কৰক।

১২.১৪ সৃষ্টিশীলতাৰ অর্থ আৰু প্রকৃতি (MEANING AND NATURE OF CREATIVITY)

সৃষ্টিশীলতা হৈছে এক বিশেষ ধৰণৰ চিন্তাধাৰা, পৃথিৱীখনক চোৱাৰ এক পদ্ধতি আৰু সাধাৰণ জনতাৰ পৰা পৃথক ধৰণেৰে আন্তঃক্রিয়া কৰাৰ এক শৈলী। ই হৈছে এক প্রক্রিয়া যাৰ দ্বাৰা নতুনত্বৰ উদ্ভাৱন হয় আৰু পুৰণি কোনো বস্তু বা ধাৰণাক নতুনত্বৰ পৰশেৰে নতুন ৰূপত সজাই তোলা হয়। নতুনত্বৰ আবির্ভাৱ বা উদ্ভাৱনে কিছুমান সমস্যাৰ সমাধানত অৱিহণা যোগাব লাগিব। সৃষ্টিশীলতাৰ ধাৰণাৰ লগত সদায়েই বিচিত্র চিন্তন প্রকৃতি সমাহিত হৈ থাকে। বিচিত্র চিন্তন মানে হ'ল এটা ধাৰণাক ভিন্নমুখী দৃষ্টিকোণৰ পৰা পর্যালোচনা কৰা। ব্যক্তিত্বৰ বৈশিষ্ট্যসমূহক যথার্থ ৰূপত বিশ্লেষণ কৰিলে আমি সৃষ্টিশীলতাৰ স্বৰূপ উন্মোচন কৰাৰ প্রক্রিয়া বাস্তৱায়িত কৰিব পাৰোঁ।

- সৃষ্টিশীলতা হৈছে সার্বজনীন প্রকৃতিৰ। সেয়েহে ই বয়স, জাতি, স্থান বা সংস্কৃতিৰ বাধাৰ দ্বাৰা বান্ধ খাই নাথাকে।
- সৃষ্টিশীলতা জন্মগত বা সহজাত আৰু আর্জিত— উভয় প্রকাৰৰ হয়। অর্থাৎ সৃষ্টিশীলতা জন্মসূত্রে লাভ কৰা সম্ভাৱনাসমূহৰ লগতে সাংস্কৃতিক পটভূমি, অভিজ্ঞতা, শিক্ষা আৰু প্রশিক্ষণৰ দ্বাৰাও প্রভাৱিত হ'ব পাৰে।
- সৃষ্টিশীলতা হৈছে নতুনত্বৰ উদ্ভাৱনমূলক ক্ষমতা।
- ই হৈছে কু-সংস্কাৰপূর্ণ, কঠিন আৰু বন্ধ চিন্তাৰ পৰা আঁতৰি এক প্রকাৰৰ দুঃসাহসিক চিন্তাধাৰালৈ নিজৰ

ইচ্ছা মতে নিজকে প্ৰকাশ কৰাৰ প্ৰৱণতা।

- সৃষ্টিশীলতা হ'ল নিজৰ মাজতেই এটা উপায় আৰু লক্ষ্য। সৃষ্টিশীল প্ৰকাশভংগীয়ে সৃষ্টিকৰ্তাৰ বাবে আনন্দ আৰু সন্তুষ্টিৰ উৎস হিচাপে প্ৰমাণিত হয়।
- সৃষ্টিশীলতাক বুদ্ধিমত্তাৰ পৰা পৃথক কৰিব নোৱাৰি।
- সৃষ্টিশীলতা আৰু বিদ্যালয়ৰ কৃতিত্বৰ মাজত কোনো সম্পৰ্ক নাই।

১২.১৫ সৃষ্টিশীল সম্ভাৱনাৰ কিছুমান সূচক (SOME INDICATORS OF CREATIVE POTENTIAL)

শৈক্ষিক পৰিৱেশত সৃষ্টিশীলতাক মূল্যায়নৰ উদ্দেশ্য হৈছে সৃষ্টিশীলতাৰ বাবে বিভিন্ন সম্ভাৱনা থকা ছাত্ৰ-ছাত্ৰীক চিনাক্ত কৰা। এবাৰ এই অন্তৰ্নিহিত সম্ভাৱনাক আৱিষ্কাৰ কৰিব পাৰিলে পৰৱৰ্তী পৰ্যায়ত সেই সম্ভাৱনাসমূক প্ৰতিপালন আৰু সঠিক দিশত নিৰ্দেশনা প্ৰদান কৰিব পৰা যায়। শিক্ষক হিচাপে আপুনি মনত ৰাখিব লাগিব যে সৃষ্টিশীল সম্ভাৱনাৰ স্বীকৃতি উচ্চ সৃষ্টিশীলসকলক আৱিষ্কাৰ কৰা নহয় বৰঞ্চ সকলোৰে মাজত সৃষ্টিশীলতাৰ বিকাশৰ সুবিধা প্ৰদান কৰাহে। যিসকলে অসাধাৰণ সৃষ্টিশীলতা প্ৰদৰ্শন কৰে তেওঁলোকৰ বাবে চিনাক্তকৰণৰ ক্ষেত্ৰত বিশেষ প্ৰচেষ্টাৰ প্ৰয়োজন নহ'বও পাৰে। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল সুপ্ত অৱস্থাত থকা আৰু বাধাপ্ৰাপ্ত সৃষ্টিশীল সম্ভাৱনা ভালদৰে চিনাক্ত কৰাটো। একোটা শ্ৰেণীকোঠাৰ স্বাভাৱিক পৰিস্থিতিত সাধাৰণতে অধিক সংখ্যক শিক্ষাৰ্থীয়েই গড় প্ৰতিভা সম্পন্ন হোৱা দেখা যায়। শিক্ষাৰ্থীসকলৰ ভিতৰত মুষ্টিমেয় কিছু সংখ্যক শিক্ষাৰ্থীহে উচ্চ প্ৰতিভাৱান হয়। এতেকে শিক্ষাৰ্থীসকলৰ মাজত সৃষ্টিশীলতাক চিনাক্তকৰণ প্ৰক্ৰিয়া যিমান সোনকালেই আৰম্ভ কৰিব পৰা যায়, সিমানেই অধিক সুফল পোৱা যাব বুলি আশা কৰিব পাৰি। সেয়েহে শিক্ষাৰ্থীসকলৰ মাজত নিহিত হৈ থকা সৃষ্টিশীল প্ৰতিভাক বা সম্ভাৱনাৰ কেতবোৰ সূচক নিম্নলিখিত ধৰণে চিনাক্ত কৰিব পাৰি-

- যিজন ছাত্ৰই নিজৰ বয়সৰ শ্ৰেণীৰ আন ছাত্ৰ-ছাত্ৰীতকৈ কোনো বিষয়ৰ ওপৰত অধিক ধাৰণা উৎপন্ন কৰে।
- তেওঁৰ শ্ৰেণীৰ আন ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণতে লক্ষ্য নকৰা কথাবোৰ আৰু বিষয়বোৰক লক্ষ্য কৰা।
- সহপাঠীৰ ধাৰণাক অসম্পূৰ্ণ বা সঠিকতাৰ অভাৰ থকা বুলি ভাবে।
- আনৰ ধাৰণা সংশোধন বা উন্নত কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে।
- কোনো এটা ধাৰণাক সংশোধন বা উন্নত কৰিবলৈ কোৱাৰ সময়ত অস্বাভাৱিক প্ৰশ্ন সোধা আৰু অস্বাভাৱিক ধাৰণা উপস্থাপন কৰা দেখা যায়।
- বিতৰ্ক, আলোচনা, শ্ৰেণীকোঠাৰ প্ৰশ্ন আদিত শক্তিশালী আৰু নতুন যুক্তি দাঙি ধৰে।
- নিজৰ অধ্যয়ন কৰিব লগীয়া বিষয় সম্পৰ্কে পৰম্পৰাগত ধাৰণা আৰু পদ্ধতিক নতুন অৰ্থ দিয়াৰ প্ৰৱণতা থাকে।
- কোনো সমস্যাৰ সন্মুখীন হ'লে সেইটো সমাধানৰ বাবে বিভিন্ন পদ্ধতিৰে চেষ্টা কৰে।
- চিন্তা-উদ্দীপিত কৰিব পৰা প্ৰশ্নৰ অৱতাৰণা কৰি ভাল পোৱাৰ লগতে প্ৰচলিত কথাবোৰক হুবহু ৰূপত বৰ্ণনা কৰাতকৈ তাৰ নেপথ্যৰ ভাবাৰ্থৰ প্ৰতি কৌতূহল প্ৰকাশ কৰে আৰু বিশ্লেষণ কৰে।

- কঠিন কাম আৰু সমস্যা সমাধানৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰে।
- নিজৰ আগ্ৰহৰ বাবে নিৰ্ধাৰিত কামক কঠোৰ পৰিশ্ৰমৰে সৈতে আৰু দীঘলীয়া সময়লৈকে কৰিব পাৰে।
- স্বতন্ত্ৰ চিন্তন আৰু বিচাযাতাৰ প্ৰতি অগ্ৰাধিকাৰ দেখুৱায়। স্বাধীনভাৱে কাম কৰি ভাল পায় আৰু প্ৰত্যাহ্বানবোৰ গ্ৰহণ কৰাৰ প্ৰতি সদা-প্ৰস্তুত থাকে।
- অসুবিধাৰ মাজতো এটা কামত স্থিৰতা দেখুৱায়।
- সজাগ, তীক্ষ্ণ পৰ্যবেক্ষক আৰু দ্ৰুত সঁহাৰি দিয়ে।
- লেখন বা কথন শৈলীৰ জৰিয়তে নিজকে স্পষ্ট আৰু সঠিকভাৱে প্ৰকাশ কৰিব পাৰে।
- প্ৰকল্প বা পৰীক্ষাৰ বিফলতাৰ ফলত সহজে নিৰুৎসাহিত নহয়।
- বিশেষ প্ৰকল্পত যেনে সংগ্ৰহ কৰা, ৰেডিঅ' নিৰ্মাণ কৰা, দূৰবীণ নিৰ্মাণ কৰা আদিত নিজৰ বেছিভাগ সময় খৰচ কৰে।

এইবোৰ সৃষ্টিশীল প্ৰকাশভংগীৰ কিছুমান সম্ভাব্য উপায়হে যিবোৰে মূল্যায়নৰ বাবে স্বৰূপার্থত সন্দৰ্ভ প্ৰদানকাৰী দিশ হিচাপে কাম কৰিব পাৰে। তলৰ খণ্ডটোত আপোনাক সৃষ্টিশীল সম্ভাৱনাৰ মূল্যায়নৰ বাবে কিছুমান কৌশলৰ ব্যৱহাৰৰ সৈতে পৰিচিত কৰা হ'ব।

১২.১৬ সৃষ্টিশীলতা মূল্যায়নৰ কৌশলবোৰ (ASSESSMENT TECHNIQUES OF CREATIVITY)

সৃষ্টিশীলতা জুখিব পৰা কৌশলসমূহক ব্যাপকভাৱে দুটা ধৰণে ভাগ কৰিব পাৰি ঃ

অভীক্ষা নকৰা আৰু অভীক্ষা কৰা কৌশল। সৃষ্টিশীলতা মূল্যায়নৰ বাবে অভীক্ষা নকৰা কৌশলসমূহ হ'ল— পৰ্যবেক্ষণ (observation), ৰেটিং (Rating) আৰু মনোনয়নৰ ব্যৱহাৰ (Nominations), পৰীক্ষা তালিকা (Check list) এনেকড'টেল ৰেকৰ্ড (Anecdotal records), সাধাৰণ বিদ্যালয়ৰ কাৰ্যকলাপ আৰু নিৰ্দিষ্ট কৌশল।

(ক) পৰ্যবেক্ষণ (Observation) ঃ শ্ৰেণীকোঠাই হওক বা খেলপথাৰেই হওক বিভিন্ন পৰিৱেশত সৃষ্টিশীলতাৰ উচ্চবা নিম্ন সম্ভাৱনা থকা শিশুক চিনাক্ত কৰাৰ বাবে পৰ্যবেক্ষণ হৈছে এক গুৰুত্বপূৰ্ণ কৌশল। কিন্তু পৰ্যবেক্ষণৰ নিৰ্ভৰযোগ্যতাক বৃদ্ধি কৰাৰ বাবে এক স্বাভাৱিক পৰিৱেশৰ ৰচনা কৰা উচিত। কেতিয়াবা শ্ৰেণীকোঠাত ইচ্ছাকৃতভাৱে এনে পৰিস্থিতিৰ সৃষ্টি কৰা হয় য'ত শিশুসকলক সুযোগ দিয়া হয় আৰু সৃষ্টিশীলতাৰ লগত জড়িত গুণসমূহ প্ৰদৰ্শন কৰিবলৈ প্ৰেৰণা দিয়া হয়।

(খ) ৰেটিং আৰু মনোনয়ন (Rating and Nominations) ঃ শিশুক ন্যূনতমৰ পৰা সৰ্বোচ্চলৈকে সৃষ্টিশীলতাৰ নিৰ্দিষ্ট গুণ বা বৈশিষ্ট্যৰ ওপৰত ৰেটিং দিবলৈ তিনিটা পইণ্ট বা পাঁচ পইণ্ট ৰেটিং স্কেল ব্যৱহাৰ কৰা হয়। একেদৰে সমনীয়া, শিক্ষক, অভিভাৱকৰ মনোনয়নতো ব্যৱহাৰ কৰা হয়।

(গ) পৰীক্ষামূলক তালিকা (Check List) ঃ পৰীক্ষামূলক তালিকা হৈছে ভাষা, কলা বিজ্ঞান, সমাজ অধ্যয়ন আৰু অন্যান্য ক্ষেত্ৰৰ সৈতে জড়িত বিভিন্ন কাৰ্যকলাপৰ তালিকা যিবোৰ শিশুৱে নিজাববীয়াকৈ কৰে আৰু এনে কাৰ্যই শিশুৰ মাজত সুপ্ত হৈ থকা সম্ভাৱনাক আঙুলিয়াই দিব পাৰে।

(ঘ) সাধাৰণ বিদ্যালয়ৰ কার্যকলাপ (General School Activities) ঃ সৃষ্টিশীল কলা, নাটক আৰু লেখা হৈছে ব্যক্তিৰ আত্মপ্রকাশ আৰু সৃষ্টিশীল প্রকাশৰ এক উপযুক্ত মাধ্যম। সাধাৰণতে ক'বলৈ গ'লে আমোদজনক আৰু দৈনন্দিন ৰুটিন মাফিক জীৱনৰ পৰা আতৰি কৰা যিকোনো কার্যকলাপকে সৃষ্টিশীল বুলি বিবেচনা কৰিব পাৰি। যিকোনো কার্যকলাপ সংগঠিত কৰাৰ বেলিকা শিশুক নিজৰ ধাৰণা আৰু প্রতিচ্ছবি প্রকাশ কৰাত মুক্ত হ'বলৈ উৎসাহিত কৰাত অধিক গুৰুত্ব দিব লাগে। সৃষ্টিশীল লেখাই শিশুৰ সৃষ্টিশীল প্রকাশভংগীক উলিয়াই আনিবলৈও সুযোগ প্রদান কৰে।

(ঙ) নির্দিষ্ট কৌশলবোৰ (Specific Strategies) ঃ সৃষ্টিশীল প্রকাশক উদ্দীপিত আৰু চিনাক্ত কৰিবলৈ নির্দিষ্ট বিষয়ৰ ক্ষেত্রসমূহ শিকোৱাৰ সময়ত এই কৌশলসমূহ প্রয়োগ কৰিব পাৰি। শিক্ষকে সৃষ্টিশীল প্রকাশভংগীক উদ্দীপিত কৰিবলৈ তেওঁলোকৰ পাঠদান বিষয়ত উপযুক্ত স্থান বিচাৰি উলিয়াব পাৰে। যেনে— বৈপৰীত্য বা জ্ঞানৰ ব্যৱধান ধৰা পেলোৱা, সৃষ্টিশীল সম্ভাৱনা চিনাক্ত আৰু মূল্যায়নৰ বাবে প্রশ্নক এক সঁজুলি হিচাপে ব্যৱহাৰ কৰা, এটা নির্দিষ্ট বিষয়ৰ ওপৰত বিভিন্ন প্রশ্নৰ ফ্রেমৱর্ক কৰিবলৈ কোৱা, অসম্পূর্ণবোৰ বিভিন্ন ধৰণে সম্পূর্ণ কৰা ইত্যাদি।

আলোচনাৰ পৰিপ্রেক্ষিতত এইটো ক'ব পৰা যায় যে সৃষ্টিশীল চিন্তাৰ সম্ভাৱনাৰ মূল্যায়নৰ বাবে কেইবাটাও প্রতিমানকৃত অভীক্ষা প্রস্তুত কৰা হৈছে। বেছিভাগ সৃষ্টিশীলতা অভীক্ষাৰ মাজত দেখা পোৱা এটা সাধাৰণ বৈশিষ্ট্য হ'ল ইয়াত প্রশ্নপদসমূহৰ প্রতিক্রিয়া প্রদানত থকা স্বতন্ত্রতা অর্থাৎ ইহঁত মুকলি প্রকৃতিৰ (Open-ended) । পৰিণতিস্বৰূপে, এই অভীক্ষাত অভীক্ষার্থীসকলে যিকোনো এটা প্রশ্ন বা সমস্যাৰ ক্ষেত্রত বিভিন্ন উত্তৰ চিন্তা কৰিবলৈ অনুমতি লাভ কৰে। ইয়াৰ কোনো নির্দিষ্ট উত্তৰ নাই আৰু সেয়েহে নিজৰ কল্পনাশক্তি ব্যৱহাৰ কৰি মৌলিকভাৱে প্রকাশ কৰাৰ স্বাধীনতা আছে। সৃষ্টিশীলতা অভীক্ষাত বিচ্ছিন্ন চিন্তাধাৰা জড়িত হৈ থাকে আৰু স্বতঃস্ফূর্ততা, মৌলিকতা আৰু কল্পনাৰ প্রকাশৰ সুযোগ থাকে। সৃষ্টিশীলতা অভীক্ষাই অধ্যয়নৰ যিকোনো ক্ষেত্র আৰু অনুশাসন নির্বিশেষে সাধাৰণ সৃষ্টিশীল চিন্তাৰ ক্ষমতা আৰু সাৱলীলতা, নমনীয়তা, মৌলিকতা আৰু বিশদতাৰ দৰে দক্ষতা পৰিমাপণৰ সকলো প্রচেষ্টা গুৰুত্বপূর্ণ হিচাপে গণ্য কৰে।

শিশুৱে বিভিন্ন ধৰণে সৃষ্টিশীলতাক অভিব্যক্ত কৰিব পাৰে। সেয়েহে এই সৃষ্টিশীলতাক পৰিমাপণ আৰু মূল্যায়নৰ প্রক্রিয়াক সহজ আৰু বাস্তৱমূখী কৰি তোলাৰ বাবে বিভিন্ন ধৰণৰ বিষয়বস্তু যেনে- শব্দ, চিত্র (অমৌখিক), ক্রিয়া আদিৰ সৈতে জড়িত বিভিন্ন অভীক্ষা প্রস্তুত কৰা হৈছে। ব্যক্তিৰ সাধাৰণ সম্ভাৱনাক মূল্যায়নৰ বাবে সৃষ্টিশীল চিন্তাৰ টৰেন্স অভীক্ষাসমূহ আটাইতকৈ বেছি ব্যৱহাৰ কৰা হৈছে ।

সৃষ্টিশীল চিন্তাৰ টৰেন্স অভীক্ষা (Torrance Tests of Creative Thinking)

১৫ বছৰীয়া গৱেষণাৰ অন্তত টৰেন্সে এই অভীক্ষা প্রস্তুত কৰিছিল। টৰেন্সৰ মতে অভীক্ষা সম্বন্ধীয় কামসমূহ সৃষ্টিশীল কৃতিত্বৰ সৈতে জড়িত আৰু সৃষ্টিশীল চিন্তা প্রক্রিয়াৰ ওপৰত ভিত্তি কৰি বিকশিত কৰা হৈছিল। মৌখিক অভীক্ষাত সাতটা কাম থাকে আৰু ইয়াক প্রয়োগ কৰিবলৈ ৪৫ মিনিটৰ প্রয়োজন হয়। আনহাতে ফিগাৰেল অভীক্ষাটো তিনিটা কামৰে গঠিত আৰু ইয়াক প্রয়োগ কৰিবলৈ ৩০ মিনিটৰ প্রয়োজন হয়। উল্লেখযোগ্য যে দুয়োটা অভীক্ষাকে আমি কিণ্ডাৰগার্ডেনৰ পৰা স্নাতক পর্যায়লৈকে ব্যৱহাৰ কৰিব পাৰোঁ। ইয়াৰোপৰি মৌখিক

আৰু ফিগাৰেল অভীক্ষাৰ বেটাৰী এই দুয়োটা অভীক্ষাকে ব্যক্তিগত আৰু দলীয়ভাৱে বাবে প্ৰয়োগ কৰাৰ বিকল্প ৰূপ উপলব্ধ। মৌখিক কামৰ বাবে সৰু ল'ৰা-ছোৱালীয়ে প্ৰাপ্তবয়স্কসকলক সঁহাৰি জনাব পাৰে।

সৃষ্টিশীল প্ৰতিভা সন্ধানী গ্ৰুপ ইনভেণ্টৰী (Group Inventory for Finding Creative Talent)

ইয়াৰ যোগেদি ১-৬ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে তেওঁলোকৰ সৃষ্টিশীল সম্ভাৱনাৰ মূল্যায়ন কৰা হয়। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলৰ কৌতুহল, নমনীয়তা, অধ্যৱসায় বা চখ আদিবোৰ বিশ্লেষণৰ চেষ্টা চলোৱা হয় কেতবোৰ অতি চমু প্ৰশ্ন (Yes/No Questions)ৰ যোগেদি। পিছলৈ পুনৰ ১৯৮২ চনত ডেভিছ আৰু ৰিম নামৰ দুজন ব্যক্তিয়ে ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ বিচাৰি উলিওৱাৰ কাৰণে আন এক ব্যক্তিত্বৰ স্কেল বিকশিত কৰিলে।

সৃষ্টিশীল প্ৰাপ্তিৰ প্ৰশ্নাৱলী (Creativity Achievement Questionnaire, CAQ)

সৃষ্টিশীলতা প্ৰাপ্তিৰ প্ৰশ্নাৱলী (CAQ) ৰ যোগেদি ১০টা ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা সৃষ্টিশীলতাৰ পৰিমাপন কৰিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ প্ৰশ্নসমূহও নাটক, লেখা, হাস্যৰস, সংগীত, দৃশ্যকলা নৃত্য আদি সম্পৰ্কীয় বিষয়সমূহ আৰু লগতে আৱিষ্কাৰ বিজ্ঞান আদিৰ বিষয়সমূহ অন্তৰ্ভুক্ত। CAQ-ৰ নিৰ্ভৰযোগ্যতাৰ উচ্চ মাত্ৰাৰ প্ৰমাণ আৰু বৈধত্যৰ গ্ৰহণযোগ্যতাৰ প্ৰমাণো আছে।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ সৃষ্টিশীলতাৰ এটা বৈশিষ্ট্য উল্লেখ কৰক।

প্ৰশ্ন নং ৯ ঃ সৃষ্টিশীলতা জুখিব পৰা দুটা যিকোনো কৌশল উল্লেখ কৰক।

2 ১২.১৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

- মূল্যায়ন সমাপন কৰাৰ নেপথ্যত অন্তৰ্নিহিত হৈ থকা মূল উদ্দেশ্য হৈছে ছাত্ৰজনক নিজকে ভালদৰে বুজিবলৈ সহায় কৰাৰ ক্ষেত্ৰত অন্তৰ্দৃষ্টি লাভ কৰা, তেওঁলোকৰ সবলতা আৰু দুৰ্বলতাকে ধৰি তেওঁলোকে কি কৰিব পাৰে আৰু কি কৰিব নোৱাৰে সেই বিষয়ে জানিবলৈ সহায় কৰা।
- মনোবৈজ্ঞানিক মূল্যায়ন হৈছে এনে এক প্ৰক্ৰিয়া য'ত একাধিক উৎসৰ পৰা তথ্যৰ সংহতিকৰণ অৰ্থাৎ একত্ৰীকৰণ কৰা হয়।
- আগ্ৰহ হৈছে কিছুমান বিশেষ বস্তু, কাৰ্যকলাপ বা অভিজ্ঞতাৰ প্ৰতি আচৰণৰ অভিমুখীতা। ই হৈছে আমাৰ পছন্দ-অপছন্দ বা আমাৰ আকৰ্ষণ বা বিতৃষ্ণাৰ অভিব্যক্তি।
- আগ্ৰহ মূল্যায়নৰ ক্ষেত্ৰত থকা এক অতি গুৰুত্বপূৰ্ণ কৌশল হিচাপে আনুষ্ঠানিক মূল্যায়নে আগ্ৰহ সম্ভেদমূলক বিভিন্ন কৌশলবোৰ ব্যৱহাৰৰ পোষকতা কৰে। ব্যক্তিৰ আগ্ৰহক ভালদৰে আৱিষ্কাৰ কৰিবলৈ এই কৌশলবোৰ অধিক নিৰ্ভৰযোগ্য হিচাপে বিবেচনাযোগ্য।
- অভিক্ষমতাক সংজ্ঞায়িত কৰি ক'ব পাৰি যে অভিক্ষমতা হৈছে ব্যক্তিৰ মাজত অন্তৰ্নিহিত এনে এক সংলক্ষণ

যিয়ে কোনো এক বিশেষ ক্ষেত্রত ব্যক্তিয়ে প্রদর্শন কৰা পাৰদর্শিতা আৰু ইয়াৰ বাবে প্রয়োজনীয় শিক্ষণ আহৰণক বুজায়।

- ব্যক্তিৰ বিষয়ে সহায়ক তথ্য প্রদান কৰাত অভিক্ষমতা অভীক্ষা বিশেষকৈ উপযোগী।
- ব্যক্তিত্বৰ দৃষ্টিভংগীসমূহ অতি মৌলিক বর্ণনাত্মকৰ পৰা আৰম্ভ কৰি অতি কাৰিকৰী আৰু অত্যাধুনিক দৃষ্টিভংগীলৈকে প্রসাৰিত হৈ পৰিছে। এনে বিস্তৃত দৃষ্টিভংগীসমূহক আত্ম-প্রতিবেদনমূলক ব্যৱস্থা, প্রক্ষেপণ কৌশল আৰু আচৰণৰ মূল্যায়ন হিচাপে বিভিন্ন গোটত শ্রেণীবদ্ধ কৰিব পাৰি।
- ব্যক্তিত্ব অভীক্ষাৰ বহু সংখ্যক পদ্ধতিয়েই হৈছে আত্ম-প্রতিবেদনমূলক সম্ভেদকাৰী।
- প্রক্ষেপণমূলক কৌশলৰ মূল লক্ষ্য হ'ল এজন ব্যক্তিৰ ব্যক্তিত্বৰ মাজত নিহিত হৈ থকা মূল স্বৰূপৰ উন্মোচন কৰাটো।
- ব্যক্তিত্ব মূল্যায়নৰ দিশত ব্যৱহৃত আন এক গুৰুত্বপূর্ণ কৌশল হ'ল আচৰণমূলক মূল্যায়ন।
- আৱেগিক, সামাজিক, শাৰীৰিক বিকাশ আৰু বিভিন্ন কার্যকলাপত অংশগ্রহণৰ বিষয়ে পৰামর্শদাতাৰ নিজস্ব ধাৰণা আৰু প্রতিবেদনে ব্যক্তিৰ ব্যক্তিত্বৰ বিষয়ে উপযোগী তথ্য উন্মোচন কৰিব পাৰে।
- সৃষ্টিশীলতা হৈছে এক বিশেষ ধৰণৰ চিন্তাধাৰা, পৃথিৱীখনক চোৱাৰ এক পদ্ধতি আৰু সাধাৰণ জনতাৰ পৰা পৃথক ধৰণেৰে আন্তঃক্রিয়া কৰাৰ এক শৈলী।
- শৈক্ষিক পৰিৱেশত সৃষ্টিশীলতা মূল্যায়নৰ উদ্দেশ্য হৈছে সৃষ্টিশীলতাৰ বাবে বিভিন্ন সম্ভাৱনা থকা ছাত্র-ছাত্রীক চিনাক্ত কৰা। এবাৰ এই অন্তর্নিহিত সম্ভাৱনাক আৱিষ্কাৰ কৰিব পাৰিলে পৰৱর্তী পর্যায়ত সেই সম্ভাৱনাসমূক প্রতিপালন আৰু সঠিক দিশত নির্দেশনা প্রদান কৰিব পৰা যায়।
- সৃষ্টিশীল চিন্তাৰ সম্ভাৱনাৰ মূল্যায়নৰ বাবে কেইবাটাও প্রতিমানকৃত অভীক্ষা প্রস্তুত কৰা হৈছে। বেছিভাগ সৃষ্টিশীলতা অভীক্ষাৰ মাজত দেখা পোৱা এটা সাধাৰণ বৈশিষ্ট্য হ'ল ইয়াত প্রশ্নপদসমূহৰ প্রতিক্রিয়া প্রদানত থকা স্বতন্ত্রতা অর্থাৎ ইহঁত মুকলি প্রকৃতিৰ (Open-ended) ।
- সৃষ্টিশীলতাক পৰিমাপণ আৰু মূল্যায়নৰ প্রক্রিয়াক সহজ আৰু বাস্তৱমূখী কৰি তোলাৰ বাবে বিভিন্ন ধৰণৰ বিষয়বস্তু যেনে- শব্দ, চিত্র (অমৌখিক), ক্রিয়া আদিৰ সৈতে জড়িত বিভিন্ন অভীক্ষা প্রস্তুত কৰা হৈছে। ব্যক্তিৰ সাধাৰণ সম্ভাৱনাক মূল্যায়নৰ বাবে সৃষ্টিশীল চিন্তাৰ টৰেন্স অভীক্ষাসমূহ আটাইতকৈ বেছি ব্যৱহাৰ কৰা হৈছে ।

○ ১২.১৮ অধিক জানিবলৈ (FURTHER READING)

১) Crow L. D. and Crow (1962). *'An Introduction to Guidance Principles and Practices',* New Delhi : Eurasia Publishing House.

২) Rao, Narayan (1981). *'Counselling Psychology'* MC Graw Hill Publishing Co. Ltd. New Delhi.

K ১২.১৯ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰ ঃ আগ্রহ দুই প্রকাৰৰ— আভ্যন্তৰীণ আৰু বাহ্যিক আগ্রহ।

২ নং প্রশ্নৰ উত্তৰ ঃ আগ্রহ পৰিমাপণৰ দুটা আনুষ্ঠানিক পদ্ধতি হৈছে— পর্যবেক্ষণ আৰু সাক্ষাৎকাৰ।

৩ নং প্রশ্নৰ উত্তৰ ঃ অভিক্ষমতা অভীক্ষাৰ এটা প্রকাৰ হ'ল— বিশেষ অভিক্ষমতা অভীক্ষা।

৪ নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণ কৃতিত্ব অভীক্ষা বেটাৰীৰ কাম হ'ল এটা ক্ষেত্রৰ পৰিৱর্তে শৈক্ষিক পাঠ্যক্রমে সামৰি লোৱা কেইবাটাও প্রধান বিষয়বস্তুৰ পৰিমাপ কৰা।

৫ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তিত্ব হৈছে এক বহুলভাৱে ব্যৱহৃত হোৱা শব্দ যিয়ে মানৰ জীৱনৰ বিভিন্ন দিশসমূহ বুজাবলৈ ব্যৱহাৰ কৰা হয়। কায়িক অৱয়বৰ উপৰিও ব্যক্তিৰ আৱেগিক, আন্তঃব্যক্তিগত, মানসিক, অভিৰোচনমূলক আৰু নৈতিক ইত্যাদি দিশ অন্তর্ভুক্ত।

৬ নং প্রশ্নৰ উত্তৰ ঃ আত্ম প্রতিবেদনমূলক ব্যৱস্থাই অভিক্ষার্থীয়ে প্রতিক্রিয়া প্রদানৰ সুবিধা হোৱাকৈ সুচিন্তিতভাৱে আৰু পদ্ধতিগতভাৱে পুস্তিকা এখনত প্রশ্নসমূহ সন্নিৱিষ্ট কৰা হয়।

৭ নং প্রশ্নৰ উত্তৰ ঃ দুবিধ প্রক্ষেপনমূলক কৌশল হ'ল— ৰ'ৰছাক অভীক্ষা আৰু শব্দ অনুষংগ অভীক্ষা।

৮ নং প্রশ্নৰ উত্তৰ ঃ সৃষ্টিশীলতাৰ এটা বৈশিষ্ট্য হ'ল— ই হৈছে সার্বজনীন প্রকৃতিৰ।

৯ নং প্রশ্নৰ উত্তৰ ঃ পর্যবেক্ষণ আৰু ৰেটিং।

M ১২.২০ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ ঃ আগ্রহৰ মূল্যায়ন বুলিলে কি বুজে?

প্রশ্ন ২ ঃ কুড়াৰ আগ্রহ সম্ভেদমূলক পদ্ধতিৰ ওপৰত চমুটোকা লিখক।

প্রশ্ন ৩ ঃ আগ্রহৰ আনুষ্ঠানিক মূল্যায়নৰ কৌশলসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ বিদ্যায়তনিক অভীক্ষমতা অভীক্ষাৰ ওপৰত এটা টোকা লিখক।

প্রশ্ন ৫ ঃ কৃতিত্বৰ অভীক্ষাৰ প্রকাৰসমূহ আলোচনা কৰক।

প্রশ্ন ৬ ঃ ব্যক্তিত্বৰ ধাৰণা সম্পর্কে চমুকৈ উল্লেখ কৰক।

প্রশ্ন ৭ ঃ ব্যক্তিনিষ্ঠ পদ্ধতিৰ ওপৰত চমুকৈ লিখক।

প্রশ্ন ৮ ঃ প্রক্ষেপন পদ্ধতিৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৯ ঃ সৃষ্টিশীল সম্ভাৱনাৰ সূচকসমূহ আলোচনা কৰক।

প্রশ্ন ১০ ঃসৃষ্টিশীলতা মূল্যায়নৰ কৌশলসমূহ বিশ্লেষণ কৰক।

*** ***** ***

অধ্যায় ১৩ঃ বিভিন্ন প্রকাৰৰ পৰামৰ্শদানত প্ৰধান চিন্তনীয় বিষয়সমূহ (MAJOR CONCERNS IN DIFFERENT TYPES OF COUNSELLING)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ গোট পৰামৰ্শদান
১৩.৩.১ গোট পৰামৰ্শদানৰ বৈশিষ্ট্যসমূহ
১৩.৩.২ গোটৰ পদ্ধতিসমূহ
১৩.৩.৩ গোট প্ৰক্ৰিয়াৰ পৰ্যায়সমূহ
১৩.৪ কেৰিয়াৰ পৰামৰ্শদান
১৩.৪.১ কেৰিয়াৰ পৰামৰ্শদানৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব
১৩.৪.২ কেৰিয়াৰ পৰামৰ্শদানৰ পদ্ধতি
১৩.৫ সমনীয়াৰ পৰামৰ্শদান
১৩.৫.১ সমনীয়া সুবিধা প্ৰদানকাৰীৰ প্ৰয়োজনীয়তা
১৩.৫.২ সমনীয়া পৰামৰ্শদান কাৰ্যসূচী স্থাপন কৰা
১৩.৬ পৰস্পৰাগত নিৰাময় পদ্ধতিৰ প্ৰাসংগিকতা
১৩.৭ বিকল্প চিকিৎসা পদ্ধতি
১৩.৮ সংকটকালীন পৰামৰ্শদানৰ অৰ্থ
১৩.৯ শিশু নিৰ্যাতন প্ৰতিৰোধৰ বাবে পৰামৰ্শদান
১৩.১০ দ্ৰব্যৰ অপব্যৱহাৰ প্ৰতিৰোধৰ পৰামৰ্শদান
১৩.১১ এইচ. আ. ভি. ঐএইডছ (HIV / AIDS) সজাগতাৰ বাবে পৰামৰ্শদান
১৩.১২ আত্মহত্যাৰ প্ৰতিৰোধৰ বাবে পৰামৰ্শদান
১৩.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.১৪ অধিক জানিবলৈ
১৩.১৫ অগ্ৰগতিৰ খতিয়ান
১৩.১৬ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গোট পৰামৰ্শদানৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰিব পাৰিব
- কেৰিয়াৰ পৰামৰ্শদানৰ অৰ্থ আৰু কেৰিয়াৰ সম্পৰ্কীয় বিষয়সমূহক সহায় কৰাত ব্যৱহৃত পদ্ধতিসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব
- বিদ্যালয়ৰ নিৰ্দেশনা কাৰ্যসূচীত সমনীয়া সুবিধা প্ৰদানকাৰীৰ ভূমিকা বৰ্ণনা কৰিব পাৰিব
- বিকল্প চিকিৎসা পদ্ধতিৰ ধাৰণাটো অন্বেষণ কৰিব পাৰিব।
- সংকটকালীন পৰামৰ্শদানৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- শিশুৰ নিৰ্যাতন, দ্ৰব্যৰ অপব্যৱহাৰ, এইচ. আই. ভিঁএইডছ আৰু আত্মহত্যাৰ বিষয়ে তথ্য জানিব পাৰিব

১৩.২ পৰিচয় (INTRODUCTION)

আপুনি ইতিমধ্যে সমগ্ৰ পৰামৰ্শদান প্ৰক্ৰিয়াৰ বিষয়ে জানিলে। এই অধ্যায়টিত আপুনি বিভিন্ন ধৰণৰ পৰামৰ্শদান যেনে গোট পৰামৰ্শদান, কেৰিয়াৰ পৰামৰ্শদান, সমনীয়া পৰামৰ্শদান আৰু লগতে পৰামৰ্শদানৰ অংশ হিচাপে বিকল্প চিকিৎসাৰ প্ৰাসংগিকতাৰ বিষয়েও জানিব পাৰিব। ইয়াৰ উপৰিও এই অধ্যায়টিত বিদ্যালয়সমূহত এই পৰামৰ্শদান কেনেকৈ প্ৰদান কৰিব লাগে আৰু বৰ্তমানৰ প্ৰেক্ষাপটত ইয়াৰ উপযোগিতাৰ বিষয়েও জানিব পাৰিব। শিশু আৰু কিশোৰ-কিশোৰীসকল ডাঙৰ হোৱাৰ লগে লগে তেওঁলোকে বিভিন্ন ধৰণৰ বিপদৰ বিষয়ে জানিবলৈ পায়। বেছিভাগ পৰিয়ালে নিজৰ আৰু সন্তানৰ জীৱন সুৰক্ষিত কৰিবলৈ চেষ্টা কৰিলেও পৰিয়ালৰ ভিতৰত আৰু বাহিৰত কেতিয়াবা ভয়ংকৰ ঘটনাও ঘটে। শৈশৱ আৰু কৈশোৰ কালত শিশুৱে বিভিন্ন আঘাতৰ সন্মুখীন হ'ব পাৰে। কিছুমান আঘাত, যেনে শিশু নিৰ্যাতন বা ঘৰুৱা হিংসাৰ সাক্ষী হোৱা, দ্ৰব্য অপব্যৱহাৰ আদি বাৰে বাৰে হ'ব পাৰে। এই অধ্যায়টিত আমি এই সমস্যাসমূহৰ বিষয়ে অৱগত হ'ম আৰু এই সংকটকালীন সমস্যা কেনেকৈ প্ৰতিৰোধ কৰিব লাগে তাৰ বিষয়েও জানিব পাৰিম।

১৩.৩ গোট/দলীয় পৰামৰ্শদান (GROUP COUNSELLING)

গোট বা দলীয় পৰামৰ্শদান পদ্ধতিটো উপকাৰী, কাৰণ ই বিভিন্ন দৃষ্টিভংগী উপস্থাপন কৰাৰ সুযোগ প্ৰদান কৰে আৰু সমস্যা সমাধানৰ বাবে বা সদস্যৰ বৃদ্ধিত সহায় কৰাৰ বাবে সমগ্ৰ গোটৰ সম্পদ ব্যৱহাৰ কৰে। গোট বা দলীয় পৰামৰ্শদানে বিশেষভাৱে ব্যক্তিগত নিৰাময়ৰ সুযোগ প্ৰদান কৰে, কাৰণ ই সহায়ৰ বাবে একত্ৰিত হোৱা শিক্ষাৰ্থীৰ মাজত উষ্ণ সম্পৰ্ক গঢ়ি তোলে। দলীয় পদ্ধতিসমূহ বিশেষকৈ সংকটজনক পৰিস্থিতি বা সমস্যা যেনে-মদ্যপান, ড্ৰাগছ সেৱন, অবিবাহিত বা বিবাহ বিচ্ছেদ হোৱা পিতৃ-মাতৃ, এইচ আই ভিঁএইডছ, কেন্সাৰ আদিৰ দৰে

ৰোগৰ সন্মুখীন হোৱা শিক্ষার্থীৰ পূনর্বাসন আৰু আৰোগ্যৰ বাবে সহায়ক হৈ পৰে।

১৩.৩.১ গোট পৰামৰ্শদানৰ বৈশিষ্ট্যসমূহ (Features of Group Counselling)

গোট বা দলীয় পৰামৰ্শদানৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহ হ'ল—

- গোটৰ সদস্যসকলে ইজনে সিজনক গ্ৰহণ কৰা।
- সদস্যসকলৰ মাজত আস্থা থাকে।
- সদস্যসকলৰ মাজত সন্মান বর্তি থাকে।
- ব্যক্তিগত পার্থক্যৰ বাবে সহনশীলতা বিৰাজ কৰে।
- একে ধৰণৰ সমস্যাৰ বিভিন্ন সমাধান আৰু দৃষ্টিভংগীৰ অন্তর্দৃষ্টি থাকে।

চমুকৈ ক'বলৈ গ'লে, দলীয় পৰামৰ্শদানত পৰামৰ্শ লাভ কৰা ব্যক্তিজনে নিম্নোক্ত বিষয়সমূহৰ অধিক সুযোগ অনুভৰ কৰে—

- নিৰাপদ আৰু সহানুভূতিশীল পৰিৱেশত প্ৰকাশ কৰে।
- তেওঁলোকৰ সমস্যাৰ এটাতকৈ অধিক সহানুভূতিশীল সঁহাৰি থাকে।
- তেওঁলোকৰ পৰিস্থিতি আনৰ সৈতে তুলনা কৰি আৰু আনৰ সমস্যাৰ কথা শুনি তেওঁলোকৰ সমস্যাৰ কাৰণসমূহ জানিব পাৰে।
- আনৰ পৰা পৰামর্শ আৰু ধাৰণা লাভ কৰে।
- নিজৰ মাজত পৰিৱর্তন আনিবলৈ লক্ষ্য চিনাক্ত কৰা।
- তেওঁলোকৰ সফলতাৰ প্ৰতিবেদন জনাই আৰু ইতিবাচক আচৰণৰ বাবে সবলিতকৰণ কৰিব লাগে।

১৩.৩.২ গোটৰ পদ্ধতিসমূহ (Group Procedures)

দলীয় নির্দেশনা, দলীয় পৰামৰ্শদান বা দলীয় চাইকোথেৰাপি সংগঠিত কৰাৰ বাবে দলীয় প্ৰক্ৰিয়া ব্যৱহাৰ কৰিব পাৰি। সকলোবোৰ তলত আলোচনা কৰা হৈছে—

১) **দলীয় নির্দেশনা (Group Guidance) ঃ** তথ্য, ধাৰণা, চিন্তা আৰু ধাৰণাসমূহৰ আদান-প্ৰদানৰ জৰিয়তে মনোভাৰ পৰিৱর্তন আৰম্ভ কৰাৰ এক পদ্ধতি হৈছে গোট বা দলীয় নির্দেশনা। ইয়াৰ লক্ষ্য হৈছে সমস্যাসমূহ প্ৰতিৰোধ কৰা আৰু শৈক্ষিক, বৃত্তিমূলক, ব্যক্তিগত আৰু সামাজিক প্ৰয়োজনীয়তাসমূহ সম্বোধন কৰা তথ্য প্ৰদান কৰিব বিচাৰে।

২) **দলীয় পৰামৰ্শদান (Group Counselling) ঃ** দলীয় পৰামৰ্শদান পদ্ধতিগতভাৱে চিকিৎসামূলক, কাৰণ

ইয়াৰ লক্ষ্য হৈছে ভাগ-বতৰাৰ জৰিয়তে আৱেগ আৰু ধাৰণাসমূহ মুক্ত কৰা। ইয়াৰ লক্ষ্য হৈছে সম্পূৰ্ণ জড়িতকৰণৰ ওপৰত গুৰুত্ব দি মনোভাৱ আৰু আচৰণৰ পৰিৱৰ্তন কৰা।

৩) **দলীয় চাইকোথেৰাপি (Group Psychotherapy)** ঃ এই পদ্ধতিটো বহুলাংশে প্ৰতিকাৰমূলক, সহায়ক আৰু পুনঃগঠনমূলক। ই ব্যক্তিৰ ব্যক্তিত্বৰ অচেতন বা অৱচেতন আনকি সচেতন দিশকো গুৰুত্ব দিয়ে। ই গুৰুতৰ আৱেগিক সমস্যাৰ লগতে মানসিকভাৱে প্ৰত্যাহ্বানৰ সৈতে জড়িত সমস্যাসমূহো চম্ভালি লয়। এনে বহু সমস্যাৰ সমাধান দীঘলীয়া সময়ৰ থেৰাপীৰ ভিতৰতহে কৰিব পৰা যায়।

৪) **দলীয় নেতৃত্ব (Group Leadership)** ঃ গোট যিয়েই নহওক কিয়, নেতাজনৰেই এটা ডাঙৰ ভূমিকা আছে। গোটৰ নেতা হিচাপে পৰামৰ্শদাতাসকলক গোটৰ পদ্ধতিসমূহ ফলপ্ৰসূভাৱে পৰিচালনা কৰিবলৈ উষ্ণতা আৰু সহানুভূতিৰ যোগাযোগকে ধৰি আন্তঃ ব্যক্তিগত দক্ষতাৰ প্ৰাসংগিক প্ৰশিক্ষণৰ প্ৰয়োজন।

১৩.৩.৩ গোট প্ৰক্ৰিয়াৰ পৰ্যায়সমূহ (Stages of Group Processes)

গোট প্ৰক্ৰিয়াৰ চাৰিটা পৰ্যায় আছে। এইবোৰ হ'ল আৰম্ভণিৰ পৰ্যায় (Beginning stage), কৰ্ম পৰ্যায় (Working stage), সামৰণিৰ পৰ্যায় (Closing stage) আৰু খতিয়ান লোৱা (Follow-up stage)। আহক, আমি এই পৰ্যায়সমূহৰ বিষয়ে আলোচনা কৰো—

আৰম্ভণিৰ পৰ্যায় (Beginning stage) ঃ আৰম্ভণিৰ পৰ্যায়ত পৰিচয় কৰা হয়, গোটৰ উদ্দেশ্যৰ ৰূপৰেখা দাঙি ধৰা হয়, লক্ষ্য নিৰ্ধাৰণ কৰা হয়, নিয়ম আৰু বাধাসমূহ স্পষ্ট কৰা হয়। আৰম্ভণিৰ পৰ্যায়ত ব্যয় কৰা সময়ৰ কোনো ভিত্তি নিয়ম নাই। এই পৰ্যায়ত সদস্যসকলক প্ৰকৃত বিষয়বোৰলৈ আগবাঢ়ি যাবলৈ সুখদায়ক অনুভৱ কৰিব লাগে।

কৰ্ম পৰ্যায় (Working stage) ঃ এই পৰ্যায়টোৱেই হৈছে গোট বা দল প্ৰক্ৰিয়াৰ মূল। ইয়াতে সদস্যসকলে গোটৰ মূল উদ্দেশ্যত গুৰুত্ব দিয়ে। তেওঁলোকে বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰে, কাম সম্পূৰ্ণ কৰে বা ব্যক্তিগত কথা মত-বিনিময় আৰু চিকিৎসামূলক কামত লিপ্ত হয়। পৰ্যায়টো এটা পৰিৱৰ্তনমূলক পৰ্যায়ৰ সৈতে আৰম্ভ কৰা হয় য'ত সদস্যসকলে তেওঁলোকৰ অতি ব্যক্তিগত কথা সমূহ আলোচনা কৰিবলৈ সাজু নহয়। সক্ৰিয় মধ্যম পৰ্যায়ৰ পৰিকল্পনা নিৰ্ভৰ কৰিব গোটটোৱে কি উদ্দেশ্যৰ বাবে বৈঠকত মিলিত হৈছে তাৰ ওপৰত। উদাহৰণস্বৰূপে, এটা শিক্ষা গোটত নেতাই সদস্যসকলে বিষয়টোৰ ওপৰত আলোচনা আৰম্ভ কৰাৰ আগতে কিছুমান লিখিত সামগ্ৰী বিতৰণ কৰি এখন ছবি দেখুৱাব পাৰে। সদস্যসকলে যাতে মুক্তভাৱে কথাবোৰ কয় তাৰ বাবে নেতাই নিজৰ গোটৰ সদস্যসকলৰ সৈতে একেধৰণৰ সমস্যাৰ কথা কয় আৰু আৰম্ভ কৰিব পাৰে যিবোৰ তেৰোঁ হয়তো সন্মুখীন হৈছিল। আপুনি শিক্ষক হিচাপে এনে গোট যদি বিদ্যালয় গঠন কৰে তেতিয়া হ'লে এই গোটৰ সদস্যসকলক ১ৰ পৰা ১০লৈকে স্কেলত (Scale) তেওঁলোকে অনুভৱ কৰা সুখৰ স্তৰটো লক্ষ্য কৰিবলৈ ক'ব পাৰে। ইয়াৰ ফলত তেওঁলোকে অংশগ্ৰহণ কৰিবলৈ আৰু সক্ৰিয়ভাৱে নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ অনুপ্ৰাণিত অনুভৱ কৰে নেকি সেইটো পৰীক্ষা কৰিব পাৰি।

সামৰণিৰ পর্যায় (Closing stage) ঃ গোট প্রক্রিয়াৰ সামৰণি পর্যায়টো হ'ল যেতিয়া সদস্যসকলে গোটৰ পৰা কি শিকিছে বা লাভ কৰিছে আৰু তেওঁলোকে শিকি অহাখিনি কেনেকৈ ব্যৱহাৰ কৰাৰ পৰিকল্পনা কৰিছে সেই বিষয়ে ভাৱ প্রকাশ কৰে। গোটটোৱে একেলগে কাম কৰা সময়ৰ ওপৰত অধিৱেশনৰ সময়সীমা নির্ভৰ কৰে। এইখিনিতে সদস্যসকল আৱেগিক হৈ পৰিব পাৰে। কাৰণ গোট প্রক্রিয়াৰ সময়ত সাধাৰণতে তেওঁলোক ইজনে সিজনৰ ওচৰলৈ আহে যিহেতু তেওঁলোক সকলোৱে একেটা সমস্যাৰ সন্মুখীন হৈছিল আৰু ব্যক্তিগত অভিজ্ঞতা আৰু অনুভৱ আৰু সদস্যসকলৰ পৰা লাভ কৰা সহায়ৰ কথা-বতৰা আলোচনা কৰাৰ বাবে তেওঁলোকে এক বন্ধন গঢ়ি তুলিব পাৰে।

খতিয়ান লোৱা (Follow-up stage) ঃ এটা খতিয়ান নির্ভৰ কৰে গোটৰ কার্যকলাপৰ ধৰণ আৰু গোটৰ উদ্দেশ্যৰ ওপৰত। ইয়াৰ ফলত গোটৰ সদস্যসকলে যোগাযোগ ৰাখিব পাৰে আৰু লগতে অধিক চিকিৎসাৰ বাবে খতিয়ান বা প্রতিকাৰমূলক কার্যকালৰ প্রয়োজনীয়তাও জানিব পাৰে। ই পৰামর্শদাতা বা গোটৰ নেতাক গোট প্রক্রিয়াসমূহৰ সুবিধাসমূহৰ মূল্যায়ন কৰাত সহায় কৰে।

তলত দিয়া চার্টখনে গোট প্রক্রিয়াৰ বিভিন্ন পর্যায় আৰু প্রতিটো পর্যায়ত সম্পন্ন কৰা কার্যসমূহ চমুকৈ দেখুওৱা হৈছে।

গোট বা দলীয় প্রক্রিয়াৰ পর্যায়সমূহ
(Stages in group counselling)

↓

প্রথম পর্যায় (Stage I)
আৰম্ভণি পর্যায় (Beginning stage)
ইয়াত অংশগ্রহণকাৰীসকলক পৰিচয় কৰাই দিয়া হয়। উদ্দেশ্য আগবঢ়োৱা হয়, লক্ষ্য আৰু নিয়ম নির্ধাৰণ কৰা হয়। (Here, participants are being introduced, purpose is put forward, goals and rules are set)

↓

দ্বিতীয় পর্যায় (Stage II)
কর্ম পর্যায় (Working stage)
এইটো পর্যায়ত মূল উদ্দেশ্যত মনোনিৱেশ কৰে, প্রতিজন সদস্যই জ্ঞানমূলক স্তৰত কথা কয়, গোটৰ নেতাই আৱেগিক প্রকাশৰ সূচনা কৰে, পাৰস্পৰিক ক্রিয়া-প্রতিক্রিয়া বৃদ্ধি পায়। (In this stage, focus on the main purpose, each member speaks at cognitive level, group leader initiates emotional expression, interaction increases)

↓

তৃতীয় পর্যায় (Stage III)

সামৰণি পর্যায় (Closing stage)

পাৰস্পৰিক ক্রিয়াৰ ক্ষেত্রত আলোকপাত কৰা, লোৱা সিদ্ধান্তসমূহ স্পষ্ট কৰা, সিদ্ধান্তৰ ব্যৱহাৰৰ ওপৰত সিদ্ধান্ত লোৱা। (Sharing of gains in interaction, clarify conclusions drawn, decide on uses of conclusions)

↓

চতুর্থ পর্যায় (Stage IV)

খতিয়ান লোৱা (Follow-up stage)

সদস্যসকলে নিজ খতিয়ান, প্রশ্নাৱলী, ৰেটিং স্কেল, পৰীক্ষা তালিকা, নিশ্চিত চূড়ান্ত সিদ্ধান্তৰ পৰা লোৱা সিদ্ধান্তৰ ওপৰত মতামত দিয়ে। (Members give feedback on conclusions drawn from self-report, Questionnaires, rating scale, checklists, final conclusions confirmed)

(Source/ উৎস : Special concerns in counselling, NCERT, 2009)

১৩.৪ কেৰিয়াৰ পৰামৰ্শদান (CAREER COUNSELLING)

কেৰিয়াৰ পৰামৰ্শদানে কেৰিয়াৰ পছন্দ আৰু বিকাশৰ মাত্রাসমূহৰ ওপৰত পৰিপক্ক হোৱাত এজন ব্যক্তিক সহায় কৰাৰ বাবে নির্দেশিত পৰামৰ্শদানৰ প্রক্রিয়াক বুজায় আৰু আটাইতকৈ উপযুক্ত আৰু ক্রমিকভাৱে সংযুক্ত জীৱন-কেৰিয়াৰ সিদ্ধান্ত আৰু সমন্বয় গ্রহণ কৰে। ইয়াত কোনো ব্যক্তিক এটা বৃত্তি বাছনি আৰু প্রস্তুতিৰ বাবে আগবঢ়োৱা সহায়ৰ লগতে নির্বাচিত কামৰ ধৰণত ফলপ্রসূভাৱে প্রৱেশ আৰু কার্যক্ষমতা অন্তর্ভুক্ত কৰা হৈছে। চমুকৈ ক'বলৈ গ'লে কেৰিয়াৰ পৰামৰ্শদানে মানুহক কেৰিয়াৰটো ফলপ্রসূভাৱে বাছনি আৰু সামঞ্জস্য স্থাপন কৰাত সহায় কৰাত ব্যৱহৃত যোগাযোগ দক্ষতা, কৌশল আৰু মনোভাৱৰ এটা গোট হিচাপে সংজ্ঞায়িত কৰিব পাৰি।

১৩.৪.১ কেৰিয়াৰ পৰামৰ্শদানৰ প্রয়োজনীয়তা আৰু গুৰুত্ব (Need and Importance of Career Counselling)

কেৰিয়াৰ পৰামৰ্শদানৰ প্রয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে তলত আলোচনা কৰা হৈছে—

- **নিবনুৱা সমস্যা আৰু অসন্তুষ্টি হ্ৰাস কৰা ঃ** কেৰিয়াৰৰ সুযোগৰ উপলব্ধতা, বৃত্তিৰ নাটনি আৰু উদ্বৃত্ত বৃত্তিৰ বিষয়ে কেৰিয়াৰ আকাংক্ষীসকলক অৱগত নকৰাৰ বাবে যিকোনো সামাজিক গাঁথনিত বহু পৰিমাণে নিবনুৱা সমস্যাৰ সৃষ্টি হয়। নির্দেশনাৰ অনুপস্থিতিয়ে নিবনুৱা সমস্যাৰ পৰিস্থিতি অধিক ভয়াৱহ কৰি তুলিব পাৰে যাৰ ফলত আর্থিক আৰু মানসিক সমস্যাৰ সৃষ্টি হ'ব পাৰে। কেৰিয়াৰ পৰামর্শদানে যুৱ শিক্ষার্থীসলৰ মাজত নিবনুৱা সমস্যা আৰু অসন্তুষ্টিৰ সমস্যা হ্ৰাস কৰাত সহায় কৰে।

- **প্ৰতিযোগিতামূলক ভৱিষ্যতৰ সৈতে মোকাবিলা কৰা (Coping with a competitive future) ঃ** একবিংশ শতিকাৰ কর্ম পৰিস্থিতিত বিশ্বায়নৰ পৃথিৱীত চাকৰি বজাৰত জীয়াই থাকিবলৈ প্ৰয়োজনীয় বিশেষ দক্ষতা থকা লোকসকলৰ বাবে চাকৰি উপলব্ধ হোৱাৰ সম্ভাৱনা আছে। কেৰিয়াৰ পৰামর্শদানে উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণ বাছনি কৰাত সহায়ক হোৱাকৈ নিজৰ সম্ভাৱনা আৰু আগ্ৰহ চিনাক্ত কৰাত সহায়ক হোৱাকৈ নিজৰ সম্ভাৱনা আৰু আগ্ৰহ চিনাক্ত কৰাত সহায় কৰে।

- **প্ৰয়োজন আৰু জীৱনৰ লক্ষ্য পূৰণ কৰা (Fulfillment of needs and life goals) ঃ** মৌলিক প্ৰয়োজনীয়তা পূৰণৰ উপৰিও কেৰিয়াৰ পৰামর্শদানে ব্যক্তিক তেওঁলোকৰ সম্ভাৱনা আৰু আকাংক্ষা অনুসৰি চাকৰি বিচাৰি উলিওৱাত সহায় কৰি স্বীকৃতি, অনুমোদন, আত্মসন্মান আৰু আত্ম-বাস্তৱিকতাৰ প্ৰয়োজনীয়তাৰ দৰে অন্যান্য ব্যক্তিগত-সামাজিক প্ৰয়োজনীয়তা পূৰণ কৰাত সহায় কৰে।

- **নতুন কেৰিয়াৰৰ পথ মুকলি কৰা (Opening up new career avenues) ঃ** বর্তমানৰ সময়ত অসংখ্য কেৰিয়াৰৰ বিকল্প উপলব্ধ। তথ্যৰ ক্ষেত্ৰত বিপ্লৱে বহুতো নতুন ক্ষেত্ৰত কেৰিয়াৰৰ সুযোগ মুকলি কৰি দিছে, বিশেষকৈ বিজ্ঞাপন, তথ্য প্ৰযুক্তি, অভিযান্ত্রিক, ফেশ্বন প্ৰযুক্তি আদিত। আজিৰ প্ৰায় প্ৰতিটো কেৰিয়াৰতে অতি নির্দিষ্ট দক্ষতাৰ প্ৰয়োজন হয়, যাৰ বাবে সময়, ধন আৰু শক্তিৰ বিনিয়োগৰ প্ৰয়োজন হ'ব পাৰে। কেৰিয়াৰ পৰামর্শদানে ব্যক্তিক বহুত বহল বিকল্পৰ ক্ষেত্ৰৰ পৰা নির্বাচন কৰিবলৈ সক্ষম কৰে।

- **মানৱ সম্পদৰ ব্যৱহাৰ (Utilisation of human resources) ঃ** কেৰিয়াৰ শিক্ষা আৰু কেৰিয়াৰ পৰামর্শদানেই মানৱীয় সম্ভাৱনাৰ সঠিক ব্যৱহাৰত সহায় কৰিব পাৰে। কেৰিয়াৰ মনোবিজ্ঞানৰ গৱেষণাই দেখুৱাইছে যে পেছাদাৰীভাৱে প্ৰশিক্ষিত কর্মীসকলে সঠিক চিনাক্তকৰণ আৰু মার্গ দর্শনৰ জৰিয়তে শিশু আৰু যুৱক-যুৱতীসকলৰ মাজত লুকাই থকা আৰু অন্তর্নিহিত প্ৰতিভাক লালন-পালন কৰিব পাৰে।

- **শিক্ষা আৰু কর্মৰ মাজৰ ব্যৱধান দূৰ কৰা (Bridging the gap between education and work) ঃ** যিহেতু আমাৰ দেশত কেৰিয়াৰ পৰামর্শদানে এতিয়াও প্ৰয়োজনীয় বিস্তৃতি লাভ কৰিব পৰা নাই, সেয়েহে বিদ্যালয়ৰ পাঠ্যক্ৰমত কেৰিয়াৰ সম্পর্কীয় শিক্ষাৰ ব্যৱস্থাৰ এতিয়াও অভাৱ। শিক্ষা জীৱন আৰু কর্মৰ ক্ষেত্ৰত যিখিনি শিকিছে তাৰ প্ৰযোজ্যতা থাকিব লাগে। কেৰিয়াৰ পৰামর্শদানৰ প্ৰক্ৰিয়াই এইদৰে, কেৰিয়াৰ শিক্ষা ফলপ্ৰসূভাৱে ৰূপায়ণ কৰাত সহায় কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক কেৰিয়াৰত ফলপ্ৰসূভাৱে প্ৰৱেশৰ বাবে প্ৰয়োজনীয় আগতীয়াকৈ অভিমুখীতা, পৰিকল্পনা আৰু মনোভাৱ আহৰণ কৰাত সহায় কৰে।

১৩.৪.২ কেৰিয়াৰ পৰামৰ্শদানৰ পদ্ধতি (Steps of Career Counselling)

এতিয়ালৈকে আমি কেৰিয়াৰ পৰামৰ্শদানৰ ধাৰণা ইয়াৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰিলো। এই খণ্ডটোত আপুনি কেৰিয়াৰ পৰামৰ্শদান প্ৰক্ৰিয়াৰ বিভিন্ন পদক্ষেপ আৰু পৰ্যায়ৰ লগতে পৰিচিত হ'ব পাৰে। এই পদক্ষেপসমূহ তলত বিশদভাৱে উল্লেখ কৰা হৈছে—

- **চালন/গুণ বিচাৰৰ মান/স্ক্ৰীনিং (Screening) ঃ** প্ৰথমে এই পদ্ধতিত পৰামৰ্শদানত কি হ'ব তাৰ বাবে পৰিকল্পনা কৰাটো গুৰুত্বপূৰ্ণ বুলি ভাবো। কাৰণ ই পৰামৰ্শদানৰ সম্পৰ্কত গভীৰ প্ৰভাৱ পেলাব পাৰে। স্ক্ৰীনিং হৈছে সেই প্ৰক্ৰিয়া যিয়ে পৰামৰ্শদাতা আৰু পৰামৰ্শদান লাভ কৰা ব্যক্তি দুয়োকে ইজনে সিজনৰ বিষয়ে আৰু প্ৰদান কৰা সেৱাৰ বিষয়ে তথ্য সংগ্ৰহ কৰিবলৈ সক্ষম কৰে। এনে তথ্যই দুয়োকে আৰু আগবাঢ়িব নে নাই সেইটো নিৰ্ণয় কৰাত সহায় কৰিব পাৰে।
- **স্পষ্টীকৰণ পৰ্যায় (Clarifying phase) ঃ** ইয়াৰ আৰম্ভণি হয় সম্পৰ্ক গঢ়ি তোলা প্ৰক্ৰিয়াৰ পৰা য'ত সাধাৰণ পৰামৰ্শদানৰ দক্ষতাসমূহ ব্যৱহাৰ কৰি এটা সুবিধাজনক আৰু বন্ধুত্বপূৰ্ণ পৰিৱেশ সৃষ্টি কৰা হয়। সম্পৰ্ক গঢ়ি তোলাৰ উপৰিও প্ৰাসংগিক বিষয়সমূহ আৰু পৰামৰ্শ লাভ কৰা ব্যক্তিজনৰ পটভূমি, কৃতিত্ব আৰু হতাশাৰ বিষয়ে তথ্য সংগ্ৰহ কৰা হয়।
- **চুক্তিবদ্ধ (Contracting) ঃ** চুক্তিবদ্ধতা হৈছে এনে এক প্ৰক্ৰিয়া য'ত পৰামৰ্শদান লাভ কৰা ব্যক্তিৰ লগতে পৰামৰ্শদাতাৰ কৰ্ম পদ্ধতি আৰু কেৰিয়াৰ পৰামৰ্শদানত তেওঁলোকৰ নিজ নিজ ভূমিকা সম্পৰ্কে স্পষ্ট বুজাবুজিত উপনীত হয়। চুক্তিখনত এই পদ্ধতিত জড়িত ধন কোনে দিব, গোপনীয়তা, পৰামৰ্শ লাভ কৰা ব্যক্তি আৰু পৰামৰ্শদাতা উভয়ৰে আশা কৰা ভূমিকা আদি কেইবাটাও প্ৰাসংগিক বিষয়ৰ ওপৰত আলোচনা কৰা হৈছে।
- **অন্বেষণ (Exploration) ঃ** অন্বেষণ কেৰিয়াৰ বিকাশৰ প্ৰাৰম্ভিক পৰ্যায়ৰ অংশ। পৰামৰ্শ লাভ কৰা ব্যক্তিজনে পূৰ্বতে কেৰিয়াৰৰ সিদ্ধান্ত কেনেকৈ লৈছে সেই বিষয়ে অন্বেষণ কৰিলে পৰামৰ্শদাতাক পৰামৰ্শ লাভ কৰা ব্যক্তিৰ সিদ্ধান্ত গ্ৰহণৰ দায়িত্ব কিমানখিনি লৈছে আৰু উপযুক্ত কেৰিয়াৰ মনোভাৱৰ প্ৰমাণ আছিল নেকি সেই কথা বুজিবলৈ সহায় কৰে।
- **অন্তৰ্দৃষ্টি গঢ়ি তোলা (Insight building) ঃ** এই পৰ্যায়ত পৰামৰ্শ লাভ কৰা ব্যক্তিসকলক অধিক বস্তুনিষ্ঠ আৰু সঠিক আত্মবুদ্ধি গঢ়ি তোলাত সহায় কৰা হয় আৰু তেওঁলোকৰ পৰিস্থিতিৰ বিষয়ে অন্তৰ্দৃষ্টি গভীৰ কৰা হয়। ইয়াৰ লক্ষ্য হৈছে পৰামৰ্শ লাভ কৰা ব্যক্তিক নতুন আৰু অধিক গঠনমূলক দৃষ্টিভংগীৰ দিশত আগবাঢ়ি যাবলৈ সক্ষম কৰা যিয়ে সিদ্ধান্ত আৰু কাৰ্যৰ ভিত্তি গঠন কৰিব পাৰে।
- **সিদ্ধান্ত গ্ৰহণ কৰা (Decision making) ঃ** পৰামৰ্শদাতাই পৰিকল্পনাৰ ব্যৱধান আৰু অসামঞ্জস্যতা চিনাক্ত কৰাত সহায় কৰে, যিবোৰ লাহে লাহে পৰামৰ্শ লাভ কৰা ব্যক্তিজনৰ পৰা উলিয়াই অনা হয়। ই তথ্য বৃদ্ধি কৰাত সহায় কৰে আৰু আত্ম আৰু কৰ্ম জগতখনৰ বুজাবুজিয়ে অধিক সচেতনতা আৰু ভৱিষ্যতৰ

বিষয়ে চিন্তা আৰু পৰিকল্পনা কৰাৰ ক্ষেত্রত অধিক সৃষ্টিশীল দৃষ্টিভংগীৰ প্রেৰণা দিয়ে।

- **কার্য পর্যায় (Action stage) ঃ** সিদ্ধান্ত লোৱাৰ পিছত পৰামর্শ লাভ কৰা ব্যক্তিক উপযুক্ত আৰু পদ্ধতিগত কার্য পৰিকল্পনা প্রস্তুত কৰিবলৈ উৎসাহিত কৰা হয়। কার্য পৰিকল্পনাত ব্যক্তিৰ ক্ষমতা, প্রেৰণা আদিৰ কথা মনত ৰাখি অগ্রগতি লাভ কৰিবলৈ আৰু আত্মবিশ্বাস লাভ কৰিবলৈ সম্পন্ন কৰিবলগীয়া কামসমূহ থাকিব।
- **পর্যালোচনা প্রক্রিয়া (Reviewing process) ঃ** কেৰিয়াৰ পৰামর্শদানৰ শেষৰ ফালে এটা পর্যালোচনাই পৰামর্শ লাভ কৰা ব্যক্তি আৰু পৰামর্শদাতা দুয়োয়ে কি লাভ কৰা হৈছে তাক পর্যালোচনা কৰিবলৈ সক্ষম কৰে।
- **সমাপ্তিকৰণ (Termination) ঃ** কেৰিয়াৰ পৰামর্শদানত পৰামর্শ লাভ কৰা ব্যক্তি আৰু পৰামর্শদাতাৰ মাজৰ সম্পর্ক সমাপ্ত কৰাটো নিজেই এটা প্রক্রিয়া। কিন্তু শেষটোৱে পৰামর্শ লাভ কৰা ব্যক্তি আৰু পৰামর্শদাতা উভয়ৰে বাবে ইতিবাচক প্রভাৱ পেলাব লাগে। শেষৰ ফলাফলটো হ'ব লাগে আলোচনা কৰা মূল কথাসমূহ আৰু ব্যক্তিজনে প্রস্তাৱ কৰা ব্যৱস্থাৰ সাৰাংশ।
- **খতিয়ান লোৱা (Follow up) ঃ** কেৰিয়াৰ পৰামর্শদাতাৰ সৈতে পৰামর্শ লাভ কৰি অহা ব্যক্তিয়ে শেষলৈকে প্রায়ে অনুভৱ কৰে যে তেওঁলোকে আগবাঢ়ি যাব পৰা অৱস্থাত আছে। পৰামর্শ লাভ কৰা ব্যক্তিসকলক তেওঁলোকৰ কার্য পৰিকল্পনা কার্যকৰী কৰিবলৈ উৎসাহিত আৰু সমর্থন কৰিবলৈ কেইবাটাও কৌশল ব্যৱহাৰ কৰিব পাৰি। সমর্থন কৰা, এটা অনুধাৱন সভাৰ ব্যৱস্থা কৰা আৰু অগ্রগতি ইংগিত দিয়াৰ সময়ত পুৰস্কাৰ প্রদান কৰা।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গোট পৰামর্শদান মানে কি বুজে ?

প্রশ্ন নং ২ ঃ কেৰিয়াৰ পৰামর্শদান বুলিলে কি বুজে ?.

১৩.৫ সমনীয়াৰ পৰামর্শদান (PEER COUNSELLING)

সমনীয়া পৰামর্শদান হৈছে এনে এটা ধাৰণা য'ত একে বয়সৰ ছাত্র-ছাত্রীসকলে ব্যক্তিগত আৰু শৈক্ষিক পৰিস্থিতিৰ সৈতে সমাযোজন কৰাত আনক সহায় কৰে। এজন পেছাদাৰী পৰামর্শদাতাৰ দৰে সমনীয়া পৰামর্শদাতাজন কোনো সমস্যা সমাধানকাৰী নহয়। সমনীয়া পৰামর্শ দিয়া জনে নিজৰ লগৰীয়াজনক আত্ম-অন্বেষণ আৰু সিদ্ধান্ত গ্রহণক উৎসাহিত কৰে। বিদ্যালয় এখনত সমনীয়াক পৰামর্শ প্রদানকাৰীক যিকোনো বয়সৰ গোট বা শ্রেণী স্তৰৰ পৰা চিনাক্ত কৰিব পৰা যাব যদিও সম বয়সৰ গোট হ'লে সম্পর্ক ভাল হ'ব। ইয়াৰ উদ্দেশ্য হৈছে সহায়কাৰী সম্পর্কৰ জৰিয়তে ব্যক্তিগত প্রগতি আৰু বিকাশৰ প্রসাৰ।

১৩.৫.১ সমনীয়া পৰামৰ্শ প্ৰদানকাৰীৰ প্ৰয়োজনীয়তা (Need for Peer Counselling)

বিদ্যালয়সমূহত সংগঠিত সেৱা হিচাপে নিৰ্দেশনাৰ প্ৰয়োজনীয়তা শেহতীয়া বছৰবোৰত অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। শিক্ষাৰ এক অবিচ্ছেদ্য অংশ হিচাপে চালে সকলো শিশুৰ বাবে পথ প্ৰদৰ্শনৰ প্ৰয়োজন। ই এটা সেৱা যিটো সমস্যাৰ সন্মুখীন হোৱা সকলোৰে লগতে যিসকলে নিজৰ সম্ভাৱনাক অধিক বিকাশিত কৰিব লাগিব তেওঁলোকৰ বাবেও উদ্দেশ্য কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে সন্মুখীন হোৱা অসংখ্য সমস্যাৰ বাবে সহায়ৰ প্ৰয়োজন। সাধাৰণতে সন্মুখীন হোৱা কিছুমান সমস্যা হ'ল—

- বিষয়ৰ বাছনি (Choice of subjects)
- কেনেকৈ ফলপ্ৰসূভাৱে অধ্যয়ন কৰিব পাৰি (How to study effectively)
- আত্মবিশ্বাসৰ অভাৱ (Lack of self-confidence)
- সময় ব্যৱস্থাপনা (Time management)
- সহপাঠীৰ সৈতে সম্পৰ্ক (Relationships with classmates)
- ভৱিষ্যতৰ বাবে পৰিকল্পনা আৰু লক্ষ্য নিৰ্ধাৰণ আদি (Planning and setting goals for future etc.)

বিদ্যালয় এখনত যোগ্য পৰামৰ্শদাতা থাকিলেও তেওঁ সকলোকে সহায় কৰিব নোৱাৰিবও পাৰে। গতিকে বিদ্যালয়ত সমনীয়াৰ বাবে সহায়ক হোৱাৰ সম্ভাৱনা থকা ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ দিয়াৰ ধাৰণাটো অতি ফলপ্ৰসূ। তদুপৰি, সমনীয়াৰ গোটসমূহে সিদ্ধান্ত গ্ৰহণত অধিক শক্তিশালীভাৱে প্ৰভাৱ পেলাব পাৰে, অধিক সুলভ হ'ব পাৰে আৰু স্কুলীয়া বয়সৰ ল'ৰা-ছোৱালীৰ সৈতে দীৰ্ঘস্থায়ী ব্যক্তিগত সম্পৰ্ক গঢ়ি তুলিবলৈ সম্পৰ্ক স্থাপন কৰাত সহজ হ'ব পাৰে।

১৩.৫.২ সমনীয়া পৰামৰ্শদান কাৰ্যসূচী স্থাপন কৰা (Setting up a Peer Facilitator Programme)

সমনীয়াৰ পৰামৰ্শদানৰ কাৰ্যসূচীয়ে পৰামৰ্শদাতই সংগঠিত কাৰ্যসূচীৰ বাবে সহায়ক হিচাপে কাম কৰিব পাৰে। সমনীয়া পৰামৰ্শ কাৰ্যসূচী স্থাপন কৰা গ্ৰহণ কৰিব পৰা প্ৰাৰম্ভিক পদক্ষেপসমূহ, তলত দিয়াসমূহত অন্তৰ্ভুক্ত কৰা হৈছে—

- **পদ্ধতিগত প্ৰয়োজনীয়তা মূল্যায়ন চলোৱা (Conducting systematic needs assessment)** ঃ সমনীয়াৰ পৰামৰ্শ দিয়াটো উপযুক্ত বা কাৰ্যকৰী হস্তক্ষেপ নেকি সেইটো নিৰ্ণয় কৰা।
- **ব্যাপক লক্ষ্যৰ পৰিৱৰ্তে নিৰ্দিষ্ট লক্ষ্যত গুৰুত্ব দিয়া (Emphasing specific rather than global goals)** ঃ সমনীয়া সহায়কসকলৰ স্পষ্টভাৱে নিৰ্ধাৰিত ভূমিকা, কাৰ্য আৰু দায়িত্বৰ স্তৰ নিৰ্দিষ্ট কৰা।
- **সমনীয়া পৰামৰ্শদাতা নিৰ্বাচন কৰা (Selecting peer counsellors)** ঃ সমনীয়া পৰামৰ্শদাতা নিৰ্বাচনৰ

পদ্ধতিৰ লক্ষ্য হৈছে এনে ব্যক্তিক চিনাক্ত কৰা যিয়ে সহানুভূতি, উচ্চ আত্মবিশ্বাস আৰু আনৰ মূল্যবোধক বা নিজৰ পৰা পৃথক মূল্যবোধ গ্রহণ কৰাৰ ক্ষমতা প্রদর্শন কৰে।

১৩.৬ পৰম্পৰাগত নিৰাময় পদ্ধতিৰ প্রাসংগিকতা (RELEVANCE OF TRADITIONAL HEALING PRACTICES)

শাৰীৰিক লগতে মানসিক ৰোগৰ বাবে থলুৱা আৰু পৰম্পৰাগত নিৰাময় পদ্ধতি বহু আগতেই প্রতিখন সমাজতে আছে। থলুৱা ধৰণৰ চিকিৎসা পদ্ধতিসমূহ পৃথিৱীৰ বৃহৎ অংশত বিশেষকৈ পৰম্পৰাগত সমাজত চলি আছে। মন কৰিবলগীয়া কথাটো হ'ল যে পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ পুনৰুত্থান ঘটিছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে মানুহে আধুনিক চিকিৎসা বিজ্ঞানৰ সীমাবদ্ধতাসমূহ উপলব্ধি কৰিছে। আধুনিক চিকিৎসা পদ্ধতিয়ে মানুহক বহুলাংশে জৈৱিক আৰু ৰাসায়নিক ব্যৱস্থা হিচাপে গণ্য কৰে আৰু এটা সত্তাৰ আৱেগিক, সামাজিক আৰু আধ্যাত্মিক দিশসমূহক আওকাণ কৰে। বিকল্প চিকিৎসা পদ্ধতিয়ে মানুহৰ ৰোগক সামগ্রিকভাৱে সমাধান কৰে আৰু সেয়েহে আধুনিক চিকিৎসা বিজ্ঞানে এই পদ্ধতিসমূহক চিকিৎসা পদ্ধতিৰ সৈতে একত্রিত কৰিবলৈ আৰম্ভ কৰিছে।

১৩.৭ বিকল্প চিকিৎসা পদ্ধতি (ALTERNATIVE THERAPIES)

আজিৰ যুৱক-যুৱতী আৰু শিশুৰ মাজত ক্রমাৎ বৃদ্ধি পোৱা অশান্তি আৰু অসন্তুষ্টিৰ লগে লগে আমাৰ ভিতৰত থকা আমাৰ বাহ্যিক অৱস্থা বা সমস্যাৰ সমাধানৰ প্রস্তাৱ দিয়া আধ্যাত্মিকতাক লালন-পালন কৰাত অতিশয় গুৰুত্ব দিয়া হৈছে, যাৰ ফলত প্রচলিত আধুনিকৰ লগতে বিভিন্ন সংস্কৃতিত প্রচলিত পৰম্পৰাগত নিৰাময় পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়া হৈছে বা চিকিৎসা ব্যৱস্থা আৰু পৰামৰ্শদান কৌশলৰ ওপৰতো গুৰুত্ব দিয়া হৈছে। কিছুমান বিকল্প চিকিৎসাৰ বিষয়ে তলত আলোচনা কৰা হৈছে—

- **যোগাসন (Yoga) ঃ** যোগ স্বাস্থ্য আৰু সুস্থতা বৃদ্ধিৰ ক্ষেত্রত ইয়াৰ ফলপ্রসূতাৰ বাবে সমগ্র বিশ্বতে সুপৰিচিত। এই ব্যৱস্থাৰ মূল উৎস হৈছে 'পতঞ্জলিৰ যোগসূত্র' যিটো প্রায় 2500 বছৰ আগৰ। যোগ হৈছে এক সম্পূর্ণ ব্যৱস্থা যিয়ে অন্তর্জগতৰ গভীৰতা অন্বেষন কৰি মন, আৱেগ, চিন্তা আৰু অভ্যাসৰ সৈতে কেনেকৈ মোকাবিলা কৰিব লাগে তাৰ নির্দেশনা প্রদান কৰে যাতে এই নিত্য পৰিৱর্তিত পৃথিৱীখনত সর্বোচ্চ উৎপাদনশীল আৰু শান্তিৰ সৈতে দক্ষতাৰে জীয়াই থাকিব পৰা যায়।
- **ধ্যান (Meditation) ঃ** যোগত দেখুওৱাৰ দৰে ধ্যান বা এক বিন্দু একাগ্রতা আত্মসংস্কৃতিৰ এক অপৰিহার্য অংশ। সৰলভাৱে সংজ্ঞা দিলে ই মনৰ শান্তিক বুজায়। প্রতিটো আধ্যাত্মিক আৰু ধর্মীয় পৰম্পৰাই ধ্যান-ধাৰণাৰ মূল্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু ইয়াৰ দ্বাৰা ধ্যান-ধাৰণাৰ কেইবাটাও ধৰণৰ আৱির্ভাব

হৈছে। দুখ-কষ্ট নিৰাময় আৰু প্ৰশমনৰ ক্ষেত্ৰত ধ্যান-ধাৰণাৰ মূল্য হাজাৰ হাজাৰ বছৰ ধৰি আছে আৰু অনুশীলন কৰা হৈছে আৰু এই প্ৰক্ৰিয়াত বিভিন্ন কৌশলৰ উন্মেষ ঘটিছে। কিন্তু সকলো ধ্যান কৌশলক দুটা মূল ভাগত ভাগ কৰিব পাৰি— কেন্দ্ৰীভূত ধ্যান আৰু মননশীল ধ্যান।

- **ৰেইকি (Reiki) ঃ** ৰেইকি আৱিষ্কাৰ কৰিছিল জাপানী ধৰ্মতত্ত্ববিদ ড^0 মিকাও উছুইয়ে (Dr. Mikao Usui)। থেৰাপীত হাতক নিৰাময়ৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াক কেৱল ৰেইকি অনুশীলনকাৰীয়েহে কৰিব পাৰে, অৰ্থাৎ এই শিল্পত ভালদৰে প্ৰশিক্ষিত ব্যক্তিয়েহে কৰিব পাৰে। ৰেইকি হৈছে 'ৰেই' অৰ্থাৎ সাৰ্বজনীন (universal) আৰু 'কি' অৰ্থাৎ প্ৰাণশক্তি (Life force) দুটা শব্দৰ পৰা উদ্ভৱ হোৱা জাপানী শব্দ, যিটো চীনা ভাষা 'চি' বা সংস্কৃতত 'প্ৰাণাৰ' দৰেই। এইদৰে ৰেইকি মানে সাৰ্বজনীন প্ৰাণশক্তি।
- **প্ৰাণিক হিলিং (Pranic healing) ঃ** প্ৰাণিক হিলিঙৰ মতে মানৰ শৰীৰটো দৃশ্যমান ভৌতিক দেহ আৰু অদৃশ্য শক্তি দেহ বা ইথাৰিক (etheric) দেহৰে গঠিত, যাক বায়'প্লাজমিক (bioplasmic) বডি বা দেহ বুলিও কোৱা হয়। প্ৰাণিক নিৰাময় দুটা প্ৰাকৃতিক নিয়মৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে। সেইকেইটা হ'ল— আত্ম-আৰোগ্যৰ নিয়ম (Law of self-recovery) আৰু জীৱন শক্তিৰ নিয়ম (Law of life energy)। প্ৰাণিক হিলিং বা নিৰাময় সূৰ্য, বায়ু আৰু মাটিৰ পৰা সহজে উপলব্ধ প্ৰাণ বা জীৱন শক্তি ব্যৱহাৰ কৰি শাৰীৰিক আৰু আৱেগিক ভাৰসাম্যহীনতা নিৰাময় কৰা হয়।
- **একুপ্ৰেচাৰ আৰু আকুপাংচাৰ (Acupressure and acupuncture) ঃ** একুপ্ৰেচাৰত আঙুলি, বুঢ়া আঙুলি, হাতৰ তলুৱা ব্যৱহাৰ কৰি চাপৰ বিন্দুবোৰ মালিচ কৰা হয় যাতে সাধাৰণ অস্বস্তিৰ পৰা উপশম পোৱা যায় যেনে, বুঢ়া আঙুলি আৰু তৰ্জনী আঙুলিৰ মাজৰ পেশীবোৰ মালিচ কৰিলে পানীলগাৰ মূৰৰ বিষৰ পৰা উপশম পোৱা যায়।

  আকুপাংচাৰৰ আক্ষৰিক অৰ্থ হ'ল 'বেজী বিন্ধা', চিকিৎসাৰ বাবে শৰীৰৰ নিৰ্দিষ্ট শাৰীৰিক বিন্দু (যাক আকুংপাংচাৰ বিন্দু বুলি কোৱা হয়) উদ্দীপিত কৰিবলৈ ছালত অতি মিহি বেজী সুমুৱাই দিয়াৰ প্ৰথা।
- **অন্যান্য নিৰাময় বা চিকিৎসা ব্যৱস্থা (Other healing or therapeutic systems) ঃ** আন কেইবাটাও জনপ্ৰিয় চিকিৎসা ব্যৱস্থা আছে যিয়ে মন আৰু শৰীৰৰ মাজৰ সম্পৰ্কক যথেষ্ট মূল্য দিয়ে। উদাহৰণস্বৰূপে, শাৰীৰিক লগতে মানসিক ৰোগৰ বাবে ভাৰততত আয়ুৰ্বেদ, ইউনানি, হোমিঅ'পেথী আৰু প্ৰাকৃতিক চিকিৎসা ব্যৱস্থা বহুলভাৱে প্ৰচলিত। ইহঁতৰ নিদান আৰু চিকিৎসা কেৱল লক্ষণৰ ওপৰত ভিত্তি কৰি নহয় বৰঞ্চ মানুহৰ খাদ্যৰ পছন্দ, টোপনিৰ ধৰণ, মেজাজ, আচৰণ আদিৰ তথ্যও অন্তৰ্ভুক্ত কৰা হয়।
- **অভিব্যক্তিপূৰ্ণ থেৰাপী (Expressive therapies) ঃ** অভিব্যক্তিপূৰ্ণ থেৰাপী হৈছে আৱেগিক নিৰাময় পদ্ধতিৰ আন ৰূপ, যিবোৰ মনোচিকিৎসাৰ দৰে নহয়; মানুহৰ মৌখিক ক্ষমতাৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল নহয়; শব্দটোৱে ইংগিত দিয়াৰ দৰে ইয়াত সৃষ্টিশীল প্ৰকাশৰ অন্যান্য ৰূপ যেনে শিল্প, সংগীত, নৃত্য,চলন ব্যৱহাৰ কৰা হয়। নাটক, কবিতা বা সৃষ্টিশীল লেখাৰ দ্বাৰা আত্মপ্ৰকাশ আৰু আৱেগিক নিৰাময়ৰ সুবিধা হয়। এইবাবেই একমাত্ৰ চিকিৎসা যিবোৰ শিশু, জ্ঞানগতভাৱে প্ৰত্যাহ্বানজনক লোক আৰু ডিমেনচিয়া

(dementia) আৰু এলঝেইমাৰ (Alzheimer) ৰোগত আক্ৰান্ত লোকৰ সৈতে ব্যৱহাৰ কৰিব পাৰি। ই আত্মপ্ৰকাশ, কল্পনা, সক্ৰিয় অংশগ্ৰহণৰ বাবে এক মাধ্যম আৰু মন-শৰীৰ হস্তক্ষেপৰ সুযোগ প্ৰদান কৰে।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ সমনীয়াৰ পৰামৰ্শদান মানে কি?

প্ৰশ্ন নং ৪ ঃ ৰেইকিক বিকল্প চিকিৎসা হিচাপে কোনে প্ৰৱৰ্তন কৰিছিল?

প্ৰশ্ন নং ৫ ঃ প্ৰাণিক নিৰাময়ৰ (Pranic Healing) দুটা নিয়ম উল্লেখ কৰক।

১৩.৮ সংকটকালীন পৰামৰ্শদানৰ অৰ্থ (MEANING OF CRISIS COUNSELLING)

সংকটকালীন পৰামৰ্শদানৰ ধাৰণালৈ যোৱাৰ আগতে আমি প্ৰথমে সংকটৰ অৰ্থৰ বিষয়ে জানিব লাগিব। সংকট হ'ল এনেকুৱা এটা পৰিঘটনা বা ধাৰাবাহিক পৰিঘটনা যিটো অভাৱনীয়, আপাত দৃষ্টিত পৰিচালনা কৰিব নোৱাৰা আৰু সম্ভাব্য বিপজ্জনক। সংকটৰ সংজ্ঞা সেই ব্যক্তিজনে দিব পাৰে যিয়ে সেই পৰিঘটনাৰ সন্মুখীন হৈছে। সংকটত ভাবুকিৰ এনে এটা উপাদান অন্তৰ্ভুক্ত হ'ব পাৰে যিয়ে ব্যক্তিক নিজৰ সুৰক্ষা বা আনৰ সুৰক্ষাৰ ববে ভয় খুৱাই। কিন্তু সংকট এটা আপাত দৃষ্টিত নিৰাপদ পৰিঘটনাও হ'ব পাৰে যাৰ সৈতে জড়িত ব্যক্তি বা লোকসকলৰ হাতত মোকাবিলা কৰিবলৈ দক্ষতা বা সম্পদ নাথাকে।

যিকোনো পৰিস্থিতিক সংকট হিচাপে গণ্য কৰিবলৈ হ'লে তলত উল্লেখ কৰা ধৰণৰ হ'ব লাগিব—

- পৰিঘটনা বা ধাৰাবাহিক পৰিঘটনাটোক জড়িত ব্যক্তি বা লোকসকলে মানসিক চাপ বুলি বিবেচনা কৰিব লাগিব।
- জড়িত ব্যক্তি বা লোকসকলৰ হাতত পৰিস্থিতি ফলপ্ৰসূভাৱে পৰিচালনা কৰিবলৈ সঁজুলি, কৌশল আৰু সম্পদ নাথাকে।

সংকটকালীন পৰামৰ্শদান দীৰ্ঘম্যাদী নহয় আৰু সাধাৰণতে 1ৰ পৰা 3 মাহতকৈ বেছি নহয়। সংকটকালীন পৰামৰ্শই শিক্ষা, পথ প্ৰদৰ্শন আৰু সহায় আগবঢ়ায়। যিসকল শিশু আৰু কিশোৰ-কিশোৰীক নিবিড় বা দীৰ্ঘম্যাদী মানসিক চিকিৎসাৰ প্ৰয়োজন অথচ সেয়া লাভ কৰা নাই, সেইসকলৰ বাবে সংকটকালীন পৰামৰ্শদান কিন্তু বিকল্প নহয়। সংকটকালীন পৰামৰ্শদান কেৱল চিকিৎসালয়তে সীমাৱদ্ধ নহয়, ই বিভিন্ন সম্প্ৰদায়ৰ লগত জড়িত হৈয়ো কাম কৰিব পাৰে। এই প্ৰক্ৰিয়াত এনে কিছুমান সাৰ্বজনীন 'উপাদান' আছে যাৰ দ্বাৰা এজন সংকট পৰামৰ্শদাতাই শিশু বা কিশোৰ-কিশোৰীসকলক তেওঁলোকৰ জীৱনৰ দুখজনক আৰু আঘাতপূৰ্ণ পৰিঘটনাৰ সন্মুখীন হোৱা আৰু অতীতৰ পৰা আগুৱাই যোৱাত সহায় কৰিব পাৰে।

১৩.৯ শিশু নিৰ্যাতন প্ৰতিৰোধৰ বাবে পৰামৰ্শদান (COUNSELLING FOR PREVENTION OF CHILD ABUSE)

বিশ্ব স্বাস্থ্য সংস্থাৰ (WHO) মতে শিশু নিৰ্যাতনৰ ভিতৰত সকলো ধৰণৰ শাৰীৰিক বা আৱেগিক কু-ব্যৱহাৰ, যৌন নিৰ্যাতন, অৱহেলা বা গাফিলতি বা ব্যৱসায়িক বা অন্যান্য শোষণ, সোমাই পৰে, যাৰ ফলত শিশুৰ স্বাস্থ্য, জীয়াই থকা, বিকাশ বা মৰ্যাদাৰ প্ৰকৃত ক্ষতিৰ প্ৰসংগত দায়িত্ব, আস্থা বা ক্ষমতাৰ সম্পৰ্ক আছে।

শিশু নিৰ্যাতন প্ৰতিৰোধ আৰু চিকিৎসা আইন অনুসৰি (Child Abuse Prevention and Treatment Act), শিশু নিৰ্যাতনক অভিভাক বা যত্ন লোৱা ব্যক্তিৰ শেহতীয়া যিকোনো কাম বা ব্যৰ্থতা বুলি সংজ্ঞায়িত কৰিব পাৰি যাৰ ফলত গুৰুতৰ শাৰীৰিক বা আৱেগিক ক্ষতি, যৌন নিৰ্যাতন বা শোষণ হয় আৰু পৰিণাম স্বৰূপে শিশুৰ গুৰুতৰ ক্ষতি বা কেতিয়াবা মৃত্যুও হয়।

বহু কাৰকে শিশু নিৰ্যাতনত অৰিহণা যোগাব পাৰে। ইয়াৰ কিছুমান হ'ল—

- নিৰ্যাতনকাৰী পিতৃ-মাতৃ নিজেই প্ৰায়ে শাৰীৰিক আৰু যৌন নিৰ্যাতনৰ বলি হৈ দীৰ্ঘদিন ধৰি হিংসাত্মক বা যন্ত্ৰনাদায়ক ঘৰুৱা জীৱনৰ সন্মুখীন হৈ আহিছে।
- মানসিক চাপৰ জীৱন-যাপনৰ পৰিস্থিতি যেনে দৰিদ্ৰতা, সামাজিক বিচ্ছিন্নতা, নিবনুৱা সমস্যা, পিতৃ-মাতৃৰ দ্ৰব্যৰ অপব্যৱহাৰ আদিৰ ফলত শিশুৰ ওপৰত নিৰ্যাতন হয়।
- শিশুৰ লগত ঘনিষ্ঠ পিতৃ-মাতৃ বা অন্যান্য প্ৰাপ্তবয়স্কৰ মানসিক বিকাৰ, যাৰ লগত তেওঁলোকৰ বিচাৰ বা চিন্তা প্ৰক্ৰিয়াৰ বিকলতাও হ'ব পাৰে, ইয়াৰ ফলত শিশু নিৰ্যাতিত হ'ব পাৰে। শিশুসকল চাৰিটা প্ৰধান শ্ৰেণীৰ নিৰ্যাতনৰ বলি হয়, যিবোৰ তলত উল্লেখ কৰা হৈছে—
  - **গুৰুত্ব নিদিয়া (Neglect) ঃ** অৱহেলা বা গুৰুত্ব নিদিয়া বুলিলে শিশুৰ মৌলিক প্ৰয়োজনীয়তা পূৰণ নকৰাক বুজোৱা হয়। ই শাৰীৰিক, চিকিৎসাৰ প্ৰয়োজন, শৈক্ষিক বা আৱেগিক প্ৰয়োজনীয়তাও হ'ব পাৰে।
  - **শাৰীৰিক নিৰ্যাতন (Physical Abuse) ঃ** শাৰীৰিক নিৰ্যাতন হ'ল সৰু সৰু ঘাঁৰ পৰা আৰম্ভ কৰি গুৰুতৰ আঘাত হ'ব পাৰে। ই লাঠি বা আন কোনো বস্তুৰে কৰা আঘাত হ'ব পাৰে। ইয়াৰ উপৰিও শিশুক আন কোনো ধৰণে জ্বলোৱা বা ক্ষতি কৰা আদি শাৰীৰিক নিৰ্যাতনৰ আঘাত হ'ব পাৰে।
  - **যৌন নিৰ্যাতন (Sexual Abuse) ঃ** সংগীৰ সন্মতি অবিহনে বা তেওৰ ইচ্ছাৰ বিৰুদ্ধে কৰা যৌন সম্পৰ্ক, সংগীক শাৰীৰিক আৰু মানসিক আঘাত দিয়াটোৱে হৈছে যৌন নিৰ্যাতন। কেৱল পৰিয়ালৰ ভিতৰতে নহয়, পৰিয়ালৰ বাহিৰত, স্কুল, ডে-কেয়াৰ চেণ্টাৰ, হোষ্টেল, ক্ৰেচ আদিতো যৌন নিৰ্যাতন সংঘটিত হয়।
  - **আৱেগিক নিৰ্যাতন (Emotional Abuse) ঃ** আৱেগিক নিৰ্যাতন বা অৱহেলিত শিশু হ'ল যিসকলক মৌখিকভাৱে শোষণৰ লগতে অমৌখিকভাৱেও শোষণ কৰা হয়, অপমান কৰা হয়, তিৰস্কাৰ কৰা হয় বা প্ৰত্যাখ্যান কৰা হয়। এনে শিশুৱে নিজকে অপ্ৰিয় অনুভৱ কৰে, বিশেষকৈ কাৰণ তেওঁলোকৰ ধাৰণা, ইচ্ছাক শুনা নাযায় বা সন্মান কৰা নহয়।

শিক্ষক আৰু পৰামৰ্শদাতাসকলে নিয়মীয়াকৈ শিশুক লগ পায় আৰু নিৰ্যাতিত বা অৱহেলিত শিশুৰ ওচৰলৈ সহায়ৰ হাত আগবঢ়াবলৈ সুবিধাজনক অৱস্থাত থাকে। তেওঁলোকে শিশুৰ দৈনন্দিন সুৰক্ষা আৰু অগ্রগতি নিৰীক্ষণ কৰিব পাৰে আৰু শিশুটিয়ে তেওঁৰ আত্মসন্মান আৰু জ্ঞানমূলক দক্ষতা বৃদ্ধি কৰাত সহায়ক হোৱাকৈ কার্যসূচী প্রস্তুত কৰিব পাৰে।

যদিহে অভিভাৱকসকল নিৰ্যাতনৰ সৈতে জড়িত হয়, তেন্তে এজন পৰামৰ্শদাতাই এনে এক নিৰাপদ স্থান আৰু সম্পর্ক প্রদান কৰিবলৈ চেষ্টা কৰিব পাৰে যাৰ ভিতৰত শিশুৱে নিৰাপদ পৃথিৱীৰ নতুন অভিযোজনৰ পৰীক্ষা-নিৰীক্ষা কৰিব পাৰে। পৰামৰ্শদাতাই শিশুটিক প্রকাশ কৰাৰ ক্ষেত্রত অধিক শাৰীৰিক আৰু যৌন নিৰ্যাতনৰ বলি হোৱাৰ আশংকা পৰীক্ষা কৰিব পাৰে। পৰামৰ্শদাতাই শিশু নিৰ্যাতনৰ সামাজিক আৰু আইনী দিশসমূহ বুজিব লাগিব।

যদি অভিভাৱকসকল নিৰ্যাতনৰ সৈতে জড়িত নহয়, তেন্তে এজন পৰামৰ্শদাতাই তলত দিয়া পদক্ষেপসমূহ ল'ব পাৰে—

- শিশুটিক নিৰাপদ পৰিৱেশলৈ লৈ যোৱাত সহায় কৰিব লাগে। এইটো সহজ নহ'বও পাৰে আৰু শিশুটিৰ ব্যক্তিত্বৰ ওপৰত কিছু বিৰূপ প্রভাৱ পৰিব পাৰে, যিবোৰ কথা পৰামৰ্শদাতাই পৃথকে পৃথকে মোকাবিলা কৰিব লাগিব।
- পৰামৰ্শদান প্রক্রিয়াত অংশগ্রহণৰ বাবে অভিভাৱকৰ ইচ্ছা নিশ্চিত কৰিব লাগিব।
- পৰামৰ্শদাতাই অভিভাৱক আৰু যত্ন লোৱা আন লোকে যাতে অনুষ্ঠানবোৰ গ্রহণ কৰে তাৰ বাবে কাম কৰিব লাগিব।
- শিশু নিৰ্যাতনৰ পৰিণতিৰ ওপৰত বিশেষভাৱে জোৰ দি অভিভাৱকৰ বাবে এক সজাগতা কার্যসূচী প্রস্তুত কৰিব লাগে। বক্তৃতা, চলচ্চিত্র, প্রকাশিত সাহিত্য আদি সেই উদ্দেশ্যে ব্যৱহাৰ কৰিব পাৰে।
- বিদ্যালয় বা সম্প্রদায় পর্যায়ত শিশুক নিৰ্যাতনৰ পৰা হাত সাৰিবলৈ দক্ষতা আয়ত্ব কৰিবৰ বাবে কার্যসূচী আয়োজন কৰিব লাগে।

স্কুলৰ পৰামৰ্শদাতাসকলে প্রায়ে শিশু নিৰ্যাতনৰ ফলত হোৱা প্রভাৱৰ সৈতে মোকাবিলা কৰিবলগীয়া হয়। শ্রেণীকোঠাৰ পাঠদানত ব্যাঘাত জন্মা, খেলপথাৰত নিৰ্যাতন আৰু উদণ্ড আচৰণ, শ্রেণীত অসামাজিক আচৰণ এই সকলোবোৰ শিশুকে আৰু অধিক গুৰুতৰ ক্ষেত্রত বিদ্যালয়ৰ পৰামৰ্শদাতাই তদাৰক কৰিব লাগে।

ৱ অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ সংকটকালীন পৰামৰ্শদান বুলিলে কি বুজে?

প্রশ্ন নং ৭ ঃ শিশু নিৰ্যাতন মানে কি?

প্রশ্ন নং ৮ ঃ শিশু নিৰ্যাতনৰ বিভিন্ন ধৰণৰ কথা উল্লেখ কৰক।

১৩.১০ দ্ৰব্যৰ অপব্যৱহাৰ প্ৰতিৰোধৰ পৰামৰ্শদান (COUNSELLING FOR PREVENTION OF SUBSTANCE ABUSE

মানুহে বিভিন্ন আৰু জটিল কাৰণত ড্ৰাগছ, মদ আৰু ধঁপাত আদি দ্ৰব্যৰ অপব্যৱহাৰ কৰে। দ্ৰব্যৰ অপব্যৱহাৰে মগজু আৰু স্নায়ুতন্ত্ৰত ক্ষতিকাৰক প্ৰভাৱ পেলায়, যাৰ ফলত অপব্যৱহাৰকাৰীৰ স্বাস্থ্য আৰু দৈনন্দিন কাৰ্যকলাপত প্ৰভাৱ পৰে। দ্ৰব্যৰ অপব্যৱহাৰৰ ফলত সময়ৰ লগে লগে নিচা বা দ্ৰব্যৰ ওপৰত নিৰ্ভৰশীলতা হ'ব পাৰে। নিৰ্যাতনৰ কথা কওঁতে ইয়াক নিচাৰ লগত বিভ্ৰান্ত কৰা উচিত নহয়, বিশেষকৈ স্কুলত ল'ৰা-ছোৱালীৰ লগত মোকাবিলা কৰা সময়ত, বিশেষকৈ বিদ্যালয়ত শিশুৰ সৈতে লেনদেন কৰাৰ সময়ত নিচাৰ পৰা নিৰ্যাতন পৃথক। নিৰ্যাতন নিচাৰ পৰা পৃথক য'ত নেতিবাচক পৰিণতিৰ সত্ত্বেও পদাৰ্থটো ব্যৱহাৰ কৰি থাকিবলৈ বাধ্য কৰা হয়। আনহাতে অপব্যৱহাৰে ব্যক্তি, অপব্যৱহাৰ কৰা পদাৰ্থ আৰু সমাজৰ মাজত এক জটিল পাৰস্পৰিক ক্ৰিয়া-কলাপ প্ৰতিফলিত কৰে। শিক্ষক /পৰামৰ্শদাতাসকলে বিদ্যালয়ত আলোচনা কৰিব লাগে যে ড্ৰাগছৰ ব্যৱহাৰে কেনেকৈ অপব্যৱহাৰ আৰু নিচাৰ সৃষ্টি কৰিব পাৰে আৰু প্ৰতিৰোধত সহায় কৰিব লাগে। নিচাৰ সৈতে মোকাবিলা কৰাটো স্কুলৰ পৰামৰ্শদাতাৰ বা শিক্ষকৰ পৰিসৰৰ বাহিৰত হ'লে পেছাদাৰী পৰামৰ্শদাতা বা চিকিৎসা কৰ্মীৰ ওচৰলৈ প্ৰেৰণ কৰিব লাগে। প্ৰতিৰোধ আৰু ফলপ্ৰসূ পৰামৰ্শ নিশ্চিত কৰিবলৈ এজন পৰামৰ্শদাতাই ছাত্ৰ-ছাত্ৰীসকলে ব্যৱহাৰ কৰা ড্ৰাগছৰ বিভিন্ন ধৰণৰ বিষয়ে জানিব লাগে যিবোৰক এনেদৰে শ্ৰেণীভুক্ত কৰা হৈছে— মদ্যপান আৰু ধঁপাত, প্ৰেছক্ৰিপছন, ড্ৰাগছৰ অপব্যৱহাৰ, অবৈধ ড্ৰাগছৰ ব্যৱহাৰ, সাধাৰণ ঘৰুৱা সামগ্ৰীৰ দ্ৰব্যৰ অপব্যৱহাৰ, ড্ৰাগছ সেৱনৰ লগত বিভিন্ন নেতিবাচক পৰিণতি জড়িত হৈ থাকে। য'ত পিছৰ জীৱনত গুৰুতৰ ড্ৰাগছ সেৱনৰ আশংকা বৃদ্ধি, স্কুলত ব্যৰ্থ হোৱা আৰু দুৰ্বল বিচাৰ-বিবেচনাই কিশোৰ-কিশোৰীসকলক দূৰ্ঘটনা, হিংসা, অপৰিকল্পিত আৰু অসুৰক্ষিত যৌন সম্পৰ্ক আৰু আত্মহত্যাৰ বিপদত পেলাব পাৰে। দ্ৰব্যৰ অপব্যৱহাৰ এক জটিল পৰিঘটনা যাৰ বিভিন্ন কাৰণ আছে। এই কাৰণসমূহ মানসিক যেনে— উদ্বেগ আৰু মানসিক চাপৰ পৰা আৰম্ভ কৰি সামাজিক, যেনে নিম্ন আৰ্থ-সামাজিক মৰ্যাদা, জৈৰিক, যেনে বিভিন্ন দীৰ্ঘদিনীয়া ৰোগ আৰু আনকি কোনো পদাৰ্থৰ সাংস্কৃতিক আৰু ভৌগোলিক, পৰম্পৰাগত জনজাতীয় ব্যৱহাৰলৈকে হ'ব পাৰে। সাধাৰণতে কেইবাটাও কাৰকৰ পাৰস্পৰিক ক্ৰিয়াৰ ফলত দ্ৰব্যৰ অপব্যৱহাৰ হয়। ড্ৰাগছৰ অপব্যৱহাৰ কেইবাটাও কাৰণগত কাৰকৰ বাবেও হ'ব পাৰে। কিছুমান শিশুৰ বিশ্বাস থাকিব পাৰে যে ড্ৰাগছে দুখ, উদ্বেগ আৰু হতাশা দূৰ কৰে, অন্ততঃ কিছু সময়ৰ বাবে আৰু তেওঁলোকে মানসিক চাপত সহজেই গ্ৰহণ কৰে। উদাহৰণস্বৰূপে স্কুলৰ পৰীক্ষা কিছুমান ছাত্ৰ-ছাত্ৰীৰ বাবে মানসিক চাপৰ উৎস। টেনচন, পৰীক্ষাৰ প্ৰস্তুতি চলাব নোৱাৰা, বাৰে বাৰে বিফলতা আদিয়ে অতি মানসিক চাপৰ সৃষ্টি কৰিব পাৰে আৰু ইয়াৰ পৰা ওলাই অহাৰ এটা সহজ উপায় হ'ল, শান্তিপূৰ্ণভাৱে ড্ৰাগছ বা দ্ৰব্যৰ মাত্ৰা ব্যৱহাৰ কৰা।বিদ্যালয়ত ড্ৰাগছ সেৱন প্ৰতিৰোধৰ কৌশলসমূহে বিভিন্ন পৰ্যায়ত শিশুৰ সৈতে মোকাবিলা কৰিবলৈ চেষ্টা কৰিব লাগে আৰু ইয়াত তলত দিয়া বিষয়সমূহ জড়িত হ'ব লাগে—

- সাধাৰণ জনসংখ্যাৰ বাবে, যেনে— এখন বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে সাৰ্বজনীন কৌশল ৰচনা কৰিব লাগে।

- লক্ষ্যত ৰখা গোট যেনে— দুখীয়া স্কুলীয়া শিক্ষার্থী বা ড্ৰাগছ সেৱনকাৰীৰ শিশুৰ বাবে কৌশল নির্বাচিত কৰা।
- আত্মনিয়ন্ত্ৰণ, আৱেগিক সচেতনতা, যোগাযোগ, অধ্যয়নৰ অভ্যাস আদি উন্নত কৰাত সহায় কৰা।
- ড্ৰাগছ সেৱনৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিশ্ৰুতি শক্তিশালী কৰাত সহায় কৰে।

প্ৰতিৰোধমূলক ব্যৱস্থাসমূহ আটাইতকৈ ফলপ্ৰসূ হয় যেতিয়া ইয়াত পাৰস্পৰিক ক্ৰিয়াশীল কৌশল ব্যৱহাৰ কৰা হয়, যেনে— সমনীয়াৰ আলোচনা গোট আৰু অভিভাৱকৰ ভূমিকা পালন, যিয়ে ড্ৰাগছ সেৱনৰ বিষয়ে শিকিবলৈ আৰু দক্ষতা শক্তিশালী কৰাৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে জড়িত হোৱাৰ অনুমতি দিয়ে। পৰিয়াল ভিত্তিক প্ৰতিৰোধ কার্যসূচীয়ে পৰিয়ালৰ বন্ধন বৃদ্ধি কৰিব লাগে। পাৰিবাৰিক বন্ধন হৈছে পিতৃ-মাতৃ আৰু সন্তানৰ মাজৰ সম্পর্কৰ মূল শিলাস্তম্ভ। এইদৰে বিদ্যালয় আৰু পৰিয়ালত দ্ৰব্যৰ অপব্যৱহাৰ প্ৰতিৰোধ কার্যসূচীয়ে অভিভাৱক আৰু তেওঁলোকৰ সন্তানৰ মাজত যোগাযোগ বৃদ্ধি কৰিবলৈ বিচাৰিব লাগে, ই প্ৰতিৰোধ ক্ষমতা শিকাব লাগে আৰু চিগাৰেট, মদ আৰু ড্ৰাগছৰ বিষয়ে শিশুৰ ভুল ধাৰণা আৰু ইয়াৰ ব্যৱহাৰৰ পৰিণতি শুধৰাই দিব লাগে।

স্কুলৰ পৰামর্শদাতাসকলেই প্ৰায়ে সফল মদ আৰু ড্ৰাগছ প্ৰতিৰোধ কার্যসূচীৰ চাবিকাঠি। কাৰণ তেওঁলোকে প্ৰশিক্ষণ আৰু চাকৰিৰ কার্যৰ ক্ষেত্ৰত এই উদ্দেশ্যৰ বাবে সমন্বয়ক, পৰামর্শদাতা আৰু মূল্যায়ক হিচাপে কাম কৰিবলৈ সর্বোত্তম অৱস্থাত থাকে। বিদ্যালয়ৰ পৰার্শদাতাসকলে বিদ্যালয়ৰ শিশুসকলৰ দৈনিক সুবিধা লাভ কৰাৰ বাবে প্ৰতিৰোধ, চিনাক্তকৰণ আৰু হস্তক্ষেপ সেৱা প্ৰদানৰ এক অনন্য অৱস্থাত আছে। দ্ৰব্যৰ অপব্যৱহাৰৰ ফলপ্ৰসূ প্ৰতিৰোধৰ বাবে পৰামর্শদাতাই অনুসৰণ কৰিবলগীয়া পদক্ষেপসমূহ তলত উল্লেখ কৰা হৈছে—

- **চিনাক্তকৰণ (Identification) ঃ** অধিক প্ৰতিৰোধৰ ফলপ্ৰসূতাৰ বাবে, ব্যৱহাৰকাৰীয়ে ড্ৰাগছৰ সৈতে আৱেগিকভাৱে জড়িত হোৱাৰ আগতে, মদ বা ড্ৰাগছৰ সমস্যাৰ সন্মুখীন হোৱা ছাত্ৰ-ছাত্ৰীসকলক চিনাক্ত কৰাটো যিমান পাৰি সোনকালে হ'ব লাগে।
- **শিশুৰ সৈতে সুস্থ সম্পর্ক স্থাপন কৰা (Establishing a Healthy Relationship with Children) ঃ** দ্ৰব্য সেৱনৰ সমস্যা থকা কিশোৰ-কিশোৰীসকলৰ সৈতে কাম কৰাৰ এটা সম্ভাব্য অসুবিধা হ'ল তেওঁলোকে সাধাৰণতে নিজৰ ড্ৰাগছ সেৱনৰ বিষয়ে মুকলিকৈ ক'বলৈ অনিচ্ছুক আৰু ইয়াৰ বিষয়ে কমকৈ ৰিপ'র্ট কৰাৰ প্ৰৱণতা থাকিব। বিশ্বাস আৰু বুজাবুজিৰ ভাৰ গঢ়ি তোলাটোৱে শিশুৰ প্ৰতিৰোধ ক্ষমতা হ্ৰাস কৰাত সহায় কৰিব পাৰে।
- **মূল্যায়ন (Assessment) ঃ** কিশোৰজনৰ দ্ৰব্য সেৱনৰ ইতিহাস মূল্যায়ন কৰোঁতে এজন পৰামর্শদাতাই প্ৰাৰম্ভিক পর্যায়ত প্ৰকাশ কৰা তথ্যৰ প্ৰকৃততা নিশ্চত কৰিব লাগে কাৰণ নির্যাতনকাৰীয়ে ইয়াৰ কমকৈ ৰিপ'র্ট কৰা হ'লহেঁতেন। সমস্যাৰ পৰিসৰৰ সঠিক মূল্যায়নে পৰামর্শদাতাক দ্ৰব্যৰ ব্যৱহাৰ বা অপব্যৱহাৰৰ গুৰুত্ব আৰু চিকিৎসাৰ প্ৰয়োজনীয়তা নির্ণয় কৰাত সহায় কৰিব।
- **ৰেফাৰেল (Referral) ঃ** দ্ৰব্যৰ পৰীক্ষামূলক ব্যৱহাৰ কৰা ছাত্ৰ এজনক দীর্ঘদিনীয়া ড্ৰাগছ সেৱনৰ সমস্যা

থকা ছাত্ৰৰ তুলনাত কম মাত্ৰাৰ চিকিৎসাৰ প্ৰয়োজন হ'ব। প্ৰথমটোৰ চিকিৎসা স্কুলৰ পৰামৰ্শদাতাই কৰিব পাৰে। আনহাতে দ্বিতীয়জনক ডি-এডিকচন চেণ্টাৰৰ পেছাদাৰী পৰামৰ্শদাতা বা চিকিৎসকৰ ওচৰলৈ প্ৰেৰণ কৰিব লাগিব।

- **খতিয়ান লোৱা সেৱাসমূহ (Follow-up Services)** ঃ দ্ৰব্যৰ অপব্যৱহাৰৰ সমস্যা থকা কিশোৰ-কিশোৰীসকলে চিকিৎসা সেৱাৰ অন্ত পৰাৰ পিছত সম্পূৰ্ণৰূপে সুস্থ হৈ উঠিব আৰু দ্ৰব্যৰ পৰা বিৰত থাকিব বুলি ধৰি লোৱাটো নিৰাপদ নহয়। বিদ্যালয়ৰ পৰামৰ্শদাতাসকলে চিকিৎসাধীন হৈ থকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে খতিয়ান লোৱা সেৱা আগবঢ়াব লাগে, তেওঁলোকক বিদ্যালয়ত একত্ৰিত হোৱাত সহায় কৰা আৰু পুনৰ যাতে এই দ্ৰব্যৰ অপব্যৱহাৰ নকৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ দ্ৰব্যৰ অপব্যৱহাৰ মানে কি ?

প্ৰশ্ন নং ১০ ঃ দ্ৰব্যৰ অপব্যৱহাৰৰ কাৰণসমূহ উল্লেখ কৰক।

১৩.১১ এইচ. আই. ভি. /এইডছ (COUNSELLING FOR HIV/ AIDS AWARENESS)

এইচ. আই. ভি/এইডছ সমগ্ৰ বিশ্বতে মানুহক আক্ৰান্ত কৰা অন্যতম প্ৰচলিত আৰু গুৰুতৰ ৰোগত পৰিণত হৈছে। বৰ্তমানলৈকে এই সংক্ৰমণ আৰু ইয়াৰ আশংকা হ্ৰাস কৰাৰ একমাত্ৰ আশা হৈছে মানুহৰ মাজত সজাগতা সৃষ্টি কৰা. আজিৰ কিশোৰ-কিশোৰীসকলে কৌতুহলৰ বাবে অসুৰক্ষিত যৌন আচৰণত লিপ্ত হয়। বৰ্তমান যুগত অধিক গুৰুত্বপূৰ্ণ কথাটো হ'ল স্কুলে বা বিদ্যালয়ে শিশুসকলক এনে দিশৰ ওপৰত শিক্ষা দিয়াৰ দায়িত্ব ল'ব লাগে।

এইচ. আই. ভি এবিধ ভাই�ৰাছ, যাৰ ফলত মানুহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বিকল হয়। ই ৰেট্ৰ'ভাইৰছ (retroviruses) নামৰ ভাইৰাছৰ এটা পৰিয়ালৰ অন্তৰ্গত। এইচ. আই. ভি. তেজ, বীৰ্য (Semin) ছাৰ্ভাইকেল (cervical) আৰু যোনিৰ নিঃসৰণত (vaginal secretions) আৰু কম পৰিমাণে সংক্ৰমিত লোকৰ লেলাৰতি (saliva), চকুলো, মাতৃদুগ্ধ আৰু মস্তিষ্কৰ মেৰুদণ্ডৰ (cerbrospinab fluid) তলৰ পদাৰ্থত থাকে। এইচ, আই. ভি সংক্ৰমণ বেছিভাগ সময়তে যৌন সম্পৰ্কৰ জৰিয়তে বা এজন আক্ৰান্ত ব্যক্তিৰ পৰা আন এজনলৈ দূষিত তেজ স্থানান্তৰিত হোৱাৰ জৰিয়তে হয়।

এইচ. আই. ভি পজিটিভ পৰীক্ষা কৰা সকলো লোকৰ এইডছ সাধাৰণতে ৪ বছৰৰ ভিতৰত হয়, কিন্তু কিছুমানৰ প্ৰাৰম্ভিক পৰ্যায়ত এইডছ সম্পৰ্কীয় জটিল ৰোগ হয় যিটো এইডছতকৈ কম গুৰুতৰ আৰু যিটো এইডছলৈ

সাধাৰণতে এবছৰৰ ভিতৰত বিকশিত হয়।

এইচ. আই. ভি সংক্রমণৰ নিদানৰ ফলত গভীৰ আৱেগিক সামাজিক আৰু চিকিৎসাজনিত পৰিণতিৰ সৃষ্টি হয়। এইচ. আই. ভি সংক্রমণৰ সৈতে সামঞ্জস্যৰ বাবে পাৰিবাৰিক জীৱন, যৌন আৰু সামাজিক সম্পৰ্ক, কর্ম, শিক্ষা, আধ্যাত্মিক প্রয়োজনীয়তা, মর্যাদা আৰু নাগৰিক অধিকাৰত অহৰহ মানসিক চাপ ব্যৱস্থাপনা জড়িত হৈ থাকে। যিসকলৰ সম্পূর্ণ এইডছ হৈছে, তেওঁলোকৰ বাবে পৰামৰ্শদাতাই তেওঁলোকৰ আঘাত বা অপৰাধবোধৰ প্রতি অতি সংবেদনশীল হোৱা প্রয়োজন আৰু তেওঁ তলত উল্লেখ কৰা ধৰণে কাম কৰা উচিত—

- এইডছ ৰোগীৰ প্রতি ইতিবাচক আৰু যত্নশীল মনোভাৱ প্রদর্শন কৰিব লাগে।
- এইচ. আই. ভি আৰু এইডছৰ বিষয়ে ভুল বুজাবুজি আঁতৰাব লাগে।
- সংক্রমণৰ প্রতিৰোধৰ ওপৰত দীঘলীয়া আলোচনা অনুষ্ঠিত কৰিব লাগে।

পেছাদাৰী পৰামৰ্শদাতাই বিদ্যালয়ত এইচ. আই. ভি/এইডছৰ সৈতে জড়িত শৈক্ষিক প্রচেষ্টাক প্রসাৰিত কৰে। বিদ্যালয়ৰ পৰামৰ্শদাতাই ছাত্র-ছাত্রী, অভিভাৱক, কর্মচাৰী আৰু সমাজৰ সৈতেও সহযোগিতা কৰি এই ৰোগৰ সংক্রমণ প্রতিৰোধ কৰে। পৰামৰ্শদাতা সকলে ছাত্র-ছাত্রীসকলক স্বাস্থ্যৰ সঠিক তথ্য প্রদান কৰাৰ লগতে তেওঁলোকক সুস্থ মনোভাৱ আৰু অভ্যাস গঢ়ি তোলাত সহায় কৰাৰ সুযোগ আৰু দায়িত্ব লাভ কৰে। এইচ. আই. ভিঁএইডছৰ তথ্য আৰু শিক্ষা সকলো ব্যক্তিৰ বাবে অতি প্রয়োজনীয়। বিদ্যালয় নির্দেশনা কার্যসূচীৰ অংশ হিচাপে পৰামৰ্শদাতাই এইচ. আই. ভিঁএইডছৰ বিষয়ে তথ্য প্রদান কৰিব পাৰে, য'ত—

- এনে আচৰণৰ তথ্য দিয়ে যিয়ে মানুহক এইচ. আই. ভিঁএইডছৰ বিপদত পেলায়।
- এইচ আই ভিঁএইডছ সংক্রমণৰ পদ্ধতিৰ তথ্য দিয়ে।
- ইয়াৰ সম্পর্কীয় নাগৰিক অধিকাৰ বিষয়ে জনায়।
- ইয়াৰ প্রতিৰোধ প্রচেষ্টা আৰু
- ইয়াৰ বিষয়ে ভুল ধাৰণা দূৰ কৰা সঠিক তথ্য প্রদান কৰে।

সাধাৰণতে জনসাধাৰণ আৰু বিশেষকৈ ছাত্র-ছাত্রীৰ মাজত সজাগতাৰ বিকাশ অতি প্রয়োজনীয়। সেয়েহে এইচ. আই. ভি আৰু এইডছ সম্পর্কে তলত দিয়া তথ্য প্রসাৰৰ বাবে টি ভি, ৰেডিঅ', বাতৰি কাকত, আলোচনী আৰু অন্যান্য পঠন সামগ্রীৰ দৰে গণমাধ্যমৰ পৰা সহায় লোৱাটো প্রয়োজনীয়। তথ্যসমূহ এনে ধৰণৰ—

- পৰিস্থিতিৰ মাধ্যাকর্ষণতা বুজিবলৈ সহায় কৰা আৰু বাস্তৱিক আৰু মানৱীয় ছবি এখন আগবঢ়োৱা।
- এইচ. আই. ভিঁএইডছ বিয়পি পৰাৰ উপায়সমূহৰ বিষয়ে শিক্ষার্থীক ক'ব লাগে আৰু যৌন কার্যকলাপ হৈছে সংক্রমণৰ আটাইতকৈ সহজ আৰু দ্রুত উপায় বুলি সজাগ কৰিব লাগে।
- ছাত্র-ছাত্রীসকলক বেজী, চিৰিঞ্জ আদি ব্যৱহাৰৰ ফলত এইচ. আই. ভি ৰোগত আক্রান্ত হ'ব পৰা দ্রব্যৰ অপব্যৱহাৰৰ বিষয়ে সজাগ কৰা উচিত।
- পৰামৰ্শদাতাসকলেও প্রকাশিত সামগ্রী, বক্তৃতা, চলচ্চিত্র আদিৰ জৰিয়তে বিদ্যালয়ৰ ছাত্র-ছাত্রীক এইডছ সম্পর্কীয় তথ্য প্রদান কৰিব পাৰে। সজাগতা সৃষ্টিৰ বাবে এইডছ সম্পর্কীয় বিশেষ সজাগতা দিৱসৰ আয়োজন কৰিব পাৰে প্রদর্শনী, বিতর্ক, কুইজ কার্যসূচী ইত্যাদি।

- কলেজ, বিশ্ববিদ্যালয় আৰু সম্প্ৰদায় পৰ্যায়ৰ পৰামৰ্শদাতাসকলেও এইচ. আই. ভি আৰু এইডছৰ বাবে উচ্চ বিপদজনক ব্যক্তিক চিনাক্ত কৰিব পাৰে।

১৩.১২ আত্মহত্যাৰ প্ৰতিৰোধৰ বাবে পৰামৰ্শদান (COUNSELLING FOR SUICIDE PREVENTION)

আত্মহত্যা হৈছে মানসিক, জৈৱিক আৰু সামাজিক তথ্যৰ সৈতে জড়িত এক জটিল পৰিঘটনা। সাধাৰণতে আত্মহত্যাৰ ফলত বাস্তৱ বা কঠিন পৰিস্থিতিৰ পৰা পলায়নৰ ইচ্ছা বা কোনো ব্যক্তিক আঘাত দিয়া বা আত্মহত্যাকাৰী ব্যক্তিৰ প্ৰতি কৰা অন্যায় বুজায়।

আত্মহত্যা প্ৰায়ে হতাশগ্ৰস্ত ব্যক্তিৰ এনে অনুভৱৰ ফলত হয় যে জীৱনটো ইমানেই অসহ্যকৰ যে দুখ, আৰেগিক বিকাৰ, মৃত্যুমুখী ৰোগ বা এনে ধৰণৰ আন পৰিস্থিতিৰ পৰা মৃত্যুৱেই একমাত্ৰ হাত সৰাৰ পথ। আত্মহত্যাকাৰী ব্যক্তিয়ে পৰিৱৰ্তন বা উন্নতিৰ কোনো স্পষ্ট সম্ভাৱনা নোহোৱাকৈ আশাহীনতা আৰু অসহায় অনুভৱ কৰে।

বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ আত্মহত্যাৰ কিছুমান সাধাৰণ কাৰণ তলত উল্লেখ কৰা হৈছে—

- জীৱনৰ পৰা কোনো গুৰুত্বপূৰ্ণ ব্যক্তি মৃত্যু হোৱা বা বিবাহ বিচ্ছেদৰ বাবে হেৰাই যোৱা।
- অনাচাৰ বা শিশুৰ নিৰ্যাতন।
- স্কুলত বিফলতা।
- সম্পৰ্কত বিফলতা, যেনে— প্ৰেমিক বা প্ৰেয়সীৰ সৈতে হোৱা বিচ্ছেদ।
- শেহতীয়াকৈ বন্ধু বা আত্মীয়ৰ আত্মহত্যা আৰু
- আত্মপৰিচয় আৰু যৌন পৰিচয়ৰ আশে-পাশে থকা বিষয়সমূহ

আত্মহত্যাৰ কাৰণ হ'ব পাৰে মানসিক বিকাৰ যেনে— হতাশা, উদ্বেগ, মনোৰোগ ইত্যাদি। অন্য কাৰক হ'ব পাৰে ড্ৰাগছ আৰু মদ্যপান, শক্তিশালী সামাজিক সমৰ্থন ব্যৱস্থাৰ অনুপস্থিতি, আবেগপ্ৰৱণ (impulsive) আচৰণৰ ইতিহাস আদি। এনেদৰে ক'ব পাৰি যে কিশোৰ-কিশোৰীৰ আত্মহত্যাৰ আচৰণৰ কাৰণ হ'ল ইহঁত খুব কমেইহে আৰেগিক আৰু আত্মহত্যাৰ উদ্দেশ্যসমূহ প্ৰাপ্তবয়স্কৰ দৰেই একেই।

বিপদজনক অৱস্থাত থকা শিক্ষাৰ্থীসকলক শিক্ষকৰ পৰামৰ্শ আৰু শ্ৰেণীকোঠাৰ জৰিয়তে শিক্ষকে বা পৰামৰ্শদাতাই সহজেই ধৰিব পাৰে। এজন পৰামৰ্শদাতাক মূলতঃ বিদ্যালয় এখনত বা শিশুৰ আত্মহত্যা প্ৰতিৰোধৰ ক্ষেত্ৰত ফলপ্ৰসূ হ'বলৈ তিনিটা কৌশলৰ প্ৰয়োজন হ'ব—

- ছাত্ৰ-ছাত্ৰীৰ বাবে আত্মহত্যাৰ পৰিঘটনাৰ ওপৰত এটা সাধাৰণ আলোচনা আৰু সজাগতা কাৰ্যসূচী অৰ্থাৎ এনে কাৰ্যসূচী যিয়ে শিশুসকলক নিজৰ বা বন্ধুৰ বাবে কেনেকৈ সহায় বিচাৰিব লাগে শিকায় আৰু বিপদত পৰা শিশু আৰু সহায়ৰ উৎস চিনাক্ত কৰিবলৈ প্ৰয়োজনীয় দক্ষতা প্ৰদান কৰে।
- যিকোনো প্ৰচেষ্টাৰ পূৰ্বে বিপদজনক অৱস্থাৰ শিক্ষাৰ্থীসকলক চিনাক্ত কৰা, তেওঁলোকৰ কাষ চাপিবলৈ

আৰু পৰামৰ্শ দিয়াৰ পৰিকল্পনা অর্থাৎ, আগতীয়াকৈ কিছুমান কার্যসূচী আয়োজন কৰিব লাগে যিয়ে আত্মহত্যাৰ বাবে জনা বিপদজনক কাৰকসমূহক সম্বোধন আৰু চিকিৎসা কৰে।

- আত্মহত্যাৰ চেষ্টা কৰা শিক্ষার্থীক পোষ্ট ট্রমা পৰামৰ্শদান (post trauma counselling) প্রদান কৰাৰ পৰিকল্পনা অর্থাৎ পিতৃ-মাতৃ, বন্ধু, ভাই-ভনীৰ দৰে লোকৰ সৈতে যিয়ে নিজকে এই কার্যৰ বাবে দায়ী কৰিব পাৰে। পৰামৰ্শদাতাই তেওঁলোকক মৃত্যু, আত্মহত্যা, শোকৰ অভিজ্ঞতা, মোকাবিলা কৰাৰ দক্ষতা বিকাশৰ বিষয়ে জ্ঞান দিব লাগিব যাতে তেওঁলোকে অপ্রয়োজনীয়ভাৱে নিজকে দোষী বা লাজ অনুভৱ নকৰে বা নিজকে বিচ্ছিন্ন নকৰে, বিশেষকৈ পিতৃ-মাতৃৰ পৰা যাতে বিচ্ছিন্ন হৈ নপৰে তাক লক্ষ্য ৰাখিব লাগে।

পৰামৰ্শদাতাই ইয়াৰ উপৰিও চিকিৎসকক এনে শিক্ষার্থীৰ বিষয়ে প্রয়োজনীয় তথ্যও দিব লাগে যিয়ে শিক্ষার্থীৰ শাৰীৰিক ইতিহাসৰ উপৰিও তেওঁৰ বহল ছবি এখন প্রদান কৰাত সহায় কৰিব পাৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ বিদ্যালয়ৰ পৰা শিক্ষার্থীসকলৰ আত্মহত্যাৰ দুটা কাৰণ উল্লেখ কৰক।

2 ১৩.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

- গোট বা দলীয় পৰামৰ্শদান পদ্ধতিটো উপকাৰী, কাৰণ ই বিভিন্ন দৃষ্টিভংগী উপস্থাপন কৰাৰ সুযোগ প্রদান কৰে আৰু সমস্যা সমাধানৰ বাবে বা সদস্যৰ বৃদ্ধিত সহায় কৰাৰ বাবে সমগ্র গোটৰ সম্পদ ব্যৱহাৰ কৰে। গোট বা দলীয় পৰামৰ্শদানে বিশেষভাৱে ব্যক্তিগত নিৰাময়ৰ সুযোগ প্রদান কৰে, কাৰণ ই সহায়ৰ বাবে একত্রিত হোৱা শিক্ষার্থীৰ মাজত উষ্ণ সম্পর্ক গঢ়ি তোলে।
- কেৰিয়াৰ পৰামৰ্শদানে কেৰিয়াৰ পছন্দ আৰু বিকাশৰ মাত্রাসমূহৰ ওপৰত পৰিপক্ক হোৱাত এজন ব্যক্তিক সহায় কৰাৰ বাবে নির্দেশিত পৰামৰ্শদানৰ প্রক্রিয়াক বুজায় আৰু আটাইতকৈ উপযুক্ত আৰু ক্রমিকভাৱে সংযুক্ত জীৱন-কেৰিয়াৰ সিদ্ধান্ত আৰু সমন্বয় গ্রহণ কৰে। ইয়াত কোনো ব্যক্তিক এটা বৃত্তি বাছনি আৰু প্রস্তুতিৰ বাবে আগবঢ়োৱা সহায়ৰ লগতে নির্বাচিত কামৰ ধৰণত ফলপ্রসূভাৱে প্রৱেশ আৰু কার্যক্ষমতা অন্তর্ভুক্ত কৰা হৈছে।
- সমনীয়া পৰামৰ্শদান হৈছে এনে এটা ধাৰণা য'ত একে বয়সৰ ছাত্র-ছাত্রীসকলে ব্যক্তিগত আৰু শৈক্ষিক পৰিস্থিতিৰ সৈতে বিনিময় কৰাত আনক সহায় কৰে।

- শাৰীৰিক লগতে মানসিক ৰোগৰ বাবে থলুৱা আৰু পৰম্পৰাগত নিৰাময় পদ্ধতি বহু আগতেই প্ৰতিখন সমাজতে আছে। থলুৱা ধৰণৰ চিকিৎসা পদ্ধতিসমূহ পৃথিৱীৰ বৃহৎ অংশত বিশেষকৈ পৰম্পৰাগত সমাজত চলি আছে। মন কৰিবলগীয়া কথাটো হ'ল যে পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ পুনৰুত্থান ঘটিছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে মানুহে আধুনিক চিকিৎসা বিজ্ঞানৰ সীমাবদ্ধতাসমূহ উপলব্ধি কৰিছে।
- আজিৰ যুৱক-যুৱতী আৰু শিশুৰ মাজত ক্ৰমাৎ বৃদ্ধি পোৱা অশান্তি আৰু অসন্তুষ্টিৰ লগে লগে আমাৰ ভিতৰত থকা আমাৰ বাহ্যিক অৱস্থা বা সমস্যাৰ সমাধানৰ প্ৰস্তাৱ দিয়া আধ্যাত্মিকতাক লালন-পালন কৰাত অতিশয় গুৰুত্ব দিয়া হৈছে। যাৰ ফলত প্ৰচলিত আধুনিকৰ লগতে বিভিন্ন সংস্কৃতিত প্ৰচলিত পৰম্পৰাগত নিৰাময় পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়া হৈছে বা চিকিৎসা ব্যৱস্থা আৰু পৰামৰ্শদান কৌশলৰ ওপৰতো গুৰুত্ব দিয়া হৈছে।
- সংকটকালীন পৰামৰ্শদানৰ ধাৰণালৈ যোৱাৰ আগতে আমি প্ৰথমে সংকটৰ অৰ্থৰ বিষয়ে জানিব লাগিব। সংকট হ'ল এনেকুৱা এটা পৰিঘটনা বা ধাৰাবাহিক পৰিঘটনা যিটো অভাৱনীয়, আপাত দৃষ্টিত পৰিচালনা কৰিব নোৱাৰা আৰু সম্ভাব্য বিপজ্জনক। সংকটৰ সংজ্ঞা সেই ব্যক্তিজনে দিব পাৰে যিয়ে সেই পৰিঘটনাৰ সন্মুখীন হৈছে।
- বিশ্ব স্বাস্থ্য সংস্থাৰ (WHO) মতে শিশু নিৰ্যাতনৰ ভিতৰত সকলো ধৰণৰ শাৰীৰিক বা আৱেগিক কু-ব্যৱহাৰ, যৌন নিৰ্যাতন, অৱহেলা বা গাফিলতি বা ব্যৱসায়িক বা অন্যান্য শোষণ সোমাই পৰে, যাৰ ফলত শিশুৰ স্বাস্থ্য, জীয়াই থকা, বিকাশ বা মৰ্যাদাৰ প্ৰকৃত ক্ষতিৰ প্ৰসংগত দায়িত্ব, আস্থা বা ক্ষমতাৰ সম্পৰ্ক আছে।
- মানুহে বিভিন্ন আৰু জটিল কাৰণত ড্ৰাগছ, মদ আৰু ধঁপাত আদি দ্ৰব্যৰ অপব্যৱহাৰ কৰে। দ্ৰব্যৰ অপব্যৱহাৰে মগজু আৰু স্নায়ুতন্ত্ৰত ক্ষতিকাৰক প্ৰভাৱ পেলায়, যাৰ ফলত অপব্যৱহাৰকাৰীৰ স্বাস্থ্য আৰু দৈনন্দিন কাৰ্যকলাপত প্ৰভাৱ পৰে।
- এইচ. আই. ভিÛএইডছ সমগ্ৰ বিশ্বতে মানুহক আক্ৰান্ত কৰা অন্যতম প্ৰচলিত আৰু গুৰুতৰ ৰোগত পৰিণত হৈছে। বৰ্তমানলৈকে এই সংক্ৰমণ আৰু ইয়াৰ আশংকা হ্ৰাস কৰাৰ একমাত্ৰ আশা হৈছে মানুহৰ মাজত সজাগতা সৃষ্টি কৰা। আজিৰ কিশোৰ-কিশোৰীসকলে কৌতুহলৰ বাবে অসুৰক্ষিত যৌন আচৰণত লিপ্ত হয়। বৰ্তমান যুগত অধিক গুৰুত্বপূৰ্ণ কথাটো হ'ল বিদ্যালয়ে শিশুসকলক এনে দিশৰ ওপৰত শিক্ষা দিয়াৰ দায়িত্ব ল'ব লাগে।
- আত্মহত্যা হৈছে মানসিক, জৈৱিক আৰু সামাজিক তথ্যৰ সৈতে জড়িত এক জটিল পৰিঘটনা। সাধাৰণতে আত্মহত্যাৰ ফলত বাস্তৱ বা কঠিন পৰিস্থিতিৰ পৰা পলায়নৰ ইচ্ছা বা কোনো ব্যক্তিক আঘাত দিয়া বা আত্মহত্যাকাৰী ব্যক্তিৰ প্ৰতি কৰা অন্যায় বুজায়।

○ ১৩.১৪ অধিক জানিবলৈ (FURTHER READINGS)

১) Perusse, R, Goodnough, G. E. & Lee. V. V. (2009). *Group Counselling in the Schools.* Psychology in the Schools 46 (3), 225-23.

২) Mcleod,J, (2013). *An Introduction to Counselling.* McGrawhill education (UK).

৩) NCERT (2009). *Special Concerns in Counselling*.

৪) Perusse, R, Goodnough, G. E. & Lee. V. V. (2009). *Group Counselling in the Schools.* Psychology in the Schools 46 (3), 225-23.

৫) Mcleod,J, (2013). *An Introduction to Counselling.* McGrawhill education (UK).

৬) NCERT (2009). *Special Concerns in Counselling*.

K ১৩.১৫ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰ ঃ গোট বা দলীয় পৰামৰ্শদানে বিশেষভাৱে ব্যক্তিগত নিৰাময়ৰ সুযোগ প্ৰদান কৰে, কাৰণ ই সহায়ৰ বাবে একত্ৰিত হোৱা শিক্ষাৰ্থীৰ মাজত উষ্ণ সম্পৰ্ক গঢ়ি তোলে। দলীয় পদ্ধতিসমূহ বিশেষকৈ সংকটজনক পৰিস্থিতি বা সমস্যা যেনে- মদ্যপান, ড্ৰাগছ সেৱন, অবিবাহিত বা বিবাহ বিচ্ছেদ হোৱা পিতৃ-মাতৃ, এইচ আই ভি/এইডছ, কেন্সাৰ আদিৰ দৰে ৰোগৰ সন্মুখীন হোৱা শিক্ষাৰ্থীৰ পূনৰ্বাসন আৰু আৰোগ্যৰ বাবে সহায়ক হৈ পৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ কেৰিয়াৰ পৰামৰ্শদানে কেৰিয়াৰ পছন্দ আৰু বিকাশৰ মাত্ৰাসমূহৰ ওপৰত পৰিপক্ক হোৱাত এজন ব্যক্তিক সহায় কৰাৰ বাবে নিৰ্দেশিত পৰামৰ্শদানৰ প্ৰক্ৰিয়াক বুজায় আৰু আটাইতকৈ উপযুক্ত আৰু ক্ৰমিকভাৱে সংযুক্ত জীৱন-কেৰিয়াৰ সিদ্ধান্ত আৰু সমন্বয় গ্ৰহণ কৰে। ইয়াত কোনো ব্যক্তিক এটা বৃত্তি বাছনি আৰু প্ৰস্তুতিৰ বাবে আগবঢ়োৱা সহায়ৰ লগতে নিৰ্বাচিত কামৰ ধৰণত ফলপ্ৰসূভাৱে প্ৰৱেশ আৰু কাৰ্যক্ষমতা অন্তৰ্ভুক্ত কৰা হৈছে। চমুকৈ ক'বলৈ গ'লে কেৰিয়াৰ পৰামৰ্শদানে মানুহক কেৰিয়াৰটো ফলপ্ৰসূভাৱে বাছনি আৰু সামঞ্জস্য স্থাপন কৰাত সহায় কৰাত ব্যৱহৃত যোগাযোগ দক্ষতা, কৌশল আৰু মনোভাৱৰ এটা গোট হিচাপে সংজ্ঞা দিব পাৰি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সমনীয়া পৰামৰ্শদান হৈছে এনে এটা ধাৰণা য'ত একে বয়সৰ ছাত্ৰ-ছাত্ৰীসকলে ব্যক্তিগত আৰু শৈক্ষিক পৰিস্থিতিৰ সৈতে ভালকৈ বিনিময় কৰাত আনক সহায় কৰে। এজন পেছাদাৰী পৰামৰ্শদাতাৰ দৰে সমনীয়া পৰামৰ্শদানকাৰী কোনো সমস্যা সমাধানকাৰী বা পৰামৰ্শদাতা

নহয়। সমনীয়া পৰামৰ্শ প্রদানকাৰীয়ে আত্ম-অন্বেষণ আৰু সিদ্ধান্ত গ্রহণক উৎসাহিত কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰেইকি আৱিষ্কাৰ কৰিছিল জাপানী ধর্মতত্ত্ববিদ ড^{0} মিকাও উছুইয়ে (Dr. Mikao Usui)। এই থেৰাপীত হাতক নিৰাময়ৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ প্রাণিক নিৰাময় দুটা প্রাকৃতিক নিয়মৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে। সেইকেইটা হ'ল— আত্ম-আৰোগ্যৰ নিয়ম (Law of self-recovery) আৰু জীৱন শক্তিৰ নিয়ম (Law of life energy)।

৬ নং প্রশ্নৰ উত্তৰ ঃ সংকটকালীন পৰামৰ্শদান দীর্ঘম্যাদী নহয় আৰু সাধাৰণতে 1ৰ পৰা 3 মাহতকৈ বেছি নহয়। সংকটকালীন পৰামৰ্শই শিক্ষা, পথ প্রদর্শন আৰু সহায় আগবঢ়ায়। যিসকল শিশু আৰু কিশোৰ-কিশোৰী নিবিড় বা দীর্ঘম্যাদী মানসিক চিকিৎসাৰ প্রয়োজন কিন্তু চিকিৎসা লাভ কৰা নাই সেইসকলৰ বাবে সংকটকালীন পৰামৰ্শদান কিন্তু বিকল্প নহয়। সংকটকালীন পৰামৰ্শদান কেৱল চিকিৎসালয়তে সীমাৱদ্ধ নহয়, ই বিভিন্ন সম্প্রদায়ৰ লগত জড়িত হৈয়ো কাম কৰিব পাৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ শিশু নির্যাতনৰ ভিতৰত সকলো ধৰণৰ শাৰীৰিক বা আৱেগিক কু-ব্যৱহাৰ, যৌন নির্যাতন, অৱহেলা বা গাফিলতি বা ব্যৱসায়িক বা অন্যান্য শোষণ সোমাই পৰে, যাৰ ফলত শিশুৰ স্বাস্থ্য, জীয়াই থকা, বিকাশ বা মর্যাদাৰ প্রকৃত ক্ষতিৰ প্রসংগত দায়িত্ব, আস্থা বা ক্ষমতাৰ সম্পর্ক আছে।

৮ নং প্রশ্নৰ উত্তৰ ঃ শিশু নির্যাতনৰ বিভিন্ন ধৰণ হৈছে-গুৰুত্ব নিদিয়া, শাৰীৰিক নির্যাতন, যৌন নির্যাতন, আৱেগিক নির্যাতন।

৯ নং প্রশ্নৰ উত্তৰ ঃ মানুহে বিভিন্ন আৰু জটিল কাৰণত ড্রাগছ, মদ আৰু ধঁপাত আদি দ্রব্যৰ অপব্যৱহাৰ কৰে। দ্রব্যৰ অপব্যৱহাৰে মগজু আৰু স্নায়ুতন্ত্রত ক্ষতিকাৰক প্রভাৱ পেলায়, যাৰ ফলত অপব্যৱহাৰকাৰীৰ স্বাস্থ্য আৰু দৈনন্দিন কার্যকলাপত প্রভাৱ পৰে।

১০ নং প্রশ্নৰ উত্তৰ ঃ দ্রব্যৰ অপব্যৱহাৰ এক জটিল পৰিঘটনা যাৰ বিভিন্ন কাৰণ আছে। এই কাৰণসমূহ মানসিক যেনে— উদ্বেগ আৰু মানসিক চাপৰ পৰা আৰম্ভ কৰি সামাজিক, যেনে নিম্ন আর্থ-সামাজিক মর্যাদা, জৈৱিক, যেনে বিভিন্ন দীর্ঘদিনীয়া ৰোগ আৰু আনকি কোনো পদার্থৰ সাংস্কৃতিক, ভৌগোলিক আৰু পৰম্পৰাগত জনজাতীয় ব্যৱহাৰলৈকে হ'ব পাৰে।

১১ নং প্রশ্নৰ উত্তৰ ঃ বিদ্যালয়ৰ শিক্ষার্থীসকলৰ আত্মহত্যাৰ কিছুমান সাধাৰণ কাৰণ তলত উল্লেখ কৰা হৈছে—

- বিবাহ বিচ্ছেদ বা মৃত্যুৰ ফলত জীৱনৰ পৰা কোনো গুৰুত্বপূর্ণ ব্যক্তি হেৰুৱা।
- অনাচাৰ বা শিশুৰ নির্যাতন।

M ১৩.১৬ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

(ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ গোট পৰামৰ্শদানৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ গোটৰ বিভিন্ন পদ্ধতি চমুকৈ বুজাই লিখক।

প্ৰশ্ন ৩ ঃ সমনীয়া সুবিধা প্ৰদানকাৰীৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰক।

প্ৰশ্ন ৪ ঃ যোগৰ ওপৰত এটি চমুটোকা লিখক।

প্ৰশ্ন ৫ ঃ সংকটৰ দুটা গুৰুত্বপূৰ্ণ পৰিস্থিতিৰ কথা উল্লেখ কৰক।

প্ৰশ্ন ৬ ঃ শিশু নিৰ্যাতনৰ কিছুমান সাধাৰণ কাৰণ উল্লেখ কৰক।

প্ৰশ্ন ৭ ঃ দ্ৰব্যৰ অপব্যৱহাৰৰ ওপৰত এটা চমুটোকা লিখক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ গোট প্ৰক্ৰিয়াৰ পৰ্যায়সমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ কেৰিয়াৰ পৰামৰ্শদানৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ কেৰিয়াৰ পৰামৰ্শদানৰ পদক্ষেপসমূহ বুজাই লিখক।

প্ৰশ্ন ৪ ঃ নিৰ্দেশনা আৰু পৰামৰ্শদানৰ ক্ষেত্ৰত বিভিন্ন বিকল্প চিকিৎসা পদ্ধতিৰ বিষয়ে বিশদভাৱে লিখক।

প্ৰশ্ন ৫ ঃ শিশু নিৰ্যাতনৰ বিভিন্ন ধৰণৰ বিষয়ে বিতংভাৱে বুজাই লিখক।

প্ৰশ্ন ৬ ঃ দ্ৰব্য সেৱনকাৰীৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত পৰামৰ্শদাতাই কেন্দ্ৰীভূত কৰিবলগীয়া ক্ষেত্ৰসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৭ ঃ বৰ্তমান প্ৰজন্মক আমি কেনেকৈ এইচ. আই. ভিৰ এইডছৰ পৰা ৰক্ষা কৰিব পাৰিম— ব্যাখ্যা কৰক।

প্ৰশ্ন ৮ ঃ আত্মহত্যাৰ ধাৰণাটো বুজাই লিখক। বিদ্যালয়ৰ শিক্ষাৰ্থীৰ আত্মহত্যাৰ প্ৰধান কাৰণসমূহ বিশদভাৱে উল্লেখ কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ মানসিক স্বাস্থ্য আৰু সুস্থতাৰ বিকাশ (PROMOTING MENTAL HEALTH AND WELLBEING)

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ মানসিক স্বাস্থ্যৰ ধাৰণা
১৪.৩.১ মানসিক স্বাস্থ্যৰ পৰিসৰ
১৪.৪ মানসিকভাৱে সুস্থ ব্যক্তিৰ বৈশিষ্ট্যসমূহ
১৪.৫ মানসিক স্বাস্থ্য অটুত ৰখাত বিদ্যালয়ৰ ভূমিকা
১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪.৮ অগ্রগতিৰ খতিয়ান
১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মানসিক স্বাস্থ্যৰ ধাৰণা সম্পৰ্কে অৱগত হ'ব
- মানসিক স্বাস্থ্যৰ পৰিসৰ সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব
- মানসিকভাৱে সুস্থ ব্যক্তিৰ বৈশিষ্ট্যসমূহ চিনাক্ত কৰিব পাৰিব
- মানসিক স্বাস্থ্য অটুত ৰখাত বিদ্যালয়ৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয় (INTRODUCTION)

শৈশৱ হৈছে ব্যক্তিত্বৰ ভেটি স্থাপনৰ উপযুক্ত সময়। আনহাতে পৰিয়াল হৈছে শিশুৱে সন্মুখীন হোৱা প্ৰথম অনুষ্ঠান, যিয়ে ব্যক্তিত্বৰ বিকাশত প্ৰভাৱ পেলোৱাত বিশেষ ভূমিকা গ্ৰহণ কৰে। পৰিয়ালৰ বাহিৰেও, বিদ্যালয়তো শিক্ষাৰ্থীৰ জ্ঞান আৰু দক্ষতাক প্ৰসাৰিত কৰাত সহায় কৰে। এনে জ্ঞান, দক্ষতাৰ প্ৰসাৰণে ভৱিষ্যৎ

জীৱনৰ মানদণ্ড উন্নত কৰাত সহায় কৰে। এনে অৱস্থাত আকৌ শিক্ষক সমাজ তথা অভিভাৱকসকল সচেতন নহ'লে কেতবোৰ বিৰূপ প্ৰভাৱ দেখা যায়। আন এক গুৰুত্বপূৰ্ণ কথা এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে সুস্থ মানসিক স্বাস্থ্যইহে সুস্থ ব্যক্তিত্ব গঠন কৰিব পাৰিব। সেয়ে— এই বিদ্যালয়ৰ সুস্থ মানসিকতা গঠনৰ ক্ষেত্ৰত ভূমিকা হ'ব অনবদ্য। পৰিয়ালৰ সমস্যাই যদি কোনো শিশুক মানসিকভাৱে জুৰুলা কৰে, তেনে সময়ত বিদ্যালয়ত প্ৰদান কৰা সুস্থ পৰিৱেশে শিশুসকলক সহায় কৰিব। মানসিক স্বাস্থ্যৰ লালন-পালনৰ বাবে অনুকূল পৰিৱেশ গঢ়ি তুলিবৰ চেষ্টা কৰাতো প্ৰত্যেক বিদ্যালয়ৰ প্ৰধান দায়িত্ব। সেয়ে এই অধ্যায়ৰ লক্ষ্য হৈছে মানসিক স্বাস্থ্যৰ ধাৰণা সম্পৰ্কে জনাই এই স্বাস্থ্য অটুত ৰখাৰ বাবে সজাগতা সৃষ্টি কৰা।

এই অধ্যায়ৰ আলোচনাৰ অন্তত আপোনালোকে মানসিক স্বাস্থ্যৰ বিষয়ে নিজৰ ধাৰণা গঢ়ি তোলাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক ইতিবাচকভাৱে প্ৰভাৱিত কৰাত আৰু অভিভাৱকসকলৰ মাজত এক সুস্থ সজাগতা সৃষ্টি কৰাত ভূমিকা গ্ৰহণ কৰিব পাৰিব।

১৪.৩ মানসিক স্বাস্থ্যৰ ধাৰণা (CONCEPT OF MENTAL HEALTH)

মানসিক স্বাস্থ্যৰ লগত প্ৰত্যেক ব্যক্তিৰে আৱেগিক, মনোবৈজ্ঞানিক তথা সামাজিক সুস্থতা বিকাশৰ দিশসমূহ জড়িত হৈ থাকে। এই সুস্থতাৰ বিকাশে আমাৰ চিন্তাধাৰা, অনুভৱ আৰু আচৰণৰ ওপৰত প্ৰভাৱ পেলায়। আনহাতে মানসিক স্বাস্থ্যৰ ধাৰণাটো সম্পূৰ্ণ নিশ্চিতভাৱে ব্যাখ্যা কৰিব নোৱাৰি। মানসিক স্বাস্থ্যৰ লগত কি কি অৱস্থাৰ সম্পৰ্ক আছে আৰু কি কি অৱস্থাই অসুস্থ মানসিক স্বাস্থ্যক বুজায়, সেই বিষয়ে যথেষ্ট গৱেষণা ইতিমধ্যে হৈ উঠিছে। এখন উন্নত আৰু সুষম সমাজৰ বাবে মানসিক স্বাস্থ্য হৈ উঠিছে আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰয়োজন। আধুনিক যুগত আমি এনে লোকৰ সন্মুখীন হওঁ যিয়ে মানসিক সমস্যাত ভুগি আছে আৰু এনে ঘটনাৰ মূল কাৰণ হ'ল সমাজৰ দ্ৰুত পৰিৱৰ্তিত স্বৰূপ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিয়ে আমাৰ সমাজখনক দ্ৰুত গতিত সলনি কৰিছে। সকলো সামাজিক নীতি-নিয়ম, পৰম্পৰা, নৈতিক মূল্যবোধ, সংস্কৃতি, জীৱনশৈলী সলনি হৈ আহিছে আৰু সেয়েহে মানুহৰ জীৱনটোক অধিক প্ৰত্যাহ্বানজনক কৰি তুলিছে। এনে পৰিস্থিতিত যিসকল লোক মানসিকভাৱে শক্তিশালী তেওঁলোকৰ এনে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সামৰ্থ থাকে আৰু যিসকল মানসিকভাৱে দুৰ্বল, তেওঁলোক আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হয়। এই প্ৰেক্ষাপটত মানসিক স্বাস্থ্যৰ ধাৰণাটো বিকাশ ঘটিছে যাতে সকলোৱে মানসিক স্বাস্থ্যজনিত সমস্যাৰ বিষয়ে সজাগ হয় আৰু বুজি পায়।

এক কথাত বুজা যায় যে, মানসিক স্বাস্থ্য মানে মনৰ অনুকূল কাৰ্যক্ষমতা, মানসিক স্বাস্থ্য সম্পৰ্কীয় সমস্যা আঁতৰোৱা আৰু ইয়াৰ সম্ভাৱনাক সৰ্বাধিক উপলব্ধি কৰা প্ৰক্ৰিয়া। বিভিন্ন প্ৰখ্যাত সংগঠন, মনোবিজ্ঞানী আৰু শিক্ষাবিদসকলে দিয়া সংজ্ঞাৰ পৰা মানসিক স্বাস্থ্য সম্পৰ্কে ধাৰণা স্পষ্ট হ'ব। তলত কেতবোৰ সংজ্ঞা আগবঢ়োৱা হ'ল।

১) বিশ্ব স্বাস্থ্য সংস্থাই (WHO) আগবঢ়োৱা সংজ্ঞা সংজ্ঞায়িত কৰা অনুসৰি 'মানসিক স্বাস্থ্য হৈছে সুস্থতাৰ অৱস্থা য'ত ব্যক্তিজনে নিজৰ ক্ষমতা উপলব্ধি কৰে, জীৱনৰ মানসিক চাপৰ সৈতে মোকাবিলা কৰিব পাৰে, উৎপাদনশীল আৰু ফলপ্রসূভাৱে কাম কৰিব পাৰে আৰু নিজৰ সমাজলৈ অৱদান আগবঢ়াবলৈ সক্ষম হয়।

(Mental Health is a state of Wellbing in which the individual realizes his or her even abilities, can cope with the normal stresses of life, can work productively and fruitfully, and is able to make a contribution to his or her community).

২) ডব্লিউ ডব্লিউ বহেমে (W. W. Bohem) উল্লেখ কৰা অনুসৰি, 'মানসিক স্বাস্থ্য হৈছে সামাজিক কার্যকলাপৰ এক অৱস্থা আৰু স্তৰ যিটো সামাজিকভাৱে গ্রহণযোগ্য আৰু ব্যক্তিগতভাৱে সন্তুষ্টিদায়ক।'

(Mental health is a condition and level of social functioning which is socially acceptable and personally satisfying).

৩) কে. এ. মেনিংগাৰৰ (K. A. Menninger) মতে, মানসিক স্বাস্থ্যৰ সংজ্ঞা হৈছে মানুহে পৃথিৱীৰ লগত আৰু ইজনে সিজনৰ লগত সর্বোচ্চ ফলপ্রসূতা আৰু সুখৰ সৈতে সামঞ্জস্য স্থাপন কৰা। ই হৈছে সম-স্বভাৱ বজাই ৰখাৰ ক্ষমতা, সজাগ বুদ্ধিমত্তা, সামাজিকভাৱে বিবেচনাপূর্ণ আচৰণ আৰু সুখী স্বভাৱ।"

(Mental health is defined as the adjustment of human beings to the world and to each other with a maximum of effectiveness and happiness. It is the ability to maintain even temper, an alert intelligence, socially considerate behaviour and happy disposition).

৪) জে. এ. হেডফিল্ড (J. A. Hadfield)-ৰ মতে, 'মানসিক স্বাস্থ্য হৈছে সমগ্র ব্যক্তিত্বৰ সম্পূর্ণ আৰু সুষম কার্যকলাপ।'

(Mental health is the full and harmonious functioning of the whole personality).

৫) কাটছ আৰু মছলেই (Cults and Moslay) উল্লেখ কৰা অনুসৰি, 'মানসিক স্বাস্থ্য হৈছে সেই ক্ষমতা, যিয়ে আমাৰ জীৱনৰ কঠিন পৰিস্থিতিত সমন্বয় বিচাৰিবলৈ সহায় কৰে।'

(Mental health is the ability which helps us to seek adjustment in the difficult situations of our life).

৬) হোৱাইট হাউছ সন্মিলন (White House Conference)ৰ মতে, 'মানসিক স্বাস্থ্যক ব্যক্তিজনে সর্বাধিক ফলপ্রসূতা, সন্তুষ্টি, উল্লাস আৰু সামাজিকভাৱে যথেষ্ঠ আচৰণ আৰু জীৱনৰ বাস্তৱতাৰ সন্মুখীন হোৱা আৰু গ্রহণ কৰাৰ ক্ষমতাৰে নিজৰ আৰু সামগ্রিকভাৱে বিশ্বৰ লগত খাপ খুৱাই লোৱা বুলি সংজ্ঞায়িত কৰিব পাৰি।'

(Mental health may be defined on the adjustment of the individual to themselves and the world at large with a maximum of affectiveness, satisfaction, cheerfuliness

and socially considerable behaviour and the ability of facing and accepting the mealities of life).

১৪.৩.১ মানসিক স্বাস্থ্যৰ পৰিসৰ (Scope of Mental Health)

মানৱ সমাজৰ অস্তিত্বৰ কথা ক'বলৈ যাওঁতে মানসিক স্বাস্থ্য অতিকৈ গুৰুত্বপূৰ্ণ বিষয়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ বাবে সমাজখনত দ্ৰুত পৰিৱৰ্তন ঘটিছে। মানুহৰ জীৱন যিমানেই জটিল হৈ পৰিছে সিমানেই মানসিক স্বাস্থ্যজনিত সমস্যাৰ সংখ্যা বৃদ্ধি পায়। এনে পৰিস্থিতিত মানসিক স্বাস্থ্যৰ পৰিসৰ বৃদ্ধি পাইছে আৰু বৰ্তমান ই অতি প্ৰয়োজনীয়।

(১) **মানসিক স্বাস্থ্যৰ বিভিন্ন সমস্যা (Different mental health problems)ঃ** মানসিক স্বাস্থ্যৰ অধ্যয়নে জনসাধাৰণক বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ বিষয়ে বুজি পোৱাত সহায় কৰে আৰু লগতে ইয়াক অতিক্ৰম কৰিবলৈ উপযুক্ত প্ৰতিৰোধমূলক ব্যৱস্থা বাছনি কৰাত সহায় কৰে। জীৱন উপভোগ কৰিবলৈ আৰু মানসিকভাৱে সুস্থ হোৱা আৰু ভালদৰে জীয়াই থকাতো প্ৰতিজন ব্যক্তিৰ বাবেই অতি তাৎপৰ্যপূৰ্ণ কথা।

(২) **মানসিক বিকাৰ বা অশান্তিৰ আঁৰৰ কাৰণসমূহ (The causes behing Mental disorders or disturbance) ঃ** এনে কিছুমান কাৰণ আছে যাৰ বাবে এজন ব্যক্তিয়ে মানসিক স্বাস্থ্যজনিত সমস্যাৰ সন্মুখীন হ'ব পাৰে যেনে—শৈশৱৰ নিৰ্যাতন, আঘাত, সামাজিক বিচ্ছিন্নতা আৰু বৈষম্য, দৰিদ্ৰতা, ঋণ, ওচৰৰ আৰু প্ৰিয়জনক হেৰোৱা, নিৰনুৱা সমস্যা, গৃহহীনতা, ড্ৰাগছ, মদ সেৱন, ইত্যাদি। মানসিক স্বাস্থ্যই মানুহক এই কাৰণসমূহৰ সন্দৰ্ভত সজাগতা বৃদ্ধি কৰাৰ লগতে ইয়াক বন্ধ কৰাৰ বাবে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম কৰে।

(৩) **মানসিক স্বাস্থ্যৰ গুৰুত্ব সম্পৰ্কে সজাগতা বৃদ্ধি (Increasing awareness about the importance of mental health) ঃ** বিভিন্ন গৱেষণাৰ তথ্য অনুসৰি প্ৰতি বছৰে প্ৰাপ্তবয়স্ক জনসংখ্যাৰ ১৯%, কিশোৰ-কিশোৰীৰ ৪৬% আৰু ১৩% শিশুক মানসিক ৰোগে আক্ৰান্ত কৰে। মানসিক স্বাস্থ্যৰ প্ৰতি থকা ভুল ধাৰণাৰ ফলতেই এনে আক্ৰান্তৰ সৰহ সংখ্যকেই উপযুক্ত চিকিৎসাৰ পৰা বঞ্চিত হয়। সেয়েহে মানসিক স্বাস্থ্য সম্পৰ্কীয় সকলো ভুল ধাৰণা আঁতৰাই ইয়াক সমাজৰ গুৰুত্বপূৰ্ণ বিষয় হিচাপে গ্ৰহণ কৰাৰ উপযুক্ত সময়। সকলো শিক্ষানুষ্ঠানতে মানসিক স্বাস্থ্যক বাধ্যতামূলক বিষয় হিচাপে গঢ়ি তুলিব লাগে যাতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে ভাল মানসিক স্বাস্থ্যৰ প্ৰয়োজনীয়তা বুজি পাবলৈ সক্ষম হয়। ই জনসাধাৰণৰ মাজতো সজাগতা বৃদ্ধি কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

(৪) **মানসিকভাৱে সুস্থ ব্যক্তিৰ বিষয়ে জনোৱা (Give knowledge about the characterstics of mentally healthy person) ঃ** মানসিক স্বাস্থ্যক সুস্থ বুলি কোৱাৰ বৈশিষ্ট্য হ'ল এজন ব্যক্তিয়ে কেইবাটাও মূল কাৰ্য আৰু কাৰ্যকলাপ সম্পন্ন কৰাৰ ক্ষমতা য'ত থাকে— শিকিব পৰা ক্ষমতা, এক পৰিসৰৰ ইতিবাচক আৰু নেতিবাচক আৱেগ অনুভৱ, প্ৰকাশ আৰু পৰিচালনা কৰাৰ ক্ষমতা, আনৰ সৈতে

ভাল সম্পৰ্ক গঢ়ি তোলা আৰু বজাই ৰখাই ক্ষমতা, পৰিৱৰ্তন আৰু অনিশ্চয়তাৰ সৈতে মোকাবিলা আৰু পৰিচালনা কৰাৰ ক্ষমতা ইত্যাদি।

মানসিক স্বাস্থ্যৰ অধ্যয়নে এজন ব্যক্তিক এই বৈশিষ্ট্যসমূহৰ অধিকাৰী কৰি নিজৰ জীৱনটোক সক্ৰিয় আৰু ইতিবাচকভাৱে আগবঢ়াই নিয়াৰ গুৰুত্বৰ বিষয়ে বুজিব পাৰে।

(৫) **সংহত ব্যক্তিত্ব গঢ়ি তোলা (Develop integrated personality) ঃ** এক সংহত ব্যক্তিত্ব, মন, ইচ্ছা আৰু দৃঢ়তা আৰু মানসিক কাৰ্যই সংগঠিতভাৱে কাম কৰে। সংহত ব্যক্তিত্বৰ অধিকাৰী হোৱাতো মানসিকভাৱে সুস্থ ব্যক্তিৰ অন্যতম বৈশিষ্ট্য। ভাল আৰু সুস্থ মানসিক স্বাস্থ্যৰ প্ৰসাৰৰ বাবে শিশুৰ সংহত ব্যক্তিত্ব গঢ়ি তোলাত অভিভাৱক আৰু শিশুৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। সংহত ব্যক্তিত্বৰ কথা ক'বলৈ যাওঁতে আহে—

(ক) 'মই' আৰু নিজৰ সামৰ্থৰ মাজত সমন্বয়।

(খ) নিজৰ সামৰ্থ আৰু আগ্ৰহৰ মাজত সমন্বয়।

(গ) নিজৰ স্বাৰ্থৰ মাজত সমন্বয়।

(ঘ) নিজৰ আত্ম ধাৰণা আৰু সামাজিক বাধাৰ মাজত সমন্বয়।

(ঙ) নিজৰ জীৱনৰ লক্ষ্য আৰু সামাজিক আচৰণ বিধিৰ মাজত সমন্বয়।

(৬) **মানসিক স্বাস্থ্যৰ বিশেষজ্ঞসকল (Mental health professionals) ঃ** মানসিক স্বাস্থ্য সুৰক্ষিত কৰা বিভিন্ন বিশেষজ্ঞ আছে। মানসিক স্বাস্থ্যজনিত সমস্যাসমূহ চিনাক্তকৰণ আৰু চিকিৎসা কৰাত এওঁলোকৰ প্ৰত্যেকেই মূল ভূমিকা পালন কৰে। এনে পেছাদাৰী লোক বুলিলে আমি বুজিম মনোৰোগ বিশেষজ্ঞ, ক্লিনিকেল চাইক'লজিষ্ট, পৰামৰ্শদাতা, মনোৰোগ বিশেষজ্ঞ, সমাজকৰ্মী ইত্যাদিক। এনে মানসিক স্বাস্থ্য পেছাদাৰীসকলে এনে সেৱা আগবঢ়ায় যিয়ে এজন ব্যক্তিক সুস্থ জীৱন-যাপন কৰাত সহায় কৰে। আমাৰ মানসিক স্বাস্থ্যক সহায় কৰিবলৈ তেওঁলোকৰ বিভিন্ন দক্ষতা আছে। মানসিক স্বাস্থ্যৰ অধ্যয়নে নিজৰ প্ৰয়োজন অনুসৰি এনে পেছাদাৰীসকলৰ পৰা সহায় লোৱাত আমাৰ প্ৰত্যেককে সহায় কৰে।

মানসিক স্বাস্থ্যৰ পৰিসৰ সন্দৰ্ভত উল্লেখ কৰিব পাৰি যে, ক'ভিড-১৯ মহামাৰীয়ে বিশ্বৰ ৯৩% দেশত জটিল মানসিক স্বাস্থ্য সেৱাত ব্যাঘাত জন্মায়। আনহাতে আকৌ দিনক দিনে বাঢ়ি যোৱা জীৱন ধাৰাৰ জটিলতাই মানসিক স্বাস্থ্য অটুত ৰখাৰ চাহিদা বৃদ্ধি কৰিছে। WHO ৰ নতুন সমীক্ষা মতে, ১৩০খন দেশত মানসিক স্বাস্থ্য সেৱাৰ সুবিধাৰ ওপৰত হোৱা ক'ভিড–১৯ৰ বিধংসী প্ৰভাৱৰ হেতু মানসিক স্বাস্থ্যৰ ক্ষেত্ৰত অধিক বিনিয়োগ কৰাটো বৰ্তমান সময়ৰ আহ্বান হৈ পৰিছে।

১৪.৪ মানসিকভাৱে সুস্থ ব্যক্তিৰ বৈশিষ্ট্যসমূহ (CHARACTERTICS OF A MENTALLY HEALTHY PERSON)

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, মানসিক স্বাস্থ্যৰ শাৰীৰিক আৰু মানসিক দিশ দুয়োটাই সমানে

গুৰুত্বপূৰ্ণ উপাদান। কিন্তু বহু ক্ষেত্ৰত দেখা যায় যে মানুহে নিজৰ মনৰ ফিটনেছক আওকাণ কৰি শাৰীৰিক স্বাস্থ্যৰ ওপৰত অধিক মনোনিৱেশ কৰাৰ প্ৰৱণতা থাকে। মানুহৰ অতি উন্নত মগজুৰ বাবেই জীৱন নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছে। গতিকে, আমাৰ দৈনন্দিন কাম কাজত অনুকূল ফলাফল আৰু প্ৰদৰ্শনৰ বাবে এজনে নিজৰ মানসিক স্বাস্থ্য উন্নীত কৰাত মনোনিৱেশ কৰা উচিত। মানসিক স্বাস্থ্যত এজন ব্যক্তিয়ে নিজৰ প্ৰতি কেনে অনুভৱ কৰে আৰু জীৱনৰ পৰিঘটনাৰ লগত কেনেদৰে খাপ খাই পৰে, সেই বিষয়ে অন্তৰ্ভুক্ত কৰা হৈছে। অৱশ্যে Mental Health Associationয়ে মানসিকভাৱে সুস্থ লোকৰ বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। সেইসমূহ হ'ল-

- তেওঁলোকৰ আত্মবিশ্বাস থাকে আৰু নিজকে ভাল পায়।
- ভয়, খং, প্ৰেম, ঈৰ্ষা, অপৰাধবোধ বা উদ্বেগ আদি আৱেগে তেওঁলোকক আৱৰিব নোৱাৰে।
- তেওঁলোকৰ মাজত স্থায়ী আৰু সন্তুষ্টিদায়ক আৰু ব্যক্তিগত সম্পৰ্ক থাকে।
- তেওঁলোকে নিজকে সুখী ৰখাৰ লগতে আনৰ সুখতো হাঁহিব জানে।
- মতানৈক্য হ'লেও তেওঁলোকৰ নিজৰ প্ৰতি আৰু আনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে।
- জীৱনক ধনাত্মকভাৱে গ্ৰহণ কৰি জীৱনৰ হতাশাবোৰ মানি ল'ব পাৰে।
- তেওঁলোকে জীৱনৰ দাবী পূৰণ কৰিব পাৰে আৰু সমস্যাৰ সৃষ্টি হ'লে সেইসমূহ চম্ভালিব পাৰে।
- তেওঁলোকে সম্ভৱ হ'লে নিজৰ পৰিৱেশ গঢ় দিয়ে আৰু প্ৰয়োজনত ইয়াৰ লগত খাপ খাই চলিবও পাৰে।

কেতবোৰ ভুল ধাৰণাৰ কাৰণে বহুলোকে মানসিক স্বাস্থ্যসেৱাৰ সুযোগ গ্ৰহণ কৰিবলৈ অনিচ্ছুক। কাৰণ মানসিক স্বাস্থ্যৰ বিষয়টো চিকিৎসাজনিত বিষয়তকৈ বেলেগ ধৰণে চোৱাৰ প্ৰৱণতাহে বেছি দেখিবলৈ পোৱা যায়। যেতিয়া স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি হয়, তেতিয়া চিকিৎসকৰ ওচৰলৈ যোৱাতো সাধাৰণ কথা। কিন্তু যেতিয়া কোনো লোকে হতাশা, অত্যাধিক ভয় বা আন মানসিক সমস্যাৰ সন্মুখীন হয়, তেতিয়া মানসিক চিকিৎসাৰ বাবে যাবলৈ সংকোচ অনুভৱ কৰে। দুৰ্ভাগ্যজনকভাৱে এনে দৃষ্টিভংগীয়ে ব্যক্তিৰ লগতে সমাজৰো ক্ষতি সাধন কৰে। প্ৰত্যেকেই এটা কথা বুজি উঠাতো অত্যন্ত গুৰুত্বপূৰ্ণ যে, আৱেগিক সমস্যা এটা চিনি পাই সহায় বিচাৰি যোৱাতো দুৰ্বলতাৰ লক্ষণ নহয়, বৰঞ্চ এনে ইতিবাচক কাৰ্যসমূহ শক্তিশালী ব্যক্তিৰ বৈশিষ্ট্য।

১৪.৫ মানসিক স্বাস্থ্য অটুত ৰখাত বিদ্যালয়ৰ ভূমিকা (ROLE OF SCHOOL IN MAINTAINING MENTAL HEALTH))

'মানসিক স্বাস্থ্য আৰু তাৰ বাবে আচৰণৰ স্বাস্থ্য বৰ্তমান সমাজত যথেষ্ট চৰ্চাৰ বিষয়। বিদ্যালয়ৰ পৰিৱেশত শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্যৰ ওপৰত নজৰ ৰখাতো যথেষ্ট দৰকাৰী বিষয়। মানসিক স্বাস্থ্যৰ বিষয়সমূহৰ ভিতৰত আছে হতাশা, উদ্বেগ, মাদক দ্ৰব্যৰ অপব্যৱহাৰ ইত্যাদি।' যিহেতু এনে বিষয়সমূহ প্ৰাপ্তবয়স্কৰ কাৰণেই মোকাবিলা কৰাটো যথেষ্ট কঠিন, তেনেস্থলত অভিভাৱক আৰু শিক্ষকৰ সহায় অবিহনে শিশু আৰু কিশোৰ-কিশোৰীসকলে মোকাবিলা কৰিব পাৰিব বুলি আমি কিদৰে আশা কৰিব পাৰো? এনে পৰিস্থিতিত মানসিক স্বাস্থ্য

সুৰক্ষিত কৰি সমাজখনক ৰক্ষা কৰাৰ দায়িত্ব বিদ্যালয়সমূহৰ ওপৰত যথেষ্ট নির্ভৰ কৰে। শিক্ষকসকলৰ বাবে বিদ্যালয় পৰিচালনাৰ সক্রিয় সহায় অংশগ্রহণ অবিহনে প্রতিজন শিশুৰ মনোবিজ্ঞান বুজি পোৱাতো সহজ নহয়। সেয়ে মানসিক স্বাস্থ্য প্রসাৰৰ ক্ষেত্রত শিক্ষক তথা বিদ্যালয়ৰ ভূমিকা অভিভাৱকৰ ভূমিকাৰ দৰেই গুৰুত্বপূর্ণ বুলি ক'ব পাৰি।

(১) **উপযুক্ত নীতি নির্ধাৰণ কৰা (Have appropriate policies in place) ঃ** সাধাৰণতে বিদ্যালয়সমূহত মানসিক স্বাস্থ্যৰ সুকীয়া নীতি থকতো বাধ্যতামূলক নহয়। অৱশ্যে বর্তমান সময়ত দেখা গৈছে যে, বহু বেচৰকাৰী খণ্ডৰ বিদ্যালয়ে অন্যান্য স্বাস্থ্যজনিত প্রয়োজনীয়তা থকা বা বিশেষকৈ শৈক্ষিক প্রয়োজনীয়তা থকা ছাত্র-ছাত্রীসকলক সহায় কৰা নীতিত মানসিক স্বাস্থ্য আৰু সুস্থতা অন্তর্ভুক্ত কৰে। মানসিক স্বাস্থ্যজনিত সমস্যা থকা ছাত্র-ছাত্রীসকল যাতে নির্যাতনৰ সন্মুখীন হ'ব লগা নহয় তাৰ কাৰণে বিদ্যালয় কর্তৃপক্ষ আৰু লগতে শিক্ষকসকলে প্রত্যেক ছাত্র-ছাত্রীক উপযুক্ত সমর্থন কৰাটো নিশ্চিত কৰিবলৈ ইতিবাচক সমগ্র বিদ্যালয়ৰ পদক্ষেপ গ্রহণ কৰিব লাগে যাতে তেওঁলোকে শিকিব পাৰে আৰু সফল হ'ব পাৰে।

(২) **ছাত্র-ছাত্রীসকলৰ কাৰণে পর্যাপ্ত সহায় আগবঢ়োৱা (Provide adequate support for pupils) ঃ** বিদ্যালয়সমূহত এনে ধৰণৰ ব্যৱস্থাৰ প্রয়োজন যাতে ছাত্র-ছাত্রীসকলক তেওঁলোকৰ দৈনন্দিন চিন্তা আৰু আৱেগিক সমস্যাৰ পৰা আৰম্ভ কৰি স্বীকৃতিপ্রাপ্ত, মানসিক স্বাস্থ্যজনিত সমস্যা যেনে হতাশা, উদ্বেগজনিত বিকাৰ আদি সকলো সমস্যা সমাধানৰ পথ দেখুওৱাব পাৰে। অটিষ্টিক স্পেক্ট্রম ডিছঅ'র্ডাৰ আৰু খাদ্যাভাসৰ বিকাৰ, আত্মহত্যা আৰু আত্মহত্যাৰ চিন্তা আদি সমস্যাত ভুগি থকা সকলকো বিশেষ ব্যৱস্থা গ্রহণ কৰি সমস্যাৰ সঠিক সমাধান উলিয়াব লাগে।

(৩) **মানসিক সুস্থতাৰ ক্ষেত্রত প্রাৰম্ভিক ইতিবাচক অভিজ্ঞতাৰ গুৰুত্বক চিনাক্ত কৰা (Recognise the importance of positive early experiences in mental weleing) ঃ** শৈশৱ কাল হৈছে সুস্থ আৱেগিক বিকাশৰ মূল ভেটি। এই সময়ত ইতিবাচক প্রাৰম্ভিক অভিজ্ঞতা বিশেষভাৱে গুৰুত্বপূর্ণ। নিৰাপত্তা আৰু ইতিবাচক উদ্দিপনা অনুভৱে শিশুক আৱেগিক আৰু সামাজিকভাৱে শক্তিশালী কৰি গঢ়ি তোলাত সহায় কৰাৰ লগতে তেওঁলোকৰ উন্নতিৰ সম্ভাৱনাও বৃদ্ধি কৰে। কিন্তু কিছুমানৰ ক্ষেত্রত দেখা দিয়া মানসিক চাপ আৰু বিৰূপ অভিজ্ঞতাই শিশুৰ ভৱিষ্যৎ জীৱনৰ মানসিক স্বাস্থ্য গঢ়ি উঠাত বিৰূপ প্রভাৱ পেলায়। ইয়াৰ ভিতৰত আছে নির্যাতন, দুর্ব্যৱহাৰ, অৱহেলা, পৰিয়ালৰ সদস্যৰ মাজত আৱেগিক বন্ধনৰ অভাৱ, পিতৃ-মাতৃৰ মাজত হোৱা বিচ্ছেদ আদি। সেয়ে এনে ধৰণৰ বিষয়ৰ প্রতি লক্ষ্য ৰাখি প্রাথমিক পর্যায়ৰ পৰাই বিদ্যালয়ত সুষ্ঠ পৰিৱেশ প্রদানত গুৰুত্ব দিব লাগে যাতে মানসিক বিকাশৰ লগতে ইয়াৰ সুস্থতাক অটুত ৰাখিব পাৰি।

(৪) **অভিভাৱকসকলৰ বাবে সহায় আগবঢ়োৱা (Provide support for parents) ঃ** শিশুৰ মানসিক চাপ কমাই মানসিক স্বাস্থ্যত গুৰুত্ব দিয়াতো অভিভাৱকৰ বাবে এক প্রত্যাহ্বানজনক কাম। কিন্তু যি সময়ত পৰিয়ালত পিতৃ-মাতৃ বা আন সদস্যই নিজেই মানসিক অসুস্থতা বা নিজেই মানসিক বিকাৰত ভুগিব লগা হয়, তেনে পৰিয়ালৰ বাবে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ যত্ন লোৱাটো বিশেষভাৱে প্রত্যাহ্বানজনক হ'ব

পাৰে। যিসকল অভিভাৱকৰ মানসিক বা শাৰীৰিক স্বাস্থ্যৰ সমস্যা আছে তেওঁলোকক ফলপ্রসূ অভিভাৱকত্ব প্রদান কৰাত সহায় কৰিবলৈ যিমানদূৰ সম্ভৱ সহায় কৰিব লাগে। এই ধৰণৰ সমস্যাৰ ক্ষেত্রত শিক্ষক তথা অন্যান্য বিদ্যালয়ৰ কর্মচাৰীসকল সচেতন হ'ব লাগে।

(৫) **শিক্ষক আৰু শিক্ষার্থীৰ মাজৰ সু-সম্পর্ক স্থাপন (Establishing good relationships between teachers and students) ঃ** 'ছাত্র-ছাত্রীৰ মানসিক স্বাস্থ্য সুস্থ কৰি ৰখাত শিক্ষক আৰু ছাত্রৰ মাজৰ সু-সম্পর্কেই বিশেষভাৱে ভূমিকা গ্রহণ কৰে। প্রত্যেক শিশুৰ জীৱনত শিক্ষকে এক বিশেষ স্থান দখল কৰে। সেয়ে শিক্ষকৰ নিজৰ ব্যক্তিত্ব আৰু ছাত্র-ছাত্রীৰ সৈতে তেওঁৰ সম্পর্কেই দুয়োৰে ওপৰত ক্রমান্বয়ে প্রভাৱ পেলায়।' যি জন শিক্ষক প্রত্যেক জন শিশুৰ সৈতে উষ্ণ সম্পর্ক, ধৈর্যশীল, নিৰপেক্ষ, গণতান্ত্রিক দৃষ্টিভংগীৰ আৰু দৃঢ়, তেনে শিক্ষক ছাত্র-ছাত্রীৰ প্রিয় হয় আৰু তেওঁলোকেই শিশুৰ মানসিক স্থিতি সবল কৰাত সুন্দৰভাৱে ভূমিকা গ্রহণ কৰিব পাৰে। ছাত্র-ছাত্রীৰ লগত শিক্ষকৰ উষ্ণ যোগাযোগ আৰু কথা শুনাৰ দক্ষতাই তেওঁৰ লগত ফলপ্রসূভাৱে সম্পর্ক স্থাপন কৰাত সহায় কৰে লগতে ছাত্র-ছাত্রীৰ মাজত বিভিন্ন ক্ষেত্রত দেখা দিয়া সমস্যাৰ প্রকাশ আৰু লগতে সমাধানতো সহায় কৰে।

(৬) **পাঠ্যক্রমত মানসিক স্বাস্থ্যক অন্তর্ভুক্তকৰণ (Include mental health in the curriculum) ঃ** মানসিক স্বাস্থ্য আৰু স্বাস্থ্য বিজ্ঞানৰ বিজ্ঞান সম্পর্কে থকা ভুল ধাৰণাৰ বিৰুদ্ধে যুঁজ দিয়াৰ আৰু যুৱক-যুৱতীসকলক বিভিন্ন পৰিস্থিতিত সুস্থভাৱে মোকাবিলা কৰাৰ কৌশল গ্রহণ কৰাত সহায় কৰাৰ আটাইতকৈ উত্তম উপায় হৈছে মানসিক স্বাস্থ্যৰ বিষয়ে সবিশেষ জনাতো। সেয়ে শিক্ষাৰ প্রাৰম্ভিক পর্যায়ৰ পৰাই বিভিন্ন মানসিক স্বাস্থ্যৰ বিষয়সমূহৰ লগতে নিজকে কেনেকৈ মানসিকভাৱে সুস্থ কৰি ৰাখিব পাৰি সেই কথাও অন্তর্ভুক্ত কৰাটো প্রয়োজনীয়।

ᴡ অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মানসিক স্বাস্থ্য সম্পর্কে বিশ্ব স্বাস্থ্য সংস্থাই (WHO) দিয়া সংজ্ঞাটো উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ Mental Health Associationয়ে মানসিকভাৱে সুস্থ ব্যক্তিৰ বিষয়ে দিয়া দুটা বৈশিষ্ট্য উল্লেখ কৰক।

প্রশ্ন নং ৩ ঃ সংহত ব্যক্তিত্ব বুলিলে কি বুজে?

প্রশ্ন নং ৪ ঃ জে. এ. হেডফিল্ডে মানসিক স্বাস্থ্যৰ বিষয়ে কি কৈছে?

প্রশ্ন নং ৫ ঃ মানসিক বিকাৰ বা অশান্তিৰ আঁৰৰ দুটা কাৰণ দিয়ক।

১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

- মানসিক স্বাস্থ্যৰ লগত প্ৰত্যেক ব্যক্তিৰে আৱেগিক, মনোবৈজ্ঞানিক তথা সামাজিক সুস্থতা বিকাশৰ দিশসমূহ জড়িত হৈ থাকে। এই সুস্থতাৰ বিকাশে আমাৰ চিন্তাধাৰা, অনুভৱ আৰু আচৰণৰ ওপৰত প্ৰভাৱ পেলায়।
- বিশ্ব স্বাস্থ্য সংস্থাই (WHO) দিয়া সংজ্ঞা অনুসৰি 'মানসিক স্বাস্থ্য হৈছে সুস্থতাৰ অৱস্থা য'ত ব্যক্তিজনে নিজৰ ক্ষমতা উপলব্ধি কৰে, জীৱনৰ মানসিক চাপৰ সৈতে মোকাবিলা কৰিব পাৰে, উৎপাদনশীল আৰু ফলপ্ৰসূভাৱে কাম কৰিব পাৰে আৰু নিজৰ সমাজলৈ অৱদান আগবঢ়াবলৈ সক্ষম হয়।
- মানসিক স্বাস্থ্যৰ অধ্যয়নে জনসাধাৰণক বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ বিষয়ে বুজি পোৱাত সহায় কৰে আৰু লগতে ইয়াক অতিক্ৰম কৰিবলৈ উপযুক্ত প্ৰতিৰোধমূলক ব্যৱস্থা বাছনি কৰাত সহায় কৰে।
- মানসিক স্বাস্থ্যজনিত সমস্যাৰ সন্মুখীন হ'ব পাৰে যেনে—শৈশৱৰ নিৰ্যাতন, আঘাত, সামাজিক বিচ্ছিন্নতা আৰু বৈষম্য, দৰিদ্ৰতা, ঋণ, ওচৰৰ আৰু প্ৰিয়জনক হেৰোৱা, নিৰনুৱা সমস্যা, গৃহহীনতা, ড্ৰাগছ, মদ সেৱন, ইত্যাদি। মানসিক স্বাস্থ্যই মানুহক এই কাৰণসমূহৰ সন্দৰ্ভত সজাগতা বৃদ্ধি কৰাৰ লগতে ইয়াক বন্ধ কৰাৰ বাবে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম কৰে।
- মানসিক স্বাস্থ্যৰ অধ্যয়নে এজন ব্যক্তিক এই বৈশিষ্ট্যসমূহৰ অধিকাৰী কৰি নিজৰ জীৱনটোক সক্ৰিয় আৰু ইতিবাচকভাৱে আগবঢ়াই নিয়াৰ গুৰুত্বৰ বিষয়ে বুজিব পাৰে।

১৪.৭ অধিক জানিবলৈ (FURTHER READING)

১) Crow L. D. and Crow (1962). *'An Introduction to Guidance Principles and Practices'*, New Delhi : Eurasia Publishing House.

২) Rao, Narayan (1981). *'Counselling Psychology'* MC Graw Hill Publishing Co. Ltd. New Delhi.

১৪.৮ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰ ঃ 'মানসিক স্বাস্থ্য হৈছে সুস্থতাৰ অৱস্থা। য'ত ব্যক্তিজনে নিজৰ ক্ষমতা উপলব্ধি কৰে, জীৱনৰ মানসিক চাপৰ সৈতে মোকাবিলা কৰিব পাৰে, উৎপাদনশীল আৰু ফলপ্ৰসূভাৱে কাম কৰিব পাৰে আৰু নিজৰ সমাজলৈ অৱদান আগবঢ়াবলৈ সক্ষম হয়।'

২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) মানসিকভাৱে সুস্থ ব্যক্তি আত্মবিশ্বাসী হয়।

(খ) ভয়, খং, প্ৰেম, ঈৰ্ষা আদি আৱেগে তেওঁলোকক আৱৰিব নোৱাৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ এক সংহত ব্যক্তিত্বত মন আৰু ইচ্ছা, দৃঢ়তা আৰু মানসিক কাৰ্যই সংগঠিতভাৱে কাম কৰা বুজায়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ জে. এ.হেডফিল্ডে উল্লেখ কৰা মতে, 'মানসিক স্বাস্থ্য হৈছে সমগ্ৰ ব্যক্তিত্বৰ সম্পূৰ্ণ আৰু সুষম কাৰ্যকলাপ।'

৫ নং প্ৰশ্নৰ উত্তৰ ঃ মানসিক বিকাৰ বা অশান্তিৰ আঁৰৰ দুটা কাৰণ হ'ল— শৈশৱৰ নিৰ্যাতন, দৰিদ্ৰতা।

M ১৪.৯ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

প্ৰশ্ন ১ ঃ মানসিক স্বাস্থ্যৰ সংজ্ঞা উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ মানসিক স্বাস্থ্যৰ পৰিসৰ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ মানসিকভাৱে সুস্থ এজন ব্যক্তিৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ মানসিক স্বাস্থ্যৰক্ষাত বিদ্যালয়ৰ ভূমিকা সম্পৰ্কে আপোনাৰ মতামতৰ ওপৰত আলোচনা আগবঢ়াওক।

*** ***** ***